
ভবেন্দ্ৰনাথ শইকীয়াৰ

শ্ৰেষ্ঠ গল্প



"কলকাতা, : ডিব্ৰুগড় : অসম"

প্রকাশক
শ্রীমাখন হাজরিকা
বনলতা : ডিব্রুগড়

দ্বিতীয় প্রকাশ

মূল্য ২৫০০ টকা মাত্র

বেটুপাত
বিজয় মণ্ডল

ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প

গল্প সূচী

যাত্রা বধ	...	...	১
কক্ষ ভ্রান্তি	...	...	১৯
বস্ত্র দাহ	...	...	৩৯
গঙ্গা স্নান	..	...	৬৩
ঢোবা সাপ	...	...	১০২
লাজ লাগে	...	...	১২৮
আবর্জ্জনা	...	...	১৪৫
বৃন্দাবন	.	...	১৭১
বাজ মিস্ত্রি	...	...	২০৬
প্রহরী	...	...	২৩৮

যাত্ৰাবধ

বসন্তপুৰৰ ৰজা চন্দ্ৰাকৰে যেতিয়া সেনাপতি বীৰবাহুৰ অক্ষমতা আৰু শিথিলতাত অগ্নিশৰ্মা হৈ, "ল এয়ে তোৰ উপযুক্ত শাস্তি" বুলি হাতৰ উন্মুক্ত তৰোৱাল সেনাপতিৰ বুকুত বহুৱাই দিলে আৰু লগে লগে বীৰবাহু "উস্ ভগবান" বুলি মাটিত বাগৰি পৰিল, তেতিয়াই পিছৰ আৰু কাষৰীয়া মানুহবোৰে "আগৰ মানুহ বহি যোৱা, আগৰ মানুহ বহি যোৱা" বুলি চিঞৰি উঠিল।

ইয়াৰ আগতে দুৰাতি থিয়েটাৰ হৈ গৈছে। পৰহি ভৰাবাৰী আৰু কালি মাজগাঁৱৰ মানুহে কৰিলে। আজি নৱমীৰ দিনা তুলসীবাৰীৰ পাৰ্টি। পূজাৰ এমাহৰ আগতে ন-চুবুৰি দুৰ্গাপূজা সমিতিৰ সম্পাদক শ্ৰীবিনন্দমাধৱ হাজৰিকাৰ ওচৰলৈ সাধাৰণতে গোটেই জিলাখনৰ পোন্ধৰ বিহ জন থিয়েটাৰ পাৰ্টিৰ মেনেজাৰ আহে—পূজাৰ কেইদিনমানৰ কাৰণে থিয়েটাৰৰ বন্দোবস্ত কৰিবলৈ। উথল-মাথল লাগি থকা চহৰখনৰ মানুহবোৰক থিয়েটাৰ দেখুৱাবলৈ সকলো পাৰ্টিৰ মেনেজাৰৰেই প্ৰবল আকাংক্ষা। বিনন্দমাধৱৰ আগৰজন সম্পাদকে প্ৰথমে অহা তিনিজন মেনেজাৰৰ লগতেই তিনি দিনৰ কাৰণে বন্দোবস্ত কৰি পেলাইছিল, কিন্তু একেলেথাৰিয়ে কেইবাবাৰো থিয়েটাৰে দৰ্শকক প্ৰয়োজনীয় আমোদ দিব নোৱৰাৰ কাৰণে বৰ্ত্তমান সম্পাদকে নতুন পদ্ধতিৰে পাৰ্টি নিৰ্বাচন কৰিবলৈ ললে।

পদ্ধতিটোক একপ্ৰকাৰ ইণ্টাৰভিউ বুলিব পাৰি। বিনন্দমাধৱৰ ৰসজ্ঞান আছে। থিয়েটাৰৰ নাম কি, হিৰ’-হিৰ’য়িন কেনে মানুহ, ছোকোৰা কেইটা, সঁচাসঁচি ছোৱালী ছোকোৰা আছেনে নাই, মেডেল পোৱা ছোকোৰা আৰু ফাভৰা, মানে বহুৱা আছে নে নাই, আদি প্ৰশ্নৰ সন্তোষজনক উত্তৰসাপেক্ষে তেওঁ পাৰ্টি নিৰ্বাচন কৰে আৰু সৰ্বশেষত নিৰ্বাচিত পাৰ্টিৰ মেনেজাৰক প্ৰয়োজনীয়, যেনে নাটকৰ বচন কমাই যুদ্ধ বেছি কৰা, প্ৰত্যেক দৃশ্যৰ শেষত ছোকোৰা বা বহুৱা উলিউৱা, আদি উপদেশ দি বিদায় দিয়ে। বিনন্দমাধৱৰ ৰসজ্ঞান মাদ্ধাতা আমোলৰ বুলি কোনো অপযশ নাই, বৰং দৰ্শকৰ “ছাইক’লজি ষ্টাডি” কৰি উপযুক্ত খোৰাক যোগাব পৰা গুণ আছে বুলি তেওঁৰ অন্তৰংগ বন্ধুসকলে বিশ্বাস কৰে। বিশেষকৈ কলেজীয়া দিনত সস্তীয়া কথাছবি চাই ফুৰাৰ কাৰণে কোনোবাই দোষাৰোপ কৰিলে “ধুৰ ছুমনা দামৰ কিতাপ এখন কিনিলেও বহুত উপদেশ পাবা, ছিনেমাত তথ্য, উপদেশ বিচাৰি নাৰাবা। এনজয়মেণ্ট ইজ্ এনজয়মেণ্ট”—বুলি কোৱা মানুহ বিনন্দমাধৱ।

এই সকলোবোৰৰ মাজেদি উত্তীৰ্ণ হৈ এইবাৰ পূজাৰ কাৰণে নিৰ্বাচিত হৈছিল মাজগাঁও নাট-সংঘ, তৰাবাৰী যুৱক সমিতি আৰু তুলসীঘাট অপেৰা পাৰ্টি। ১৯৩৮ চনত প্ৰতিষ্ঠিত তুলসীঘাট অপেৰা পাৰ্টিয়ে পূজা উৎসৱৰ শ্ৰেষ্ঠ দিনটোত থিয়েটাৰ কৰিবলৈ পোৱা সৌভাগ্যৰ গুৰিত আছিল তেওঁলোকৰ শক্তিশালী নাটক, গোপীনাথ ৰৰা ৰচিত ‘অৰণ্যবন্দিনী’ আৰু মেডেলপ্ৰাপ্ত শিল্পীসকল। কিন্তু পাৰ্টিৰ পৰিচালক বিপিন ৰৰাৰ আন্তৰিক দুখ আছিল, চহৰলৈ আহি নানা প্ৰকাৰৰ উন্নত ছিন-ছিনেৰি ব্যৱহাৰ কৰি থিয়েটাৰ কৰাৰ সলনি ৰভাৰ সোঁমাজতে পাৰি দিয়া ত্ৰিপালৰ ওপৰত যাত্ৰা কৰিব লগা হোৱাত।

আকাৰৰ ফালৰপৰা প্ৰথম শ্ৰেণীৰ হ’লেও টিন, ত্ৰিপাল, বহল বহল থৈলা, চামিয়না আদি জোৰা দি কৰা পূজাৰ ৰভাখন দেখিলে

বাবাগুড বহা দৰ্জিব ছুবছবীয়া জীয়েকজনীব ফ্ৰককেইটালৈ মনত পৰে। পেণ্ডেল ইনচাৰ্জ প্ৰাণকৃষ্ণ শইকীয়াক সময় মূৰত টিনৰ পেণ্ডেল হৈ মুঠাব কথা সোধাব আগতে "কেতিয়াবা জীৱনত ঘৰে ঘৰে, মাবোৱাৰীৰ গুদামে গুদামে টিনপাত বিচাৰি পাইছিলানে? এদিনমান লগ ধৰোঁতে ভোলা কনট্ৰেক্টৰৰ ঘৰলৈ গৈছিলানে? মুখেৰে চৰ্বিছটা কথা কৈ থাকা কিয়?" আদি পাঁচিছটা প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু হ'ব লাগিব।

ৰভাব একাষে চৌ-ঘৰ অৱশ্যে টিনেৰে বেৰি কৰা হৈছে। সোঁমাজতে ত্ৰিপাল এখন পাৰি তৈয়াৰ কৰা বংগমঞ্চলৈ চৌ-ঘৰৰ দুৱাৰমুখৰ পৰ্দাখনৰেপৰা দুয়োকালে কাল বাঁহ বান্ধি ভাৱৰীয়াৰ প্ৰবেশ আৰু প্ৰস্থানৰ ৰাস্তা কৰি দিয়া হৈছে। এই ৰাস্তাটোৰ একাষে থিয় হৈ যাত্ৰা চোৱা দৰ্শকৰ ভিৰ ৰভাঘৰৰ আন সকলো অংশতকৈ চকুত লগা। পৰহি, মানে যাত্ৰাৰ প্ৰথম দিনাই, দণ্ডায়মান, উৎসুক আৰু উত্তেজিত দৰ্শকৰ হেঁচাত কলা বাঁহৰ ওপৰৰ মৰাপাটৰ ৰছীৰ গাঁঠি ছিগি গৈছিল;—গতিকে কালি মনধন ককাইৰ হুকুমাই নাৰিকলৰ ৰছীৰে মজবুতকৈ বাঁহ কেইকাল বন্ধাই দিয়া হৈছিল। কিন্তু আজি আকৌ গাঁঠিবোৰ স্থানচ্যুত হৈ সোলোক-ঢোলোক হৈ পৰিছে। এনে ধৰণৰ কাল বাঁহেৰে সুৰক্ষিত অঞ্চল পূজা ঘৰত আৰু কেইবাটাও আছে, যেনে দুৰ্গা গোসাঁনীৰ সন্মুখ অঞ্চল, যাত্ৰা পাৰ্টিৰ ৰন্ধনশালা, মোহনৰ পুতলাৰ দোকান ইত্যাদি। কিন্তু সেইবিলাক বেৰৰ গাঁঠিবোৰ দেখিলে এনে এটা অনুমান কৰিব পাৰি যে ৰছীৰ আয়ুস চুকাব, কিন্তু গাঁঠিৰ দৃঢ়তা অক্ষুণ্ণ থাকিব।

চৌ-ঘৰৰ ওচৰৰ এই হেণ্ডাৰখনৰ ওচৰত দৰ্শকৰ ভিৰ হোৱাৰ প্ৰথম কাৰণ,—ভাৱৰীয়াৰ প্ৰবেশ প্ৰস্থান অভিনয় আদিৰ সুস্পষ্ট দৰ্শন, ভাৱৰীয়াৰ বচন-কথোপকথনৰ পৰিষ্কাৰ শ্ৰবণৰ আগ্ৰহ। দ্বিতীয়, তৃতীয় আদি কাৰণো থাকিব পাৰে, কিন্তু থাকিলেও সহজ ভাষাৰে সেইবোৰ কাৰণ প্ৰকাশ কৰি দিয়া হেনো দুঃসাহসৰ কাম।

আজি এই উৎসাহী দৰ্শকসকলৰ ভিতৰত প্ৰাধান্য লাভ কৰা সকলৰ নাম, মুখাকৃতি, পিতৃকুল পৰিচয় আদিতকৈ তেওঁলোকৰ সাজ-পাৰেৰে সহজে চিনাক্ত কৰা যাব যেন লাগে। দুটা ফেল্ট কেপ, দুটা ফুলাম কাপোৰৰ হাৱাইন চার্ট, এটা টি চার্ট, এযোৰ 'ৰিম-লেছ' চচমা, প্ৰথম ফাল বাঁহত পেটৰ ভৰ দি থকা এটা চকোলেট কালাৰৰ কৰ্ডৰ পেণ্ট, দ্বিতীয় ফাল বাঁহত ভৰি তুলি থোৱা এযোৰ কলিকতাৰ চীনা বজাৰৰ কম্বাইনড কালাৰৰ জোতা। এটা মধ্যম শ্ৰেণীৰ অতুৎসাহী দলক দৰ্শক হিচাপে পোৱা আনন্দই তুলসীঘাট অপেৰা পাৰ্টিৰ মেডেল নোপোৱাৰ বেদনা প্ৰশমিত কৰিব পাৰিব— আশা আছে।

ছোঁ-ঘৰৰপৰা ওলোৱা-সোমাৱা এই বাটৰ ইটো কাষে অলপ ঠাই এনেয়ে ৰখা হৈছে। তাত কিছুমান সৰু সৰু ল'ৰা বহিছে।

ইহঁতৰ পৰিচয় স্বকীয়া। নিৰাপদ দূৰত থাকি পুতলাৰ দোকানলৈ একেথৰে চাই থকা, মদন ডাক্তৰৰ সাত বছৰীয়া ল'ৰাটোৱে বেলুন ফুলাওঁতে ওচৰত থিয় দি থকা, কাৰোবাৰ হাতত বেলুন ফুটিলে কেইবাটায়ো কঢ়া-আঁজোৰা কৰি ফটা ৰবৰবোৰ বুটলি লৈ মুখেৰে ৰগৰীটোৰ সমান ঢোপ একোটা কৰি হাতৰ তলুৱাত ঘঁহাই কেৰকেৰকৈ শব্দ কৰা আদি ইহঁতৰ কৰ্ম আৰু পূজাৰ কেইদিন ঘৰৰ লগত সম্বন্ধ নৰখা ইহঁতৰ ধৰ্ম। ইহঁতে দুপৰীয়া, শেষ ৰাতি ৰভাৰ তলৰ খালী বেঞ্চত শোৱে আৰু কৰবাত চাৰিটা পইচা পালেই তৎক্ষণাত মিঠাই কিনি খায়। এই খালী ঠাইডোখৰৰ সিফালে, গোটেই ৰভাখনৰ সমানে দীঘল এখন বাঁহৰ কাঠীৰে বোৱা চিকজাল আঁৰি ৰভাৰ এক-তৃতীয়াংশ ঠাই আবৃত কৰা হৈছে। এই চিকজাল-খনৰ প্ৰয়োজন যথেষ্ট, গুৰুত্ব লক্ষ্য কৰিবলগীয়া কিন্তু কাৰ্য্যকাৰিতা সন্দেহজনক। চিকখনৰ সিফালে তিৰোতাসকলৰ আসনৰ ব্যৱস্থা।

কনকলতা প্ৰাইমেৰি স্কুলৰপৰা অনা বেঞ্চবোৰ শাৰী শাৰীকৈ চিকৰ আঁৰত পাৰি দিয়া হৈছে। ক মান শ্ৰেণীৰপৰা তৃতীয়মান

শ্ৰেণীলৈ -ছাত্ৰৰ উচ্চতা যিদৰে বাঢ়ি যায়, কনকলতা স্কুলৰ বেঞ্চৰ উচ্চতাও সেইদৰে বাঢ়ি যায়। স্বভাৱতো বেঞ্চবোৰ সজোৱা হৈছে সেইদৰেই। ক শ্ৰেণীৰ নিচেই চাপৰ বেঞ্চ একেবাৰে আগত, তাৰ পিছত খ শ্ৰেণীৰ, তাৰ পিছত প্ৰথম, দ্বিতীয়, তৃতীয় শ্ৰেণীৰ অপেক্ষাকৃত ওখ বেঞ্চ। মুঠতে এই ব্যৱস্থাটো শেষলৈকে অক্ষুণ্ণ ৰাখিব পৰা হ'লে চিকৰ আঁৰত এটা খুব কম খৰচত সজোৱা প্ৰাইভেট কলেজৰ লেকচাৰ-গেলেৰিৰ চেহেৰা দেখা গ'লহেঁতেন; কিন্তু এই শৃংখলা বেছি দূৰ নিটিকিল। একেধৰণৰ কাগজৰ অভাৱত লৰালৰিকৈ বজাৰত উলিয়াই দিয়া বাৰে পথৰা সংস্কৃত নোটৰ নিচিনাকৈ শেষৰ ফাললৈ লগ লাগিল উকীলৰ ঘৰৰ আগফালৰ বাৰান্দাত থকা মক্কেল বহা দীঘল বেঞ্চ, মিউনিছিপালিটি অফিছৰ চেয়াৰ, দিঙ-নিদিঙকৈ গেৰোঁ-গেথোঁ কৰি তলত R.S. বুলি লিখি দিয়া ৰমেশ বাবুৰ চেয়াৰকেইখন।

এই চকী-বেঞ্চবোৰত বয়সানুক্ৰমে বহাৰ কোনো ভাগ বিভাগ নাই, কিন্তু বহাৰ সময়ত আপোনা-আপুনি ভাগ হৈ গৈছে। চিকৰ কাষৰেপৰা পিছলৈ প্ৰায় আঠ-দহখন বেঞ্চত ছাত্ৰী-অছাত্ৰী, প্ৰাক্তন ছাত্ৰী আদি স্থানীয় ছোৱালীসকল হেঁচা-ঠেলা কৰি বহি গৈছে। পিছৰ বেঞ্চ-চকীবোৰত বান্দৰ কেকোৰাজাতীয় কোনো অশান্তিকাৰী পদাৰ্থৰ অপশাসন নাই, তথাপি সেই অঞ্চলত বহাৰ ধনিষ্ঠমান ইচ্ছাও ছোৱালীহঁতৰ নাই। বিশেষ কথা হ'ল, তাত বহিও নৃত্যৰত ছোকোৰৰ ভৰিৰ জুনুকাযোৰ পৰ্য্যন্ত দেখা যায়। সেই অঞ্চলত বহিছে আদহীয়াসকল, বুঢ়ীসকল, লিলিৰ মাক, নন্দিবাৰ বুঢ়ীমাক, নৰেন ডাক্তৰৰ শাহুৱেক।

চিকৰ আঁৰৰ গোটেই তিৰোতা অঞ্চলটো সমানে দুভাগ কৰি মাজেদি এখন বাঁহৰ জেওৰা দিয়া হৈছে। কেতিয়া কোনে এই জেওৰা প্ৰথা প্ৰৱৰ্তন কৰিছিল, সেই বিষয়ে বিনন্দমাধৱ বৰুৱাৰো প্ৰয়োজনীয় তথ্য জনা নাই। জেওৰাৰ ইটো ভাগত দীঘল দীঘল

বেঞ্চৰ একাধিপত্য, ইয়াত চকী নাই। শেষৰ কালে দুই-এখন আছিল, কিন্তু ইমাৰ্জেন্সি কে'ছত লাগিব পাৰে বুলি কোনোবা বছাৰ আগেয়েই সেইকেইখন তাৰপৰা নি পিছফালে থৈ দিয়া হৈছিল। যাত্ৰা আৰম্ভ হোৱাৰ আগলৈকে তিৰোতা মানুহক বহুৱাৰ দায়িত্ব লোৱা, পূজা সমিতিৰ অক্লান্ত কৰ্মী বিনন্দমাধৱৰ ভতিজাক শিৱ, শিৱৰ বন্ধু ৰজনী, সূৰ্য্য আৰু অনিলে এই চকী-কেইখন ব্যৱহাৰ কৰি আছিল।

এই ভাগটো সঁচাসঁচিকৈ যাত্ৰা চাই আনন্দ লভিবলৈ অহা মাইকী দৰ্শকৰ কাৰণে। সাজ-পাৰ, কোন অঞ্চলৰপৰা আহিছে, কোন তৰপৰ মানুহ—এই কেইটাৰ ওপৰত ভিত্তি কৰিয়েই মহিলা আৰু মাইকীৰ—তাৰ মানে বহা আসনৰ ভাগ কৰা হৈছে। বেঙুনীয়া ৰঙৰ হাফপেণ্টটো পিন্ধাই অনা কোলাৰ কেঁচুৱাটো, ষষ্ঠীৰ দিনা জোখ-মাখ নোহোৱাকৈ ড্ৰাইভাৰ কাম কৰা গিৰীয়েকে আনি দিয়া আহল-বহল ছেণ্ডেলযোৰ, কেৰাছিন তেলৰ চাকিৰ পোহৰত আৰ্চিত মনিৰ নোৱৰাত থাকি যোৱা বাঁওকাণৰ ওচৰৰ পাউডাৰৰ চমকাটো, তিনি ইঞ্চীয়া গজালৰ টোপাৰে ঘঁহাই ঘঁহাই লোৱা মাজ কপালৰ ফোঁটটো, উৎসাহত দৌৰি অহা আঠবছৰীয়া পুতেকৰ "হেলেই মাই, বেগেই আহ, ভাওনা ওলালেই" বোলা মাতটো,—এইবোৰৰপৰাই আগন্তুক জেওৰাৰ কোন ভাগত বহিব সেই বিষয়ে ৰজনী, সূৰ্য্য আৰু শিৱই তৎক্ষণাত সিদ্ধান্ত লব পাৰে।

বনিয়া পট্টি, দেচুৱালী পাৰা, সিফালে নৈৰ পাৰৰ মানুহ বেছি ভাগকে শিৱই এনেয়ে চিনি পায়।

"আহক, আহক, আপোনালোক এইফালে আহক, এইফালে সোমাই সো আগলৈ যাওকগৈ। এই, এই, ল'ৰা মানুহ ইয়াত কিয়? বাহিৰেদি ঘুৰি গৈ ল'ৰাৰ লগত বহগৈ যা।" লাহন দাসে ল'ৰা-ছোৱালীৰে সৈতে ঘৈণীয়েকক লৈ আহিছিল; সি ভিতৰলৈ সোমাই আহি ঘৈণীয়েকক ভাল ঠাইত বহুৱাই দিয়াৰ আশা

কৰিছিল ; পিচে তাৰ সাহ নহ'ল, কোনে বা ক'ত ডবিয়াই হুকিয়ায়। তিৰোতা মানুহ সোমোৱা বাটটোৰ মুখৰপৰা ষৈণীয়েকক ক'ত বহিবলৈ দিলে তাকে চাই ভেওঁ গ'লগৈ। অলপ পাছত সুবিধা পালে মিঠা পানী এৰটলে, খিলি এখনে দি যাবহি ; বাচ।

দেচুৱালী মাইকীবোৰকতো চিনি পোৱা-নোপোৱাৰ প্ৰশ্নই নুঠে। "হেই, উধাৰ কাঁহা যাতা হ্যায়, ইধাৰ আও, হিয়া বৈঠ।" "হিয়া" মানে একেবাৰে শেষৰ বেঞ্চখন। এজা গাড়ী চলোৱা গিৰীয়েক-কেইটাৰ নিচিনাকৈ শিয়ই ইহঁতকো গালি পাৰিব পাৰে।

ৰজনীয়ে লাহেকৈ চিকুট এটা মাৰি এবাৰ শিৱক ক'লে, "দেখিছ ?"

"ওঁ।"

"সাংঘাতিক অ'।"

সূৰ্য্যয়ো মূৰটো চপাই শুনিছিল, ক'লে, "আৰে কিমান অসমীয়া মানুহৰ ঘৰত এনেকুৱা দেখিছ অ' ? একদম পাৰ্ছীৰ নিচিনা।"

"ঘৰ ক'ত অ ?"

"ধনচিওৰ চাউলৰ গুদাম ঘৰটোৰ এচৰত যে ছাইকেলৰ দোকানখন আছে, তাৰ পিছফালে।"

দেচুৱালী মানুহ কেইজনীৰ লগত অহা চামলাৰ জীয়েক তিভলী ইতিমধ্যে সংকুচিত হৈ পৰিছিল।

ৰভাতলত ক্লেৰিওনেট, ঢুলুকী, হাৰমোনিয়াম, খুটি তালৰ ঐক্যতান বাদনত এটা যুদ্ধৰ ছেও বাজিছে। বাপেকৰ লগত তিনি মাইল খোজ কাঢ়ি সহঃ খৰ্গেশ্বৰে ত্ৰিপালখনৰ কাষত ল'ৰাজাকৰ মাজত বহি টোপনিয়াইছে, তাৰ ওপৰ জেপত বাপেকে ঠেলি ঠেলি সুমুৱাই দিয়া কমলা টেঙাটো ফাক মাৰিবলৈ এচৰৰ ল'ৰাকেইটাই সমবায় পদ্ধতিত কৌশল কৰিছে। ৰভাৰ বাহিৰত অন্যত, চৈফুদ্দিন আৰু বাপুটিয়ে লগ লাগি দিয়া চাহৰ হোটেলখনত "ইয়াহ চাহ, মাংস আৰু পৰঠা পোৱা যায়" বুলি লিখি থোৱা ডাঠ কাগজৰ-ছাইন

ঘ'ৰ্ডখনৰ তলত থিয় হৈ বতিবৰে চিঞৰ এটা মাৰিছে "হেৰা ৰাতি ছুটা বজাত ভাওনা দেখুৱাবা নে কি হে? টাউনত টকা খাবলৈ আহিছা?" ঠিক এনে সময়তে নিতাই চুবুৰিৰপৰা দুজনী গাভৰু মাইচেনা আৰু শীতলাক লৈ তিনিজনী মানুহে মহিলা অঞ্চলত প্ৰবেশ কৰিলে।

শীতলা আজিৰ যাত্ৰা পাৰ্টিৰ পৰিচালক বিপিন বৰুৱাৰ জীয়েক। শীতলা বাপেকৰ লগত অহাৰ সবল অভিলাষ এবাৰ জিলাখন চাই লোৱা। মাইচেনাৰ মাক আৰু শীতলাৰ মাক বাই-ভনী। আবেলিৰপৰা মাইচেনাই শীতলাৰ পিন্ধনত এটা টাউনীয়া সাঁচ দিবলৈ চেষ্টা কৰিছিল। শেষ পৰ্য্যন্ত কিবা এটা হৈ উঠিলগৈহেঁতেন, কিন্তু তাইৰ কাপোৰবিলাকেই কিবা ধৰণৰ। মেখেলাখনৰ তিনি আঙুল বহল ফুলটো কেনেকৈ লুকুৱাব? পাটৰ চাদৰখন বাৰে বাৰে বুকুত তুলি লোৱাৰ তাইৰ অভ্যাস নাই; শেষত বাধ্য হৈ বাপেকে নিজ হাতে গঢ়ি দিয়া ৰূপৰ পখিলাফুলৰ পিনটো বুকুত মাৰি দিব লগা হ'ল। মাইচেনাৰ যোৱাবাৰ মেলালৈ যাবৰ সময়ত কিনা হেণ্ডেলবোৰ পিন্ধাই দি তাইক ছুবাৰ মান খোজ কঢ়াই চোৱা হ'ল। কিন্তু······মাইচেনাৰ মনৰ খুহুৱনি একেবাৰে নগ'ল। তথাপি, এতিয়া তুলসীঘাটৰ আন ছোৱালীয়ে দেখিলে শীতলাক চাব।

ইহঁত আকৰ লৈ আহিছে নিতাই চুবুৰিৰ আকত জিলিকা ডেকা, মাইচেনাৰ ককায়েক বীৰেনে। সি ভিতৰ সোমাই মাইকী অঞ্চল পাৰ হৈ মহিলা অঞ্চললৈ আগ বাঢ়িল। পিছে পিছে মাইচেনাহঁত। বীৰেন শিৱৰ পৰিচিত। দুয়োটাই একেলগে ক্লাছ টেনৰপৰা স্কুল এৰিছে। বীৰেনক বাপেকে ঘৰতে সোণৰ কাম শিকিবলৈ জোৰ কৰি আছে কাৰণে কিছুদিন দুয়োটা এৰা-এৰি হৈ আছে। গতিকে শিৱই কি কৰিব ভাবি নাপাই সূৰ্য্যহঁতৰ মুখলৈ চোৱা-চুই কৰি থাকোঁতেই বীৰেনে পাঁচোজনীক মহিলা অঞ্চলৰ এখন বেঞ্চত বহুৱাই দি তিতিব ৰুমালখন উলিয়াই লৈ মুখ মচি মচি একেবাৰে বাহিৰ

পালেগৈ। এই বেঞ্চখনত আগবেপৰা বহি আছিল তিনিগৰাকী মহিলা, ভোলা কণ্ট্ৰেক্টৰৰ ঘৈণীয়েক, ডেকা উকীলৰ মাক আৰু শিল্পৰ বুঢ়ীমাক।

এনে সময়তে শুনা গ'ল এটা সুহুৰিৰ তীক্ষ্ণ শব্দ। লগে লগে ঐক্যতান বাদন, আৰু ষ্টেজ-ঘৰৰ পৰ্দাখনৰ আঁৰত জুনুকাৰ শব্দ। পিছ মুহূৰ্ত্ততে দীঘল দীঘল বেণী জোকাৰি, হাতৰ ৰুমাল কেইখন মুঠি মাৰি, কপালৰপৰা গোবোৰালৈকে যিংক-অক্সাইডৰ ডাঠ চামনি একোটা লৈ ছটা ছোৱালী বেশী ছোকোৰা দৌৰি আহি ত্ৰিপালৰ সোমাজত দুশাৰী হৈ আঠুকাঢ়ি ৰ'লহি। তাৰ পাছতে "কদম তলতে ছিয়ামল ক'লীয়া মুৰুলী বজায়" বুলি এটা গান আৰু লগে লগে নৃত্য আৰম্ভ হ'ল।

কিন্তু শিল্পৰ বুঢ়ীমাকে এই শুভ আৰম্ভণিটোলৈ কোনো দৃষ্টিয়েই দিব নোৱাৰিলে। তেওঁ কাষত বহা মাইচেনাৰ মাক ললিতালৈ একোবাৰ আৰু বাৰে বাৰে ঘূৰি পিছফাললৈ চাবলৈ ধৰিলে।

"যোৱাহে অকণমান সিফালে", তেওঁ ডেকা উকীলৰ মাকক ডাঙৰকৈয়ে ক'লে। ডেকা উকীলৰ মাক আৰু ওচৰৰ প্ৰায় সকলো মানুহেই মাইচেনাহঁতৰ দলটোক ইতিমধ্যে লক্ষ্য কৰিছিল।

ভোলা কণ্ট্ৰেক্টৰৰ ঘৈণীয়েকে "ভাল আপদবোৰ ডিঙিত লাগিলহি" বুলি মাইচেনাহঁতলৈ কেৰাহিকৈ চাই এবেগেত মান হুঁহকি গ'ল। ফলস্বৰূপে শিল্পৰ বুঢ়ীমাক আৰু মাইচেনাৰ মাকৰ মাজত এবেগেত জেগা খালী হৈ বল।

আগৰ বেঞ্চখনৰপৰা অমলাই সুধিলে, "কি হ'ল মাহীদেউ?"

"দেখা নাইনে মহাৰাণীহঁতক! শাৰী পূৰাই বহিবলৈ নাপালে যেন গায়েই নবয়!"

কণ্ট্ৰেক্টৰৰ ঘৈণীয়েকৰ নাক সিকটাই কোৱা কথা কেইবাৰ মাইচেনাহঁতৰ কাণত ধহৰ ধহৰকৈ পৰিলহি। মাকে মুখটো অলপ তুলিছিল, মাইচেনাই ক'লে, "তই একোকে নকৰিবি বো, মনে মনে

থাক, যি কয় কৈ থাকক।” চুবুৰিত কাবোবাৰ লগত কাজিয়া লাগিলে চৈধ্য পুৰুষ উধাৰিব পৰা মাকৰ গুণটো মাইচেনাই জানে, কিন্তু তাইতো বুজে ; গাইগুটীয়াভাৱে মানুহবিলাক যিমানেই জঘন্য প্ৰকৃতিৰ নহওক, যিমানেই অভদ্ৰ নহওক, সকলো গোট খাই একেলগ হোৱাত এখন ভদ্ৰ সমাজ হৈছে। ইয়াত মান-অপমান, শৃংখলা, ভদ্ৰতাৰ প্ৰশ্ন আছে। তিনিবাৰ জেল খোৱা মাণিক গুণ্ডাও ইয়াত সম্ভ্ৰমতে মনে মনে বহি আছে। কিন্তু একো এবাৰ নোকোৱাকৈ কণ্ট্ৰেক্টৰৰ ঘৈণীয়েকৰ কথাবাৰৰ নিচিনা কথা এবাৰ নিস্তব্ধ হৈ হজম কৰি পেলোৱা ঘটনা মাইচেনাৰ মাকৰ এই বয়সলৈকে এদিনো ঘটিছে বুলি মনত নাই। মনে মনে থকাৰ মানসেই, কওঁ-নকওঁ ভাবেৰেই তেওঁ ক'লে, “তাইহঁতৰ কথাৰ চেও মুশুনিছনে ?”

কথাবাৰ শিৰৰ মাকৰ কাণেদি পাৰ হৈ ডেকা উকীলৰ মাক ৰতনী বকৰানীৰ হৃৎপিণ্ডত খুন্দা মাৰিলেগৈ। মাতটো অলপ টান কৰি তেওঁ কৈ উঠিল, “হেৰা, তয়া-হয়া কৰি আহিবলৈ এইটো কুঁৱাৰ পাৰ পাইছানে কি ? বহিছা বহি থাকা, দন কৰিবলৈ হ'লে বাহিৰলৈ উঠি যোৱা।”

“আমি কিয় যাম ? গাত শাঁত লগা নাই যদি তুমি উঠি যোৱা।”

“বৌ তই মনে মনে থাক বুলি কৈছো নহয়।”

“বহ অ' এইজনী, কথা ক'বলৈ নিদিয় কিয় ?”

“থাকক দে, ককাইদেউ আছিব, তই মনে মনে বহি থাক, কাজিয়া নকৰিবি।”

কণ্ট্ৰেক্টৰৰ ঘৈণীয়েকে কিবা এটা ক'ব খুজিছিল, এনেতে বাৰ বছৰীয়া মীৰাই আগৰ বেঞ্চখনৰপৰা মূৰ ঘুৰাই বেচ ডাঙৰ মাতেৰে ললিতালৈ চাই ক'লে, “হেৰা তোমালোক ইয়ালৈ কাজিয়া কৰিবলৈ আহিছা নেকি ? ইমান অসভ্য একেবাৰে।” ক্লাছ ফ্ৰেণ্ডৰ জেঠায়েকৰ পক্ষ লৈ কিবা এটা নোকোৱাকৈ মীৰাই থাকিব নোৱাৰিলে :

ক্লাছডো নাম আছে, কথাৰে তাইক কোনেও বলে নোৱাৰে বুলি। কিন্তু মীৰাই আৰু ক'বলৈ নাপালে, মিনতি ওচৰতে আছিল, চেপা মাতেৰে ডাবি দি তাই ক'লে, "চুপ থাক, এইক বা কোনে উকীল মাতিছে! তাইৰ সমনীয়াহে যেন।" মীৰাৰ বায়েক মিনতি প্ৰথম বাৰ্ষিকৰ ছোৱালী, আন বহুত কথাৰ লগতে কাজিয়া কৰাটোও তাই বেয়া পায়।

"ক'ৰ মানুহ অ' এইবোৰ?" প্ৰথম বেঞ্চখনত বহা সমীৰণে মঞ্জুলাক সুধিলে। ঘটনাটো প্ৰথম বেঞ্চলৈকে ভালদৰে জনাজাত হৈ গৈছে, কেৱল চিকখন পাৰ হৈ বাহিৰ ওলাব পৰা নাই। মঞ্জুলা মনে মনে থাকিল। তাইৰ কাষৰপৰা ভনটিয়ে উত্তৰ দিলে, "সৌকালে যে পট্টিটো আছে, তাৰ মানুহ।"

"খেদিনো নিদিয়ে কিয় এইবিলাকক? ইস্ অইন ঠাইত বহিলে যেন নহয়েই। বৰ ভদ্ৰ ওলাইছেহি। চাচোন, চাচোন সৌজনীৰ নাকফুলটো দেখিছ? হিঁ হিঁ হিঁ হিঁ।" তাই হাঁহি পেলালে এবেগেত বৰ্গৰ কমালখনেৰে মুখখন ঢাকি। এনেতে চিকৰ বাহিৰৰ ভাৱৰীয়া অহা-যোৱা কৰা বাটটোৰ কাষৰপৰা এটা শব্দ আহিল, "খুব ফূৰ্তি?"

সমীৰণে মুখখন তল কৰিলে, এটা আনন্দ আৰু লাজ মিহলি খণ্ডৰ ভাবত। কোনে কৈছে কথাষাৰ, মাতটোতে তাই বুজি পায়। যাত্ৰা ঘৰৰ ইমান চিঞৰ-বাখৰত কাৰ কথা কোনে শুনে—তথাপি এটা মাতে তাইৰ কাণক ফাঁকি দি সাৰিব নোৱাৰে। কেইদিনমানৰ আগৰেপৰা এই মাতটোৰে তাই চিনাকি হৈছে।

"সেইজনীক মই চিনি পাওঁ বুইছা? সিদিনা জোতা পিন্ধি কি যায়! খোজ কাঢ়িবই নোৱাৰে, ইকালে ইষ্টাইল কি চাবা! দেখিলেই থু পেলাই দিবৰ মন যায়।" মিনি নামৰ এজনীয়ে ক'লে।

"খেৎ ছুখীয়া হ'ল বুলি ঘিণ কৰিব নাপায় বুইছা। ছুখীয়া হ'ল

বুলি সিহঁতৰ পিন্ধিবলৈ মন নাযাব নেকি? সিহঁততো আমাৰ নিচিনাই তেও।" ইমান পৰে মনে মনে থকা মঞ্জুলাই কৈ উঠিল।

সমৰ্থনৰ সলনি প্ৰতিবাদ অহাত মিনি আহত হ'ল; তাই ক'লে, "তোমালোক সমতাবাদী মানুহ, কথাই বেলেগ ভাই।" মঞ্জুলাৰ কথাৰ ইয়াতকৈ ওখ খাপৰ ব্যাখ্যা মিনিৰ ভঁৰালতেই নাই।

মাইচেনাৰ হাজাৰ হকা-বধা সত্বেও কণ্ট্ৰেক্টৰৰ ঘৈণীয়েক, শিৱৰ বুঢ়ীমাক, এইসকলৰ শালীনতাৰ প্ৰশ্ন থকা সত্বেও কাজিয়াখনৰ গতি আগ বাঢ়িল। শেষৰ ফালে মাইচেনাৰ মাকৰ মাতে স্বভাৱসুলভ উচ্চতালৈ উঠাৰ উপক্ৰম কৰিলে, ভাষায়ো সহযোগিতা কৰিলে।

"ছোটজাতৰ লগত বহিলে যদি নাকটোৱেই কটা যায়, তেনেহ'লে বাবুৱনীহঁত আহনো কেলৈ? ওপৰ চাঙত উঠি থাকিব নোৱাৰ?"

"বৌ তই মনে মনে থাক যদি থাক, নহ'লে মই গুচি যামগৈ।" মাইচেনা নিৰুপায়, নিঃসহায়, সংকুচিত, লজ্জিত।

"চকীত বহিলেই জানো মানুহ সভ্য হয়? চৈধ্য পুৰুষীয়া গেলা মুখখন ক'লৈ যাব! আৰু এই দন্দুৰীহঁতক গাত জাপি দি ক'লৈ গ'ল ইহঁতজাক?" ডেকা উকীলৰ মাক থিয় হৈ পিছফালে ডিঙি মেলি মেলি চাবলৈ ধৰিলে শিৱ, সূৰ্য্য, ৰজনী আৰু অনিলক। শিৱ তিৰোতা মানুহৰ ভিৰ কমিল বুলি 'ষ্টুডেণ্ট টি হাউছ'ত সোমাইছিলগৈ। সূৰ্য্য, ৰজনী আৰু অনিলে ইটোৱে সিটোৰ কাণত ভৰ দি মাইকী মানুহবোৰৰ পিছফালে থিয় হৈ অন্যমনস্ক হৈ আছিল। এই অঞ্চলত অন্যমনস্ক হোৱাৰ বৰ সুবিধা। কিন্তু ডেকা উকীলৰ মাক থিয় হোৱাত প্ৰথমে সিহঁতৰ এটাৰ আৰু লগে লগে তিনিওটাৰ ধ্যানভংগ হ'ল। সূৰ্য্য বেগাই ওচৰ চাপি গ'ল। ডেকা উকীলৰ মাক ইতিমধ্যে ওলাই আহি পিছফাল পালেহি। সূৰ্য্যই সুধিলে, "কি হ'ল জেঠাইদেউ?"

"সৌ কেইজনীক তাত বহুৱাই দিছ ভাল কৰিছ। তহঁতেতো মানুহৰ ওপৰত চকু ৰাখিব লাগে।" জেঠাইদেৱেকে ঘটনাটোৰ যি

চমু বিৱৰণ দিলে তাৰপৰা সূৰ্য্য, অনিল আৰু ৰজনী তিনিও বুজিলে যে সিহঁত পাঁচজনীয়ে বহিয়েই অকথ্য ভাষাৰে দন্দ আৰম্ভ কৰিছে আৰু সঁচা কথা ক'বলৈ গ'লে এখন তালেই বাজিছে। সূৰ্য্যৰ পুৰুষত্ব আছে। সি মাইচেনাহঁতৰ কাষ পালেগৈ পাঁচ ছেকেণ্ডৰ ভিতৰতে।

"আপোনালোক ইয়াৰপৰা উঠকচোন।"

কান্দো কান্দো কৰিও মাইচেনাই কান্দোন বন্ধ কৰিলে। তায়ো মাকৰ নিচিনা এজনী হৈ থকা হ'লেই বৰ ভাল আছিল। কিন্তু তাই তৎক্ষণাত থিয় হ'ল—শীতলাক ক'লে, "বল শীতলা।" মাকক একো কোৱাৰ সুবিধা তাই নিদিলে; তাইৰ আগতে মাকক এটা ডেকাৰ লগত কাজিয়া কৰিবলৈ দিয়ে কেনেকৈ? মাইচেনাৰ নবৌয়েক আৰু দূৰ সম্বন্ধীয়া পেহীয়েকো শীতলাৰ লগতে উঠিল, অগত্যা মাকো। সিহঁত এটাইজাক সূৰ্য্যৰ পিছে পিছে তিৰোতা মানুহৰ পিছফাল পালেহি। সূৰ্য্যই জেওৰাৰ ইফাললৈ আগবাঢ়ি ক'লে, "আপোনালোক এইফালে আহক।"

ইফালে অৰণ্যৰাজ বিচিত্ৰসিংহই সম্মুখত হাত বান্ধি থোৱা মধুপুৰৰ ৰাজকন্যাক সম্বোধি ক'ব লাগিছে. "হে সুন্দৰী, মোৰ এই ৰাজ্য, মোৰ এই দৌলত, মোৰ সৈন্য-সামন্ত সকলো তোমাৰ চৰণত অকুণ্ঠচিত্তে সমৰ্পণ কৰিছোঁ, কেৱল তোমাৰ এখানি প্ৰেমৰ আশাত। তুমি মোৰ প্ৰতি দয়া কৰা সুন্দৰী!"

ছিগাৰেটত হোঁপাটো মাৰি বিনন্দমাধৱে সুন্দৰীৰ উত্তৰটো শুনিব খুজিছিল, এনেতে খবৰ পালে মহিলা অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। তেওঁ যেতিয়া ভিতৰত সূৰ্য্যৰ ওচৰ পালেগৈ, ইতিমধ্যে কেনেবাকৈ খবৰ পাই বীৰেনো তেতিয়া তাত উপস্থিত হৈছে।

"কি হৈছে? কি হৈছে?" বীৰেন আৰু বিনন্দমাধৱে একেলগে সুধিলে।

ঘটনাটো থোৰতে বিবৃত কৰা হ'ল।

"কিয় ? তাত বহিলে কি হয় ?" বীৰেন ঠাণ্ডা কথাৰে কাম লোৱাৰ মতবাদৰ পৰিপন্থী।

"মানে, এটা শৃংখলাৰ কথা...."

"কি শৃংখলা ? আপুনিয়েই দেখোন কৈছিল—চান্দা দিলে তাত বহিব পাৰে বুলি। আমি চান্দা দিয়া নাইনেকি ? মই নিজ হাতে পাঁচ টকা দিছোঁ।" দানৰ পৰিমাণটোও তাৰ মুখৰপৰা ওলাই আহিল।

সূৰ্য্য ওচৰতে থিয় হৈ আছিল, বিনন্দমাধৱৰ মুখৰ আগত গৰম কথা কোৱা সি সহ্য কৰিব নোৱাৰিলে। বীৰেনৰ সুৰতকৈ এক পৰ্দা উঠাই দি সি ক'লে, "পাঁচটা টকা চান্দা দি কি বাহাদুৰি কৰাহে ? লোৱা, লৈ যোৱা, তোমাৰ চান্দা নহ'লেও পূজা চলিব।" সূৰ্য্যৰ পাঁচ আঙুলিৰ চেপাত ওপৰ জেপৰপৰা পাঁচটকীয়াৰ সলনি দহটকীয়া নোট এখন ওলাই আহিল ; আবেলিৰ কাৰ্নিভেল খেলৰ সোতোৰা-সোতোৰি নোট। বীৰেনৰ কাণ ৰঙা পৰি উঠিল, ক'লে, "কি তুমি টকা দেখুৱাইছা নেকি ?"

"বাদ দিয়া, বাদ দিয়া, ধেৎ কাজিয়া কৰিব নাপায় বলাহে।" এটাই সূৰ্য্যক ঠেলি ঠেলি বাহিৰলৈ লৈ গ'ল। ওৰে বাটটোৱে সি কৈ গ'ল, "নহয়নো কি ! সাত জনমত পাঁচটা টকা চান্দা দি পোৱা নাই, দুই পইচাৰ মানুহ নহয়, আকৌ ওস্তাদি মৰা কথা।"

"আপোনালোকে বেয়া নাপাব বুইছে, ল'ৰা মানুহৰ কথা। আপোনালোক ইয়াতে বহক, এইবিলাক কথাত নালাগিব।" বিনন্দমাধৱে নম্র সুৰেৰে মাইচেনাইঁতক বুজাই দিলে। মাইচেনাইঁত বহিল, মহিলা অঞ্চলৰ একেবাৰে শেষৰ ইমাৰ্জেন্সি চকীকেইখনত। বীৰেনৰ পিঠিত এটা হাত দি বিনন্দমাধৱে ওলাই যাব খুজি দেখিলে যে ইতিমধ্যে মহিলা অঞ্চলত অনেক লোকৰ প্ৰবেশ ঘটিছে। গণ্ডগোলৰ আভাস পাই খবৰ লবলৈ অহা অভিভাৱকসকল। ইতিমধ্যে সূৰ্য্য সোমাই আহিল দৌৰি দৌৰি। বিনন্দই ভাক

একাষবৈ মাত্তি নি ক'লে, "তই কলৈ গৈছিলি ; ইয়াত যা তা মানুহ সোমাবলৈ দিয় কিয় ? বাৰ বাৰ কৈছোঁ তই গেটত থাকিবি। উলিয়াই দে চব।"

লাহে লাহে অৱশ্যে সকলো ওলাই গ'ল। গণ্ডগোল এটাৰ সুবিধা নহ'লে ভিতৰত থকা বেয়া-দেখি। ভিতৰৰ গণ্ডগোলটোৰ সবিশেষ শিৱই এতিয়াহে জানিব পাৰিলে। স্থানচ্যুত মাইচেনাইতৰ ওচৰত সি থিয় হ'লগৈ। অনুতাপত তাৰ কণ্ঠস্বৰ কোমল হৈ পৰিল। মাইচেনাৰ মাকক সি ক'লে, "বৰ বেয়া কথাটো হৈ গ'ল মাহীদেউ, মই এইবোৰ একো গম নাপাওঁ। মই গেটত ব্যস্ত হৈ আছিলোঁ। য'ৰে ত'ৰে মানুহ আহি ভিতৰ সোমায়, কালি সেয়া গণ্ডগোল হৈছে। আৰু কিছুমান ল'ৰা আছে, এনেয়ে ভিতৰ সোমাই টহলি ফুৰে। মই নাথাকিলে অইনে এইবোৰ চম্ভালিব নোৱাৰে। আজি চাওকচোন, বাহিৰা মানুহ একেবাৰে নাই। কিন্তু মই সিকালে থাকোঁতেই ইফালে যে এইটো ঘটনা হৈ গ'ল, ক'বই নোৱাৰোঁ। যি হ'ল হ'ল, আজি শেষ দিন বেয়া নাপাব আৰু" শিৱই অনৰ্গল কৈ গ'ল। চহৰখনৰ কথা পাতিবলৈ সুবিধা পোৱা প্ৰায়বোৰ বয়সিয়াল তিৰোতাই তাৰ মাহীয়েক। যি কেইগৰাকী মাহীয়েক নহয়, সেই কেইগৰাকী পেহীয়েক।

মাহীয়েকৰ কোনো উত্তৰলৈ সি বাট নাচাই মাইচেনাক সুধিলে, "তোমালোকে বৰ বেয়া পালা নহয় ?"

"বেয়া পাবলৈ কিটো আছে ?" মাইচেনাই তলমূৰ কৰি ক'লে। শিৱই এবাৰ শীতলালৈ চাই থিয় দি ৰ'ল।

যাত্ৰাৰ এটা দৃশ্য শেষ হৈছে। এটা ঐক্যতান বাদন চলিছে। কেইজনমান ভাৱৰীয়াই সাজ-পাৰেৰে সৈতেই 'ষ্টুডেন্ট টি হাউছ'ত সোমাই থিয়ৈ থিয়ৈ চাহ খাইছেগৈ। অৱশ্যবন্দিনীয়ে পিছ দুৱাৰেদি হোঁ-ঘৰৰপৰা ওলাই বাহিৰত বাঁওহাতেৰে মেখেলাখন কোঁচাই ধৰি সোঁহাতেৰে এটা বিড়ি টানিছে। ষাপৰ পাপৰ দোকানত দৰ্শকৰ

মাজৰপৰা কেইজনমান উঠি গৈ এই চলন্তে পাণ এখন খাই লবলৈ হেঁতা-ওপৰা লগাইছে। ওচৰৰ পাণ দোকানখনৰ দোকানী বুলুৰে দিনটোৰ বিক্ৰিখিনি ভৰাই থোৱা কেপষ্টেন মিক্সাৰৰ টেমাটো জোকাৰি চিঞৰিব লাগিছে, "এই চলি যায়, মিঠা পাণ।" ভায়েক ছুলুৰে বেচিবলৈ থোৱা লগৰ হুচেইল এটা তুলি লৈ প্ৰাণপণে ফুৱাইছে।

মুখত বগা বং সনা, অথচ বগা চোলা আৰু চুৰিয়া পিন্ধা এজনে এখন কাঠৰ চকী ত্ৰিপালখনৰ মাজত থৈ গ'লহি। বুজা গ'ল পিছৰ দৃশ্য আৰম্ভ হ'ব আৰু এই দৃশ্যত বজা ওলাব।

"মাহীদেউ চাহ খাব নেকি?" শিৱই এবাৰ মাইচেনাৰ মাকক সুধিলে।

"নালাগে থাকক বোপা"—মাহীয়েকে ক'লে।

"তুমি খাবা? খোৱা যদি কোৱা, অনাই দিওঁ।"

মাইচেনায়ো নোখোৱাৰ সুৰত মূৰ জোকাৰিলে। অগত্যা শিৱই জেপৰপৰা ছিগাৰেটৰ পেকেটৰ ৰূপালী কাগজেৰে মেৰিওৱা কেইখনমান পাণ উলিয়ালে।

বজা ওলোৱাৰ আয়োজন হৈছিল যদিও বজা নোলাল। ওলাল বিহা-মেখেলা পিন্ধা এটা ভেৰ বহুৱীয়া ল'ৰা আৰু শুদা গাত কোট পিন্ধা এটা ডেকা—ইহঁত বহুৱা-বহুৱানী। প্ৰথমে গান আৰম্ভ কৰিছিল বহুৱানীয়েই যদিও শেষলৈ তাই এটা মুদ্ৰা দি থিয় হৈ থাকিল আৰু বহুৱাই তাইৰ চাৰিওফালে ঘূৰি ঘূৰি তাইৰ ৰূপচৰ্চা, গুণ-গান কৰিবলৈ ধৰিলে। নৃত্য প্ৰসংগত এবাৰ বহুৱাই তাইৰ থুঁতৰিটোত ধৰি লাজেকৈ মুখখন ঘূৰাই দিলে। চাৰিওফালে হাঁহিৰ জাউৰি উঠিল। "লাগাও ফূৰ্তি" কোনোবা এটাই পিছৰপৰা কাণ ফটা চিঞৰ এটা মাৰিলে। "যুদ্ধ লাগিলে মোক জওৱাই দিবি" বুলি ওচৰৰ ল'ৰাটোক কৈ টোপনি যোৱা সৰুবাপু যুদ্ধ নলগাকৈয়ে সাৰ পাই উঠিল।

বজাৰ কাষৰ খুটা এটাত আঁউজাই থোৱা ছাইকেল এখনৰ

ওপৰত থিয় হৈ এই বিশেষ দৃশ্যটো উপভোগ কৰা ইন্দ্ৰিহে কিভাৱ জলত দুটা আঙুলি ভৰাই এটা সুহুৰি মাৰিলে।

এই সময়তে শীতলাই মাইচেনাক মনে মনে ক'লে, "মোৰ ভাল লগা নাই বাইদেউ, যাওঁগৈ বলক।"

"কিয়, কি হ'ল তোৰ ?"

শীতলাই একো নামাতি তলমূৰ কৰি থাকিল। "অলপ পৰ চাচোন বাৰু। বেছি দেৰি নকৰোঁ দে।" মাইচেনাই এনেয়ে এবাৰ উভতি চালে। শিৱ সিহঁতৰ ওচৰতে থিয় হৈ আছিল। মাইচেনায়ো তলমূৰ কৰি কিবা এটা ভাবিলে। তাইৰ কাণ দুখন অলপ গৰম হৈ উঠিল; কিয়, তায়ো যেন ভাবি ঠিক কৰিব নোৱাৰিলে।

"এংকৰ এংকৰ" বুলি চাৰিওফালৰপৰা জাকে জাকে অনুৰোধ অহা সত্বেও বহুৱা-বহুৱানী দৌৰি ছোঁ-ঘৰত সোমালগৈ। পৰ্দাৰ আঁৰত ৰজা সাজু হৈ আছিল। পলম নকৰি ওলাই আহিল। পিছে পিছে মন্ত্ৰী। লিপিবা পঠিয়াই সেনাপতিক মতাই অনা হ'ল। ৰজাই বহাৰপৰা উঠি বুকু ফুলাই উচ্চস্বৰে অকৰ্মণ্যতাৰ কাৰণে সেনাপতিক ককৰ্থনা কৰিবলৈ ধৰিলে। নাট্যকাৰ গোপীনাথ বৰাৰ মতে এইখিনিয়েই মেডেল পাবলগীয়া বচন। সহিষ্ণুতাৰ শেষ সীমা পাই সেনাপতিয়েও দাম্ভিক ভাষাৰে উত্তৰ দিবলৈ ধৰিলে। আৰু তাৰ ফলস্বৰূপে ৰজাই হাতৰ উন্মুক্ত তৰোৱাল সেনাপতিৰ বুকুত বহুৱাই দিলে আৰু সেনাপতি "উস্ ভগবান" বুলি বাগৰি পৰিল। এই সময়তে চিঞৰ উঠিল, "আগৰ মানুহ বহি যোৱা।"

কিন্তু আগৰ মানুহ বহি থাকলগীয়া নহ'ল। বুদ্ধি কৰি বিনন্দমাধৱইতে ঠিক কৰি ৰখা, আগে-পিছে পূজাত গণ্ডগোল কৰা গুণ্ডা ৰামপালৰ অশেষ চেষ্টা ব্যৰ্থ কৰি দি প্ৰায়বোৰ বহি থকা মানুহেই থিয় হ'ল টিকজালৰ ফালে মুখ কৰি, বিনন্দমাধৱ লবালবিকৈ আগবাঢ়িল তিৰোতা মানুহৰ অঞ্চললৈ। তেওঁ প্ৰবেশ পথেদি ভিতৰ

সোমাইছে, এনেতে তেওঁৰ গাৰ কাষেদিয়েই দৌৰ মাৰি যাহিৰ ওলাই গ'ল শিৱ। একো তত ধৰিব নোৱাৰি তেওঁ চুবাৰ চিঞৰিলে, "শিৱ শিৱ।"

কিন্তু শিৱ তেতিয়া বোধহয় পোহৰবপৰা নিজকে লুকুৱাবলৈ চেষ্টা কৰি প্ৰাণপণে দৌৰিছে।

গণ্ডগোলৰ আনুমানিক কেন্দ্ৰস্থল লক্ষ্য কৰি বিনন্দমাধৱ আগ বাঢ়িল। শীতলাইঁতৰ কাষ পাই তেওঁ দেখিলে, মাইচেনা থিয় হৈ আছে, লাইটৰ পোহৰত তাইৰ মুখখন বগা হৈ জিলিকি উঠিছে। তাইৰ গোটেই গাটোৰ লগে লগে হাতৰ মুঠিত লৈ থকা হেঙেলপাতো কঁপিছে।

আৰু তাইৰ কাষতে শীতলাই নিজৰ আঠুটোৰ মাজত মুখখন লুকুৱাবৰ চেষ্টা কৰিছে। বোধহয় তাই কান্দিব খুজিছে।

বিনন্দমাধৱৰ পিছফালে তেতিয়া ঘটনাটোৰ উম লবলৈ অহা মানুহ ভৰি পৰিছে। প্ৰবেশ নিয়ন্ত্ৰণ কৰিবলৈ গেটত কোনো নাই।

সহকাৰী সম্পাদক গোবিন্দই ত্ৰিপালখনৰ কাষলৈ গৈ প্ৰায় ডাবি মাৰিয়েই ভাৱৰীয়াসকলক ক'লে, "আপোনালোকে কি কৰিছে? কৰি যাওক।" অন্ততঃ কিছু মানুহক আকৃষ্ট কৰি ৰাখিব পাৰিলেও!

মৰণ পথৰ যাত্ৰী সেনাপতি বীৰবাহুৱে থিয় হৈ ডিঙি মেলি ঘটনাটোৰ গম লবৰ চেষ্টা কৰিছিল, গোবিন্দৰ ডাবিৰ লগে লগে থপকৈ বাগৰি পৰি কেঁকাই কেঁকাই তেওঁ ক'বলৈ ধৰিলে, "উস্ উস্, আপুনি, আপুনি মো-ক লঘু দো-ষত গুৰু শা-স্তি দিলে, ম-হা-ৰা-জ। ম-ই একো অ-মা-নু-বি-ক কাম ক-ৰা না-ছি-লোঁ!"

কক্ষ-ভ্ৰান্তি

তিনিআলিৰ মূৰটো পাই ৰবলৈ বাধ্য হ'লোঁ। এইকালে আগতে কেতিয়াও অহা নাই। আক-ডাক সুধিয়েই এইখিনি পাইছোঁহি। এই দুটা ৰাস্তাৰ কোনটোৰেদি যাব লাগে, অনুমান কৰাৰো উপায় নাই। ইকালে-সিকালে চাই দেখিলোঁ মানুহ-দুনুহ এটাও দেখিবলৈ নাই। কেৱল দহ-বাৰ বছৰীয়া ল'ৰা এটাই হাতত চেকনী এডাল লৈ সুহুৰি বজোৱাৰ চেষ্টা কৰি কৰি এইকালে আহি আছে।

ছাইকেলৰ আগত ওলোমাই অনা মোনাটোত আকৌ এবাৰ চকু পৰিল। তলকালে গোলকৈ ঠাই এডোখৰ তিতি গৈছে। বোধহয় মিঠাইৰ টোপোলাটোৰ কাগজখন ফাটিয়েই গ'ল। নিয়মমতে, উলিয়াই চাই টোপোলাটো ঠিক্‌ঠাককৈ লব লাগিছিল, কিন্তু এলাহ লাগিল।

"হেৰৌ বাপু! দক্ষিণপাটলৈ কোনকালে যায় অ'?"—সৰু ল'ৰাটো ওচৰ পাইছিলহি, তাকে সুধিলোঁ।

"কলৈ?"

"দক্ষিণপাটলৈ।"

সি সম্মুখৰ তিনিওটা ৰাস্তালৈকে একোবাৰকৈ চালে। অলপ পৰ চাই থাকি চেকনীডাল তুলি ক'লে, "এইকালে।"

তাৰ চেকনীডালে যিটো ৰাস্তা সূচালে, সেই কালেদিয়েই মই

আহি এইখিনি পাইছোঁহি। হাঁহি উঠিল। হাঁহি হাঁহি ক'লোঁ, "বাক যা।" অলপ পৰ চিন্তা কৰি ছাইকেলখনত উঠি সোঁফালৰ বাটটোৰেদি আগবাঢ়িলোঁ।

দক্ষিণপাট। মাৰ ইচ্ছা পূৰ্ণ হ'বলৈ গ'লে সেইখনেই মোৰ ভৱিষ্যত মিতিৰৰ গাঁও। ছাব্বিছ বছৰ বয়স হৈছে। বিয়াৰ প্ৰশ্নটোৰ হাত এৰাবলৈ যুক্তি কমি আহিছে। যুক্তি দেখুৱাৰ প্ৰয়োজন বা ইচ্ছাও আৰু নাই। তদুপৰি মাৰ কাৰণে কিছুমান কথা কমকৈ আৰু কিছুমান কথা বেছিকৈ ভাবিব লাগে। মাৰ কাৰণে অলেখ কৰিব-লগীয়া আছে। সেই কাৰণেই ৰ'দ ওলোৱাৰ লগে লগে ছাইকেল মাৰি এই দক্ষিণপাটৰ বাট বিচাৰি ওলাইছোঁ। কিন্তু যাত্ৰাটোত মোৰ অন্তৰৰ প্ৰয়োজনৰ উচটনিতকৈ মাৰ প্ৰতি দায়িত্বৰ চেতনাৰ প্ৰভাৱ বেছি,—এই ভাবটোৱে মনটোক মাজে মাজে গধুৰ কৰি তুলিছে। ছোৱালী ঘৰৰ লগত চা-চিনাকি হৈ ব্যৱস্থা কৰিবলৈ, ছোৱালী নিজে চাই পছন্দ-অপছন্দ কৰিবলৈ, নিজে আহিছোঁ। ইয়াত উত্তম, কৌতূহল, সংকোচ, মনত আশা-নিৰাশাৰ দ্বন্দ্ব,— প্ৰয়োজন হ'লে অলপ অলপ বিলাসী কল্পনাৰো প্ৰয়োজন,—এবাৰ ভাবিলোঁ। ছাইকেলখন অলপ জোৰেৰে চলাই দিলোঁ। সম্মুখৰ মোনাটো টলং-ভটংকৈ লৰিবলৈ ধৰিলে।

মোনাটোত দুআখি কল, আধা সেৰ কেঁইবাবিধো মিহলি মিঠাই, এগজ তিনি টকা দামৰ ব্লাউজৰ কাপোৰ আৰু এখনু নতুন বছৰৰ কেলেণ্ডাৰ। ইয়াৰ এটা বস্তুৰ ওপৰতো মোৰ মতামত নাছিল;— মাৰ কথামতে কেৱল দোকানৰপৰা কিনি আনিছোঁ। অৱশ্যে মোৰ কোঠালীৰ বেৰৰপৰা কেলেণ্ডাৰখন এক্সাই মোনাটোত ভৰাই দিবৰ সময়ত আপত্তি কৰিছিলোঁ; মাই ক'লে, "হওক দে, তই ঠাইতে আন এখন আনি লবহি পাৰিবি; সেইবোৰ গাঁৱৰ জেগা, তাতে ল'ৰা-ছোৱালীৰ ঘৰ, দৈ বা ভাল পাব।" মাই কচতীয়া ছবিখনৰ কথাকেই বুজাব খুজিলে।

তাৰ পাছত আনন্দ মনেৰেই ঘৰৰপৰা ওলাই আহিলোঁ। পদূলি মুখলৈকে মা আহিছিল। মই ছাইকেলখনত উঠাৰ লগে লগে তেওঁ বোধহয় এবাৰ দেউতাৰ কথা ভাবিলে। মই কিন্তু সেই মুহূৰ্তত আন এটা কথা ভাবিলোঁ। দক্ষিণপাটলৈ যোৱাত মোৰ অলপো দ্বিধা নাই, তথাপি কল্যাণীক এবাৰ কথাবাৰ কাণচোৱাৰ লাগিছিল।

এবাৰ সবালবিকৈ ব্ৰেকডাল চেপি ধৰিলোঁ। প্ৰয়োজনতকৈ দহ হাতমান আগলৈ গৈ ছাইকেলখন ৰ'ল। পুৰণা ছাইকেল। উভতি কাষেদি পাৰ হৈ যোৱা মানুহজনক মাতিলোঁ, "হেৰি শুনকচোন, দক্ষিণপাটলৈ যোৱা বাট এইটোৱেই নহয় জানো ?"

মানুহজন চাপি আহিল। ক'লে, "এ, ভুল কৰিলে ; সেই তিনিআলিটোতে ঘুৰিব লাগিছিল। পিচে আহিল যেতিয়া উভতিব নালাগে। অলপ ঘুৰিব লাগিব যদিও এইপোনেই যাওক, অকণমান গৈয়ে যাঁওকালে গকবাট এটা পাব, সেইফালে সোমাই একেবাৰে পকী ৰাস্তাত ওলাবগৈ। সেই ৰাস্তাই গ'লেই, আপোনাৰ ঘৰজহা পাৰ হৈয়েই, সেয়া দক্ষিণপাট।"

"ভাল।"

"পিচে গকবাটটোত ছাইকেলেৰে অলপ অসুবিধা পাব।"

"হওক দিয়ক, ডেকা মানুহ।" নিজে কথাষাৰ কৈ নিজেই হাঁহিলোঁ। মানুহজনেও হাঁহিলে। মই আকৌ ছাইকেলত উঠিলোঁ।

কষ্ট সহ্য কৰিব পাৰোঁ, অগ্ৰাহ্যও কৰিব পাৰোঁ। ছাব্বিছ বছৰীয়া ডেকা মানুহ। মোৰ বয়সৰ এই ছাব্বিছ বছৰৰ দহোটা বছৰ পাৰ হৈ যোৱা কথা কেতিয়াও পাহৰিব নোৱাৰাকৈ মনত আছে। মাৰ বোধহয় তাতোকৈ বেছিকৈ মনত আছে। দেউতা থকা হ'লে কিজানি এই ঘৰণে মনত থাকিবলগীয়া নহ'লহেঁতেন। লোকৰ ঘৰত খান খামি, লোকৰ কাপোৰ বৈ মাই মোক পঢ়াল, এনে যন্ত্ৰণা সহ্য কৰিব নোখোজা মানসিক অৱস্থা মোৰ তেতিয়া হৈছিল। লুকাই চুৰকৈ

উপাৰ্জন কৰি মাক একে দিনাই বেহাই দিয়াৰ কথা ভাবি বহুত দিন অস্থিৰ হৈছিলোঁ।

অৱশ্যে এতিয়া ভাবোঁ, সেইটো এটা অত্যধিক ভাবপ্ৰৱণতাৰ যুগ গ'ল। এদিন দেখিলোঁ, মোৰ পাঠশালা স্কুলত একেলগে পঢ়া ইক্ৰামে হাল গুচাই গুলোমাই খোৱা ছাগলী এটা আগত লৈ বহি আছে। ওচৰত দা-কটাৰী, দগা-পাল্লা। নিঃসন্দেহ, উৎসাহ পালোঁ। পাণ-বিৰীৰ দোকান দিবলৈ মাক মূলধন খুজিলোঁ। মোৰ বয়স দহ বছৰ কমাই দি মাই মোক বুকুত সাবটি ধৰিলে, কান্দিলে।ময়ো কান্দিলোঁ।

তেতিয়াৰপৰা আৰু তেনেকৈ মই উপাৰ্জনশীল হ'বৰ কাৰণে মাৰ অনুমতি বিচৰা নাই। যিদিনা সঁচাকৈয়ে কামৰ উপযুক্ত হ'লোঁ, সেই দিনা মাই নিজেই মোক আগবঢ়াই দিলে। অৱশ্যে কেৰাণী কামতকৈ বেছি উপযুক্তভাৱে বাট চাবলৈ মা চাবিওফালৰপৰা নিঃসম্বল হৈ আছিছিল। তেওঁৰ কথামতেই মই চাকৰিটোৰ কাৰণে ৰামদাস চিৰস্তাদাৰক ঘৰতে দেখা কৰিবলৈ গৈছিলোঁ—মুখত নম্ৰতা, খোজ-কাটলত গাম্ভীৰ্য্য লৈ।

আৰু সেই দিনাই কল্যাণীৰ লগত মোৰ প্ৰথম দেখাদেখি।

পাঁচ বছৰৰ আগতে সেইদিনা কল্যাণীক চিৰস্তাদাৰৰ জীয়েক বুলিয়েই ভাবিছিলোঁ। প্ৰথমতে দেখিয়েই তাইক ভাল লাগিছিল। অতি সহজ-সৰলভাৱে তাইৰ লগত কথা পাতিবও পাৰিছিলোঁ। তাতকৈ তাইৰ বেছি অপকাৰ কৰাৰ কোনো ইচ্ছাও মুঠেই নাছিল।

কল্যাণীয়ে তাইৰ ঘৰৰ কথাবোৰ কৈছিল। তাইৰ মাক-বাপেক নাই, ককায়েক অকৰ্মণ্য, সি তাইক চিৰস্তাদাৰৰ ঘৰত থৈ লুকলি-ফুৰীয়া হৈ দিন কটায়। তাই চিৰস্তাদাৰৰ ঘৰৰ চাকৰণী নহয়, কিন্তু কি, তাৰ উত্তৰ নাপালেই তাইৰ বৰ বেজাৰ লাগে। চিৰস্তাদাৰৰ নিজৰ ল'ৰা-ছোৱালীও আছে।

মাৰ কথা, মোৰ নিজৰ কথা ভাবোঁতে সদায় লগতে কল্যাণীৰ

কথাও মনতে আছিল। অইন কাৰো কথা নাভাবি মাজে মাজে কল্যাণীৰ কথা ভবাৰ সপক্ষে মই প্ৰায়েই নিজকে যুক্তি বিচাৰিছিলোঁ। দুবছৰমানৰ পাছত তাইৰ লগত কথা পাতোঁতে লাহে লাহে মই আগৰ সহজ সৰলতা সম্বন্ধে সন্দিহান হৈ পৰিছিলোঁ। এদিন সঁচাকৈয়ে দেখিলোঁ, কল্যাণীয়ে আজিকালি জুখি-মাখি কথা কয়, প্ৰয়োজন বুজি হাঁহে, ঘৰৰ খা-খবৰতকৈ ভাল-বেয়া কুশল সংবাদত বেছি গুৰুত্ব দিয়ে।

হঠাতে কল্যাণী নিজৰ সম্বন্ধে সচেতন হৈ উঠিছিল। ইহঁত বুদ্ধিমতী হ'লে আৰু নিজৰ সম্বন্ধে সচেতন হৈ পৰিলে বোধহয় সাধাৰণ আদান-প্ৰদানবোৰো ৰহস্যময় আৰু জটিল হৈ উঠে,—কথাটো কল্যাণীক কেন্দ্ৰ কৰিয়েই তেতিয়াৰপৰাই ভাবিছিলোঁ।

দুৰ্ঘটনাটো বচাবলৈ হঠাৎ গৰুবাটৰপৰা কালৰি কাটি বাওঁতে ছাইকেলৰ আগচকাটো কাষৰ ভেবেলীলতা, ঢেকীয়াৰ জোপত সোমাল। নপৰাকৈ কোনোমতে নামিলোঁ। ছাইকেলখন পিছলৈ টানোতে কাণত খহৰখহৰকৈ পাৰিল : "চকু মুদি ছাইকেল চলোৱা নে কি হে?"

দুটা ল'ৰা, যোল আৰু বাৰ বছৰমান বয়সীয়া হ'ব লাগে।

"মইতো ঠিকেই আছিলোঁ, তোমালোক ঠাইতে গৰুৰ আঁৰৰপৰা আগতে ওলালাহি—কি কৰিম?"

"কি কৰিম! একো কৰিব নোৱাৰা যদি ছাইকেলৱালা হৈছা কিয়?" সিহঁত দুয়োটাই খোজ ল'লে। যাওঁতে সৰু ল'ৰাটোৱে কৈ গ'ল, "ইস্, বৰ একেবাৰে নেদেখা মানুহক ছাইকেল চলাই দেখুৱাবলৈ আহিছে।"

মই অপমানত হাঁহিলোঁ। মোনাটো ঠিক্‌ঠাককৈ ওলোমাই আকৌ ছাইকেলত উঠিলোঁ। গৰুবাটটোৱে সঁচাকৈয়ে কল্যাণীৰ চিন্তাৰ সূত্ৰ ছিঙি মোৰ চেতনাশক্তি অনুশীলনী কৰিবলৈ বাধ্য কৰালে।

ঘৰৰ ওপৰত ইকাষৰপৰা সিকাষলৈ হালি থকা বাঁহবোৰ, সন্মুখত

কেতিয়াবাই দিয়া বৰ ৰবষুণ এজাকৰ পাছত অহা-যোৱা গৰুগাড়ীৰ চকা, গৰু-মহ, মানুহৰ খোজৰ অবিকৃত সাক্ষী বা মোৰ দুৰ্বল ছাইকেলখনৰ যম। মিঠাই টোপোলাটোৰ কাগজখন ফাটি যোৱা সম্বন্ধে এইবাৰ আৰু একো সন্দেহ নাথাকিল। তথাপি মোৰ কৰিব-লগীয়া একো নাই বুলিয়েই ভাবিলোঁ। অৱশ্যে প্ৰয়োজন হ'লে মিতিৰৰ ঘৰক যাত্ৰাৰ বিৱৰণিৰে মিঠাই-ফল-কাপোৰ একাকাৰ হৈ যোৱাৰ কৈফিয়ৎ দিয়াৰ চেষ্টা কৰিব লাগিব বুলি ঠিক কৰিলোঁ। অলপ লাজৰ কথা হ'ব ; কিন্তু বুজাই দিলে বুজা উচিত। অন্ততঃ মোৰ ভৱিষ্যত মিতিৰৰপৰা মই তেনেকুৱা এটা আশা কৰিব পাৰোঁ।

অৱশ্যে আশা কৰি বহুত ক্ষেত্ৰত ফল লাভৰপৰা বিৰত থাকিব-লগীয়া হয়। কল্যাণীয়েও কিজানি তাকে প্ৰমাণ কৰাৰ চেষ্টা কৰিছিল। গোল মুখ, বগা ৰং, উজ্জ্বল আৰু তীক্ষ্ণ চাৱনি, অনবৰত চুলিবোৰ লিবিকি-বিদাৰি থকা মিহি মিহি আঙুলিবোৰেৰে প্ৰায় ধুনীয়াই বুলিব পৰা কল্যাণীৰপৰা পাছত মই বহুত আশা কৰিছিলোঁ। অৱশ্যে মই আশা কৰিছিলোঁ নিজে, আৰু নিৰাশো হ'লোঁ অকলে অকলে। যদি মোৰ বিশ্লেষণ ঠিক হয়, তেনেহ'লে কল্যাণীৰ চকুত মৰম আছিল, কথাত সহানুভূতি আছিল আৰু অন্তৰত ভালপোৱা নিশ্চয় আছিল। কিন্তু সেইবোৰ মোৰ কাৰণে আছিল বুলি প্ৰথমতে যিদৰে ভাবিবৰ সম্বল পাইছিলোঁ, পাছলৈ সেইদৰেই সন্দেহত ডুবি গৈছিলোঁ।

কল্যাণীয়ে যোৱা তিনি বছৰে মোৰ লগত কেৱল মৌখিক পৰিচয়ৰ যোগাযোগটোকেই ৰক্ষা কৰি আহিছিল যেন লাগে ; কিন্তু নিজৰ সন্তুষ্টিৰ কাৰণে তাৰ ভিতৰতে মই হৃদ্যতা বিচাৰি লৈছিলোঁ। ডেকা-গাভৰুৰ বন্ধুত্ব ঘটিলে, হয় সি বাঢ়ি গৈ প্ৰণয়ত পৰিণত হয়, নহয় কমি আহি সাধাৰণ চা-চিনাকিৰ পৰ্য্যায়ত পৰে—কথাষাৰ বিশ্বাস কৰিবলৈ মন যায়, কিন্তু কৰিলে মোৰ লোকচান হয়।

এবাৰ চিৰতাদাদাৰ পৰিয়ালৰ লগত ফুৰিবলৈ গ'লোঁ, কেইবা

দিনৰ কাৰণে। নতুন ঠাইত কল্যাণীয়ে মোৰ লগ লৈছিল। মোৰ লগতে হাঁহি-খেমালি কৰি, নানা ঠাই ফুৰি তাই উপভোগ কৰিছিল। তাইৰ সৰলতাই উক দিয়া দিনকেইটা মোৰো ভালেই কাটিছিল। মই নিজকে প্ৰকাশ কৰাৰ সুবিধাৰ কথা আগতে মাজে মাজে নভবাকৈ নাছিলোঁ, কিন্তু নতুন ঠাইত তাইক সদায় কাষতে পাই সেই সুবিধা কামত লগোৱাৰ কথা এদিনো মনলৈকে নাহিল। এভিয়া এটা সাধাৰণ ব্যাখ্যাৰ আশ্ৰয় লৈ আশ্বস্ত হওঁ আৰু হাঁহোঁ ; নতুন ঠাইত অলপ মুকলিমূৰীয়া মনটোৰে তাই সেই কেইদিন মোৰ আশ্ৰয় লোৱাৰ বাহিৰে গত্যন্তৰ নাছিল, মানুহো আন কোনো নাছিল। মোক নিৰীহ পাই তাই মোক অলপ খটুৱাই লৈছে। বুধিয়ক ছোৱালী, সন্দেহ নাই।

এইদৰে এবাৰ ভাবি চালে কিন্তু মোৰ সকলো আশাৰ বাট বন্ধ হয়। কল্যাণীক বৰ ভাল লাগে ; তাইৰ বিষয়ে ইমান খৰাং চিন্তাও অসহ্য লাগে।

পাছলৈ মাৰ কাৰণে এটা নতুন চিন্তাৰ বাট মুকলি কৰি লব লগাত পৰিলোঁ। মাৰ কাৰণেই দিনৰ পাহাৰ খেলা বন্ধ কৰাৰ কথা ভাবিলোঁ। চুবুৰিৰ বিভিন্ন তৰপৰ মানুহে বিভিন্ন ভাষাৰে মোক বিবিলাক কথা কয়, তাৰ অৰ্থ শেষত গৈ একেই হয়গৈ ;—মাৰ সুখৰ কাৰণে সোনকালে মোৰ বিয়া পাতিব লাগে।

মোৰ সমবয়সী ইন্দিৰ মাকে এদিন মোক চোলা এটা ধুই থকা দেখি কলৰ পাৰত ক'লে, "বোপাঁ আৰু কিমান দিন এনেকৈ কাপোৰ ধুই কটাবা ?"

"হওক দিয়াচোন, ভালে ভালেই গৈছে দেখোন দিনবোৰ।"

"যাবতো—!" ইন্দিৰ মাকে মুখ টিপি হাঁহিলে। তেওঁৰ ইংগিতবোৰ মাজে মাজে অৰুচিকৰ হ'লেও বেছিভাগ সময়ত যথেষ্ট আমোদজনক। মই হাঁহিলোঁ আৰু ক'লোঁ, "তোমাৰ খতাৰৰ একো সলনি নহ'ল দিয়া।"

"থাক আমাৰ কথা বাদ দিয়া, তুমি নিজে কিবা এটা কৰা যদি কৰা, নহ'লে আমাক কোৱা, আমি বলে পাৰিম।"

"বাঃ, নোৱাৰিবা কিয়? ইচ্ছা কৰিলে তুমি এখন ঘটকালিৰ দোকান খুলিব পাৰা।" মই হাঁহি হাঁহি ক'লোঁ।

ইন্দিৰ মাক উচাট মাৰি গ'লগৈ।

শান্তিৰ বাপেক বুঢ়ায়ো এদিন ধীৰে সুস্থিৰে, মোক বহুৱাই লৈ ক'লে, "বোপা, দেউতাৰে সেয়া যি কৰিলে কৰিলে। যোৱা কথা গ'ল, সেইবোৰ ভাবি এতিয়া আৰু কি হ'ব? কিন্তু মাৰজনীলৈ তই চকু দিবি। তোৰ কাৰণে বৰ কষ্ট কৰিলে দে। তোকনো আৰু কি দোঁহাৰিব লাগিছে, তইতো সকলো জান। তোৰ বিয়াখন হ'লেও তেওঁ বুঢ়ীজনীয়ে তইঁতক চাই দিনকেইটা খেদাব পাৰিব।"

"হয় ককা, পিচে টকা-পইচা হাতত আৰু অলপ গোটাব পাৰিলেহে সাহ কৰিব পাৰোঁ।"

"এৰা, এৰা, বোপাই—চাই-চিন্তি কিবা এটা কৰ, তইঁত জনা-বুজা হৈছ।"

দেউতাতকৈ বয়সত বহুত ডাঙৰ শান্তিৰ বাপেক। চকুৰে নমনে, মাত শুনি বুজে—কোন। বহুদিন সংসাৰখন চাই লৈ এতিয়া শেষ দিনটোলৈ বাট চাই বহি থাকে। সংসাৰৰ মায়া কিজানি এৰিব পৰা নাই—সেই কাৰণে প্ৰতিখাৰ কথাতেই বিদায় লব খোজা ভাৰাক্ৰান্ত সুৰ এটা শুনা যায়।

এদিন পাগঘৰৰ দুৱাৰডলিত থিয় হৈ জেঠাইদেৱে ক'লে, "পবন, মাৰক আৰু পাগঘৰটো এৰিবলৈ নিদিয় নেকি?"

"মাজে মাজে দেখোন তইঁতে সহায় কৰিলেই হয় জেঠাইদেউ!" —মই ক'লোঁ।

মুঠৰ ওপৰত সকলোৱে কয়। যোৱা বছৰ বিয়া কৰোৱা লগৰ কেৰাণী উপেনে মাক কইনা দেখুৱাবলৈ আনিছিল। মাতৃতে সুযোগ পাই সংক্ষেপে সি ক'লে, "এইবাৰ তোৰ পাল।"

শেষত বিদিনা মাই নিজে ক'লে, মই মাকে পৰামৰ্শ খুজিলোঁ। কিন্তু কল্যাণীৰ কথা ক'ব নোৱাৰিলোঁ। দুৰ্বাৰমান বুকুখন ধপ্ ধপকৈ উঠিছিল, কিন্তু একো কোৱা নহ'ল। এতিয়া ভাবোঁ, মা পুৰণা মানুহ, নতুন কথা শুনোৱাটো ভালেই হৈছিল ;—আৰু মাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ দায়িত্বটো পালন কৰাৰ সম্পূৰ্ণ সুবিধা দিলে তেওঁ শান্তি পাব, সুখী হ'ব।

মাৰ পৰামৰ্শ মতেই আজি টালিয়ে-টোপোলাই দক্ষিণপাটত ছোৱালী ঘৰ চাবলৈ আহিছোঁ, কিন্তু কল্যাণীক এবাৰ কথাটো কাণচোৱাব পৰা হ'লে ভাল আছিল।

গৰুবাটটো গৈ এটা বহল বাস্তাত শেষ হ'লগৈ। মানুহজনে কোৱা পকী বাস্তাৰ নামত অ'ত-ত'ত দুটা-এটা শিলগুটিয়ে মূৰ উলিয়াই আছে। ঠিক সময়তে মানুহ এজনো পালোঁ। তেওঁৰ নিৰ্দ্দেশত দক্ষিণপাটৰ বাটত চাইকেল চলাই দিলোঁ। কিছুদূৰ গৈ নামিবলগীয়াত পৰিলোঁ। গোটেই বাস্তা জুৰি এজাক গৰু আহিছে।

চাইকেলখনেৰে সৈতে একাষৰীয়া হৈ য'ত থিয় দিলোঁ, সেইটো এঘৰৰ পদূলি। কাষলৈ আহোঁতে আহোঁতে নংলাৰ একাষৰ গোবৰৰ শুকান দ'ম এটাৰ ওপৰতে উঠি পৰিলোঁ। গৰুবোৰৰ দুই-এটা দল পাৰ হৈছে, এনেতে পিছফালৰপৰা শক্তিশালী কণ্ঠস্বৰ এলানি কাণত পৰিলহি। উভতি চাই দেখিলোঁ, ঘৰটোৰ দুৱাৰডলিত এজনী বুঢ়ী।

"সেই বাভিপুৱাই ঠাইখন সৰাবেপৰা বাঢ়নীটো'ৰ এই মাজবাটতে পৰি আছে, তাৰ ওপৰেদিয়েই দকোবাৰ মানুহজনী আহিছে-গৈছে ; বা বাঢ়নীটো'ৰ আঁতৰাই একাষৰীয়াকৈ থওঁ,—সেইটো নাই। কোৱাচোন তোমালোকেই, এইবোৰ শাখিনা-কুলক্ষণীয়া স্বভাৱ চকুৰে চাই থাকিব পাৰিনে? তাকে কওঁতেই মহাৰাণী ওকন্দি চুকত সোমালগৈ। থাক্, আমাকো কোনেও গাত বান্দী কৰি দি

পঠিউৱা নাই নহয়। সময় মূৰত আহি ভাত নাপালে যেতিয়া জাবলি কোবোৱা দিব, তেতিয়া আপুনিয়ে গম পাবি।"

কথাবোৰ জেওবাৰ সিপাৰৰ মানুহঘৰৰ চোতালত থিয় হৈ থকা ছগৰাকীক উদ্দেশ্য কৰি, যিমান দূৰ সম্ভৱ বোৱাৰী শ্ৰেণীৰ কাৰোবাৰ সম্বন্ধে কোৱা। জেওবাৰ সিপালৰ এগৰাকীয়ে অংশ গ্ৰহণ কৰিলে, "ভাত বন্ধা নাই হ'বলা ?"

"ক'ৰ ভাত সোপা, চাই যোৱাহিচোন তোমালোকেই, য'ৰ চক ত'তে পৰি আছে।"

গৰুজাক পাৰ হৈ গ'ল। ছাইকেলত উঠিলোঁ। মোৰ পত্নী হ'লে মাৰ বোৱাৰী ;—এই বিষয়ে মাৰ পৰামৰ্শ মতে কাম কৰি ভাল কৰিছোঁ বুলি নিঃসন্দেহ হ'বৰ চেষ্টা কৰিলোঁ।

হস্পিটালৰ ছাইন ব'ৰ্ডখন দেখি জানিলোঁ—মই ৰৱজহা গাঁৱৰ মাজেৰে গৈ আছোঁ। এবাৰ অনুমান কৰিলোঁ, মোৰ পিয়াহ লাগিছে। কিছু দূৰ গৈ এটা পদূলিত নামিলোঁ। গৰু এটা খেদি খেদি এজনী কম বয়সীয়া মানুহ জপনামুখ পাইছিলাহি। গৰুটো মোৰ কাষেদিয়েই ওলাই গ'ল। মানুহজনীয়ে মোক দেখি হাতৰ কাঠখৰিডাল পেলাই দি মূৰত লৰালৰিকৈ কাপোৰখন তুলি সোমাই যাবলৈ বুলি উভতিল।

মই ক'লোঁ, "মোক এগিলাচ পানী দিবনে ?"

মানুহজনী অলপ থমকি ৰ'ল। উভতি নোচোৱাকৈয়ে "সোমাই আহক" বুলি কৈ নিজে ভিতৰ সোমাই গ'ল। মই জেওবাতে ছাইকেলখন আউজাই থৈ মাজ চোতালত থিয় দি ৰলোঁ। অলপ পাছতে পিতলৰ ঘটী এটা হাতত লৈ মানুহজনী ওলাই আহিল। একো নোকোৱাকৈয়ে তেওঁ ঘটীটো ওচৰৰ মাটিতে থৈ অলপ আঁতৰি থিয় দি ৰ'ল।

মই ঘটীটো তুলি লৈ সুধিলোঁ, "দক্ষিণপাটলৈ আৰু কিমান দূৰ আছে ?"

মানুহজনীয়ে ওবণিখন আক অলপ টানি লৈ ক'লে, "এই ক'ব নোৱাৰোঁ ; ঘৰত মতা মানুহ কোনো নাই।" মই পুৰাকৈ পানী খাব নোৱাৰিলোঁ। ঘটীটো আকৌ মাটিতে থৈ সবাজৰিকৈ বাটলৈ ওলাই ছাইকেলত উঠিলোঁ। মানুহজনীৰ কথাৰ সুৰটো কাণত আক এবাৰ বাজিল। মই কথা পাতিবলৈ চেষ্টা কৰিছিলোঁনেকি ? এবাৰ সন্দেহ কৰি চালোঁ। হাঁহিও উঠিল।

কিছু সময়ৰ পাছত এবাৰ অনুমান হ'ল, মই নিশ্চয় দক্ষিণপাট গাঁৱত সোমালোঁহি। আঁহত গছ এজোপাৰ তলত বাঁহৰ কামেৰে সজা বেঞ্চ এখনত বহি দুজন লোকে কথা পাতিছিল। তাৰে এজনক সুধিলোঁ, "এয়াই দক্ষিণপাট নহয় জানো ?"

"হয় ?"

"মনেশ্বৰ শৰ্মাৰ ঘৰটো চিনি পায়নে ?"

"পাওঁ পাওঁ, এইফালে গৈ পোনতে যিটো বাট সোঁফালে সোমাই গৈছে, সেইফালে ঘুৰি মানুহক সুধিলেই দেখুৱাই দিব।"

ইজনে ক'লে, "কেলেই আকৌ সুধিব লাগিছে! অকণমান গ'লেই—নাৰিকল গছ দুজোপাৰে পদূলিটো, সেয়াই মনেশ্বৰ বাপুৰ ঘৰ।"

"ভাল" বুলি আগুৱালোঁ।

এইবাৰ কিন্তু সঁচাকৈয়ে বুকুখন থপ্‌থপাই উঠিল। একেবাৰে অচিনাকী মানুহ এঘৰ, সম্বন্ধটোও কৌতূহলমূলক, তাৰ উপৰি মই নিজে প্ৰাৰ্থী। সংকোচ ভাব আহিল। কিছুমান সম্ভাষণৰ কথা ভাবিলোঁ, কিছুমান প্ৰশ্নৰ উত্তৰৰ কথা ভাবিলোঁ, নেদেখা ছোৱালীজনীৰ কথা ভাবিলোঁ। আকৌ এবাৰ কল্যাণীলৈ মনত পৰিল। শেষবাৰলৈ তাইৰ কথাও এবাৰ ভাবিলোঁ।

বাস্তাটোৰেদি ঘুৰিলোঁ। কিছু দূৰ আগুৱাই দুজোপা নাৰিকল গছেৰে এটা পদূলি দেখা পালোঁ। ব্ৰেকৃতাল চেপা মাৰি পেডেলতাল কেইবাৰমান ওভোতা পাকে ঘুৰালোঁ। নিজৰ অৱস্থাটো বুজি হাঁহি

উঠিল। এপাক এপাককৈ পেডেল ঘূৰাই আগবাঢ়িলোঁ। কিমান পলম কৰাৰ চেষ্টা কৰিলোঁ নাৰিকল হুজোপা সিমানে আগুৱাই আহিল। দেখিও নাৰিকল হুজোপাৰ মাজতে ছাইকেলখন ৰখাব নোৱাৰিলোঁ। অকণমান আগবাঢ়ি গৈ নামিলোঁ। উভতি আহি ছাইকেলখন নাৰিকল গছত আঁউজাই থৈ ঘৰটোলৈ চাই পঠিয়ালোঁ। আগফালে বাৰান্দা নথকা খেৰৰ ঘৰ এটা। বেৰবিলাক মিহিকৈ মাটিৰে লেপা। অ'ত-ত'ত এচমকা-দুচমকা চূণ লাগি আছে ; ওচৰ-চুবুৰীয়াৰ চূণ দিয়া বেৰৰ ঘৰ দেখি ল'ৰা-ছোৱালীয়ে চখত লগোৱা যেন লাগিল। ওখ ভেটিটোত বাতিপুৱা নিমজকৈ মচাৰ চিন আছে।

নঙলা কেইডাল খুলি ছাইকেলখন ঠেলি ঠেলি চোতালখনৰ একাবেদি সোমাই গ'লোঁ। মাজ চোতালত বহলাই ধান মেলি দিয়া আছে। মাজতে খুটি এটা পোতা, আৰু তাৰ মূৰত কাউৰীৰ ডেউকা এখন ওলোমাই থোৱা আছে। ছাইকেলখন এইবাৰ পিৰালিত থলোঁ। সাৱধানে লোৱা সত্ত্বেও পেডেলৰ খোঁচ খাই পিৰালিৰ মাটি অকণমান এৰাই পৰিল। মূৰ তুলি চাই দেখিলোঁ তেৰ-চৈধ্য বছৰীয়া ল'ৰা এটাই মোৰ মুখলৈ চাই আছে। চকুৰে চকুৰে পৰোঁতে ময়েই প্ৰথমতে সুধিলোঁ, "দেউতাৰা আছে বাপু ?"

"নাই।"

"ক'লৈ গ'ল ?" লৰালৰিকৈ সুধিলোঁ।

"নামঘৰলৈ।"

"কেতিয়া আহিব ?"

"মেল ভাগিলে আহিব।"

"কিমান সময় হ'ব ?"

"ক'ব নোৱাৰোঁ, কিয় ?"

অলপ সময় ভাবিলোঁ, তাৰ পাছত ক'লোঁ, "মই লগ পাব লাগিছিল। নামঘৰ কিমান দূৰত ?"

ল'ৰাটোৱে অৱস্থাটো বুজাৰ কাৰণে যৰ ভাল পালোঁ। সি

ক'লে, "বাক আপুনি ভিতৰত বহক, মই পিতাইক মাতি আনোগৈ। আহক।" ভিতৰ সোমাই গ'লোঁ। প্ৰায় চাক-চিকুণ কোঠালীটো। এটা চুকৰ খুটাত এটা পহুৰ শিং আৰু তাতে এখন ৰঙা-নীলা কাগজ লগোৱা বাঁহৰ ধনু আৰু এডাল মণিছালৰ গুটিৰ মালা ওলোমাই থোৱা আছে। হ'ব খোজা মিতিৰৰ ঘৰৰ ভাওনা আৰু ধৰ্ম চুৱোতে মতি আছে যেন লাগিল। বাতিপুৱা মচা মজিয়াখনত ভৰিৰ দাগবোৰ শুকাই গৈছে।

মই যেতিয়া কোঠালীটোৰ একমাত্ৰ চকীখনত বহি পৰিলোঁ, তেতিয়া মোক চাৰিওফালে চাৰিটি প্ৰাণীয়ে আগুৰি ধৰিছে। তিনিটা ল'ৰা, এজনী ছোৱালী। ক্ৰমান্বয়ে প্ৰায় আঠ, ছয় আৰু চাৰি বছৰীয়া ল'ৰাকেইটা আৰু ছোৱালীজনী নিচেই সৰু, খোজ কাঢ়িব পাৰে, হয়তো মাতো ফুটিছে। শেষৰ দুটি দিগম্বৰ। দ্বিতীয়টিয়ে বোধহয় ডাঙৰ ককায়েকৰ আঁঠুৰ তললৈকে পৰা চোলা এটা পিন্ধি দুসাজ কাপোৰৰ প্ৰয়োজন পূৰাইছিল। সিয়েই মোক প্ৰথমে সুধিলে, "আই, তই ক'ৰপৰা আহিছ?"

মই হাঁহি হাঁহি ক'লোঁ, "বহুত দূৰৰপৰা আহিছোঁ।"

চাৰি বছৰীয়াটোৰ কিন্তু প্ৰত্যয় নহ'ল, সি ক'লে, "ই-হ্, বহুত দূৰৰপৰা আহিছে! সৌ তা-পৰা অহা নাই?"

আঠ বছৰীয়া ল'ৰাটোক সুধিলোঁ, "তোমাৰ নাম কি বাপু?"

সি ক'লে, "মনোহৰ।"

তাৰ লগতে কথা চলিব বুলি ভাবিলোঁ। সুধিলোঁ, "মাৰা ঘৰত আছে?"

"নাই, ঘাটলৈ গৈছে।"

"ঘৰতনো কোন আছে?"

"বাইটি আছে।"

ইতিমধ্যে দুৱাৰখনেদি চাই পঠিয়াই ভিতৰ চোতালত বাৰু চকামকাকৈ দেখিছিলোঁ, তেওঁকেই বাইটিয়েক বুলি ঠাৱৰ কৰিলোঁ।

মই অলপ ভাবিলোঁ। মাই আহিবৰ সময়ত শিকাই দিয়া কথা-খিনি মনত পেলালোঁ। বৰ সংকোচ লাগিল। লাজো লাগিল।

ইতিমধ্যে মোৰ পিছফালে মনে মনে থিয় দিয়া ছৱছৱীয়াটোৱে চোলাটোত ধৰি টান এটা মাৰিলে। তাৰ ৰসিকতা গ্ৰহণ কৰিব পৰা অৱস্থাত মই নাছিলোঁ। অৱশেষে মনোহৰে তাক ডাবি এটা মাৰি ক'লে, "এই গৰু নাপায়; ৰবি, পিতাই আহিলে কৈ দিম।"

মই উঠি গৈ ছাইকেলৰপৰা মোনাটো সোলোকালোঁ। ব্লাউজৰ কাপোৰটো উলিয়াই মোৰ চোলাৰ জেপত ভৰালোঁ। মনোহৰৰ হাতত মোনাটো দি ক'লোঁ, "এইটো ভিতৰত দিয়াগৈ যোৱা।"

"বাইটিয়েৰাৰ হাতত" বুলি ক'ব খুজিছিলোঁ, মুখৰপৰা নোলাল। মনোহৰৰ পিছে পিছে দুই প্ৰাণী দৌৰি গ'ল। ছোৱালীজনীৰ ঘটনাটো ঠিকমতে বুজাত পলম হ'ল; শেষত নিজকে অকলশৰীয়া দেখি এবাৰ মোলৈ চাই থপ্‌থপকৈ ভৰি পেলাই তাই লৰ মাৰিলে। মই কমালখন উলিয়াই লৈ এপাৰ মুখখন মচিলোঁ। বাপেক-মাকৰ অনুপস্থিতিত ঘটনাটো সহজভাৱে আৰম্ভ হৈ যোৱাত ভাল লাগিল।

চকামকাকৈ দেখা ছোৱালীজনীৰ ৰূপটো ভাবিলোঁ। গাৰ ৰংটো বগা যেনেই পালোঁ। লাহে লাহে খোজ কাঢ়ি গৈছিল। ওখও কল্যাণীৰ সমানেই হ'ব বোধহয়। ভিতৰৰপৰা অলপ গণ্ডগোলৰ শব্দ এটা আহিল। কোনোবাই "থ, থ" কৰিছে, কোনোবাই "দে, দে" কৰিছে, মাজতে এটাই "মই চাওঁ, মই চাওঁ"কৈ চিঞৰি উঠিছে। ইহঁত সকলোকে দিয়া, নিয়া, চোৱাত কোনে শাসন কৰিছে—অনুমান কৰিলোঁ।

বেছি সময় অকলশৰীয়া হৈ থাকিবলগীয়া নহ'ল। ছৱছৱীয়া আৰু চাৰিবছৰীয়া আকৌ ওলাই আহিল। সিহঁতৰ দুয়োটাৰে হাতত এটাকৈ বাকলি গুচোৱা কল, ইতিমধ্যে একামোৰকৈ মৰা হৈ গৈছে। আনটো হাতত বাকলি নুগুচোৱা;—বুজিলোঁ, সম্ভৱতে দুটাকৈ ভাগত পৰিছে। ছৱছৱীয়া মোৰ কাষ চাপি আহিল। চোলাটো

ওপৰত থিয় হৈ এই বিশেষ দৃশ্যটো উপভোগ কৰা ইন্দ্ৰিহে জিভাৰ তলত দুটা আঙুলি ভৰাই এটা সুহুৰি মাৰিলে।

এই সময়তে শীতলাই মাইচেনাক মনে মনে ক'লে, "মোৰ ভাল লগা নাই বাইদেউ, যাওঁগৈ বলক।"

"কিয়, কি হ'ল তোৰ?"

শীতলাই একো নামাতি তলমূৰ কৰি থাকিল। "অলপ পৰ চাচোন বাৰু। বেছি দেৰি নকৰোঁ দে।" মাইচেনাই এনেয়ে এবাৰ উভতি চালে। শিৱ সিইঁতৰ ওচৰতে থিয় হৈ আছিল। মাইচেনায়ো তলমূৰ কৰি কিবা এটা ভাবিলে। তাইৰ কাণ দুখন অলপ গৰম হৈ উঠিল; কিয়, তায়ো যেন ভাবি ঠিক কৰিব নোৱাৰিলে।

"এংকৰ এংকৰ" বুলি চাৰিওকালৰপৰা জাকে জাকে অনুৰোধ অহা সত্বেও বহুৱা-বহুৱানী দৌৰি চোঁ-ঘৰত সোমালগৈ। পৰ্দাৰ আঁৰত ৰজা সাজু হৈ আছিল। পলম নকৰি ওলাই আহিল। পিছে পিছে মন্ত্ৰী। লিগিৰা পঠিয়াই সেনাপতিক মতাই অনা হ'ল। ৰজাই বহাৰপৰা উঠি বুকু ফুলাই উচ্চস্বৰে অকৰ্মণ্যতাৰ কাৰণে সেনাপতিক কৰ্কথনা কৰিবলৈ ধৰিলে। নাট্যকাৰ গোপীনাথ বৰাৰ মতে এইখিনিয়েই মেডেল পাবলগীয়া বচন। সহিষ্ণুতাৰ শেষ সীমা পাই সেনাপতিয়েও দাম্ভিক ভাষাৰে উত্তৰ দিবলৈ ধৰিলে। আৰু তাৰ ফলস্বৰূপে ৰজাই হাতৰ উন্মুক্ত তৰোৱাল সেনাপতিৰ বুকুত বহুৱাই দিলে আৰু সেনাপতি "উস্ ভগবান" বুলি বাগৰি পৰিল। এই সময়তে চিঞৰ উঠিল, "আগৰ মানুহ বহি যোৱা।"

কিন্তু আগৰ মানুহ বহি যাবলগীয়া নহ'ল। বুদ্ধি কৰি বিনন্দ-মাধৱইতে ঠিক কৰি ৰখা, আগে-পিছে পূজাত গণ্ডগোল কৰা গুণ্ডা ৰামপালৰ অশেষ চেষ্টা ব্যৰ্থ কৰি দি প্ৰায়বোৰ বহি থকা মানুহেই থিয় হ'ল চিকাৰলৰ কালে মুখ কৰি, বিনন্দমাধৱ লৰালৰিকৈ আগবাঢ়িল ভিৰোতা মানুহৰ অঞ্চলৈ। তেওঁ প্ৰৱেশ পথেদি ভিতৰ

সোমাইছে, এনেতে তেওঁৰ গাৰ কাৰেদিয়েই দৌৰ মাৰি বাহিৰ ওলাই গ'ল শিৱ। একো ভত ধৰিব নোৱাৰি তেওঁ চুবাৰ চিঞৰিলে, "শিৱ শিৱ।"

কিন্তু শিৱ তেতিয়া বোধহয় পোহৰৰপৰা নিজকে লুকুৱাবলৈ চেষ্টা কৰি প্ৰাণপণে দৌৰিছে।

গণ্ডগোলৰ আনুমানিক কেন্দ্ৰস্থল লক্ষ্য কৰি বিনন্দমাধৱ আগ বাঢ়িল। শীতলাইঁতৰ কাষ পাই তেওঁ দেখিলে, মাইচেনা থিয় হৈ আছে, লাইটৰ পোহৰত তাইৰ মুখখন বগা হৈ জিলিকি উঠিছে। তাইৰ গোটেই গাটোৰ লগে লগে হাতৰ মুঠিত লৈ থকা ষ্টেণ্ডেলপাতো কঁপিছে।

আৰু তাইৰ কাষতে শীতলাই নিজৰ আঠুটোৰ মাজত মুখখন লুকুৱাবৰ চেষ্টা কৰিছে। বোধহয় তাই কান্দিব খুজিছে।

বিনন্দমাধৱৰ পিছকালে তেতিয়া ঘটনাটোৰ উমহ লবলৈ অহা মানুহ ভৰি পৰিছে। প্ৰবেশ নিয়ন্ত্ৰণ কৰিবলৈ গেটত কোনো নাই।

সহকাৰী সম্পাদক গোবিন্দই ত্ৰিপালখনৰ কাষলৈ গৈ প্ৰায় ডাবি মাৰিয়েই ভাৱৰীয়াসকলক ক'লে, "আপোনালোকে কি কৰিছে? কৰি যাওক।" অন্ততঃ কিছু মানুহক আকৃষ্ট কৰি ৰাখিব পাৰিলেও!

মৰণ পথৰ যাত্ৰী সেনাপতি বীৰবাহুৱে থিয় হৈ ডিঙি মেলি ঘটনাটোৰ গম লবৰ চেষ্টা কৰিছিল, গোবিন্দৰ ডাবিৰ লগে লগে ধপকৈ বাগৰি পৰি কেঁকাই কেঁকাই তেওঁ ক'বলৈ ধৰিলে, "উস্ উস্, আপুনি, আপুনি মো-ক লঘু দো-ষত গুৰু শা-স্তি দিলে, ম-হা-ৰা-জ। ম-ই একো অ-মা-নু-ষি-ক কাম ক-ৰা না-ছি-লোঁ।"

কক্ষ-ভ্ৰান্তি

তিনিআলিৰ মূৰটো পাই ৰবলৈ বাধ্য হ'লোঁ। এইকালে আগতে কেতিয়াও অহা নাই। আক-তাক সুধিয়েই এইখিনি পাইছোঁহি। এই দুটা ৰাস্তাৰ কোনটোৰেদি যাব লাগে, অনুমান কৰাৰো উপায় নাই। ইকালে-সিকালে চাই দেখিলোঁ মানুহ-দুনুহ এটাও দেখিবলৈ নাই। কেৱল দহ-বাৰ বছৰীয়া ল'ৰা এটাই হাতত চেকনী এডাল লৈ সুছবি বজোৱাৰ চেষ্টা কৰি কৰি এইকালে আহি আছে।

ছাইকেলৰ আগত ওলোমাই অনা মোনাটোত আকৌ এবাৰ চকু পৰিল। তলকালে গোলকৈ ঠাই এডোখৰ তিতি গৈছে। বোধহয় মিঠাইৰ টোপোলাটোৰ কাগজখন কাটিয়েই গ'ল। নিয়মমতে, উলিয়াই চাই টোপোলাটো ঠিক্ঠাককৈ লব লাগিছিল, কিন্তু এলাহ লাগিল।

"হেৰৌ বাপু! দক্ষিণপাটলৈ কোনকালে যায় অ'?"—সৰু ল'ৰাটো ওচৰ পাইছিলহি, তাকে সুধিলোঁ।

"কলৈ?"

"দক্ষিণপাটলৈ।"

সি সন্মুখৰ তিনিওটা ৰাস্তালৈকে একোবাৰকৈ চালে। অলপ পৰ চাই থাকি চেকনীডাল তুলি ক'লে, "এইকালে।"

তাৰ চেকনীডালে যিটো ৰাস্তা সূচালে, সেই ফালেদিয়েই মই

আহি এইখিনি পাইছোঁহি। হাঁহি উঠিল। হাঁহি হাঁহি ক'লোঁ, "বাক যা।" অলপ পৰ চিন্তা কৰি ছাইকেলখনত উঠি সোঁফালৰ বাটটোৰেদি আগবাঢ়িলোঁ।

দক্ষিণপাট। মাৰ ইচ্ছা পূৰ্ণ হ'বলৈ গ'লে সেইখনেই মোৰ ভৱিষ্যত মিতিৰৰ গাঁও। ছাব্বিছ বছৰ বয়স হৈছে। বিয়াৰ প্ৰশ্নটোৰ হাত এৰাবলৈ যুক্তি কমি আহিছে। যুক্তি দেখুৱাৰ প্ৰয়োজন বা ইচ্ছাও আৰু নাই। তদুপৰি মাৰ কাৰণে কিছুমান কথা কমকৈ আৰু কিছুমান কথা বেছিকৈ ভাবিব লাগে। মাৰ কাৰণে অলেখ কৰিব-লগীয়া আছে। সেই কাৰণেই ব'দ ওলোৱাৰ লগে লগে ছাইকেল মাৰি এই দক্ষিণপাটৰ বাট বিচাৰি ওলাইছোঁ। কিন্তু যাত্ৰাটোত মোৰ অন্তৰৰ প্ৰয়োজনৰ উচটনিতকৈ মাৰ প্ৰতি দায়িত্বৰ চেতনাৰ প্ৰভাৱ বেছি,—এই ভাবটোৱে মনটোক মাজে মাজে গধুৰ কৰি তুলিছে। ছোৱালী ঘৰৰ লগত চা-চিনাকি হৈ ব্যৱস্থা কৰিবলৈ, ছোৱালী নিজে চাই পছন্দ-অপছন্দ কৰিবলৈ, নিজে আহিছোঁ। ইয়াত উদ্যম, কৌতূহল, সংকোচ, মনত আশা-নিৰাশাৰ দ্বন্দ্ব,— প্ৰয়োজন হ'লে অলপ অলপ বিলাসী কল্পনাও প্ৰয়োজন,—এবাৰ ভাবিলোঁ। ছাইকেলখন অলপ জোৰেৰে চলাই দিলোঁ। সন্মুখৰ মোনাটো টলং-ভটংকৈ লৰিবলৈ ধৰিলে।

মোনাটোত দুআখি কল, আধা সেৰ কেইখাৰিমো মিহলি মিঠাই, এগজ তিনি টকা দামৰ ব্লাউজৰ কাপোৰ আৰু এখন নতুন বছৰৰ কেলেণ্ডাৰ। ইয়াৰ এটা বস্তুৰ ওপৰতো মোৰ মতামত নাছিল ;— মাৰ কথামতে কেৱল দোকানৰপৰা কিনি আনিছোঁ। অৱশ্যে মোৰ কোঠালীৰ বেৰৰপৰা কেলেণ্ডাৰখন একেৱাই মোনাটোত ভৰাই দিবৰ সময়ত আপত্তি কৰিছিলোঁ ; মাই ক'লে, "হওক দে, তই ঠাইতে আন এখন আনি লবহি পাৰিবি ; সেইবোৰ গাঁৱৰ জেগা, তাতে ল'ৰা-ছোৱালীৰ ঘৰ, লৈ যা ভাল পাব।" মাই বংচঙীয়া ছবিখনৰ কথাকেই বুজাব খুজিলে।

তাব পাছত আনন্দ মনেবেই ঘবৰপবা ওলাই আহিলোঁ। পদুলি মুখলৈকে মা আহিছিল। মই ছাইকেলখনত উঠাব লগে লগে তেওঁ বোধহয় এবাব দেউতাব কথা ভাবিলে। মই কিন্তু সেই মুহূর্তত আন এটা কথা ভাবিলোঁ। দক্ষিণপাটলৈ যোৱাত মোব অলপো দ্বিধা নাই, তথাপি কল্যাণীক এবাব কথাবাব কাপচোৱাব লাগিছিল।

এবাব লবালবিকৈ ব্রেকভাল চেপি ধবিলোঁ। প্রয়োজনতকৈ দহ হাতমান আগলৈ গৈ ছাইকেলখন ব'ল। পুৰণা ছাইকেল। উভতি কাষেদি পাব হৈ যোৱা মানুহজনক মাতিলোঁ, "হেবি শুনকচোন, দক্ষিণপাটলৈ যোৱা বাট এইটোৱেই নহয় জানো ?"

মানুহজন চাপি আহিল। ক'লে, "এ, ভুল কবিলে; সেই তিনিআলিটোতে ঘুবিব লাগিছিল। পিচে আহিল যেতিয়া উভতিব নালাগে। অলপ ঘুবিব লাগিব যদিও এইপোনেই যাওক, অকণমান গৈয়ে বাঁওফালে গকবাট এটা পাব, সেইফালে সোমাই একেবাবে পকী বাস্তাত ওলাবগৈ। সেই বাস্তাই গ'লেই, আপোনাব ববজহা পাব হৈয়েই, সেয়া দক্ষিণপাট।"

"ভাল।"

"পিচে গকবাটটোত ছাইকেলেবে অলপ অসুবিধা পাব।"

"হওক দিয়ক, ডেকা মানুহ।" নিজে কথাবাব কৈ নিজেই হাঁহিলোঁ। মানুহজনেও হাঁহিলে। মই আকৌ ছাইকেলত উঠিলোঁ।

কষ্ট সহ্য কবিব পাবোঁ, অগ্রাহ্যও কবিব পাবোঁ। ছাব্বিছ বছৰীয়া ডেকা মানুহ। মোব বয়সব এই ছাব্বিছ বছৰব দহোটা বছৰ পাব হৈ যোৱা কথা কেতিয়াও পাহবিব নোৱাবাকৈ মনত আছে। যাব বোধহয় ভাল্ভোকৈ বেছিকৈ মনত আছে। দেউতা থকা হ'লে কিজানি এই ধবণে মনত থাকিবলগীয়া নহ'লহেঁতেন। লোকব ঘবত ধান বানি, লোকব কাপোব ধৈ মাই মোক পঢ়াব, এনে ব্যৱস্থা সহ্য কবিব নোখোজা মানসিক অৱস্থা মোব তেতিয়া হৈছিল। লুকাই চুবকৈ

উপাৰ্জন কৰি মাক একে দিনাই বেছাই দিয়াৰ কথা ভাবি বহুত দিন অস্থিৰ হৈছিলোঁ।

অৱশ্যে এতিয়া ভাবোঁ, সেইটো এটা অত্যধিক ভাবপ্ৰবণতাৰ যুগ গ'ল। এদিন দেখিলোঁ, মোৰ পাঠশালা স্কুলত একেলগে পঢ়া ইব্ৰাহিমে ছাল গুচাই ওলোমাই থোৱা ছাগলী এটা আগত লৈ বহি আছে। ওচৰত দা-কটাৰী, দগা-পাল্লা। নিঃসন্দেহ, উৎসাহ পালোঁ। পাণ-বিৰীৰ দোকান দিবলৈ মাক মূলধন খুজিলোঁ। মোৰ বয়স দহ বছৰ কমাই দি মাই মোক বুকুত সাবটি ধৰিলে, কান্দিলে। ময়ো কান্দিলোঁ।

তেতিয়াৰপৰা আৰু তেনেকৈ মই উপাৰ্জনশীল হ'বৰ কাৰণে মাৰ অনুমতি বিচৰা নাই। যিদিনা সঁচাকৈয়ে কামৰ উপযুক্ত হ'লোঁ, সেই দিনা মাই নিজেই মোক আগবঢ়াই দিলে। অৱশ্যে কেৰাণী কামতকৈ বেছি উপযুক্ততালৈ বাট চাবলৈ মা চাৰিওফালৰপৰা নিঃসম্বল হৈ আছিছিল। তেওঁৰ কথামতেই মই চাকৰিটোৰ কাৰণে ৰামদাস চিৰস্তাদাৰক ঘৰতে দেখা কৰিবলৈ গৈছিলোঁ—মুখত নম্ৰতা, খোজ-কাটলত গাম্ভীৰ্য্য লৈ।

আৰু সেই দিনাই কল্যাণীৰ লগত মোৰ প্ৰথম দেখাদেখি।

পাঁচ বছৰৰ আগতে সেইদিনা কল্যাণীক চিৰস্তাদাৰৰ জীয়েক বুলিয়েই ভাবিছিলোঁ। প্ৰথমতে দেখিয়েই তাইক ভাল লাগিছিল। অতি সহজ-সৰলভাৱে তাইৰ লগত কথা পাতিবও পাৰিছিলোঁ। তাতকৈ তাইৰ বেছি অপকাৰ কৰাৰ কোনো ইচ্ছাও মুঠেই নাছিল।

কল্যাণীয়ে তাইৰ ঘৰৰ কথাবোৰ কৈছিল। তাইৰ মাক-বাপেক নাই, ককায়েক অকৰ্মণ্য, সি তাইক চিৰস্তাদাৰৰ ঘৰত থৈ মুকলি-মূৰীয়া হৈ দিন কটায়। তাই চিৰস্তাদাৰৰ ঘৰৰ চাকৰণী নহয়, কিন্তু কি, তাৰ উত্তৰ নাপালেই তাইৰ বৰ বেজাৰ লাগে। চিৰস্তাদাৰৰ নিজৰ ল'ৰা-ছোৱালীও আছে।

মাৰ কথা, মোৰ নিজৰ কথা ভাবোঁতে সদায় লগতে কল্যাণীৰ

কথাও মনলৈ আহিছিল। অইন কাৰো কথা নাভাবি মাজে মাজে কল্যাণীৰ কথা ভবাৰ সপক্ষে মই প্ৰায়েই নিজকে যুক্তি বিচাৰিছিলোঁ। দুৰহৰমানৰ পাছত তাইৰ লগত কথা পাতোঁতে লাহে লাহে মই আগৰ সহজ সৰলতা সম্বন্ধে সন্দিহান হৈ পৰিছিলোঁ। এদিন সঁচাকৈয়ে দেখিলোঁ, কল্যাণীয়ে আজিকালি জুখি-মাখি কথা কয়, প্ৰয়োজন বুজি হাঁহে, ঘৰৰ খা-খবৰতকৈ ভাল-বেয়া কুশল সংবাদত বেছি গুৰুত্ব দিয়ে।

হঠাতে কল্যাণী নিজৰ সম্বন্ধে সচেতন হৈ উঠিছিল। ইহঁত বুদ্ধিমতী হ'লে আৰু নিজৰ সম্বন্ধে সচেতন হৈ পৰিলে বোধহয় সাধাৰণ আদান-প্ৰদানবোৰো ৰহস্যময় আৰু জটিল হৈ উঠে,—কথাটো কল্যাণীক কেন্দ্ৰ কৰিয়েই ভেভিয়াৰপৰাই ভাবিছিলোঁ।

দুৰ্ঘটনাটো ৰচাবলৈ হঠাৎ গৰুবাটৰপৰা কালৰি কাটি যাওঁতে ছাইকেলৰ আগচকাটো কাৰৰ ভেৰেণ্ডালতা, ঢেকীয়াৰ জোপত সোমাল। নপৰাকৈ কোনোমতে নামিলোঁ। ছাইকেলখন পিছলৈ টানোতে কাণত খহৰখহৰকৈ পাৰিল : "চকু মুদি ছাইকেল চলোৱা নে কি হে ?"

ছুটা ল'ৰা, যোস আৰু বাৰ বছৰমান বয়সীয়া হ'ব লাগে।

"মইতো ঠিকেই আছিছো, তোমালোক ঠাইতে গৰুৰ আঁৰৰপৰা আগতে ওলালাহি—কি কৰিম ?"

"কি কৰিম ! একো কৰিব নোৱাৰা যদি ছাইকেলৱালা হৈছা কিয় ?" সিহঁত দুয়োটাই খোজ ললে। যাওঁতে সৰু ল'ৰাটোৱে কৈ গ'ল, "ইস্, বৰ একেবাৰে নেদেখা মানুহক ছাইকেল চলাই দেখুৱাবলৈ আহিছে।"

মই অপ্ৰস্তুতমান হাঁহিলোঁ। মোনাটো ঠিক্‌ঠাককৈ ওলোমাই আকৌ ছাইকেলত উঠিলোঁ। গৰুবাটটোৱে সঁচাকৈয়ে কল্যাণীৰ চিন্তাৰ সূত্ৰ ছিঙি মোৰ ভেৰাশক্তি অনুশীলনী কৰিবলৈ বাধ্য কৰালে।

মূৰৰ ওপৰত ইফালৰপৰা সিফাললৈ হালি থকা বাঁহবোৰ, সন্মুখত

কেতিয়াবাই দিয়া বৰ ৰবযুণ এজাকৰ পাছত অহা-যোৱা গৰুগাড়ীৰ চকা, গৰু-মহ, মানুহৰ খোজৰ অবিকৃত সাক্ষী বা মোৰ দুৰ্বল ছাইকেলখনৰ যম। মিঠাই টোপোলাটোৰ কাগজখন ফাটি যোৱা সম্বন্ধে এইবাৰ আৰু একো সন্দেহ নাথাকিল'। তথাপি মোৰ কৰিবলগীয়া একো নাই বুলিয়েই ভাবিলোঁ। অৱশ্যে প্ৰয়োজন হ'লে মিতিৰৰ ঘৰক যাত্ৰাৰ বিৱৰণিৰে মিঠাই-কল-কাপোৰ একাকাৰ হৈ যোৱাৰ কৈফিয়ৎ দিয়াৰ চেষ্টা কৰিব লাগিব বুলি ঠিক কৰিলোঁ। অলপ লাজৰ কথা হ'ব ; কিন্তু বুজাই দিলে বুজা উচিত। অন্ততঃ মোৰ ভৱিষ্যত মিতিৰৰপৰা মই তেনেকুৱা এটা আশা কৰিব পাৰোঁ।

অৱশ্যে আশা কৰি বহুত ক্ষেত্ৰত ফল লাভৰপৰা বিৰত থাকিবলগীয়া হয়। কল্যাণীয়েও কিজানি তাকে প্ৰমাণ কৰাৰ চেষ্টা কৰিছিল। গোল মুখ, বগা ৰং, উজ্জ্বল আৰু তীক্ষ্ন চাৱনি, অনবৰত চুলিবোৰ লিবিকি-বিদাৰি থকা মিহি মিহি আঙুলিবোৰেৰে প্ৰায় ধুনীয়াই বুলিব পৰা কল্যাণীৰপৰা পাছত মই বহুত আশা কৰিছিলোঁ। অৱশ্যে মই আশা কৰিছিলোঁ নিজে, আৰু নিৰাশো হ'লোঁ অকলে অকলে। যদি মোৰ বিশ্লেষণ ঠিক হয়, তেনেহ'লে কল্যাণীৰ চকুত মৰম আছিল, কথাত সহানুভূতি আছিল আৰু অন্তৰত ভালপোৱা নিশ্চয় আছিল। কিন্তু সেইবোৰ মোৰ কাৰণে আছিল বুলি প্ৰথমতে যিদৰে ভাবিবৰ সম্বল পাইছিলোঁ, পাছলৈ সেইদৰেই সন্দেহত ডুবি গৈছিলোঁ।

কল্যাণীয়ে যোৱা তিনি বছৰে মোৰ লগত কেৱল মৌখিক পৰিচয়ৰ যোগাযোগটোকেই ৰক্ষা কৰি আহিছিল যেন লাগে ; কিন্তু নিজৰ সন্তুষ্টিৰ কাৰণে তাৰ ভিতৰতে মই হৃদ্যতা বিচাৰি লৈছিলোঁ। ডেকা-গাভৰুৰ বন্ধুত্ব ঘটিলে, হয় সি বাঢ়ি গৈ প্ৰণয়ত পৰিণত হয়, নহয় কমি আহি সাধাৰণ চা-চিনাকিৰ পৰ্য্যায়ত পৰে—কথাষাৰ বিশ্বাস কৰিবলৈ মন যায়, কিন্তু কৰিলে মোৰ লোকচান হয়।

এবাৰ চিৰন্তাদাদাৰ পৰিয়ালৰ লগত ফুৰিবলৈ গ'লোঁ, কেইবা

দিনৰ কাৰণে। নতুন ঠাইত কল্যাণীয়ে মোৰ লগ লৈছিল। মোৰ লগতে হাঁহি-ধেমালি কৰি, নানা ঠাই ফুৰি তাই উপভোগ কৰিছিল। তাইৰ সৰলতাই উক দিয়া দিনকেইটা মোৰো ভালেই কাটিছিল। মই নিজকে প্ৰকাশ কৰাৰ সুবিধাৰ কথা আগতে মাজে মাজে নভবাকৈ নাছিলোঁ, কিন্তু নতুন ঠাইত তাইক সদায় কাষতে পাই সেই সুবিধা কমিত লগোৱাৰ কথা এদিনো মনলৈকে নাহিল। এতিয়া এটা সাধাৰণ ব্যাখ্যাৰ আশ্ৰয় লৈ আৰম্ভ হওঁ আৰু হাঁহোঁ; নতুন ঠাইত অলপ মুকলিমূৰীয়া মনটোৰে তাই সেই কেইদিন মোৰ আশ্ৰয় লোৱাৰ বাহিৰে গত্যন্তৰ নাছিল, মানুহো আন কোনো নাছিল। মোক নিৰীহ পাই তাই মোক অলপ খটুৱাই ললে। বুধিয়ক ছোৱালী, সন্দেহ নাই।

এইদৰে এবাৰ ভাবি চালে কিন্তু মোৰ সকলো আশাৰ বাট বন্ধ হয়। কল্যাণীক বৰ ভাল লাগে; তাইৰ বিষয়ে ইমান খৰাং চিন্তাও অসহ্য লাগে।

পাছলৈ মাৰ কাৰণে এটা নতুন চিন্তাৰ বাট মুকলি কৰি লব লগাত পৰিলোঁ। মাৰ কাৰণেই দিনৰ পাহাৰ খেদা বন্ধ কৰাৰ কথা ভাবিলোঁ। চুবুৰিৰ বিভিন্ন তৰপৰ মানুহে বিভিন্ন ভাবাৱে মোক যিবিলাক কথা কয়, তাৰ অৰ্থ শেষত গৈ একেই হয়গৈ;—মাৰ সুখৰ কাৰণে সোনকালে মোৰ বিয়া পাতিব লাগে।

মোৰ সমবয়সী ইন্দিৰ মাকে এদিন মোক চোলা এটা ধুই থকা দেখি কলৰ পাৰত ক'লে, "বোপাঁ আৰু কিমান দিন এনেকৈ কাপোৰ ধুই কটাবা?"

"হওক দিয়াচোন, ভালে ভালেই গৈছে দেখোন দিনবোৰ।"

"যাবতো—!" ইন্দিৰ মাকে মুখ টিপি হাঁহিলে। তেওঁৰ ইংগিতবোৰ মাজে মাজে অৰুচিকৰ হ'লেও বেছিভাগ সময়ত যথেষ্ট আমোদজনক। মই হাঁহিলোঁ আৰু ক'লোঁ, "তোমাৰ স্বভাৱৰ একো সলনি নহ'ল দিয়া।"

"বাক আমাৰ কথা বাদ দিয়া, তুমি নিজে কিবা এটা কৰা যদি কৰা, নহ'লে আমাক কোৱা, আমি বলে পাৰিম।"

"বাঃ, নোৱাৰিবা কিয়? ইচ্ছা কৰিলে তুমি এখন ঘটকালিৰ দোকান খুলিব পাৰা।" মই হাঁহি হাঁহি ক'লোঁ।

ইন্দিৰ মাক উচাট মাৰি গ'লগৈ।

শান্তিৰ বাপেক বুঢ়ায়ো এদিন ধীৰে সুস্থিৰে, মোক বহুৱাই লৈ ক'লে, "বোপা, দেউতাৰে সেয়া যি কৰিলে কৰিলে। যোৱা কথা গ'ল, সেইবোৰ ভাবি এতিয়া আক কি হ'ব? কিন্তু মাৰজনীলৈ তই চকু দিবি। তোৰ কাৰণে বৰ কষ্ট কৰিলে দে। তোকনো আৰু কি দোহাৰিব লাগিছে, তইতো সকলো জান। তোৰ বিয়াখন হ'লেও তেওঁ বুঢ়ীজনীয়ে তইঁতক চাই দিনকেইটা খেদাব পাৰিব।"

"হয় ককা, পিচে টকা-পইচা হাতত আৰু অলপ গোটাব পাৰিলেহে সাহ কৰিব পাৰোঁ।"

"এৰা, এৰা, বোপাই—চাই-চিন্তি কিবা এটা কৰ, তইঁত জনাবুজা হৈছ।"

দেউতাতকৈ বয়সত বহুত ডাঙৰ শান্তিৰ বাপেক। চকুৰে নমনে, মাত শুনি বুজে—কোন। বহুদিন সংসাৰখন চাই লৈ এতিয়া শেষ দিনটোলৈ বাট চাই বহি থাকে। সংসাৰৰ মায়া কিজানি এৰিব পৰা নাই—সেই কাৰণে প্ৰতিষাৰ কথাতেই বিদায় লব খোজা ভাৰাক্ৰান্ত সুৰ এটা শুনা যায়।

এদিন পাগঘৰৰ দুৱাৰডলিত থিয় হৈ জেঠাইদেৱে ক'লে, "পবন, মাৰক আৰু পাগঘৰটো এৰিবলৈ নিদিয় নেকি?"

"মাজে মাজে দেখোন তইঁতে সহায় কৰিলেই হয় জেঠাইদেউ।" —মই ক'লোঁ।

মুঠৰ ওপৰত সকলোৱে কয়। যোৱা বছৰ বিয়া কৰোৱা লগৰ কেৰাণী উপেনে মাক কইনা দেখুৱাবলৈ আনিছিল। মাজতে সুযোগ পাই সংক্ষেপে সি ক'লে, "এইবাৰ তোৰ পাল।"

শেষত ৰিদিনা মাই নিজে ক'লে, মই মাকে পৰামৰ্শ খুজিলোঁ। কিন্তু কল্যাণীৰ কথা ক'ব নোৱাৰিলোঁ। দুৰাৰমান বুকুখন ধপ্‌ধপকৈ উঠিছিল, কিন্তু একো কোৱা নহ'ল। এতিয়া ভাবোঁ, মা পুৰণা মানুহ, নতুন কথা শুণ্ডনোৱাটো ভালেই হৈছিল ;—আক মাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ দায়িত্বটো পালন কৰাৰ সম্পূৰ্ণ সুবিধা দিলে তেওঁ শান্তি পাব, সুখী হ'ব।

মাৰ পৰামৰ্শ মতেই আজি টালিয়ে-টোপোলাই দক্ষিণপাটত ছোৱালী ঘৰ চাবলৈ আহিছোঁ, কিন্তু কল্যাণীক এবাৰ কথাটো কাণচোৱাৰ পৰা হ'লে ভাল আছিল।

গৰুবাটটো গৈ এটা বহল ৰাস্তাত শেষ হ'লগৈ। মানুহজনে কোৱা পকী ৰাস্তাৰ নামত অ'ত-ত'ত দুটা-এটা শিলগুটিয়ে মূৰ উলিয়াই আছে। ঠিক সময়তে মানুহ এজনো পালোঁ। তেওঁৰ নিৰ্দেশত দক্ষিণপাটৰ বাটত ছাইকেল চলাই দিলোঁ। কিছুদূৰ গৈ নামিবলগীয়াত পৰিলোঁ। গোটেই ৰাস্তা জুৰি এজাক গৰু আহিছে।

ছাইকেলখনেৰে সৈতে একাষৰীয়া হৈ য'ত থিয় দিলোঁ, সেইটো এঘৰৰ পদূলি। কাষলৈ আহোঁতে আহোঁতে নঙলাৰ একাষৰ গোবৰৰ শুকান দ'ম এটাৰ ওপৰতে উঠি পৰিলোঁ। গৰুবোৰৰ দুই-এটা দল পাৰ হৈছে, এনেতে পিছফালৰপৰা শক্তিশালী কণ্ঠস্বৰ এলানি কাণত পৰিলহি। উভতি চাই দেখিলোঁ, ঘৰটোৰ দুৱাৰডলিত এজনী বুঢ়ী।

"সেই ৰাতিপুৱাই ঠাইখন সৰাবেপৰা বাঢ়নীটাঁৰ এই মাজবাটতে পৰি আছে, তাৰ ওপৰেদিয়েই দহোৰাৰ মানুহজনী আহিছে-গৈছে ; বা বাঢ়নীটাঁৰ আঁতৰাই একাষৰীয়াকৈ থওঁ,—সেইটো নাই। কোৱাচোন তোমালোকেই, এইবোৰ শাখিনা-কুলক্ষণীয়া স্বভাৱ চকুৰে চাই থাকিব পাৰিনে? তাকে কওঁতেই মহাৰাণী গুকন্দি চুকত সোমালগৈ। থাক্, আমাকো কোনেও জগত বান্দী কৰি দি

পঠিউৱা নাই নহয়। সময় মূৰত আহি ভাত নাপালে যেতিয়া জাবলি কোবোৱা দিব, তেতিয়া আপুনিয়ে গম পাবি।"

কথাবোৰ জেওবাৰ সিপাৰৰ মানুহখবৰ চোতালত থিয় হৈ থকা দুগৰাকীক উদ্দেশ্য কৰি, বিমান দূৰ সম্ভৱ বোৱাৰী শ্ৰেণীৰ কাৰোবাৰ সম্বন্ধে কোৱা। জেওবাৰ সিপালৰ এগৰাকীয়ে অংশ গ্ৰহণ কৰিলে, "ভাত বন্ধা নাই হ'বলা ?"

"ক'ৰ ভাত সোপা, চাই যোৱাহিচোন তোমালোকেই, য'ৰ চক ত'তে পৰি আছে।"

গৰুজাক পাৰ হৈ গ'ল। ছাইকেলত উঠিলোঁ। মোৰ পত্নী হ'লে মাৰ বোৱাৰী ;—এই বিষয়ে মাৰ পৰামৰ্শ মতে কাম কৰি ভাল কৰিছোঁ বুলি নিঃসন্দেহ হ'বৰ চেষ্টা কৰিলোঁ।

হস্পিটালৰ ছাইন ব'ৰ্ডখন দেখি জানিলোঁ—মই ববজহা গাঁৱৰ মাজেৰে গৈ আছোঁ। এবাৰ অনুমান কৰিলোঁ, মোৰ পিয়াহ লাগিছে। কিছু দূৰ গৈ এটা পদূলিত নামিলোঁ। গৰু এটা খেদি খেদি এজনী কম বয়সীয়া মানুহ জপনামুখ পাইছিলহি। গৰুটো মোৰ কাষেদিয়েই ওলাই গ'ল। মানুহজনীয়ে মোক দেখি হাতৰ কাঠখৰিডাল পেলাই দি মূৰত লবালবিকৈ কাপোৰখন তুলি সোমাই যাবলৈ বুলি উভতিল।

মই ক'লোঁ, "মোক এগিলাচ পানী দিবনে ?"

মানুহজনী অলপ থমকি ৰ'ল। উভতি নোচোৱাকৈয়ে "সোমাই আহক" বুলি কৈ নিজে ভিতৰ সোমাই গ'ল। মই জেওবাতে ছাইকেলখন আউজাই থৈ মাজ চোতালত থিয় দি ৰলোঁ। অলপ পাছতে পিতলৰ ঘটী এটা হাতত লৈ মানুহজনী ওলাই আহিল। একো নোকোৱাকৈয়ে তেওঁ ঘটীটো ওচৰৰ মাটিতে থৈ অলপ আঁতৰি থিয় দি ৰ'ল।

মই ঘটীটো তুলি লৈ সুধিলোঁ, "দক্ষিণপাটলৈ আৰু কিমান দূৰ আছে ?"

মানুহজনীয়ে ওবণিখন আৰু অলপ টানি লৈ ক'লে, "এই ক'ব নোৱাৰোঁ ; ঘৰত মতা মানুহ কোনো নাই।" মই পুনাকৈ পানী খাব নোৱাৰিলোঁ। ঘটীটো আকৌ মাটিতে থৈ নবালবিকৈ বাটলৈ ওলাই ছাইকেলত উঠিলোঁ। মানুহজনীৰ কথাৰ সুৰটো কাণত আৰু এবাৰ বাজিল। মই কথা দীঘলীয়া কৰাৰ চেষ্টা কৰিছিলোঁনেকি ? এবাৰ সন্দেহ কৰি চালোঁ। হাঁহিও উঠিল।

কিছু সময়ৰ পাছত এবাৰ অনুমান হ'ল, মই নিশ্চয় দক্ষিণপাট গাঁৱত সোমালোঁহি। আহত গছ একোপাৰ তলত বাঁহৰ কামেৰে সজা বেঞ্চ এখনত বহি দুজন লোকে কথা পাতিছিল। তাৰে এজনক সুধিলোঁ, "এয়াই দক্ষিণপাট নহয় জানো ?"

"হয় ?"

"মনেশ্বৰ শৰ্মাৰ ঘৰটো চিনি পায়নে ?"

"পাওঁ পাওঁ, এইফালে গৈ পোনতে যিটো বাট, সোঁফালে সোমাই গৈছে, সেইফালে ঘূৰি মানুহক সুধিলেই দেখুৱাই দিব।"

ইজনে ক'লে, "কেলেই আকৌ সুধিব লাগিছে ! অকণমান গ'লেই—নাৰিকল গছ দুজোপাৰে পদূলিটো, সেয়াই মনেশ্বৰ বাপুৰ ঘৰ।"

"ভাল" বুলি আগুৱালোঁ।

এইবাৰ কিন্তু সঁচাকৈয়ে বুকুখন ধপ্‌ধপাই উঠিল। একেবাৰে অচিনাকী মানুহ এঘৰ, সম্বন্ধটোও কৌতূহলমূলক, তাৰ উপৰি মই নিজে প্ৰাৰ্থী। সংকোচ ভাব আহিল। কিছুমান সম্ভাৱনাৰ কথা ভাবিলোঁ, কিছুমান প্ৰশ্নৰ উত্তৰৰ কথা ভাবিলোঁ, নেদেখা ছোৱালীজনীৰ কথা ভাবিলোঁ। আকৌ এবাৰ কল্যাণীলৈ মনত পৰিল। শেষবাৰলৈ তাইৰ কথাও এবাৰ ভাবিলোঁ।

বাস্তাটোৰেদি ঘূৰিলোঁ। কিছু দূৰ আগুৱাই দুজোপা নাৰিকল গছেৰে এটা পদূলি দেখা পালোঁ। ব্ৰেকৃতাল চেপা মাৰি পেডেলডাল কেইবাৰমান ওভোতা পাকে ঘূৰালোঁ। নিজৰ অৱস্থাটো বুজি হাঁহি

উঠিল। এপাক এপাককৈ পেডেল ঘূৰাই আগবাঢ়িলোঁ। ঝিমান পলম কৰাৰ চেষ্টা কৰিলোঁ নাৰিকল ছুজোপা সিমানে আগুৱাই আহিল। দেখিও নাৰিকল ছুজোপাৰ মাজতে ছাইকেলখন ৰখাব নোৱাৰিলোঁ। অকণমান আগবাঢ়ি গৈ নামিলোঁ। উভতি আহি ছাইকেলখন নাৰিকল গছত আঁউজাই থৈ ঘৰটোলৈ চাই পঠিয়ালোঁ। আগফালে বাৰান্দা নথকা খেৰৰ ঘৰ এটা। বেৰবিলাক মিহিকৈ মাটিৰে লেপা। অ'ত-ত'ত এচমকা-ছচমকা চূণ লাগি আছে; ওচৰ-চুবুৰীয়াৰ চূণ দিয়া বেৰৰ ঘৰ দেখি ল'ৰা-ছোৱালীয়ে চখত লগোৱা যেন লাগিল। ওখ ভেটিটোত ৰাতিপুৱা নিমজকৈ মচাৰ চিন আছে।

নঙলা কেইডাল খুলি ছাইকেলখন ঠেলি ঠেলি চোতালখনৰ একাষেদি সোমাই গ'লোঁ। মাজ চোতালত ধহলাই ধান মেলি দিয়া আছে। মাজতে খুটি এটা পোতা, আৰু তাৰ মূৰত কাউৰীৰ ডেউকা এখন ওলোমাই থোৱা আছে। ছাইকেলখন এইবাৰ পিৰালিত থলোঁ। সাৱধানে লোৱা সত্বেও পেডেলৰ খোঁচ খাই পিৰালিৰ মাটি অকণমান এৰাই পৰিল। মূৰ তুলি চাই দেখিলোঁ তেৰ-চৈধ্য বছৰীয়া ল'ৰা এটাই মোৰ মুখলৈ চাই আছে। চকুৰে চকুৰে পৰোঁতে ময়েই প্ৰথমতে সুধিলোঁ, "দেউতাৰা আছে বাপু?"

"নাই।"

"ক'লৈ গ'ল?" লৰালৰিকৈ সুধিলোঁ।

"নামঘৰলৈ।"

"কেতিয়া আহিব?"

"মেল ভাগিলে আহিব।"

"কিমান সময় হ'ব?"

"ক'ব নোৱাৰোঁ, কিয়?"

অলপ সময় ভাবিলোঁ, তাৰ পাছত ক'লোঁ, "মই লগ পাব লাগিছিল। নামঘৰ কিমান দূৰত?"

ল'ৰাটোৱে অৱস্থাটো বুজাৰ কাৰণে ৰব ভাল পালোঁ। সি

ক'লে, "বাক আপুনি ভিতৰত বহক, মই পিতাইক মাতি আনোগৈ। আহক।" ভিতৰ সোমাই গ'লোঁ। প্ৰায় চাক-চিকুণ কোঠালীটো। এটা চুকৰ খুটাত এটা পহুৰ শিং আৰু তাতে এখন বঙা-নীলা কাগজ লগোৱা বাঁহৰ ধনু আৰু এডাল মণিছালৰ গুটিৰ মালা ওলোমাই থোৱা আছে। হ'ব খোজা মিতিৰৰ ঘৰৰ ভাওনা আৰু ধৰ্ম ছুৱোতে মতি আছে যেন লাগিল। বাতিপুৱা মচা মজিয়াখনত ভবিৰ দাগবোৰ শুকাই গৈছে।

মই যেতিয়া কোঠালীটোৰ একমাত্ৰ চকীখনত বহি পৰিলোঁ, তেতিয়া মোক চাৰিওফালে চাৰিটি প্ৰাণীয়ে আগুৰি ধৰিছে। তিনিটা ল'ৰা, এজনী ছোৱালী। ক্ৰমান্বয়ে প্ৰায় আঠ, ছয় আৰু চাৰি বছৰীয়া ল'ৰাকেইটা আৰু ছোৱালীজনী নিচেই সৰু, খোজ কাঢ়িব পাৰে, হয়তো মাতো ফুটিছে। শেষৰ ছুটি দিগম্বৰ। দ্বিতীয়টিয়ে বোধহয় ডাঙৰ ককায়েকৰ আঠুৰ তললৈকে পৰা চোলা এটা পিন্ধি ছুসাজ কাপোৰৰ প্ৰয়োজন পূৰাইছিল। সিয়েই মোক প্ৰথমে সুধিলে, "আই, তই ক'ৰপৰা আহিছ ?"

মই হাঁহি হাঁহি ক'লোঁ, "বহুত দূৰৰপৰা আহিছোঁ।"

চাৰি বছৰীয়াটোৰ কিন্তু প্ৰত্যয় নহ'ল, সি ক'লে, "ই-হু, বহুত দূৰৰপৰা আহিছে! সৌ তা-পৰা অহা নাই?"

আঠ বছৰীয়া ল'ৰাটোক সুধিলোঁ, "তোমাৰ নাম কি বাপু?"

সি ক'লে, "মনোহৰ।"

তাৰ লগতে কথা চলিব বুলি ভাবিলোঁ। সুধিলোঁ, "মাৰা ঘৰত আছে?"

"নাই, ঘাটলৈ গৈছে।"

"ঘৰতনো কোন আছে?"

"বাইটি আছে।"

ইতিমধ্যে ছুৱাৰখনেদি চাই পঠিয়াই ভিতৰ চোতালত যাক চকামকাকৈ দেখিছিলোঁ, তেওঁকেই বাইটিয়েক বুলি ঠাৱৰ কৰিলোঁ।

মই অলপ ভাবিলোঁ। মাই আহিবৰ সময়ত শিকাই দিয়া কথা-খিনি মনত পেলালোঁ। বৰ সংকোচ লাগিল। লাজো লাগিল।

ইতিমধ্যে মোৰ পিছফালে মনে মনে থিয় দিয়া ছবছবীয়াটোৱে চোলাটোত ধৰি টান এটা মাৰিলে। তাৰ ৰসিকতা গ্ৰহণ কৰিব পৰা অৱস্থাত মই নাছিলোঁ। অৱশ্যে মনোহৰে তাক ডাবি এটা মাৰি ক'লে, "এই গৰু নাপায় ; ৰবি, পিতাই আহিলে কৈ দিম।"

মই উঠি গৈ ছাইকেলৰপৰা মোনাটো সোলোকালোঁ। ব্লাউজৰ কাপোৰটো উলিয়াই মোৰ চোলাৰ জেপত ভৰালোঁ। মনোহৰৰ হাতত মোনাটো দি ক'লোঁ, "এইটো ভিতৰত দিয়াগৈ যোৱা।"

"বাইটিয়েৰাৰ হাতত" বুলি ক'ব খুজিছিলোঁ, মুখৰপৰা নোলাল। মনোহৰৰ পিছে পিছে দুই প্ৰাণী দৌৰি গ'ল। ছোৱালীজনীৰ ঘটনাটো ঠিকমতে বুজাত পলম হ'ল ; শেষত নিজকে অকলশৰীয়া দেখি এবাৰ মোলৈ চাই থপ্‌থপকৈ ভৰি পেলাই তাই লৰ মাৰিলে। মই ৰুমালখন উলিয়াই লৈ এবাৰ মুখখন মচিলোঁ। বাপেক-মাকৰ অনুপস্থিতিত ঘটনাটো সহজভাৱে আৰম্ভ হৈ যোৱাত ভাল লাগিল।

চকামকাকৈ দেখা ছোৱালীজনীৰ ৰূপটো ভাবিলোঁ। গাৰ বৰণটো বগা যেনেই পালোঁ। লাহে লাহে খোজ কাঢ়ি গৈছিল। ওখও কল্যাণীৰ সমানেই হ'ব বোধহয়। ভিতৰৰপৰা অলপ গণ্ডগোলৰ শব্দ এটা আহিল। কোনোবাই "ধ, ধ" কৰিছে, কোনোবাই "দে, দে" কৰিছে, মাজতে এটাই "মই চাওঁ, মই চাওঁ"কৈ চিঞৰি উঠিছে। ইহঁত সকলোকে দিয়া, নিয়া, চোৱাত কোনে শাসন কৰিছে—অনুমান কৰিলোঁ।

বেছি সময় অকলশৰীয়া হৈ থাকিবলগীয়া নহ'ল। ছবছবীয়া আৰু চাৰিবছৰীয়া আকৌ ওলাই আহিল। সিহঁতৰ দুয়োটাৰে হাতত এটাকৈ বাকলি গুচোৱা কল, ইতিমধ্যে একামোৰকৈ মৰা হৈ গৈছে। আনটো হাতত বাকলি সুগুচোৱা ;—বুজিলোঁ, সম্ভৱতে দুটাকৈ ভাগত পৰিছে। ছবছৰীয়া মোৰ কাষ চাপি আহিল। চোলাটো

ওভোতাই নাকৰ শেঙুনখিনি মচি লৈ সি এটা আঁঠু মই বহি থকা চকীখনৰ একাষত উঠাই ললে। তাৰ পাছত মোৰ ওপৰ জেপটোত তাৰ বাঁওহাতৰ কলটো লগাই দি সুধিলে, "আই—এইভাল কাপ্টেন ?"

মই ক'লোঁ, "ওঁ।"

সি বাঁওহাতখন আগবঢ়াই দি ক'লে, "ঘড়ী এটা তয়ো আঁক দেনা।"

তাৰ হাতখন ধৰি মই ভাবিলোঁ—এনেকৈ কাউণ্টেন পেনেৰে হাতত ঘড়ী আঁকি লোৱা ব্যৱস্থাটোৰ কথা ই জানিলে কেনেকৈ ? অৱশ্যে আচৰিত বা নতুন কথা একোৱেই নহয়, তথাপি মনলৈ আহিল—ইয়াৰ আগতে কোনে বা ঘড়ী আঁকি দিছিল। অমূলক চিন্তা বন্ধ কৰিবলৈ তাক সুধিলোঁ, "বাইটিয়েৰে কি কৰিছে অ' ?"

সি ক'লে, "খৰি ব'দত মেলি দিছে।"

"মাতিছে বুলি কগৈ যাচোন।"

"কিয় ?"

"এনেয়ে—যা।"

সি দৌৰ মাৰি সোমাই যাওঁতে "বাইটি বাইটি" কৈ চিঞৰিয়েই গ'ল। মই এঢোক সেপ গিলিলোঁ। মাই কোৱা কথাবোৰ আকৌ মনত পেলালোঁ।

অলপ পাছতে ছবছবীয়া ওলাই আহিল। এইবাৰ তাৰ দ্বিতীয় কলটোৰ ওপৰত আক্ৰমণ চলিল। মই সুধিলোঁ, "ক'লি ?"

সি শলাগিলে। কিছু সময় এনেয়ে গ'ল। জেপৰপৰা ব্লাউজৰ কাপোৰডোখৰ উলিয়াই সৰুকৈ ভাঁজ কৰি দুই হাতেৰে লুকুৱাই ধৰি ৰলোঁ। আকৌ ছবছবীয়াক ক'লোঁ, "বাইটিয়েৰক আকৌ মাতগৈ যা।"

সি সিটো কোঠালীত সোমায়েই, "অই বাইটি" বুলি গগন ফলা চিঞৰ এটা মাৰি লগে লগেই স্তব্ধ হৈ গ'ল। পিছ মুহূৰ্ত্তে সি কোৱা শুনিলোঁ, "তোক মাতিছে নহয় ! অ' তই পলাই আছ ?" অৱস্থাটো

মোৰো অসহ্য লাগিল। কাণ-মূৰ গৰম হোৱা যেন পালোঁ। কিবা ভাবি কাপোৰডোখৰ আকৌ জেপত ভৰাই থলোঁ। অলপ পাছতে, গাটোৰ এফাল লুকুৱাই, এটা ভবি ছুৱাবডলিটোৰ ওপৰত তুলি মনোহৰৰ বাইটিয়েক থিয় হ'লহি। অলপ পৰ বৈ তাই ক'লে, "কিয় মাতিছিল ?"

চকুযোৰ ধুনীয়া, চাৱনিটোত ইচ্ছা কৰিলে যেন অৰ্থ উলিয়াব পাৰি, গাৰ বৰণটো উজ্জল, লাৱণী গঢ়ন। ছোৱালীজনী ধুনীয়া।

"কিয় মাতিছিল ?" তাই চকুলৈ চাই সুধিলে।

"তোমাৰ নাম কি ?" অপ্ৰস্তুত হৈ সোধোঁতে মোৰ থোতামোজাই লাগিল।

"সাদৰী।"

মই যেন তলমূৰকৈ নামটো মনত ৰখাৰ চেষ্টা কৰিলোঁ। দ্বিতীয় প্ৰশ্নটো মনতে আলচ কৰিলোঁ। মুখ তুলি চাওঁতে তাইৰ চকুৱে চকুৱে পৰিল। অৱস্থাটো অনুকূল হোৱা হ'লে লাজত কোঁচ-মোচ খাই পৰা ছোৱালীজনীক চাই আনন্দ পালোঁহেঁতেন, কিন্তু মই নিজৰ সমতাকে ৰক্ষা কৰিব নোৱৰা যেন পালোঁ। কথা নপতাটো বেয়া হোৱা দেখি ঘপৰাই সুধিলোঁ, "তুমি কিমানলৈকে পঢ়িছিলা ?"

এইবাৰ তাই যেন লাজত মুচৰি পৰিল। ময়ো বুজিলোঁ, প্ৰশ্নটো বৰ চিৰাচৰিত হ'ল। তথাপি তাই ক'লে, "ছিক্সলৈকে, মাইনৰ দিয়া নাই।" লগে লগে ভাবিলোঁ,—কিয় নিদিলে সোধোঁ নেকি ? মুসুধিলোঁ। আকৌ ঠৰ লাগি চালোঁ।

ছোৱালীজনীও ধুনীয়া, মাতটোও শুৱলা। অন্ততঃ মোৰ ভাল লগাৰ ফালৰপৰা। মোৰ কথা একেবাৰে ঢুকাই গ'ল। জেপত হাতটো সুমুৱালোঁ। ব্লাউজৰ কাপোৰটুকুৰাত হাত পৰাৰ লগে লগে উৎসাহটো চুটি হোৱা যেন পালোঁ। পলম নকৰিলোঁ। হাতখন আগ বঢ়াই দি ক'লোঁ, "লোৱাচোন।"

"কি ?"

"একো নহয়,—কিবা এটা।"

"কিয় ?"

"এনেয়ে লোৱাচোন।"

"নালাগে, ঘৰত পিতাদেউইঁত কোনো নাই।"

"একো নহয় লোৱা। মই পিতাদেউৰাক কম।"

তাই ভলমূৰকৈ থিয় দি ৰ'ল। হাতখন মেলি বৈ থকাৰ শক্তিও মোৰ নাইকিয়া হৈ গ'ল। বোধহয় কাণ দুখনৰ ভোঁ-ভোঁৱনি উঠিল। অলপ পৰৰ পাছত লাহে লাহে আহি তাই কাপোৰটুকুৰা ললে আৰু উভতি সাউতকৈ ভিতৰ সোমাল। মই নিস্তব্ধ হৈ বহি ৰলোঁ। এজাক যেন ধুমুহা পাৰ হৈ গ'ল।

অলপ সময় অকলে বহি ৰলোঁ। চাৰিবহুৰীয়া, মনোহৰ—কোনো এটাও নাই; এটাইখন বাহিৰলৈ ওলাই গ'ল। মই সাদৰীৰ কথাকে ভাবিলোঁ।

অলপ পাছতে নঙলামুখত এজন মানুহ দেখিলোঁ। খালী গাটো দেখি মানুহজন কৰ্মঠ বুলি অনুমান কৰিলোঁ। মানুহজন সোমাই আহিল। বুজিলোঁ, সাদৰীৰ বাপেক। চকীখনত অলপ পোন হৈ বহিলোঁ। তেখেতে সোমাই আহিয়েই পোনতে সুধিলে, "মোকে বিচাৰিছিলা বোলে বোপা ?"

"হয়।"

"ক'ৰপৰা আহিছা ?"

"টাউনৰপৰা।"

"কি কথা কোৱাচোন, মই দেখোন চিনিব পৰা নাই।"

মই ভলমূৰকৈ থাকিয়েই ক'লোঁ, "আপোনাৰ ঘৰৰ কথা বিপিন ককাইদেৱে মোক কৈছিল। তাতে মাই এপাক মাৰিবলৈ কোৱাত আহিলোঁ।"

সাদৰীৰ বাপেকে মোৰ মুখলৈ চাই ৰ'ল। মোৰ নিৰ্বাচনী

পৰীক্ষা যেন লাগিল। অলপ পাছত তেখেতে ক'লে, "কোন বিপিনৰ কথা ক'লা?"

"টাউনৰ বিপিন,—সম্বন্ধত আপোনাৰ যে ভাগিনীয়েক হয়।"

তেখেতে তলমূৰকৈ ভাবিলে, তাৰ পাছত ক'লে, "মোৰ ভাগীন হয়? কথাটো কি কোৱাচোন।"

মই কৈ গ'লোঁ বিপিন ককাইদেৱে মাক খবৰটো দিয়াৰ কথা, মায়ে মোক পঠিয়াই দিয়াৰ কথা। সাদৰীৰ কথাও উনুকিয়ালোঁ।

"বাক তোমাৰ দেউতাৰাৰ নামটো কোৱাচোন।"

"মহীকান্ত শৰ্মা, তেখেত ঢুকাল।"

এনেতে বাহিৰত ঘৰংকৈ শব্দ এটা হ'ল। বুজিলোঁ, মোৰ ছাইকেলখন পৰিল। উঠি গৈ দুৱাৰমুখৰপৰা চাই দেখিলোঁ, মনোহৰে হেঁপোৰ-তেঁপোৰকৈ ছাইকেলখন তোলাৰ চেষ্টা কৰিছে, বাকী দুটা অলপ দূৰত অপৰাধীৰ দৰে থিয় হৈ আছে। মোৰ পিছে পিছে সাদৰীৰ বাপেকো ওলাই আহিল। তেখেতে গৰ্জন তুলিলে, "এই গৰুহঁত, নথলি নে? বহ আজি। এই বদ্মাচ, ভিতৰলৈ যা, হাফ্‌পেন পিন্ধগৈ।"

মই আকৌ চকীত বহিলোঁহি। তেখেতে সুধিলে, "বাক বোপা, তুমি মোৰ ঘৰটো কেনেকৈ উলিয়ালাহি?"

"আক-তাক সুধি সুধি আহি পালোঁহি।"—প্ৰশ্নটোৰ সাৰ্থকতা সুবুজি তেখেতৰ মুখলৈ চাই ক'লোঁ, "আক বিপিন ককাইদেৱেও কৈছিল, মনেশ্বৰ শৰ্মা বুলিলে যেয়ে সেয়ে ঘৰটো দেখুৱাই দিব বুলি।"

"মনেশ্বৰ শৰ্মা?"

"হয়।"

তেখেত অলপ অস্থিৰ হ'ল, কিন্তু সক মাতেৰে ক'লে, "এহ্, তুমি ভাল ভুলটো কৰিলা দিয়া; কোনেনো তোমাক ঘৰ দেখুৱাই দিলে! হেঃ!"

মোৰ বুকুখন চিৰিংকৈ গ'ল, মুখটো কমৰ্মাই উঠিল, কিন্তু একো ক'ব নোৱাৰিলোঁ। চকু দুটা মেলি ভেৰ্থতৰ মুখলৈ চাই ৰলোঁ।

"মনেশ্বৰ শৰ্মাৰ ঘৰ আগলৈ থাকিল। চৰকাৰী বাস্তাইদি উঠি অলপ গ'লেই সোঁকালে যিটো ৰাস্তা পাবা সেইকালে সোমাই কেইঘৰমান এৰিলেই পদূলিত নাৰিকল গছ দুজোপাৰে মনেশ্বৰ শৰ্মাৰ ঘৰ। ভাল ভুলটো হ'ল দিয়া।"

পিছৰ কথাখিনি কাণত উত্তলা তেজ সোমোৱাদি সোমাল। মোৰ মুখটো ঘুৰাই গ'ল। এক মুহূৰ্তও পলম কৰিব নোৱাৰিলোঁ। "বাক মই উঠোঁৱে, বেয়া নাপাব বুইছেনে"—বুলি দুৱাৰৰ বাহিৰ ওলালোঁ। ভেৰ্থেতৰ একো কথা শুনিবলৈ বাট নাচালোঁ। বাহিৰ ওলাই থোৱা ঠাইত ছাইকেলখন নেদেখিও অলপো নৰলোঁ। নাৰিকল দুজোপা একে উশাহে পাৰ হৈ বাস্তাত খিয় দিলোঁ। দেখিলোঁ, অলপ দূৰত চাৰি, ছয় আৰু আঠবছৰীয়া, তিনিওটাই একেলগে ছাইকেলখন ধৰি ঠেলি লৈ ফুৰাইছে, অথচ এটাও উঠা নাই। মই ওচৰ পালোঁগৈ।

ছবছৰীয়াই ক'লে, "আই, মোক অকণ চলাচোন।"

লগে লগে চাৰিবছৰীয়াই "ময়ো ময়ো" কৈ প্ৰায় কান্দিয়েই পেলালে। মই তেতিয়া নিজৰ জগতত। ছাইকেলখনৰ হেণ্ডেলবাৰত যেতিয়া ধৰিলোঁ, তেতিয়া পেডেলত দুয়োটা ভৰি তুলি চাৰিবছৰীয়া আৰু পিছৰ মাডগাৰ্ডত দুয়োটা ভৰি দুফালে দি ছবছৰীয়া ছাইকেলত উঠি পৰিছে। কিছু দূৰ সিহঁতবে সৈতে ছাইকেলখন ঠেলিলোঁ। এনেতে পিছফালৰপৰা দৌৰি আহি সেই প্ৰথমে লগ পোৱা ডাঙৰ ল'ৰাটোৱে মোক খালী মোনাটো দিলেহি। নিৰ্বিকাৰ হৈ মোনাটো ললোঁ। সি এটাইকেইটাকে ছাইকেলৰপৰা নমাই লৈ গ'ল।

একে জঁাপে ছাইকেলত উঠি মই শৰীৰ আৰু ছাইকেলৰ দয়ামায়া এৰি চলাই দিলোঁ। মোৰ পিছে পিছে খিল্‌খিল্‌কৈ হাঁহি হাঁহি সাদৰীয়ে খেদি অহা যেন পালোঁ। সক ল'ৰা-ছোৱালীকেইটাই খাই দলিউৱা কল বাকলিবোৰ পিঠিত পৰিছেহি যেন লাগিল।

প্ৰথম তিনিআলিটোত সক ল'ৰাটোৱে দেখুৱাই দিয়া ৰাস্তাটোৱেই যে আচল ৰাস্তা আছিল, বুজি পালোঁ। সক ল'ৰা-ছোৱালীৰ গাত গোসাঁই থাকে।

কোন বাটেদি আহি ঘৰ পালোঁহি, মই ধৰিবই নোৱাৰিলোঁ। একেবাৰে পিছফালৰ চোতালত গৈ ছাইকেলৰপৰা নামিলোঁ।

কিন্তু নমাৰ আগতেই মই স্তব্ধ হৈ গ'লোঁ।

—কল্যাণী—

পাগঘৰৰ দুৱাৰডলিটোৰ ওচৰৰ বেৰত আঁউজি কল্যাণী থিয় হৈ আছে। স্থিৰ উজ্জ্বল চাৱনি, সুন্দৰ দেহ, শান্ত হাঁহি। বহুত দিনৰ পুৰণি কল্যাণী,—ছবছৰৰ আগৰ। খুটাটোত ছাইকেলখন আঁউজাই থৈ সুধিলোঁ, "কল্যাণী তুমি দেখোন,—কেতিয়া আহিলা ?"

বহুত পৰৰপৰা উত্তৰ দিম দিমকৈ থকাৰ দৰে তাই একে লানিয়ে কৈ গ'ল, "অথনি—ৰাতিপুৱাই আহিলোঁ : কেতিয়াবাৰপৰা যাওঁ-যাওঁকৈ আছোঁ, আইতাই যাবলৈ নিদিয়ে, কৈছে ভাত খাই যাব লাগিব ; মই হ'লে ভাত-চাত নাখাওঁ।"

চোতালৰ বহীডালত মেলি থোৱা আধা তিতা গামোচাখনেৰে কপাল আৰু ডিঙিৰ ঘামবোৰ মচি পেলালোঁ।

ৰত্নদাহ

ঠিক অফিছ-ঘৰ পোৱাৰ আগতেই সোঁ-ভৰিখনত সি ভালকৈয়ে উজুটিটো খালে। কোনোমতে নপৰাকৈ বৈ সি উভতি চালে, কিহতনো উজুটি খালে। এচপৰা ইটা আধা পোত খাই আছে। তাৰ কথা কোনেনো কি কয় জানো—তাকে ভাবি সি নাক কোঁচাই এটা অস্ফুট বিৰক্তি প্ৰকাশ কৰিলে। ভৰিত সি দুখ বিশেষ নাপালে। যোৱা মাহত উজুটিটো খোৱা হ'লে সি চালেহেঁতেন জোতাপাতৰ আগটো থেতেলা খাই মুখমেলা হৈ গ'ল নেকি ; কিন্তু আজি সি ভৰিখনৰ আগটো তুলি, মূৰটো অলপ চপৰাই চালে, নতুন জোতাপাতৰ 'শ্বেপ'টো নষ্ট হ'ল নেকি ? নতুন বস্তু, এতিয়াৰপৰাই আদৰ কৰি নাবালে বেছি দিন টিকোৱা টান। বেছি দিন নিটিকিলে সতকাই এযোৰ লোৱা আক টান। সি ছাতিটো জপালে। উভতি আহি ছাতিৰ আগেৰে আধা ওলাই থকা ইটাটোত খুন্দা কেইটামান মাৰি চালে। এনেকৈয়ে আৰু বা কোনে কত উজুটি খায়! ইটাটো লৰাৰ লক্ষণ দেখা নগ'ল। বেছি কষ্ট কৰি তাক উঘালি উলিয়াবলৈও মন নগ'ল। ছাতিটোৰ কাপোৰখনৰ পাক কেইটামান দি কিটাভালেৰে বান্ধটো দি দি সি অফিছ-ঘৰৰ ফালে আগবাঢ়িল।

আজি যে অফিছলৈ ওলাই অহাৰ যাত্ৰাটো বৰ অমংগলীয়া হ'ল, উজুটিটোৱে তাক সেই কথাকে আকৌ মনত পেলাই দিলে।

জপনামুখৰ ওচৰতে থকা কচুগছৰ জোপটোৰ ওপৰত তামোলৰ পিকখিনি পেলাই সি হাতিটো মেলি লৈছে, এনেতে শুনিলে—"অফিছলৈ যায় মোমাইদেউ?"—বাঁওকালে মুখ ঘুৰাই সি দেখিলে—হেমপ্ৰভা।

"এৰা অ', আহিলোঁ দে, ক'লৈ গৈছিলি?"

"সৌ অনিতাইঁতৰ চোতালত তাঁত-বাতি কৰিছোঁ নহয়, কাঢ়ি হ'ল; ঘৰৰপৰা বাঁচখন নিবলৈ আহিছোঁ।" হেমপ্ৰভাই ক'লে।

"বাৰু তই আহি থাক, মই আগবাঢ়োঁ।"

"ভাল।"

ঘৰ নোপোৱালৈকে হেমপ্ৰভা তাৰ লগে লগে আহি থাকিলহেঁতেন, কিন্তু তাইৰ লগ এৰিবলৈকে সি বেগাই খোজ পেলালে। ভাল মুখেৰেই তাইক কথাকেইষাৰ ক'লে যদিও, তাৰ পেটে পেটে অলপ খং উঠিল। হেমপ্ৰভাক লাম্‌ডিঙৰ বেলৰ কাৰখানাত কাম কৰা মানুহ এটালৈ বিয়া দিয়া আজি নবছৰমান হ'ল। গিৰীয়েকৰ লগতে কেইবা বছৰো থাকিল। কিছুদিন হ'ল, মাক-বাপেকৰ ঘৰত আছেহি। প্ৰথম কিছুদিন চুবুৰিটোত বিয়া দিয়া ছোৱালী মাক-বাপেকৰ ঘৰলৈ আহিলে যেনেকৈ থাকিব লাগে, তেনেকৈয়ে আছিল। ওৰণি-বাৰণি লৈ ইঘৰ-সিঘৰলৈ অহা-যোৱা কৰিছিল, শৰতহঁতক লগ পালে পাতল হাঁহিৰে দুই-এটা কথা পাতিছিল, 'কেতিয়ালৈ যাবি' বুলি সুধিলে 'কেইদিনমান থাকিম' বুলি কৈছিল। কিন্তু তাই মাক-বাপেকৰ ঘৰত থকা বহুত দিন হ'ল আৰু লাহে লাহে তাইৰ বোৱাৰী-বোৱাৰী ভাবটোও গ'ল। আজিকালি তাইক কপাহী মেখেলা-চাদৰ পিন্ধি, কুটুবা-কুটুৰ চুলিসোপা নচকাকৈ, বহল কপালখনত সেন্দুৰৰ ফোঁটটোৰ যতন নোলোৱাকৈ ইঘৰ-সিঘৰ কৰি ফুৰা দেখিলে জীয়ৰী যেনো নালাগে, বোৱাৰী যেনো নালাগে, বাঁৰী যেনো নালাগে। ওলায়েই তাইক দেখি শৰতৰ অলপ খং উঠিল। মোমাইদেউ চেলাৰলৈ আৰু যেন সময়েই নাপালে! বিয়া দিয়া

ন-বছৰ হ'ল, আজিলৈকে তাইৰ ল'ৰা-ছোৱালীও একো নাই।

কিছুদূৰ গৈ শৰতে সিকালৰপৰা আহি থকা ডাক-পিয়নটোক দেখি সুধিলে, "কিবা আছে নেকি হে ?"

"নাই দিয়ক।"

নথকাৰেই কথা, শৰতে ভাবিলে। সি আগবাঢ়িব খুজিছিল ; পিয়নটোৰে ক'লে, "হেৰি শুনকচোন, গজেন্দ্ৰ মেধি বোলা কোনোবা এইখিনিত থাকে নেকি ?"

"গজেন্দ্ৰ মেধি ? ক'তা ? এইখিনিত কোনো মেধি নাই, তুমি অলপ আগলৈ গৈ খবৰ কৰা !" বিৰক্তিখিনি সি চেষ্টা কৰি লুকুৱাই উত্তৰটো দিলে। সি আকৌ আগবাঢ়িল। প্ৰতিদিনৰ অভ্যাস মতে মুৰটো চপৰাই সি বক্কিকুল মাষ্টৰৰ ঘৰৰ আগফালৰ কোঠালীটোৰ খোলা দুৱাৰখনেদি ঘড়ীটো চাব, এনেতে তাৰ কাণত পৰিল— "দেউতা।"

সি থমকি ৰ'ল। উভতি চাই দেখিলে গাত পানী চলা অৱস্থাৰেই ঘৰত কাম কৰা ল'ৰা মদন দৌৰি আহিছে। শৰতৰ ওচৰ পাই সি ক'লে, "আইদেৱে আপোনাক মাতিছে।"

"কিয় ?" শৰতে টান মাতেৰে সুধিলে।

"মই ক'ব নোৱাৰোঁ।" সি কথা কওঁতে ফোপনিটো বন্ধ কৰি ৰাখিছিল। শৰত গোঁ গোঁৱাই উভতি আহিল।

সমুখৰ কোঠালীটোতে সুমিত্ৰা থিয় হৈ আছিল। শৰতে খোলা ছাতিটো বাৰান্দাতে পেলাই ভিতৰ সোমাই খঙেৰে সুধিলে, "এই গৰুটোৰে কিয় পিছফালৰপৰা চিঞৰিছে ? কুলক্ষণীয়াবোৰ ক'ৰবাৰ !"

"নাই, মই মাতিবলৈ কৈছোঁ কাৰণেহে সি মাতিছে।"

"কৈছা, কৈছা ; শিকাই দিব নোৱাৰা—কেনেকৈ মাতিব লাগে ? একালে ওলাই গ'লে পিছফালৰপৰা এটা নহয় এটা কলি লাগিবই।"

মাটিলৈ চাই গোজোবাটো মাৰি সি চকী এখনত বহি পৰিল। সুমিত্ৰাই তাইৰ স্বভাৱসুলভ কোমল মাতেৰে ক'লে, "ইস্, আপুনি এইবোৰ কথাতে বৰ লাগে দিয়ক। সক ল'ৰা, সিনো কিটো বুজে? আৰু মোৰো লৰালৰি হ'ল, পঠিয়াই দিলোঁ। এৰক এতিয়া।"

শৰত মজিয়ালৈ চাই গোমোৰাটো হৈ বহি ৰ'ল। খং কৰাৰ পাছত হঠাতে চেঁচা পৰি 'কিয় মাতিছিলা কোৱা' বুলি ক'বলৈ তাৰ সত নগ'ল। চেঁচা কিন্তু সি পৰিছিল।

সুমিত্ৰায়েই আকৌ ক'লে, "ৰাতিপুৱাৰেপৰা কথাটো ক'ম বুলি থাকোঁতেই যাবৰ সময়ত পাহৰি থাকিলোঁ। কালি গধূলি অহা চিঠিখনো আপোনাক দেখুৱা নাই। আজি মোমাইদেউ আহিব।"

"কোন মোমাইদেউ?" এইবাৰ শৰতে মূৰ তুলিলে।

"কেশৱ মোমাইদেউ। আপুনি দেখাই নাই। আমাৰ বিয়াৰ সময়তো আহিব নোৱাৰিলে। ক'লা ডাঙৰ ট্ৰাংকটো আৰু ৰূপৰ বটাটো তেৱেঁই দিয়া। মোক বৰ মৰম কৰে। স্কুলতো মোমাই-দেৱেই পঢ়াইছিল।"

"ওঁ, মই এতিয়া কি কৰিব লাগে!" শৰতে আকৌ মজিয়ালৈ চকু ঘুৰালে।

"অ' আই! সেইকণ কথাতেনো ইমান খং উঠিব লাগেনে?" সুমিত্ৰাই বুজিলে পিছফালৰপৰা মতাৰ কাৰণে উঠা খং মাৰ যোৱা হ'লে শৰতে অইন ধৰণে কথা ক'লেহেঁতেন।

"আস্, ক'বনো খংটো দেখিছা? কি কৰিব লাগে নোকোৱা কিয়, অফিছ ছুটী লব লাগিব নেকি?"—শৰতে ঠিক পৰামৰ্শ কৰাৰ সুৰতে সুধিলে।

"নাই, নালাগে। মানে মোমাইদেউ বহুত টকা-পইচা থকা মানুহ হ'লেও একেবাৰে হোজা। হাজাৰ হওক গাঁৱতে ঘুৰি-পকি দিন নিয়াইছে তো! বিয়াৰ আগতে মোলৈ চিঠি এখনত লিখিছিল

—তোৰ কপাল ভাল, বাবু মানুহৰ হাতত পৰিলি।"—হাঁহি হাঁহি কথাবাৰ কৈ সুমিত্ৰাই পিছ ঘূৰাবেদি চাই পঠিয়ালে, মদন ওচৰতে ক'ৰবাত আছে নেকি!

"তোমাৰ মোমাইদেউৰা হোজা বুলিহে মোক বাবু মানুহ বুলি ভাবে। তুমি কি বুলি ভাবা?"

"ৰ'ব, কথাৰ মাজত কথা নক'ব। মোমাইদেউ আজি গধূলিতে যাবগৈ। ৰাতিৰ ভাত সাজো খাবলৈ নাপাব। সেই কাৰণে আবেলি ভালকৈ চাহ-তাহ এটোপাকে খুৱাবৰ ব্যৱস্থা কৰাৰ কথা কৈছো। মোমাইদেউ নিজে সুখী মানুহ, আমাকো তেখেতে সুখী দেখিলে বৰ ভাল পাব। ইফালে মোৰ হাতৰ পইচা একেবাৰে ঢুকাল। আপুনি আবেলিৰ আগে আগে টকা তিনিটামান পঠিয়াই দিব। মই ইয়াৰ হতুৱাই কিবা-কিবি অলপ অনাম।"

শৰত ইয়াৰ ভিতৰতে প্ৰায় গম্ভীৰ হৈ পৰিছিল। সি একো নোকোৱাকৈ বহি ৰ'ল। সুমিত্ৰাই সুধিলে, "কিয়, মনে মনে ৰ'ল দেখোন।"

"তুমিনো বুজা নাইনে কিয় মনে মনে ৰ'লো?"

"বুজিছো, আজিতো সাতাইছ, আঠাইছ তাৰিখ হ'লেই, তিনি-চাৰিটা দিনৰ কাৰণে কাৰোবাৰপৰা ধাৰলৈ টকা তিনিটা নাপাবনে আক? অফিছৰে লগৰ কাৰোবাৰপৰা ল'ব, দৰমহা পালেই দি দিব।"

শৰতে হাঁহিলে। ঘৈণীয়েকৰ সহজ কথাখিনি শুনি তাৰ বৰ ভাল লাগিল। সুমিত্ৰাই শৰতৰ অসময়ৰ হাঁহিটো দেখি আচৰিতেই হ'ল। কি ক'ব ভাবি নাপাই তাই মোমায়েকৰ কথাকে আকৌ উলিয়ালে। তেওঁ ক্লাছ ছেভেনলৈকে পঢ়িছিল। কিন্তু এতিয়া সকলো পাহৰিলে। কেৱল অসমীয়া আখৰকেইটা লিখিব পাৰে। বিহে আখৰৰ গোট! সুমিত্ৰাই চিঠিখন আনি দেখুৱাবও খুজিলে।

শৰতে পাছত চাম বুলি ক'লে। কিন্তু পঢ়া-শুনা নাই যদিও খেতি-বাতি কাৰবাৰত তেওঁৰ বৰ বুদ্ধি। ছুটা ডাঙৰ গুটি-ধানৰ উঁৰাল। টকা-পইচাৰ হিচাপ-পাতিও শৰতহঁততকৈ ভালকৈহে জানে। টাউনৰ চাকৰীয়ালক বৰ ডাঙৰ মানুহ বুলি ভাবে—মানে শৰতকো।

শৰত খপ্‌জপ্‌কৈ থিয় হ'ল। কথা ভাল লগাত শুনোতে শুনোতে পলমেই হ'ল।

"তেনেহ'লে মই দুপৰীয়াৰ পাছতে মদনক পঠিয়াই দিম।"

একে আষাৰে হয়ভৰ দিবলৈ শৰতৰ সাহ নহ'ল। দুৱাৰ-ডলিটোত ভৰি দি আসোঁৱাহ মিহলাই ক'লে, "বাক—দিবাচোন।"

ৰাস্তাত ভৰি দি শৰতে সুমিত্ৰাৰ মোমায়েকৰ কথা ভাবিলে। হোজা মানুহ। পঢ়া-শুনা বিশেষ নাজানে, টকা-পইচাৰ হিচাপ বৰ ভাল জানে। তাক বাবু মানুহ বুলি ভাবে। গাঁৱতে দিন কটাইছে। কিন্তু সুমিত্ৰাই গাঁৱতে দিন কটায়ো নিজক তাৰ কাৰণেই যেন গঢ়ি তুলিলে। তাক যিমানখিনি লাগে ঠিক সিমানখিনি গোটাই লৈ সুমিত্ৰাই যেন বাট চাই আছিল। টকা-পইচা শৰতৰো নাই, তায়ো নিবিচাৰে! মাক থাকোঁতেই, ডেঢ় বছৰৰ আগতে ঘৰখন পাতিবলৈ চপাই অনা সুমিত্ৰাই সঁচাকৈয়ে তাক বৰ সহায় কৰিছে। কাম কৰা ল'ৰা মদনক লৈ তিনিটা মানুহৰ ঘৰখন ইমান ভাল লাগিব বুলি বিয়াৰ আগতে ভবা নাছিল কাৰণেই সি বিয়াৰ নামত ইমান ওজৰ-আপত্তি কৰিছিল। এতিয়া সুমিত্ৰাক ঘৰখনৰে জীৱ যেন লাগে। অনবৰত খুচুৰ-মুচুৰকৈ ইটো-সিটো কৰি ফুৰা, গধূলি পাকঘৰত চাকি আৰু আগফালৰ কোঠালীত লেমটো জ্বলাই দিয়া, মদনৰপৰা বজাৰ কৰিবলৈ দিয়াৰ লগৰ উভতি অহা পইচাৰ হিচাপ লোৱা, অফিছলৈ যাবৰ সময়ত টেমাটোত তামোল কেইখনমান ভৰাই দুৱাৰমুখত দি থোৱা সুমিত্ৰাক তাৰ ভাল লগাৰ অন্ত নাই। আলফি বাতিপুৱা

গা ধুই সুমিত্ৰাই ভিতা ভৰিত চোতালৰ ধূলিবোৰ লগাই, মজিয়াত ভৰিব পাঁচ বছৰাই ভিতৰ সোমাই গ'লেও তাৰ চাই ভাল লাগে। দেওবাৰে গা ধোৱাৰ আগতে বেঙেনা-জলকীয়াৰ পুলিকেইটাৰ গুৰিত মাটি চপাই দিওঁতে সুমিত্ৰাই তাৰ চুৰিয়াখন এচাৰি থকা চাই ব'ৰলৈ সি ভাল পায়। সুমিত্ৰাই গান গাব পাৰে বুলিও তাৰ বিশ্বাস। গুণ্‌গুণাই থাকে, কিন্তু সি সুধিলে নাজানো বুলি কয়। তাই কাম কৰি গুণ্‌গুণাই ফুৰিলে সি চুৰকৈ শুনিব লাগে। এদিন অনামিকা-বুলবুলিহঁতৰ মাজত বহি গান গাই থাকোঁতেই সি অ'কিছৰপৰা আহি পাইছিলহি। তাই সেইদিনা বৰ লাজ পাইছিল।

এই সুমিত্ৰাক মোমায়েকে স্কুলত পঢ়াইছিল। মানুহজনলৈ তাৰ শ্ৰদ্ধা হ'ল। তেওঁ যেন সুমিত্ৰাক পঢ়াই তাকহে সহায় কৰিলে। মানুহজনক ভালকৈ আদৰ-সাদৰ কৰি খুৱাই-বুৱাই পঠিওৱা বৰ ভাল হ'ব। তাৰ উপৰি টাউনৰ বাবু মানুহৰ সন্মানটোও ৰাখিব লাগিব।

কিন্তু ;—হঠাতে তাৰ মনটো বেয়া লাগি আহিল। সুমিত্ৰাৰ মোমাইদেৱক যদি আৰু পাঁচ দিনৰ পাছত নাইবা পোন্ধৰ দিন-মানৰ আগতে আহিলহেঁতেন! তেওঁ যদি সদায় আহি থকা মানুহ হ'লহেঁতেন নাইবা কেৰাণীৰ জীৱন বুজা এজন হৈ ভালকৈ চাহ খুৱাব লাগে বুলি ধৰিলেহিহেঁতেন, তেনেহ'লে হয়তো শৰতে তাৰ ত্ৰবছৰৰ 'মাহৰ শেষ'ৰ অভিজ্ঞতাৰ কাহিনীৰে বুজাই-বঢ়াই একাপ গুদা চাহ খুৱাই পঠিয়াই দিলেহেঁতেন। কিন্তু বৰ্তমান পাত্ৰৰ ক্ষেত্ৰত প্ৰশ্নটো একেবাৰে সুকীয়া হ'ল। চাকৰি কৰাৰ আগতে কেৰাণী, স্কুল-মাষ্টৰৰ দুৰ্দশাৰ কথা সি বহুত শুনিছিল, কেইবাবাৰো মাষ্টৰৰ লৰমৰা বাঢ়োৱা 'প্ৰবেছন'তো গৈছিল ; কিন্তু মাহৰ শেষত যে এওঁলোকৰ হাতত এটা টকাও নথকাটো সম্ভৱ সেইটো পথাৰত নামিহে সি গম পাইছে। এতিয়াও বহুতে অবিশ্বাস কৰাত তাৰ আপত্তি নাই। সকলোতকৈ ডাঙৰ কথা হ'ল অন্ততঃ

সুমিত্ৰাই বিশ্বাস কৰাতেই তাৰ স্বস্তি। যদি অগত্যা কেৰাণী জীৱনৰ মাহৰ শেষটোৰ সম্মুখীন হ'বলগীয়া হয়, তেন্তে অন্ততঃ সুমিত্ৰাৰ নিচিনা এজনী গৃহিণী লাগে!

বাহিৰা কথাবোৰ ভাবিবলৈ বাদ দি সি টকা তিনিটাৰ কথা ভাবিলে। সুমিত্ৰাই সহজেই মুখেৰে সমাধান কৰি থৈ দিলে। হওক—তাই এইবোৰ জঞ্জালৰ মাজলৈ নাহি সকলো সহজ বুলিয়েই ভাবি থাকক। কিন্তু আচলতে আঠাইছ তাৰিখে একেলগৰ কেৰাণী এজনক টকা ধাৰলৈ খোজাৰ কোনো অৰ্থই নাই।

ঝৰপ্ ঝৰপ্ শব্দ শুনি সি উভতি চালে। তিনিজনী ছোৱালীয়ে স্কুললৈ বৰ বেগ দিছে। তাৰ গাৰ কাষেদিয়েই সিহঁত আগবাঢ়ি গ'ল। কথা ভাবি ভাবি সি বৰ লাহে লাহে খোজকঢ়াটো তুলনা-মূলকভাৱে ওলাই পৰাত সিও অলপ বেগ দিলে। সোনকালে অফিচ পালেগৈও সুস্থিৰ হৈ এটা উপায় উলিয়াব পৰা যাব।

অলপ দূৰ যোৱাৰ পাছত আগে আগে যোৱা ছোৱালী তিনিজনীৰ এজনীয়ে বাঁওবাহুৰ ওপৰলৈ থুঁতৰিটো আনি কেৰাহিকৈ শৰতলৈ চালে। ছোৱালীজনীৰ চকুৱে চকুৱে পৰাত তাৰ সংকোচ জন্মিল। হঠাতে তাৰ বেগ বাঢ়ি যোৱাটো সন্দেহজনক বুলি যেন ছোৱালীজনীৰ চাৱনিটোৱে উন্মুকিয়াই দিলে। সি লাজতে খোজৰ বেগ কমাই দিলে।

হাজৰিকাৰ ছিগাৰেট-পাণ-তেল-চাবোন-বিস্কুটৰ দোকানৰ আগ পাওঁতে হঠাৎ তাৰ কথা এটা মনত পৰি গ'ল। ছাতিটো জপাই সি দোকানখনলৈ চাপি গ'ল। ঘড়ীটোলৈ চাই বুজিলে, পলম হোৱা নাই; ছোৱালীকেইজনীয়ে অইন কাৰণতহে বেগ দিছিল। হয়তো কাৰোবাৰপৰা নতুন গান এটা শিকিব, নাইবা স্কুলৰ ওচৰৰ একেলগে পঢ়া ছোৱালী এজনীৰ ঘৰলৈ যাব, নাইবা ঘণ্টা পৰাৰ আগতে ঘৰত কৰিবলৈ দিয়া অংককেইটা কাৰোবাৰপৰা টুকিব।

"কিহে, আহিলা ?"—স্কুলীয়া দিনবে উমৈহতীয়া ককাইদেউ, বুঢ়া হাজৰিকাই সৰু ল'ৰা এটাক আঠোটা লজেঞ্চ গণি দি সুধিলে।

"আহিলোঁ দিয়ক, ঘড়ীটোৰ সময় ঠিক আছে নহয় ?"

"আছে,—দুই-একমিনিটৰ ইফাল সিফাল।"

"দোকানী, এটা লগাই নিদিয়া ?" সৰু ল'ৰাটোৱে লজেঞ্চ আঠোটা হিমানীৰ বটল এটাত ভৰাই থৈ ক'লে।

"ওঁ, পইচা দি কিনা কেইটা বটলত ভৰাই থ'বি, আৰু তোক ৰাস্তাত খাবলৈ মই এটা লগাই দিব লাগে ! হোঁ—ল।"

বুঢ়া ককাইদেউৰ হাতৰপৰা ৰাওৰ লজেঞ্চটো থাপ মাৰি লৈ ল'ৰাটোৱে লৰ মাৰিলে। ওচৰতে পাঠশালা স্কুলখন।

"ককাইদেউ, ল'ৰাটোৱে আপোনাক ককাইদেউ বুলিব পৰা হোৱাহি নাই নহয় ?" শৰতে হাঁহি হাঁহি সুধিলে।

"হ'ব, হ'ব, আৰু কেইদিন ? কিন্তু আৰু নহ'ব, ইমানবোৰ ভাই অকলে চম্ভালিব নোৱৰাত পৰিছোঁ। নতুন ভৰ্ত্তি বন্ধ কৰিব লাগিব এইবাৰ।"—চিৰকুমাৰ বুঢ়া ককাইদেৱে পুৰণিকলীয়া হাঁহিটো মাৰিলে।

শৰতে অলপ পৰ মনে মনে থাকি পাতল সুৰেৰে ক'লে, "ককাইদেউ, আপুনি মোৰ সেই টকা দুটা নিদিলে আৰু।"

"কিহৰ টকা হে ? কি টকা ?"

"ই—, এতিয়া মনত নপৰাই হ'ল। সেই লটাৰিৰ টিকটৰ টকা। মোৰ পকেটৰপৰা নগদ দি দিছোঁ। আপুনি আৰু মোৰ টকা দুটা মাৰিলে।"

বুঢ়াই হো হোকৈ হাঁহিলে। "ওঁ ওঁ, মনত পৰিছে। নিবা দিয়া, এসময়ত মনত পেলাই দিবা, দি দিম।"

"আকৌ এসময়ত ! আজিয়েই দিয়কচোন ককাইদেউ, মোৰ এটা বৰ ডাঙৰ কামত লাগিব।"

"ঐ বোপাই, এই সপ্তাহত টকাৰ নামকে নল'বা। এতিয়া কাটি পেলালেও এক পইচাও নোপোৱা। তোমাতকৈ মোৰ বহুত ডাঙৰ কাম আছে।"

কি ডাঙৰ কাম আছে বুঢ়াইহে জানে। কিন্তু ককাইদেউৰ কথাৰ ওপৰত কথা নচলে। বেছিকৈ পেৰাপেৰি কৰিলে তেওঁ দুটকাৰ সলনি দহটকীয়া নোট এখন উলিয়াই দিব! ককাইদেউৰ মেজাজ শৰতৰ জনা আছে কাৰণে সি হাঁহি হাঁহি একো নোকোৱাকৈ ৰ'ল। দোকানৰ অলপ দূৰতে কলেজত পঢ়া বাবুল আৰু দিলীপে থিয়ে হৈ তাৰ ফালে চাই থকা দেখি সি বুজিলে তাৰ যাবৰ সময় হ'ল। সিহঁত দুটাই ছিগাৰেট কিনিবলৈ বৈ আছে; সি থকাৰ কাৰণে কিনিব পৰা নাই। ইয়াতে ছিগাৰেট কিনি লৈ কুলী বস্তিৰ ৰাস্তাটোৱেদি সিহঁত কলেজলৈ যায়।

টকা খোজাটোৱেই যে উদ্দেশ্য নাছিল তাকে বুজাবৰ কাৰণে শৰতে "লটাৰিৰ টকা পালে কিন্তু মোক আধা দিব লাগিব ককাইদেউ" বুলি টেমাটোৰপৰা কেইটুকুৰামান কুটি থোৱা শুকান তামোল লৈ যাবলৈ ওলাল।

"বাৰু মই পালে এটাই সোপা তুমিয়েই ল'বা। মোৰ সেই গাল টকা নহ'লেও চলিব।" বুঢ়াই ক'লে।

শৰত আগবাঢ়িল।

যাত্ৰাটো অমংগলীয়া বুলি ভাবি ভাবিয়েই সি অফিচ-ঘৰত সোমাল।

নিত্যনৈমিত্তিক অভ্যাস মতে লগৰ কেৰাণী জগদীশে কলমটোৰে সৈতে কপাললৈ হাতখন তুলিলে। হাঁকোটাভালত ছাতিটো ওলোমাই থৈ শৰতে মুখটো অলপ চপৰালে। অইন দিনাৰ দৰে হাঁহি এটা মাৰি কপাললৈ হাতখন তুলিব নোৱাৰিলে। তাৰ মেজখনৰ কাষ পোৱাৰ লগে লগেই তাৰ চিকিচ্ কৰে খং উঠিল।

"এই ধনী, মোৰ চকীখন গ'ল ক'লৈ?"

পিয়ন ধনীৰাম কোঠালীত নাছিল, আন এটা চুকৰপৰা সহকৰ্মী তফিকে মাত লগালে, "এইখন ইয়াতে আছে ভাই, মই অনাইছিলোঁ, মানুহ কেইজনমান আহিছিল।"

"অঃ, ঠিক আছে," বুলি সি নিজে গৈ চকীখন লৈ আহিল। আজি যেন তাৰ কাৰো ওপৰত বিৰক্তি প্ৰকাশ কৰাৰ দিন নহয়। চকীত বহি সি মেজৰ তলেদি ভৰি দুখন মেলি দিলে; ফাইলৰ জাপটোৰ তলৰপৰা ডাঠ কাগজখন উলিয়াই চুবাৰমান নিজকে বিচিলে; তাৰ পাছত পোন হৈ বহি কলমডাল তুলি ল'লে।

হাতেৰে কাম কৰি থাকোঁতে সি টকা তিনিটাৰ কাৰণে মনে মনে এখন কাৰ্য্যসূচী তৈয়াৰ কৰি পেলালে। প্ৰথমতে, যোৱা সপ্তাহত বাহিৰা কাম কৰা পইচাৰ বিলখন আজি বাৰ বজাৰ আগতে পাছ কৰাই টকাকেইটা উলিয়াই লোৱাৰ চেষ্টা কৰিব। দ্বিতীয়তে, চিৰস্তাদাৰক দহটকা ধাৰলৈ খুজিব; তিনি টকা খোজাটো বেয়া দেখি। তৃতীয়তে, জগদীশক; তাৰ পাছত আক-তাক, যাকে পায় তাকে।

অফিছৰ কাম তাৰ বৰ বেছি নাছিল। অলপ সময় কাম কৰি সি বিলৰ কেৰাণী সত্য মহন্তৰ ওচৰ পালেগৈ। বঙা চিয়াহীৰ আখৰবোৰৰ ওপৰত ব্লটিং কাগজখন হেঁচা মাৰি ধৰি মহন্তই সুধিলে, "কি খবৰ? ভাল নে?"

"আছোঁ একৰকমে। অলপ কষ্ট কৰি মোৰ সেই একষ্ট্ৰা বিলখন আজি উলিয়াই দিব পাৰিবনে? দিলে মোৰ অলপ কাম হয়।"

"কোনখন একষ্ট্ৰা বিল?"

"এই যোৱা সপ্তাহৰ বাহিৰা কাম কৰাৰ। এঘাৰ টকা ছপইচাৰ বিল এখন।"

"এ, সেইবোৰত হাতেই দিব পৰা নাই! বাকী জেনেৰেল-বোৰেই শেষ হোৱা নাই। এইবোৰৰ পেমেণ্ট হোৱাৰ পাছত, মানে অহা সপ্তাহতহে যদি—।"

"নহয়, মোৰ আজি এটা বিশেষ ঠেকা কাৰণেহে আজিয়েই বিলখনৰ কিবা এটা কৰাৰ কথা কৈছোঁ। নহ'লেনো কিহৰ লবালবি!"

আলপিন এটাৰে কাগজ কেইখনমানৰ এচুকত গাঁথনি এটা দি মহন্তই ক'লে, "মইনো কি কৰোঁ কওকচোন বাৰু? এই সোপা দেখিছেই নহয়, চব দ'ম হৈ পৰি আছে। এই কেইদিন আপ টু ছিন্ন কাম কৰিছোঁ। আহোঁও চাবে ন বজাত।"

"মোক আৰু কি বুজাব লাগিছে? আমাৰো জানো ঠেলা নাহে? ময়েই বাৰু সহায় কৰি দিওঁ, যেনেতেনে—।"

মহন্তই অলপ বিৰক্তি মিহলাই ক'লে, "এতিয়া আৰু সেইবোৰ জঞ্জাল নবঢ়াব বুইছে। আপোনাৰ যদি বিশেষ ঠেকা, তেনেহ'লে আজি অইন এঠাইৰপৰা চলাই দিয়ক। এই কেইটকাৰ বিলখন পিছে পৰেও হ'ব, কিটোনো কথা?"

"হোৱা হ'লেতো কথাই নাছিল, পিচে কোনো উপায় নাই কাৰণেহে এইটোকে কৰিবলৈ ওলাইছোঁ। চাওক, আপুনি পাৰে যদি, পোন্ধৰ মিনিটৰ কাম।"

"এ—হ, আপুনি বাৰে বাৰে একেটা কথাকে পেৰেনিয়াই আছে।"—মহন্তৰ খঙেই উঠিল।—"ইফ ইউ ডু নট মাইণ্ড, আই কেন হেল্প ইউ, কিন্তু সেই বুলি আপুনি আন্‌ডিউ এডভাণ্টেজ লৈ এজন কলিগক হেৰাছ্‌ কৰিব কিয়? উই আৰ নট্ মেচিন্‌ছ আফটাৰ অল। কিমান লাগে কওক, মই দিওঁ।"

মহন্তই লং পেণ্টৰ জেপত হাত ভৰালে। শৰত একমুহূৰ্ত সময় ঠৰ হৈ ৰ'ল, কিন্তু মহন্তৰ হাতটো লংপেণ্টৰ জেপৰপৰা ওলাই অহাৰ আগতে সি লবালবিকৈ উভতিল। ওৰে বাটটো সি তলমূৰকৈ পাৰ হ'ল। তাৰ মূৰত গম্‌গমনি উঠিছিল। চকীখনত বহি সি ৰঙা চিয়াহীৰ কলমডাল তুলি ল'লে। সমুখৰ অদৰকাৰী কাগজ এখনত সি যিহকে পায় তাকে আঁকিলে, কাটিলে,—বোধহয় ক'ব নোৱাৰাতে।

এসময়ত তাৰ মনলৈ আহিল—সময় লৈ আছে, মিহাকৈ ভাবি থাকিলে হয়তো শেষত মনত আহি ওলাহাতে উভতি যাব সুস্মিতাৰ ওচৰলৈ। জগদীশক কেৱল সি সত্য মহত্বৰ কথাটো ক'ব; তাৰ বাহিৰে এতিয়া সকলো গিলি থৈ দিব, এদিন হয়তো ওকলিয়াবৰ সময় আহিবও পাৰে।

ওচৰৰ মেজখনত বৈঠক বহিছে। ধৰণী, তফিক, দেৱ, প্ৰেমেশ্বৰ। দেৱ আৰু প্ৰেমেশ্বৰে অইন অফিচৰপৰা আহি অলপ মেল মাৰিছেহি। টাউনত হৈ থকা ছাৰ্কাছ পাৰ্টিটোৰ কথা ওলাইছে। দেৱ আৰু তফিকে চালে। প্ৰেমেশ্বৰে আন দুইচাৰিজনৰ মুখৰপৰা ভাল বুলি শুনিলে চাব। ধৰণীৰ 'দেখা যাওক, পইচা-কড়ি পাওঁ, তাৰ পাছত', —এনেকুৱা ভাব।

“বাক, সেই যে বটলৰ খেলটো দেখুৱালে, ষ্টাকৈয়ে তাত কিবা যাদু-তাদু আছে নেকি?” দেৱ যেন মহা দোধোৰ-মোধোৰত পৰিছিল।

“ক'ৰ যাদু অ'? খালি পাঁচ আঙুলিৰ খেলা, হাত চাফাই। পিচে কিছুমান আছে সেই, সিহঁতে মেছমেৰিজম্ কৰে”—প্ৰেমেশ্বৰে ক'লে।

“থুৰ, থুৰ”—তফিকে অস্থিৰ হৈ চিঞৰি উঠিল—“সেইবোৰ চব কাং ফুং, হাত চাফাই ভাত চাফাই একো নাই। এবাৰ দেখুৱাই দিলে আমিও কৰিব পাৰিম।” এটাইকেইটাই হাঁহিলে। যাদু বুলিতো বিশ্বাস নকৰেই, আনকি খেল দেখুৱা মানুহটোৰ কৌশল-খিনিকো সি স্বীকাৰ কৰি নলয়, যেনেকৈ কোনোবাই শৰতক অফিচৰ কামত বৰ একাপণ্ডীয়া বুলি শলাগিলে সি কয়, “তেনেকুৱা ছিন্‌হিয়েৰ আৰু বহুত আছে।”

“বাক, মইতো আজি চাবলৈ যাম, চাবচোন তাৰ কায়দাবোৰ।” তফিকে ক'লে।

“তই আজি আকৌ যাবি কিয়?”

"ছিটাবইত যাব অ'। আৰু ঝুলনা খেলটো মোৰো বৰ ভাল লাগে।"

কথাবোৰ শৰতে মনে মনে শুনিলে। এবাৰ সি ধনীৰামৰ মাতি সুধিলে, "চিৰন্তাদাদাৰ ওচৰত কোনোবা বহি আছে নেকি?"

"চিৰন্তাদাদাৰতো আজি অহাই নাই ছাৰ। ছুটী লৈছে বোলে।"

শৰতে অলপ সময় চকু টিপ মাৰিবলৈ পাহৰি গ'ল; সি সুধিলে, "তই ঠিক জান?"

"নাজানিবলৈ কিটো আছে ছাৰ? মইতো সেই কোঠালীতে কাম কৰি আছোঁ।"

"বাৰু যা।"

শৰত এইবাৰ বহি থাকিব নোৱাৰিলে। সি জগদীশৰ ওচৰ পালেগৈ। কম সময়ৰ ভিতৰতে সি তাক এটাইখিনি কথা ক'লে। জগদীশে গোজোৰা এটা মাৰি ক'লে, "সি ছালা ক'ত সাৰিব, তাক চাই ল'ম এবাৰ; কিন্তু তোমাৰ টকা তিনিটাৰ কাৰণেহে—। তুমিতো জানাই, মোৰো সেই। বাৰু ৰ'বাচোন, মই ছিভিল ব্ৰাঞ্চৰপৰা আহোঁ। এটা সুবিধা হ'বও পাৰে।" জগদীশ লগে লগে উঠি বাহিৰলৈ ওলাই গ'ল। শৰত আকৌ তাৰ নিজৰ চকীখনত বহিলহি।

শেষ পৰ্য্যন্ত টকা তিনিটা নাপালে সি যিমান কষ্ট পাব তাৰ তুলনাত এতিয়া সি একো কষ্টই নাই পোৱা; সি ভাবিলে। নতশিৰে স্বীকৃত এটা পুৰণি সত্য, কেৰাণীৰ দৰমহা সকলো মিলাই ছয়ৰষ্ঠী টকা, কিন্তু অইনতকৈ তাৰ এটা লেঠা বেছি। সি মাহে দহটকাকৈ বিয়াৰ সময়ত কৰা ধাৰ মাৰিব লাগে। বাকী কেইটা টকাকে সুমিত্ৰাই যেন দুগুণ কৰি পেলায়। মাহটো ভাই চলাই দিয়ে, কিন্তু দুই-এটা পইচা বাহি হোৱাৰ কোনো প্ৰশ্নই নাথাকে। যি মাহত বাহিৰা কাম কৰি শৰতে কেইটকামান পায়, সেইমাহতে সুমিত্ৰাৰ সাধাৰণ পানীলগাই নিউমোনিয়াৰ ফালে ঢাল লবৰ উপক্ৰম

কৰে। যি মাহতে হাত ধৰি চলাৰ কাৰণে ছুটকা বাচিব, সেই মাহতে সুমিত্ৰাই আৱিষ্কাৰ কৰি পেলাব, শৰতৰ গেঞ্জিটো জোতা মচা কামত লগাবৰ হ'ল। যোৱা মাহতো সেইদৰে পোন্ধৰ দিন বাহিৰা কাম কৰি পোৱা টকা চৈধ্যটাৰে জোতা কিনিবলৈ কওঁতে, সি ছুয়ো হাতেৰে জোতাপাত টানি দেখুৱাইছিল যে অন্ততঃ আৰু এমাহ তাৰ চলাব পৰা যাব। কিন্তু শেষত পৈ সি জোতা কিনিলে। মৰমৰ জিদত বা দাবীত পৰাজিত হোৱাত আনন্দ আছে; কিন্তু এক এক শ্ৰেণীৰ দাবী এক এক শ্ৰেণীৰ মানুহৰ কাৰণে সুৰক্ষিত কৰা দৰকাৰ। আজি আবেলি সুমিত্ৰাৰ মোমায়েকে তাৰ তৰিৰ জোতাযোৰলৈ নাচাবও পাৰে। সুমিত্ৰাৰ এনেকুৱা আশাৰক ভৱিষ্যতলৈ প্ৰশ্ৰয় নিদিয়াৰ কথা সি এবাৰ ভাবিলে। অৱশ্যে পিছৰ মাহত মোমায়েক আহিব বুলি জানিবলৈ তাইতো ভৱিষ্যৎ-বক্তা নহয়! তেতিয়া হ'লেতো তাই জোতা কিনিবলৈ এঘাৰ টকা দি বাকী তিনি টকা বাকচত, শৰতৰ দেউতাকৰ দিনৰ পুৰণি বংশাৱলী পুথিখনৰ মাজত সুমুৱাই থৈ দিলেহেঁতেন। সুমিত্ৰাৰ ওপৰত উঠা খঙটো তাৰ আকৌ নাইকিয়া হৈ আহিল।

মাহৰ শেষ দিনকেইটা চৰকাৰৰ ঘৰৰপৰা বিনা পইচাই দিয়া চাউল-ডাইল-তেলৰ ওপৰত চলিছে। কিন্তু সেইবুলি দৰকাৰ হ'লে শৰতৰ নিচিনা ডেকা এটাই টকা তিনিটা যোগাৰ কৰিব নোৱাৰাটো সম্পূৰ্ণ অবিশ্বাস কৰিবলগীয়া কথা, হাঁহিব লগীয়াও; কিন্তু এতিয়ালৈকে কথাটো সঁচা, তিনি বজাৰ আগতে মিছা হয় নে নহয়গৈ সেইটোও নিৰ্ভৰ কৰিছে জগদীশৰ ওপৰত।

অফিচৰ কামৰ বেছি হেঁচা নাই; সি আকৌ বাহিৰা কামকে কৰিবলৈ ল'লে। নকল কৰা কাম। আগৰ দিনা য'লৈকে শেষ কৰিছিল, তাৰপৰা সি লিখি যাবলৈ আৰম্ভ কৰিলে। এটা হত্যাকাণ্ডৰ ঘটনা। ছুবেদালী মিঞাৰ বৈণীয়েক ছুৰবিবি বিয়াৰ এবছৰৰ পাছত বাপেকৰ ঘৰলৈ গৈ মৰা হ'ল। আবুহোচেনে

সুৰবিবিহঁতৰ ঘৰলৈ সদায় অহা-যোৱা কৰে। জুবেদালীয়ে বৈণীয়েকক পঠিয়াই দিবলৈ চিঠি লিখিলে শহুৰেকে উত্তৰ নিদিয়ে। হুবাৰমান সি নিজে যাওঁতেও সুৰবিবিৰ ককায়েকে ওভোতাই পঠিয়ালে। কিন্তু এবাৰ, শহুৰেকৰ চিঠি পাই জুবেদালীয়ে গৈ দেখে ছুৰিৰ আঘাতত সুৰবিবিৰ মৃত্যু হৈছে। কে'চ চলিছে!—সুৰবিবিয়ে আত্মহত্যা কৰিলে নে আবুহোচেনে তাইক হত্যা কৰিলে? জুবেদালীয়ে বৈণীয়েকক আগতে মাৰপিট কৰাৰো প্ৰমাণ আছে।

ক'ত ৰকমৰ যে ঘটনা! নকল কৰি থাকোঁতে শৰতে ভাবিলে। —খৰি লোৱা হ'ল, আজি সি টকা তিনিটা নাপালে। মোমায়েকৰ আগত সুমিত্ৰাই বৰ লাজ পালে। মোমায়েকৰ বাবু মানুহৰ ধাৰণা মৰি ভূত হৈ গ'ল। ৰাতি শুবৰ সময়ত তাই মুখ ওকোন্দালে। ক'লে—এনেকুৱা হ'ব বুলি ভবা নাছিলোঁ। তাৰ বিৰক্তি লাগিল। ক'লে—নাপালে মই কিডাল কৰিব লাগে হে? হঠাতে তাই কৈ পেলালে—টকা তিনিটা যোগাৰ কৰিব নোৱাৰে যদি সকলো এৰি থৈ বৃন্দাবনলৈ নাযায়গৈ কিয়? তাৰ খং সহ্য কৰি থাকিব পৰাৰ সীমা পাৰ হৈ গ'ল; ওপৰা-উপৰিকৈ সুমিত্ৰাক সি কেইবাটাও চৰ মাৰিলে। মাজ নিশা হঠাৎ যন্ত্ৰণা-কাতৰ কেঁকনি শুনি সি সাৰ পালে। ভিতিত দুই ইঞ্চি গভীৰ ক্ষতযুক্তা সুমিত্ৰাক হস্পিটেললৈ স্থানান্তৰিত কৰা হ'ল। কে'চ চলিল। হত্যা নে আত্মহত্যা? নকলনবীছ জগদীশে 'কলিও' নকল কৰিলে, পৃষ্ঠাই প্ৰতি দহ পইচাকৈ কিছু আয় কৰিলে।—ছিঃ! মনটোৰ অপ্ৰকৃতিস্থ অৱস্থাৰ সুযোগ লৈ প্ৰবল চিন্তাই তাক আমনি কৰিছে। সুমিত্ৰাৰ কাৰণে সি এবাৰ ঈশ্বৰৰ নাম ল'লে।

এপাক এনেয়ে ঘূৰি আহিলে মনটো ভাল লাগিব বুলি সি উঠিব খুজিছে, এনেতে দেখিলে এজন মানুহে সমুখত থিয় দি ইকালে সিকালে চাইছে। চকুৱে চকুৱে পৰাত তেওঁ ওঠৰ চাপি আহি তাক সক মাতেৰে সুধিলে, "কে'চৰ ভাবিখ এটা জানিব খুজিছিলোঁ, ক'ত জানিব পাৰিম?"

"কি কেঁছ ? কেঁছৰ নম্বৰ জানে ?"

"নাই ;—নাজানো। কেঁছটো নন্দী বৰুৱাৰ ওপৰত কৰিছে, মোৰে লগা-ভগা মানুহ। ফুল সিং বোলা লালুং মানুহ এটাই কৰিছে। সিইঁতৰ মানুহে হাল বাবলৈ আহোঁতে আমাৰ হালোৱা-কেইটাই অলপ মাৰ-ধৰ কৰিলে, তাৰে কেঁছ।"

"আপুনি নম্বৰটো নাজানে যেতিয়া অসুবিধা হ'ল। বহুত বিচাৰিব লাগিব। এতিয়া আৰু নহ'ব, আপুনি কাইলৈ মানে আহিব।" শৰতে ক'লে।

"এই কামটোৰ কাৰণেই আকৌ এদিন হ'লে তালেমান দূৰ হায়ৰাণ হৈ আহিব লাগে ইচৰ! এইহেন গৰমত ইমান দূৰ বাট অহা-যোৱা।" মানুহজনলৈ শৰতে মূৰ তুলি চালে। ওখ-পাখ আটিল স্বাস্থ্যৰ মানুহ; এৰীয়া কাপোৰৰ কোটটোৰ বাহু দুটা ঘামত তিতি গৈছে। হাত দুখন গোসানীৰ আগত ফুল-তুলসী লৈ করুণা বিচৰা ভংগীত তুলি থোৱা।

"নম্বৰটো অনা হ'লে একো কথা নাছিল। অকিছুত কামৰ বৰ ভিৰ, আপুনি অইন এদিন কষ্ট কৰিবই লাগিব।" শৰতে যেন তাৰ মনৰ ভাবৰ ভিৰৰ কথাকে বুজালে। মিছা কথাষাৰ কৈ তাৰো বৰ ভাল নালাগিল।

মানুহজন সেই ভংগীতেই থিয় হৈ ৰ'ল। উপায়হীনতাৰ ভাবে তেওঁৰ মুখখন বৰ করুণ কৰি তুলিলে। এই ওখ-পাখ মানুহজন তাৰ আগত সেইদৰে সহায়হীনভাৱে থিয় হৈ থকা দেখি শৰতৰো বেয়া লাগিল। সি ক'লে, "বাৰু, আপুনি তিনিমান বজাত এবাৰ খবৰ কৰিব। সময় পালে মই চাই দিম।"

"ভাল ইচৰ, বৰ উপকাৰ হয়"—আনন্দ মনেৰে মানুহজন ওলাই গ'ল।

বাৰান্দাই বাৰান্দাই এপাক ঘূৰি শৰত আকৌ চকীত বহিলহি। অজন শাহুতে অনদীপ সোমাই আছিল। শৰতে বৰ আশাৰে

তাৰ মুখলৈ চালে। সি ক'লে, "এক প্ৰকাৰে হ'ল, এক প্ৰকাৰে নহ'লো। মই যিটো ল'ৰাৰ ওচৰলৈ গৈছিলোঁ, তাৰ হাতত্তো নাই। সি আকৌ অইন এজনৰপৰা বিচাৰিব। চাৰে তিনি বজাৰ আগতে ইয়াতে দি যাবহি।

শৰতে বিশেষ উৎসাহ নাপালে। জগদীশে আকৌ ক'লে, "তুমি অইন ফালেও বিচাৰ-খোচাৰ কৰা। তাৰ আশাতে বহি নাথাকিবা।"

"ক'তনো বিচাৰিবা আৰু!"

"তফিকক কৈ চোৱাচোন, তাৰ হাতত পইচা থাকে। অগত্যা নহ'লে তুমি শেষত গোলাপ উকীলৰ ওচৰলৈ যাবা, বুইছা?"

শৰতে বুজিলে। কিছু সময় এনেয়ে গ'ল। এবাৰ উঠি সি তফিকৰ ওচৰত বহিল।

"কি ভাই, কেনে চলিছে?" তফিকে চকীখনত আঁউজি সুধিলে। শৰতৰ পাতনি মেলাৰ ইচ্ছা নাছিল, সি ক'লে, "মোক অলপ সহায় কৰা ভাই। বৰ মস্কিলত পৰিছোঁ; মোক তিনিটা টকা দিয়া ধাৰলৈ, পেমেণ্টৰ দিনা দি দিম।"

"মই লগততো পইচা অনা নাই ভাই। এক পইচাও লগত নাই।"

তফিকৰ কথাৰ সুৰত শৰতে অলপ আশা দেখিলে। সি ক'লে, "ভাই, বেয়া নোপোৱা যদি যোৱাচোন ছাইকেলখন লৈ ঘৰৰপৰা টকা তিনিটা আনি দিয়া। মই ক'তো পোৱা নাই। দৰকাৰটোও বৰ জৰুৰী।" শৰতে নিজকে কিমান তললৈ নমাইছে, সেইটো বুজিও ক'লে।

তফিকে একমুহূৰ্ত মনে মনে থাকি ক'লে, "নাই ভাই; ঘৰতনো ক'ৰ পইচা আছে? মা-বাবা ঘৰত কোনো নাই, ছিটাৰ অকলে আছে। তাইৰ হাতত তো পইচা নাই।"

শৰতৰ মুখখন ক'লা পৰি গ'ল। তফিকৰ ঘৰত ভনীয়েক

অকলে থকাটো সঁচা। হয়তো তেওঁক লৈ তকিক যে সকিয়া ছাৰ্কাছ চাবলৈ যাব, সেইটোহে মিছা।'

চকীখনত বহি শৰতে ভাবিলে, অকণ বাকী থাকিল। নাই, নগৰ কেৰাণী আৰু কাকো খুজিব নোৱাৰি। অকণে যদি কৈ দিয়ে, "ইস্, অলপ আগতে মই টকা পাঁচোটা এজনক দিলোঁ। আৰু আধাঘণ্টাৰ আগতে কোৱা হ'লেই আপুনি পাই গ'লহেঁতেন। এইমাত্ৰ লৈ গ'ল",—তেনেহ'লে সি আৰু এজন সহকৰ্মীক মিছা মাতিবলৈ সুবিধা দিয়া হয়। কলমডাল লৈ আকৌ সি কামত মন দিবলৈ চেষ্টা কৰিলে, অৱশ্যে জগদীশৰ বন্ধুজনৰ ওপৰত ভাৰসা কৰি।

কিছু সময় গ'ল।

এবাৰ ওচৰৰ চকীখনৰপৰা কেৰাণীজনে দবিয়াই উঠিল, "এই কি লাগে? ক'ৰ ল'ৰা তই?"

শৰতে দেখিলে, দুৱাৰ-মুখত বুকুকটা চোলা এটা পিন্ধি মদনে থিয় হৈ তালৈ চাইছে। সি অলপ ভয় খাই গৈছে। শৰত উঠি বাহিৰলৈ গ'ল। পিছে পিছে মদনো গ'ল। মানুহৰ মাজৰপৰা তাক একাষলৈ মাতি নি সি ভেকাহি মাৰি সুধিলে, "তোৰ সিটো চোলা কি হ'ল?"

"ধুই দিছোঁ, শুকোৱা নাই।"

"ধুবলৈ আৰু দিন নাপালি? যাঃ, সৌ গছৰ গুৰিত বহি থাকগৈ। মই নাযাওঁ মানে ক'লৈকো নাযাবি।" সি গ'লগৈ। শৰত উভতি আহি কোঠালীত সোমোৱাৰ লগে লগে জগদীশে ক'লে, "নহ'ল শৰত, ল'ৰাটোৱে নাপালে, এতিয়াই আহি কৈ গ'লহি।"—জগদীশৰো সহানুভূতিত মাতটো কোমল হৈ পৰিল।

শৰত অলপ পৰ থিয় হৈ ৰ'ল। সি মুখেৰে একোকে ক'ব নোৱাৰিলে। জগদীশৰো ক'বলৈ যেন আৰু একো নাছিল। শৰতে আকৌ এবাৰ বাহিৰলৈ ওলাব খুজিলে। বোধহয় পোনাক

উকীলৰ ওচৰলৈ। ছুৱাবডলিটোত ভৰি দিওঁতেই তাৰ লগত এবীয়া-কোট পিন্ধা মানুহজনৰ মুখামুখি হৈ গ'ল। তাৰ বিৰক্তি-টোৱে খিতাতে মূৰ দাঙি উঠিল। সি ক'লে, "নাই, নহ'ব বুইছে, আজি কোনোমতেই নোৱাৰিম। আপুনি অইন এদিন নাহিলে নহ'ব।"

মানুহজনে আগৰপৰা আঁতৰিব খুজিলে। কাতৰ ভংগী এটা মুখলৈ আনি কিবা এবাৰ তেওঁ ক'ব খুজিছিল, শৰতে বাধা দি ক'লে, "মোক আজি আৰু আমনি নকৰিব। মোৰ আহৰি নাই। এইবাৰ আহোঁতে নম্বৰটো লৈ আহিব।"

সি গুচি গ'ল। মানুহজন বোধহয় হাত দুখন জাপ খুৱাই তাতে থিয় হৈ থাকিল, সি লক্ষ্য নকৰিলে। এক মুহূৰ্তৰ পাছতে তাৰ বেয়া লাগিল। হঠাতে তাৰ সত্য মহত্তৰ কথাটোলৈ মনত পৰিল। বাৰান্দাখনত সি এনেয়ে এবাৰ ইকাল-সিকাল কৰিলে। তাৰ পাছত উকীলখানাৰ কালে যাবলৈ ওলাইছে: এনেতে দেখিলে, সন্মুখত এবীয়া-কোট পিন্ধা মানুহজন।

"চাওঁ, কথা এটা কওঁ, শুনকচোন।" তেওঁ তাক মাতিলে।

সি খট্‌খটী কেইটাইদি নামি মানুহজনৰ ওচৰলৈ আহিল। মানুহজন বাকবিধনৰ মাজে মাজে আগবাঢ়িবলৈ ধৰিলে। লগে লগে সিও গ'ল। মানুহজনে কোমল সুৰেৰে কিছুমান কথা কৈ গ'ল। গাঁৱৰ মানুহ, এদিন কাম-বনলৈ চকু দিয়া বন্ধ হ'লেই বহুত লোকচান হয়। এতিয়া হাল-কোৰৰ বতৰ। কেইটা লগাত তেওঁৰ মনে মনে বৰ অশান্তি। আচলতে তেওঁ এইবোৰ গণ্ডগোলৰ মাজলৈ সোমোৱা মানুহ নহয়। মিছামিছিকৈ কাম-বনৰ ক্ষতি।

দুয়োজন আহি আহি যেতিয়া কাছাৰীৰ বাকৰিৰ চাহৰ দোকান-খনৰ আগ পালেহি তেতিয়া মানুহজনে ক'লে, "আহক, চাহ একোপা খাওঁ।"

শবত উচাপ্ খাই উঠিল। কথা শুনি শুনি কোনখিনি পাইছিলহি সেইটো তাব খববেই নাছিল। কথাবাব শুনি তাব কাণ দুখন গবম হৈ উঠিল। মানুহজনে তাক কি বুলি ভাবি এই কথাবাব ক'লে? সি আজি মানুহজনক প্ৰথম দেখিছে, কিন্তু মানুহজনে বোধহয় তাক চিনি নাপালেও কেবাণীকুলটোক চিনি পায়। নহ'লে........।

"আহক, কি ভাবিছে?"

"নাই, নাই, মই চাহ নাখাওঁ। অসময়ত চাহ খোৱা মোব অভ্যাস নাই। আপুনি খাওক, মোব অলপ কাম আছে, মই যাওঁ।"—শবত বাবলৈ ওলাল।

"ব'বচোন, চাহ নাখায় নালাগে, বহি দুষাব কথাকে পাতোঁ। এটোপা শুদা পানীকে খাব।" মানুহজনে আক কিবাকিবি কিছুমান ক'লে। শবতব বব অস্বস্তি লাগিল। সি ইফালে-সিফালে মদনক চালে; সি বোধহয় জুপুকা মাবি বহি আছে, আঁহত গছজোপাব আঁবত।

মানুহজনে এবাব প্ৰকাশ কবিলে শবতে হয়তো তেওঁ খুৱাব খোজা চাহখিনি খাবলৈ লাজ আক ঘিণ কবিছে। শবতে "নহয় নহয়, ইয়াত লাজ আক ঘিণব কি কথাটো আছে" বুলি সন্ত্ৰস্তভাবে উত্তব দিলে। তাব পাছত এবাব সি সময়ব অভাৱ দেখুৱাই আপত্তি কবিব খুজিলে; কিন্তু মানুহজনব কাতব মুখখন আক তাং খাব খোজা হাত দুখনলৈ চাই মনে মনে ব'ল। তাব পাছত সি অনুবোধে তেওঁব পিছে পিছে দোকানখনত সোমাল।

ভিতৰ সোমাই তাব মুখ তুলি চাবব সাহ নহৈছিল; কিন্তু এবাব চাই দেখিলে দোকানখন মানুহেবে ভবি আছে:— তবপি-মহবি, মক্কেল, সাক্ষী, বাদী, বিবাদী। এটা চুকত দুজনমান চিনাকী কেবাণীকো দেখিলে। ভাগ্যে তাব তেওঁলোকব চকুয়ে চকুয়ে নপবিল। মানুহজনক একপ্ৰকাব টানিয়েই সি চাহ কৰা

চৌকাকেইটাৰ কাষত থকা অকণমান কোঠালীটোলৈ লৈ গ'ল। কোনোবাই দেখিলে তাৰ বৰ লাজ লাগিব।

চাহ দিয়া ল'ৰাটোক বাহিৰলৈ মাতি নি মানুহজনে যিখিনি কথা ক'লে, তাৰ প্ৰত্যুত্তৰত অলপ পাছতে সি ডুখন পিৰিচ মিঠাইৰে ভৰাই সিহঁতৰ সন্মুখত থৈ গ'লহি। দুগিলাচ পানীও।

"ইমানবিলাক কিয়?" শৰতে সুধিলে।

"কিমানবিলাক নো? খাওকচোন, খাওক।"

লাজ, অপমানত শৰতৰ খাদ্য-নলীডাল যেন চেপা খাই বন্ধ হৈ গৈছিল। ইয়াৰ আধা পৰিমাণৰ মিঠাই যদি আজি সুমিত্ৰাই মোমায়েকৰ আগত সজাই দিব পাৰে!

আৰম্ভ কৰাৰ পাছত মিঠাইখিনি শেষ কৰিবলৈ তাৰ বেছি সময় নালাগিল। পানী এঢোক খাই আঙুলিৰ আগকেইটা গিলাচটোত জুবুৰিয়াই উঠোঁতেই সি দেখিলে মানুহজনে কেইখনমান এটকীয়া নোট ডুভাঁজ কৰি তালৈ আগবঢ়াই দিছে।

"আপুনি এইবোৰ কি কৰিছে?" শৰতে অতি আচৰিত হৈ সুধিলে। ডুবছৰৰ কেৰাণীগিৰিৰ পাছত আজি নতুন দৃশ্য এটা দেখি তাৰ মনৰ অৱস্থা আয়ত্তৰ বাহিৰলৈ গুচি যোৱা যেন লাগিল। জগদীশৰ মুখে এনেকুৱা ঘটনাৰ কথা সি অৱশ্যে শুনিছিল।

"ৰাখি থওকচোন, চাহ-টাহ খাব।" মানুহজনে বিনয় মিহলাই ক'লে।

"নাই, নহয় নহয়, নালাগে; আপোনাৰ কামটো মই আজিয়েই কৰি দিম, এনেয়ে কৰি দিম, ব'লক।"

"এহ্ কামটো হ'ল হ'ল, নহ'ল নাই। কামৰ কাৰণে নহয়, এনেয়ে ৰাখকচোন। মোৰ কামটোৱেই ডাঙৰ কথানে?" মানুহজনে শৰতৰ চোলাৰ ওপৰ জেপত টকাকেইটা সুমুৱাই দিলে। শৰতে লগে লগে টকাকেইটা উলিয়াই ওভোতাই দিব খোজোঁতে তেওঁ ডুয়োখন হাতেৰে শৰতৰ হাতখন হোঁহোকাই দিলে।

"বাখি থওকচোন—কিনো কথা ?"

শৰতৰ চিন্তাত বা-মাৰলী উঠিল।—বোধহয় তিনি টকাতকৈ বেছি,—বাহিৰত আঁহত গছৰ গুৰিত মদন বহি আছে,—ঘৰত সুমিত্ৰাই বাট চাই আছে,—সুমিত্ৰাৰ মোমায়েকে চাগৈ কোনোবা এটা ৰাস্তাত থিয় হৈ কাৰোবাক সুধিছে—হেৰি শৰত বাবুৰ ঘৰটো কোনখিনিত ?—নাইবা ঘৰত কোন আছে—বুলি বন্ধ দুৱাৰখনৰ ওচৰত থিয় হৈ মাতিছে,—আৰু উকীলখানাত হয়তো গোপাল উকীলে শূন্য জেপ এটা লৈ বহি আছে।

মানুহজনৰ হাত দুখনৰ মাজৰপৰা হাতটো উলিয়াই আনি সি প্ৰথমে ওপৰ জেপত, তাৰ পাছত তল জেপত টকাকেইটা থৈ দিলে।

সি ক'লে, "আপুনি অফিছলৈ যাওক, অকণমান কাম এটা কৰি মই গৈছোঁ।"

দোকানৰপৰা বাহিৰলৈ ওলাই সি আঁহত গছজোপাৰ গুৰিত মদনক বিচাৰিলে। অলপ বিচাৰি, দাঁতৰ ঔষধ বেচা মানুহটোৱে দেখুৱা মেজিক চাই থকা অৱস্থাৰপৰা শৰতে তাক উলিয়াই আনিলে। বাটত যাওঁতে ক'তো নপৰে, তেনেকৈ সি মদনৰ জেপত টকা তিনিটা ভৰাই দি ক'লে, "বেগাই যাবি, ইটো চাই সিটো চাই দেৰি নকৰিবি।" সি গ'লগৈ।

অফিছ-ঘৰ সোমোৱাৰ লগে লগে জগদীশে তাৰ হাতত টকা তিনিটা দিলে।

"মই টকা পালোঁ।"

"পালি ? ক'ত পালি ?"

"পালোঁ এঠাইত" বুলি কওঁতে শৰতে বিশেষ উৎসাহ বোধ নকৰিলে। বোধহয় জগদীশো মনে মনে আহত হ'ল। সি ৺না টকাকেইটা কামত নলগাৰ কাৰণে।

মানুহজনৰ কেঁছৰ তাবিখটো উলিয়াই দিওঁতে কিছু সময়

লাগিল। তাৰ পাছত অইন দিনাতকৈ অলপ সোনকালে সি ঘৰলৈ উলটিল।

পাকঘৰৰ দুৱাৰ-মুখত থিয় হৈ শৰতে দেখিলে, সুমিত্ৰাই পিৰিচ দুখনত মিঠাই সজাইছে। ভাল লাগিবলগীয়া তাৰ একো নাছিল। সুমিত্ৰাই কিন্তু হাঁহি হাঁহি ক'লে, "ইস্, ঠিক সময়তে আহি পাইছেহি। মোমাইদেউ অথনিয়েই আহিল। হাত-ভৰি ধুই ভিতৰতে এনেয়ে দীঘল দিছে। আপুনিও ধুই-পখালি আহকগৈ যাওক। ইয়াতে একেলগে খাই খাই কথা পাতিব।" সুমিত্ৰাৰ মনত বৰ আনন্দ, সি বুজিলে।

হাত-ভৰি ধুই সি আকৌ পাকঘৰৰ দুৱাৰ-মুখতে থিয় দিলেহি।

"আপুনি বহকচোন, মই মোমাইদেউক মাতি আনোগৈ।" সি বহিল। সুমিত্ৰা ওলাই গ'ল।

পিৰিচত সজোৱা মিঠাইখিনিলৈ সি ঠৰ লাগি চাই ৰ'ল। সি খাব নোৱাৰিব, তথাপি সুমিত্ৰাৰ মোমায়েকৰ লগত বহি বহি কথা পাতিব।

অলপ পাছতে সুমিত্ৰা ঘোমাই আহিল আৰু তাইৰ পিছে পিছে........

পলকৰ ভিতৰতে শৰতৰ গোটেই দেহ-মন যেন অসাৰ হৈ আহিল।

সুমিত্ৰাৰ মোমায়েক। এৰীয়া-কোট পিন্ধা গাঁৱলীয়া মানুহজন।

শৰতৰ চকুলৈ তীব্ৰ অন্ধকাৰ নামি আহিল। তাৰ বুৰ ঘূৰাই গ'ল।

গংগাস্নান

বিয়াৰ পাছৰপৰা এইখন মেখেলা চন্দ্ৰাই পিন্ধাই নাছিল; আজি আবেলি বাকচটো খুলি হঠাতে সেইখনতে হাত পৰিছিল, সেইকাৰণে দুঘণ্টাৰ কাৰণে পিন্ধি পেলাইছিল। ধুবও নালাগে, 'ইস্ত্রি' কৰিবও নালাগে, কেৱল আগৰ ভাঁজে ভাঁজে ভাঁজ লগাই জাপি পেলালেই হ'ল।

আলুনাডালৰ ওচৰতে থিয় হৈ চন্দ্ৰাই সাৱধানেৰে চুক-কোণ মিলাই মেখেলাখন জাপিছিল। ওচৰতে দুখনমান পূজা চাই আহিম বুলি গৈ, উভতি আহোঁতে যে তাইৰ পলম হৈছিল, সেইটো তাই দুৱাৰডলিত ভৰি দি ধূনাৰ গোন্ধ পায়েই গম পাইছিল। বনকৰা ল'ৰা নন্দীয়ে কোনেও নোকোৱাকৈ উপযাচি যে সন্ধিয়া ঘৰটোত ধূনা নিদিয়ে, সেইটো জনা কথা। কামটো হয় তিলকে নিজে কৰিছে, নাইবা হুকুম দি নন্দীৰ হতুৱা কৰাইছে। আক চন্দ্ৰাৰ ভাগৰ কাম তিলকে কৰাটো ভিতৰি ভিতৰি খং উঠাৰ চিন। সেই কাৰণে চন্দ্ৰা ক'তো নবলেই; দুৱাৰডলিৰপৰা পোনেই আলুনাৰ কাষ পালেহি। হেণ্ডেল দুপাত খুলি নথৈ কিছুদূৰলৈ যাবি পঠিয়ালে। বন্ধা-বঢ়াৰ উপযোগিতালৈ লক্ষ্য নকৰি আগত থিয়োৰ কাপোৰকে পালে, তাকে সলাই পেলালে।' খুলি পেলোৱা

ব্লাউজটো থব লাগে থলে, খুলি পেলোৱা চাদৰখন আলনাডালৰ ওপৰ খলপাত থলে যদিও এটা আগ মাটিত পৰি বল। কেৱল মেখেলাখনৰ ভাঁজবোৰ মিলোৱাত তাই যত্ন ললে। বিয়াৰ পাছত আজিহে হঠাতে এইখন মেখেলা পিন্ধিলে; তাকো দুঘণ্টাৰ কাৰণে।

ধুনা তিলকে নিজে জ্বলাইছিল। ইতিমধ্যে মলাটোত সি দুবাৰ অঙঠা ভৰালে, পাঁচবাৰমান নতুনকৈ ধুনা দিলে, গোটেই ঘৰটোত তিনিপাকমান ঘুৰালে, তথাপি মহৰ কোন্‌কোননি নকমেহে নকমে। মহৰ আবাস স্থল বুলি সন্দেহ হোৱা সকলে ঠাইতে সি ধোঁৱা দিলে। খাঁটকাঢ়ি পালেঙৰ তলত সোমাল; টুলৰ ওপৰত উঠি দেউতাকৰ ডাঙৰ ফটোখনৰ পিছফালে ধুনাৰ মলাটো ভৰাই দিলে, ওলমি থকা কেলেণ্ডাৰ কেইখন বাঁওহাতেৰে জোকাৰি দিলে। তাৰ পাছত আল্‌নাৰ কাপোৰবিলাকৰ মাজতো মহ সোমাই থাকে বুলি মনত পৰাত যেতিয়া সি ভিতৰৰ কোঠালীটোলৈ সোমাই আহিল, চন্দ্ৰাই তেতিয়া মেখেলাখন জ্বাপিছে।

চন্দ্ৰালৈ এবাৰ চাই, ওলমি থকা তাৰ কোটটোৰ তলত ধুনাৰ মলাটো ধৰি তিলকে সুধিলে, "বহুত দূৰ পাইছিলাগৈ নে কি?"

একে নিমিষতে যেন চন্দ্ৰাৰ বুকুৰ ওপৰৰপৰা বোজা এটা নামি গ'ল। তাই আশা কৰি থকা মতে তিলকৰ মাতত অকণো গাম্ভীৰ্য্য নাছিল। মনটো তাইৰ ইমান পাতল লাগিল যে উত্তৰ দিবলৈ তাইৰ খপ্‌জপ্ লাগিল। ক'লে, "মই ইমান দূৰলৈ যোৱাৰ কথা ভৱাই নাছিলোঁ। পিচে ইখন-সিখনকৈ চাই চাই গৈ থাকোঁতে একেবাৰে মাধোৱাৰী পূজাঘৰ পালোঁগৈ।"

তিলকে ক'লে, "মই আগতেই ভাবিছিলোঁ। বি কেইজনীৰহে লগত গৈছা!" লাৱণ্যৰ নবৌয়েক, বীণা,—ইহঁত কেইজনীক ফুৰিবলৈ পালে একো নালাগে বুলি তিলকৰ ধাৰণা আছে।

চন্দ্ৰাই হাঁহিলে। হাঁহি হাঁহি ক'লে, "নাই লাৱণ্যহঁতৰ কাৰণে পলম হোৱা নাই। মইহে এঠাইত পলম কৰিলোঁ। অ' বুইহে,

আজি মই কি কাণ্ড এটা কৰিলোঁ জানে? লাৱণ্যইতে বাটে বাটে মোক ঠাট্টা কৰি আহিছে।"

তিলকে কিবা এটা ৰসৰ ইংগিত পালে। সি সুধিলে, "কি হ'ল, মোক ঘৰত চকীদাৰ কৰি থৈ গৈছা বুলি ক'লা নেকি?"

"নহয় ৰব, কথাটো হ'ল কি, পেৰেনিয়াই পেৰেনিয়াই সুধি থকা সত্বেও মই আজি আপোনাৰ নামটো মুখত নানিলোঁ।"

তিলকে এইবাৰ হাঁহি পেলালে। সুধিলে, "কিয়? আৰু মোৰ নামটো মুখত আনিবলগীয়া হৈছিল কিয়? কোনোবাই সুধিছিল নে কি?"

"মানে হ'ল কি, মই মাৰোৱাৰী পূজাঘৰত গোসাঁনী সেৱা কৰি উঠিছোঁ, তেনেকুৱা সময়ত মনটো কেনেকুৱা লাগে কওঁকচোন। আমাৰ নিচিনা কিমানে মোৰ লগতে সেৱা কৰিছে। কাৰোবাৰ কাৰোবাৰ গৰাকীসকলেও লগতে সেৱা কৰিছে। কিমান ভাল লাগে মনটো! তেনেকুৱা সময়ত, গোসাঁনীৰ আগত আপোনাৰ নামটো মুখত আনিবলৈ ৰব বেয়া লাগিল বুইছে?"

লেখাৰি নিছিগাকৈ কল্‌কল্‌কৈ কথা কৈ যোৱা চন্দ্ৰাৰ অভ্যাস। অকণো চেষ্টা নকৰাকৈ তাই শুনিবলৈ ভাল লগা কথা কয়। তৃপ্তিত তিলকৰ গোটেই মুখত বিয়পি থকা হাঁহিটো জামৰি আহিল। হাঁহিটো ওঁঠৰ কাষত অলপকৈ লাগি ৰ'ল। সিহে যেন ছোৱালী, লাজ যেন তাৰহে লাগিল!

এক মুহূৰ্ত মনে মনে থাকি সি সুধিলে, "মোৰ কথা সুধিছিলনে, কোনে?"

জাপি জাপি চন্দ্ৰাই মেখেলাখন এবেগেতমান বহল, তিনিহাত দীঘল কৰি পেলাইছিল; তাৰে এটা মূৰ থুঁতৰিৰে হেঁচা মাৰি ধৰি বুকুৰ ওপৰেদি ভুয়োখন হাত ফুৰাই ফুৰাই তাই মেখেলাখন লিপিট খুৱাইছিল; তলমূৰ কৰিয়েই তাই ক'লে, "প্ৰভাত ককাইদেৱে সুধিছিল। বহুত দিনৰ মূৰত আজি তেওঁক হঠাতে লগ পালোঁ!

মোৰ খবৰ একো নাজানেই। সুধিছিল ; কৈছিলোঁ। আপোনাৰ নামটো পিচে নক'লোঁ, ক'ব নোৱাৰিলোঁ।"

"কোন প্ৰভাত ককাইদেউ ?" তিলকে সুধিলে।

"আপুনি চিনি নাপাব। প্ৰভাত কাকতী। আমাৰ ঘৰৰ ওচৰতে থাকি কলেজত পঢ়িছিল। বৰ ভাল আছিল বুইছে। মোৰ পৰীক্ষাৰ সময়ত ন'ট-ত'ট দি সহায় কৰিছিল। তেওঁ ন'টবোৰ নিদিয়া হ'লে মই কিজানি পাছেই কৰিব নোৱাৰিলোঁহেঁতেন। আমাৰ ভাইটি-ভনটিহঁতকো বৰ মৰম কৰিছিল। কেইবা বছৰৰো আগতে তেওঁ তাৰপৰা গুচি আহিল। তাৰ পাছত আৰু কোনো খবৰেই নাই। আজি হঠাতে দেখা হ'ল। মোৰ বিয়াৰ কথা শুনি ককাইদেৱে ইমান যে হাঁহিলে। আপোনাৰ নামটো আৰু ঘৰটোৰ ঠিকনা উলিয়াবলৈ ইমান যে চেষ্টা কৰিলে! তাকে লাৱণ্যহঁতে গোটেই বাটটোৱে মোক ঠাট্টা কৰি আহিছে, বোলে ইমাননো ভক্তিনে ?" চন্দ্ৰাই যেন কৈয়েই যাব। সৰল উচ্ছ্বাসত তাই প্ৰায়েই অকণমান ছোৱালী একনীৰ নিচিনা পাতল হৈ পৰে। কিন্তু তিলকৰ চেপা মাতৰ প্ৰশ্নটোত তাইৰ হাঁহি, উচ্ছ্বাস,—সকলো এক মুহূৰ্ত্ততে শেষ হৈ গ'ল। দীঘলে দীঘলে হুভাঁজ কৰিবৰ মনেৰে তলপেটত এখন হাতেৰে হেঁচা মাৰি ধৰি, তাই খুঁতৰিৰ চেপাৰপৰা মেখেলাখন এৰি দিলে ; ওপৰ ভাগৰ ভাঁজবোৰ অলপ খুলি গ'ল।

তিলকে অলপ পৰৰ আগতেই মলাটোৰ অণ্ঠা ফুউৱা বন্ধ কৰিছিল। ফুৱাবৰ কাৰণে মুখৰ যিমান ওচৰলৈ মলাটো তুলিব-লগীয়া হৈছিল, ফুৱাবলৈ বন্ধ কৰাৰ পাছতো, সি ক'ব নোৱৰাকৈ মলাটো সিমান ওপৰতে ধৰি আছিল। সি অতি উৎসুক ভাবেৰে চন্দ্ৰাৰ চকুলৈ একেথৰে চাই সুধিলে, "কোন প্ৰভাত কাকতী ? ঘৰ ক'ত বাৰু কোৱাচোন।"

তিলকৰ চকুলৈ চাওঁতেই চন্দ্ৰাৰ বুকুখন ধপ্‌ধপাই উঠিল। চেষ্টা

কৰিও তাই অলপ পৰ আগৰ উজ্জ্বলতাৰে উত্তৰটো দিব নোৱাৰিলে। তাই ক'লে, "ডিব্ৰুগড়ত ; কিয় ?"

"ডিব্ৰুগড়ত ?" তিলকে লগে লগেই চেপা মাতেৰে চিঞৰি উঠিল। এক মুহূৰ্ত্তৰ কাৰণে কোঠালীটোৰ ভিতৰত দুটা প্ৰাণী কাঠৰ পুতলাৰ নিচিনাকৈ থিয় হৈ ৰ'ল। তাৰ পাছত কোনোমতে অণ্ঠা নপৰাকৈ মলাটো ধৰি, তিলক নিঃশব্দে ওলাই আহিল।

তিলকৰ খোজকেইটাই যেন চন্দ্ৰাৰ মুখত চেতনা দিলে ; তাই তিলক দুৱাৰডলিটো পোৱাৰ লগে লগে সুধিলে, "কিয়, কি হ'ল কওকচোন।"

সিকোঠালীৰপৰা কেৱল এটা জড়তাগ্ৰস্ত গুণ্‌গুণনি শুনা গ'ল, "নাই নাই, একো হোৱা নাই।"

কিবাকিবি বহুত হ'ল। চন্দ্ৰাৰ চিন্তাৰ আঁত হেৰাই গ'ল। কি হ'ল, তাই একো বুজিবই নোৱাৰিলে। প্ৰথম ধপ্‌ধপনিটোৰ লগে লগেই তাইৰ বুকুখন যি কোঁচ খালে আৰু যেন মুকলি নহ'ল। বনকৰা ল'ৰা নন্দীয়ে ইতিমধ্যে দুৱাৰমুখত থিয় হৈ তাইক দুবাৰো সুধিলে, "আইদেউ, চাউল কেই বাটি লম ?"—চন্দ্ৰাই ক'ব নোৱাৰে। তৃতীয় বাৰ সোধোঁতে বোধহয় কথাকেইষাৰ তাইৰ কাণত সোমাল আৰু লগে লগে তাইৰ উত্তৰত নন্দী উচাপ খাই উঠিল, "সদায় সদায় যিমান লব, সিমান লগে। কি আকৌ সুধি থাকিবলৈ আহিছ !

সোধাত নন্দীৰ দোষ নাই। মজিয়াত তেল পৰা, বাঁওহাতৰ তলুৱা খজুৱা, এক নিৰ্দিষ্ট সংখ্যক শালিকা চৰাই দেখা আদি চন্দ্ৰাৰ এনে কিছুমান চিন আছে, যাৰপৰা তাই আলহীৰ আগজাননী পায় ; ফলত নন্দীক এবাটি চাউল বেছিকৈ লবলৈ কয় আৰু প্ৰায়েই "তাইৰ কথাৰ হাতে হাতে ফল" বুলি দাবী কৰে। লক্ষণ দেখিলে আগতে আলহীৰ কাৰণে ভাত বান্ধি সাজু কৰি থোৱা চন্দ্ৰাৰ অভ্যাসটোৰ কাৰণে নন্দীয়ে সদায় চাউল কেই বাটি লব সোধে।

আজি সি সেমেনা সেমেনি কৰি শুচি গ'ল; একো বুজিবই নোৱাৰিলে।

তিলকৰ মনৰ অৱস্থা বুজা-সুবুজাৰ বাহিৰ হৈ গ'ল। ভিতৰৰ কোঠালীটোৰপৰা ওলাই যোৱাৰ পাছতে তাৰ গাৰ সকলো শক্তি নাইকিয়া হৈ গ'ল; মূৰটো ঘূৰোৱা যেন লাগিল। ইচ্ছা নকৰা-কৈয়ে সি এন্ধাৰে-মুন্ধাৰে আগফালৰ বাৰান্দাৰ হেলনীয়া চকীখনত বহি পৰিল।

কিছুদিনৰ আগতে আমোলাপট্টিৰ চাৰিআলিত সি প্ৰভাতক লগ পাইছিল। বহুত দিনৰ মূৰত দেখা-সাক্ষাৎ। কলেজৰ প্ৰথম দুটা বছৰত যি কেইজন 'ওস্তাদ' ল'ৰাৰ লগত তাৰ বন্ধুত্ব হৈছিল, প্ৰভাতো তাৰে এজন। সেই বয়সতে প্ৰভাতহঁতে নিজৰ ভিতৰুৱা অভিজ্ঞতাৰ যি বৰ্ণনা দিছিল, তেনে ধৰণৰ দুঃসাহসিক ঘটনাৱলীৰ কথা তিলকহঁতৰ চিন্তাৰ চাৰিবেৰৰ বাহিৰত, কিন্তু সিহঁতে খুচৰি-খুচৰি সুধি, শুনি ভাল পাইছিল। কিন্তু বন্ধু হিচাপে প্ৰভাত তিলকহঁতৰ প্ৰতি সৰল আছিল। বহুত দিনৰ মূৰত প্ৰভাতক দেখি তিলক উচ্ছ্সিত হৈ পৰিল;—"কি প্ৰভাত, কি খবৰ, ক'ৰপৰা, আজি-কালি আছ ক'ত, কৰিছ কি?"—ইত্যাদি এজাক প্ৰশ্নেৰে সি তাক ঢাকি পেলালে। প্ৰথমতে সি তাৰ সোঁহাতখন জোকাৰি, তাৰ পাছত তাৰ বাহুৰ ওপৰত হাত এখন থলে। প্ৰভাতো যথেষ্ট আনন্দিত হৈছিল। সি এটা এটাকৈ তিলকৰ প্ৰশ্নবোৰৰ উত্তৰ দিলে। কোনোমতে ডিগ্ৰিটো ললে। দেউতাকে জোৰকৈ বাগানৰ কাম এটাত সুমুৱাই দিছিল, ভাল নাপাই প্ৰায় এৰিয়েই দিছে। চাহাবী কোম্পানি এটাত চাকৰি এটাৰ অলপ আশা আছে। এছিষ্টেণ্ট ডিৰেক্টৰজনক বাগানৰ মেনেজাৰৰ জৰীয়তে ব্যক্তিগতভাৱে লগ পাই থৈছে; এতিয়া কলিকতাৰ ইণ্টাৰভিউটো ভাল হ'লেই হয়। তাৰ কাৰণেই সি এতিয়া কলিকতাৰ পথত। সেই আগৰ প্ৰভাত,—পেটত কথা নাথাকে, গলগলীয়া।

কথা পাতি পাতি সিহঁত ভালেমান দূৰ আগবাঢ়িল। এবাৰ তিলকে অলপ হাঁহি সুধিলে, "বহুত ঠাইতো ফুৰিলি, এক্সপেৰিয়েন্স্ বাঢ়িছেনে নাই? অলপ ফূৰ্তি চুৰ্তি—"

"বহুত, বহুত; মোকতো তহঁতে জানই, এন্‌জয় কৰাৰ তালত থাকোঁ, আৰু কৰোঁও। পৰিষ্কাৰ। মোৰ সেইবোৰ ভণ্ডামি নাই। পিচে যোৰহাটত মই মানুহটো চেঞ্জ্‌ড্ হৈ গৈছিলোঁ বুইছ। মোৰ নিচিনা দিলৰ মানুহো যে কেতিয়াবা ছেন্টিমেণ্টেল হ'ব পাৰে, তহঁতে ভাবিব পাৰনে?" নোৱাৰে। সেই কাৰণে তিলকে তাৰ কথাখিনি শুনিবলৈ উৎসাহ প্ৰকাশ কৰিলে। তাতে যোৰহাটৰ কথা; ব্যক্তিগত আগ্ৰহো আছে। প্ৰভাতে যি সুৰেৰে আৰম্ভ কৰিছে, যথেষ্ট ৰসাল কাহিনী এটা শুনিবলৈ আশা কৰিব পাৰি; আৰু প্ৰভাতৰ যি স্বভাৱ, চমুকৈ শেষ কৰিব বুলি আশা কৰিব নোৱাৰি। এখন তামোল খাই লোৱা ভাল। তিলকে দুখন তামোল কিনিলে।

দুয়োটা আগবাঢ়ি গৈ আছে। প্ৰভাতে কৈ গৈ আছে। যোৰহাটৰ এঘৰ মানুহৰ চৌহদৰ ভিতৰত থকা এটা সৰু ঘৰত থাকি প্ৰভাতে বি. এ. পৰীক্ষা দিয়াৰ আয়োজন কৰিছিল। ঘৰৰ মালিক শান্তিপ্ৰিয়, নিৰ্বিকাৰ মানুহ। ঘৰটো আগতে কোনোবা বিপ্লবী ৰাজনৈতিক দলৰ কাৰ্য্যালয় আছিল; গোটেই দিনটো বিভিন্ন ধৰণৰ মানুহৰ গমন-আগমন পছন্দ নকৰি, কাৰ্য্যালয় উঠাই মালিকে ঘৰটো প্ৰভাতক দিলে। অকলশৰীয়া কলেজীয়া ল'ৰা; হাই নাই, উকমি নাই; ভাৰা দুপইচা কম পাব, সিও ভাল। প্ৰভাতে হোটেলত ভাত খায়, ঘৰটোত থাকে। প্ৰথম কেইদিনমান তাৰ নতুন অৱস্থাটোৰ লগত খাপ খুৱাই লওঁতেই গ'ল। সি সৰু ঘৰটোত তাৰ নিজৰ ভাবে থাকে; দুখনমান ভলি খেলিব পৰা মুকলি ঠাই মাজতে এৰি সিফালে মালিকৰ প্ৰকাণ্ড ঘৰ, তাত মালিক মালিকৰ ভাবে থাকে। কিন্তু এদিন ঘৰৰ গৃহিণীয়ে তাক মাতি নি পৰ্টিক'ত বহুৱাই চাহ খুৱালে।

মুখৰ পিক্ পেলাবলৈ বুলি তিলক এবাৰ বাটৰ কাষৰ নৰ্দমাৰ ওচৰলৈ আঁতৰি গ'ল, আকৌ ওচৰ চাপি আহিল।

এইটো প্ৰভাতৰ কপালৰ গুণ নে দোষ, সি ক'ব নোৱাৰে; কিন্তু যি কাৰণত সি হোষ্টেলত থাকি পাছ কৰিব নোৱাৰিলে, যি কাৰণত সি আত্মীয়-কুটুম্বৰ ঘৰত থাকিও পৰীক্ষা দিবলৈ অমান্তি হ'ল, যি কাৰণত সি হোটেলত খোৱা, জুপুৰিত থকা, নিজে ঠাই সৰা বৃত্তি লবলগীয়া হ'ল, সেই কাৰণটোৱে তাৰ পিছ নেৰিলে! প্ৰথম দিনা পৰ্টিক'ত বহি চাহ খাওঁতেই সি খোলা দুৱাৰেদি ইফালৰপৰা সিফাললৈ পাৰ হৈ যোৱা মালিকৰ জীয়েকক দেখিলে।

একান্তভাৱে নাৰীক কাষলৈ চপাই অনাৰ লগত সমাজ, চৰিত্ৰ, নৈতিকতা ইত্যাদিৰ কিমান কি সম্বন্ধ আছে প্ৰভাতে কেতিয়াও ভাবি চোৱাৰ অভ্যাস কৰা নাই, কিন্তু পৰীক্ষাটো পাছ কৰিবলৈ অলপ ত্যাগ স্বীকাৰ কৰাৰ কথা সি কিছুদিনং আগৰেপৰা ভাবিছিল। সেই কাৰণে চাহ খাই উঠি নিজৰ ঘৰটোৰ ভিতৰ সোমাই সি কিছু সময় ইফালৰপৰা সিফালে পাৰ হৈ যোৱা ছোৱালীজনীৰ কথা ভাবিলে;—বেচ ধুনীয়া! কিন্তু "নাই নাই, এইবোৰ চব বাদ"—বুলি সেইদিনা সি পৰীক্ষা যে পাছ কৰিবই লাগিব সেই প্ৰতিজ্ঞাকে দৃঢ়তৰ কৰিলে।

"কিন্তু বুইছ তিলক," প্ৰভাতে কৈ গ'ল, "ছোৱালী জাতিটোৰ ওপৰত মোৰ একেবাৰে সস্তীয়া ধাৰণা। মোৰ স্বাস্থ্য আৰু চেহেৰাই মোক কিমান সহায় কৰিছে মই ক'ব নোৱাৰোঁ, কিন্তু মই ক'তো হাৰ মনা নাই। ক'ৰবাত হয়তো দহখন ছিনেমাৰ টিকেটৰ খৰচ ভৰিব-লগীয়া হৈছোঁ, ক'ৰবাত হয়তো অত্যন্ত কষ্ট কৰি সাহিত্য-সংগীত, আৰ্ট-পলিটিক্‌ছৰ আলোচনা কৰিবলগীয়া হৈছোঁ, কিন্তু ক'তো মই পৰাজিত হোৱা নাই।"

তিলকে হো হো কৈ হাঁহি দিলে। তাৰ মুখৰপৰা তামোলৰ টুকুৰা চিটিকি পৰিল।

"তই হাঁহিছ? হাঁহ। দিনে ওঠৰ ঘণ্টাকৈ পঢ়া বুজ,—তই কিটো বুজিবি? একোজনী ছোৱালীৰ ওচৰলৈ মই যিমান সহজে চাপি গৈছোঁ, সিমান সহজেই আঁতৰি আহিছোঁ। "কি কৰিলে প্ৰভাতদা, মোৰ কি হ'ব বুলি" উচুপি উচুপি কন্দা ছোৱালীয়েও তুমাহৰ পাছত বাটত লগ পাই "পাহৰি গ'ল নহয়?" বুলি নীৰৱ নিমন্ত্ৰণ কৰা মই পাইছোঁ। —বাক সেইবোৰ বাদ দে। কিন্তু এই মালিকৰ জীয়েকজনীৰ আদব-কায়দা একেবাৰে বেলেগ দেখিলোঁ বুইছ! চাৰিসীমাৰ ভিতৰতে যে মই মানুহটো আছোঁ, তালৈ তাইৰ ভ্ৰূক্ষেপেই নাই। পৰ্টিক'ৰ ছিৰিত ভৰি দি মই খবৰ কাগজখন খোজোঁ। ভিতৰলৈ গৈ তাই বনকৰা ল'ৰাটোৰ হাতত কাগজখন দি পঠায়! বাটলৈ চাই অকলশৰে চকীত বহি থাকে, মই চোলাৰ বুটাম মাৰি মাৰি ঘৰটোৰপৰা আগফালৰ বননিডোখৰলৈ ওলাই আহিলেই এনেধৰণে ভিতৰলৈ গুচি যায় যেন হঠাতে বহুত পৰৰ আগতে জুইৰ ওপৰত তুলি দি অহা গাখীৰখিনিলৈ মনত পৰিল! প্ৰথমে বৰ আচৰিত হ'লোঁ বুইছ! বাক বহু, কিমান পানীৰ মাছ চাম! পৰীক্ষাটো দি লওঁ। পুৰা এমাহ পঢ়িলোঁ। পঢ়িবলৈ, কিয় ক'ব নোৱাৰোঁ—উৎসাহো পালোঁ। পৰীক্ষাও ভাল হ'ল।"

তিলকে আকৌ এবাৰ লাহেকৈ হাঁহিলে। তালৈ চাই প্ৰভাতে সুধিলে, "হাঁহিলি কিয়? অ', এমাহ পঢ়ি পৰীক্ষা ভাল কৰাৰ কথা শুনি? তইঁতৰ নিচিনা পাইছনে কি? তেতিয়া হোষ্টেলত মই পঢ়া-শুনা নকৰিলোঁ কাৰণেতো তই, ভবেশ, বন্ধ—এই এটাইজাকে তিৰ্থিলমিলাব পাৰিলি। মই পঢ়িবলৈ লোৱা হ'লে এটায়ো পাত্তা নাপালিহেঁতেন। বাদ দে। পৰীক্ষাৰ পাছত ঘৰলৈ নগ'লোঁ। ছোৱালীজনীৰ ভাব-ভংগীয়ে মোৰ জিদ বঢ়াই দিলে। কোনো ছোৱালীৰ লগত কেতিয়াও মোৰ মাৰিবলগীয়া হোৱা নাছিল, এইবাৰ মাৰিলোঁ। তোক কৈছোঁৱেই মই পিছ হুঁহকি অহা ল'ৰা নহওঁ। এইবাৰো নাহিলোঁ।"

তিলকে উৎসুক দৃষ্টিৰে প্ৰভাতৰ মুখলৈ চালে; একান্ত মনেৰে তাৰ কথাবোৰ শুনিলে, যেন ৰেডিঅ'ৰ বাতৰিত তাৰ পৰীক্ষাৰ ৰিজাল্টহে দিব।

প্ৰভাতে কৈ গ'ল, "এদিন গৃহিণীয়ে দুপৰীয়া কেৰম খেলিবলৈ মাতিলে। পিছ দিনা ছোৱালীজনীৰ লগত চাহ, লুচি আৰু আলু-ভাজিৰ বাজি ৰাখি কেৰম খেলিলোঁ! বেষ্ট অফ্ থ্ৰি। ষ্ট্ৰেইট্ ছে'টত জিকিলোঁ।"

কথাৰ লগে লগে প্ৰভাতে এটা টিলিকি মাৰিলে। যিটো চেপা মাতেৰে সি ইমান পৰে কথা কৈ আছিল সেই মাত সলনি কৰিলে। দীঘলকৈ উশাহ এটা টানি দীঘলকৈয়ে নিশাহটো এৰি দিলে। যেন বহু দূৰ অকোৱা-পকোৱা ঠেক বাটেদি আহি আহি সি আহল-বহল মুকলি বাটত ওলালহি।

"তাৰ পিছৰখিনি একেবাৰে সহজ বুইছ? পিচে মই মোৰ নিজৰ বেলিকা নকৰা কাম কিছুমান কৰিবলগীয়া হ'ল। আই. এ. পৰীক্ষাত ইম্পৰটেণ্ট কুৱেচন বাছি দিবলগীয়া হ'ল; অ'ৰ ত'ৰ পৰা কিতাপ বিচাৰি বিচাৰি আনি ইণ্টাৰমিডিয়েটৰ এনছাৰ লিখি দিবলগীয়া হ'ল। ৰাতি বাৰ-এক বজালৈকে ছোৱালীয়ে পঢ়া-শুনা কৰিবলৈ ধৰিলে। মোৰ এলাৰ্ম বজা ঘড়ীটোও নি ললে। মই অকলশৰীয়া বিছনাখনত পৰি থাকোঁ, তাইৰ পঢ়াৰ গুণ্‌গুণনিয়ে মোক শুবলৈ নিদিয়ে। তাৰ পাছত কোনোবা এৰাতি বাৰ বজাৰ পাছত, জোন যেতিয়া ডুবিল, পঢ়াৰ টেবুলৰপৰা ছোৱালী উঠি আহিল সন্মুখৰ বননিখনলৈ। প্ৰথমতে তাই বৰ ভয় লাগিছে বুলি কৈছিল, কিন্তু মই অভয় দিলোঁ।"

"ডেন্‌জাৰাছ্।" তিলকে উচাপ খাই কাষলৈ জঁাপ এটা মাৰি আঁতৰি গ'ল আৰু লগে লগেই ওপৰলৈ চালে। ওপৰ মহলাৰ-পৰা কোনোৱাই ভগা বটল এটা ৰাস্তাৰ ওপৰলৈ পেলাই দিছে; আৰু পেলায়েই আঁতৰি গৈছে। তিলকহঁতে কাকো নেদেখিলে।

"মানুহবোৰৰ কাণ্ডজ্ঞান নাই নে কি?" তিলকে খং আৰু বিৰক্তিভৰা মাতেৰে ক'লে। "ভাগ্যে মোৰ তোৰ যেনিবা একো নহ'ল ; কিন্তু টুকুৰাবোৰ ইয়াতে পৰি থাকিলে কত মানুহৰ কিমান বিপদ হ'ব পাৰে!" ভগা ভগা আয়নাৰ টুকুৰাবোৰলৈ চাই তিলক বৈ গ'ল!

প্ৰভাতে ঘটনাটোৰ প্ৰতি সিমান আগ্ৰহ প্ৰকাশ কৰা নাছিল ; ক'লে, "আহ আহ, তললৈ চাই খোজ কাঢ়িলেই হ'ল।" তিলকে একো নোকোৱাকৈ খোজ ললে।

প্ৰভাতে আৰম্ভ কৰিলে, "শুন। সেই ৰাতি সেই অহংকাৰী ছোৱালীজনীক মই আগতে লগ পোৱা এটাইবোৰ ছোৱালীৰ লগত মিলাই দিলোঁ। কিন্তু কি হ'ল জান? কিয় ক'ব নোৱাৰোঁ, মোৰ কাৰণে আনবোৰ ছোৱালীৰ লগত এইজনী ছোৱালীৰ এটা পাৰ্থক্য থাকি গ'ল। তাইক মোৰ কাষলৈ চপাই অনাত মই কিছু কষ্ট কৰিবলগীয়া হৈছিল কাৰণেই নেকি, তাইক মই আন দহজনী ছোৱালীৰ নিচিনাকৈ উৰাই দিব নোৱাৰিলোঁ। তাইৰ মৰমখিনি কিবা অদ্ভুত যেন লাগিছিল। বহুত দিনৰ মূৰত এবাৰ সেইফালে গৈছিলোঁ। সিহঁতৰ ঘৰত সোমোৱা নাছিলোঁ। বাটৰপৰাই দেখিলোঁ, মই থকা ঘৰটোও নাই, আমাৰ মৰমৰ বননিখনো নাই, নতুন ঘৰ উঠিল। জীৱনত প্ৰথমবাৰৰ কাৰণে মোৰ মনটো কোমল হৈ গৈছিল ;....... আৰে দুলাল, তই ইয়াত নে কি?"

ছোৱালীজনীৰ নাম কি, এতিয়া তাইৰ কি হ'ল, তিলকে এইবোৰ সোধাৰ আগতে সিফালৰপৰা অহা কলেজীয়া দিনৰ আৰু এক বন্ধু দুলালৰ লগত সিহঁতৰ মুখামুখি হৈ গ'ল। এইবোৰ আলোচনা সিমানতে বন্ধ হ'ল ;—দুলালৰ লগত সম্বন্ধটো ইমান অন্তৰংগ নহয়।

আঠমান বজাত প্ৰভাতে তিলকৰপৰা বিদায় ল'লে। যাবৰ সময়ত কৈ গ'ল, "চাকৰিটো যদি পাওঁ, তেনেহ'লে এইবিলাক

টাউনতে ঘুৰি-পকি ফুৰিব লাগিব; নিশ্চয় লগ পাই থাকিম। আচ্ছা—" প্ৰভাতে উৰাজাহাজৰ তুৱাৰমুখত থিয় হৈ জনোৱাদি চালাম এটা জনাই গুচি গ'ল।

সেই প্ৰভাতেই এই প্ৰভাত। ডিব্ৰুগড়ত ঘৰ। যোৰহাটৰ ঘৰ মানুহৰ ঘৰৰ ওচৰতে থাকি পঢ়িছিল। মানুহ ঘৰৰ ছোৱালী-জনীক "অ'ৰ ত'ৰপৰা কিতাপ বিচাৰি বিচাৰি আনি ইণ্টাৰমিডিয়েটৰ এনছাৰ লিখি দিবলগীয়া" হৈছিল আৰু "তেওঁ ন'টবোৰ নিদিয়া হ'লে" ছোৱালীজনীয়ে "কিজানি পাছেই কৰিব নোৱাৰিলেহেঁতেন।" এই প্ৰভাতেই সেই প্ৰভাত হয়নে নহয় তিলকে ভুবাৰ ভাবিবলৈ বল গোটাব নোৱাৰিলে। আৰামী চকীখনত ধপ্‌কৈ সি বহি পৰিল। চকীখনৰ কাপোৰখন মূৰৰ কালে অলপ ফাটিছে; আনদিনা সি সাৱধানে বহে, সাৱধানে উঠে, আজি মেৰেক্‌কৈ আৰু আধা ইঞ্চিমান ফাটি গ'ল, সি মন নকৰিলে। তাৰ বুকুখন ইমানকৈ কোঁচ খাই গৈছিল যেন সি আৰু উশাহ লব নোৱাৰিব।

কিছু সময়লৈ তাৰ এনেকুৱা লাগিল, সি যেন চিঞৰি দিব-"মোৰ কি হ'ল? মই কি শুনিলোঁ?" মাজে মাজে সি বাঁও-হাতেৰে কপালখন পিহিবলৈ ধৰিলে, যেন তাৰ মূৰ কামুৰিছে,—যন্ত্ৰণাত সি অস্থিৰ হৈ উঠিছে। মূৰৰ চুলিবিলাকৰ মাজে মাজে আঙুলি সুমুৱাই ক'ব নোৱৰাকৈয়ে সি একোবাৰ আজুৰিবলৈ ধৰিলে।

ভিতৰত চন্দ্ৰা তেনেকৈয়ে থিয় হৈ আছিল। বুকুৰ ধপ্‌-ধপনিটোৰ বাহিৰে তাইৰ যেন জীৱনৰ কোনো লক্ষণেই নাছিল। এবাৰ যন্ত্ৰৰ দৰে তাইৰ হাতখনে মেখেলাখন আলনাডালৰ ওপৰত থৈ দিলে। আগৰ ভাঁজে ভাঁজে জাপিব খোজা মেখেলাখনৰ এটাইবোৰ ভাঁজ খুলি গ'ল। অপল পাছতে তাইৰ যেন চেতনা উভতি আহিল। তাইৰ মগজুত চিন্তাৰ বা-মাৰলি উঠিল। তিলকৰ কি হ'ল? বহুত দিনৰ মূৰত প্ৰভাতক দেখি তাই হতভম্ব হোৱা নাছিল, তাতকৈ বেছিকৈ উচাপ খালে তিলকে। কিয়? প্ৰভাতৰ

নাম শুনি? তাই তলৰ ওঁঠখন কামোৰ মাৰি মাটিলৈ চাই খুচৰি খুচৰি ভাবিবলৈ ধৰিলে,—অলপ আগতে প্ৰভাতৰ বিষয়ে তাই কি কি ক'লে। কিবা নক'বলগীয়া কথা কেনেবাকৈ ওলাই গৈছিল নেকি? ক'তা? তাইতো তেনেকুৱা একো কোনো নাই! কেৱল কৈছিল প্ৰভাত ককাইদেউ খুব ভাল আছিল। [illegible] "খুব ভাল" বুলি তাই কিমানৰ কথা তিলকক কৈছে। অ[illegible] তিলকক তাই চিনি পায়; গম্ভীৰে "খুব ভাল" বুলি কাৰো[illegible] প্ৰশংসা কৰিলে অন্তৰৰ কোনোবাখিনিত মোচোকা খোৱা স্বামী তিলক নহয়। তেনেহ'লে তিলকে আগৰেপৰা কিবা জানে নেকি? কেনেকৈ জানিব? তাই দৃঢ়ভাৱে বিশ্বাস কৰে জীৱনৰ এৰি থৈ অহা কেইটামান উচ্ছৃংখল দিনৰ ঘটনা কেৱল দুটা প্ৰাণীৰ মনৰ ভিতৰতে আবদ্ধ আছে। তাই সপোনতো কাকো কেতিয়াও প্ৰকাশ কৰা মনত নপৰে। দ্বিতীয় প্ৰাণী প্ৰভাত। কিন্তু প্ৰভাতক তিলকে চিনি পাব কেনেকৈ? যদি কেনেবাকৈ পায়ো, প্ৰভাতে জানো সেইবোৰ কথা প্ৰকাশ কৰিব? নাই নাই, কেতিয়াও নকৰে। প্ৰভাতে তাইক প্ৰথম দিনাই নিৰ্ভয় দিছিল। অন্ততঃ এজন সুস্থ, শিক্ষিত মানুহে এজনী ছোৱালীৰ জীৱন দুআষাৰ কথাৰে ধ্বংস কৰি নিদিয়ে। তেনেহ'লে? হয়তো তিলকে উচাপ খোৱাৰ লগত প্ৰভাতৰ কোনো সম্পৰ্কই নাই; আন কিবা কথাতো উচাপ খাব পাৰে; তাইহে সেইবোৰ কথাবোৰ মনলৈ আনিছে। হ'বও পাৰে। তাই লৰালৰিকৈ দুৱাৰমুখৰ ফালে আগবাঢ়ি গ'ল। তিলকক সুধিব, কিয় তেনেকৈ সি উচাপ খাই উঠিল।

দুৱাৰডলিটোৰ ওচৰতে তাই থমক খাই ৰ'ল। তাইৰ স্পষ্টকৈ মনত পৰিল প্ৰভাত কাকতী বুলি তিলকে তীব্ৰ চেপা মাতেৰে চিঞৰি উঠিছিল। তাইৰ অলপ সকাহ পোৱা বুকুখন আকৌ কোঁচ খাই আহিল। তিলকে প্ৰভাতক চিনি পায়, তাৰ কথা কিবা জানে। কি কি জানে? চন্দ্ৰাৰ লগত প্ৰভাতৰ কোনোবা এদিনৰ

সম্পৰ্কৰ কথা? নাই নাই নাই নাই! অকলে অকলে চন্দ্ৰাই মূৰটো জোকাৰিলে। সেই-বাৰ কথা তিলকে জানিব পাৰে বুলি এক মুহূৰ্তৰ কাৰণে বিশ্বাস কৰিব পৰাটো তাইৰ কাৰণে সন্মুখত দপ্ দপকৈ জ্বলি থকা জুইলৈ সোমাই যাব পৰাটোৰে একে কথা। ইমান সোনকালে এনে এটা তীব্ৰ, মৰ্মান্তিক সিদ্ধান্তলৈ আহিবলৈ তাই কোনোমতে সাহস গোটাব নোৱাৰিলে। জোৰকৈ তাই মনক প্ৰবোধ দিলে, হয়তো প্ৰভাতৰ গাত তিলকৰ কোনোবা দিনৰ কিবা শত্ৰুতা থাকিব পাৰে, যাৰ কাৰণে তাৰ নাম শুনিয়েই তিলক উত্তেজিত হৈ উঠিছিল। যদি সেয়ে হয়, তেনেহ'লে তাই তিলকক অতি সহজভাৱে সুধিব পাৰে, "আপুনি প্ৰভাত ককাইদেউক চিনি পায়নে কি? কি হ'ল কওকচোন।"

তেতিয়া হয়তো তিলকে ক'ব—চিনি পাওঁ মানে? সি অমুক-তমুক, মোৰ লগত সি এবাৰ এনেকুৱা ব্যৱহাৰ কৰি থৈছে; মই জীৱনত পাহৰিব নোৱাৰোঁ........ইত্যাদি।

তেতিয়া চন্দ্ৰাই ক'ব, "ইস ৰাম, এনেকুৱা মানুহ বুলি জনা নাছিলোঁ। দেখিলে দেখোন বৰ ভদ্ৰলোক যেন লাগে। এইবাৰৰ-পৰা ৰাস্তাত দেখিলে নামাতোঁ দেও! ইমান সাংঘাতিক!" —আৰু লগে লগে চন্দ্ৰাৰ বুকুৰপৰা নিজৰ দোষী মনৰ কাৰণে চপাই লোৱা অমূলক চিন্তাৰ বোজাটো নামি যাব।

চন্দ্ৰা আৰু এখোজ আগবাঢ়ি গ'ল। কিন্তু লগে লগে তাই ওচৰৰ খুটাটো হাতেৰে খামুচি ধৰিবলৈ চেষ্টা কৰিলে। প্ৰভাতৰ নামটো দ্বিতীয়বাৰ তিলকৰ সন্মুখত উচ্চাৰণ কৰাৰ কথাত তাই আকৌ এবাৰ জিকাৰ খাই উঠিল। যদি কেনেবাকৈ কেচু খানোতে সাপ ওলায়! নাই নাই, তাই নোৱাৰে। তাতকৈ তাই ধৰি লব, তিলকে এইবোৰ কথা একো নাজানে, মৃণাঙ্কৰেও নাজানে। কি কাৰণে তিলকে উচাপ খালে, তাক জানিবলৈ তাই চেষ্টা নকৰে। তাৰ আগত প্ৰভাতৰ নাম কেতিয়াও উচ্চাৰণ নকৰে। আজি নহয়,

এমাহৰ পাছত, এবছৰৰ পাছত, কোনোবা অত্যন্ত দুৰ্বল নাইবা মধুৰ মুহূৰ্তত, অতি সাৱধানে, অতি কৌশলেৰে তাই তিলকৰপৰা বাহিৰ কৰি লব পাৰিব, 'আজিৰ এই উচাপ খোৱাৰ কাৰণ কি। কিন্তু তাই এতিয়া এনেকৈ থাকিলেতো নহ'ব। তিলকৰ কিবা এটা হৈছে। সি আগফালৰ চকীখনত বহা শব্দটো তাই শুনিছে। তায়ে: যদি ভিতৰত নিৰ্বাক নিস্পন্দ হৈ থিয় হৈ থাকে, তেনেহ'লে তিলকে কি ভাবিব? যদি তিলকে কিবা বেয়া ঘটনাৰ উমান পাইছে, তেনেহ'লে চন্দ্ৰাৰ নিৰ্বাক-নিস্পন্দতাই ঘটনাটোৰ গভীৰতা বঢ়াব; "নিশ্চয় কিবা এটা আছে" বুলি ভবাত তিলকক সহায় কৰা হ'ব। সেই-কাৰণে তাই এই মুহূৰ্ত্ততে সহজ-সৰল হৈ পৰা দৰকাৰ। তিলকৰ যদি কিবা হৈছে তাই ক'ব নোৱাৰে; কিন্তু তাইৰ একোৱেই হোৱা নাই; তাইৰ মনলৈ একো ভাবেই অহা নাই। খিকিন্দালি কৰি কৰি পূজা চাবলৈ গৈছিল, প্ৰভাত নামেৰে চিনাকী মানুহ এজনক লগ পাইছিল, ঘৰলৈ উভতি আহিছে, এতিয়া আকৌ আগৰ মানুহজনী, ইয়াৰ মাজত একো নাই।

চাদৰখন তাই ঠিককৈ ললে আৰু লগে লগে ব্যস্ত হৈ উঠিল, যেন কাপোৰ সলাওঁতেহে তাইৰ বহুত পলম হ'ল। লৰালৰিকৈ তাই মাজৰ কোঠালীটোলৈ আহিল; মাতত অলপো কঁপনি নথকাকৈ, অলপো জড়তা নথকাকৈ তাই ডাঙৰকৈ সুধিলে, "কলৈনো গ'ল হয়নে? লেমটোনো ইমান কমাই থৈছে কিয়? ইস্ নেদেখিছা! এদিন গধূলি লেম জ্বলাবলৈ পায়েই তেলৰ খৰচ কমাবলৈ মনত পৰিল!" লেমটোৰ অকণমান চকাটোত তাই এটা পাক মাৰি দিলে, সাধাৰণতে যিমানকৈ জ্বলে, তাতকৈ বেছিকৈ লেমটো জ্বলি উঠিল।

চন্দ্ৰাৰ সহজ-সৰল ৰসিকতাত এন্ধাৰৰ মাজতে তিলক দ্বিতীয়-বাৰ উচাপ খাই উঠিল। চন্দ্ৰাই কি কৈছে, সেইবোৰ সি ধৰ্তব্যৰ মাজলৈ নানিলে; কেৱল সি ভাবিলে তাই হয়তো এতিয়া তাৰ

ওচৰলৈ আহিব। সি মনৰ সকলোখিনি জোৰ একেলগ কৰি বাঞ্ছা কৰিলে, তাই এতিয়া তাৰ ওচৰলৈ নাহক। এই মুহূৰ্তত চন্দ্ৰাক ওচৰত সহ্য কৰাটো হত্যাকাৰী পুতেকৰ ফাঁচীৰ খবৰ থকা খবৰ কাগজখন মাকে মেজত পাৰি লোৱাৰ নিচিনা। সি ইচ্ছা কৰিলে, সি যেন সেই ঠাইতে লাহে লাহে সৰু হৈ নাইকিয়া হৈ যাওক, চন্দ্ৰাই যেন তাক বিচাৰি নাপাওক, তাক যেন আহি একো নোসোধক। তাইৰ লগত সি কি কথা পাতিব, কথাৰ কি উত্তৰ দিব সি ক'ব নোৱাৰে।

চন্দ্ৰা আহিল। প্ৰথমতে তাই দুৱাৰৰ পৰ্দাখন হাতেৰে আঁতৰাই ধৰিলে; ভিতৰৰ লেমৰ পোহৰৰ অলপমান বাৰান্দাত পৰিল; তাৰ পোহৰতে তাই মন কৰিলে, তিলক বহি আছে। দীঘল উশাহ এটাৰে আৰু অলপ সাহ বুকুলৈ টানি নি তাই আগবাঢ়ি আহিল; ক'লে, "অ' আই, এন্ধাৰে-মুধাৰে কেনেকৈ বহি আছে! লেমটো আনি দিওঁ নে কি?"

"নাই নাই, নালাগে।" তিলকে সন্ত্ৰস্ত হৈ চিঞৰি দিলে, যেন নায়ক-নায়িকাই নিজ নিজ ঠাইত, নিজ নিজ ভংগীত থিয় হোৱাৰ আগতেই কোনোবাই ড্ৰপছিনখন তুলি দিব খুজিছিল।

চন্দ্ৰাই ক'লে, "তেনেহ'লে এন্ধাৰতনো কি কৰিছে?"

তিলক নিস্তব্ধ হৈ ৰল।

তাৰ চুলিবিলাকৰ মাজত বাঁওহাতৰ আঙুলিকেইটা ভৰাই লাহেকৈ জোকাৰ এটা মাৰি চন্দ্ৰাই সুধিলে, "শুনিছে? কিনো হ'ল আপোনাৰ?"

চুলিৰ মাজত আঙুলিবিলাক তিলকৰ অসহ্য লাগিছিল। তাইৰ কথাবিলাক সি মন কৰিব খোজা নাছিল; কেৱল ক'লে, "একো হোৱা নাই।" যেন গুৰুতৰ পৰীক্ষা দিবলৈ ওলোৱা পৰীক্ষাৰ্থী এজনক মানুহবোৰে "শুভলাক" দিবলৈ আহি অপকাৰ আৰু বিৰক্ত কৰিছে আৰু তাৰ উত্তৰত কৃত্ৰিম হাঁহি এটাৰে সি

কেৱল কৈছে "থেংক ইউ!" তাৰ কথাৰ সুৰত চন্দ্ৰা এক মুহূৰ্ত থমক খাই ৰল, তাৰ পাছত লাহে লাহে চুলিকোছা এৰি দিলে আৰু ক'লে, "অ' মই ফুৰিবলৈ গৈ পলম কৰাৰ কাৰণে খং উঠিছে নহয়?" চন্দ্ৰাই নিজেই বুজিলে, তাই জোৰ কৰি নিতান্ত অবান্তৰ কথা কৈছে।

তিলকে ক'লে, "মই বিকুৱেষ্ট কৰিছোঁ, কাইণ্ডলি মোক অলপ পৰ মনে মনে থাকিবলৈ দিয়া।"

ঠিক লগে লগে নহয়, অলপ পৰ থিয় হৈ থাকি চন্দ্ৰা আঁতৰি আহিল। আহোঁতে অৱশ্যে সহজ সুৰেৰে কৈ আহিল, "কেনেকুৱা খন কৰে জানো? থাকক, এন্ধাৰে-মুন্ধাৰে দাৰ্শনিক হৈ বহি থাকক, আমি খান্‌চামা মানুহ পাকঘৰত লাগোঁগৈ।"

পাকঘৰত লগাৰ ভিতৰত চন্দ্ৰাই আঁঠুত থুঁতৰিৰ ভেজা দি, আধাঘণ্টাৰ ভিতৰত আলুকেইটামান কাটিলে; তাৰ পাছত তাই আকৌ তেনেকৈয়ে বহি ৰল; এসময়ত নন্দীয়ে সম্মুখৰপৰা বঠিখনে, পাছলিৰ খৰাহীটোৱে আঁতৰাই লৈ গ'ল।

কাকো ভাত খাবলৈ নতাৰ সুবিধা নিদি তিলক নিজে ভাতৰ পাতত বহিছিল। অনবৰত টেঙা এচাৰ খাবলৈ মন গৈ থকা বেমাৰীক ডাক্তৰৰ পৰামৰ্শ মতে কেৱল চাগু সিজাই দিলে যেনেকুৱা হয়, তিলকে তেনেকৈ তুগৰাহমান ভাত মুখলৈ নিলে; তাৰ পাছত উঠি গ'ল।

চন্দ্ৰাই সুধিলে, "কি হ'ল? উঠিল কিয়?"

তিলকে ক'লে, "খাবৰ মন যোৱা নাই।"

ভাত খোৱাৰ কথা চন্দ্ৰাৰো যেন মনত নাছিল। নন্দীৰ আগিদাত তিলকৰ কাঁহীখনতে বহি তাই থুপ খাই থকা ভাতখিনি গোটেই কাঁহীখনতে সিঁচি পেলালে; অলপ পৰ চিকুটি-বাঁকুহি থাকি এবাৰ তাই উঠি গ'ল।

নন্দীয়ে এবাৰ মনে মনে নিজকে সুধিলে, এইহালৰ কি

হ'ল? কৰবাত যদি কিবা খাই আহিছে, তেনেহ'লে আগতে নক'লে কিয়? তাৰ পাছত কিছু সময় সি গোজ্‌গোজাই থাকিল,—ইমানসোপা ভাত এতিয়া সি কি কৰিব? ইমানবোৰ ঠাণ্ডা ভাত কাইলৈ কোনে খাব? বহুত সময় সি ভাতসোপা আগত লৈ বহি থাকিল, তাৰ পাছত খাবলৈ বহিল। অকলে অকলে তাৰ বেয়া লাগিল। আইদেৱেকে হাত নলগোৱাৰ কাৰণেই নে কি, তৰকাৰী-চৰকাৰী একো ভাল হোৱা নাই।

"ইস্ নেদেখিছা, বৰ একেবাৰে কেঁচুৱাটো ওলাইছে, কাপোৰখনো ভালকৈ লৈ শুব নোৱাৰে"—ইত্যাদি ধৰণৰ কোনো কথা যাতে চন্দ্ৰাৰপৰা শুনিবলগীয়া নহয়, তাৰ কাৰণে ভালকৈ কাপোৰ-কানি জাপি লৈ তিলক শুলে, চন্দ্ৰা শোৱনী কোঠাত সোমোৱাৰ আগতে। চন্দ্ৰাই বহুতবাৰ তাৰ বাহুত ধৰি জোকাৰিলে, বহুতবাৰ গাৰপৰা কাপোৰ গুচাই দিলে, বাৰে বাৰে সুধিলে, "কি হৈছে কওকচোন,"—তিলকৰ একেটা উত্তৰ—"একো নাই হোৱা।"

যিবাৰ সি—"আঃ, শুই থাকাচোন, আমনি নকৰিবা"—বুলি ক'লে, সেইবাৰ চন্দ্ৰাৰ দেহ-মন জঠৰ হৈ গ'ল। কিছু সময় বিছনাতে বহি থাকি তাই গাকত মূৰ থলে।

কেইমিনিটমান চিলমিলকৈ টোপনি অহাৰ পাছতে তিলকে সাৰ পাই উঠে; বাৰে বাৰে, গোটেই ৰাতিটো। ঠিক সাৰ পাই উঠে নহয়, ইঞ্জিনৰ কয়লা জ্বলি থকা কোঠালীটোৰ দুৱাৰখন যেন কোনোবাই মেলি মেলি দিয়ে, আৰু চেৰেংচেৰেংকৈ গাৰ বুকুৰ পোৰণি উঠে। সি কেৱল ভাবিলে তাৰ কি হ'ল, সি কি শুনিলে!

পাছদিনা কেই বজাত অফিছলৈ আহিব লাগে আৰু কেই বজাত আহিল, তাৰ হিচাপ সি নাৰাখিলে; ল'ৰা-ছোৱালীবোৰে কিমান কিতাপ ওভোতাই দিলে, কিমান কিতাপ 'ইছু' কৰা হ'ল তালৈ মন নকৰিলে। চকীখনত বহি মাজে মাজে সি বাহিৰলৈ চাই ৰ'ল, মাজে মাজে দুইখন হাত মুঠি মাৰি মেজৰ ওপৰত থৈ, তাৰ ওপৰত

কপালখন দি সাৰমুৰ নোহোৱাকৈ বহি ৰল ; মাজে মাজে কলমডাল হাতত লৈ সম্মুখৰ কাগজখন অজস্র হিবি-জিবি আখৰেৰে ভৰাই পেলালে, যেন তাৰ মনৰ নিষ্ঠুৰ যন্ত্রণাখিনি কাগজখনকে বুজাবলৈ চেষ্টা কৰিলে।

সি ধৰি ললে, আৰম্ভ নকৰোঁতেই তাৰ জীৱন জহিখহি গ'ল। যি কেইদিন সি জীৱনৰ অমিয়া বিচাৰি পালে, তাৰ প্রত্যেকটো দিনেই ভুৱা ; এনেকুৱা কেইটামান দিনৰ তাৰ কোনো প্রয়োজন নাছিল। কোনোবা এটা বেকাৰে যেন ইলেক্ট্রিক মেচিন দেয়া হোৱা দিনকেইটা পাংখা টনাৰ কাম কৰিলে ; যি কেইটা পইচা পালে তাতকৈ বহুগুণে তীব্র গাঁঠি বিষৰ বেমাৰ লৈ মেচিন ভাল হোৱাৰ দিনা গুচি আহিল। কিয় তাক চন্দ্রাই ঠগিলে ? সিতো এইবোৰ ঠগ প্রবঞ্চনাৰ মাজলৈ যোৱা মানুহ নহয়! তাই তাৰ জীৱনলৈ আহিল কিয় ? তিলকে তাইৰ লগত প্রেম কৰা নাছিল : ক'ৰবাৰ দশমী মেলাত দেখা পাই, ঠিকনা বিচাৰি বিচাৰি সিহঁতৰ ঘৰ উলিয়াই, মাক-দেউতাকৰ আগত মিহি মিহি কথা-বতৰা আৰম্ভ হৈছে, তাক ছোৱালীৰ ফটো দেখুৱা হৈছে, কইনাৰ বাপেকে তাৰ সোঁৱৰণী খোজাই নিছে, বিয়াৰ খৰচৰ কাৰণে দস্তুৰমতে সি টকা ধাৰ কৰিছে, ছ-অনা ওজনৰ সোণৰ আঙঠি পিন্ধাই বিয়াৰ তাৰিখ ঠিক কৰিছে, তাৰ বংশৰ সোতৰ ওঠৰজন বুঢ়াই হোমৰ থলীত গোটেই নিশা টোপনি খটি কৰিছে। ইমানবিলাক সুবিধা থকা সত্বেও, সময় থকা সত্বেও, তাই আপত্তি নকৰিলে কিয় ? দেহ-মন যদি কাৰোবাক উছর্গা কৰি থৈছিল, তেনেহ'লে এজন অচিনাকী মানুহৰ লগত বিয়াৰ প্রশ্নত প্রথম দিনাই তাই ঘোৰ অসন্মতি প্রকাশ নকৰিলে কিয় ? ছোৱালী মানুহ, পিতৃ-মাতৃৰ অধীন, দুর্বল, এযাৰ মুখ খুলি কথা কোৱাৰ সামর্থ্য বা স্বাধীনতা সিহঁতৰ নাই ; যি মাক-বাপেকৰ আদৰ-চেনেহ, লালন-পালনত ডাঙৰ-দীঘল হৈছে তেওঁলোকৰ মনত কষ্ট দিবলৈ, তেওঁলোকৰ মতৰ বিৰুদ্ধে যাবলৈ

সাহ আৰু মনৰ বল নাই; ভাল কথা, তিলকেও বিশ্বাস কৰে; কিন্তু যদি ইমান দুৰ্বলেই হোৱা, তেনেহ'লে সকলোৰে অলক্ষিতে, মনে মনে, মানুহক প্ৰশ্ৰয় দিয়া কিয়? যি মুখৰ ভাষা হেৰাই যায়, যি অন্তৰ দুৰ্বল, যি অন্তৰ পিতৃ-মাতৃৰ মনোৰঞ্জনৰ কাৰণে কাতৰ হৈ উঠিব পাৰে, সেই মুখত মনে পাতি লোৱা প্ৰিয়জনৰ ওচৰত নিৰ্জন পৰিবেশত অনৰ্গল মিঠা মিঠা কথা ওলাই কিয়? গোপন প্ৰেমৰ অভিযান চলাবলৈ সেই অন্তৰত সাহ গোট খায় কৰপৰা? শেষ সংগ্ৰামত যুঁজিব পৰা সম্বল গোটাই লব পাৰিবানে নোৱাৰা, সেইবোৰ চিন্তা নকৰাকৈ তিলে তিলে লোকক ওচৰ চপাই আনা কিয় বা ওচৰ চাপি যোৱা কিয়?

কেঁচা মনৰ ল'ৰা-ছোৱালীয়ে কিতাপৰ মাজত চিঠি দিয়া-দিয়ি কৰা ধৰা পৰিলে দেউতাকৰ মাৰ খাই প্ৰেমক নমস্কাৰ কৰাৰ লগত তোমালোকৰ কি পাৰ্থক্য থাকিল? প্ৰভাতক মই চিনি পাওঁ; তুমিতো নোপোৱা! প্ৰভাতে তাৰ জীৱনত লগ পোৱা আন দহজনী ছোৱালীৰ নিচিনাকৈ হয়তো তোমাৰ কথাও চিন্তা নকৰে। তোমাক কোনোবাই বিয়া কৰি লৈ যোৱাৰ দিনা সি হয়তো ১৯৫৬ চনত প্ৰডাক্চন কিয় কমিল তাৰ বিষয়ে কলিকতীয়া কোম্পানিৰ মেনেজিং ডিৰেক্টৰৰ লগত আলোচনা কৰি থাকিব। তুমিতো প্ৰভাত মানুহ-টোকে নাজানা! কিন্তু সি প্ৰভাত নহৈ যদি আন এটা ল'ৰা হ'ল-হেঁতেন যি কাৰোবাক এবাৰ কথা দি সেই কথা দিনে-ৰাতিয়ে, প্ৰতি বিন্দু তেজেৰে সমৰ্থন কৰি থাকে, আৰু সেই কথা ৰাখিব নোৱাৰিলে তিলে তিলে ক্ষয় হ'বলৈকো সাজু হৈ থাকে, তেনেহ'লে তুমি কি কৰিলাহেঁতেন? মোক বিয়া কৰাই, মোৰ বুকুত আশ্ৰয় লৈ তুমি শান্তি পাবা, হয়তো কিছুদিনৰ পাছত আলফুলীয়া কেঁচুৱা এটা বুকুত লৈ এজনী সম্পূৰ্ণ নাৰী হৈ সকলো পাহৰি যাবা, কিন্তু সেই ধ্বংস কৰি থৈ অহা জীৱনটোৰ কাৰণে অকণমান কান্দিবলৈ কাক ৰাখি থৈ আহিলা? নে তেনেকুৱা অন্তৰ ঢালি মৰম কৰিব পৰা

মানুহ নাই বুলি ভাবিছা? নে তুমি নিজে সেই দলৰ ছোৱালী, যি দলে যেই কোনো সক্ষম পুৰুষৰ বাহুৰ মাজত নিজকে সৰ্বতোভাৱে এৰি দিয়াকে প্ৰেম বুলি বুজে?

তিলক হঠাতে পোন হৈ ৰহিল; সি কপালখন আঙুলিৰে পিহিবলৈ ধৰিলে। অলপ দূৰৰপৰা এছিষ্টেন্ট লাইব্ৰেৰিয়ানজনে সুধিলে, "কি হ'ল?" তিলকে কেৱল মূৰ জোঁকাৰিলে, একো হোৱা নাই। সি জীৱনত কাকো কথা দিয়া নাছিল, কাকো ওচৰ চপাই লোৱা নাছিল। নাছিল এই কাৰণে নহয় যে সি তপোবনত থাকি বেদ-বেদান্ত চৰ্চা কৰি দিন কটাইছিল। সিও কলেজত পঢ়িছিল, সিও সমাজৰ মাজত বাস কৰিছিল, সিও সমৰ্থবান, ধুনীয়া ডেকা আছিল, কামনাই তাক বাউল কৰিছিল। আনন্দময় দিন কিছুমানৰ আঁকোৱালি লবলৈ সিও বহুত দিন আগুৱাই যাব খুজিছিল। কিন্তু যি আনন্দৰ শেষফলে তাৰ বহুত অন্তৰংগ বন্ধুৰ জীৱনলৈ ঘোৰ জটিলতা আনিছে, যি আনন্দৰ শেষফলে তাৰ বহুত পবিত্ৰ অন্তৰৰ বন্ধুক কন্দুৱাই মাৰিছে, তেনেকুৱা আনন্দত আগ-গুৰি নিচিন্তাকৈ জঁাপ মাৰি নিদিয়াৰ ধৈৰ্য্য তাৰ আছিল। বন্ধুৰ মুখত কোনোবা সঙ্গিয়াৰ প্ৰেমমুখৰিত কাহিনী শুনি "তইঁতৰেই দিন ভাই" বুলি সিও বহুত নিশা আক্ষেপ কৰিছে। কিন্তু সেই বন্ধুকেই ওপৰ মহলাৰপৰা জঁপিয়াই মৰিব খোজোঁতে ৰক্ষা কৰি সি শিয়ৰি উঠিছে: "নালাগে, নালাগে, এনেকুৱা আনন্দ নালাগে" বুলি নিজৰ নিজঞ্জাল জীৱনটোক নিজে প্ৰশংসা কৰিছে। এজনী ছোৱালী বিয়া কৰাই তাৰ পাছত মৰম কৰিম বুলি, মনীষী হোৱাৰ মতলবত সি বহি থকা নাছিল; কিন্তু তাৰ কাৰণে যাতে কাৰো অপকাৰ নহয়, কোনো যাতে তাৰদ্বাৰা প্ৰতাৰিত নহয়, তাৰ কামনাৰ জুইত পাখি পুৰি কোনো যাতে জীৱনলৈ পংগু নহয়, তাৰ কাৰণে যিখিনি সংযমৰ প্ৰয়োজন, সেইখিনি তাৰ আছিল। কেৱল এজনকে দেহ-মন অৰ্পণ কৰিব খোজাটো মহামানৱৰ নিদৰ্শন

নে মান্ধাতা আমোলৰ অন্ধ নৈতিকতা সেইবোৰ আলোচনা কৰি সিদ্ধান্তলৈ অহাৰ তাৰ প্ৰয়োজন নাছিল; কিন্তু নিজে সাত ঘাটৰ ঘোলা পানী খাই লোকৰপৰা গংগাজল বিচৰাৰ ভণ্ডামীক সি ঘিণ কৰিছিল। সি প্ৰভাতৰ নিচিনা নহ'ল। হ'বলৈ যে বিচৰা নাছিল তাক সি জোৰ দি ক'ব নোৱাৰে। প্ৰভাত যিটো পৰিবেশত আছিল, তেনে পৰিবেশলৈ নোযোৱাৰ কাৰণেই হওক, তাৰ স্বভাৱৰ কিবা দৃঢ়তাৰ কাৰণেই হওক, সি হ'ব নোৱাৰিলে। দুৰ্বল মুহূৰ্তবোৰৰপৰা সি সৌশৰীৰে সাৰি আহিল। কামনা-বাসনাক মানুহে ফাঁকি দিব নোৱাৰে, প্ৰভাতে ফাঁকিও দিয়া নাছিল; কিন্তু তিলকৰ নিচিনা মানুহতো সাৰিও আহিব পাৰে! চন্দ্ৰাক কোনে শিকালে যে কোনোবা মাজনিশা আপোনতম কৰি লোৱা মানুহজনৰ কোনো খবৰ নোলোৱাকৈ, হোমৰ জুইৰ আগত আন এজন মানুহৰ হাতৰ মুঠিত হাত এৰি দিয়াত একো বৈচিত্ৰ্য নাই? কোনে তাইক ভাৰসা দিলে, "চিন্তা নাই—যি কোনো পুৰুষৰ বুকুত আশ্ৰয় পাবা, প্ৰভাত কিবা এটাহেনে, হাজাৰ হাজাৰ, প্ৰত্যেকেই;"········? পূজাঘৰৰ কোলাহলৰ মাজত লগ পোৱা মানুহটোৰ খবৰ, গধূলি ধূনা জ্বলাই থকা মানুহ এটাক ঘৰত জুই লগা চাই অহা সক ল'বাৰ দৰে উচ্ছ্বসিত হৈ দিব পৰাৰ কাৰণে যি নিৰ্ভীকতাৰ দৰকাৰ, সেইখিনি তাই ক'ত পালে?

তিলকে তলৰ ওঁঠখন কামুৰি ধৰিলে। সুধিব চন্দ্ৰাক আজিয়েই. সি পোনে পোনে সুধিব—দুটা প্ৰাণী গোট খাই সংসাৰ পতাৰ মানে তাই কি বুজে? বিবাহিত জীৱনক বৈচিত্ৰ্যহীন বুলি তাই ধৰি লৈছে নেকি আৰু অতীতৰ বৈচিত্ৰ্যময় জীৱনেত শিকা লুকাভাকু খেলাৰে এতিয়াও জীৱনক সতেজ কৰি ৰাখিব লাগে বুলি তাইৰ কিবা ধাৰণা আছেনে কি, তাইক আজি সুধিব।

তিলক উত্তেজিত হৈ উঠিল।

পিয়ন নীলকান্তই সুধিলে, "ছাৰ, চাহ নাখালে দেখোন? ঠাণ্ডা হৈ গ'ল।"

চাহ পিয়লালৈ চাই "অঃ" বুলি সি শব্দ এটা কৰি হাত মেলিলে, নীলকান্তই ক'লে, "বৰ গৰম কৰি আনো।"

তিলকে একে সোহাই গোটেই চাহ পিয়লা পি থলে। নীলৰ মুখলৈ চাই সি দেখিলে, সি হাঁহিছে। তাৰ এনেকুৱা লাগিল, সিও যেন তাৰ লগতে অলপ হাঁহিব পৰা হ'লে ভাল পালেহেঁতেন।

নাই, সি মৰি গ'লেও চন্দ্ৰাক একো সুধিব নোৱাৰে, এনেকুৱা দুৰ্দান্ত সাহ তাৰ নাই। নিতান্ত অসাৱধানতাবশতঃ চকুৰ আগতে সাতখন নতুন কিতাপৰ ওপৰত এবটল চিয়াহী বগৰাই দি ক'লা কৰি পেলাওঁতেও সি পিয়নটোক এষাৰ টান কথা ক'ব নোৱাৰিছিল। কোনোবাই কাৰোবাৰ জেপৰপৰা পইচাৰ বেগটো লাহে লাহে উলিয়াই নিয়া চকুত পৰিলে ভয় তাৰহে লাগে; যদি ধৰা পৰে জেপ-লুককাটোৰ কি গতি হ'ব। কেনেবাকৈ মুখে-চুখে বল পৰিব বুলি ফুটবল খেলাৰ দৰ্শকৰ আগশাৰীত বহিবলৈ সি ভয় নকৰে; কিন্তু য'ত অন্তৰৰ লাজ, কষ্টৰ প্ৰশ্ন আছে, ত'ত সি অত্যন্ত লাজুক, অত্যন্ত কাতৰ। চন্দ্ৰাক এইবোৰ কথা সোধাৰ প্ৰশ্নই নাই, তাইৰ চকুলৈ চাবলৈ আজি তিলকৰ লাজ লাগিব, সাহ নহ'ব।

চন্দ্ৰাৰ আগত সি মুখেৰে মাত মাতিব নোৱাৰিলে। যিখিনি সময় সি ঘৰত থাকিল, আলেঙে আলেঙে ফুৰিলে। বেছিভাগ সময় বাটৰ ফালৰ বাৰাণ্ডাত বহি কটালে, যাতে বাটৰ মানুহে তাক দেখি থাকে; ভিতৰত থকা সময়খিনি নন্দীক কিবা সূত্ৰত ওচৰতে ৰাখিলে, যাতে তৃতীয় পক্ষৰ উপস্থিতিত ওলাব নলগীয়া কথা নোলায়। দুদিনতে তাৰ চেহেৰা সলনি হৈ গ'ল, মুখ বিবৰ্ণ হৈ গ'ল।

তিলক নথকা সময়খিনিত চন্দ্ৰাই কেতিয়াবা ইটো কোঠালীৰ-পৰা সিটো কোঠালীলৈ এনেয়ে অহা-যোৱা কৰি থাকে; কেতিয়াবা

সামান্য আশ্ৰয় পালেই মূৰটো পেলাই ভাবি থাকে, যেন ন-বোৱাৰীয়ে বৰ দামী নেকলেছ এডাল ক'ৰবাত থৈ পাহৰিলে, মনতো পেলাব পৰা নাই, অথচ কাকো ক'বও পৰা নাই। তিলক ঘৰলৈ অহাৰ লগে লগে তাই প্ৰাণপণে সহজ মানুহজনী হ'বলৈ চেষ্টা কৰে; জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন কৰে।

মামলা-মোকৰ্দমা মনে-প্ৰাণে ঘিণ কৰা, অথচ পৈত্ৰিক সম্পত্তি ৰক্ষা কৰিবলৈ কাছাৰীৰ উকীলৰ সম্মুখত থিয় হোৱা মানুহৰ দৰে চন্দ্ৰাৰ প্ৰশ্নবোৰত তিলকে ভীষণ অস্বস্তি অনুভৱ কৰে। সি কেৱল এটা কথাকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিলে,—তাৰ একো হোৱা নাই।

চন্দ্ৰাই সুধিলে, "কিবা কথাত আপোনাৰ যদি কষ্ট হৈছে তেনেহ'লে তাৰ ভাগ মই পাব নালাগে নেকি? মোকতো এনেকৈ আঁৰ কৰিব নাপায়!"

নন্দী ওচৰত নাছিল। কথাষাৰ কৈ কৈ চন্দ্ৰাই সম্মুখৰ ফালে হাউলি চকীত বহী থকা তিলকৰ একেবাৰে মুখৰ ওচৰত মুখ ৰাখিলে, যেন বহুত দিনৰ আগতে চুম্বক বুলি জনা লোহা এটুকুৰা এতিয়াও চুম্বক হৈ আছেনে নাই চাবৰ কাৰণে আন এটুকুৰা লোহা ওচৰলৈ আনিলে। তিলকৰ ওঁঠৰ ইমান ওচৰৰপৰা ওঁঠ ওভোতাই নিয়াৰ কথা চন্দ্ৰাৰ মনত নপৰে।

তিলকে মুখখন ঘূৰাই নিলে। অতি ক্ষীণ মাতত, এটা এটাকৈ তাৰ মুখৰপৰা শব্দকেইটামান ওলাই আহিল, "একেবাৰে অৰ্ধাংগিনীৰ নিচিনাকৈ কথা কৈছা!"

চকুকেইটা সৰু সৰু কৰি, কপালখন থূপ খুৱাই চন্দ্ৰা একমুহূৰ্ত ৰল, যেন শব্দকেইটা কৰপৰা আহিছে তাই ধৰিব পৰা নাই। তাৰ পাছত তাই পোন হ'ল। নিষ্ফল হৈ উভতি অহা ওঁঠ দুখন যেন অকণমান কঁপিল। চকীখনৰ ওচৰৰপৰা আঁতৰি গৈ তাই গোটেই গাৰ ভেজাটো খুটা এটাত দিলে। লাহে লাহে তাইৰ চকু দুটা

চলচলীয়া হৈ আছিল, নাকৰ পাহি দুটা ফুলি ফুলি উঠিল। তাৰ পাছত খুটাটোত কপালখন থৈ তাই কান্দিলে; নিঃশব্দে, অবিৰাম, অবিশ্ৰান্ত বৰষুণৰ দৰে চকুপানী বোৱাই। তিলক উঠি আহিল। ঘৰৰ ভিতৰত নৰ'ল। একেবাৰে বাট পালেহি।

চন্দ্ৰাৰ এই কান্দোনৰ কি অৰ্থ হ'ব পাৰে? কি আচৰিত এই নাৰী জাতিটো! সিহঁতে জীৱনত কিমানবাৰ কান্দে? তিলকৰ অভিজ্ঞতা নাই, শুনিছে; ইহঁতৰ চকুপানীত বোলে বিষ আছে, অমৃত আছে। ইহঁতৰ চকুপানীয়ে হেনো চাওডাঙৰ উদ্যত অস্ত্ৰকো কঁপাব পাৰে। কিন্তু আটাইতকৈ ৰহস্যময় কথা হ'ল ইহঁতে যেতিয়াই তেতিয়াই কান্দিব পাৰে। নিৰুদ্দিষ্ট ৰাজকুমাৰৰ পবিত্ৰ স্মৃতিত বছৰৰ পাছত বছৰ কান্দি কান্দি উন্মাদ হ'ব পাৰে, আৰু দ্বিতীয় প্ৰেমিকক চাৰি বজাত লগ পোৱাৰ বন্দোবস্ত থাকিলে প্ৰথম প্ৰেমিকক তিনি বজাত পানী টুকি টুকি বিদায় দিব পাৰে। ইহঁতৰ চকুপানীয়ে বহুতৰ জীৱনৰ পথ পিছল, বোকাময় হৈছে।

তিলক ভোল যোৱা সৰু ল'ৰা নহয়, অন্ততঃ মোহত অন্ধ নহয়। সি আহি আহি বিস্কুট কোম্পানিৰ ওচৰৰ জনবহুল চাৰিআলিটো পাইছিল, তাতে তাৰ চিঞৰি দিবৰ মন গ'ল—মিছা, সকলো ভুৱা।

কিন্তু, চন্দ্ৰাৰ কান্দোনতো সি আগতেও দেখিছে! তেতিয়াতো তাৰ এনেকুৱা বিষাক্ত ধাৰণা হোৱা নাছিল! তিলকৰ মাক আৰু দেউতাকৰ ফটো দুখন ধূলি-মাকতি লাগি লেতেৰা হৈছিল; চন্দ্ৰাক নমাই, মচি আকৌ তুলি থবলৈ কৈছিল। সেই সময়তে আকৌ চন্দ্ৰাই তিলকৰ কাৰণে তিনিদিনত ছুৰেটোৰ এটা গুঁঠি উলিয়াব পাৰিব বুলি তাৰ লগত বাজী মাৰিছিল। তিলকে বাজীৰ কথা পাহৰি গ'ল আৰু চন্দ্ৰাই পাহৰিলে ফটো মোচাৰ কথা। দুদিনমানৰ পাছত তিলকে ফটো দুখনলৈ আঙুলিয়ালে, চন্দ্ৰাই পাহৰি আছে আৰু সময় পোৱা নাই বুলি দুটা কাৰণ দেখুৱালে। কোনো খং বা বেঁকা ভাব মনত নৰখাকৈ তিলকে সুধিলে, "তোমাৰ যদি কামৰ হেঁচা

বেছি হৈছে আৰু এটা সৰু ল'ৰা বা এজনী ছোৱালী ৰাখিম নেকি কাম-বন কৰিবলৈ?" সেইদিনা চন্দ্ৰাই বহুত সময় নমতা নোবোলাকৈ থাকি পাছত কান্দিছিল। তিলকে যেন এজনী গৃহিণী হিচাপে তাইৰ ওপৰত অনাস্থা প্ৰকাশ কৰিছিল। সেইদিনা তিলকে তাইক বহুসময় বুকুৰ মাজত লৈ মৰম কৰিছিল, বুজাইছিল যে তাইক পোৱাৰ পাছত তাৰ একোৰে অভাৱ অনুভৱ হোৱা নাই।

অনুভৱ কৰিবলৈ চন্দ্ৰাই সুবিধা দিয়া নাই; তাই আহিবৰেপৰা তিলকে কোনো দিনেই ঘৰুৱা জঞ্জালৰ কথা চিন্তা কৰা নাই; বুটামৰ অভাৱত চোলাত আলপিন মাৰি অফিছলৈ যোৱা নাই; বাহুত অকণমান ফাটিলেই চোলা নন্দীক দি দিয়া নাই; লেতেৰা গেঞ্জি আলনাৰ চুকত থুপ খোৱা নাই; খালী বাবাগাখন এৰি অফিছলৈ ওলাই যাবলগীয়া হোৱা নাই, চন্দ্ৰা সদায় পিছে পিছে ওলাই আহিছে; পিঠিত যদি সামান্য কুটা এডালো পৰি আছে, বাবাগা এবাৰ আগতে চন্দ্ৰাই টোকৰ মাৰি একৰাই দিছে; অফিছৰপৰা আহি খালী বাবাগাত উঠিবলগীয়া হোৱা নাই, চন্দ্ৰাই বাট চাই বৈ আছে, সুধিছে, "ছাতিটোযে হাতত ওলোমাই লৈ আহে, মেলি নলয় কিয়?"

তাৰ লগৰ এজনে তাক কয়—"ভাগ্যবান।" ওচৰ চুবুৰীয়া বুঢ়ী কেইগৰাকীয়ে চন্দ্ৰাৰ কথা কয়—"লক্ষ্মী।"

আৰু তাৰ বুকুৰ নিচেই কাষত যিজনী মানুহ সি বিচাৰিছিল চন্দ্ৰাৰ মাজত তাতোকৈ বেছি অলংকাৰেৰে সজ্জিতা, উতলাৰ সলনি উন্মাদ কৰিব পৰা এজনী মানুহ সি পাইছিল। কিন্তু আজি তাৰ কি হ'ল? সি যি জানিলে, যি শুনিলে তাৰ এক বিন্দুওতো মিছা নহয়!

তিলকে এবাৰ মূৰ দাঙি চালে, ক'ব নোৱাৰাকৈ আহি আহি কিমান দূৰ পালেহি। আৰু বেছি দূৰ যাবলৈ তাৰ মন নগ'ল; সি উভতিল।

চন্দ্ৰাই কিয় এনে কৰিলে? কিয়, এনেকুৱাওতো হ'ব পাৰে যে কোনোবা এটা উন্মাদ ৰাতি তাই হিতাহিত জ্ঞান হেৰুৱাই পিছল

খালে। শোৱনী কোঠাৰপৰা ত্ৰিছ গজ দূৰৰ এটা সুন্দৰ, সুঠাম ডেকাৰ তীব্ৰ আহ্বান তাই উপেক্ষা কৰিব নোৱাৰিলে। তাইৰ নিচিনা তেজ-মঙহৰ কেইজনী গাভৰুৱে পাৰিব? সি নিজে পাৰিলেহেঁতেন নে? তাৰ মনে সেই আহ্বান উপেক্ষা কৰিব পাৰিলেও হয়তো দেহাই নোৱাৰিলেহেঁতেন। আৰু নোৱৰাৰ কাৰণেই যদি জীৱনৰ সেই দুৰ্বল মুহূৰ্তত সি কেইটামান উন্মাদ মিনিট উপভোগ কৰি পেলালেহেঁতেন তেনেহ'লে তাৰ কাৰণে সি নিজকে কিমান অপৰাধী কৰিলেহেঁতেন?

তিলকৰ এখন তামোল খাবৰ মন গ'ল। বাটৰ কাষৰ দোকান এখনলৈ সি নামি গ'ল। দোকানৰ জাপখন তুলি থোৱা খুটাটোত আঙুলিৰ চূণখিনি মচি সি ভাবিলে—তাৰ ভুলো হোৱা নাই, শুদ্ধও হোৱা নাই। চন্দ্ৰাই জীৱনত যি পিছল খাইছিল, তাৰ দাগ জানো তাইৰ জীৱনত আছে? যদি নাই তেনেহ'লে তাইৰ অপৰাধ ক'ত? যি ভুল তাই কৰিছিল, সেইটোতো তাইৰ ভুল বুলিব নোৱাৰি; সেইটো কিজানি তাইৰ তেজ-মঙহৰেই ভুল, যিখিনি তেজ-মঙহ সিও উপভোগ কৰিছে!

কিন্তু, তিলকে ক'ব নোৱৰাতে ঘৰৰ ফালে অলপ বেগ দিছিল, হঠাৎ তাৰ খোজ কমি গ'ল। কিন্তু পূজাঘৰত প্ৰভাতক লগ পাই তাই ইমান আনন্দিত হৈ উভতি আহিছিল কিয়? ইমান উচ্ছ্বাসত কথাবোৰ কৈছিল কিয়? বহুত দিনৰ আগতে হেৰাল বুলি এৰি দিয়া নেকলেছ বাকচৰ তলিত হঠাতে এদিন পালে যেনেকুৱা আনন্দ লাগে, তেনেকুৱা আনন্দত কথা কৈছিল কিয়? এইটোতো কোনোবা দিনা হঠাতে পিছল খাই পৰি, গা-পা ধুই পিছল খোৱাৰ কথা পাহৰি যোৱাৰ লক্ষণ নহয়। এইটো কোনোবা কালত লুতুৰি পুতুৰি হৈ বোকা খেলাৰ স্মৃতি সযতনে বুকুত ৰাখি থোৱাৰ নিচিনা কথা। প্ৰভাতক লগ পাই এতিয়াও চন্দ্ৰাৰ যি উচ্ছলতা, সেইটো চন্দ্ৰাৰ জীৱনত পিছল খোৱাৰ দাগ।

আৰু প্ৰভাতৰ নিচিনা ল'ৰা এটাৰ মনো "জীৱনত প্ৰথম বাৰৰ কাৰণে কোমল হৈ উঠিছিল।" কিয়? প্ৰভাতে কৈছিল, সি লগ পোৱা আন দহজনী ছোৱালীৰ নিচিনাকৈ সি এইজনী ছোৱালীক উৰাই দিব নোৱাৰিলে; কিয়?

ঘৰৰ সন্মুখত থিয় হৈ, এন্ধাৰ ঘৰটোলৈ চাই তিলকে ভাবিলে, সি সোমাবনে নোসোমায়।

অফিছৰ মেজখনত কিলাকুটিৰ ভেজা থৈ সি ভাবিলে, তেনে-হ'লে সি ধ্বংস হৈ যাব? যি শাস্তিৰ কাৰণে সি জীৱনটোক বান্ধি ৰাখিলে, বিনা দোষত সেই শাস্তি সি কিয় হেৰুৱাব? নাই, জীৱনক ইমান সহজে সি এৰি দিব নোৱাৰে। এই লাইব্ৰেৰিতে বহি সি জীৱনৰ জটিলতা সম্পৰ্কে বহুত কথা পঢ়িছে। এটা প্ৰাণীক আপোন কৰি লোৱাৰ চেষ্টাতে হেনো মানুহে যুগ যুগ ধৰি হায়ৰাণ হৈ আহিছে। সিও হায়ৰাণ হৈছে; হওক। নিজকে ধ্বংস কৰাৰ আগতে তাক এটা শেষ দেখিবলৈ লাগে।

তিলকে যেন মনত অলপ জোৰ পালে। তাৰ গোটেই কথাবোৰ আকৌ এবাৰ ভাবি চাবলৈ মন গ'ল।

চন্দ্ৰাক নাপালেও প্ৰভাতকতো সি চিনি পায়! প্ৰভাতে নিজেই কয়, "সি উভতি অহা ল'ৰা নহয়।" সেই কাৰণেই কিজানি চন্দ্ৰা আগবাঢ়ি আহিবলৈ বাধ্য হ'ল! প্ৰভাতে তাক কৈছিল,—ছোৱালী-জনীৰ উদাসীনতাত তাৰ জিদ বাঢ়ি গ'ল,-- সি উঠি-পৰি লাগিল— কিমান পানীৰ মাছ চাবলৈ। তাৰ মানে চন্দ্ৰাক পঢ়া মেজৰপৰা উঠাই আনিবলৈ প্ৰভাতে যথেষ্ট কষ্ট কৰিছিল অৰ্থাৎ ধৰা নিদিবলৈ চন্দ্ৰায়ো যথেষ্ট চেষ্টা কৰিছিল। শেষ পৰ্য্যন্ত হয়তো তাই দৃঢ়প্ৰতিজ্ঞ প্ৰভাতৰ প্ৰলোভনৰ মায়াত ভোল যাবলৈ বাধ্য হৈছিল। যদি সেয়ে হয়, তেনেহ'লে এতিয়াও প্ৰভাতক "বৰ ভাল আছিল" বুলি ক'লে কিয়? ন'ট দি সহায় কৰাৰ কাৰণে এতিয়াও কৃতজ্ঞ কিয়? ছোৱালী মানুহৰ স্বভাৱসুলভ কোমলতা আৰু সাধাৰণ

ভদ্রতাৰ কাৰণেই যেনিবা পূজাঘৰত তাক হাঁহি মুখেৰে উত্তৰ দিলে ; কিন্তু ঘৰলৈ আহিতো তাই "এজন চিনাকী মানুহক লগ পাইছিলোঁ, বেছিপৰ কথা নাপাতিলোঁ, কাৰণ মই জানো মানুহজন বৰ ভাল নহয়" বুলিও ক'ব পাৰিলেহেঁতেন। তিলকে যদি প্ৰভাতক আগৰ-পৰাই নাজানিলেহেঁতেন, তেনেহ'লে চন্দ্ৰাই বৰ ভাল বুলি কোৱাৰ পাছত সিয়ে ক'লেহেঁতেন, "এ, কেতিয়াবা আকৌ পাঙ্গে নাতিবাচোন মযো চিনাকি হম।" তাৰ পাছত হয়তো প্ৰভাত ককাইদেউ আহিলহেঁতেন ; কেতিয়াবা এসাজ ভাতো খালেহেঁতেন, এৰাতি থাকিও গ'লহেঁতেন। তিলক অধৈৰ্য্য হৈ উঠিল। কোনে ক'ব পাৰে, দহ বজাৰপৰা চাৰিবজালৈ সি অফিছত সোমাই থকা সময়খিনিত কিমান দিন প্ৰভাতে তিলকহঁতৰ গেটখন খুলিছে, বন্ধ কৰিছে ?

ছি ছি ছি ছি। তিলিকে অকলে অকলে তীব্ৰ গতিৰে মূৰটো জোকাৰিলে। নাই নাই, সি বৰ বেছিকৈ ভাবিছে। ইমান তললৈ নামিবলৈ চন্দ্ৰাই তাৰপৰা কি পোৱা নাই ? কিহৰ অভাৱত তাই ইমান কুৎসিত হৈ উঠিব ? নিজৰ পত্নীৰ কথা এনেকৈ ভাবিব পৰাটোত তাৰ নিজৰ পুৰুষত্বৰ প্ৰশ্নও জড়িত হৈ আছে। চন্দ্ৰাই যিয়েই নকৰক, পাপ-পুণ্যৰ জ্ঞান থকা ছোৱালী হৈ তাই এনে কৰিব নোৱাৰে। তাইৰ মনত যদি এতিয়াও কিবা থাকিলহেঁতেন, তেনেহ'লে প্ৰভাতক আপোন কৰি লবলৈ তিলকৰ সৰ্বময় বিস্তৃতিৰ মাজেদি এটা সুৰুঙা উলিয়াব পাৰিলেহেঁতেন। প্ৰভাতক যিদিনা তাই নিজকে নিজে এৰি দিছিল, সেইদিনাৰ কাৰণে অকল প্ৰভাতক তাই দোষ দিব নোৱাৰে। দোষ যদি প্ৰভাতৰ আছিল, তাইৰো আছিল। তাই যদি সেই ৰাতি আনন্দিত হৈছিল তেনেহ'লে সেই ৰাতিৰ কাৰণে প্ৰভাত ভাল মানুহ, বৰ ভাল। আজি প্ৰভাতক তাই অপমান কৰিবলগীয়া বা বেয়া বুলিবলগীয়া কিয় হ'ব ? আক অপমান কৰিব বা বেয়া বুলিব নোৱৰাটোৱে কি এতিয়াও প্ৰভাতক প্ৰশ্ৰয় দিয়া বুজায় ? নুবুজায়। হয়তো এটা স্বাৰ্থহীন, অনাসক্ত, সৰল সম্পৰ্কও

বুজায়। তিলক সোনকালে অফিছৰপৰা ওলাই আহিল।

চন্দ্ৰাই প্ৰথমতে নিজৰ মনকে বিশ্বাস কৰা নাছিল ; ঘৰ সোমায়েই ছাতিটো তিলকে চন্দ্ৰাৰ হাতত দি ক'লে, "বুজিছা, গৰম কাপোৰবোৰ যে অৰ্ডাৰ দিছিলোঁ, আজি ট্ৰায়েল দি আহিলোঁ। পৰহিলৈ দিব। পইচাহে নাই এতিয়া।"

চন্দ্ৰাৰ যেন কথা কাণত নোসোমাল। তিলক থাকিলে পইচা নথকাৰ নিচিনা নগণ্য কথা এবাৰ তাইৰ কাণত কিয় সোমাব ?

হঠাতে ঘৰখনৰ চাঞ্চল্য বাঢ়ি উঠিল ; নন্দীৰ মুখত আকৌ অদ্ভুত সুৰত হিন্দী কথাছবিৰ গান শুনা গ'ল ; চন্দ্ৰাই চুলিৰ জেঁাট ভাঙি ভাঙি আঁচুৰি-পিচুৰি ভালকৈ খোপা এটা বান্ধিলে, তিলকৰো মনত পৰিল, "হেৰা বহুত দিন অমিতাৰ খাৰ খোৱা নাইহে।"

শোৱা কোঠালীত আকৌ ৰাজভগনৰ কথা ওলাল। কোনোবা এদিন দুপৰীয়া ক্ষৌৰকাৰে অসাৱধানতাবশতঃ নন্দীৰ ডাঢ়ি খুৰাওঁতে গালত থকা মাহ এটা কাটিলে, বহুত তেজ ওলাল। নন্দীয়ে বহি থকা ইটা চপৰাৰে ক্ষৌৰকাৰৰ জীৱনৰ ওপৰত হাত দিব খুজিছিল, ঘটনাটো দেখি চন্দ্ৰাৰ হাঁহিত তত নাই। বিছনাত শুইও তাই হাঁহিলে, তিলকেও হাঁহিলে। তাৰ পাছত ওলাল,—গাত তিল, তুলসী, মাহ এইবোৰ থাকিলেযে কিবা-কিবি হয় বুলি কয় সঁচানে মিছা। চন্দ্ৰাই কৰবাত শুনিছে— ওঁঠত তিল থাকিলে বোলে বিলাসী আৰু প্ৰেমিক হয়। তিলকে সুধিলে, "তোমাৰ ওঁঠত আছে নে কি ?" চন্দ্ৰাই মুখখন ওচৰলৈ আনি দেখুৱালে, "নাই চাওক।"

তিলকে তাইৰ তলৰ ওঁঠখন আঙুলিৰে লিৰিকি বিদাৰি থাকি-বলৈ ধৰিলে। এবাৰ সি সুধিলে, "তোমাৰ এইখন ওঁঠত ময়েই প্ৰথমে চুমা খাইছোঁ নহয় ?" হঠাতে প্ৰশ্ন কৰিয়েই সি বুজিলে,— সি যেন পাপী।

চন্দ্ৰাৰ বুকুখন এক মুহূৰ্তৰ কাৰণে চাঁৎ কৈ উঠিল। অলপ পাছতে এবাৰ সেপ ঢুকি, লাহেকৈ তাই ক'লে, "উঁ।"

তিলকৰ মূৰৰ ভিতৰত যেন একুৰা জুই জ্বলি উঠিল, হাতখন যেন জঠৰ হৈ গ'ল।

ফাঁকি। দুৰ্দান্ত ফাঁকি, ইহঁতে জীয়া ফাঁকি দিব পাৰে। প্ৰভাতকো যে তাই দ্বিতীয় বাৰৰ বাবে ফাঁকি দিয়া নাছিল তাৰ কি প্ৰমাণ আছে? মূৰৰ সেন্দুৰ মচি, অচিনাকী ঠাইত থৈ দিলে, এইজনী ছোৱালীয়ে আকৌ অনাঘ্ৰাত ফুল বুলি দাবী কৰিব— তেজ-মঙহৰ লোভত। অন্তৰ বোলা বস্তু এটা ইহঁতৰ নাই; সেই কাৰণে অন্তৰৰ কলুষিতাৰো প্ৰশ্নই নাই; যি জীৱনত এবাৰ পাপ লুকুৱাবলৈ সচেষ্ট হৈছে, সি নিজে ক'ব নোৱৰাকৈয়ে আৰু দহোটা পাপত ডুব যাবলৈ প্ৰস্তুতি চলাইছে। যদি দেহাবেই ইমান থক, তেনেহ'লে চন্দ্ৰা মোৰ ওচৰলৈ আহিল কিয়? মোক দিনে-ৰাতিয়ে প্ৰবঞ্চনা কৰি মাৰিছে কিয়?

এছিষ্টেণ্ট লাইব্ৰেৰিয়ানজনক তিলকে ক'লে, "আপুনি এই কেইদিন কামলৈ অলপ চকু দিব, মই বোধকৰোঁ ছুটী লম কেইদিন-মানৰ কাৰণে।"

এছিষ্টেণ্ট লাইব্ৰেৰিয়ান যেন আকাশৰপৰা খহি পৰিল! ক'লে, "ময়ো ছুটী লৈছোঁ পোন্ধৰ দিনৰ। সাত তাৰিখে মোৰ বিয়া। আপুনি গমেই পোৱা নাই নেকি ছাৰ?"

"বিয়া?" তিলকে মানুহজনৰ মুখলৈ এক দৃষ্টিৰে চাই ৰল। "বহুকচোন।" ওচৰৰ চকীখনলৈ সি আঙুলিয়াই দিলে, যেন দেশ-ভ্ৰমণ কৰিবলৈ ওলোৱা মানুহ এজনক অভিজ্ঞ মানুহ এজনে উপদেশ দিবলৈ বহুৱাই লৈছে।

সি হঠাতে এছিষ্টেণ্ট লাইব্ৰেৰিয়ানজনক প্ৰশ্ন কৰিলে, "কেনেকুৱা ছোৱালী আপুনি বিয়া কৰিব?"

মানুহজন হতভম্ব হৈ গ'ল। তিলক সম্বন্ধে কিছুদিনৰ আগৰ-পৰাই তেওঁ আতিগুৰি নোপোৱা কথা কিছুমান ভাবিছিল, এতিয়া তেওঁ কেৱল ভাবিলে, ছাৰৰ হ'ল কি! তেওঁ লাহেকৈ, লাজ কৰি

উত্তৰ দিলে, "জানো, ছোৱালী কেনেকুৱা, এতিয়াই মই কেনেকৈ কওঁ।"

"নিশ্চয়", তিলকে মুখতে ধৰিলে, "ওপৰৰ সমান পানী দেখি বিলৰ তলিত কি আছে কোনেও ক'ব নোৱাৰে। কিন্তু কিছুমান ভুল আপুনি নকৰিব। আমাৰ তিৰোতা মানুহৰ সততা, নৈতিকতা সম্পৰ্কে কিছুমান বৰ ঠেক বিচাৰ-বুদ্ধি আছে। আপুনি যিজনী ছোৱালী বিয়া কৰাব, সেই ছোৱালীজনীৰ অন্তৰখন পাবলৈ চেষ্টা কৰিব ; আৰু তেতিয়াহে আপুনি পাব, যদি আপুনিও আপোনাৰ অন্তৰখন উবুৰিয়াই দিব পাৰে। বহুতে বাচনৰ তলিৰ গেদখিনি ওলাই পৰাৰ ভয়ত বাচনটো উবুৰিয়াবলৈ ভয় কৰাৰ দৰে, অন্তৰখন খুলি দিবলৈ ভয় কৰে। কিন্তু সেইটো ভুল। আপুনি ঠিক বুজিব, অন্তৰৰপৰা কি ওলাই গ'ল, সেইটো ডাঙৰ কথা নহয়, অন্তৰত কি সুমুৱাই ৰাখিলে সেইটোহে ডাঙৰ কথা। কলংক ক'ত নাই? আপুনি বিশ্বাস কৰেনে, ৰ'বচোন, ছোৱালীজনীৰ বয়স কিমান বুলি শুনিছে আপুনি?"

"এঘাৰ।" মানুহজনে ভয়ে ভয়ে উত্তৰ দিলে।

"বেচ। আপুনি বিশ্বাস কৰেনে যে চৈধ্যবছৰ বয়সৰপৰা একৈছ বছৰ বয়সলৈকে এই সাতবছৰ কাল ছোৱালীজনীয়ে বিবেকানন্দৰ কিতাপ পঢ়ি পঢ়ি কটালে? আপুনি বিশ্বাস কৰেনে যে তাইৰ জীৱনলৈ কোনো দিনেই কেতিয়াও প্ৰলোভন অহা নাছিল? যদি আহিছিলো, তেনেহ'লেও বুজিব, আপোনাৰ কৰিবলগীয়া একো নাই। আপুনি ছোৱালীজনীৰ বৰ্তমানক লৈ ভৱিষ্যত গঢ়িবলৈ ওলাইছে, তাইৰ অতীত খুচৰি বৰ্তমান ধ্বংস কৰিবলৈ ওলোৱা নাই। আমাৰ পাপী মনবোৰে গুণ আৰু পুণ্য খান্দি খান্দি তলিত পাপ আছেনে নাই চাব খোজে ; সেইবোৰ ভুল আপুনি নকৰিব।"

তিলকে ভাগকৰা মানুহৰ দৰে এটা উশাহ ললে, তাৰ পাছত

ক'লে, "এ ; ছি ছি, আপোনাক মই কি কথাবোৰ ক'লোঁ। আপোনাৰ মংগলময় কাম এটা সন্মুখত লৈ এইবোৰ কথা কোৱাৰ কি প্ৰয়োজন? ছি ছি, আপুনি বেয়া নাপাব বুইছে। যাওক, আপোনাৰ জীৱন সুখী হ'ব। ক'তা। মোক দেখোন বিয়ালৈ নামাতিলেই?"

"মাতিম ছাৰ, মাতিম" বুলি মানুহজন লৰালৰিকৈ ওলাই গ'ল।

তিলকৰ যেন চেতনা উভতি আহিল। তাৰ কান্দিবৰ মন গ'ল। সি এইমাত্ৰ যিখিনি কথা ক'লে, সেইখিনি কথা সি আগতে ভবা নাই কিয়? সি নিজে কিয় এইবোৰ কথা নিজকে বুজাব পৰা নাছিল? হয়তো বুজাব পাৰিব, কিন্তু প্ৰতাৰণা সি সহিব নোৱাৰিব। দেহাৰ কাৰণে সি উন্মাদ নহয়, কিন্তু অন্তৰ এখন পাবলৈ তাৰ হাবিয়াস আছে। কিন্তু সি জানো অন্তৰ দিব পাৰিছে? দিব, সি সকলো চন্দ্ৰাকেই দিব। প্ৰভাতৰ কথা আৰু সি মনলৈ নানে। প্ৰভাতে "আন দহজনী ছোৱালীৰ লগত এইজনী ছোৱালীৰ এটা পাৰ্থক্য মোৰ মনত থাকি গ'ল" বুলি আৰু চন্দ্ৰাই "বৰ ভাল" বুলি কোৱাৰ মাজত দুয়োফালৰপৰা দুখন অন্তৰ আগবাঢ়ি থকাৰ যি আভাস সি পাইছিল, সেই সকলো কথা সি তুচ্ছ জ্ঞান কৰিব, মিছা বুলি ভাবিব। প্ৰভাতে জীৱনত লগ পোৱা আন দহজনী ছোৱালীৰ জীৱনত কি হৈছে? সিহঁত যদি ধ্বংস হৈ যোৱা নাই, সি অকলে চন্দ্ৰাক ধ্বংস কৰিব কিয়? পৃথিৱী যদি এনেকৈয়ে চলে সিও চলিব। পূজা চাবলৈ যোৱাৰ আগতে যিজনী চন্দ্ৰাক সি গোটেই অন্তৰেৰে গ্ৰহণ কৰিব পাৰিছিল, পূজা চাই সেইজনী ছোৱালীয়েই উভতি আহিছিল। ইয়াৰ মাজত কেৱল এষাৰ কথা। সেই এষাৰ কথায়েই তাৰ জীৱনটো ওলট-পালট কৰি দিয়াৰ কাৰণে যথেষ্ট বুলি সি ভাবিব কিয়?

আৰু চন্দ্ৰা? তাইৰ কি হৈছে? তাইৰ দিনে দিনে ক্ষীণাই শুকাই যোৱা মুখখনে তাক কি বুজোৱা উচিত আছিল? তাইতো

ঘৰলৈ যাবলৈ বিচাৰিব পাৰিলেহেঁতেন! তাইতো তাৰ ব্যৱহাৰৰ কোনো কৈফিয়ৎ বিচৰা নাই।

সেইদিনাই আবেলি চন্দ্ৰাক বুকুৰ মাজত লৈ তিলকে বহুত কথা ক'লে। কেৱল নক'লে—তাৰ কি হৈছিল। চন্দ্ৰাৰ গাটো থাকি থাকি কঁপি উঠিছিল।

তিলকে আৰু একো কথা ভবা নাছিল। চন্দ্ৰাই একো কথা জানিবলৈ চেষ্টা কৰা নাছিল, তাইৰ সাহ যেন জীৱনৰ কাৰণে লুপ্ত হৈ গৈছিল। মাটি পেঞ্চিল এডালৰ কাৰণে কাজিয়া লাগি দুটা সৰু ল'ৰাই বহুত দিন মাত-বোল নোহোৱাকৈ থকাৰ পাছত আকৌ মতা-মতি হ'লে যেনেকৈ বন্ধুত্ব আগতকৈ বেছি হয়, আৰু কি কাৰণে সিহঁতৰ মাজত নমতা-নমতি হৈছিল, সেই প্ৰসংগটো সদায় সাৱধানে তল পেলাই ৰাখে, তিলকহঁতো তেনেকৈ চলিল,—আনন্দেৰে। দুয়ো দুয়োৰে অন্তৰক অত্যন্ত সতৰ্কতাৰে ৰক্ষা কৰি।

এদিন হঠাতে তিলকে দূৰৰপৰা প্ৰভাতক দেখিলে,—সম্পূৰ্ণ চাহাবী সাজত। বোধহয় কোম্পানিৰ ডাঙৰ চাকৰিটো পালে। তাৰ তীব্ৰ আকাংক্ষা জাগিল—প্ৰভাতক কিছুমান কথা সুধিব, অত্যন্ত কৌশলেৰে, লাহে লাহে। লগে লগে সি নিজে শিয়ৰি উঠিল। সাউৎকৈ আন এটা বাটেদি ঘূৰি সি প্ৰভাতৰ আঁৰ হ'ল। প্ৰভাত নামৰ মানুহ এটাৰ লগত তাৰ কোনো সম্পৰ্ক নাই বুলি ভাবিবলৈ সি অত্যন্ত চেষ্টা কৰিলে। ক'ব নোৱাৰাকৈয়ে ৰাস্তাৰ মাজতে তাৰ সুহুৰিও ওলাই যাব খুজিছিল।

কিন্তু ঘৰ সোমাওঁতে তাৰ মুখখন দেখি চন্দ্ৰা অলপ সাৱধান হ'ল। শোৱনী কোঠাত তাই ক'লে, "নন্দীৰ কাৰবাৰবোৰ ভাল হোৱা নাই বুজিছে ?"

"কি হ'লনো ?"

"দুপৰীয়া খাই-বৈ উঠি সি সেই পানীৱালাটোৰ ঘৰত বহি থাকেগৈ। মানুহে কিবা ক'লে আমাবহে লাজ।"

"অ', পানীয়ালাৰ জীয়েকৰ কথা কৈছা?" তিলকে হো হো কৈ হাঁহিলে। "হুওক দিয়া, তিৰোতা জাতিহে: এদিন পানীয়ালাই গম পাই পানী কঢ়িউৱা বাংকাচলাৰে এমাৰ সোধালেই ছোৱালী চিধা হৈ যাব। ক'ৰ প্ৰেম কনৈ যাব তাৰ পাত্তা নাপাব।"

চন্দ্ৰায়ো হাঁহিলে, কিন্তু উচ্ছ্বাসতে তিৰোতা জাতিৰ সপক্ষে ওকালতি কৰিলে, "ইস্ নহয় দিয়ক, সকলো তিৰোতা একে নহয়। তাই যদি সঁচাকৈয়ে নন্দীক কিবা কথা দিছে, তেনেহ'লে বাংকাৰ মাৰে একো কৰিব নোৱাৰে। তিৰোতাৰ প্ৰেম পলবীয়া প্ৰেম নহয়। জীৱনত এবাৰ কাৰোবাক আপোন কৰিলে, তাক সিহঁতে কিমান যত্নেৰে বুকুত ৰাখে আপোনালোকে কি বুজিব?"

চন্দ্ৰাই ভাবিছিল আনন্দৰ আতিশয্যত তিলকে তাইক সাবট মাৰি ধৰিব। কিন্তু কি কওঁতে তাইৰ মুখেদি কি ওলাল, তাক বুজিলে তেতিয়া, যেতিয়া গোটেই নিশা তিলকে সিফালে মুখকৈ শুই থাকিল, আৰু ৰাতিপুৱাই ওলাই গ'ল।

যিবোৰ ছোৱালীয়ে সেইদিনা লাইব্ৰেৰিৰ কিতাপ নিবলৈ আহিল, সিহঁত আটাইবোৰক তিলকে ঠিকমতে কিতাপ ফিৰাই নিদিয়া, পেঞ্চিলেৰে কিতাপত দাগ দিয়া, ওভোতাই দিবৰ সময়ত কিতাপৰ মাজত কি থাকিল চাই নিদি পাছত "চাওঁ, চাওঁ মোৰ অমুকটো কিতাপখনৰ মাজতে গ'ল" বুলি কোৱা আদি নানান প্ৰকাৰৰ খুঁট উলিয়াই কঢ় ব্যৱহাৰ কৰিলে। তাৰ এনেকুৱা লাগিল যেন ইহঁতে লাইব্ৰেৰিৰপৰা কিতাপ নিয়াৰ মাজতো একোটা বিৰাট ইতিকিং সোমাই আছে।

প্ৰথম প্ৰেমৰ প্ৰতি তাৰো বৰ শ্ৰদ্ধা আছে। সি নিজে অভিজ্ঞ নহয়, কিন্তু সি শুনিছে, প্ৰথম প্ৰেমৰ স্মৃতি বৰ মধুৰ। প্ৰতিষ্ঠিত জীৱনৰ বিশাল সাগৰৰ কল্লোল-সংগীতৰ মাজতো প্ৰথম প্ৰেমৰ ক্ষীণ জুৰিৰ কুলু কুলু ধ্বনিয়ে মূৰ্ছনা আনিব পাৰে: কোনো এক নিৰ্জান

মুহূৰ্ত্তত দেহ-মন পুলকিত কৰিব পাৰে। অবিশ্রান্ত বৰষুণৰ অজস্র টোপালৰ পাছতো পাতৰ আগত ওলমি থকা দোকমোকালিৰ নিয়ৰ এটোপালে মনত পৰিব পাৰে। প্রথম প্রেমক সি শ্রদ্ধা কৰে। কিন্তু সেইবুলি সি চন্দ্রাক প্রথম প্রেমৰ প্রতি শ্রদ্ধা ৰাখিবলৈ দিব পাৰেনে? উদাৰ হ'ল বুলি সি ইমান উদাৰ হ'ব পাৰেনে যে তাৰ বাহুৰ মাজৰপৰা আঁতৰি থকা সময়খিনিত মাজে মাজে চন্দ্রাই প্রথম প্রেমৰ স্মৃতিৰ গুণগুণনি মনত পেলাই থাকিব? সি কিয় ইমান উদাৰ হ'ব পাৰিব? যদি কোনোবাই পাৰিছে, তেনেহ'লে সিহঁত মহামানৱৰ আখ্যা লৈ আঁতৰি যাওক; হিংসা, দ্বেষ, স্বাৰ্থপৰতা আদি লৈ তিলকহঁত সাধাৰণ মানুহ হিচাপে বাচি থাওক।

মেজত মূৰটো খুন্দিয়াই খুন্দিয়াই তাৰ চিঞৰিবৰ মন গ'ল—চন্দ্রা তুমি কিয় সুবুজা মই তোমাক কিমান মৰম কৰোঁ? তুমি কিয় সুবুজা যে তুমি যিমানেই মোৰপৰা লুকাবলৈ চেষ্টা কৰিবা, সিমানেই মোৰ আগত পৰিষ্কাৰ হৈ উঠিবা? তাতকৈ তুমি কিয় মোৰ আগলৈ ওলাই নাহা?

চন্দ্রাই কথাবোৰ ভাবিবলৈ প্রায় এৰি দিছিল। সক সক তিনিটা কোঠালীৰ ভিতৰত, অকণমান মগজটোৰে অন্তৰখনৰ লগত যুঁজি যুঁজি তাই ভাগৰি পৰিছিল। তাই ভাবি ইয়াকে পাইছিল,—এদিন হয়তো কিবা এটা দুৰ্জয় বস্তুৱে তাইক গ্রাস কৰিব; কিন্তু সেই বস্তুটো মৃত্যুতকৈও ডাঙৰনে? যদি নহয় তেনেহ'লে মিছাকৈ তাই আৰু কিয় চিন্তা কৰিব? অন্ততঃ মৰণটোক তাই যি কোনো মুহূৰ্ত্তত হাততে পাব। যদি মৰিবই লাগে তেনেহ'লে যিকেইটা দিন হাতত পাব সেইকেইটা দিন যেন তাই তিলকৰ কাৰণেই খৰচ কৰিব পাৰে।

গম্ভীৰ মুখেৰে আবেলি তিলক ঘৰত সোমাল। চাহ খাবলৈ বহি তিলকে লুচিকেইখন এনেয়ে চিকুটি আছিল। চন্দ্রাই সেই বিষয়ে একো নক'লে, কৈ লাভ নাই কাৰণে। তাই সুধিলে, "গৰম

কাপোৰযোৰা আনিবলৈ পইচা যোগাৰ কৰাৰ কথা কৈছিল নহয়, কৰিলে ?”

“ক’ত পাবা পইচা ? পৰি আছেনে কিবা !”

“নাই, যোগাৰ কৰিম বুলিছিল কাৰণেহে সুধিছোঁ।” কিমান নিষ্ঠুৰ, কিমান প্ৰতিহিংসাপৰায়ণ, কিমান তললৈ নামি গ’লে এনেকুৱা এৰাৰ কথা সুধিব পাৰি, সুস্থ মগজেৰে তিলকে নিজেই ভাবি উলিয়াব নোৱাৰিলেহেঁতেন। সি সুধিলে, “অ’ এটা কথা, তোমাৰ প্ৰভাত ককাইদেউৰাক কালি দেখিছিলোঁ, তেওঁৰ লগত মোৰ ভাল চিনাকি আছে,—বহুত দিনৰে। তেওঁৰপৰাই টকা কিছু ধাৰলৈ আনিম নেকি ?”

চন্দ্ৰপ্ৰভাই প্ৰথমতে ভাবিলে, উত্তৰ নিদিয়াকৈ থাকিব পাৰিনে নোৱাৰি। উত্তৰ নিদিলে তিলকে হয়তো ভাবিব—প্ৰভাতৰ নাম শুনি তাই হতভম্ব হৈ গ’ল। “আনক,” বুলি ক’লে হয়তো ভাবিব প্ৰভাতৰ লগত সম্পৰ্ক এটা স্থাপনৰ বাট ওলোৱাত তাই সাউৎকৈ মান্তি হ’ল। আৰু যদি “নানিব” বুলি কয়, তেনেহ’লে ভাবিব—

এইখিনি ভাবোঁতেই চন্দ্ৰাৰ যথেষ্ট সময় লাগিল। তদুপৰি তাই ইমান কুশলী অভিনেত্ৰী নহয় যে বি নামটো তিলকৰ মুখত শুনিবলৈ ভূতৰ নিচিনা বুলি ভয় কৰি আছিল, ঠিক সেইটোকে শুনাৰ পাছতো তাই ভাবহীন মুখ এখন লৈ থিয় হৈ থাকিব।

চন্দ্ৰাৰ ভিতৰত যিয়েই নহওক, মুঠতে তিলকে দেখিলে তাই বিবৰ্ণ মুখ এখন লৈ থিয় হৈ আছে ; মুখত এটা শব্দ নাই, যেন আজন্ম বোবা।

“হুঃ” বুলি শব্দ এটা কৰি, কাঠ হাঁহি এটা মুখত লৈ তিলক ওলাই গ’ল।

তিলকৰ লগত তাই যিমানেই সহজ সৰল নহওক, সি প্ৰথম উচাপ খোৱা দিনৰেপৰা চন্দ্ৰাই এক মুহূৰ্তৰ কাৰণেও ভাবিবলৈ এৰা নাছিল—ইয়াৰ কাৰণ কি ? তাইৰ মগজেৰে প্ৰভাতৰ প্ৰশ্নটোৰ

বাহিৰে আন একো কাৰণ বিচাৰি পোৱা নাছিল। যদি সেইটোৱেই কাৰণ হয়ো, তেনেহ'লেও তাৰ সমাধান তাইৰ কাৰণে সহজ নাছিল। তিলকৰ আগত প্ৰভাতৰ নাম উচ্চাৰণ কৰিবলৈও তাইৰ জিভাত জোৰ নাছিল। আৰু যদি তিলক আন কিবা কাৰণ লৈহে ব্যস্ত আছে, তেনেহ'লে প্ৰভাতৰ নাম লোৱা মানে এটা দ্বিতীয় সমস্যাৰ সৃষ্টি কৰা।

আজি সকলো সন্দেহ নাইকিয়া হৈ গ'ল; তিলকে আৰু নিজকে লুকুৱাই ৰাখিব নোৱাৰিলে। তেনেহ'লে তিলকে চন্দ্ৰাৰ জীৱনৰ অতীতৰ এক অধ্যায় পঢ়ি থৈছে। চন্দ্ৰা এবাৰ শিয়ৰি উঠিল।

কিন্তু অতীতৰ বোকা গাত ছটিয়াই আপুনি কিয় প্ৰতিশোধ লব লাগিছিল? আপুনি আজি মোৰ বুকুখন ফালি নাচায় কিয় যে অতীতৰপৰা অন্তৰত ভৰাই আপোনালৈ মই একো লাবৰ অনা নাই? মোৰ বিষয়ে যদি আপুনি কিবা জানিছিল, প্ৰথম দিনাই মোক কিয় পৰিষ্কাৰ ভাষাৰে সুসুধিলে? সেইখিনি সাহস আপোনাৰ থাকিব লাগিছিল; আৰু এজনী ছোৱালীয়ে মুহূৰ্তৰ উত্তেজনাত কৰা এটা ভুল ক্ষমা কৰিবও পাৰিব লাগিছিল। আপুনি কিয় ভাবি নাচালে যে কি পবিত্ৰতাই আপোনাৰ ইমান অৱহেলাৰ মাজতো মোক কাভৰ নোহোৱাকৈ ৰাখিব পাৰিছে?

চন্দ্ৰাৰ দেহৰ মনৰ শক্তি একেবাৰে নোহোৱা হৈ গৈছিল। তথাপি মাত্ৰ দুৰাৰমান কথা ক'বলৈ তাই নিজকে সাজু কৰিলে; "ভাত খয়ে বহাম" বুলি নন্দীক পইচা দি ছিনেমা চাবলৈ পঠিয়াই দিলে, সন্ধিয়াৰ মুহূৰ্তবোৰ গণি তাই বহি ৰল।

তিলক আহিল। কোনো পাতনি মেলাৰ প্ৰয়োজন নাছিল, কোনো সময় অসময়ৰ প্ৰশ্ন নাছিল। চন্দ্ৰাই ক'লে, "শুনকচোন. মোৰ কাৰণে আপোনাৰ যি কষ্ট হৈছে, মোৰ চকুৰ আগতে হোৱাৰ কাৰণে মোৰ পাপৰ ওপৰতে পাপ হ'ব। আপুনি পাৰিলে মোক

বিদায় দিয়ক। মোৰ ওপৰত কি ধাৰণা লৈ আপুনি কষ্ট পাইছে ক'ব নোৱাৰোঁ। মোৰ আগৰ দিনৰ কথা আপুনি কি জানে ক'ব নোৱাৰোঁ; মই যি জানো কওঁ। বহুত দিনৰ আগতে কোনোবা এদিন মাজনিশা মই প্ৰভাত ককাইদেউৰ ওচৰলৈ গুচি আহিছিলোঁ। নিজকে সেই ৰাতি সম্পূৰ্ণৰূপে তেওঁৰ ওচৰত বিলাই দিছিলোঁ। কথাবোৰ ভালকৈ মোৰ মনত নাই। সেইদিনাৰ আগতে আৰু পাছত কি হৈছিল, মই ক'ব নোৱাৰোঁ, কাৰণ মনত ৰাখিবলগীয়া একো হোৱা নাছিল। মোৰ কাৰণে সেইটো মাত্ৰ এটা মুহূৰ্তৰ ঘটনা। আপোনাক মোৰ বহুত কথা ক'বলগীয়া আছিল; কিন্তু আপোনাৰ সন্মুখত মোৰ মুখত একো কথা নুওলায়! কেৱল এটা কথা মই মনত ৰাখিম, মই যদি আপোনাক সামান্যভাৱেও বঞ্চিত কৰিছিলোঁ, তেনেহ'লে আপুনি ক্ষমা কৰিলেও ঈশ্বৰে মোক ক্ষমা নকৰিব।"

কি শক্তি লৈ ইমানখিনি কথা চন্দ্ৰাই ক'লে তাই নিজেই ক'ব নোৱাৰিলে; কিন্তু কৈ শেষ কৰাৰ লগে লগে তাই বহি পৰিল; নিঃশব্দ কান্দোনৰ মাজত তাই বিহ্বল হৈ পৰিল। এই কন্দাৰ যেন আৰম্ভ নাছিল, এই কন্দাৰ যেন শেষ নাই।

বহুত সময়ৰ মূৰত তিলকৰ নিশ্চলতা ভাঙিল। তাৰ চকুৰ-পৰা ধাৰাসাৰে বৈ অহা পানীবোৰ হাতেৰে সি মচি পেলালে,— মনে মনে। তাৰ পাছত সি চন্দ্ৰাৰ ওচৰলৈ উঠি আহিল। তাইৰ পিঠিখনত হাত থবলৈ আজি সি প্ৰথম সংকোচ বোধ কৰিলে। তাৰ পাছত আচম্বিতে সি তাইৰ মূৰটো কাষলৈ টানি আনিলে। সি ক'লে, "কেৱল এই কেইযাৰ,—এই কেইযাৰ কথাৰ কাৰণেই মই বাট চাই আছিলোঁ চন্দ্ৰা। মই ইমান ভললৈ যাব পাৰিছিলোঁ এই কাৰণেই যে তোমাৰ মৰমে মোক বহুত ওপৰলৈ উঠাই থৈছিল। মোৰ অন্তৰত আৰু একো ক্ষোভ বা দুখ নাই, কাৰণ তোমাৰ অন্তৰত মই নেদেখা বস্তু বোধহয় আৰু একো নাই।"

লাহে লাহে তিলকৰ উচুপনিও শুনা গ'ল।

ঢোৰা সাপ

আকাশত কলংকহীন পূর্ণচন্দ্ৰ। সাধাৰণতে চন্দ্ৰোদয়ৰ পাছত আকাশ নীলা হৈ নাথাকে; কিন্তু এতিয়া আছে। দূৰ দিগন্তব্যাপী নীলা-নীলা—আকাশ নীলময়। চোৰৰ নিচিনাকৈ কেৱল এটুকুৰা ডাৱৰ জোনৰ কাষ চাপিছিল। সি তাৰ উন্মুক্ত তৰবাৰি-সদৃশ এটি তীক্ষ্ণাগ্ৰ অংশ চন্দ্ৰমাৰ আবক্ষ ভেদ কৰি নিশ্চল হৈ আছিল; তাৰেই যন্ত্ৰণাত যেন শশধৰৰ দেহাৰপৰা গলি গলি পৰিছিল অফুৰন্ত জোনাক; পৰিছিল দূৰৰ মন্দিৰৰ চূড়াত, স্থিৰ, সৰীসৃপ-দেহী নদীৰ বুকুত। জোনাকৰ অবিশ্ৰান্ত বৃষ্টিধাৰাত অৱগাহন কৰি করুণ আৰু উজ্জ্বল হৈ উঠিছিল নদীকূল-শোভিত বৃক্ষৰাজি। দূৰণিত, —দূৰ দূৰণিত এখনি পালতৰা নাও,—গতিহীন; ক'ত তাৰ যাত্ৰাৰ পাতনি, ক'ত তাৰ যাত্ৰাৰ শেষ তাৰ ঠিকনা নাই; যেন বিশ্ব-ব্ৰহ্মাণ্ডৰ ৰহস্যৰ সন্ধানত যাত্ৰা কৰি হঠাতে ক'ৰবাত বিভ্ৰান্ত আৰু স্থবিৰ হৈ পৰা এক শুভ্ৰ জঁটাধাৰী সন্ন্যাসী।

প্ৰকৃতিৰ অকৃপণ দানেৰে সমৃদ্ধ, এই মনোমুগ্ধকাৰী দৃশ্যটিৰ প্ৰায় তিনিহাতমান আঁতৰত দুখন টিনৰ চকীত নিশ্চল হৈ বহি আছে লীলাকান্ত আৰু চন্দ্ৰিকা; আৰু সিহঁতৰপৰা প্ৰায় চাৰি হাতমান আঁতৰত, তিনিটা ঠেঙৰ ওপৰত, কৰ্তাৰ সিঙৰ ক'লা কাপোৰৰ ঢাকি খোৱা কেমেৰা।

ফটো তোলাবলৈ আজি সাদিনৰ আগৰেপৰা চন্দ্ৰিকাৰ যি

উথপ্‌থপ উৎসাহ, টাউন এলেকাত ভৰি দিয়াৰ লগে লগেই তাইৰ সেইবোৰ পানী হৈ গ'ল। মানুহবিলাকৰ কাৰো মুখ তাই চিনি নাপায়; কেতিয়াও দেখা নাই; কিন্তু চকুৱে চকুৱে পৰিলে এনেকুৱা লাগে যেন সিহঁতে তাইক কিবা কওঁ কওঁ কৰিছে। বাটৰ কাষতে ওলোমাই থোৱা ৰং-বিৰঙৰ সক সক ছোৱালীৰ ফ্ৰক কিছুমানলৈ চাওঁতে দোকানৰ বাৰান্দাত বহি কাপোৰ চিলাই থকা দৰ্জিৰ চকুৱে চকুৱে পৰিল; তাইৰ এনেকুৱা লাগিল যেন মানুহটোৱে তাইৰ লগতেই ভালেমান পৰৰপৰা কথা-বতৰা পাতি হাঁহি-ধেমালি কৰি আছে। বহুদিন নিপিন্ধা থম্‌থমীয়া পাটৰ মেখেলাখনে লাহে লাহে তাইৰ ভৰিত জোটা-পুটি লগাবলৈ ধৰিলে। সাউৎকৈ তাই তুৰাবমান মেখেলাখন ইফালে-সিফালে টানি ললে। ফুলাম চাৰ দিয়া ছিঙ্কৰ চাদৰখন আচল ঠাইত থাকিবই নোখোজে; এবাৰ তাই সোঁবাহুৰ ওপৰেদি পাৰকৈ আনি বাঁওহাতেৰে খামোচা মাৰি ধৰি থাকিল। পথাৰৰ মাজৰ বাটেদি ঘৰৰপৰা ভুমাইলমান অহাৰ পাছতে তাই ঘামি কপালৰ ফোঁটটো বেয়া হ'ব পাৰে বুলি সন্দেহ কৰিছিল, এতিয়া দুই চেলাউৰিৰ মাজৰ পিৰপিৰণিটোৰপৰা অনুমান কৰিলে—ফোঁট আৰু ফোঁট হৈ থকা নাই, বিয়পি পৰি সি নিশ্চয় নহকৰ আকৃতি লৈছে।

বাটত মানুহৰ সংখ্যা বাঢ়ি আহিছে। ইমান পৰে মনে মনে থকা চন্দ্ৰিকাই দুটামান খোজ বেগদি পেলাই লীলাকান্তৰ কাষ চাপি লাহেকৈ গোজোৰা মাৰি সুধিলে, "আৰুনো কিমান গৈ থাকিব লাগে?"

"ৰবা আকৌ", লীলাকান্তই ক'লে, "বজাৰৰ ওচৰতহে ফটো তোলা দোকান আছে।"

বজাৰৰ ওচৰত! হ'ল আৰু তেনেহ'লে। ৰাস্তাৰ এইখিনি মানুহেই তাইক আঁতিছে; এতিয়া আৰু বজাৰলৈ যাবলৈহে বাকী থাকিলনে? একো নোকোৱাকৈ ভিতৰৰ আমনিখিনি প্ৰকাশ কৰি

চন্দ্ৰিকাই তলৰ ওঁঠখন এবাৰ বিকটালে। ইয়াতকৈ পোন্ধৰ দিনৰ আগতে লীলাকান্তৰ কথাত সন্মত হোৱাই ভাল আছিল। লীলাকান্তই কৈছিল,—গাঁৱৰে ল'ৰা বিনোদে সাতাইছ টকা দি এটা কেমেৰা কিনিছে। ইতিমধ্যে সি তাৰ বুঢ়ী জেঠায়েক, নবৌয়েক, চমহীয়া কেঁচুৱা পোৱালিয়ে গাখীৰ পি থকা অৱস্থাত গৰুজনী, নাৰিকল গছজোপাৰে সৈতে খনাজানৰ দলংখন, কলগছৰ ভূৰত বহি বৰশী বাই থকা অৱস্থাত দেবেন, ছাইন-ব'ৰ্ডখন আৰু এজাক ল'ৰা-ছোৱালীৰে 'প্ৰগতি পুথিভঁৰাল'ৰ ঘৰটো,—ইত্যাদিৰ ভালেমান ফটো তুলিছে। চন্দ্ৰিকাৰো যদি অগত্যা ফটো তোলাবৰ মন গৈছে, তেনেহ'লে বিনোদক সুধি-পুছি চোৱাই ভাল।

দৰকাৰ নাই। চন্দ্ৰিকাক তেনেকুৱা পাণখিলাৰ সমান ফটো নালাগে। হৰি মণ্ডলৰ জীয়েক, গাঁওখনত চন্দ্ৰিকাৰ দুআৰাৰৰ কথা-বতৰা পতা, এটা দিহা-পৰামৰ্শ লোৱাৰ একমাত্ৰ মনৰ মানুহ মাকণে পৰিষ্কাৰকৈ কৈ দিছে, ফটো যদি তোলা, টাউনত তুলিবা। সেয়াহে আচল ফটো। তাৰ দেখ দেখ প্ৰমাণ হিচাপে, হৰি মণ্ডল আৰু তেওঁৰ ঘৈণীয়েকৰ ফটোৱে আজি একৈছ বছৰে চ'ৰাঘৰৰ পছিশিওৰ ফেৰেঙনিত বহি মিচিকিয়াব লাগিছে।

গতিকেই লীলাকান্তই সপৰিবাৰে টাউনলৈ গৈ ফটো তোলোৱাকে ঠিক কৰিলে। পিচে যোৱাৰ আগদিনা এটা প্ৰশ্ন উঠিল,—লীলাকান্তৰ কথাটো যেন তেন, কিন্তু চন্দ্ৰিকাই কি কাপোৰ পিন্ধি ফটো তোলাব? ফটো তোলাৰ সাধাৰণ জ্ঞান গাঁওখনত বিনোদৰেই আছে: তাৰ লগতে আলোচনা কৰা হ'ল। তাৰ কেমেৰাক আওকাণ কৰি টাউনত ফটো তুলিবলৈ যাবলৈ ওলোৱাত বিনোদে বৰ বেছি আনন্দ নাপালে। তথাপি সি উপদেশ দিছিল, চিকচিকীয়া পাটৰ মেখেলা-চাদৰ পিন্ধি ফটো তুলিব নালাগে, বেজিৰ চটক পৰি বেয়া হয়। লীলাকান্তই অলপ চিন্তা কৰিলে। পিছদিনাই সি এখন চাদৰ যোগাৰ কৰিলে; মুগাম পাৰিৰ ধুনীয়া চাদৰ।

কিন্তু কৰ্তাৰ সিঙৰ দোকানৰ আগত থিয় হৈ লীলাকান্তই অলপ সেমেনা সেমেনি কৰিবলৈ ধৰিলে। তাৰ ভৰি দুখনে অলপ চুচুক-চামাক লগালে। তাৰ গাৰ আঁৰতে নিজক লুকুৱাবলৈ চেষ্টা কৰি চন্দ্ৰিকা থিয় দি ৰ'ল।

কৰ্তাৰ সিঙে থৈলাৰে বেৰি লোহা টিনপাতৰ অস্থায়ী চালিখনৰ তলতেই চিন এখন তৰি লৈ যোৱা সাত বছৰে ব্যৱসায় চলাই আহিছে; মানুহৰ আও-ভাও দেখিয়েই যি সম্ভাব্য খৰিদ্দাৰ আৱিষ্কাৰ কৰিব পাৰে। লীলাকান্তক সি বহুত দিনৰ চিনাকি যেন মাতেৰে সুধিলে, "কি খবৰ ডাংগৰীয়া?"

"ফটো এখন তোলাব লাগিছিল...।"

"আচ্ছা আচ্ছা. হেইটো কি কথা আছে! আপনি আগে বহক। এই হৰিধন, দুখিলি মিঠা পাণ লৈ আও ৰে। বহক আপনি লোগ বহক।"

"পিছে ফটো জানো ভাল হ'ব?" টাউনীয়া বেপাৰীৰ চলা-কলাত সহজে ভোল যোৱা উচিত নহয়, তাকে প্ৰতিপন্ন কৰিবলৈ বুলিয়েই হ'বলা লীলাকান্তই লাহেকৈ সুধিলে।

বহুদিনীয়া পুৰণি বন্ধুক যেন সন্দেহ কৰা হ'ল, এনেকুৱা অভিমানৰ সুৰত কৰ্তাৰ সিঙে ক'লে, "ইয়ে আপনি কি কৈছে ডাঙৰীয়া? দেখক, এই আমাৰ ফটোৰ নমুনা আছে।"

সম্মুখৰ ক'লা কাপোৰ এখনত তিনিকুৰিমান ফটো এঠাই থোৱা আছে। উত্তৰ-পূব সীমান্তত মিলিটেৰি কাম কৰা গুঁফীয়া ডেকাৰ-পৰা, অলপতে পাকিস্তানলৈ গুচি যোৱা মিঞা চাহেবলৈকে ঢেৰ মানুহৰ ফটো। লীলাকান্তই নমুনাবোৰ ভালেই দেখিলে।

পিছফালে কাপোৰত বন্দী প্ৰাকৃতিক দৃশ্য লৈ লীলাকান্ত আৰু চন্দ্ৰিকা দুখন টুলৰ ওচৰত বহিল। মুখটো অলপ ওপৰলৈ, অলপ বাঁওফালে, অলপ পোন হৈ বহক, হাত দুখন আঁঠুৰ ওপৰত ৰাখক—কৰ্তাৰ সিঙৰ নানা প্ৰকাৰৰ নিৰ্দেশ। এবাৰতো সি

চন্দ্ৰিকাৰ থুঁতৰিত ধৰি মুৰটো ঠিক অৱস্থানৈ তুলি দিয়াৰেই উপক্ৰম কৰিলে।

চন্দ্ৰিকা ঘামিছিল। কৰ্তাৰ সিঙৰ পৰামৰ্শ মতে তাই 'ছিন' খনৰ পিছফালে গৈ আয়না চাই চাদৰৰ আঁৰ হৈ থকা আগ এটাৰে মচি কপালৰ ফোঁটটো ঠিক কৰি লৈছিল; এতিয়া আকৌ নষ্ট হয় হয়। ভয়ে ভয়ে তাই কেমেৰাৰ ফালে চাই আছিল। কৰ্তাৰ সিঙে এবাৰ লৰচৰ কৰিবলৈ মনা কৰিলে; তাৰ পাছতে এবাৰ দুয়োকো অলপ হাঁহিবলৈ ক'লে। কি কৰিলে চন্দ্ৰকাই কিন্তু নিজে ক'ব নোৱাৰিলে। এক, দুই, তিনি। শেষ।

তিনিটা ঠেঙৰ ওপৰত থিয় হৈ থকাটো কৰ্তাৰ সিংৰ কেৱল কেমেৰাই নহয়, এটা সম্পূৰ্ণ কাৰখানা। ক'লা কাপোৰৰ তলত হাত দুখন সুমুৱাই ৰাখি কিছু সময় সি কিবা কিবি কৰিলে; তলফালে ওলমি থকা টিনৰ পাত্ৰ এটাত অলপমান সময় পানীৰ খল্‌খলনিৰ শব্দ হ'ল; তাৰ পাছত সি হাত দুখন উলিয়াই আনিলে। হাতত লাগি আছিল লীলাকান্ত-চন্দ্ৰিকাৰ ফটো। লাগি থকা পানীখিনি জোকাৰি পেলাবলৈ সি ফটোখন দুবাৰমান এচাৰিলে; অলপ ওপৰলৈ দাঙি ধৰি নিজে এবাৰ ভালকৈ ফটোখন চালে; তাৰ পাছত হাঁহি এটা মাৰি লীলাকান্তৰ ফালে আগবঢ়াই দিলে, "দেখুন, কেমন সুন্দৰ হোয়েছে।" মুখেদি কি ভাষা ওলাল সি মনেই নকৰিলে।

লীলাকান্তই খুব মনোযোগেৰে ফটোখন চালে; চাই চন্দ্ৰিকাৰ ফালে আগবঢ়াই ধৰিলে। চন্দ্ৰিকাৰ ঘাম ওলোৱা বন্ধ হোৱা নাছিল; গোজোৰা মাৰি ক'লে, "থাকক।" যেন তাইৰ চঞ্চল জীৱনৰ অসতৰ্ক, বৰ গোপন অথচ নিৰ্দোষ আৰু নিষ্পাপ মুহূৰ্ত এটা ফটোখনৰ মাজেদি হাজাৰ হাজাৰ মানুহৰ চকুত ধৰা পৰিছে।

কিন্তু টাউনৰ সীমা পাৰ হৈ, পথকৰা বাটৰ প্ৰথম দাঁতত গছ-জোপাৰ তলতে তাই লীলাকান্তক ক'লে, "চাওঁ ফটোখন।"

লীলাকান্তই তল জেপবপৰা ফটো থকা লেকাকাটো উলিয়াই দি আগবাঢ়িল। কিন্তু অলপ পাছতে পিছে পিছে মেখেলাৰ জৰপ জৰপ শব্দ শুণুনি সি উভতি চালে।—"অ, বৈ গ'লা দেখোন।"

চন্দ্ৰিকা গৈয়েই আছিল, কিন্তু ফটোখনৰ মানুহজনীৰ চকুৱে চকুৱে পৰি তাই বৈ গ'ল। তাইৰ এটা অদ্ভুত ধৰণৰ লাজ লাগিল, মুখখনে হাঁহো হাঁহো কৰিলে; লীলাকান্তই উভতি মাত দিয়াৰ লগে লগে তাই হাঁহি পেলালে; কিন্তু ফটোখনৰপৰা চকু নাতৰালে। ইমান ধুনীয়া!

ইমান ধুনীয়া! লীলাকান্ত ক'ৰবালৈ গুলাই যোৱাৰ পাছত ফটোখন লৈ চন্দ্ৰিকাই চাকিটোৰ ওচৰত বহি ললে। ইমান ধুনীয়াকৈ নিজকে তাই কেতিয়াও দেখা নাই। আয়নাতে নিজকে দেখিছে। সৰু আয়না; মুখখন দেখিলে গাটো নেদেখে, আয়নাখন অলপ বেঁকাকৈ দিলে বুকুখন দেখে, মুখখন নেদেখা হয়। এতিয়া ভৰিৰ বুঢ়া আঙুলিৰপৰা মূৰৰ চুলিলৈকে গোটেই মানুহজনীক তাই দেখিছে। ওঁঠ দুখনে কিবা এটা কৰিব খুজিছে, বোধহয় হাঁহিব খুজিছে। হয় হয়, ফটো তোলা মানুহটোৱে এবাৰ হঁহাৰ কথা কৈছিল। ইস্ বাম, এনে বুলি জনা হ'লেতো তাই ভালকৈয়ে হাঁহিব পাৰিলেহেঁতেন। কিন্তু আচৰিত কথা,—চাদৰখনতো তাই ইমান ভালকৈ লোৱা নাছিল; কেনেকৈ ইমান ধুনীয়া হ'ল? চাৰ দিয়া চাদৰখনৰ বঙা, বহল ফুলাম পাৰিটোৱে ভৰিৰপৰা আৰম্ভ কৰি তাইৰ গাটো মেৰিয়াই ধৰিছে। ফুলে-পাতে ভৰপূৰ লতা এডাল যেন আলফুলকৈ তাইৰ গাৰ ভাঁজে ভাঁজে বগাই গৈছে। বুকুখনত লতাডালে দুবাৰ ঢৌ খেলাইছে। চাদৰখনলৈও চন্দ্ৰিকাৰ হঠাতে বৰ মোহ উপজিল' মুখৰ একেবাৰে ওচৰলৈ ফটোখন আনি তাই তাইৰ মুখলৈ চাই ৰ'ল। মুখত ওৰণি, কপালত কোঁট; তাৰ উপৰি গাতে গা লগাই তাইৰ গৰাকীজন। আয়ৈ দেহি! মানুহজনলৈ তাই পাহৰিয়েই

গৈছিল। যাক চাই থাকিবৰ কাৰণে ফটোখন তোলাই আনিলে, নিজক চাই থাকোঁতে তেৱেঁই তল পৰে এতিয়া!

চন্দ্ৰিকাই এবাৰ হাঁহিলে। হৰিমণ্ডলৰ জীয়েক মাকণক তাই এইবাৰ সাত্তোটিমান সেৱা কৰিব। মাকণেহে তাইক এই সুবুদ্ধিটো দিলে। লীলাকান্ত পামত থাকোঁতে এদিন চন্দ্ৰিকাই তাইক কৈছিল, "কেতিয়ানো আহে, একো খা-খবৰ পোৱা নাই, অকলে অকলে কিবাকিবিখন লাগে, বুইছা?"

বুজিছে, মাকণে সকলো বুজিছে। তাই পৰামৰ্শ দিলে, "এটা কাম কৰা, দুইটাই মিলি দুখন ফটো তোলা, লীলা ককাইটিয়ে পামত বহি তোমাক চাই থাকিব, তুমি ঘৰত বহি ককাইটিক চাই থাকিবা।"

দুয়োজনীয়ে পাৰেমানে হাঁহিলে; হাঁহিৰ জোকাৰণিতেই নে কি, কথাষাৰ কিন্তু চন্দ্ৰিকাৰ অন্তৰত খাপ খাই বহি গ'ল। ফলস্বৰূপে ফটোখন তোলা হ'ল, কিন্তু মানুহজনলৈ চকুৰেই নপৰা হ'ল, নিজক চায়েই তাই তৰপি পোৱা নাই। ঠিক আছে; এইবাৰ লীলাকান্ত পামলৈ গ'লে, চকু তেওঁত নপৰি আৰু ক'ত পৰিব!

টিনৰ ছুটকেছটোৰ ভিতৰত 'ব্ৰহ্মাণ্ডৰ লীলা' নামেৰে হাতে লিখা নাটক এখন আছিল। চন্দ্ৰিকাই ফটোখন তাৰ মাজত সুমুৱাই থলে। কিন্তু দেখা গ'ল দিনটোৰ ভিতৰত দুঘণ্টাও বস্তুটো নাটকখনৰ মাজত শান্তিৰে থাকিবলৈ নাপায়। গণেশ আহিব—"চাওঁ অ' লীলা, ফটোখন চাওঁ, আমাৰো এখন তোলাৰ লাগিছিল!" সোণেমাই আহিব, "ফটোখন কি কৰিলে খুড়ী? চাওঁ চাওঁ, আমিও চাওঁ।" দুজনী সৰু সৰু ছোৱালীয়ে আহি চুচুক-চামাককৈ থাকিব, এবাৰ সেমেনা-সেমেনিকৈ এজনীয়ে ক'ব, "মামী, প্ৰমীলাই বোলে ফটোখন চায়।" প্ৰমীলাই মুখতে ধৰিব, "ইস্! তাই নিজে মোক মাতি আনিছে, এতিয়া আকৌ

মোৰ কথা কৈছে!” কুন্তী জেঠাই আছিল, “হয়নে আই কিবা ফটোক্ নে কি এখন তুলিছ বোলে?” কুন্তী জেঠাই বহি থাকোঁতেই লিগিৰী মাহী আহিল, সুগন্ধী বুঢ়ী আহিল, অৱন্তী আহিল,— ফটোখন মাজতে লৈ মেলেই বহিল।

ইহাত সিহাতকৈ যেতিয়া ফটোখন সুগন্ধী বুঢ়ীৰ হাতত পৰিল, তেতিয়া তেওঁ প্ৰথমতে ওপৰে ওপৰে এবাৰ চ[illegible] কিন্তু পিছ মুহূৰ্ততে ফটোখন মুখৰ ওচৰলৈ আনি তেওঁ ঘন ঘনকৈ চকু পিৰিকিয়াবলৈ ধৰিলে, তাৰ পাছত বটাটোৰ ওপৰত থৈ তেওঁ “মই উঠোঁহে” বুলি কৈ একে কোবেই [illegible] লি মুখ পালেগৈ। নিজৰ ঘৰৰ ফালে কোবাকুবিকৈ খোজ ল[illegible]ত এবে বাটটোৱে বুঢ়ীয়ে ভোৰভোৰাই গ'ল। পিছ [illegible]ত ভৰি দিয়েই বুঢ়ীয়ে চিঞৰ ধৰিলে, “জানেকী, অ' জানেকী!” জানেকীয়ে দীঘল মাৰি এডালৰ মূৰত খেৰ এমুঠি বান্ধি লৈ শোৱা কোঠালীটোৰ এলান্ধু জাৰিছিল মাত লগালে, “কি?”

“চাওঁ গুলাই আহচোন। তোৰ যে সেই চমকা-চমক ফুল দিয়া চাদৰখন দেখিছিলোঁ, কি হ'ল?”

জানেকীৰ হাত বৈ গ'ল। আকৌ বা কি হ'ল? বুঢ়ীৰ মাতটো আৰু সোধাৰ ধৰণটো উলা-মূলা যেন লগা নাই। মাৰিডাল বেৰতে আঁউজাই থৈ তাই ওলাই আহিল। গাতত সোমোৱা চকুযোৰেৰে পিট্‌পিট্‌কৈ তাই বুঢ়ীৰ ফালে চালে, তাৰ পাছত সুধিলে, “কোনখন?”

“সেই যে বৰ-সবাহৰ দিনা ল'বলৈ কওঁতে তাই নলওঁ বুলি কৈছিলি, সেইখন।”

জানেকীয়ে প্ৰথমবাৰতে ভালকৈ বুজিছিল কোনখন চাদৰৰ কথা সুধিছে। তাই এনেয়ে কথা বঢ়াবলৈ হে চেষ্টা কৰিছিল। তাই ভিতৰলৈ সোমাবলৈ বুলি ঘূৰিল; লগে লগে লাহেকৈ ক'লে, “দীঘল ককাইটিয়ে নিছে।”

"সেইয়া, মই দেখিয়েই চিনি পাইছোঁ নহয়।" বুঢ়ীয়ে মুখতে ধৰিলে। তাৰ পাছত এজাউৰি বকনি।—উৰা এটা নিয়ে, চেৰেকী এটা নিয়ে, সৌ উৰলটো নিয়ে, দেখিবলৈ ভাল; এইবোৰ কাপোৰ-কানিৰ লগত আকৌ কিহৰ লেনদেন! 'আক নিছ নে, কাক গা দেখুৱাবৰ মন গৈছে দেখুৱা, আকৌ তো সময় বুজি দি যাবহি পাৰ।"

জানেকীয়ে মুখেৰে নামাতিলে। তাই আকৌ কামত লাগিল। মাৰিডালৰ আগৰ খেৰমুঠি এলান্ধুৰে ছাটি ধৰিছিল, তাই হাতেৰে সেইবোৰ গুচোৱাত লাগিল। লীলাকান্তই চাদৰখন বিচাৰিলে দিয়াত তাইৰ আপত্তি নাই; এতিয়া লীলাকান্তই চাদৰখন দিয়াহি নাই, তাইনো কি কৰিব! নিজেই বা আনিবলৈ যাব কিয়, কাৰোবাৰ আগত খবৰটোকেই বা দিব কিয়!

জানেকীয়ে একো কৰিবলগীয়া নহ'ল। সুগন্ধী বুঢ়ীয়ে কেইবা ঘৰলৈকে শুনাকৈ বকিছিল; কোনোবাই বোধহয় লীলাকান্তক কথাটো কাণ চোবালে; পিছদিনা পুৱাবেলা লীলাকান্তৰ সম্বন্ধীয়া সৰু ল'ৰা এটাই চাদৰখন লৈ আহিল। সুগন্ধী বুঢ়ী ঘৰত নাছিল, জানেকীয়ে চাদৰখন হাত পাতি ললে। তাই তেনেকৈয়ে বহুত পৰ বহি ৰ'ল। বহুত কিবাকিবি ভাবিলে। এবাৰ দীঘলকৈ নিশাহ এৰি তাই থিয় হ'ল। এনেয়ে চাদৰখন খুলিলে। ধুই জাপি থোৱা চাদৰ এবাৰ পিন্ধি, দুবাৰমান উঠা-বহা কৰিলে যিমান ভাঁজ পৰে, সিমান ভাঁজ পৰিছে; সৰু সৰু মিহি মিহি ভাঁজ। জানেকীৰ বুকুখনেও সৰুকৈ মোচোকা এটা খাব খুজিলে, পিছে তাই প্ৰশ্ৰয় নিদিলে। কিন্তু পিছ মুহূৰ্ততে চাদৰখনৰ এঠাইত চকু পৰাৰ লগে লগে তাই গম্ভীৰ হৈ পৰিল। অলপ সময় তাই সহজভাৱে উশাহ লব নোৱাৰিলে। নিজকে ভলসৰা পাততকৈও সৰু বুলি ভাবিবলৈ তাই অভ্যস্ত হৈ গৈছে; তথাপি এক মুহূৰ্তৰ কাৰণে তাই নিজকে প্ৰবোধ দিব নোৱাৰিলে। চাদৰখনত

এচমকা সেন্দুৰৰ দাগ ;—দাগটোলৈ চাই তাইৰ এনেকুৱা লাগিল যেন ওচৰৰ মানুহ ঘৰত ভোজ পাতিছে ; তাইক ভোজলৈ মতা নাই, অথচ খাই এৰা চুৱা-পাতবোৰ জেওবা পাৰকৈ তাইঁতৰ ঘৰৰ কালে দলিয়াই পেলাইছে। ভিতৰলৈ সোমাই গৈ তাই বছী এডালৰ ওপৰত চাদৰখন পেলাই থৈ দিলে ; নাজাপিলে।

জানেকীৰ বয়স হৈছে ; একুৰি বাৰ বছৰ হৈ গৈছে। চৈধ্য-পোন্ধৰ বছৰ বয়সত যেতিয়া তাই লেংলেংকৈ ওখ হৈ গৈছিল তেতিয়া ভাবিছিল,—তাই গাঁৱৰ আন দহজনী ছোৱালীৰ নিচিনা কঁটীয়া-মটীয়া নহ'ল, ভালেই হ'ল। এতিয়া ৰাতিপুৱা আবেলি নিজৰ গাৰ ছাঁটোক তাইৰ তামোল গছৰ ছাঁ যেন লাগে। সোতৰ-ওঠৰ বছৰ বয়সত যেতিয়া তাইৰ গাত লোদোৰ-পোদোৰকৈ মঙহে নধৰিলে, তেতিয়া ভাবিছিল, ভালেই হৈছে, তাই লাহী হ'ব। এতিয়া নিজৰ হাতখন দেখিলে তাইৰ দ'তৰ হাত যেন লাগে। ছুই চাবই নালাগে, ছালৰ তলতে থকা হাতৰ ঠাৰিৰ হাড়ডাল এনেয়ে দেখি। ডাঙৰ ডাঙৰ গাঁঠিৰ আঙুলিবোৰ কঠুৱা হৈ গৈছে, নখবোৰে কোঁচ খাবলৈ আৰম্ভ কৰিলেই। চকু গাঁতলৈ সোমাই গৈছে, গালৰ হাড় দুডাল ঝকৃঝককৈ জিলিকি পৰিছে, দিন যোৱাৰ লগে লগে মুখৰ আঁই দাগবোৰ গভীৰ আৰু পৰিষ্কাৰ হৈ পৰিছে। কোনোবা দিনা যে যৌবন আহিছিল, দেহাত তাৰ নিষ্প্ৰাণ আৰু দুৰ্বল সাক্ষী মাত্ৰহে আছে।

এই দেহা লৈ ৰঙা ফুল দিয়া পাৰিৰ ছিঙ্কৰ চাদৰ পিন্ধাৰ বাঞ্ছা জানেকীৰ নাই, থাকিলেও মুগুৱায়। সেই কাৰণে লীলাকান্তই বিচাৰি আহোঁতে চাদৰখন দিবলৈ তাই সামান্য আপত্তিও কৰা নাছিল, ওভোতাই নিদিওঁতেও মনে মনে আছিল। আৰু নিদিয়া হ'লেও ভাল আছিল। কিন্তু যদি ওভোতাই দিলেই, তেনেহ'লে মাজত আকৌ অওঠা এডাল সুমুৱাই দিলে কিয়? অকণমান লৰা এটাৰ হাতত এনেকৈ দি পঠিয়ালে কিয়? লীলাকান্ত

নিজেওতো আহিব পাৰিলেহেঁতেন। তাইতো লীলাকান্তক একো আমনি নকৰিলেহেঁতেন। হয়তো কেৱল ধেমালি কৰি সুধিলেহেঁতেন, "ককাইটি, নবৌক এইখন চাদৰ লওঁতে কেনেকুৱা দেখিছিলি ?"

লীলাকান্ত নিজে নাহিল। বোধহয় আহিবলৈ তাৰ সাহ নহ'ল। ইয়াৰ বাহিৰে জানেকীয়ে আৰু একো উত্তৰ বিচাৰি নাপালে। সাহ নোহোৱাটোৱেই সঁচা। অকল লীলাকান্তৰেই নহয়, জানেকীৰ ওচৰলৈ অহা কোনো এটাৰ সাহ নাছিল।

মনোমোহন, ৰুদ্ৰ, তপোধৰ,—ইহঁত এটাৰো সাহ নাছিল।

সাহ থকা হ'লে মনোমোহনে প্ৰথম দিনাই তাইক পৰিষ্কাৰকৈ ক'ব পাৰিলেহেঁতেন, "তোমাক মোৰ ভাল লগা নাই, পিছে ভনীয়েৰাক... ।"

সাতাইছ বছৰ বয়সীয়া জানেকী। একুৰি বছৰৰ বয়সৰপৰা কেইবাঘৰ মানুহে ঠাৰে-ঠিয়াৰে তাইক জনাই থৈ গৈছে,—কইনা হোৱাৰ চেহেৰা তাইৰ নাই। আছে তেইছ বছৰীয়া ভনীয়েক সাবিত্ৰীৰ। গাত মঙহ আছে, গালৰ হাড় ঢাকি খাই আছে। কিন্তু আৰু কিমান দিন থাকিব, সেই বিষয়ে জানেকীৰ সন্দেহ হয়। আয়নাত নিজৰ মুখখন চাই ভনীয়েকলৈ চকু পৰিলে তাইৰ ভয়েই লাগে। বুঢ়ী মাক সুগন্ধীক তাই কেইবা দিনো কৈছে, "মই থকাৰ কাৰণেই যদি তই তাইক তেনেকৈ ঘৰতে বহুৱাই ৰাখিছ, তেনেহ'লে মই কৰবাত পানীয়ে-দুনীয়ে পৰিহে মৰিমগৈ।"

সুগন্ধী বুঢ়ীয়ে বোধহয় দুজনীকে ছোৱালী বুঢ়ীভনীৰ টেটুত লগাই থৈ যোৱাৰ কাৰণে জানেকী-সাবিত্ৰীৰ মাক-বাপেকক মনে মনে গালি পাৰে আৰু আকাশ-পাতাল ভাবে। ভাবি থাকোঁতেই এদিন মনোমোহন ওলালহি। চৰকাৰী চিটাদাৰ। আই ওলোৱাৰ দিন পৰিলেই গাঁৱে-গাঁৱে, ঘৰে-ঘৰে ফুৰিব লাগে ; তাতেই খবৰ পায় কাৰ ঘৰত ছা-ছোৱালী আছে।

সুগন্ধী বুঢ়ীয়ে জানেকীক আগবঢ়াই দিলে। ইণ্টাৰভিউ দি দি বুকু ভাঠ হোৱা পুৰণি প্ৰাৰ্থীৰ দৰে জানেকীয়ে লাজ কৰিব লাগে, কৰিলে ; তলমূৰকৈ থাকিব লাগে, থাকিল। সাবিত্ৰীয়ে তামোল-চাদি দিলে।

ইয়াৰ আগতে অহা আন ল'ৰা-ঘৰীয়াই ছোৱালী পছন্দ নোহোৱা খবৰটো দিবলৈ দৰ বেছি তিনিদিন লয়। মনোমোহনে কিন্তু তেনেকুৱা একো খবৰ নিদিলে। বৰং সি ঘনাই জানেকীহঁতৰ ঘৰলৈ আহিবলৈ ধৰিলে। মুখত হাঁহি, যেমেলীয়া কথা-বতৰা। সুগন্ধী বুঢ়ীৰ লগত সি গুণগুণকৈ বিয়া-বাৰুৰ কথাও পাতিলে।

অদ্ভুত গুণগুণনি। সাতাইছ বছৰ বয়সত জানেকীয়ে যেন তোমোৰাৰ মাত শুনিলে। অদ্ভুত শব্দ। এতিয়াহে যেন তাই আবিষ্কাৰ কৰিলে, ইমান দিনে তাই ব্যৱহাৰ কৰি অহা আয়নাখন ভাল নহয়। তাইৰ সঁচাকৈয়ে লাজ লাগিল। "বাচোন সাবিত্ৰী, তেখেতক হাত-মুখ ধুবলৈ পানী ঘটী আৰু গামোচাখন তয়ে দি আহগৈ।"—বয়সৰ লগে লগে পোত খাই অহা লাজবোৰক এই মনোমোহন বোলা মানুহটোৱে খান্দি উলিয়ালেছি। মানুহটো আহিলে জানেকী আগত ওলাব নোৱাৰে। সাবিত্ৰীক পঠিয়াই দিয়ে।

সাবিত্ৰী গ'ল, কিন্তু উভতি নাহিল। হঠাতে এদিন আবেলি পৰত আকৌ এটা অদ্ভুত শব্দ। সাবিত্ৰীয়ে আঠুৰ মাজত মূৰ সুমুৱাই উচুপি উচুপি কান্দিছে।

জানেকী ওচৰ চাপি গ'ল।

কি হ'ল? কি?......কি?

মুহূৰ্তৰ ভিতৰতে গোটেই গাঁওখন যেন ধুঁৱলি-কুঁৱলি হৈ নেদেখা হৈ গ'ল। জানেকী স্তব্ধ হৈ ৰ'ল। চোতালত পৰি থকা তামোলৰ বাকলি একালৰ কালে একেথৰে চাই তাই কিমান সময় বহি ৰ'ল, তাৰ হিচাপ নৰ'ল। সন্ধিয়াৰ আগে আগে পদূলিমূৰত

বুঢ়ীমাকৰ গল-হেঁকাৰণি শুনি তাইৰ গাটো লৰিল। সাবিত্ৰীৰ গাটোৰ ফালে এবাৰ চাই লৈ তাই ক'লে, "যি হৈছে হৈছে, এতিয়া আৰু কন্দা-কটা নকৰিবি। মৰিলেও কাৰো আগত একো মুলিয়াবি।"

সাবিত্ৰীৰ কান্দোনটো অকণমান যেন বেছি হ'ল। দীঘলকৈ টানি লোৱা উশাহ এটা জানেকীয়ে কিছু সময় বন্ধ কৰি ৰাখিলে! তাৰ পাছত ক'লে, "উঠ উঠ, আই আহিছে। মই আছোঁ নহয়. কিবা এটা হ'ব দে।"

জানেকীয়ে প্ৰথমতে ভাবিলে কেতেকী বুঢ়ীকে কথাটো কোৱা ভাল। এইবোৰ ঔষধ-পাতিৰ ব্যৱস্থাত বুঢ়ীৰেই হাত। কিন্তু...। গোটেই ৰাতিটো জানেকীৰ চকু মেল খাই থাকিল। অজস্ৰ কথা ভাবি ভাবি তাই ৰাতি পুৱাই দিলে।

তাৰ পাছত যিদিনা মনোমোহন আহিল, যেনেকৈ আছিল তেনেকৈয়ে জানেকী তাৰ ওচৰলৈ ওলাই গ'ল। একো পাতনি নেমেলাকৈ পোনে পোনে তাই ক'লে, "আপুনি তাইক নিয়াৰ ব্যৱস্থা কৰক, যিমানে দিন যাব, সিমানে লেঠা বাঢ়িহে যাব।"

বৰ ডাঙৰ অপাৰেচনৰ কাৰণে সাজু হৈ থকা মনোমোহনক ডাক্তৰে যেন কেৱল এপালি মিঠা ঔষধ খুৱাই দিলে। কিছু সময়লৈ সি মুখ মেলিব নোৱাৰিলে, মূৰ তুলিব নোৱাৰিলে। পাছত লাহেকৈ ক'লে, "চাওঁচোন বাৰু...।"

"চাওঁচোন বাৰু বুলিবলৈ কি আছে? বিয়াখন পাতিবলৈ এতিয়া সময়ো নাই, আমাৰ তেনেকৈ যোগাৰো নাই। শুনিছোঁ বোলে আপুনিও অকলশৰীয়া মানুহ। গতিকে...."

গতিকেই দুদিনমান পাছত নিশা এঘাৰ বজাৰ বেলত উঠিবলৈ মনোমোহনৰ লগত সাবিত্ৰী ওলাই গ'ল। সুগন্ধী বুঢ়ীয়ে ইঘৰ সিঘৰলৈ গুণগুনাকৈ কান্দিলে। চিঞৰি-বাখৰি কাজিয়া-কাটি নাতিনী-হঁতক উলিয়াই দিয়াৰ হেঁপাহ এটা বুঢ়ীৰ আছিল, পূৰা নহ'ল।

সাবিত্ৰী আৰু মনোমোহন পদূলি পাৰ হৈ যোৱাৰ লগে লগে

জানেকীয়ে অনুভৱ কৰিলে, তাইৰ বুকুখন পুৰিছে। ভিতৰত দপ্-দপকৈ একুৰা জুই জ্বলিছে। বহুদিনৰপৰা পৰি থকা কাঠ-বাঁহ, সেইকালেই পচি-ক্ষহি খহি গ'লহেঁতেন, কিন্তু হঠাতে সেইবোৰত কোনোবাই জুই লগাই দিলে। সাবিত্ৰীৰ ওচৰ চপাৰ বাট তাই নিজেই মুকলি কৰি ৰখাৰ ব্যৱস্থা কৰিছিল, তথাপি মনোমোহন চোৰটোৱে মুকলি বাটেদি নগৈ আহোঁতে-যাওঁতে তাইক গচকি থৈ গ'ল কিয় ?

জানেকীৰ বুকুৰ পচা খৰিৰ জুই বেছি পৰ নজ্বলিল, সোনকালে ছাই হৈ গ'ল। দোকমোকালিৰ পাছত তাইৰ চকু দুটা পানীৰে উপচি পৰিল, গোটেই মুখখন তিতি গ'ল। বিছনাৰপৰা উঠি তাই চাদৰৰ আগেৰে মুখখন মচি পেলালে। দ আইদাগবোৰ সেমেকি চলচলীয়া হৈয়েই থাকিল।

মাজে মাজে জানেকীয়ে ভাবে, বৰ টান বেমাৰ এটা হৈ তাই মৰি গ'লেই ভাল হয়। কিন্তু তাইৰ যে পথাৰৰ মাজৰ শিমলু গছৰ নিচিনা অকুবন্ত আয়ুস। আৰু বেমাৰ হ'বলৈকোতো গাটোত অলপ জেগা লাগে। তিনি বছৰৰ ভিতৰত বোবা হৈ যোৱা মানুহজনীৰ গাৰ শেষ মঙহখিনিও জহি-খহি গ'ল। মাজে মাজে তাই ভাবে, সাবিত্ৰী আৰু মনোমোহনে তাইৰ গাটো আজুৰি আজুৰি নাইকিয়া কৰিলে নে কি ? গালখনত হাত দি খেপিয়াই খেপিয়াই তাই মাজে মাজে চায়। আয়নাৰ ওচৰলৈ তাই বহুদিন যোৱা নাই, যাবলৈ এৰিলে। আয়না নোচোৱাকৈয়ে তাই পৰিষ্কাৰকৈ নিজৰ চেহেৰাটো দেখে। তাইক বেৰি থকা শ শ মানুহৰ চকুৱেই তাইৰ কাৰণে আয়না।

তাইক আৰু বেলেগ আয়না কিয় লাগিছে।

সেই ত্ৰিছ বছৰীয়া জানেকীকে আকৌ এদিন তাওনাথলীৰপৰা আধা ৰাতিতে উঠি অহা দেখি কন্যাই লবালবিকৈ কাষ চাপি সুধিলে, "ঘৰলৈ যাব নেকি ?"

"এবা অ' যাওঁগৈ। টৌপনি ধৰিছে।" জানেকীয়ে ক'লে।

"বল, মোৰো বাওঁ বুলিছে ভলাই আছিলোঁ।"

বাঁহতলীয়া বাটত মানুহ-দুনুহ নাই। তবিব তলত শুকান পাত, অলপ অলপ নিয়ৰত সেমেকিছে, খৰমৰণিও নাই। রুদ্রই এবাৰ লাহেকৈ সুধিলে, "জেঠাই ভাওনালৈ অহা নাই?"

"নাই অহা, আইৰ গাটো ভাল নহয়।"

আৰু অলপ কাষ চাপি রুদ্রই সুধিলে, "জেঠাইৰ চাগে এতিয়া টৌপনিছে?"

আৰু অলপ কিনাবেদি খোজ লৈ জানেকীয়ে ক'লে, "জানো, শুইছে চাগৈ। এটা কথা নহয়, কণ্ঠাদেদাইক বয়সীয়া মানুহ যদিও সহদেৱৰ ভাৱত ভাল শুৱাইছে, নহয়?"

"ওঁ, বৰ বেয়া দেখা হোৱা নাই। এটা কথা, মই বাৰু তোক একেবাৰে ঘৰলৈকে আগবঢ়াই দি আহোঁগৈ ব'ল।"

রুদ্র জানেকীৰ একেবাৰে কাষ চাপিছিল, ঠিক এনে সময়তে ভাওনা ঘৰত তেল ঢুকাই মুমাওঁ মুমাওঁ হোৱা মেণ্ঠল লাইট এটা লৈ কেইটামান ল'ৰা মাণিক দোকানীক জগাবলৈ বুলি সেই ফালেদিয়েই আহিল। বাস্তাৰ একাষে জানেকী আৰু আন কাষে রুদ্র।

পিছদিনা গধূলিৰ পাছত গাত এৰীয়া কাপোৰ লৈ রুদ্র জানেকীহঁতৰ ঘৰলৈ আহিল। জানেকীয়ে ভৰি দুখন মেলি বহি, মেখেলাখন আঁঠুৰ ওপৰলৈকে তুলি চাকিৰ শলিতা বটিছিল, তাই লৰালৰিকৈ কাপোৰখন দীঘলাই ললে।

রুদ্রই কাপোৰৰ তলৰপৰা শকত-আৰত আধাপকা মালভোগ কল এআখি উলিয়ালে, "হোঁ, লচোন।"

"কল আখি কিয় আনিছ আকৌ?" জানেকীয়ে সুধিলে।

"এ, এনেয়ে আনিলোঁ। ঘৰতে পৰিছিল এখোক।"

মুকলি মনেৰেই জানেকীয়ে কল আখি ললে। তাৰ পাছত সুধিলে, "আহিছিলিনো কলৈ তই?"

ৰুদ্ৰই তাইৰ মুখলৈ চাই ৰব বহুইচ লগা হাঁহি এটা মাৰিলে, তাৰ পাছত .চেপা মাতেৰে ক'লে, "কলৈনো যাম? তোৰ লগতে কথা দুষাৰমান পাতোঁ বুলি আহিছোঁ।"

জানেকী অলপ সময় ঠৰ লাগি ৰ'ল, তাৰ পাছত লাহে লাহে তাই ক'লে. "এটা কথা নহয় ককাইটি, যদি তোৰ কিবা কথা পাতিবলগীয়া আছে, আইৰ লগতে পাত। আৰু তোৰ পিতায়েৰ-বোৱেৰহঁতৰ লগতো পাত। তাৰ পাছত যি হয় হ'ব। এতিয়া এনেকৈ কথা-বতৰা পাতি থাকিলে কিভাল হ'ব?"

অৱশ্যে ৰুদ্ৰই কাকো একো ক'বলগীয়া নহ'ল। বাপেকৰ কাণত কথাটো এনেয়ে পৰিল। দুদিনমানৰ মূৰত জানেকীৰ কাণত পৰিল, ৰুদ্ৰৰ নিচিনা ডেকা মানুহটোকো বাপেকে হেনো দুইহে কিলোৱা নাই। কথাষাৰ শুনাৰ বহুত পৰৰ পাছত জানেকীৰ অকলে অকলে হাঁহি উঠিল।

তাৰ পাছত বহুত দিন গ'ল। গাঁৱত কেইবাটা মানুহো মৰিল, কেইবাজনী ছোৱালীৰো বিয়া হৈ গ'ল। দুটামান টিনৰ ঘৰ উঠিল। গাঁৱৰ ৰাস্তাটো গভৰ্ণমেণ্টে ললে, শিলগুটি পেলাই থোৱা বহুত দিন হ'ল, এতিয়া এমূৰৰপৰা পকা কৰি আনিছে। ৰাস্তাৰ কাষত চোকা কৰি লৈ মানুহবোৰে ডাঙৰ ডাঙৰ ড্ৰামত পিচ গলায়; ক'লা ধোঁৱাৰে গোটেই অঞ্চলটো ধুঁৱলি-কুঁৱলি হৈ পৰে। আহি আহি এদিন ষ্টিম ৰ'লাৰটো জানেকীহঁতৰ পদূলিমুখ পালেহি। বাঁহৰ খুটি কেইটামানৰ ওপৰত ত্ৰিপাল এখন দি কাম কৰা মানুহবোৰে এখন চালি সাজিলে। দিনটো চিঞৰ-বাখৰ কৰি কৰি গধূলি প্ৰায়বোৰ মানুহেই যায়গৈ, কেইটামান মানুহ ত্ৰিপালৰ চালিৰ তলত শুই থাকে. ষ্টিম ৰ'লাৰটোৰ ওপৰত এটা লেম গোটেই ৰাতি জ্বলি থাকে।

ৰাস্তাৰ কাম কৰা মানুহ তপোধৰে এদিন কঁকালৰ গামোচাখন খুলি লৈ ঘাম মচি মচি জানেকীহঁতৰ চোতাল পালেহি। সি এগিলাচ পানী খাব। পানী দিবলৈ আহোঁতে সি জানেকীক

দেখিলে আৰু দুআষাৰ কথা পাতি বুজিলে ঘৰখনত বুঢ়ী এজনী আৰু জানেকীৰ বাহিৰে আন কোনো নাথাকে।

ৰাতি মুকলি আকাশৰ তলতে ৰন্ধা-বঢ়া, খোৱা-মেলা কৰি ৰাস্তাৰ কাম কৰা আৰু ষ্টিম ৰ'লাৰকে আদি কৰি বস্তু-বেহানিবোৰ ৰখীয়া দিয়া মানুহকেইটা ত্ৰিপালৰ চালিৰ তলত সোমাল। তপোধৰে গৰমত শুব নোৱাৰি এনেয়ে ৰাস্তাত ইফাল-সিফাল কৰি ফুৰিলে। জানেকীহঁতৰ ঘৰৰ চাকি নুমোৱা নাই, কাঁহী-বাটিৰ খুটুং-খাটাং শব্দ হৈয়েই আছে। তপোধৰ এবাৰ সোমাই গ'ল। সি এখন তামোল খাব।

সুগন্ধী বুঢ়ীয়ে তামোল এখন দিয়াৰ উপৰিও বহুৱাই লৈ তপোধৰ ক'ৰ ল'ৰা, কি কথা, দুআষাৰ-এষাৰ কথা সুধিলে। তপোধৰে বুঢ়ীক বুজালে, এইবোৰ ৰাস্তাৰ কাম কৰিবলৈ অহা মানেই মহা লেঠা। বিশেষকৈ খোৱা-বোৱাৰ ঠিক নাই, শোৱাৰ ঠিক নাই। সুগন্ধী বুঢ়ীৰ দয়াৰেই উদ্ৰেক হ'ল। ক'লে, "বাৰু, সময় বুজি চাহ-তাহ এটোপা ইয়াতে খাই যাবা।"

কিন্তু সময় ক'তা? আজিকালিৰ ভিতৰতে ষ্টিম ৰ'লাৰ জানেকী-হঁতৰ পদূলিৰপৰা তিনি-চাৰি ফাৰ্লং আগুৱাই যায় যায়। এদিন ৰাস্তাত কাম কৰি থকাৰেপৰা তপোধৰে লক্ষ্য কৰিলে বাটেদি সুগন্ধী বুঢ়ীয়ে টুকটুককৈ ক'ৰবালৈ খোজ লৈছে। সি সাউৎকৈ মানুহৰ মাজৰপৰা আঁতৰি আহিল। তাৰ পাছত একেবাৰে জানেকীহঁতৰ ঘৰ। চোতাল নহয়, একেবাৰে ঘৰৰ ভিতৰ। এটোপা চাহ। জানেকীয়ে হাঁহিলে। তাইৰ গাল-মুখ সোমোৱা ক'লা মুখখনত বৰ ৰহস্যময় হাঁহি। চাহৰ বাটিটো গামোচাখনেৰে ধৰি লৈ, প্ৰথম সোহাটো মাৰি উঠি তপোধৰে সুধিলে, "সৌখন বিছনাত হ'বলা তুমি শোৱা?"

তুমি? জানেকীয়ে নিজকে চম্ভালি লৈ ক'লে, "থাকোঁ আৰু পৰি!"

"এইখনত ?"

"আই শোৱে।"

"মানুহ নাই, দুনুহ নাই অকলে অকলে ভয় নালাগেনে ?" তপোধৰে সুধিলে

"নাই, কিহৰ ভয় !" জানেকীয় ক'লে।

"ৰাতি টোপনিত থাকা নহয়, সেই কাৰণে ভয়ৰো গম নোপোৱা।"

"টোপনিনো কি সাৰে থকানো কি ? ভয় নাই যেতিয়া নায়েই।" কথাষাৰ জানেকীয়ে যেন মনৰ বহুত তলিৰপৰা খান্দি খান্দি উলিয়াই দিলে। কিন্তু তপোধৰৰ ওঁঠখনত এটা বিচিত্ৰ মৃদু হাঁহি ফুটি উঠিল, তাৰ চকু দুটা তিৰবিৰকৈ জিলিকি উঠিল. সি লাহেকৈ ক'লে, "হয়নে কি ? আজি ৰাতি ৰাক সাৰে থাকিবাচোন ; ভয় আছে নে নাই চাম।"

তপোধৰ উঠিল। জানেকী নিস্তব্ধ হৈ বহি ৰ'ল। "মনত থাকিব ?" বুলি তপোধৰে আকৌ এবাৰ হাঁহিলে ; তাৰ পাছত দুৱাৰটো চপৰাই দুৱাৰেদি ওলাই গ'ল।

হঠাৎ আকৌ হ'ল কি ? জানেকীয়ে ভাবিলে। নিজৰ গাটোত হাত দি চালে, হাড়বোৰতো ঠিকেই আছে। কপালখনত হাত ফুৰালে ; দুডাল এডালকৈ চুলি সৰি কপালখন বহুত বহল হৈ গৈছে। গালৰ হাড় ? এইডাল দেখোন ঠিকেই আছে : তাই খেপিয়াই চাই যেন নিজকে ক'লে। তেনেহ'লে হঠাতে আকৌ....।

ৰাতি বিছনাখনত পৰিয়েই জানেকীৰ গাটো চমচমাই উঠিল। ভয়তো তাইৰ বহুত দিনৰেপৰাই নাই। ৰাতি অকলে তাই ভাওনা ঘৰৰপৰা আহিব পাৰে। তেনেহ'লে কিয় তাইক তাপোধৰে ভয় খুৱালে ? ভয় আছে নে কি ? নিজৰ দেহাটোৰ ভিতৰলৈ নিজেই সোমাই গৈ জানেকীয়ে তন্নতন্নকৈ চব খুঁজিলে। হঠাতে তাই অস্থিৰ হৈ উঠিল। তাই বিছনাতে উঠি বহিল আছে, ঘৰৰ

তাইৰ ভয়ৰ কাৰণ আছে। তাই উলাই কৰি আহিছে, অৱহেলা কৰি কৰি অভ্যস্ত হৈ গৈছে, কিন্তু আচলতে ভয়ৰ কাৰণ তাইৰ এতিয়াও আছে; এইমাত্ৰ যেন তাই নিজেই তাৰ সন্ধেদ পাইছে। অলপ সময় বহি তাই কি কৰিব ভাবিলে। তাৰ পাছত সুগন্ধী বুঢ়ীৰ বিছনাৰ ওচৰলৈ উঠি আহিল।

বুঢ়ীয়ে চিলমিলীয়া টোপনিৰপৰাই সুধিলে, "কোন অ' ?"

"মই।"

"কি কৰিছ ?"

"মই তোৰ লগত শুম।"

"কিয় ?"

"এনেয়ে।"

"জানো কি কৰ তইহে জান।" বুঢ়ীয়ে বাগৰ এটা মাৰি জানেকীলৈ ঠাই এৰি দিলে।

গোটেই ৰাতিটোৰ ভিতৰত জানেকীৰ বিছনাখনৰ ওচৰৰ বেৰত ছৰাৰ বৰ সৰু সৰুকৈ টুকটুক শব্দ হৈছিল। বুঢ়ীয়ে সাৰ পোৱা নাছিল, জানেকীয় সাৰে থাকিও সাৰ পাবলৈ ভয় কৰিছিল। শেহৰ ৰাৰ টুকটুকনি বন্ধ নহয়হে নহয়। জানেকীয়ে মাত লগালে, "আই, অ' আই, উঠচোন, বাহিৰত কিবা এটাই খৰমৰাই আছে।"

সুগন্ধী বুঢ়ীয়ে চাকিটো লৈ ঘৰটোৰ কেউকাষ চালে, একো নাই। বহুত দূৰত কেৱল ত্ৰিপালৰ চালিখনৰ তলত কাম কৰা মানুহ এটাই সাৰ পাই সুধিলে, "কোন অ' ?"

তপোধৰে ক'লে, "মই, বাহিৰলৈ গৈছিলোঁ।"

পিছদিনা সঁচাসঁচিকৈয়ে ষ্টিম ৰ'লাৰটো জানেকীহঁতৰ পদূলিৰপৰা বহুদূৰ আঁতৰাই গ'ল। জানেকী কিন্তু কেইবাৰাতিও আয়েকৰ লগতে শুলে।

ৰাস্তা পকা হৈ যোৱাৰ বহুত দিন পাছলৈকে বেৰৰ টুকটুকনিটো জানেকীৰ কাণৰপৰা যোৱা নাছিল, পাছত লাহে লাহে গ'লগৈ।

কথাবোৰো তাই লাহে লাহে পাহৰি গ'ল। তাইৰ বয়স ত্ৰিছ বছৰ পাৰ হৈ গ'ল, একত্ৰিছ বছৰ পাৰ হৈ গ'ল, কিন্তু বত্ৰিছ বছৰত ভৰি দিয়াৰ লগে লগে এদিন লীলাকান্তই তাইক অবাক কৰি দিলে।

লীলাকান্ত গাঁওখনৰ ভিতৰত আটাইতকৈ গম্ভীৰ, গহীন প্ৰকৃতিৰ মানুহ। • ল'ৰা-ছোৱালী তাৰ কাষ চপা দূৰৰ কথা, সমনীয়া মানুহেও তাক জুখি-মাখি কথা কয়। কামৰ সময়ত কাম কৰে, ঘাটত ফুৰিলে তলমূৰকৈ ফুৰে, কোনোবাই বিয়া-বাকৰ কথা উলিয়ালে সি আন কথা উলিয়ায়। মানুহে কয়, মাকজনী মৰাৰ পাছৰে-পৰা সি কিবা ছেৰা-বলিয়াৰ নিচিনা হ'ল। মাকৰ বৰঅাই ওলাই-ছিল। সিয়েই একমাত্ৰ ল'ৰা। মাকে যেতিয়া চকু নেমেলা হ'ল, কথা নোকোৱা হ'ল, তেতিয়া সি তামোল-পাণেৰে সৈতে সিধা এটা লৈ জবাবাৰীৰ আই গোসাঁনীৰ তাত চোৱাবলৈ গ'ল। আয়ে ক'লে, "এঘাৰটা গৰখীয়া ল'ৰাক বঙা পাচলিৰে ভাত খুৱাবা, বঙা পাৰিৰ কাপোৰ এখন মাৰাক পিন্ধাবা। এয়া ফুল পানীত তিয়াই সেই পানী গাত ছটিয়াই দিবা।"

কিন্তু ঘৰলৈ আহি লীলাকান্তই দেখিলে মাক চোতালত। বহুত পৰলৈ সি মুখেৰে মতাই নাছিল, কিন্তু তাৰ পাছতে হুকহুককৈ যি কান্দোন আৰম্ভ কৰিলে, পিণ্ডদিনা ছুপৰীয়ালৈকে সেই কান্দোন বন্ধ নহ'ল।

সেই লীলাকান্তই অনৰ্গল কথা পাতিবলৈ আৰম্ভ কৰিলে জানেকীৰ লগত; কেতিয়াবা গোটেই ৰাতিপুৱাটো, কেতিয়াবা গোটেই আবেলিটো, কেতিয়াবা গোটেই দিনটো। কথা, কথা, কেৱল কথা। সুগন্ধী বুঢ়ীয়ে আজিকালি আক এইবোৰলৈ মন-কাণ নকৰে। বৰং কেতিয়াবা যদি ফুৰি আহি দেখে জানেকী নাই, তেনেহ'লেও বৰ বেছি চিঞৰ-বাখৰ নকৰে।

জানেকীহঁতৰ ঘৰৰ পিছফালে থকা প্ৰকাণ্ড শিলিখা এজোপা লীলাকান্তই কিনি লৈছিল; মানুহ লগাই কটালে, এতিয়া মিস্ত্ৰী লগাই

তক্তা ফলাইছে। কাম চাবলৈ সি নিজে আছে। কিন্তু জানেকীহঁতৰ চোতালৰপৰাই মিস্ত্ৰীকেইটা দেখি থাকি; গতিকেই সি চোতালতে বেছি এখনত বহে, আৰু অনৰ্গল কথা পাতে। জানেকীয়ে কিয় বিয়াই-সবাহে ওলাই-সোমাই নুফুৰে, কিয় কাৰো লগত কাজিয়া-পেচাল নকৰে, মাক-বাপেকৰ চেহেৰা তাইৰ মনত আছেনে নাই,—কত কথা, তাৰ আদি-অন্ত নাই। জানেকীৰো যেন একত্ৰিছ বছৰে থুপ খাই থকা কথাবিলাক গোটেই ৰাতি কলকলনি তুলি ডিঙিৰ ওচৰত থুপ খাই থাকেহি আৰু লীলাকান্তৰ আগত ওলাই যায়।

তক্তা ফলোৱা হৈ গ'ল, কিন্তু লীলাকান্ত জানেকীহঁতৰ ঘৰলৈ আহিয়েই থাকিল। এদিন জানেকীয়ে হঠাতে সুধিলে, "ককাইটি, তোৰ তো কাঠৰ কাম হৈ গ'ল, এতিয়াও তই সদায় আহ কিয়?"

লীলাকান্তই তাইৰ মুখলৈ ঠৰ লাগি চাই থাকি পৰিষ্কাৰ মাতেৰে ক'লে, "তোক দেখি মোৰ বৰ ভাল লাগে!"

জানেকীয়েও তাৰ মুখলৈ চাই ৰ'ল, কিন্তু তাইৰ এনেকুৱা লাগিল যেন তাই চিঞৰি দিব, "ৰাইজসকল, চোৱাহি চোৱাহি, এই মানুহটোৱে দিন দুপৰতে মোক মিছা কথা কৈছে!" কিন্তু তাই একো মাতিবই নোৱাৰিলে। এইযাৰ কথাৰ মাহাত্ম্য তাই গোটেই জীৱনটোত অনুভৱ কৰি নাপালে। কথাষাৰ তাই দুই কাণ ভৰি শুনি ল'লে, বহুত পৰলৈ শুনি থাকিবলৈ ইচ্ছা কৰিলে। তাই তন্ময় হৈ গৈছিল। অলপ পৰৰ পাছত ক'লে, "হেৰি নহয়, মোক দেখি ভাল লাগিল বুলিয়েই যদি তই এনেকৈ আহিবলৈ লৱ, তেনেহ'লে মৰিবি নহয়। মোৰতো একো নহয় তই জানই, গাঁৱৰ মানুহে তোক খেদাই নেৰিব।"

লীলাকান্তই লাহেকৈ ক'লে, "কি কৰিব?"

জানেকীৰ মানুহটোক কেঁচুৱা-কেঁচুৱা লাগিল। দুটি চাহি

তাই ক'লে, "এটা কাম কৰ, মোক চাবৰহে মন যায় হ'বলা তোৰ, ফটো এখনকে তুলি ল, চায়ো থাকিবি, মোৰ তালৈ অহা বদনামৰ-পৰাও হাত সাৰিবি।"

পিছদিনা লীলাকান্ত গধূলিৰ পাছত আহিল। আহিয়েই জানেকীৰ হাতত কাগজেৰে মেৰিউৱা টোপোলা এটা দিলে। জানেকীয়ে খুলি চাই দেখে, ৰঙা ফুলাম পাৰিৰ ছিক্কৰ চাদৰ এখন।

"এইখন আকৌ কিয় কিনিলি ?" তাই সুধিলে।

"তক্তা সোপা বেচি পইচা পালোঁ, মন গ'ল, কিনিলোঁ. ল।"

"মই এইখন কি কৰিম ?"

"ল ল, পিন্ধিবি, ফটো উঠিবি বুলিছিলি নহয়, সেইখনকে পিন্ধি উঠিবি।"

"এ নালাগে বোপাই, আমাৰ এইবোৰেই ভাল। তয়ে নি থৈ দেগৈ।"

সুগন্ধী বুঢ়ী ওচৰেদি গৈছিল, ভেকাহি মাৰি ক'লে, "দিছে যৰম কৰি, ল, কি আকৌ পেন্‌পেনখন কৰি আছ ?"

আকৌ জানেকীৰ কেইটামান টোপনি নহা ৰাতি। মনো-মোহন, ৰুদ্ৰ, তপোধৰে কন্দুৱাইছিল, তাইক ভয় খুৱাইছিল; কিন্তু নিজেই নিজকে এনেকৈ গোপনে উজাগৰে ৰাখি তাই বৰ বিস্মিৎ হ'ল।

কিন্তু সঁচাকৈয়ে তাই আচৰিত হ'ল, যেতিয়া তাই দেখিলে লীলাকান্ত আৰু অহা নাই। সুগন্ধী বুঢ়ীয়ে এদিন গধূলি খবৰ আনিলে, গাঁৱৰ এজাক মানুহে হেঁচা মাৰি ধৰি লীলাকান্তক বিয়া কৰিবলৈ ৰাজী কৰাইছে! ছোৱালীও ঠিক হৈছে! নহ'লে হেনো তাৰ মতি-গতিয়ে আনফালে ঢাল লৈছে।

জানো! মানুহৰ মতি-গতিৰ কথা তাইনো কিটো গম পায়। এজাক মানুহে হেঁচা মাৰি ধৰিলে!... ..এজাক মানুহে বিয়া কৰাবলৈ হেঁচা মাৰি ধৰাটো কেনেকুৱা বস্তু তাই অনুমান

কৰিবও নোৱাৰে। তাই বৰ বেছি জানে, বিয়া কৰিবলৈ হেঁচা মাৰি নধৰিলে ৰাতি বেলত উঠি গুচি যাব পাৰি। এটা কথা তাই অৱশ্যে ধৰি ললে, এজাক মানুহে জোৰ কৰিলে বোধহয় আৰু আপত্তি কৰিব নোৱাৰি।

এদিন ঘৰৰপৰাই তাই ঢোলৰ মাত শুনিলে। আবেলি পৰত লীলাকান্তই দিয়া চাদৰখন এবাৰ তাই মুকলি কৰি চালে। বুঢ়িয়ে সুধিলে, "যাব নেকি বিয়ালৈ ?"

"নাযাওঁ।"

আকৌ বহুদিন বাগৰিল। জানেকী আৰু শুকাল। গাৰ বং আৰু ক'লা হৈ গ'ল। মুখৰ বৰ আইৰ দাগবোৰ গভীৰ হৈ গ'ল। সম্পত্তিৰ ভিতৰত ছালৰ তলত হাড়কেইডাল আৰু জীয়টোক মাথোন তাই যত্নকৈ ৰাখিলে।

দিনবোৰ ঠিকেই গৈছিল, এদিন কেবল ৰাতিপুৱাই লীলাকান্ত সিহঁতৰ চোতালত থিয় হ'লহি!

"ভালে আছ জানেকী ?" সি সুধিলে।

লীলাকান্ত আগতে বহা বেঞ্চখনৰ ঠেং এটা ভাগিল, জানেকীয়ে কাঠৰ চকী এখন আগবঢ়াই দি ক'লে, "আছোঁ, তই কলৈ আছিলি ?" একেবাৰে সবল সহজ তাইৰ মাত।

"আহিলোঁ বস্তু এটা বিচাৰি। মই দিয়া চাদৰখন আছেনে ?"

জানেকী বৰ ব্যস্ত হৈ পৰিল, ক'লে, "আছে, কিয় ?"

"পাৰ যদি মোক দেচোন, দুদিনমানৰ পাছতে আকৌ দি যাম। বেয়া পাবি নে কি ?"

ভাল পোৱা বেয়া পোৱা পিছ কথা; জানেকীয়ে লৰালৰিকৈ চাদৰখন উলিয়াই আনিলে, তাৰ হাতলৈ আগবঢ়াই দি ক'লে, "মই আগতেই কৈছিলোঁ নহয়, পাছত লাগিব, তয়ে থৈ দেগৈ, মোক এইবোৰ নালাগে।"

লীলাকান্ত নিমাত হৈ ৰ'ল। জানেকীয়ে জোৰকৈ মুখলৈ হাঁহি

এটা টানি আনি সুধিলে, "হঠাতেনো আকৌ চাদৰখন লগা হ'ল কিয় ? বিয়াত জানো কাপোৰ-কানি কিনা নাই ?"

"বিয়াৰ কাৰণে সিদিনাহে কাপোৰ কিনিলোঁ ; এইখন চাদৰ জানো তাৰ বহুদিনৰ আগতে কিনা নাই ?" কথাষাৰ শুনি নীলা-কান্তই স্থিৰ, শান্ত চাৱনিৰে জানেকীৰ চকুলৈ চাই ক'ল। জানেকীয়ে একো বুজিব নোৱাৰিলে, কিন্তু তাই বৰ বিব্ৰত অনু... ...বিলে। কথা পাতলাবলৈ তাই সুধিলে, "জানো কি কয়, বুজি নাপাওঁ দে। কচোন, চাদৰখন নি কি কৰিবি ?"

"মই বিয়া কৰি অনা মানুহজনী আৰু মোৰ পছন্দৰ চাদৰখন একেলগ কৰোঁগৈ।" বৰ ঠাণ্ডা সুৰত কথাষাৰ কৈ নীলাকান্ত সাউৎকৈ উঠি গুচি গ'ল।

লিখা-পঢ়া জনা মানুহ, কি কথাত কি ৰেৰপাক সুমুৱাই কয়, ধৰিবই নোৱাৰি।

কিন্তু আজি এই সৰু ল'ৰাটোৱে চাদৰখন দি যোৱাৰ পাছত জানেকীয়ে বহুত কথা ধৰিব পাৰিলে। মনোমোহন, ৰুদ্ৰ, তপোধৰ-হঁতে তাইক তোগৰ জুইত সেকি মাৰিব খুজিছিল, নীলাকান্তই লঘোনে থকাৰ নিৰ্মম শাস্তিৰ কথা সোঁৱৰাই দিলে। মনোমোহন-হঁতে তাইৰ ৰস শুহি খাবলৈ বিচাৰিছিল, নীলাকান্তই ৰস দিবলৈ আহি তাইৰ কামিহাড়কেইডালতো বিষ ঢালি দি গ'ল।

বত্ৰিছ বছৰীয়া জানেকীক এইবোৰ একো নালাগে। কোনেও তাইক বিয়া কৰাব বুলি কথা দিব নালাগে, কোনেও তাইক মাল-ভোগ কৰ এআখি দিব নালাগে, তাইৰ বিছনাৰ ওচৰৰ বেৰত কোনেও টুকুটুকাব নালাগে, আৰু—আৰু তাইক—

জানেকী বৰ অস্থিৰ হৈ উঠিল।

—আৰু তাইক বঢ়া কুলাম পাৰিব চাদৰো নালাগে।

চাদৰখন সৰুকৈ জাপি লৈ জানেকী নীলাকান্তহঁতৰ ঘৰলৈ ওলাল। নীলাকান্তই নতুনকৈ বিয়া কৰাই অনা বৈণীয়েক এজনী

আছে, তাতৈ যেন তাই ভ্ৰূক্ষেপেই নকৰিলে। একেবাৰে চোতালত থিয় হৈ সহজ মাতেৰে তাই মাত লগালে, "ককাইটি ঘৰত আছনে?"

লীলাকান্তই কিন্তু বৰ ভয় খালে। "অ' জানেকী, আছ, সোমাই আহ, বহচোন।"

জানেকীয়ে হঠাতে কি কৈ পেলায় ঠিক নাই; সেই কাৰণে সি এবাৰ এটাইকেইটা কোঠালী ঘূৰি চন্দ্ৰিকা ক'ত আছে চাই আহিল। নাই, চন্দ্ৰিকা বোধহয় ঘাটলৈ গ'ল।

চন্দ্ৰিকা ঘাটলৈ যোৱা নাই, য'ত জানেকী বহিল, তাৰ ওচৰৰ বেৰখনত বাহিৰ কালেই তাই পিৰালি মচি আছিল।

"মই তোক চাদৰখন দি যাবলৈ আহিলোঁ!" জানেকীয়ে পোনে পোনে ক'লে।

বাহিৰত চন্দ্ৰিকাই পিৰালি মোচা বন্ধ কৰি উৎকৰ্ণ হৈ ৰ'ল।

"কিয়?" লীলাকান্তই সুধিলে।

"কিয় আকৌ। তোৰ বস্তু তয়ে ৰাখ। মই এইখন ৰাখিব নোৱাৰিম। হোঁ।" ওচৰতে জানেকীয়ে চাদৰখন থলে।

"তইনো এইবিলাক কি কৈছ? হেঁপাহেৰে মই চাদৰখন কিনিলোঁ, মৰম কৰি তোক দিলোঁ, গাত মন গ'লে লবি, নহ'লে সুমুৱাই থবি। ৰাখিওনো থব নোৱাৰনে!"

লীলাকান্তৰ মাতটো বৰ কোমল হৈ পৰিল।

"এঃ, নালাগে যে, মৰমৰ মানুহজনী থাকিব ইয়াতে, তোৰ হেঁপাহৰ চাদৰখন থাকিব মোৰ বাকচত পৰি, এইবোৰ থানবাম হৈ থকা কথা বেয়া, এটাইবোৰ থুপ খুৱাই জব লাগে। বুইছ? মই যাওঁ দে।" জানেকী এক মুহূৰ্তও নৰ'ল, ওলাই গুচি গ'ল। বহুত পৰ এনেয়ে বহি থাকি লীলাকান্তও বাটৰ ফালে ওলাই গ'ল।

চন্দ্ৰিকাৰ পিৰালি মোচা নহ'ল। চৰিয়া-সোপা তাতে এৰি তাই উঠি আহিল। য'ত জানেকী বহিছিল, সেইখিনিত তাই অকণমান সময় থিয় হৈ ৰ'ল। পৰি থকা চাদৰখন দেখি তাইৰ বুকুখন যেন

কোঁচ খাই গ'ল। কোবাকুবিকৈ ওলাই আহি তাই লীলাকান্তক বিচাবিলে। পদূলিলৈকে ওলাই গ'ল। লীলাকান্ত নাই! অকলশৰীয়া ঘৰটোত অস্থিৰভাৱে ইকালে সিকালে ঘূৰি তাই ভাগৰি পৰিল। বহুত সময় এঠাইত তাই মনে মনে বহি ৰ'ল। তাৰ পাছত তাই ভাত বান্ধিবলৈ বুলি পাকঘৰত সোমাল।

নাই। চককেইটা ধুই লওঁতেই তাইৰ অসহ্য লাগিল। তলৰ ওঁঠখন কামোৰ মাৰি ধৰি তাই এক মুহূৰ্ত ভাবিলে; তাৰ পাছত ওলাই আহিল। টিনৰ চুটকেছটোৰ ভিতৰত থকা 'ব্ৰহ্মাণ্ডৰ লীলা' নামৰ হাতেলিখা নাটকখনৰ মাজৰপৰা তাই ফটোখন উলিয়ালে! ফটোখনত নিজক দেখি তাই শিয়ৰি উঠিল। চাদৰখনৰ ফুলাম পাৰিটোলৈ তাই চাব নোৱাৰিলে। ভৰিৰপৰা আৰম্ভ কৰি, কঁকাল আৰু বুকুৰ ওপৰেদি এডাল ফুটুকা-ফুটুকী পাৰ প্ৰকাণ্ড সাপে যেন তাইক মেৰিয়াই ধৰিছে। এবিও নিদিয়ে, গিলিও নেপেলায়। ওঁঠখন সামান্য ৰকমে বেঁকা হৈছে, কিন্তু তাই ভিতি খুজি চিঞৰিবও পৰা নাই। ফটোৰ মানুহজনীয়ে পাৰক সোঁৱাৰিক চন্দ্ৰিকা আচল মানুহ-জনীৰ চিঞৰি দিবৰ মন গ'ল।

পাকঘৰত চক ধুই অহা হাতখন ছাই লাগি ক'লা হৈ আছিল; চন্দ্ৰিকাই হাতখন ফটোখনত তাইৰ নিজৰ ওপৰেদি জোৰেৰে ঘঁহাই লৈ গ'ল। চকৰ ছাইৰ তলত অকল সাপটোৱেই নহয়, গোটেই মানুহজনীয়েই মণিৰ নোহৰা হৈ গ'ল। ফটোখন তাতে পেলাই থৈ তাই আঁতৰি আহিল; গাতে গা লগাই বহি থকা লীলাকান্তৰ সহজ সৰল মুখখনতো ছাই লাগিল নেকি, তাকো নাচালে।

লাজ লাগে

গা ধুবলৈ বুলি পিছফাললৈ আহি নিৰ্মালি হঠাতে থমক্ খাই ৰ'ল ; তাই আচৰিত হৈ গ'ল।

সাধাৰণতে নিৰ্মালিয়ে এই সময়তে গা ধুবলৈ আহে। মাজতে তাই এবাৰ মাকৰ নিচিনাকৈ ৰাতিপুৱাই গা ধোৱাৰ চেষ্টা কৰি চাইছিল, কিন্তু পাছত এৰি দিলে। তাই ঠিক কৰিলে, গা ধোৱাৰ নামত এনেকুৱা শাস্তি খোৱাৰ কোনো অৰ্থ নাই। গাত চালি দিয়াৰ পাছত ঠাণ্ডা পানীখিনি যিকালে বাগৰি যায় সেইকালে গাৰ সাৰ-সুৰ নোহোৱা হয়। ঘঁহি-পিহি গাটো ধুবলৈ অসহ্য লাগে। তাৰ পাছত ঠাণ্ডাটোৱে হেঁচা মাৰি ধৰে কাপোৰযোৰ সলোৱাৰ সময়ত। মানুহজনী কোঁচ খাই প্ৰশ্নবোধক চিনটোৰ নিচিনা হৈ পৰে ; আঁঠু দুটাই ঠক্‌ঠকৈ খুন্দিয়া-খুন্দি লগাবলৈ ধৰে। ঠাণ্ডাৰ কোবত মুখেদি গান ওলাই যায় ; কিন্তু সেই গানো গান হৈ নাথাকে ; শিলগুটিৰে ভৰা ৰাস্তাৰ ওপৰেদি চলি যোৱা মটৰত গ্ৰামোফোন বজাই গ'লে গান যেনেকুৱা হয়, নিৰ্মালিৰ মুখৰ গানো তেনেকুৱা হয়।

গতিকেই নিৰ্মালিয়ে মাকৰ নিচিনাকৈ ৰাতিপুৱাই গা ধোৱাৰ চেষ্টা এৰি দিলে। তাৰ উপৰিও মাকে সোনকালে গা ধোৱে পাকঘৰত সোমাব লাগে কাৰণে। পাকঘৰৰ চৌকা নিৰ্মালিয়ে গা ধুলেও চুবলৈ নাপায়, নুধুলেও চুবলৈ নাপায়। ৰাতিপুৱা

ঘৰখনৰ যিখিনি কাম তাই কৰে, গা নোধোৱাকৈয়ে কৰিব পাৰে। ভাত খোৱাৰ আগতে এসময়ত গাটো ধুলেই হয়। ৰাতিপুৱাই যে শিল যেন চেঁচা পানীৰ লগত যুদ্ধ কৰিব লাগিব, তাৰ কোনো মানে নাই।

আগতে, ভালেমান দিনৰ আগতে, যেতিয়া নির্মালি স্কুললৈ গৈছিল, তেতিয়া গা ধোৱাৰ ঘটনাটো অলপ সুকীয়া আছিল। ঘৰত ঘড়ী নাছিল, কিন্তু চাবিআলিত বৈ থকা বস্তা, জর্জিনাইতক লগ ধৰাৰ ব্যৱস্থাটো পকা আছিল। সিহঁত কেনেবাকৈ আগতে গুচি গ'লে নির্মালিৰ স্কুললৈ যাবলৈ লগ নাছিল। গতিকে মেউতাক গুলাই যোৱাৰ অলপ পাছতে তাই আগদিনাৰ বাহী বেণীডাল খুলি খুলি চিঞৰিছিল, "মা মোৰ হ'ল।" তাৰ অর্থ আছিল,—"মোৰ স্কুললৈ যাবৰ সময় হ'ল, তোৰ ভাত হ'লনে নাই?"

তাৰ পাছত পিছফাললৈ গৈ দুঘটীমান পানী দুই বাহুৰ ওপৰত ঢালি দিলেই তাইৰ গা ধোৱা হৈ গৈছিল। চেগা-চোৰোকাকৈ পিঠি শুকান হৈয়েই ৰৈছিল; যিখিনি পানী গাত পৰিছিল, দুই হাতেৰে তাকে বহলাই গোটেই গাটো তিয়াবলৈ চেষ্টা কৰিছিল। কেতিয়াবা "ইস্, আজি বহুত দেৰী হ'ল ভাই; বস্তাইত গুচি গ'লে মৰিলোঁ আৰু।"—বুলি ভৰিত লবালবিকৈ দুঘটী পানী ঢালি, হাত দুখন কিলাকুটিলৈকে তিয়াই, তিতা হাতেৰে মুখখন ঘঁহি ঘঁহি গুচি আহিছিল। নতুনকৈ বেণীডাল গুঁঠিবৰ সময়ত কেতিয়াবা যদি চুলিত অকণমান তেল ঘঁহে, তেতিয়া তেলেৰে সেমেকি থকা হাত দুখন ঘঁহাই দিলেই হাত-ভৰি চিক্‌চিকীয়া হৈ উঠিছিল।

এসময়ত নির্মালিয়ে স্কুললৈ যাবলৈ এৰি দিলে; মেঠা. ছিগিল। ৰাতিপুৱাই গা ধোৱাৰ একো দৰকাৰ নোহোৱা হ'ল;—বিশেষকৈ এই জাৰৰ দিনত।

আজিকালি নির্মালিয়ে গা ধুবলৈ ব'দ ওলাবলৈ বাট চাই থাকে। চৰকাৰী কলৰপৰা পানী আনি তাই ডাঙৰ বাল্টিটো মুখলৈকে

ভবায়। কলহটোৰে চুকলহ আৰু বাল্টিটোৰে এবাল্টি দিলেই ডাঙৰ বাল্টিটো ভৰি যায়। ব'দ ওলালে পানী বাল্টিত ব'দ পৰে। নির্মালিৰ ধাৰণা ৰ'দত পানীখিনি অলপ গৰম হয়, অন্ততঃ চেঁচাটো অলপ ভাগে। পানীৰ উষ্ণতা সম্বন্ধে এনেকুৱা এটা আন্দাজ কৰি কৰি এসময়ত তাই মেখেলা-চাদৰ এযোৰ লৈ পিছফাললৈ আহে; তামোল গছজোপাৰপৰা পাগঘৰৰ মূধৰ বেৰখনলৈ টানি থোৱা তাঁৰডালত মেখেলা-চাদৰযোৰ ওলোমাই থয়; তাৰ পাছত লাহে লাহে শিলচটাৰ ওপৰত বহে।

এই শিলচটা ক'ৰ শিল, কোনে কেতিয়া আনিছিল, তাৰ একো বৃত্তান্ত নির্মালিয়ে নাজানে, কিন্তু জন্মৰেপৰা তাই শিলচটা দেখি আহিছে। এই চটা শিলৰ ওপৰতে বহি, থিয় হৈ তাই গা ধুই আহিছে, কাঁহী-বাটি ধুইছে, কাপোৰ থুকুচিছে, মাকে গা ধুইছে, দেউতাক ভোলানাথ পিয়নে শুদা ভৰিৰে খোজ কাঢ়োঁতে ফাটি যোৱা গোবোৰাটো ঘঁহাই ঘঁহাই অলপ মিহি কৰিছে। মুঠতে ঘৰখনৰ সকলো ধোৱা-পখলা কাম এই শিলচটাৰ ওপৰতে হৈছে। পানী পৰি পৰি মাটিবোৰ কোমলাৰ কাৰণে শিলচটা বৰ বেছিকৈ তললৈ বহি যোৱা যেন দেখিলে কেতিয়াবা ভোলানাথে কেইহাতমান আঁতৰৰ আন এডোখৰ ঠাইলৈ লৰাই দিয়ে। কেইদিনমানৰ ভিতৰতে সেই ডোখৰ ঠাইৰো মাটি কোমলে, বোকা হয়, নির্মালিয়ে গা ধোৱা ডাঙৰ বাল্টিটোৰ তলিৰ চকাটোও পোত খাই যায়; কাঁহী-বাটি মাজিবলৈ অনা কুটছাই আৰু খেৰৰ সোপাবিলাক থান-বান্ হৈ ঠাইডোখৰৰ চেহেৰাটো বেয়া হয়।

শিলচটাৰ ওপৰত বহি নির্মালিয়ে চাদৰখন আঁতৰাই পিঠিখন ৰ'দত উদঙাই দিয়ে; বাল্টিটোৰ পানীত আঙুলি কেইটামান চুবাই বহুত পৰ এনেয়ে লিবিকি-বিদাৰি থাকে। বহুত দিনৰ আগতে শিকা, অথচ আজিকালি নোগোৱা গান এটাৰ চাবি শাৰীমানকে ঘূৰাই পকাই গাই থাকে, অথচ গাত পানী নাঢালে।

কেতিয়াবা দূৰৰপৰা মাকে ভেকাহি মাৰি কয়, “ধোৱ যদি ধো, নোধোৱ যদি গুচি আহ; কিনো ধেমালিখন কৰি আছ।”

“ক’তনো ধেমালি কৰি আছোঁ? পানীবিলাক কিমান ঠাণ্ডা নাচাৱহি কিয়?” নিৰ্মালিয়ে কয়।

“ই—স্”,—মাক গৌৰীপ্ৰভাই দীঘলীয়াকৈ শব্দটো উচ্চাৰণ কৰে; তাৰ পাছত কয়, “সেয়া পানীবোৰেই ধলপুৱাতেই আমি গা ধোওঁ, আমাৰ ঠাণ্ডা নালাগে, এওঁৰহে ঠাণ্ডা লাগে।”

“ৰাক ৰাক, কোনো শোৱাৰপৰা উঠোঁতেই তুমি কিটো গা ধোৱা আমি বুজিছোঁ। আমাক দেখুৱাই ধুৱাচোন, তেতিয়াহে বুজিম কেইচামুচ পানী গাত ঢালা।”

এনেকুৱা কিছুমান সময়ত মাক-জীয়েকৰ মাজত তইৰ সলনি তুমি সম্বোধন চলে।

শিলচটাৰ ওপৰত বহি থাকি থাকি এসময়ত নিৰ্মালিয়ে গাত পানী ঢালে। কেতিয়াবা এক-দুই—তাৰ পাছত তিনি বুলি কোৱাৰ লগে লগে আৰম্ভ কৰি একে উশাহে দহ-বাৰ ঘটী পানী ঢালি দিয়ে। তাই এইটো ঠিক বুজে যে এবাৰ গাটো ভালকৈ তিয়াই লব পাৰিলে আৰু চিন্তা নাই। কিন্তু প্ৰথম পানী ঘটী ঢালিবলৈহে সাহ নহয়।

কিন্তু আজি প্ৰায় একে সময়তে গা ধুবলৈ আহি নিৰ্মালি আচৰিত হৈ গ’ল। গুদা গাটো চাদৰখনেৰে আবাৰিনীয়াকৈ ঢাকি, গা ধুই উঠি সলাবলৈ মেখেলা-চাদৰযোৰ বাঁওহাতৰ কিলা-খুটিৰ ডালত পেলাই থৈ তাই পিছফালসে আহিল; কিন্তু কাপোৰ-যোৰ তাঁৰডালত ওলোমাই লবলৈ বুলি মূৰ তোলোঁতেই তাই থমক খাই ৰৈ গ’ল।

পিছফালে, নিৰ্মালিহঁতৰ জেওৰাৰ সিফালে যিখন বাৰী, সেই বাৰীখনত ডেকা দ’ৰা এটা থিয় হৈ আছে। যি মুহূৰ্তত নিৰ্মালিয়ে দ’ৰাটোক দেখিলে সেই মুহূৰ্তত সি আনফালে চাই আছিল; কিন্তু

পিছ মুহূর্ততে তাব চকু নির্মালিব ওপবত পবিল। তাই লবালবিকৈ বুকুব ওপবব চাদবখনব সোঁকালব পাবিটো সোঁকালে ওপবলৈ আক বাঁওকালব পাবিটো পাবেমানে বাঁওকালে কাবলতিব তললৈ টানি নিবলৈ চেষ্টা কবিলে। কি কবিব তাই লগে লগে একো ঠিক কবিব নোৱাবিলে। এবাব ভাবিলে, ভিতবলৈ লব মাবে, কিন্তু তেনেকৈ লব মাবিলে তাই যে লাজ কবিছে, সেই কথাটো বব পবিকাবকৈ ধবা পবে। অকণমান সময়, একো যেন হোৱাই নাই, এনেকুৱা ভাবত তাই মাটিব ফালে চাই ব'ল, তাব পাছত হাতব কাপোবযোব তাঁবডালব ওপবত পেলাই দিলে ; কাপোবযোবে তাইব মুখখন আঁববৈ ধবিলে ; কিন্তু মেখেলা আক চাদবখনব মাজব সক ফাঁকটোৱেদি দেখিলে, ল'বাটোৱে লাহে লাহে খোজ কাঢ়ি ফুবিছে, ইফালে সিফালে চাইছে, মাজে মাজে নির্মালিহঁতব ঘবব ফালেও চাইছে। কাপোবযোবব আঁবত মুখখন লুকুৱাব পাছত নির্মালিব লাজত কাণ দুখন গবম গবম লাগি গ'ল। ল'বাটোৱে বা কিমান আগবেপবা তাইক দেখিছিল ! তাইবা কিমান অসাৱধান হৈ আছিল !

চাদবখনেবে গাটো যিমান পাবে ঢাকি লৈ নির্মালি অত্যন্ত গভীব খোজেবে, অকণো চঞ্চলতা প্রকাশ নকবি ভিতবলৈ সোমাই আহিল। এবাব তাই ভাবিলে মাকক সুধিব নে কি ক'ব ল'বা, কি কথা। কিন্তু নুসুধিলে, সুধিবলৈও তাইব লাজ লাগিল।

নির্মালিহঁতব ঘবব সোঁফালে একজন পেঞ্চন পোৱা দাবোগাব ঘব। চোবব ভয়তেই হওক বা আইন কাবণতেই হওক, আলকতবাব ড্রাম কাটি কবা টিনপাতেবে দাবোগাই চৌহদব চাবিও সীমা ওখকৈ বেবি লৈছে, ফলত নির্মালিহঁতব পিছফালখনো আঁব হৈছে। বাঁওফালে কাঠব ব্যৱসায় কবা মানুহ ঘবব বাঁহব চকোৱাত নানা ধৰণব বনবীয়া-ঘবচীয়া লতা বগাই তালকৈ আঁব কবি বাখিছে, অন্ততঃ দুপুৰিলে নির্মালিহঁতক কোনেও নেদেখে। বাকী থাকিল পিছফাল।

পিছফালে এখন বাবী। নির্মালিয়ে চকুবে মনিব পবা হোৱাবে

পৰা বাবীখন ভেনেকৈ থকাই দেখিছে। বাবিৰা সৰু সৰু বনবীয়া গছে বাবীখন ছাটি ধৰে, আবকালি আপোনা-আপুনি গছবোৰ শুকাই চাফা হৈ পৰে। বাবীখনৰ এমূৰে থকা ঘৰটো নিৰ্মালিহঁতে নেদেখে, দাবোগাৰ টিনপাতৰ বেৰে আঁৰ কৰি ৰাখে। ঘৰটোলৈ নিৰ্মালিহঁতৰ ঘৰৰপৰা যাবও নোৱাৰি; বাস্তাইদি গৈ, চাবি আলিটোত ঘূৰিলে ঘৰটোৰ পদূলিটো পায়; কেৱল পিছফালৰ বাবীখনহে নিৰ্মালিহঁতৰ পিছফালে পৰে। বহুত দিনৰ আগতে ঘৰটোত পোস্কৰ-বিহুজনীমান অকণ অকণ ছোৱালীৰে এখন বালিকা বিস্তালয় বহিছিল; এসময়ত গোটেইমখা ছোৱালীয়ে ওচৰৰে দেৱলা দেৱী প্ৰাইমাৰি স্কুলত নাম লিখালেগৈ; সিহঁতৰ 'বাইদেউ'জনীয়েও সেইখন স্কুলতে চাকৰি এটা পালে। মূঠতে দুৰ্বল স্বাস্থ্যেৰে বেছি দিন টিকি থাকিব নোৱাৰি বালিকা বিস্তালয়খন আনখন স্কুলৰ বুকুত জাহ গ'ল।

তাৰ পাছত ভালেমান দিন খালী হৈ পৰি থকাৰ পাছত ঘৰটো নাৰ্ছৰ কোৱাৰ্টাৰ হ'ল। প্ৰথম দুদিনমান নিৰ্মালি আৰু গৌৰীপ্ৰভাই কিবা অসুবিধা হ'বনেকি ভাবি চাইছিল, কিন্তু যেতিয়া দেখিলে যে ঘৰটোৰ নতুন বালিকা এটাই কেইজনীয়েই নাৰ্ছ, আনকি বাছনি এটাও নাই, তেতিয়া দুয়ো আশ্বস্ত হ'ল।

শিলচটাৰ ওপৰত ব'দত বহি বহি গা খোৱাতো নিৰ্মালিৰ অকণো অসুবিধা নহ'ল। বৰঞ্চ কেতিয়াবা তাই পিছফালে জেওবাখনৰ ওচৰলৈ যায়, সিফালৰপৰা নাৰ্ছ কেইজনীমান আহে; মাজৰ জেওবাখনত পেটৰ ভেজা দি এটাইকেইজনীয়ে হাঁহি-মাতি কথা পাতে। পিচে নাৰ্ছকেইজনীৰ কথা-বতৰাৰ ধৰণবোৰ নিৰ্মালিৰ সদায় ভাল নলগা হ'ল। ক'লা বৰণৰ, ওখ, আগদাঁত দুটা অলপ উজলা, চচ্‌মা পিন্ধা নাৰ্ছজনীয়ে এদিন তাইৰ হাতখনত চিকুট মাৰি কৈছিল, "তোমাৰ নিচিনা চেহেৰা আমাৰ থকা হ'লে⋯।"

অৰ্থাৎ নিৰ্মালিৰ নিচিনা চেহেৰা থকা হ'লে এই দুনিয়াত তেওঁ এটা খেলা দেখুৱালেহেঁতেন।

হঠাতে এদিন মাজ নিশা নার্হ কোৱাৰ্টাৰটোৰপৰা হাই-উকমি শুনা গ'ল। পিছদিনা বহুতৰ বহুত কথা। কোনোৱে কয় চোৰ সোমাইছিল। কোনোৱে কয় চোৰ নহয় কিবাহে। ক'বলৈ মানুহৰ কি আকাল লাগিছে। মুঠৰ ওপৰত কেইদিনমানৰ পাছত সেই ঘৰটোৰপৰা নাৰ্হৰ কোৱাৰ্টাৰ উঠি গ'ল। তাৰ পাছত ঘৰটোলৈ আৰু কোনো অহা নাই। বাৰীখনত জনপ্ৰাণী এটাও কোনো দিনে কাৰো চকুত পৰা নাই। পিছফাললৈ আহি নিৰ্মালিয়ে কোনো দিনেই গাৰ চাদৰখন ঠিক ঠাইত আছেনে নাই চাবৰ প্ৰয়োজন হোৱা নাই।

কিন্তু আজি তাই গা ধুবলৈ আহি লাজত ৰঙা-চিঙা পৰি ভিতৰলৈ সোমাই গ'ল। ভিতৰত তাই অলপ সময় ভাবিলে কি কৰা যায়। তাৰ পাছত মাকৰ দুখন, তাইৰ নিজৰ এখন, মুঠতে তিনিখন চাদৰ লৈ আকৌ তাই পিছফাললৈ ওলাই আহিল। সাউৎকৈ এবাৰ চাই দেখিলে, ল'ৰাটোৱে ঘুৰি ঘুৰি বাৰীখন চাইছে। নিৰ্মালিয়ে তাঁৰডালৰ ওপৰত চাদৰ তিনিখন বহলাই মেলি দিলে, গা-ধোৱা ঠাইডোখৰ ভালকৈ আঁৰ হৈ গ'ল। শিলচটাৰ ওপৰত অৱশ্যে ছাঁ পৰিল, কিন্তু তালৈ তাই ভ্ৰূক্ষেপ নকৰিলে।

শিলচটাৰ ওপৰত বহি লৈ নিৰ্মালিয়ে আনদিনাৰ দৰে পলম নকৰিলে; বহাৰ লগে লগে গাত পানী ঢালিবলৈ আৰম্ভ কৰিলে। কিন্তু যেতিয়া গোটেই গাটো তিতিল, চাদৰখন গাৰ ভাঁজে ভাঁজে লিপিট খাই সোমাই পৰিল, তেতিয়াহে যেন বস্তাহৰ চকু মেল খাই গ'ল; কিমান জোৰেৰে ব'ব লাগে তাৰ আন্দাজটো বস্তাহে তেতিয়াহে যেন পালে। তাঁৰত মেলি দিয়া চাদৰকেইখন বতাহত উৰিবলৈ ধৰিলে, দুখন চাদৰৰ মাজত একোটা ফাঁক ওলাবলৈ ধৰিলে। চাদৰ যিকালে উৰি যায় সেইফালেই গাটো লৰাই নিৰ্মালিয়ে নিজকে লুকুৱাবলৈ চেষ্টা কৰিলে। চাদৰৰ ফাঁকেদি সাউৎকৈ একোবাৰ চাই তাই দেখিলে,—ল'ৰাটোৱে বৈ সিঁড়িৰ ঘৰৰ কালে চাই আছে।

চাবোন-তাবোন ঘঁহি গা ধোৱাৰ লগত নিৰ্মালিৰ এনেয়েও নাই। কখনত গা-ধোৱা চাবোনৰ প্ৰচলনেই নাই বুলিব লাগে। কেতিয়াবা তাই ছিটিবাহত উঠি আগতে একেলগে পঢ়া কোনোবা ছোৱালীৰ তালৈ যোৱাৰ কথা থাকিলে, যিটুকুৰা চাবোন তাই গা ধোৱাৰ সময়ত চপাই লয়, তাৰে মাক গৌৰীপ্ৰভাই হালধি-মছলা পিচি হাত ধোৱে, দেউতাক ভোলানাথ পিয়নে বাৰীৰ জলকীয়া বেঙেনা পুলিৰ গুৰিত মাটি চপাই আহি হাত ধোৱে, নিৰ্মালিয়ে নিজৰ ব্লাউজো ধোৱে। কৰবালৈ যাবলগীয়া থাকিলে নিৰ্মালিয়ে সেইটুকুৰা চাবোনকে তিতা চাদৰখনৰ আগ এটাত ঘঁহি, সেই আগটোৰে ডিঙি, গলধন, কিলাকুটিলৈকে হাত দুখন, মুঠতে কাপোৰৰ বাহিৰত গাটোৰ যিখিনি ওলাই থাকে, সেইখিনি ঘঁহে। ছিটিবাহত তাইৰ পিছৰ বেঞ্চখনতে যদি মতা মানুহ এটা বহা গম পায়, তেনেহ'লে তাইৰ বৰ অস্বস্তি লাগে। মানুহটোৰে যেন একেথৰে তাইৰ মুকলি গলখনটোকে তন্ন তন্নকৈ চাই আছে, এনেকুৱা লাগে। আক যদি গলখনটো চাকা হৈ থকা নাই!

সদায় চাবোন ঘঁহি গা ধোৱাৰ প্ৰশ্নটো নুঠেই; কাৰণ চাবোনটুকুৰা কেইদিন মানৰ ভিতৰতে বিজুটৰ নিচিনা পাতল হৈ এদিন মাজতে ভাগি দুটুকুৰা হয়; তাৰে এটুকুৰা সাধাৰণতে হেৰায়, আন এটুকুৰা চাওঁতে চাওঁতে অদৃশ্য হয়; আন এটুকুৰা নতুন চাবোন ঘৰ সুমুৱাওঁতে ভোলানাথে কেইবা দিনো লগায়।

আজি চাবোন ঘঁহাৰ কথাই নাই, বতাহ ব'বলৈ আৰম্ভ কৰাৰ পাছত নিৰ্মালিয়ে শিলচটাৰ ওপৰত তিষ্ঠিবই নোৱাৰিলে। বতাহৰ গৰাকীজন যেন গছৰ আগত বহি আছে, এনেকুৱা ভাবেৰে তাই চকু দুটা যোপা কৰি ওখ গছবোৰৰ লৰি থকা ডাল-পাতলৈ এবাৰ চালে; শিলচটাৰপৰা নামি আহিল; সৰাবলৈ থোৱা মেখেলা-চাদৰবোৰ আঁজোৰ মাৰি ডাঁৰডালৰপৰা নমাই আনিলে; তাৰ পাছত পাৰঘৰটোৰ আঁৰলৈ লৰ মাৰিলে।

কাপোৰ-কানি সলাই কিছু সময়ৰ মূৰত নিৰ্মালি সাৱধানে তিতা কাপোৰবোৰ মেলি দিবলৈ আহিল ; ল'ৰাটোৱে তেতিয়াও ইকালে সিকালে চাই বাৰীখনত ঘূৰি ফুৰিছে।

গোটেই দিনটো নিৰ্মালিৰ লাজ লাগি থাকিল। মাজে মাজে অইন কথাৰ মাজত পাহৰে, কিন্তু হঠাতে ঘটনাটো মনত পৰিলেই তাইৰ কাণ-মূৰ গৰম হৈ পৰে। এনেকুৱা লাজ লগা অৱস্থাত পৰা তাই ক'ব নোৱাৰে। প্ৰফুল্লৰ আগতো কোনোদিনে এনেকুৱা লাজ কৰা তাইৰ মনত নাই। আনকি যিদিনা তাই প্ৰফুল্লৰ লগত তাইৰ বিয়া হ'ব বুলি শুনিছিল, তাৰ পিছদিনা তাৰ লগত ওলাওঁতেও তাইৰ ইমান লাজ লগা নাছিল।

প্ৰফুল্ল যেতিয়া প্ৰথম নিৰ্মালিহঁতৰ ঘৰলৈ আহে তেতিয়া নিৰ্মালিয়ে ভূগোলৰ বহীখন আনিবলৈ বুলি সন্ধিয়া হোৱাৰ পাছতো অকলে বন্ধুহঁতৰ ঘৰলৈ গৈ নিৰ্বিঘ্নে উভতি আহিব পাৰে ; লৰালৰিৰ সময়ত হাত ধুই উঠি পিন্ধি থকা ফ্ৰকটোতে হাত মচি থব পাৰে। প্ৰফুল্লই গৌৰীপ্ৰভাৰ আগত তাৰ নিজৰ কথা, গাঁৱৰ ঘৰৰ কথা ক'লে, তাই ওচৰতে বহি শুনি থাকে।

প্ৰফুল্ল কোনোবা গাঁৱৰ ল'ৰা, নিজৰ বুলিবলৈ তাৰ কোনো নাই। গাঁৱৰ স্কুলৰপৰা এবাৰ মেট্ৰিক পৰীক্ষা দিলে, ফেল কৰিলে। আৰু এবাৰ দি চাবলৈ তাৰ বৰ আগ্ৰহ আছিল, কিন্তু উপায় নাছিল। কাম-বন এটা বিচাৰি সি চহৰলৈ আহিল ; ভাবিছিল কিবা কাম এটা কৰি চহৰতে থাকিব পাৰিলে প্ৰাইভেটকৈ এবাৰ পৰীক্ষাটো দিব। কাম সি সোনকালে পালে ; ডাকঘৰৰ পিয়ন কাম। প্ৰথম অৱস্থাত কাম শিকিবৰ কাৰণে তাক এজন অভিজ্ঞ পিয়নৰ লগত সাঙুৰি দিলে ; অভিজ্ঞ পিয়ন ভোলানাথৰ লগত।

প্ৰফুল্লই বৰ সোনকালে কাম শিকাৰ কাৰণেই যে ভোলানাথে তাক ভাল পালে এনে নহয়। অলপ চালাক-চতুৰ হ'লে সোনকালে পিয়নৰ কামটো শিকি লোৱা একো ডাঙৰ কথা নহয় ; বহুতে

শিকিছে ; কিন্তু বহুত পিয়নে কামত বৰ বেছি চতুৰালিৰো চিনাকি দিছে। ভোলানাথে প্ৰফুল্লক ভাল পালে অইন কাৰণত। কামৰ বাহিৰে ল'ৰাটোৰ যেন অইন চিন্তা নাই। কাম কৰি উঠি যদি অকণমান সময় আহৰি পাইছে, ডাকঘৰৰ ভিতৰৰ এটা চুকৰ টুল এখনত বহি আছে, যেন কাৰোবাৰপৰা নতুন কামৰ হুকুম পাবলৈ বৈ আছে। এবাৰ অনাৱশ্যকীয় কথাও ভোলানাথে তাৰ মুখত শুনা নাই। কেতিয়াবা যদি অতি স্বাভাৱিক ভুল এটা কৰাৰ পাছত ভোলানাথে তাক শুধৰাই দিছে, তেনেহ'লে সি লাজ আৰু অনুতাপত তলমূৰ কৰিছে। অতি আপোনি-আপোন লগা, আপোন বুলিবলৈ কেও-ক'তো নোহোৱা প্ৰফুল্লক ভোলানাথে মাজে মাজে ঘৰলৈ মাতি লৈ আহে, হাঁহি-মাতি কথা পাতিবৰ চেষ্টা কৰি গৌৰীপ্ৰভাক চাহ এপিয়লা কৰিবলৈ কয়।

এই অঞ্চলটোত চিঠি বিলোৱাৰ ভাৰ পৰিলে, চিঠি বিলাই শেষ কৰি দুপৰীয়া প্ৰফুল্ল কেতিয়াবা ভোলনাথৰ ঘৰত সোমায়। ঘৰত নেমুটেঙা থাকিলে গৌৰীপ্ৰভাই তাক এগিলাছ চৰবত কৰি খুৱায়, নহ'লে চাহকে এপিয়লা যাচে। নিৰ্মালিয়ে তাক ককাইদেউ বুলি মাতে। তাৰ আগত সংকোচ কৰিবলৈ তাইৰ একো নাই। কেতিয়াবা তাই দোকানৰপৰা আধাদিস্তা কাগজ, এটুকুৰা ৰবৰ,— এনেকুৱা দুটা-এটা বস্তু আনিবলৈ মাকৰপৰা লৈ তাক পইচা দিয়ে ; প্ৰফুল্লই পিছদিনা চিঠি বিলাই উঠি বস্তুকেইটা কিনি গৌৰীপ্ৰভাৰ হাতত দি যায়।

তাৰ পাছত বহুত দিন গ'ল। এইবিলাক দিনত প্ৰফুল্ল ভোলানাথৰ সংসাৰলৈ আৰু আপোন হৈ ওচৰ চাপি আহিল। কেতিয়াবা আবেলি এক্সপ্ৰেছ চিঠি আৰু টেলিগ্ৰাম বিলাবলৈ ভোলানাথ ডাকঘৰত থাকিবলগীয়া হ'লে, প্ৰফুল্লই হাতত মোনাটো আৰু গৌৰীপ্ৰভাৰপৰা পইচা লৈ বজাৰ কৰিবলৈ যায়। গৌৰীপ্ৰভাই বজাৰৰ কাৰণে যদি এটকা দিয়ে, আৰু বস্তু কিনোতে কিনোতে ভেৰ

টকা খৰচ হৈ যায়, তেনেহ'লে সেই আঠ অনা পইচাৰ হিচাপ নাৰাখে ; প্ৰফুল্লয়ো, গৌৰীপ্ৰভায়ো। কেতিয়াবা ভোলানাথে কোনেও কামৰ ভুমুৰিত ঘৰৰ ফালে মন কৰিবলৈ সময় কৰিব নোৱাৰে ; ইফালে খৰিৰ অভাৱত হয়তো গৌৰীপ্ৰভাৰ চৌকা নজ্বলাত পৰিছে, কেঁচা খৰিৰ ধুঁই কুৰাওঁতে কুৰাওঁতে নাকৰ পানীয়ে চকুৰ পানীয়ে একাকাৰ হৈছে ; এনে সময়ত প্ৰফুল্লই এগাড়ী খৰি আনি ভোলানাথৰ পিছফালৰ চোতালত পেলাই দিয়েহি। ভোলানাথ বা গৌৰীপ্ৰভাই খৰি গাড়ীৰ দাম যাচিলে প্ৰফুল্লই নলয়, লাজ কৰে। প্ৰায়েই ৰাতিৰ সাজটো সি ভোলানাথৰ ঘৰতে খায়। সি আঢ়ৈমাইল দূৰৰ কোনোবা গাঁৱৰ স্কুলীয়া ল'ৰাই পঢ়িবলৈ সাজি লোৱা জুপুৰি এটাত থাকে ; ভাত খাই ৰাতি শুবলৈ তালৈ যায়গৈ। প্ৰথম সাজ ভাত খাওঁতে সি মূৰ তুলিবই পৰা নাছিল, আজিকালি সহজ হৈ গ'ল।

আজিকালি স্কুলৰপৰা আহোঁতে নিৰ্মালি বতা পৰি আছে। আধাখিনি বাট আহোঁতেই তাইৰ কাষলতিৰ তলৰ ব্লাউজ তিতি যায় ; ঘৰত কিতাপ-বহী থৈ, চাদৰৰ আগেৰে মুখখন মচি, বাঁহৰ বিচনী-খনেৰে জুৰাবমান বিচাৰ পাছতহে গম পায়, তাইৰ পিঠিখনো ঘামেৰে তিতি গৈছে।

বাটৰ কাষৰ পাণ-তামোলৰ দোকানীয়েও হঠাতে নিৰ্মালিৰ স্বাস্থ্যৰ সাৱধান লব খোজে। হয়তো গুড়িচালনীৰ তলেদি সৰকি পৰা পিঠাগুড়িৰ নিচিনাকৈ কিন্‌কিনীয়া বৰষুণ আহিছে ; বাটকৰা কোনেও সেই বৰষুণক গ্ৰাহ্য কৰা নাই ; পাণ-তামোলৰ দোকানীজনে নিৰ্মালিক কয়, "হেৰা ভনীটি, কিয় তিতিছা? বৰষুণ এৰে মানে অকণমান সময় ইয়াতে ৰৈ যোৱা।"

কিতাপ-বহী, স্কুলৰ মাচুল,—এইবিলাকেই একমাত্ৰ খৰচ নহয় ; দুখীয়া মানুহৰ ছোৱালীয়ে বাটে-ঘাটে, আলিয়ে-পদূলিয়ে, সমাজত আৰু বহুত খৰচ ভৰিব লাগে। সহজ-সৰল, অকলশৰীয়া, দুখীয়া পিয়ন ভোলানাথে বুজিলে ইমান খৰচ কৰাৰ সামৰ্থ্য তেওঁৰ নাই।

তেওঁ গৌৰীপ্ৰভাক ক'লে, "যি হ'ল সেইখিনিয়েই হ'ব দিয়া ; মাক নো কিয় আগিছে ?"

প্ৰয়োজনতকৈ বেছি দিন ভুলতে নোযোৱাকৈ থকা [illegible] এদিন জৰ্জিনা-বস্তাইতে নিৰ্মালিক নিবলৈ আহিল ; নিৰ্মালি গ'ল ; কেৱল বস্তাইত যোৱাৰ পাছত তাই কান্দিলে।

এদিন গৌৰীপ্ৰভাই ভোলানাথক লাহেকৈ ক'লে, "তাইলৈ পিচে মন কৰিছেনে নাই।"

ভোলানাথ উচাপ খাই উঠিল, সুধিলে, "কি হ'ল তাইৰ?"

"একো হোৱা নাই,"—গৌৰীপ্ৰভাই ক'লে, "কিন্তু তাই কেনে-কুৱাজনী হৈছে মন কৰিছেনে নাই?"

ভোলানাথে এইবাৰ বুজিলে ; তেওঁ—"অ, তাইৰ চেহেৰাৰ কথা কৈছা। নহ'ব কিয়? মাক কেনেকুৱা!" বুলি হো হো কৈ নিজৰ বসিকতাত নিজেই হাঁহিবলৈ ধৰিলে।

একালত গৌৰীপ্ৰভাকো [illegible] চকুত লগা চেহেৰা আছিল। কপালখন, থুপ থুৰাই, চকু [illegible] ডোঙা কাৰ তেওঁ কইলে, "কেনেকুৱা খন কৰে। কিনো হব [illegible] জানো! [illegible] থবে হ'বলা!"

অকণমান সময় আকাশৰ ফালে চাই থাকি ভোলানাথে দীঘলকৈ নিশাহ এটা এৰিলে। তাৰ পাছত নিজকে কোৱাৰ নিচিনাকৈ ক'লে, "এৰা যিবিলাকৰ খুৱাবলৈ আছে, পিন্ধাবলৈ আছে, সেইবিলাকৰ ঘৰতহে এনেকুৱা চেহেৰা শুৱায়। সেইটো চেহেৰা লৈ তাই মোৰ ঘৰত জন্ম লৈছে, তাইক মই চাকৌ কিহেৰে?"

গৌৰীপ্ৰভাৰ ইংগিতটোক লৈ ভোলানাথে দুদিনমান চিন্তা কৰিলে, তাৰ পাছত এদিন চমুকৈ প্ৰফুল্লৰ কথাটো উলিয়ালে।

তাৰ পাছৰ ঘটনা চমু। গৌৰীপ্ৰভাৰ আপত্তি নাছিল। প্ৰফুল্লক কথাটো কোৱাৰ লগে লগে তাৰ মুখৰ যিটো চেহেৰা হ'ল, সেইটো চাবলগীয়া! দুদিনমান সি নিৰ্মালিহঁতৰ ঘৰৰফালে মুখকে কৰা

নাছিল। বোধহয় পৃথিৱীৰ প্ৰতিটো ঘৰৰ প্ৰতিটো পদূলিয়েই তাৰ মনত নিৰ্মালিহঁতৰ পদূলি যেন লাগিছিল ; কিন্তু তাৰ বোবা জীৱনৰ অপ্ৰত্যাশিত বিস্ময়, আকস্মিক বিহ্বলতা আৰু অচিনাকী অনুভূতিৰ অপাৰ কুঁৱলীৰ মাজত প্ৰত্যেকটো পদূলি যেন মনিব নোৱৰা হৈ হেৰাই গৈছিল। ডাকঘৰতে বহি তলমূৰকৈ ভোলানাথৰ লগত সি বহুত কথা পাতিলে। তাৰ অন্ততঃ ঘৰ এখন লাগে। গাঁৱৰ মাটিডোখৰ বেচি ইয়াতে ক'ৰবাত সৰুকৈ ঘৰ এটা সাজি লব পাৰিলে তাৰ সুবিধা হয়। এবছৰ, বৰ বেছি দুবছৰ সময় একো ডাঙৰ কথা নহয় ;—ভোলানাথে মত দিলে।

নিৰ্মালিয়েও কথাটো শুনিলে ; শুনাৰ লগে লগে তাইৰ বুকুখন ধপ্‌ধপাই উঠিল। বহুত অদ্ভুত অদ্ভুত কথা তাইৰ মনলৈ আহিল। এজনী নিৰ্মালিৰ ভিতৰতে যেন বহুত নিৰ্মালিয়ে জন্ম ললে। তাৰে এজনীয়ে হাঁহিলে, এজনীয়ে কান্দিলে, এজনীয়ে এজনীক চিকুটি, কুট্‌কুটাই দি জোকাবলৈ ধৰিলে ; এজনীৰ ভয় লাগিল, এজনী হয়তো কাৰোবাৰ নিৰ্ভয় আশ্ৰয়ত, পৰম শান্তিৰে, গভীৰ টোপনিত এনেকৈ লালকাল হৈ পৰিল, যেন তাই আৰু কেতিয়াও সাৰ নাপাব।

কিন্তু তাৰ পাছত যিদিনা প্ৰফুল্ল সিহঁতৰ ঘৰলৈ আহিল, সেইদিনা নিৰ্মালিৰ বৰ লাজ নালাগিল। ইমান দিনে দেখি অহা, লাহে লাহে ঘৰখনৰ আপোন হৈ পৰা মানুহটোৰ আগত লাজ কৰিবলৈ তাইৰ কোনো সুবিধা নাছিল। অতি সহজভাৱে নিৰ্মালিৰ মুখৰ-পৰা ককাইদেউ সম্বোধনটো অন্তৰ্ধান হ'ল।

কেতিয়াবা নিৰ্মালিৰ লাজ কৰিবৰ মন যায়। ভোলানাথ যেতিয়া ডাকঘৰলৈ যায়, খাই-বৈ উঠি দুপৰীয়া গৌৰীপ্ৰভাই পাটি এখন পাৰি শোৱে, তেতিয়া নিৰ্মালিয়ে কিতাপ এখন হাতত লৈ বহে। বুকুৰ চাদৰখন কোলাৰ ওপৰত পৰি থাকে। গৰম দিনৰ এই নিৰ্জন দুপৰীয়াটোত ব্লাউজটো তাইৰ নিতান্ত অপ্ৰয়োজনীয় যেন লাগে। নিজৰ গাৰ ফালে চাই এই সময়ত নিৰ্মালিৰ হঠাতে লাজ

লাগি যায়; নিজৰ গাটোৰ ওপৰতে কিবা এটা অদ্ভুত লোভ লাগে। এই মুহূৰ্ত্তত যদি প্ৰফুল্ল ওলায়হি, তেন্তে তাই বোধহয় আঁৰলৈ দৌৰ মাৰিব। নাই, নহয়; প্ৰফুল্ল কেতিয়া আহিল, ক'ব নোৱাৰাৰ ভাও ধৰি তাই কেইটামান অসাৱধান মুহূৰ্ত্ত কটাই দিব; তাৰ পাছত হঠাতে সন্ত্ৰস্ত হৈ উঠিব, তাই নিজে বঙা পৰি যাব, তাৰ পাছত কথা সুধিলে প্ৰফুল্লয়ো উত্তৰ দিওঁতে খোকাথুকি লগাব, কিবা ক'ব খুজি কিবাহে ক'ব!

কিন্তু সঁচাকৈয়ে যদি এনেকুৱা সময়ত কেতিয়াবা প্ৰফুল্ল ওলাইহি, চকুৰ চমকতে ঘুৰি সি দুৱাৰৰ আঁৰ হয়, লাজত তাৰ কাণ-মুখ গৰম হৈ যায়, কি কৰিব ভাবি নাপায় শেষত সি ডাঙৰ ডাঙৰকৈ কাহ কেইটামান মাৰে। কাহৰ পৰিষ্কাৰ শব্দত প্ৰফুল্ল কেতিয়া আহিল সেই সম্পৰ্কে ভুল কৰিবলৈ নিৰ্মালিৰ কোনো উপায় নাথাকে।

প্ৰফুল্লৰ আগত লাজ কৰাৰ নিৰ্মালিৰ কোনো সুবিধা নাছিল, প্ৰয়োজন নাছিল। কিন্তু লাজ পালে আজি। গা ধুবলৈ গৈ লাজত তাই লুকাবলৈ ঠাই বিচাৰি পোৱা নাছিল।

আবেলি সোধোঁ নোসোধোঁকৈ মাকক তাই সুধিলে, "নাৰ্চৰ কোৱাৰ্টাৰলৈ কোনোবা মানুহ আহিছে নে কি মা?"

মাকে ক'লে, "ওঁ, হয় হ'বলা, ময়ো দেখিছোঁ বাৰীখনত কোনোবা ঘুৰি ফুৰিছে।"

নিৰ্মালিয়ে পোনে পোনে গা ধোৱাৰ কথাটো মুলিয়ালে; কেৱল ক'লে, "আমাৰ দেখোন অসুবিধাই হ'ল।"

"এৰা, কিবা এটা কৰিব লাগিব।" গৌৰীপ্ৰভাই ক'লে।

পিছদিনা ৰাতিপুৱা ডাঙৰ বাল্টিটোত পানী ভৰাৰৰ সময়ত নিৰ্মালিয়ে দেখিলে বাৰীখনত কোনো নাই। কিন্তু ৰ'দ ওলোৱাৰ পাছত গা ধুবলৈ গৈ দেখে ল'ৰাটোৱে বাৰীখনত কোৰ মাৰিছে। সেই একেটা ল'ৰা; নীলা ৰঙৰ ছুৰিয়া পায়জামা আৰু বগা চোলা পিন্ধা ল'ৰাটো; বাহুলৈকে চোলাৰ হাতটো কোঁচাই লৈ কোৰ মাৰিছে।

নির্মালিয়ে তিনিখন চাদৰ তাঁৰডালত আঁৰি দি শিলচটাৰ ওপৰত বহি গা ধুই শুচি আছিল। তিতা কাপোৰযোৰ মেলি দিয়াৰ সময়ত তাই বুজিলে ল'ৰাটোৱে মাজে মাজে সিহঁতৰ ঘৰৰ ফালে চায়।

খাবৰ-জীৱৰ মন থকা উৎসাহী ডেকা ল'ৰা; ঘৰটো ভাৰা লৈ বোধহয় সি ঠিক কৰিলে—বাৰীখন এনেয়ে পৰি থকাতকৈ কামত লগালে খাবলৈ ডুভাল-এডাল শাক-পাচলিও ওলাব, স্বাস্থ্যটোও ভালে থাকিব। ল'ৰাটোৱে বাৰীখন চাফা কৰিলে, মাটি চহালে, আৰু যথেষ্ট পলম হোৱা সত্বেও, কৰি পুলি কই দিলে। তাৰ পাছত এদিন কলপটুৱাৰে পুলিবিলাক ঢাকি দিলে। ৰাতিপুৱা ৰ'দ ওলোৱাৰ পাছত সি বাৰীলৈ আহে, অলপ সময়ৰ কাৰণে ঢাকোনবিলাক পুলিবিলাকৰপৰা আঁতৰাই দিয়ে, গুৰিবিলাকত অলপ অলপ পানী দিয়ে। এয়েই পুলিৰ সাৱধান লোৱাৰ সময়, এতিয়া ৰ'দ-পানী জোখমতে পৰিলেহে গছ ভাল হয়।

কিন্তু এইটোৱেই যে নিৰ্মালিৰ গা ধোৱাৰ সময়।

গৌৰীপ্ৰভাই ভোলানাথক কৈছিল,—ঘৰটোলৈ ডেকা-ডঙৰা মানুহ অহাৰ পাছত তেওঁলোকৰ, বিশেষকৈ নিৰ্মালিৰ পিছফালে ওলোৱা-সোমোৱা, ধোৱা-পখলা কৰাৰ অসুবিধা হৈছে। ভোলা-নাথে কিবা এটা কৰিব লাগিব বুলি শলাগি থলে। কিন্তু বেৰ এখন দিবলৈ হ'লেও পাঁচ-ছটা বাঁহ লাগিব, কেইপোলামান ইকৰা লাগিব। নাই নাই বুলিও দহটা টকাৰ ঠেলা।

পাগঘৰৰ আঁৰত শুকান কাপোৰযোৰ থৈ তিনিখন চাদৰৰ আঁৰত গা ধোৱা নিৰ্মালিৰ অভ্যাস হৈ গ'ল। কেতিয়াবা ষতাহে কাপোৰ উকৰায়, কেতিয়াবা মুকৰায়। কাপোৰ সলাবলৈ কেতিয়াবা পাগঘৰৰ আঁৰলৈ নাহে, শিলচটাৰ ওপৰতে সলায়। এটা অদ্ভুত লাজে কিন্তু তাইক সদায় যেন সংকুচিত কৰি ৰাখে।

এদিন মেলি দিবলৈ বুলি তাঁৰডালৰ ওপৰত চাদৰ তিনিখন থৈ হঠাতে তাই লক্ষ্য কৰিলে, ল'ৰাটো বাৰীখনত নাই। এক মুহূৰ্ত

তাতে থিয় হৈ থাকি তাই শুচি আছিল। ভিতৰৰ চোতালত কিছু সময় এনেয়ে ইফাল সিফাল কৰি তাই ঘূৰি ফুৰিলে।

গৌৰীপ্ৰভাই তাইক গা ধুবলৈ যোৱা দেখিছিল, এতিয়া চোতালত ঘূৰি ফুৰা দেখি বুজিলে, বাৰীখনত হয়তো কোনোবা আছে। তিনিখন চাদৰে গোটেই বাৰীখন আঁৰ কৰিবও নোৱাৰে। তেওঁৰো কেইবাদিনো এনেকুৱা হৈছে।

অলপ সময়ৰ পাছত নিৰ্মালিয়ে আকৌ পিছফাললৈ গৈ দেখিলে, ল'ৰাটো আছিল। লাহে লাহে তাই চাদৰ তিনিখন বহলাই দিলে আৰু শিলচটাৰ ওপৰত উঠি গাত পানী ঢালিবলৈ আৰম্ভ কৰিলে।

সেইদিনা গধূলি পৰত ভোলানাথে পাগঘৰৰ বাৰাণ্ডাত জুই একুৰাত ঠেৰেঙা লগা ভৰি-হাত সেকিছিল, ওচৰতে প্ৰফুল্লও বহি আছিল।

গৌৰীপ্ৰভাই ক'লে, "পিছফালখনৰ কিবা এটা ব্যৱস্থা কৰি নিদিয়ে কিয়? বাৰীখনত গোটেই দিনটো মানুহে কাম কৰি থাকে। মোৰ যেন তেন, তাইৰ বৰ অসুবিধা হৈছে নহয়।"

ভোলানাথে ইমান দিনৰ মূৰত যেন আজিহে সময় পালে, সুধিলে, "কৰনো মানুহ আছিল হয়নে?"

গৌৰীভাই কলে, "জানো! মই দেখাৰ ভিতৰত আমাৰ প্ৰফুল্লৰ নিচিনা ল'ৰা এটাহে দেখিছোঁ। বাৰীখনত কৰি পুলি লগাইছে হ'বলা।"

প্ৰফুল্ল তলমূৰকৈ বহি আছিল; সি মূৰ তুলি এবাৰ গৌৰী-প্ৰভালৈ চালে।

পিছৰ দেওবাৰে ব'দ ওলোৱাৰ লগে লগে ঘোঁৰাগাড়ী এখনত এগাড়ী ইকৰা, বাঁহ লৈ প্ৰফুল্ল নিৰ্মালিহঁতৰ পদূলিত বলহি। ভোলানাথ আৰু সি লগ লাগি গোটেই দিনটো কাম কৰি শিলচটাৰ চাৰিওকাষ বেঢ়ি পেলালে। সোমাবলৈ কেৱল পাগঘৰৰ কালৰ-পৰা বাট এটা ৰাখিলে।

পিছদিনা গা ধুবলৈ ওলাওঁতে নির্মালিয়ে ভুলতে চাদৰ তিনিখন হাতলৈ তুলি লৈছিল, কিন্তু মনত পৰি থৈ দিলে। পিছফাললৈ আহি বেৰকেইখনৰ মাজত সোমাওঁতেই বাল্টিটোৰ পানী খাবলৈ অহা কাউৰী এটা উৰা মাৰি গুচ গ'ল। সলাবলৈ অনা মেখেলা-চাদৰযোৰ হাত মেলি তাই বেৰ এখনৰ ওপৰতে থলে। তাৰ পাছত তাই বাৰীখনলৈ চাই পঠিয়ালে, কিন্তু লগে লগে যেন ভীষণভাৱে আহত হৈ তাইৰ দৃষ্টি উভতি আহিল। তাইৰ চকুৰ কেইহাতমান আঁতৰতে বেৰখন। একমুহূৰ্ত্তৰ কাৰণে কিবা এটা নিৰ্বাক বেদনাত নিৰ্মালিৰ বুকুখন যেন মোচোকা খাই উঠিল।

কেইখোজমান আগবাঢ়ি গৈ নিৰ্মালি বেৰখনৰ কাষ চাপিল: দুই হাতৰ আঙুলিৰে ইকৰাবোৰ দুইফালে আঁতৰাই অকণমান ফাঁক এটা কৰি, তাত চকু এটা থৈ তাই বাৰীখনলৈ চালে। ল'ৰাটো আছে। লাহে লাহে সি পুলিবোৰ চাই ফুৰিছে। দুই হাতেৰে নিৰ্মালিয়ে ইকৰাবোৰ আৰু অলপ বহলাই ধৰিলে: ফাঁকটো আৰু অলপ বহল হ'ল; এইবাৰ তাই ল'ৰাটোক ভালকৈ দেখিলে। ল'ৰাটোৱে নিৰ্মালিহঁতৰ ঘৰৰ ফালে চাইছে। কিন্তু সিতো তাইক দেখা নাই! নিৰ্মালিয়ে দুই হাতৰ জোৰ আৰু অলপ বঢ়াই দিলে, —আৰু অলপ। নাই। ফাঁকটো অলপ বহল হ'ল, আৰু নহয়।

কিন্তু তাইক এনেকুৱা এটা ফাঁক লাগে যেন ফাঁকটো থকাৰ কাৰণেই গা ধোওঁতে তাইৰ লাজ লাগি থাকে।

কিন্তু কোনো উপায় নাই। প্ৰফুল্লই বেৰখনৰ গাঁঠিবোৰ বৰ মজবুতকৈ দি গৈছে।

আবর্জনা

কেতিয়াবা একোটা বাকচ পুৰণি কাগজ, চিঠি-পত্ৰেৰে ঠাহ খাই থাকে ; সময় পালে এদিন বাছি বাছি অলাগতিয়াল চিঠিবোৰ কালি পেলাম বুলি ভাবোঁতেই যায়। হঠাৎ যেনিবা এদিন সময় পালোঁ, বাকচটো খুলি ললোঁ। বহুত বাচ-বিচাৰ কৰাৰ পাছত যেতিয়া বাকচটো আকৌ বন্ধ কৰিলোঁ, তেতিয়া দেখা গ'ল কেইখনমান খাকী লেকাফাৰ কোম্পানিৰ চিঠি, যাৰ ল'ৰা-ছোৱালীৰ এতিয়ামানে চাগে অন্নপ্ৰাসন হৈ গ'ল তেওঁলোকৰ বিয়াৰ নিমন্ত্ৰণী চিঠি ইত্যাদিৰ বাহিৰে বাকী সকলো চিঠি বাকচতে সোমাই বল, কগা নহ'ল।

জানো, কাগজ-পত্ৰবোৰৰ প্ৰায়বোৰেই অনাৱশ্যকীয় জঞ্জাল ; অথচ পেলাই দিবৰ সত নাযায়, কালিবৰ মন নাযায়, পুৰিবলৈ বেয়া লাগে।

জীৱনৰ চুক-কোণবোৰত কেতিয়াবা কিছুমান বস্তু গোট খায় ; অনুভৱ কৰিব পাৰি বস্তুবোৰ নিতান্ত অলাগতিয়াল, আবৰ্জনাৰ নিচিনা : জাৰি-জোকাৰি পেলাই দিব পৰা ক্ষমতাও আছে ; অথচ পেলাই দিবলৈ ওলালে থৈ দিবলৈ মন যায়।

ঠিক তেনেকুৱা জঞ্জাল খুচৰি আছিল বাধাই। বাধাৰ বয়সৰ এজনী তিৰোতাই অন্তৰত গোট খোৱা অতীতৰ জঞ্জাল খুচৰিছে বুলিলে মানুহজনীয়ে মূৰে-কপালে হাত দি বহি থকা যেন লাগে।

নহয়, ৰাধাই ঠিকমতে ঘুৰি-পকি কাম কৰি আছিল। চকুত তাইৰ অলপো উদাস উদাস ভাব নাই, ভৱিৰ খোজত অকণো মন্থৰতা নাই, কাম কৰা হাত দুখনত অলসতাৰ নামেই নাই। কেৱল এটা উত্তেজনা; মাজনিশা কিবা শব্দ এটা শুনি সাৰ পাই, দ্বিতীয় শব্দটোৰপৰা মেকুৰী বুলি নিশ্চিত নোহোৱালৈকে যিকণ উত্তেজনা, তেনে এক উত্তেজনাত তাই নিজেও ডুবিছিল, কোঠালী-টোকো ডুবাইছিল।

কোঠালীটোৰ জঞ্জালবোৰ আঁতৰাই, চাফ-চিকুণকৈ সজাই-পৰাই আলহী থাকিব পৰা কৰিব লাগে; সেইটোৱেই এতিয়া তাইৰ কাম। কিন্তু তাই লৰা-ঢপৰা টনা-আজোৰা কৰিছেহে কৰিছে, কোঠালীটোৰ চিজিল লগাৰ চেহেৰাই নাই। মূৰটো ঠাণ্ডা কৰি ৰাখি, একাষৰ-পৰা হিচাপমতে কাম কৰি গ'লে, ৰাধাৰ নিচিনা এজনী পাকৈত কামিলা তিৰোতাই কোঠালীটো নতুন দৰা-কইনা শুব পৰাকৈ সজাই দিবলৈও লগা উচিত বৰ বেছি এঘণ্টা। নাই; আগৰ কাম পিছ, পিছৰ কাম আগ কৰি তাই যোৱা এঘণ্টাৰ ভিতৰত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি কৰিছে যেন অলপ আগতে কোঠালীটোত ডকাইত আৰু গৃহস্থৰ মাজত এখন যুদ্ধ হৈ গৈছে। অথচ যিজন আলহী আহিব তেওঁ হ'ল অকলশৰীয়া মতা মানুহ, কেইৰাতিমানৰ কাৰণে দৰকাৰী কামত আহিছে, দিনটো কেনভাছাৰৰ নিচিনাকৈ ঘুৰি ঘুৰি ৰাতি নাক বজাই পৰি থাকেহি নে কি তাৰো ঠিক নাই; তাৰ কাৰণেই ইমান!

এইটো কোঠালীৰপৰা ভিতৰলৈ অহা-যোৱা কৰা দুৱাৰৰ পৰ্দাখন ধুবলৈ সোলোকাই নিয়াৰ পাছত লগোৱা হোৱা নাছিল, জাপি থোৱাতে আছে; মানুহ এটা থাকিব যেতিয়া, এতিয়া পৰ্দাখনৰ নিতান্ত প্ৰয়োজন, সেইটো কাম পিছ পেলাই থৈ ৰাধাই ইমান দিনে ক'ত আঁৰিব ঠিক কৰিব নোৱাৰি আলমাৰীত সুমুৱাই থোৱা তাইৰ নিজৰ, বিয়াৰ আগৰ, এনলাৰ্জ কৰা প্ৰকাণ্ড ফটো এখন

দাণ্ডি আনিলে ; বেৰৰ কিনাৰে কিনাৰে কোঠালীটোত স্তুপাকমান ঘুৰি বাতামত মাৰি থোৱা গজাল এটা আৱিষ্কাৰ কৰিলে, এচুকৰ-পৰা চকী এখন, আনটো চুকৰপৰা টুল এখন আনি জাপি, তাৰ ওপৰত উঠি, ছুবাৰমান থৰক-বৰক কৰি ফটোখন আঁৰি থৈ লাহে লাহে নামি আহিল। চকী আৰু টুলখন য'ৰপৰা আনিছিল ত'ত থলে। তাৰ পাছত কোঠালীটোৰ মাজত থিয় হৈ বৰ আগ্ৰহেৰে ফটোখনলৈ চাই দেখে, ধূলি, কেৱল ধূলি। ধূলিৰ ডাঠ চামনিৰ তলত তাইৰ ছবিয়েই আছেনে অন্যৰকেৰ ছবি আছে ধৰিবই নোৱাৰি। এচুকৰপৰা চকীখন, ইচুকৰপৰা টুলখন আনি তাই আকৌ জাপিলে ; টুলৰ ওপৰত উঠি ফটোখনলৈ হাত মেলি দিয়াৰ পাছতহে দেখিলে, ধূলি মচা কাপোৰটুকুৰা তলতে থাকিল। অলপ বিৰক্ত হৈ নামিবলৈ লৰালৰি কৰোঁতে চকীৰ ওপৰত টুলখন অকণমান লৰিল। তাই সাউৎকৈ বহি দিলে, সাৱধানে এখন ভৰি নমাই চকীখনত থলে, তাৰ পাছত নামি আহিল। পিছৰবাৰ কাপোৰটুকুৰাৰে ফটোখন মচোঁতে দুৱৰ বাস্তাত মটৰৰ শব্দ শুনি তাই কাণ খিয় কৰিলে, আহিলেই নে কি ? নহয়, অইন কাৰোবাৰ গাড়ী।

বিছনাচাদৰ, গাৰুৰ গিলিপ ধোৱাই দিয়া চিনেই বিছনাখনত পৰি আছে, আৰু আহলী বুলিলেই বিছনাখনৰ ব্যৱস্থাটো আগ কথা ; কিন্তু বাধাই বিছনাচাদৰখন বহলাই দিয়াৰ আয়োজন কৰা নাই ; তাৰ সলনি সৰু টিপয় এখন দাঙি লৈ এবাৰ অ'ত থৈছে, এবাৰ ত'ত থৈছে আৰু মনে মনে ভাবিছে ঠিক কোনখিনিত থলে মানুহটোৱে বিছনাত দীঘল দি পৰি, গলধনৰ তলত গাৰু দুটা স্মুৰাই অলপো কষ্ট নোহোৱাকৈ চাহকাপ তুলি লব পাৰিব। টিপয়খন থৈ বাধাই দোৰ মাৰি শোৱা কোঠালীৰপৰা ছাইদানী এটা লৈ আহিলগৈ, বিছনাৰপৰা মানুহটোৱে হাত মেলি দিলেই যাতে ছিগাৰেটৰ ছাইখিনি ঠিক ছাইদানীতে পৰে, তেনেকুৱা দুৰত্বত টিপয়খনৰ ওপৰত ছাইদানীটো থৈ দিলে কিন্তু তাই এবাৰো

নাভাবিলে যে শোৱাৰ আগতে চাহ একাপ খোৱাৰ অভ্যাসটো মানুহটোৰ এতিয়া নাথাকিবও পাৰে; বিয়াৰ পাছত বহুত মানুহে ছিগাৰেট খোৱা কমায়; মানুহটোৱেতো একেবাৰে এৰিও দিব পাৰে। তাইৰ দেউতাকে ধঁপাত-চুৰট নাখাইছিল, বিয়াৰ আগলৈকে তাই ছিগাৰেটৰ ধোঁৱাৰ লগত খেলিমেলি একেবাৰে কৰা নাই, তথাপি বিয়াৰ পাছত অনন্তক ছিগাৰেট খোৱাত তাই একো হকা-বধা কৰা নাই; কেৱল কেতিয়াবা কৰিবলগীয়া কাম নকৰি একান্তমনেৰে ছিগাৰেট হুপি থাকিলে তাই মুখ-চুখ বেঁকা কৰি কয়, "সেইডাল হুপিনো কি আৰামটো পায়।" অনন্তই চকু মুদি, পৰম তৃপ্তিৰে মুৰ হুপিয়াই হুপিয়াই, অনাৱশ্যক মন্থৰ গতিৰে ধোঁৱাবোৰ উলিয়াই দি কয়, "তুমি কি বুজিবা।"

সন্ধ্যাৰ কথা বেলেগ হ'ব পাৰে। তাই একা-বেঁকা হোৱালী, ভালত ভাল, অলপ ইফাল-সিফাল হ'লেই আঁকৰীৰ জক উঠা দি উঠে। মানুহটোক তাই ছিগাৰেট একৰা কি কথা, ইচ্ছা কৰিলে কিছু সময় উশাহ লবলৈও বন্ধ কৰি ৰাখিব পাৰে।

ইমানবোৰ কথা বাধাই ভবা নাই। তাই নিজৰ ইচ্ছামতে যেনেকৈ মন যায় তেনেকৈ কোঠালীটো সজাইছে। এই মানুহটোৰ কাৰণে কোঠালী সজোৱাৰ অভিজ্ঞতা তাইৰ অতি সামান্য হ'লেও আছে। দুৰাতি হিমাদ্ৰিক বাধাই আলহী সুধিছিল। প্ৰথম ৰাতি গম পাইছিল, সি শোৱাৰ আগতে একাপ চাহ খায়। পিছদিনা দুপৰীয়া কোঠালীটো সাৰিবলৈ গৈ দেখিছিল, ছিগাৰেটৰ খালী বাকচ এটা ছাইৰে ভৰি আছে।

সেই দুৰাতিৰ পাছত হিমাদ্ৰিৰ ইমান সান্নিধ্যলৈ বাধা আৰু অহা নাই। আজিকালি সন্ধ্যাই হিমাদ্ৰিৰ কোঠালী সজায়। এৰাতি দুৰাতিৰ কাৰণে নহয়, প্ৰত্যেক ৰাতিৰ কাৰণে। কেনেকৈবা সজায়! বাধাই সেইবোৰ ভবা নাই। তাইৰ নিজৰ যিকণ মনত আছে, তাকে মনত পেলাই কাম কৰি গৈছে। কেৱল তাইৰ অলপ

থপ্‌থপ্‌ লাগিছে ; তাই কিবা এটা উত্তেজনা অনুভৱ কৰিছে ; বিছনাখন আগতে পাৰিব লাগে, তাকে নকৰি যেনিবা ছাইদানীটো লৈ ইফাল-সিফাল কৰি আছে।

অৱশেষত বাধাই বিছনাখনত হাত দিলে। অনন্তৰ দেউতাকৰ দিনৰ দুজনীয়া পালেং ; বিয়াৰ পাছৰপৰা এইখন কোনেও ব্যৱহাৰ কৰা নাই। অকলশৰীয়া হিমাদ্ৰিৰ কাৰণে বিছনাখন বৰ প্ৰকাণ্ড হ'ব ; হ'লেও উপায় নাই ; বাধাইঁতৰ সক খাট-পালেং একো নাই।

নিজৰ গাৰ কালে বিছনা কাপোৰখন বহলাই, বেৰৰ ফালটো ঠিক কৰিবলৈ বাধাই আঁঠু কাঢ়ি বিছনাখনৰ ওপৰত উঠিল। সিফালৰ চুকটো তথাপি চুকি নাপায়, বহল বিছনা। আঁঠু কাঢ়ি কাঢ়ি আৰু আগবাঢ়িলেও লেতেৰা তৰি দুখন বিছনাত উঠে। বাধাই বিছনাত পেট পেলাই পৰি হাত মেলি বেৰৰ কালে কাপোৰখন বহলাই দিলে। তাৰ পাছত উঠিব খোজোঁতেই হঠাতে তাইৰ অনুমান হ'ল, কোঠালীটোত আৰু কাম নাই। বাঁওহাতৰ তলুৱাত মূৰটো থৈ, বিছনাখনত পৰি থাকিয়েই তাই চাৰিওকালে চকু ফুৰালে। আয়না-ফণী, গামোচা, চকী-মেজ, বেৰত ফটো, সকলো ঠিক হৈ গ'ল। ভিতৰত অৱশ্যে কাম পৰ্বত-প্ৰমাণ হৈ পৰি আছে। আলহীয়ে কিবা এটা মুখত দিয়াৰ ব্যৱস্থা কৰিবলৈ বান্ধনী ল'ৰা কানাই ইতিমধ্যে কামত লাগি আছে যদিও, বাধাই চকুৰ আগত থাকি দিহা নিদিলে একো নহ'ব। তথাপি বাধা বিছনাখনতে পৰিয়েই বল। তাইৰ অলপ ভাগৰ লগা যেন লাগিল। আৰু যি মুহূৰ্ততে কামৰপৰা মনটো আঁতৰি আহিল, সেই মুহূৰ্ততে সেই একেটা পুৰণি চিন্তা তাইৰ মনত লাহে লাহে বিয়পি পৰিল।

এবাৰ তাই ভাবিলে, কি দৰকাৰ মানুহটোক জোকাই লোৱাৰ। বেচেৰা দুদিনৰ কাৰণে আহিছে ; তদুপৰি হিমাদ্ৰি এইবাৰেই প্ৰথম অনন্ত আৰু তাইৰ আলহী হ'ব। বং-তামাচাত মত্ত হৈ থকা মানুহ : খাব-বব, ফুৰা-চকা কৰিব, অনন্ত আৰু বাধাৰ লগত হাঁহি-মাতি ফূৰ্তি

কৰিব, তাৰ পাছত গুচি যাব! ইয়াৰ ভিতৰত আকৌ খোচা-বিন্ধা কিহৰ! ৰাধাই জনামতে হিয়াদ্রি আৰু সন্ধ্যাৰ জীৱনত অকণো ওখোৰা-মোখোৰা নাই; কোনেও ক'তো উজুটি খোৱাৰ ব্যৱস্থা নাই। সিহঁতৰ জীৱনৰ মজিয়াত কোনোবাই ধেমালি কৰিবলৈ দিয়া আঁচ এডালক সিহঁতে প্ৰকাণ্ড ফাট বুলি ভয় খাই যাব পাৰে। পানী যিমানে স্থিৰ হৈ থাকে, তাত ঢৌ তুলি ৰং চাবলৈ সিমানে সুবিধা। তেনেকুৱা ধেমালি কৰা বা ৰং চোৱাৰ ইচ্ছা ৰাধাৰ সমূলি নাই। তথাপি······

পিছফালৰ বাৰাণ্ডাত ধেমালি কৰি থকা কণজুনে বহুত সময়ৰ মূৰত ঘৰটোৰ নীৰৱতা ভাঙি চিঞৰি উঠিল, "সৌটো চৰাই, মা, অ' মা, সৌটো চৰাই—".

চৰাই কিয়, এই সময়ত পাগঘৰৰ মূধত ইন্দ্ৰৰ ৰথ নামিলেও ৰাধা ওলাই নাহে। চৰাইবোৰৰ নো আৰু কি কাম আছে! অ'ত পৰিব, ত'ত পৰিব, চিঁ চিঁ কৈ চিঞৰিব!

ৰাধাই ভাবিছিল—তথাপি·········। পানী যিমানে স্থিৰ, সিমানে বেছি ৰহস্য তাত ডুবি থকা যেন লাগে। সন্ধ্যায়ো জানে, ৰাধায়ো শুনিছে হিমাদ্রি পোন, সমান ৰাস্তাৰ যাত্ৰী। তথাপি ৰাধাৰ এনেকুৱা বিশ্বাস হয় যেন হিমাদ্রিয়ে বহুত ৰহস্য কৰবাত ইমান দকৈ পুতি থৈছে যে সন্ধ্যাই খানি উলিয়াব পৰা নাই।

ৰাধা পোন হৈ বহিল। তাই অলপ অস্থিৰ হ'ল, তাইৰ মনটো অলপ উত্তেজিত হ'ল। হিমাদ্রি অইন মানুহ হোৱা হ'লে তাই ইচ্ছা কৰিলেই তাক এপাক নচুৱাব পাৰিলেহেঁতেন। কেৱল সন্ধ্যাৰ কাৰণে;—সন্ধ্যা তাইৰ ভনীয়েক।

ৰাধা আৰু সন্ধ্যা বাই-ভনী। সন্ধ্যাই যেতিয়া টনকৈ চকু দুটা মেলি, হাত-ভৰি জোকাৰি বিছনাত চিং হৈ পৰি থাকে, ৰাধাই তাইক বুকুৱেদি গৰা মাৰি ধৰি হেঁপোৰ-তেঁপোৰকৈ ৰাৰাণ্ডালৈ দাঙি

আনে; দুৰৰপৰা কোনজনীয়ে কোনজনীক দাঙিহে ধৰিব নোৱাৰি। তাৰ পাছত তাইক বাবাওৰ পকাত থেকেচকৈ বহুৱাই দিয়াৰ লগে লগে মাক স্নেহপ্ৰভাই উধাতু খাই দৌৰি আহি সন্ধ্যাক কোলাত তুলি লয়; বাধাক গালি পাৰে, "বৰ দস্যুৰী এইজনী! বলেও নোৱাৰে চলেও নোৱাৰে, গুই থকা ছোৱালীজনীক এনেয়ে টানি আজুৰি লৈ ফুৰে! পকা মাটিখনত পৰা হ'লে?" তাৰ পাছত স্নেহ-প্ৰভাই সন্ধ্যাক সোধে, "তাই তোমাক পেলাই দিছিল? দুখ পালানে কি তুমি? সেই দুষ্টজনীক মই বাক মাৰি দিম।" সন্ধ্যাই অকণ অকণ আঙুলিকেইটাৰে মাকৰ চকু এটা খামুচি ধৰিব খোজে, চকুটোৰ ওপৰত থপ্ থপ্ কৈ মাৰে। বাধাই ওচৰতে থিয় হৈ থাকি নিজকে কোৱাৰ দৰে কয়, "ই—, মই বয়ে পায়ো আক'।"

মাকে মুখতে ধৰে, "ইহ্ বলে পৰা জনী নেদেখিছা!" তাৰ পাছত বাধাৰ ওঁঠ দুখন থুপ খাই, গাল দুখন অলপ ফুলি যোৱা যেন দেখি তেওঁ কয়, "লবি বাক দে, ডাঙৰ হচোন; ডাঙৰ হ'লেহে লৰ পায়।"

বাধা আৰু সন্ধ্যা ডাঙৰ হৈছে। স্নেহপ্ৰভাই দুইজনীৰ কাৰণে একেলগে এজাপ মেখেলা-চাদৰ বৈ উলিয়াইছে; কিছুমান কিনিছে। বাধালৈ স্কুলৰ কিতাপ কিনাৰ পাছত সন্ধ্যালৈ কিনিবলগীয়া হোৱা নাই; বাধাৰ কিতাপেৰেই চলিছে। কিনিবৰ সময়ত কেৱল দেউতাক যোগানন্দই কয়, "আঁকি বাঁকি কিতাপবোৰ লেতেৰা নকৰিবি, অহাবাৰলৈ সন্ধ্যাক লাগিব নহয়।" সন্ধ্যাই মেট্ৰিক পৰীক্ষাৰ আয়োজন কৰোঁতে বাধাই ক'লে, "আমাৰ বাৰত আকবৰৰ কেৰেক্টাৰ আহি গৈছে, তই বাদ দে।" তাৰ পাছত কলেজ। যোগানন্দ অত্যন্ত শান্তিপ্ৰিয় মানুহ, গতিকে ছোৱালী কলেজ। দুজনী বাই-ভনী বাতিপুৱা-আবেলি কলেজলৈ অহা-যোৱা কৰে, গোটেই বাটটো হাঁহি-মাতি সিহঁত দুয়োজনীয়ে নিজৰ ভিতৰতে কিনো কয়, কিনো মেলে সিহঁতেহে জানে। বাটৰ কাষৰ কিমান মানুহে সিহঁতৰ বেহ-ৰূপ চাই নিজৰ ভিতৰতে কিমান কি কোৱা-মেলা

কৰিছে তেওঁলোকেহে জানে। বাধা আৰু সন্ধ্যাই এইবোৰৰ একো ক'ব নোৱাৰে।

কৰবাত কোনোবাই যদি একজনক কৈছে, "আজি সেই বাধা বোলা ছোৱালীজনীক দেখিলোঁ, বেচ চকুত লগা ছোৱালী, কি কয় ?" —তেনেহ'লে ইজনে কৈছে, "আপুনি সন্ধ্যাক দেখাই নাই।"

আৰু ঘৰৰ ভিতৰত। দুজনী কাণসমনীয়া উজ্জ্বল স্বাস্থ্যেৰে ভৰপূৰ গাভৰু ছোৱালীয়ে কাপোৰৰ খৰপ্ খৰপ্ শব্দ কৰি ইকোঠালীৰপৰা সিকোঠালীলৈ অহা-যোৱা কৰি কাম কৰি ফুৰে; একজনীয়ে গুণ্ গুণ্ কৈ গান গালে ইজনীয়ে কবিতা মুখস্থ মাতে। দুজনী গাভৰু ছোৱালীয়ে বতাহত বিয়পাই দিয়া উষ্ণতাখিনি এই পাঁচ-ছটা কোঠালীতে আবদ্ধ নাথাকি পদূলি ওলাই বাট-ঘাট চঞ্চল কৰি তুলিব পাৰে; কিন্তু বাধা আৰু সন্ধ্যা নিজে অদ্ভুতভাৱে অচঞ্চল। জীৱনৰ ভঁৰালত তিলতিলকৈ কি গোট খাইছে সেইটো সিহঁত দুয়োজনীয়ে নিজে গম নোপোৱাটো বৰ অবাস্তৱ কথা, অথচ দেখিলে এনেকুৱা লাগে যেন সিহঁত একো একোটা মৌবাঁহ; নীৰৱ, নিশ্চল; কিন্তু এটা সাধাৰণ টোকৰ পৰিলেই যেন গোটেই বননি গুণ্ গুণাই উঠিব, বস নিগৰিব।

যোগানন্দ আৰু স্নেহপ্ৰভাক সন্মুখত ৰাখি বাধা আৰু সন্ধ্যাৰ ইয়াতকৈ বেছি চঞ্চল হোৱাৰ উপায় নাছিল। এইহাল মানুহে যি মায়াময় প্ৰশান্তিৰে ঘৰখন আৱৰি ৰাখিছিল, তাৰ মাজত কোনোবাই অকণমান লৰচৰ কৰিলেই ভূমিকম্প অহাৰ দৰে গোটেইখন থান্‌বান্ হৈ যাব যেন লাগিছিল। এদিন যেনিবা হঠাতে কোনোবা একজনীৰ মনটো উকঙা লাগিল, কিবা এটা মৃদু শিহৰণত গাটোৱে যেনিবা একামুৰি দি উঠিল। তাই কৰিব কি ? বৰ বেছি, তাই হয়তো বাৰাণ্ডাৰ খুটা এটাৰ গুৰিত মনে মনে বহি থাকিব। মাকে তেতিয়া ইজনীক ক'ব, "মোহনক বজাৰলৈ খাওঁতে পইচা চাৰি অনা দি পঠাবিচোন।"

তাই সুধিব, "কিয় মা ?"

স্নেহপ্ৰভাই ক'ব, "বঙা বঙা বেলুনকেইটামান আনিবলৈ। সৌজনী কেনেকৈ ওফন্দি আছে দেখা নাই ?"

দূৰৰপৰা যোগানন্দই মাত লগাব, "কিয় ? কাঠৰ বাকচটোত ৰবৰৰ বল এটা আছে নহয়; তাকে উলিয়াই দিয়াচোন, বেলুন আহি পায় মানে খেলি থাকক।"

ইয়াৰ পাছত খুটাৰ গুৰিত বহি থকা জনীয়ে সকলোকে উদ্দেশ্য কৰি ক'ব, "কথা ভাল নহ'ব কিন্তু কৈ দিছোঁ।"

যোগানন্দই "ঔ আই" বুলি জাঁপ এটা মাৰি হাতত তৰোৱাল এখন থকা ভংগীৰে চোতালখনত চুপাকমান ঘূৰিব আৰু তাণ্ডৰ ডাঙৰকৈ বচন মাতিব, "ৰজা-প্ৰজা, ডা-ডাঙৰীয়া সকলো সাৱধান, কংস মহাৰাজ আহিছে।"

খুটাৰ গুৰিত বহি থকা জনীৰ উকণ্ঠা মন হাঁহিৰ খলকনিৰে ভৰি পৰিব; গাভৰু বুকুৰ উত্তপ্ত নিশ্বাস এটা ঘৰটোৰ শীতল বতাহত অতি অনায়াসে বিলীন হৈ যাব।

বাধা আৰু সন্ধ্যাই কলেজত পঢ়ে, কিন্তু এতিয়াও সিহঁতে দেওবাৰে দুপৰীয়া যোগানন্দৰ পিঠি সুৰসুৰাই দিলে ঘণ্টাত দুঅনাকৈ পায়। পেট পেলাই পৰি থকা যোগানন্দৰ পিঠিত সিহঁতে আঙুলিৰে এ-বি-চি-ডি লিখিব লাগে। ৰৰফলা লিখি শেষ হ'লে সৰুফলা লিখিব লাগে। দেউতাকৰ মানত সিহঁতৰ হাতৰ আখৰ এতিয়াও বেয়া। পিঠিত লিখোঁতেই তেওঁ গম পায়, বি আখৰটোৰ ওপৰৰ পেটটো সৰু, তলৰটো ডাঙৰ হোৱাটো ভাল আখৰৰ লক্ষণ নহয়। দেওবাৰে দুপৰীয়া ভাত খাবলৈ বহোঁতেই যোগানন্দই প্ৰশ্ন তোলে—আজি কাৰ পাল ?

"আমিয়েই সদায় সদায় দি আছোঁ, মাই দিব নোৱাৰেনে কি ?" বাধাইতে কয়।

"মাৰে ?" যোগানন্দৰ মুখত যেন ৰবৰ মুখচটো খহি পৰে, "মাৰে

মোৰ পিঠি সুৰসুৰাই দিব! হোঃ।” ভাত এগৰাহ মুখত ভৰাই তেওঁ কয়, “হাতত থাব থকা ছুৰী কটাৰী এখন দিবি, তেতিয়া দিব। মাৰে মোক কম হিংসা কৰে বুলি ভাবিছ? চাচোন, মোক মাছকণ দিছে দেখিছ? এইকণ মাছনো মানুহক দিয়েনে?”

বেৰৰ সিফালৰপৰা স্নেহপ্ৰভাই কয়, “আজি গধূলিৰপৰা তোখেতকে ভাত বহাবলৈ ক অ’।”

এইখন সংসাৰত চঞ্চল হোৱা ৰাধা-সন্ধ্যাৰ কাৰণে বৰ টান কথা। যোগানন্দ আৰু স্নেহপ্ৰভাই সিহঁতক কেতিয়াও একো কোৱা নাই, সিহঁত দুজনীয়েও কেতিয়াও নিজৰ ভিতৰত একো আলোচনা কৰা নাই; তথাপি দুয়োজনীয়ে নিজে নিজে ভাবি আছে, ঠিক এনেকুৱা এখন সংসাৰেই সিহঁতৰ কাৰণে বৈ আছে; হয়তো ওচৰ চাপি আহি আছে; আহি থাকক। সিহঁত অলপ অধৈৰ্য্য হৈ এখোজমান আগবাঢ়ি গ’লেই হয়তো বাট ভুল হৈ যাব; সংসাৰ বা আছে কোন পিনে, সিহঁত বা যায় কোন পিনে! গতিকে যি আহি আছে, পদূলিলৈকে আহক, সিহঁতে কেৱল আগবঢ়াই লৈ আহিব। এটা মধুৰ প্ৰতীক্ষা।

লাহে লাহে কলেজৰ দিনবোৰ কমি আহিল। ৰাধাই কলেজীয়া জীৱনৰ শেষ সীমাত ভৰি দিলে; সন্ধ্যা পিছে পিছে। বুকুৰ উম লাগি সিহঁতৰ প্ৰতীক্ষাই মাজে মাজে ধৰফৰাই উঠিল। ৰাধাই কেতিয়াবা হঠাতে বহুত দূৰেৰি যোৱা ঘোঁৰাগাড়ীৰ ঘোঁৰাৰ ডিঙিত জুনুকাৰ জুন্-জুন্ শব্দ শুনিবলৈ পায়; সন্ধ্যাই কেতিয়াবা সপোনত দেখে—বায়েক নাই, কৰবালৈ গুচি গ’ল।

চকুত শকত ফ্ৰেমৰ চচ্‌মাৰে, চুৰিয়া-পাঞ্জাবী পিন্ধা, অচিনাকী বুঢ়া মানুহ এজন যোগানন্দক বিচাৰি আগফালৰ বাৰাণ্ডাত থিয় দিলেহিয়েই ৰাধাৰ বুকুখন চিৰিংকৈ উঠে। বুঢ়াজনে যদি কেনেবাকৈ ৰাধাক “এইবাৰ হ’বলা তুমি বি-এ দিবা” বুলি সোধে, ইকোঠালীত সন্ধ্যা উচাপ খাই উঠে; এই বোধহয় বাইদেউ গ’ল।

গ'লো যঁচা। সন্ধ্যাৰ কলেজীয়া বান্ধৱী প্ৰতিভাই শহুৰেকৰ ঘৰলৈ গৈ দেখিলে শহুৰেকৰ বংশত অনন্ত নামেৰে এজন ডেকা আছে, দেখিলেই হেনো মানুহজন বাধাক বিয়া কৰাবলৈ জন্ম হোৱা যেন লাগে। প্ৰতিভাই অনন্তৰ মাকক বুজাই দিলে, "আপোনালোকে ঘৰ-দুৱাৰ চাব খুজিছে যদি যাওক, মোৰ আপত্তি নাই; কিন্তু ছোৱালী চাবলৈ গ'লে লাভ নাই। এদিনত ছোৱালীৰ আচল চেহেৰাটোকেই নেদেখে। মই চাৰিবছৰ দেখি যি কৈছো তাকে বিশ্বাস কৰক।"

পলম কোনেও নকৰিলে; অনন্তয়ো, যোগানন্দয়ো। শুধ খাপৰ চৰকাৰী চাকৰিয়াল, হৃষ্টপুষ্ট শুধ, স্বাস্থ্যবান, সুদৰ্শন ডেকা অনন্তৰ লগত বাধা গুচি গ'ল। বিয়াৰ ৰাতি কান্দি কান্দি সন্ধ্যা অচেতন হৈ গ'ল।

ঘৰখন নিজম পৰি গ'ল। মৌন হৈ যোৱা যোগানন্দ-স্নেহপ্ৰভাৰ মুখ দুখনলৈ চাই চাই সন্ধ্যাও যেন নিকপেজ হৈ গ'ল। কিবা এটা প্ৰতীক্ষা কৰি কৰি যে তাই কেতিয়াবা উম্মনা হৈ পৰিছিল, সেইবোৰ কথা ভাবি মাজে মাজে তাই বিৰক্ত হ'ল; মাজে মাজে তাইৰ লাজ লাগিল।

কেৱল এবছৰৰ মূৰত যেতিয়া বাধাৰ ছোৱালী এজনী হোৱাৰ খবৰটো আহিল, সেইদিনা তাইৰ বুকুখন যেন হঠাতে এবাৰ মোচোকা খাই উঠিল।

যোগানন্দই ভাবিলে, যোবা ভাগিল যেতিয়া লাগিলেই। সন্তানৰ প্ৰতি বেছি মায়াও কেতিয়াবা পাপ; মৰমৰ সন্ধ্যাক বুকুত সাবটি ৰাখিলে পাপ হ'ব। তেওঁ সচেষ্ট হ'ল; ইকালে সিকালে খবৰ পঠিয়ালে। খবৰ আহিলো বহুত। তাৰ ভিতৰত আহিল হিমাদ্ৰিৰ খবৰ। চাকৰিৰ মোহ পৰিত্যাগ কৰি দেশ-বিদেশ ঘূৰি ব্যৱসায়ৰ অভিজ্ঞতা গোটাই লৈ বিৰাট পাব্লিছিং ফাৰ্ম খুলিছে হিমাদ্ৰিয়ে; নিজেও কিবাকিবি লিখে। লক্ষ্মী বাকচত বন্দী, বাহিৰত পিয়াপি দি ফুৰিছে কেৱল যশস্যাই। হিমাদ্ৰিয়ে নিজে যোগানন্দলৈ চিঠি

লিখিছে, ছোৱালী সি নিজে চাব, ছোৱালীৰ লগত কথা-বতৰাও পাতিব, যদি মাক-দেউতাকে বেয়া নাপায়।

চিঠিখন পঢ়ি যোগানন্দই স্নেহপ্ৰভাৰ মুখলৈ চাই যিটো হাঁহি মাৰিলে, ধুনীয়া ছোৱালীৰ বাপেকৰ মুখত সেইটো হাঁহি শুৱায়। তেওঁ ক'লে, "ল'ৰাৰ কলিজা আছে যেন পাওঁ। বাক আহক, চাওক, কি কোৱা ?"

স্নেহপ্ৰভাৰ বুকুখন কিহবাই যেন হেঁচা মাৰি ধৰিলে। সেই ৰাতিয়েই তেওঁ কান্দিলে।

মাৰ্চ মাহত অনন্ত অফিছৰ বৰমূৰীয়াৰ লগত মফচললৈ যোৱাৰ কথা। বন্দোবস্ত আছিল দুমাহৰ কাৰণে ৰাধা মাক-দেউতাকৰ লগত থাকিবহি। যোগানন্দই লিখি পঠিয়ালে,—আহ যদি কেইদিনমানৰ আগতেই আহ; হিমাদ্ৰি অহাৰ সময়ত তই থাকিলে অলপ সুবিধা হ'ব।

এই দুটা মাহ যে অনন্তৰপৰা আঁতৰত থাকিব, এইকণেই বোধহয় ৰাধাৰ জীৱনৰ প্ৰথম দুখ; অনন্তৰ ঘৰলৈ আহি তাই দেখিছিল, যিফালেই চায়, সেইফালেই সংসাৰ পূৰ্ণ, যিহতে হাত দিয়ে সেয়েই সোণ হৈ যায়। অনন্ত আপোন ভোলা, খোলা মনৰ মানুহ। অকণমান কথাতে হো-হোকৈ হাঁহে; আৰু হাঁহিলে হাঁহিয়েই থাকে, ৰবই নোখোজে। বহুত টকা দৰমহাৰ চৰকাৰী চাকৰি; অফিছৰ কামত অনন্ত সদায় দুদিন আগবাঢ়ি থাকে; ৰাধাক দিবলৈও থাকে অপৰ্য্যাপ্ত সময়। আৰু দুইটাৰ মাজত এবছৰীয়া কণজুন; ৰাতিপুৱাৰপৰা গধূলিলৈকে তাই কিনো কলকলাই থাকে তাইহে জানে। আদি নাই, অন্ত নাই, কেৱল কলকলনি।

ইমান সুখো মানুহৰ কপালত থাকে! এটা আঁচোৰ খোৱাৰ যন্ত্ৰণা নাই, একমুহূৰ্তৰ কাৰণেও কিবা এটা নোপোৱাৰ বেদনা নাই! নোপোৱাৰ বেদনানো পায় কৰপৰা, যদি তাই একো নিবিচাৰেই! আৰু নোপোৱাৰ প্ৰশ্ন নাথাকিলে তাইনো বিচাৰে কি ?

ছুমাহৰ কাৰণে অনন্তক এৰি দিবলৈ ৰাধাৰ কষ্ট হ'ল। ৰাধাই চিয়াহী ভৰাই নিদিলে যিটো মানুহে সদায় পার্কেল এছিষ্টেকৰ ফাউণ্টেনপেন ধাৰলৈ লবলগীয়া হয়, এই ছুমাহ সময় কোনেনো চাগৈ সেই মানুহটোৰ আল ধৰিব ? আৰু তাইৰ নিজৰ অৱস্থাটোৱেইনো কি ভাল ? বাহুৰ ওপৰেদি অনন্তৰ হাত এখন পৰি নাথাকিলে, তাইৰ প্ৰায় ৰাতিয়েই টোপনি ভাগি ভাগি যায়। ছুটা মাহ!

দেউতাকে আকৌ মাতি পঠিয়াইছে কেইদিনমান সোনকালে। যোগানন্দৰ চিঠিখন আকৌ এবাৰ পঢ়ি ৰাধাৰ অলপ লাজো লাগিল। নগ'লে মা-দেউতাই বা কি ভাবে। দেখুৱাবলৈ কাৰণোতো একো নাই। বাৰু। যোৱাই যাওক। তাতে সন্ধ্যাৰো বিয়াৰ আয়োজন হৈছে। এইটো যেনিবা ভাল কথা হ'ল। ৰাধা গুচি অহাৰ পাছত তাইৰ চাগৈ দিনবোৰ কেনেকৈ গৈছে। ভাল ঠাইত বিয়াখন হৈ গ'লেই হয়। দেউতাই যোগাৰ কৰিছে যেতিয়া ল'ৰা নিশ্চয় ভালেই হ'ব ; অনন্তৰ নিচিনা হ'লেতো কথাই নাই।

যাবৰ সময়ত অনন্তই ক'লে, "এইটো ঠিকনা ভালকৈ থোৱা, নেহেকৱাবা, সপ্তাহে এখন চিঠি যেনেতেনে দিবা। কপজুনৰ যাতে ঠাণ্ডা-চাণ্ডা লাগিবলৈ নাপায়। খোৱা-বোৱাত নিজে চকু ৰাখিবা। মৰমতে যেয়ে যিহকে পায় তাকে খুৱালে কেনেবাকৈ কিবাকিবি—।"

ৰাধা ঘৰ পালেহি। হিমাদ্ৰি আহিবলৈ কেইদিনমান বাকী, কিন্তু ইতিমধ্যে তাৰ সম্পৰ্কে বহুত খবৰ যোগানন্দইতৰ কাণত পৰিছেহি। এনেকুৱা ল'ৰা সাধাৰণতে চকুত নপৰে। গোটেই পৃথিবীৰ খবৰ জিভাৰ আগত ওলমি থাকে। কথা টেঁৱাৰই নোৱাৰি, উত্তৰত মুখ চিলাইকল চলাদি চলে। আৰু চেহেৰা, আহিলে দেখিবই নহয়।

হিমাদ্ৰি আহিল। তাক দেখিয়েই স্নেহপ্ৰভাই হাঁহি পেলালে ; সন্ধ্যাক উলিয়াই দিয়াৰ চিন্তাত যিজনী মানুহৰ সময়ে-অসময়ে চকু চলচলীয়া হৈ আছিল, সন্ধ্যাৰ চকুলৈ চালেই ককখন পধুৰ পধুৰ

লাগিছিল সেইজনী মানুহে হাঁহি ৰাখিব নোৱৰা হ'ল। যাওক, সন্ধ্যা যাওক, এইটো ল'ৰাই তাইক যনৈকে নিয়ে লৈ যাওক ; তেওঁ আৰু চিন্তা নকৰে। কি কৰিব ভাবি নাপাই স্নেহপ্ৰভাই ৰাধা আৰু সন্ধ্যাকে ভৰিয়ালে, "তহঁতৰ নো এতিয়াহে চুকত বহি মেল মাৰিবৰ সময় হ'লনে ?"

"অ, আমাক আৰু' এনেয়ে! আমি কি কৰিব লাগে ?" ৰাধা আৰু সন্ধ্যাই ক'লে।

কি কৰিব লাগে সন্ধ্যাই একেবাৰে ধৰিব পৰা নাছিল। তাইৰ এনেকুৱা লাগিছিল যেন তাইৰ কেৱল কোনেও নেদেখাকৈ লুকাই থাকিবলৈ ঠাই এডোখৰ হ'লেই হয়। হিমাদ্ৰিয়ে তাইৰ লগত কথা পাতিব, সেইটো চিন্তাতে তাই দুদিন আগৰেপৰা ঘামি আছিল ; সেই পৰ্বটো উকলিল যেতিয়া, এতিয়া তাই কোনোমতে পলাই থাকিব পাৰিলেই হয়। মুখামুখি হ'লেই আকৌ বা কি সোধে ! হিমাদ্ৰিয়ে তাইক হঠাতে সুধিছিল, তাইৰ সীতাক ভাল লাগেনে দ্ৰৌপদীক ভাল লাগে। এইটোনো এটা প্ৰশ্ন হ'ল নে ? যোৱা বছৰ অনাৰ্ছ লৈ বি-এ পাছ কৰা ছোৱালী সন্ধ্যা ; গোটেই দেশখনত নাম বিয়পাবলৈ আৰম্ভ কৰা ডেকা ল'ৰা হিমাদ্ৰি ; আৰু প্ৰশ্ন হ'ল সেইটো ! হিমাদ্ৰিৰ প্ৰথম চিঠিখন অহাৰ দিনাৰেপৰা সন্ধ্যাই তাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ সন্ত্ৰস্ত হৈ আছিল ; ভাবি আছিল যিহকে নোসোধক, কিবা এটা নহয় কিবা এটা তাই ক'বই।

অলপ সময় তললৈ চাই ভাবি সন্ধ্যাই কৈছিল, "জানো ; ভাবিব লাগিব, পাছত কম।"

পাছত ? শব্দটোৰ লগে লগে কোঠালীটোত এটা অদ্ভুত মাধুৰ্য্য বিয়পি পৰিছিল। সন্ধ্যা নিজে বন্ধা পৰি গৈছিল। হিমাদ্ৰিয়ে হাঁহিছিল। এজনী ছোৱালীয়ে নিশ্চিন্ত হৈ তাৰ ওপৰত নিৰ্ভৰ কৰা যেন লাগিছিল।

"মই যাওঁ এতিয়া" বুলি সন্ধ্যা কোঠালীটোৰপৰা ওলাই গৈছিল।

অইনদিনা ঘৰত খৰম পিন্ধি থকা যোগানন্দই আজি পাম্প্-শ্বু পিন্ধি কেৱল এই কোঠালিটো বাদ দি বাকী কোঠালীকেইটাত খট্খট্ কৈ ঘুৰি ফুৰিছে; এচৰ-পাজৰৰপৰা স্নেহপ্ৰভাৰ সৰু সৰু কাহৰ শব্দ আহি আছে; এনেকৈ কথা পাতিবলৈ আয়োজন কৰি দিলেনো মানুহে কথা পাতিব পাৰেনে? কথা নিশ্চয় পাতিব, পাছত। অন্ততঃ সেইবাৰ কথাতো তাই ক'লে!

হিমাদ্রি ছুৰাতি আছিল। সন্ধ্যাই বাধাক ক'লে, "যি য'ত লাগে, যি কৰিব লাগে তই কৰ, মই নোৱাৰোঁ; কণজুনক মই বাখিম দে।" হিমাদ্রিৰ আগত তাইৰ নিজকে এক বিন্দু পূৰণি কৰাৰ ইচ্ছা নাছিল; তাকো পূৰণি কৰিব খোজা নাছিল। একো একোটা উশাহেৰে বুকুখন ভৰাই লৈ তাই নিশাহ এৰিবলৈ পাহৰি গৈছিল।

গা ধোৱা, খোৱা, শোৱা, হিমাদ্রিৰ এইবোৰ কামৰ আলপৈচান ধৰিবলৈ আহি বাধা অবাক হৈ গ'ল। ল'ৰাটোৰ পেটভনো ইমান কথা, ইমান প্ৰশ্ন গোট খাই আছেনে? হঠাতে সি যোগানন্দক সুধিছে, "আপুনি বাৰু এটা কথা ক'ব পাৰেনে; মানুহবোৰ যে জীৱনৰ শেষৰ ছোৱাত তীৰ্থলৈ যায়, আগৰ ছোৱাত নাযায় কিয়? ইয়াৰ আচল কাৰণ কি?"

স্নেহপ্ৰভাক সি এবাৰ সুধিলে, "বাৰু আইতা, সৰু কালত গান-বাজনা নিশিকাৰ কাৰণে এতিয়া আপোনাৰ কিবা আক্ষেপ হয় নে কি?" স্নেহপ্ৰভাই উত্তৰ দিব কি, হাহোঁতে হাহোঁতে তেওঁৰ পেটৰ বিষ উঠি গ'ল।

আটাইতকৈ দুৰ্ভোগ হৈছিল বাধাৰ। তাই ভাবিলে, দুদিনত ইমান কথা আজিলৈকে তাই কৈ পাইছেনে নাই। নাই, নাই পোৱা। জীৱনত এই যেন প্ৰথম তাইৰ কথা কৈ ভাগৰ লাগিল। দ্বিতীয় ৰাতি গুৱৰ সময়ত চাহকাপ দিবলৈ তাই সোমাই অহাৰ লগে লগে হিমাদ্রিয়ে ক'লে, "এছ-ট্ৰেথন দি বৰ ভাল কাম কৰিলে দিয়ক; আজি আৰু আপোনালোকৰ মজিয়াখন নষ্ট নকৰোঁ।"

"নষ্ট কিটো কৰিব ? চাফা কৰা মানুহ আছে নহয়।" ৰাধাই ক'লে, আৰু চাহকাপ টিপয়খনত নমাই থৈ কোঠালীটোৰ ইফালে-সিফালে চালে লাগতিয়াল বস্তু সকলো ঠিক আছেনে নাই। হিমাদ্রিয়ে হঠাতে সুধিলে, "দ্বিতীয় মহাযুদ্ধৰ সময়ত আপোনাৰ বয়স কিমান আছিল ?"

ৰাধাই হাঁহি হাঁহি ক'লে, "জানো ক'ব নোৱাৰোঁ ; যুদ্ধৰ কথা মোৰ একো মনত নাই।"

"মোৰো একে অৱস্থা। বৰ মিছ্ কৰিলোঁ দিয়ক।" হিমাদ্রিয়ে দুখ কৰি ক'লে।

"মিছ্ কৰিলে ? কি মিছ্ কৰিলে ?" ৰাধাই আচৰিত হৈ সুধিলে।

"যুদ্ধখন। মই তেতিয়া ডাঙৰ হোৱা হ'লে চিধা যুদ্ধলৈ গ'লোঁহেঁতেন। চাওকচোন, জীৱনটো কেনেকৈ মাটি হোৱাৰ উপক্রম হৈছে। উঠা নাই, নমা নাই ; চাবি দিয়া ৰেলগাড়ীৰ নিচিনা চলিব লাগে, চলিছে। জীৱন বুলিলে নতুন নতুন এডভেঞ্চাৰ, বিচিত্র অভিজ্ঞতা, তেহে।"

পালেঙৰ মূৰত আঁউজাই থোৱা হিমাদ্রিৰ বহল বাহু দুটালৈ মুগ্ধ দৃষ্টিৰে চাই ৰাধাই ভাবিলে, যুদ্ধৰ গুলীৰ আগত পাতি দিব পৰা বাহুৱেই হয়। হঠাতে হিমাদ্রিৰ চকুৱে চকুৱে পৰাত তাই অইনফালে চকু ঘূৰালে। হিমাদ্রিয়ে অৱশ্যে চায়েই থাকিল। পিছফালে বেৰত লাইটটো, মাজতে ৰাধা। কোনোবা এটা মুহূর্তত, ভৰিৰপৰা মূৰলৈকে ৰাধাৰ দেহৰ ঢৌৰ নিচিনা ৰেখাটো হিমাদ্রিৰ চকুত স্পষ্ট হৈ উঠিল। বেৰৰ এনলার্জ কৰা ফটোখনলৈ চাই সি সুধিলে, "আপোনাৰ এই ফটোখন কিমান দিনৰ আগতে তোলা ?"

"তিনি বছৰমান হ'ল হ'ব পায়।" ৰাধায়ো ফটোখনলৈ চাই বলে। তায়ো যেন আজিহে ফটোখন চাবলৈ সময় পাইছে।

"অ' এটা কথা আপোনাক সোধাই নাই", অলপ গম্ভীৰ হৈ থকা

হিমাদ্ৰিৰ ডিঙিত সেই কথকী দ'ৰাটোৰ মাত ফুটি উঠিল; "আপোনাৰ বিয়া হোৱা কিমান দিন হ'ল?"

"ডেৰ বছৰ।" ৰাধাই ক'লে।

তাৰ পিছ মুহূৰ্ত্তত ঘটনাটো ঘটিল। ৰাধা একেবাৰে প্ৰস্তুত নাছিল; কওঁ বুলিয়েই ক'লে নে, এনেয়ে মুখেদি ওলাই গ'ল হিমাদ্ৰিয়ে নিজেও মন নকৰিলে; নিজকে কোৱাৰ নিচিনাকৈ সি ক'লে, "মই ডেৰ বছৰৰ আগতে অহা হ'লেই ভাল আছিল নে কি!"

ৰাধাই প্ৰথমতে কথাষাৰ হিমাদ্ৰিয়ে গোটেই দিনটো বলকি থকা আগগুৰি নোহোৱা কথাবোৰৰ লগৰে এষাৰ বুলি ধৰিছিল, কিন্তু পিছ মুহূৰ্ত্তত তাই উচাপ খাই উঠিল। কথাষাৰৰ প্ৰত্যেকটো শব্দই যেন আকৌ এবাৰ এটা এটাকৈ কাণেদি সোমাই তাইৰ গোটেই বুকুখন কঁপাই তুলিলে। ৰাধা এবাৰ কঁপি উঠিল। সম্পূৰ্ণ আত্মবিস্মৃত হৈ তাই এক দৃষ্টিৰে হিমাদ্ৰিৰ মুখলৈ চাই ৰ'ল। যেতিয়া সম্বিৎ উভতি আহিল, তেতিয়া তাই বৰ অস্থিৰ হৈ উঠিল। তাই কি কৰে এতিয়া? তেনেকৈ থিয় হৈ থাকে নে, কোঠালীটোত ঘুৰা-পকা কৰে নে, ওলাই দৌৰ মাৰে?

হিমাদ্ৰিয়ে পালেঙৰ মূৰত মূৰ থৈ নিৰ্ব্বিকাৰ দৃষ্টিৰে বেৰলৈ চাই আছিল, যেন ক'তো একো হোৱাই নাই; কেৱল ৰাধা ওলাই যাবলৈ বৈ আছে; তাই গ'লেই যেন সি চোলাটো খুলি গাৰুত মূৰ থৈ শুব পাৰে।

গোটেই দেহৰ শক্তি মুখলৈ আনি ৰাধাই ক'লে, "পানী সৌ চুকৰ টেবুলখনত আছে। আপোনাক আৰু কিবা লাগিব জানো?"

আৰু কিবা? "নাই, নালাগে; দুৱাৰ মই মাৰিম, লাইটটোও নুমুৱাই দিম বাৰু; আপোনাৰ ছুটী।"

ছুটী। ৰাধা লগে লগে ওলাই গ'ল। বৰ চোকা মাষ্টৰৰ পিৰিয়ডৰ ঘণ্টা পৰিলে, অতি গাধা ল'ৰায়ো ইমান উশাহ পাবনে নাপায় সন্দেহ, ৰাধাই সিমান পালে।

ইটোৰ পিছত সিটোকৈ চাবিটামান ছিগাবেট শেষ কৰি হিমাদ্ৰিয়ে টোপনিয়াবলৈ উপক্ৰম কৰোঁতে ঘৰটো একেবাৰে নিস্তব্ধ। এইটো ঘৰতে দুখন বা তিনিখন বেৰৰ সিফালে 'পাছত' বুলি কৈ ছোৱালী এজনী শুই আছে; টোপনি গৈছে বা নাই! আজি হিমাদ্ৰিৰ প্ৰথম ধাৰণা হ'ল, পাছত বোলা শব্দটো অনাহকত যুগ যুগ ব্যাপ্ত হৈ থাকিব পাৰে।

টোপনি নগ'ল ৰাধাৰ! মুখত অকণো বান্ধ নোহোৱা এনেকুৱা ল'ৰা তাই দেখা নাই। মুখলৈ যি আহে তাকে কয়। ডেৰ বছৰৰ আগতে অহা হ'লে ভাল আছিল, কথাষাৰ সি সঁচাকৈয়ে ভাবিছে জানো? ৰাধাৰ মনটো আকৌ জিকাৰ খাই উঠিল। নাই, হ'বই নোৱাৰে। দেউতাকক তীৰ্থভ্ৰমণৰ কথা সোধা, মাকক সকু কালত গান-বাজনা শিক্ষাৰ কথা সোধা, ছমহীয়া কণজুনৰ হাত চাই তাই তেত্ৰিছ বছৰ বয়সত নাৰীপ্ৰগতি সমিতিৰ অফিছ ছেক্ৰেটেৰি হ'ব বুলি কোৱা, আৰু আজি ৰাতিৰ এই কথাষাৰ, সকলো বোধহয় একেটা হাঁহি-ধেমালিৰ সুৰতে বন্ধা। কিন্তু হিমাদ্ৰিয়ে দ্বিতীয় মহাযুদ্ধত যোগ দিয়াৰ কথা কওঁতে, তাৰ জীৱনৰ আকাঙ্ক্ষাৰ কথা কৈছিল; তাক তেতিয়া বৰ গম্ভীৰ দেখা গৈছিল; কথাবোৰ আন্তৰিকভাবে কোৱা যেন লাগিছিল। এনেকুৱাওতো হ'ব পাৰে যে আজি ৰাতি হিমাদ্ৰিয়ে কেৱল তাৰ অপূৰ্ণ আশা-আকাঙ্ক্ষাৰ কথাই কৈ গ'ল! যুদ্ধত যোগ দিবলৈ নোপোৱা আৰু ডেৰ বছৰৰ আগতে নহা কিজানি একধৰণৰ দুখ!

কণজুনৰ ফালে মুখ কৰি পৰি থকা ৰাধাই ইফালে বাগৰ সলালে। তাই মনৰ ভিতৰত কাহানিও নকৰা এটা উত্তাপ অনুভৱ কৰিলে। যেন ইমান দিনে নিৰ্জন আশ্ৰমৰ ঘাঁহনিৰ ওপৰেদি খোজ কাঢ়ি আহি আহি হঠাতে তাই এখন খৰস্ৰোতা নৈৰ আগত ওলাই চিন্তিত হ'ল, বিস্মিত হ'ল; নাইবা তাইৰ পিয়াহ লাগি গ'ল। নাইবা, সমান ৰাস্তাইদি আহি অকস্মাতে উজুটি খোৱাৰ মৃদু যন্ত্ৰণাত তাই অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে।

হিমাদ্রিয়ে যদি খেমালি কৰিছিল, তেনেহ'লে সি নিশ্চয় অন্যায় কৰিছিল। এনেকুৱা খেমালি জানো কৰিব পায়!

সন্ধ্যাৰ বিয়া হৈ গ'ল। যোগানন্দই দুই হাতেৰে পাৰে মানে পইচা খৰচ কৰিলে। জীৱনৰ এই শেষ দায়িত্বটোৰ কাৰণে যাতে অকণমানো অনুতাপ কাহানিও নহয়, তাৰ কাৰণে সকলো ব্যৱস্থা কৰিলে। স্নেহপ্ৰভাই সোণেৰেই সন্ধ্যাৰ গা ঢাকি দিলে আৰু চকু পানীৰেই তাইক গা ধুৱাব খুজিলে। ওচৰ-চুবুৰীয়া, আনকি ৰাধায়ো স্বীকাৰ কৰিলে, সন্ধ্যাৰ লগত দিয়া সম্পত্তিৰে তাইৰ পিছৰ তিনিপুৰুষে বিয়া পাতিব পাৰিব! ইমান বিৰাট আয়োজনৰ বিয়া এখন আকৌ খাবলৈ এই চহৰৰ মানুহে কিছুদিন বাট চাব লাগিব।

যিমান গা ঢালি বিয়াখনত খাটিব লাগিছিল, ৰাধাই সিমান নোৱাৰিলে। বৰ সাৱধানে থকা সত্বেও কণজুনৰ পানী লগা জ্বৰ হ'ল। বিয়াৰ হুলস্থুলত মতলীয়া হৈ থকা বোৱাৰী-জীয়ৰীবোৰৰ কাকো আমনি কৰিবলৈ তাই ভাল নাপালে, নিজেই কণজুনৰ লগত লাগি থাকিল।

সন্ধ্যাক লৈ হিমাদ্রি মটৰত উঠাৰ সময়ত ৰাধাই হঠাতে এবাৰ ভাবিবলৈ চেষ্টা কৰিলে, ডেৰ বছৰৰ আগতে এই দৃশ্যটো কেনেকুৱা হ'ব পাৰিলেহেঁতেন!

তাৰ পাছত ৰাধা অনন্তৰ ওচৰলৈ গুচি আহিল। মনৰ ওপৰত সক সক বুৰবুৰণি তুলি হিমাদ্রি লাহে লাহে ডুবি গ'ল। কোনোবা চুক এটাত সি এটা জঞ্জালৰ নিচিনাকৈ লাগি বল, বাকচৰ চুকৰ পুৰণি চিঠিৰ নিচিনাকৈ; পেলাই দিব খুজিলে বৈ দিবৰ মন যায়।

মাজে মাজে ৰাধাৰ মনটো জোকাৰি দি যায় প্ৰতিভাই। প্ৰতিভাৰ অৱস্থাটো অলপ সুকীয়া। তাই কলেজীয়া দিনৰ সন্ধ্যাৰ নলে-গলে লগা বান্ধৱী, ৰাধাৰো। সন্ধ্যা আৰু ৰাধাই হিমাদ্রিৰ কথা মুখামুখিকৈ পাতিব নোৱাৰে, প্ৰতিভাই বেলেগে বেলেগে দুইজনীৰে লগত সেইবোৰ কথা পাতে। আজিকালি সন্ধ্যাৰ লগত প্ৰতিভাৰ

সাপ্তাহিক চিঠি-পত্ৰৰ আৰু ৰাধাৰ লগত সদায় দেখাদেখি হোৱাৰ সম্বন্ধ। সন্ধ্যাই ইমান দীঘলীয়া চিঠি লিখে যে শাহু-শহুৰ, দেওৰ-ননদেৰে ভৰা সংসাৰত উশাহ লবলৈ সময় নোপোৱা প্ৰতিভাই ভাবে, তোৰ কাম-বন নাই নে কি? তয়ে আছ দে। চিঠিখন পঢ়ি উঠি তাই সময় পালেই ৰাধাৰ ওচৰলৈ দৌৰ মাৰে; সন্ধ্যাই কি লিখিছে কস লগাই ৰাধাক কয়। সন্ধ্যাই হেনো লিখে, হিমাদ্ৰিৰ অন্তৰৰ একেবাৰে তলিত তাই আটোম-টোকাৰিকৈ অকণমান ঘৰ এটা সাজি লৈছে। ঠাই ঘৰ সকলোৰে খৰচ হিমাদ্ৰিয়ে নিজে বহন কৰিছে; ঘৰটোৰ ভিতৰত সন্ধ্যা কেৱল চকু মুদি, পৰম শান্তিত পৰি থাকে।

প্ৰতিভা, ৰাধা দুয়োজনীয়ে হাঁহে। ৰাধাৰ হাঁহিটো কিন্তু সোনকালে মাৰ যায়। সন্ধ্যা সংসাৰৰ আও-ভাও নোপোৱা আজলী হোৱালী; তাই মানুহ চিনি পাওঁতে ভুল কৰাটো স্বাভাৱিক। তাই যিখিনিক হিমাদ্ৰিৰ অন্তৰৰ একেবাৰে তলি বুলি ভাবিছে, সেইখিনি আচলতে জানো তলি হয়? নহয়, তাৰ তললৈও আৰু ঠাই আছে, ৰাধাই জানে। সেই একেবাৰে তলিৰ ঠাইবোৰহে বিপদজনক; তাত অলপ লৰচৰ হ'লে ওপৰৰ ঘৰ-দুৱাৰবোৰৰ ক্ষতি হয়; সন্ধ্যাই আকৌ ঘৰটো সাজিছে তাৰ ওপৰতে!

বহুত দিনৰ মূৰত সন্ধ্যাই প্ৰতিভালৈ লিখিলে, হিমাদ্ৰিৰ অন্তৰৰ গোপন ঘৰটোত শুই তাই তাৰ অন্তৰৰ আৰু গোপন, আৰু গভীৰৰ শব্দ শুনিবলৈ পাইছে নিজৰ ভিতৰতে।

সঁচা জানো? কথাবোৰ সঁচা বুলি ভাবিবলৈ ৰাধাৰ বেয়া লাগিল। সন্ধ্যাই চুচৰি-চুচৰি একেবাৰে তলিলৈকে যাবগৈনে কি? হিমাদ্ৰিনো ইমান অমিতব্যয়ী হ'বনে? এটা কথা ভাবি ৰাধাই অকণমান মধুৰ সুখ অনুভৱ কৰিলে, হিমাদ্ৰিৰ অন্তৰৰ তলিৰ সেইকণ ঠাই এনেয়ে পৰি থাকক, তাতে কোনো যাব নালাগে। তাই নিজেও হয়তো নাযায়, তথাপি থাকক। বহুত মাটি-বাৰী, ঘৰ-দুৱাৰৰ

মাজিকে অইন এখন চহবত কেতিয়াবা মাটি এটুকুৰা কিনি থৈ দিয়ে . ঘৰ-দুৱাৰ নাসাজে ; ভাবে,—কিনি থলোঁ, থাকক।

মাজতে কিছুদিন চিঠি-পত্ৰ নাই, তাৰ পাছত এদিন সন্ধ্যাৰ চিঠিখন হাতত লৈ প্ৰতিভা ৰাধাৰ ওচৰলৈ দৌৰিল। সন্ধ্যাৰ ল'ৰা এটা হ'ল। দহদিন হৈছে, সি পোহৰ চিনি পোৱা হ'লেই ; লাইটটোৰ কালে থৰ লাগি চাই থাকে। সন্ধ্যাই ধৰিব পৰা নাই ; ওচৰৰ বুঢ়ী ছুজনীমানে কৈছে, ল'ৰাটো দেখিবলৈ একেবাৰে হিমাদ্ৰিৰ নিচিনা। হাস্পতালৰ পালাত জুখিছিল, ন পাউণ্ড ওজন। তাৰ কাৰণে ভাল নাম এটাৰ কথা তইঁতেও ভাবিবিচোন।

খবৰটো দি সন্ধ্যাই ৰাধালৈকো লিখিছে। ৰাধাই কাজুনৰ মুখলৈ এবাৰ ভালকৈ চালে ; একেবাৰে স্নেহপ্ৰভাৰ নিচিনা তাইৰ মুখ, কোনো সন্দেহ নাই। নিজৰ মাকৰ চেহেৰাটো কাজুনৰ মুখত আক উজ্জ্বল হৈ জীয়াই থাকিব ; এইটো কথাত ৰাধাই ইমান দিনে এটা গৰ্ব অনুভৱ কৰিছিল। কিন্তু আজি তাই ভাবিলে এইটো স্বাৰ্থপৰ চিন্তা। এটা বস্তু যাক উপহাৰ দিব, তেওঁৰ সন্তুষ্টিলৈ লক্ষ্য ৰাখিলেহে উপহাৰৰ মৰ্য্যাদা বাঢ়ে হ'বলা। ৰাধাৰ এটা অনিচ্ছাকৃত ভুল কৰি পেলোৱা যেন লাগিল। সন্ধ্যাই নিজৰ দেহৰ ভিতৰৰপৰা হিমাদ্ৰিক তাৰ চেহেৰাৰ শিশু এটা উপহাৰ দিয়াটোৱে দুটা প্ৰাণ আক নিবিড়ভাৱে এক হৈ যোৱাটো বুজায়নে কি বাক ? কথাবোৰ চিন্তা কৰি ৰাধাৰ বিৰক্তি লাগিল।

দিনে দিনে তাইৰ বিৰক্তিটো বেছি হৈ গ'ল প্ৰতিভাৰ ওপৰত। তাইৰ কি দৰকাৰ সন্ধ্যাৰ চিঠি এখন পালেই দৌৰি আহি ৰাধাক শুনাবৰ ! ৰাধাক শুনাবৰ দৰকাৰ হ'লে সন্ধ্যাই নিজে লিখিব নহয় ! অৱশ্যে মুখ ফুটাই তাই প্ৰতিভাক একো ক'ব নোৱাৰিলে। প্ৰতিভাই কৈ যায়, তাই শুনিব লাগে শুনি যায় ; আক প্ৰতিভা যোৱাৰ লগে লগে কথাবোৰ পাহৰিবলৈ চেষ্টা কৰে। সন্ধ্যাৰ অসংখ্য চিঠিৰপৰা তাইৰ এটা ধাৰণা লাহে লাহে মনত বিয়পিল,

হিমাদ্রিয়ে অন্তবৰ তলিৰ ঠাইকণো দি দিলে। বেঙা মানুহ; ধোৱাখুলীয়া মানুহ; সম্পত্তি ৰাখি খাব নজনা মানুহ।

সেই হিমাদ্রি তিনিবছৰৰ মূৰত আজি আহিব অনন্ত আৰু ৰাধাৰ আলহী হ'বলৈ। এখন কিতাপৰ প্রদর্শনী হৈছে; লেখক আৰু প্রকাশক হিচাপে হিমাদ্রি কর্মকর্তাসকলৰদ্বাৰা সসম্মানে নিমন্ত্রিত হৈছে। দুৰাতি থাকিব। চিঠিখন পঢ়ি খবৰটো শুনোৱাৰ লগে লগে ৰাধা অনন্তৰ সম্মুখৰপৰা আঁতৰি গ'ল। ভবিৰপৰা মূৰলৈকে তাইৰ গাটো বিম্‌ঝিম্ কৰি উঠিল। অনন্তৰ চকুৰপৰা এইকণ উত্তেজনা লুকুৱাব পৰা শক্তি তাইৰ নাছিল। বহুত পৰ তাই আঁতৰে আঁতৰে ঘূৰি ফুৰিলে। এটা অস্থিৰতাৰ লগে লগে যিটো প্রশ্নই তাইক আমনি কৰি আছিল, সেই প্রশ্নটো তাই অনন্তক সুধিলে বাতি; লগত সন্ধ্যা আহিব নে নাহে ?

"ক'তা একোতো লিখা নাই; সন্ধ্যা অহা হ'লেতো নিশ্চয় উল্লেখ কৰিলেহেঁতেন; নহয় জানো ?"

আন্ধাৰতে ৰাধাৰ চকু দুটা হঠাতে এবাৰ উজ্জ্বল হৈ উঠিল। সন্ধ্যা নাহে। তেনেহ'লে তেৰবছৰীয়া নূপুৰো নাহে। সন্ধ্যাৰ শেষৰ চিঠিখনতে সি বৰ নোদোকা আৰু হৃষ্ট হৈছে; হাত দুখন জপাই মানুহক নমস্কাৰ দিব জনা হৈছে। চিঠিখনত হিমাদ্রিয়ে একো উল্লেখ নকৰিলে; হয়তো এতিয়াও সিহঁতৰ বাক্-বিতণ্ডা শেষ হোৱা নাই। সন্ধ্যাই চাগৈ আহিবলৈ নেৰা-নেপেৰাকৈ লাগি আছে, হিমাদ্রি আহিব খুজিছে অকলে। দ্বিতীয় মহাযুদ্ধলৈ যোৱা হ'লেও হিমাদ্রি অকলেই গ'লহেঁতেন।

অনন্তৰ মাকো আছেগৈ ভায়েক দিগন্তৰ লগত; গতিকে ঘৰত আহলী ৰখাৰ কোনো অসুবিধাই নাই। অনন্তই নিজে কোঠালীটো চকু ফুৰাই ৰাধাক ক'লে, "তুমি বিছনা-পাতিবোৰ ঠিক কৰা; সময় হ'লেই; মই ষ্টেচনলৈ যাওঁ।"

হিমাদ্রিয়ে গাড়ী নানে; বেলত আহিব। অনন্তই গাড়ী

লৈ টেচনত থাপ দিবলৈ গ'ল; আৰু বাধাই আলহীলৈ পৰা বিছনাখনত পৰি তন্ময় হৈ বল। জীৱনৰ প্ৰথম আৰু একমাত্ৰ উজুটিৰ যন্ত্ৰণাটোৱে হঠাতে উক দি তাইক যেন অৱশ কৰি পেলালে।

কিন্তু আজি হিমাদ্ৰি আহিলে তাইৰ লাভ কি? তাই কৰিব কি; বিচাৰিব কি? নাই নাই, তাই একো নিবিচাৰে। কেৱল ৰাতি শোৱাৰ সময়ত তাক চাহ একাপ দি গুচি আহিব। যদি হিমাদ্ৰিয়ে সেইদিনাখন ৰাতি তাইৰ লগত যেমালি কৰা নাছিল, তেনেহ'লে সি তৎক্ষণাৎ চাহকাপ চিনি পাব। তেতিয়া হঠাতে যদি সি কিবা কৈ পেলায়, তাই কেৱল দুই কাণ পূৰ্ণ কৰি শুনিব আৰু গুচি আহিব, অনন্তৰ শুচবলৈ। অনন্ত তেতিয়া সদায় থকাৰ দৰে অফিচৰ কাগজ-পত্ৰ এসোপা লৈ নিজৰ কোঠালীত বহি থাকিব। আৰু কণজুন, চাবিবছৰীয়া ছোৱালী; তাই পিমানপৰে শুব।

সেই কেইটামান মুহূৰ্ত; তাৰ কাৰণেই কোঠালীটো সজাওঁতে বাধা অস্থিৰ হৈ পৰিছিল। তাই হয়তো এবাৰ কথাও মুখ ফুটাই ক'ব নোৱাৰিব, কিন্তু কোঠালীটোৱে তাইৰ হৈ যেন এবাৰ কথা সোধে।

বিছনাৰপৰা মূৰ তুলি কোঠালীটো চকু ফুৰাই চাই বাধা যেন সন্তুষ্ট হ'ল। তাইৰ কটোখন ইয়াত কিয় থকাৰ কাৰণে অনন্তই কিবা ভাবিব নে কি? কেতিয়াও নাভাবে। অনন্ত ইমান সৰু কথা লৈ চিন্তা কৰা মানুহেই নহয়।

কিন্তু,—তথাপি যদি হিমাদ্ৰিয়ে একো নকয়! সি যদি কোঠালীটোৰ ভাষা বুজি নাপায়! তিনি বছৰৰ আগৰ সেইকণ শক্তি সি যদি নিষ্প্ৰভ কৰি পেলাইছে! তেনেহ'লে তাই মনে মনে যেনেকৈ আহিছিল তেনেকৈয়ে কোঠালীটোৰপৰা ওলাই যাব নে কি? হ'বই নোৱাৰে। তাই নিজে তাক বুজা অকণমান সহায় কৰি দিব। সি যদি একো নোসোধে তায়েই সুধিব। কি

সুধিব? হাঁহি হাঁহি সুধিব, "কি? ভেবৰহৰৰ আগতে আমাৰ ঘৰলৈ নগৈ যে একো ভুল কৰা নাছিল, এতিয়া বুজিছেতো?"

তাৰ পাছত উত্তৰটো বুকুত লৈ তাই দৌৰ মাৰি গৈ অনন্তৰ বুকুত উবুৰি খাই পৰিবগৈ। অনন্তক তাই ইমান মৰম কৰিব, ইমান মৰম কৰিব যে সি আচৰিত হৈ সুধিব, "আজি হ'ল কি তোমাৰ।"

হঠাতে পদূলি মুখত গাড়ী ৰোৱাৰ শব্দত বাধা ধৰমৰকৈ বিছনাৰ-পৰা উঠি আগফালে ওলাই আহিল। পিছফালৰ বাৰাণ্ডাত প্লাষ্টিকৰ ঘটী, বাল্টি, কেৰাহীৰ বিৰাট বাকনিশালখন পেলাই থৈ বাধাতকৈ আঁগবাঢ়িল কণজুন। গাড়ীৰপৰা প্ৰথমে নামিল অনন্ত; তাৰ পাছত নামিল নূপুৰক কোলাত লৈ সন্ধ্যা।

বাধা পদূলিমুখলৈ আৰু অলপ দূৰ আগবাঢ়ি যাওঁতে তাইৰ কপালৰ কিনাৰৰ ৰগ দুডালে দুৰাৰমান দপ্ দপ্ কৰি উঠিল। তাই সন্ধ্যাৰ কোলাৰপৰা নূপুৰক নিজৰ কোলালৈ লবলৈ হাত মেলোঁতেই সি হাত মেলি গুচি আহিল। নূপুৰৰ গালখনত ওঁঠ দুখন লগাই হাঁহি হাঁহি বাধাই সুধিলে, "তই অহাৰ কথা চিঠিত লিখা নাছিলি কিয়?"

কণজুনৰ হাতত ধৰি সন্ধ্যাই ক'লে, "কালি ৰাতিলৈকে মই অহাৰ কথা নাই বুইছ। নূপুৰৰ গাটো সিমান ভাল নহয়। তাক লৈ ইমান দূৰ অহাৰ ইচ্ছা মোৰ নাছিল। কাৰণ আহিলে কেইদিন-মান থকাকৈ আহিব লাগে। বেলত খালী অহা-যোৱাখন কৰিলে তাৰ অসুখ-বিসুখ হয় বুলি বৰ ভয় লাগে। সেই কাৰণে মই কৈছিলোঁ, দুদিনৰ কাৰণে আপুনিয়েই গৈ আহক; মই পাছত যাম। নাই; সেইজনে লাগি আছে, লাগি আছে, বেলত উঠাৰ আগলৈকে কাজিয়া বুইছ? শেষত চাচোন, মই কাপোৰযোৰ সলাবলৈও সময় নাপালোঁ।"

মিছা কথা। বাধাৰ মনটোৱে গৰ্জি উঠিল। একেলগে

ডাঙৰ হোৱা ছোৱালী সন্ধ্যা; তাই ইমান মিছাকথীয়া হ'ল কেনেকৈ? ৰাধাই জানো অনন্তক ছুমাহৰ কাৰণে মফচললৈ যাবলৈ এৰি দিয়া নাই? নে এৰি থাকিব কেৱল অনন্তইহে পাৰে!

নূপুৰটো সঁচাকৈয়ে বৰ গধুৰ। বহুত দিন কোলাত লোৱাৰ অভ্যাস নথকা ৰাধাই তাক পিছ ৱাবাওাৰ প্লাষ্টিকৰ বান্ধনিশালৰ মাজত এৰি দিলে।

. ছুটা দিনৰ এটা দিন গুচি গ'ল। সেইদিনটোৰ বেছিভাগ সময় হিমাদ্রি প্রদর্শনী মণ্ডপত থাকিল। ৰাধা আৰু সন্ধ্যাই অজস্র বেবেবিবাং কথা পাতিলে। লম্ফ্‌ল কৰি খেলি থাকোঁতে থাকোঁতে কোনোবা এপাকত নূপুৰে আঁচুৰি কণজুনৰ গালত দাগ বহুৱাই দিলে। ৰাতি ৰাধাই অনন্তক দাগটো দেখুৱাই ক'লে, "বৰ অসুৰ এই ল'ৰাটো।" অনন্তই ক'লে, "ল'ৰা-ছোৱালীৰ খেল; অকণমান দাগ, ভাল হৈ যাব।"

"ভালতো হ'বই, নোহোৱাকৈ থাকিবনে!" ৰাধাই ক'লে।

আজিৰ দিনটোৱেই শেষ দিন। প্রদর্শনীও শেষ। হিমাদ্রিয়ে এটাইজাককে তাৰ কীর্তি দেখুৱাবলৈ লৈ যোৱাৰ কথা ভাবিছিল, কিন্তু ঘটনাটো বেলেগ হ'ল। সন্ধ্যাই বেছিকৈ ভবাটোৱেই কাল হ'ল; নূপুৰৰ গাটো অলপ গৰম হ'ল। প্রদর্শনীলৈ যোৱাৰ নামকে তাই ছুগুনিলে। অনন্তৰ অফিচত ডিউটিলৈকে কাম। ৰাধা যদি যায়—

"হয়তো, তুমি নাযাবা কিয়? বোৱা, চৌধুৰীতো থাকিবই, এপাক চাই আহা। মই বাৰু আজি অফিছলৈ গাড়ীখন নিনিওঁ।" অনন্তই ক'লে।

ৰাধাৰ বুকুখনে তোলপাৰ কৰি উঠিল। এতিয়া কলৈ যাব? এইবাৰ হিমাদ্রিক তাই অন্ততঃ এষাৰ কথা কোৱাব পাৰিব। বেছি নহয়, সি কেৱল এইকণ বুজাই দিয়ক যে সন্ধ্যাই কাম-বন

নাথাকিলে মনৰ ইচ্ছাৰে সাজি সাজি প্ৰতিভাৰে দীঘলীয়া চিঠি লিখে। আকাৰে ইংগিতে সি কওক যে হিমাদ্ৰিৰ মনৰ তলিখন দখল কৰিবলৈ যিমান সোনকালে আহিব লাগিছিল, সন্ধ্যা তাৰ ডেৰবছৰৰ পাছত আহিছিল। সেইদিনা ৰাতি সি ধেমালি কৰা নাছিল বুলি কৈ সি ৰাধাৰ জীৱনৰ প্ৰথম উজুটিৰ যন্ত্ৰণাটো মধুৰ কৰি দিয়ক।

"তেনেহ'লে সন্ধ্যা, ভিনিদেৱৰ অফিছৰপৰা আহি পাওঁতে যদি কানাই বজাৰলৈ যায়, তেনেহ'লে তয়ে চাহ-তাহ দিবি। এতিয়াও মই ঠিককৈ ক'ব পৰা নাই; পাৰোঁ যদি এপাক যাম।" আয়োজন সম্পূৰ্ণ কৰাত ৰাধাই একমুহূৰ্তও পলম কৰিব খোজা নাছিল; কিন্তু তাই উৎসাহৰ আতিশয্যও দেখুৱাব খুজিলে।

"বাক", সন্ধ্যাই ক'লে, "পিচে ভিনিদেউক চাহ কৰি দিবলৈ মোৰ ভয়েই লাগে। আমাৰ ঘৰত প্ৰথম দিনা চাহ দিওঁতে কি কৈছিল মনত আছে ভিনিদেউ?" কথাবাৰ সুধি তাই অনন্তৰ ফালে চাই হাঁহিবলৈ ধৰিলে।

অনন্তৰ সিমানবোৰ কথা মনত নাথাকে। ৰাধাক চাবলৈ যাওঁতে সি বৰ কাৰা চাহ একাপত সোহা মাৰি কৈছিল, "বাগানৰ চাহপাত বিনা পইচাই পোৱা নহয়, সেই কাৰণে চাহখিনি একেবাৰে কৰোঁ বুলি কৰিছা!" হ'বলগীয়া খুলশালীয়েকৰ লগত সি ধেমালি কৰিছিল; সন্ধ্যাই কিন্তু সেইদিনা লাজ পাইছিল।

ৰাধাৰ ভৰিৰ তলৰপৰা কিন্তু পৃথিৱীখন বোধহয় আঁতৰি গ'ল। ক'তা; অনন্তই কি কৈছিল সন্ধ্যাইতো আজিলৈকে তাইক কোৱা নাই! "ভিনিদেৱেৰেনো কি কৈছিল" বুলি সহজ কথাবাৰ সুধিবলৈ তাইৰ সাহে নুকুলালে।

আৱেলি তাই প্ৰদৰ্শনীলৈ নগ'ল। সন্ধ্যাই বা অনন্তক কেনেকুৱা চাহ দিয়ে তাৰ কি ঠিক!

বৃন্দাবন

উপেনে চহৰৰ এমূৰৰপৰা আৰম্ভ কৰি প্ৰতিটো চুবুৰিৰে মানুহ-বোৰৰ নাম একালৰপৰা গ্ৰাৰি আনিলে। অকিছুত একেলগে কাম কৰা মানুহবোৰৰ কথাও পাৰে মানে মনত পেলালে। কৰবাত কেনেবাকৈ পাহৰাত কোনোবা বাদ পৰিলে বিয়াৰ পাছত কথা শুনিব লাগিব। কোনোবাই হয়তো বাটত লগ পালে ক'ব, "মনে মনে বিয়া পাতিলে নহয়? বাক ..."

নাইবা দূৰৰপৰা,—বিয়ালৈ মাতিবলৈ নহ'ল—এনেকুৱা মানুহ এজনক দেখি মিছা কথা ক'বলৈ সাজু হ'ব লাগিব; উপযাচি সুধিব লাগিব, "বিয়ালৈ নাহিল দেখোন।" মানুহজনে হয়তো অভিমানত ক'ব, "মাতিলে বৰ্ণলৈকো যাবা, নমাতিলে ভোজলৈকো নাযাবা।"

ভেতিয়া উপেনে ক'ব, "কিয়, চিঠি পোৱা নাই জানো? এই ল'ৰাবিলাক বৰ ইৰেস্পন্সিবল বুইছে? অকল আপোনাকেই নহয়, বহুতকে সিহঁতে দিলৌ দিলৌ বুলি চিঠি দিয়া নাই। অথচ মই নিজ হাতে সকলোৰে নাম-ঠিকনা লিখি দিছো।"

ইমানবোৰ জঞ্জালৰ সম্ভাৱনালৈ বোৱাহকৈ, এতিয়া সময় থাকোঁতেই স্থিৰ মগজেৰে কথা মনত পেলোৱা ভাল; অন্ততঃ যিমান দূৰ সম্ভৱ। সম্মুখৰ মেজখনত এজাপ ছপা কৰা নিমন্ত্ৰণী চিঠি, এজাপ লেকাফা; কিছুমানত ঠিকনা লিখা হৈছে, অলপ দূৰৰ বন্ধু-বান্ধৱৰ

কাৰণে ; কিছুমানত বুক-প'ষ্ট বুলি লিখি ডাক টিকটো লগোৱা হৈছে। কলমডাল চিঠিবিলাকৰ ওপৰতে থৈ উপেনে ভাবিছে—কাক কাক নিমন্ত্রণ কৰিবলৈ বাকী থাকিল। এনে সময়তে ভিতৰফালৰ দুৱাৰৰ পৰ্দাখন আঁতৰাই দুৱাৰডলিত নিজৰা থিয় হ'লহি ; তাই মাতিলে, "মামা!"

উপেনে মাৰোৱাৰী চুবুৰিটোৰ কথা ভাবিছিল। "বাবুজী বাবুজী" বুলি মুখৰ চিনাকি তাৰ বহুতৰ লগতে আছে ; আনকি দোকানত সোমালেই ইলাচী-দালচেনীৰ বাটিটো আগবঢ়াই দিয়া চিনাকিও বহুতৰ লগত আছে ; কিন্তু মস্কিল হ'ল,—নামবিলাক সম্পূৰ্ণকৈ নাজানে। এজনক যদি মূৰাৰীলাল বুলি জানে, উপাধিটো নাজানে ; এজনক আস্কৰণ বলি জানে, কিন্তু তেওঁ কি লাল সেইটো নাজানে।

নিজৰাই আকৌ মাতিলে, এইবাৰ অলপ ডাঙৰকৈ—"মামা!"

উপেনে শুনিলে, সুধিলে, "কি হ'ল অ' নিজৰা?"

"ই—স্, এবাৰ মাতিলে নুশুনেই!" কথাষাৰ কৈ নিজৰা মেজখনৰ কাষলৈ আগবাঢ়ি আহিল। উপেনে ক'লে, "মই কিবা এটা ভাবি আছিলোঁ অ'। কি হ'ল, কিয় মাতিছিলি?"

মেজৰ ঠিকনা লিখা চিঠিকেইখনমান এনেয়ে লুটিয়াই বগৰাই চাই নিজৰাই সুধিলে, "সেই হেৰিক চিঠি দিছে?"

"কোন হেৰিক?"

"সেই যে এদিন আবেলি আমাৰ ঘৰলৈ আহিছিল।" নিজৰাই মনত পেলাই দিবলৈ চেষ্টা কৰিলে।

উপেনে ক'লে, "আমাৰ ঘৰলৈ আবেলি আবেলি কিমান মানুহ আহে ; জানো তই কাৰ কথা কৈছ!"

"নহয়, সেই যে লগত সৰু ছোৱালী এজনী আহিছিল ; চাহ খাওঁতে যে বগা কাপটোৰ নালডাল ভাঙিলে ; আপোনাৰ সমান ওখ যে,—ক'লা চচ্‌মা পিন্ধা মানুহটো যে—"

উপেনে অলপ সময় মনত পেলাবলৈ চেষ্টা কৰিলে ; তাৰ পাছত

ডাণ্ডৰকৈ ক'লে, "অ'—চন্দ্ৰ বাজখোৱা ; হয় যে নহয়, ভাল মনত পেলালি দে ; মই একেবাৰে পাহৰি গৈছিলোঁ।"

উপেনে লগে লগে চকীত পোন হৈ বহি কলমডাল তুলি ললে ; লেফাফা এটা চপাই লৈ সি ঠিকনা লিখিবলৈ লাগিল।

"ইস্, চব পাহৰি যায় !" বুলি নিজৰাই মেজৰ কিনাৰটোত তাইৰ থুঁতৰিটো লগাই লৈ জাপি থোৱা চিঠিবোৰৰপৰা লেফাফা এটা তুলি ললে, এনেয়ে লিৰিকি বিদাৰি চালে, তাৰ পাছত আকৌ থৈ দিলে। পিছবাৰত শুদা চিঠি এখন লৈ ভাঁজবোৰ খুলিলে, আৰু অংকশাস্ত্ৰত বিদগ্ধ পণ্ডিতে উজু ধাৰাপাতৰ পাত লুটিওৱাৰ নিচিনা অত্যন্ত উদাসীন দৃষ্টিৰে চিঠিখনৰ দুপা আখৰবোৰৰ ওপৰত চকু বুলালে। তাৰ পাছত সুধিলে, "ইয়াত আপোনাৰ নাম আছে নহয় মামা ?"

উপেনে লেফাফা এটাৰ ওপৰত চন্দ্ৰ বাজখোৱাৰ নামটো লিখি তলত ইংৰাজীৰ লোকেল শব্দটো লিখিছিল, তলমূৰকৈয়ে সুধিলে, "ক'ত অ' ?"

নিজৰাই চিঠিখন দাঙি দেখুৱালে, "ইয়াত।"

উপেনে মূৰ তুলি ক'লে, "ওঁ।"

পিছ মুহূৰ্ততে নিজৰাই মেজৰ কিনাৰত কিলাকুটিৰ ভেঁজা দি, অলপ ওখ হ'বৰ চেষ্টা কৰি সুধিলে, "আৰু কাৰ নাম আছে মামা ?"—আগ্ৰহত তাইৰ চকু দুটা জিৰ্‌জিৰাই উঠিল।

উপেনে বুজিলে "তোৰ নামো আছে" বুলি ক'লে নিজৰাই ভাল পাব ; সেই আশাতেই কথাষাৰ সুধিছে ; কিন্তু সেইষাৰ কথা কোৱাৰ লগে লগে কি কাণ্ড হ'ব সেইটোও উপেনে বুজে। লগে লগে তাই দৌৰ মাৰি ওলাই যাব, চিঞৰি চিঞৰি কথাষাৰ আইতাকক ক'ব, বৃন্দাবন বুঢ়াক ক'ব, বিয়া বুলি কেইদিনমানৰ আগৰেপৰা ঘৰ দুই-এক আত্মীয়-কুটুম ঘৰত গোট খাইছেহি, তেওঁলোকৰ এটাইকে ক'ব, তাৰ পাছত পদূলিলৈ ওলাই গৈ লগৰীয়া এমখা গোটাই লৈ জুলাব, "বুইছা মামাই বিয়াৰ চিঠিত মোৰ নামটোও লিখি দিছে।" এইখিনিলৈকে ঘটনাটো যেন-তেন। তাইৰ কুঢ়ি সহ্য কৰিব নোৱাৰি

কোনোবা হিংসাকুৰীয়া ছোৱালীয়ে যদি ঘটনাটোৰ আঁতিগুৰি লৈ তাইক কয়হি, "আমাৰ ডাঙৰ বাইদেৱে কৈছে চিঠিখনত বোলে তোমাৰ নাম নাই," তেনেহ'লে কিছু সময়ৰ কাৰণে নিজৰাৰ মোমায়েক ডাঙৰ নে, হিংসাকুৰীয়া ছোৱালীজনীৰ বাইদেৱেক ডাঙৰ, তাকে লৈ এখন ডাঙৰ তৰ্ক হ'ব। শেষ পৰ্য্যন্ত যদি প্ৰমাণিত হয় যে মোমায়েকে নিজৰাক ফাঁকি দিছিল, তেনেহ'লে আইতাক, বৃন্দাবন বুঢ়াই ভৰিত ধৰিও তাইক ভাত খুৱাব নোৱাৰিব। কোনোবাই মৰম কৰিবলৈ হাত মেলিলে এচাৰ মাৰি হাত আঁতৰাই দিব; নাকান্দে, কিন্তু তাইৰ মুখখন দেখিলে এনেকুৱা লাগিব, বৰষুণ নাহে, কিন্তু গোটেই আকাশ এনেকৈ ওন্দোলাই আনিছে যেন কোন মুহূৰ্ত্তত কি হয়, ঠিক নাই,—যেন এই ঘৰ-দুৱাৰ উটুৱাই নিয়ে নিয়ে—!

বহুত লেঠা। এই ছোৱালীজনীক লৈ উপেনৰ যিমান লেঠা, মাহেকৰ মূৰত চৰকাৰী মালখানাৰ টকা-পইচাৰ হিচাপ পাই-পাইকৈ মিলোৱাতো সিমান লেঠা নাই। এই ছোৱালীজনীৰ লগত অকণমান অসাৱধান হোৱাত যিমান লেঠা, হাজাৰ হাজাৰ চৰকাৰী টকা চন্দুকত ভৰাই থৈ, চাবিটো জেপত লৈ পিকনিক খাবলৈ গৈ কিছুমান অসাৱধান ঘণ্টা কটাই অহাতো সিমান লেঠা নাই।

গতিকেই উপেনে প্ৰথমতে মূৰটো ইফালে-সিফালে লৰালে, তাৰ পাছত ক'লে, "নাই অ', আৰু কাৰো নাম নাই।" সি ভাবিছিল, কথাষাৰ শুনিয়েই নিজৰা হতাশ হৈ যাব; চকু দুটা ঘোপা কৰি তালৈ চাব; কিন্তু একো নহ'ল। ইমান সহজে তাইক বুজাব পৰা হ'লে কথাই নাছিল। তাই নিৰ্বিকাৰভাৱে চিঠিখন আকৌ জাপিলে, য'ৰ পৰা লৈছিল তাতে থলে আৰু ডাক টিকট লগোৱা চিঠি এখন তুলি লৈ কেৱল সুধিলে, "আইতাৰ নামটো কিয় নিদিলে?"

উপেনৰ হাঁহি উঠি গ'ল। নিজৰাৰ কথাষাৰৰ উত্তৰ নিদি সি লৰালৰিকৈ ক'লে, "থ থ, থানবান নকৰিবি, মই চিজিল লগাই জাপি থৈছো, থ।"

"ক'তনো থানবান কৰিছো, মই চাইছোহে।" নিজৰাই ক'লে।

"মই লিখা হ'লে তেতিয়া বাক চাবি, এতিয়া তই ভিতৰলৈ যা গৈ যা।"

"ইস্ নালাগে, মই আপোনাৰ ওচৰতে থাকিম।"

"অ—, মই তোৰ লগত কথা পাতি থাকিলেই হ'বনে কি? কিমানবোৰ চিঠি লিখিবলৈ আছে দেখা নাই?" উপেনে মেজখনৰ ওপৰৰ চিঠিবোৰ দেখুৱালে।

নিজৰাই ক'লে, "কালৈ চিঠি লিখিব লাগে মইহে মনত পেলাই দিছিলোঁ তেও।"

"মনত পৰিলে বাক আকৌ আহিবি, এতিয়া আইতাই কি কৰিছে চা গৈ যা;—আক আইতাৰ ওচৰতে বহি ভাবি থাকিবি আক মনত পৰিলে মোক কৈ যাবিহি, যা।"

"ইস্ বাম,"—নিজৰা আচলতে মহা সমস্যাত পৰিছিল; তাই আচল কথাটো বিৰক্তিৰে প্ৰকাশ কৰিলে, "আইতাই মোক আপোনাৰ ওচৰত থাকিবলৈ পঠিয়াই দিছে।"

কথা সেইটো। উপেনে অনুমান কৰিবলৈ চেষ্টা কৰিলে কি সুখত মাকে তাইক তাৰ ওচৰলৈ পঠিয়াই দিছে। সি তাইক ওচৰলৈ মাতিলে, "চাওঁ শুনচোন।" নিজৰা লৰালৰিকৈ তাৰ ওচৰ চাপি গ'ল; বৰ ডাঙৰ অথচ অতি গোপনীয় পৰামৰ্শ এটা লোৱাৰ ভংগীৰে বেঙা মেলি তাই কাণখন উপেনৰ মুখৰ ওচৰ চপাই দিলে। উপেনে ক'লে, "তই আইতাৰ ওচৰলৈ যাবি বুইছ?"

"ওঁ", নিজৰাই কিবা এটা ৰহস্যৰ সন্ধান পালে, মুৰ দুপিয়ালে, আক পিছৰ কথাখিনি শুনিবলৈ কাণখন আক অলপ ওচৰ চপাই দিলে। বৃন্দাবন বুঢ়া শুই থাকিলে নাকত সূতা এডালেৰে সুৰসুৰাই দিয়া, আইতাকৰ চাদৰৰ আগত বহা এডাল বান্ধি হাঁটো মুৰ চকী এখনৰ লগত সাঙুৰি দিয়া,—এনে ধৰণৰ কথাৰ গোপন পৰামৰ্শ উপেনৰ লগত নিজৰাৰ প্ৰায়েই হয়।

উপেনে মনে মনে ক'লে, "গৈ কৰি, মামাই মোক আপোনাৰ ওচৰতে থাকিবলৈ কৈছে আৰু একো গণ্ডগোল নকৰোঁ বুলি ক'বলৈ কৈছে।" পিছ মুহূৰ্ত্ততে সি তাইক "যা যা, দৌৰ মাৰ" বুলি পিঠিখনত হাত এটা দি ঠেলি দিলে।

অলপ দূৰৰপৰা নিজৰাই ওঁঠ দুখন জোঙা কৰি, কপালখন থুপ খুৱাই দীঘলীয়াকৈ 'উঁ—হ' বুলি শব্দ এটা কৰি মোমায়েকলৈ চালে, তাৰ পাছত পৰ্দাখন আঁতৰাই সোমাই গ'ল। যাওঁতে ওৰে বাটটোৱে তাই ভোৰ্ভোৰাই গ'ল, "আইতাই ক'ব মামাৰ ওচৰলৈ যা—মামাই ক'ব আইতাৰ ওচৰলৈ যা,—ইমান যে দিক্‌দাৰ।"

নিজৰাই ভোৰ্ভোৰালে গোটেই ঘৰে শুনে। কথা ক'লে কেইবা ঘৰলৈকে শুনি। আইতাক সুবৰ্ণলতাই সুধিলে, "কি দিগদাৰ হ'ল অ' নিজৰা ?"

এনেকুৱা সময়ত প্ৰশ্নৰ উত্তৰ ততালিকে দি দিয়াটো খং মাৰ যোৱাৰ চিন। নিজৰাই মাজে মাজে সেইটো ভাল নাপায়। তাই আইতাকৰ ওচৰতে তভক মাৰি বৈ থাকিল।

সুবৰ্ণলতাই নিজৰ পুৰণিকলীয়া বাকচটো মেলি লৈ ইটো-সিটো বস্তুৰ মাজৰপৰা শৰাইঢাকনী কেইখনমান উলিয়াইছিল। এই বাকচটো বহুত দিন খোলাই হোৱা নাই; বহুত দিনৰ আগতে থোৱা বস্তুবোৰ তেনেকৈ লণ্ড-ভণ্ড হৈয়েই পৰি আছে, কফ্ৰাৰৰ গোন্ধটোৱেও বস্তুবোৰ খামোচ মাৰি ধৰি আছে। সুবৰ্ণলতাই বহুত দিন বাকচটো খুলি বস্তু-বাহানিবোৰ ভালকৈ চিজিল লগাই জাপি থোৱাৰ কথা ভাবিছে, কিন্তু এলাহেই লাগে নে কিয়েই সেই ভৰাতে আছে, থোৱা হোৱা নাই। পুতেকৰ বিয়াৰ কাৰণে সক-সুৰা বস্তুবোৰৰ কথা ভাবোঁতে আজি হঠাতে শৰাইঢাকনী কেইখনৰ কথা তেওঁৰ মনত পৰিল। আটা-ময়দা, টিনপাত, মটৰ গাড়ী, বেগুপাটি-চুসায়া,—এইবোৰ ডাঙৰ ডাঙৰ বস্তুৰ লগত সুবৰ্ণলতাৰ কোনো

কাবৰাব নাই। এই [illegible]
থাকোঁতে কোনেও [illegible]
নাই, হবাবুৰা নাগে,—[illegible] কেন্দ্ৰত [illegible] ব, [illegible]
অসুৰৰ ঘৰলৈ [illegible]
ধানৰ খোক, [illegible]
পবা কণি এখন, [illegible]
তেওঁৰ চিন্তা। [illegible]
পি. ডব্লিউ. ডি: [illegible]
চকী বিয়াৰ পিছ দিনাই [illegible] কবি
আছিলে, ঘৰ সোমোৱাৰ [illegible] সুৰ্ণলতাই [illegible] "[illegible] সোমাইছে
ঘৰত চুপবিটোৰ খবৰ কৰিছিলিয়ে।"

নাই কথা। খং তাদুত উঠেছে,—উপেনবো. মাকমো। উপেনবো তাব,—ইয়াৰ বিনাক [illegible] ফুল তুলৰ লাগিছে,—তাব ওপৰত আকৌ ক'ৰ [illegible] ক'ৰ কি—! মাকৰ তাব,—ঘুৰি ঘূৰাহে দেখিছো, কাৰণ একোটাৰ হোৱা নাই আজিলৈকে চুপবিটোৱেই ঘৰ সোমোৱাকহি।

পচিকেই শবাইচাকনী কেইখন উলিয়াবলৈ সুৰ্ণলতাই বাকচটো খুলি দলে। দমতে সকলুৰা বড় খাক চুটা-খটা অনাব পাৰে। কিন্তু বাকচৰ চাকনীখন খোলাব লগে লগে [illegible] বুকুৰ ভেল খোকোকা খাই উঠিল। বীৰেক মনোৰমাৰ বিয়াৰ পাছত বাকচটো যেনেকৈ এৰিছিল, সেই চিনেই আছে। চুটো-মিটো সব [illegible] শবাইচাকনী কেইখন উলিয়াওঁতে তেওঁৰ বুকুত সোট খাই খকা [illegible] দাঁতবাই [illegible] বিয়াৰ [illegible]। এনে সময়তে [illegible] —[illegible]।

আই উঠৰ নিদিয়া দেখি সুৰ্ণলতাই [illegible] কিন্তু বুকৰ ভেতৰা দেখি একো [illegible] বুজিলে আৰিও বাব পাৰে।

এখন এখনকৈ কেইবা বঙৰ কেইবাখনো শৰাইচাকনী উলিয়াব পাছত যেতিয়া কিনাৰত ওলমি থকা সৰু সৰু মণিবোৰে ভিৰ্‌বিৰাবলৈ ধৰিলে, তেতিয়া নিজৰাই ওচৰ চাপি কাপোৰকেইখন লিবিকি বিদাবি চাবলৈ ধৰিলে। তাৰ পাছত হঠাতে মুখ তুলি উচ্ছ্বসিত মাতেৰে ক'লে, "বুজিছে আইতা, মামাই বিয়ালৈ কাক মাতিব লাগে পাহৰি গৈছিল, মই মনত পেলাই দিলোঁ।"

"ভাল কৰিলি আই—" সুবৰ্ণলতাই ক'লে, "ঘৰখনত তোৰহে মগজটো ভালে আছে; বাকী এটাইখন বলিয়া হ'ল।"

কিনাৰত মণি লগোৱা শৰাইচাকনী এখনেৰে মুখটো ঢাকি নিজৰা বাৰণ্ডালৈ ওলাই গ'ল। দুবাৰমান ইফালে-সিফালে অহা-যোৱা কৰি হঠাতে তাই ঠিক কৰিলে—এনেকৈ থাকিলে নহ'ব, কাম কৰিব লাগে।

বিয়াখন ওচৰ চাপি আহিছে মানে কাম-বন বাঢ়ি গৈছে। সেই হিচাপে ঘৰত মানুহো গোট খাইছে। উপেনৰ বিধবা খুড়ীয়েক কুবিদিন মানৰ আগতে আহিল; পেহীয়েকৰ জীয়েক সুৰমাই ককায়েকৰ বিয়াৰ চেলুটোকে লৈ শহুৰেকৰ ঘৰৰপৰা প্ৰথম মাক-বাপেকৰ ঘৰলৈ আহিছে, আৰু আহি এটাইখিনি সময় উপেনহঁতৰ ঘৰতে কটাইছে; ৰন্ধা-চালি, মানুহক খুউৱাৰ দায়িত্ব মোমায়েক মহীধৰে কেতিয়াবাই নিজৰ অভিজ্ঞ কান্ধত তুলি লৈছে। ফলস্বৰূপে অকশৰীয়া উপেনে অলপ সকাহ পাইছে; বুঢ়ী সুবৰ্ণলতাই গোটেই পাগঘৰটো সুৰমাক গতাই দি অকণমান উশাহ লৈছে। অন্ততঃ যি কেইদিন তাই আছে।

উশাহ পোৱা নাই নিজৰাই। যোনে যিমান কামেই নকৰক, তাই হাত নিদিলে একো চিজিলেই নালাগে। সুৰমাই ভাত ঠিকেই বান্ধিব, তৰকাৰী-ভাজি সকলো খাবলৈ ভালেই হ'ব, কিন্তু আইতাকে যে বেঙেনা-ভাজি নাখায়, মোমায়েকক যে কিনাৰত ফুলকটা কাঁহীখনত ভাত দিব লাগে, সেইখিনি কথা নিজৰাই শিকাই নিদিলে

নহয়। ওচৰৰ মানুহ কেইঘৰত তামোল-পাণেৰে মাতি আহোঁ বুলি সুবৰ্ণলতা নিজে ওলাব, তামোল-পাণৰ শৰাইটো বৃন্দাবনে লগে লগে লৈ যাব, কিন্তু বটাটো? আকনো কোনে নিব,—মাত নিজৰাক।

"মই লগত নগ'লে আইভা যে কলৈকো যাবই নোৱাৰে"—বুলি নিজৰাই যেতিয়া ভিতৰৰপৰা চিঞৰটো মাৰে, তাৰ আগতেই অৱশ্যে তাইৰ ফ্ৰকটো সলোৱা হৈ গৈছে, কেৱল ফণিখন লৈ সুৰমাৰ ওচৰলৈ যাবলৈ বাকী।

মূঠৰ ওপৰত নিজৰাই চকু নিদিলে এইখন ঘৰ ঘৰ হৈ থাকে নে নাথাকে সন্দেহ। মুৰৰপৰা শৰাইচাকনীখন আঁতৰাই তাই ওচৰৰ চকীখনতে থলে আৰু বাৰাণ্ডাৰপৰা নামি গ'ল।

বৃন্দাবন বুঢ়াই পিছফালে, যিখিনিত দবাক গা ধুৱাবলৈ বেই সজা হ'ব সেই ঠাইডোখৰ ঠিক কৰিছিল। বেছি ভাগ কাম দিন-হাজিৰা দি লগোৱা মানুহে কৰি থৈ গৈছে, অ'ত-ত'ত ওখ-চাপৰ হৈ থকা মাটিবোৰ কোৰখনেৰে চুকৰি সমান কৰিবলগীয়া হৈ আছে, বৃন্দাবনে তাকে কৰিছিল। নিজৰা সেইখিনিত থিয় হ'লগৈ। অকণমান সময় বৃন্দাবনে কোৰ চলোৱা চাই থাকি তাই ক'লে, "হেৰ ককাই, মোৰ তুলসী পুলিটো নাকাটিবা হ'লে, কৈ দিছোঁ।"

পিছফালে অকলে অকলে কাম কৰি কৰি বৃন্দাবনৰ অলপ আমনি লাগিছিল। মাজতে কেৱল সুৰমাই এবাৰ পাচলিৰ বাকলি পেলাবলৈ আহি সুধিছিল, "চাহ অকণমান খাবা নে কি ককাই?" তাৰ বাহিৰে বহুত সময় সি কাৰো মাত এবাৰ শুনা নাই। এতিয়া নিজৰাৰ মাত শুনি সি এনেকৈ মূৰ তুলি চালে যেন তাইৰ কাৰণেই সি মনে মনে বাট চাই আছিল। মুখৰ খজুটি মাৰিবলৈ নিজৰাতকৈ উপযুক্ত মানুহ বৃন্দাবনৰ কাৰণে আৰু কোনো নাই।

অকণমান সময় ভভক মাৰি চাই থাকি সি ক'লে, "কিয় নাকাটিম? কোৰৰ আগত যি পৰে একাষৰপৰা চব বৈয়াই নিম। ইস্, বৰ একেবাৰে মহাৰাণী গৰাকী আহিছে হুকুম দিবলৈ। এত-

ভিয়াই চব কাটি পেলাম।" শেষৰ কথাষাৰ সি এনেকুৱা সুৰত ক'লে যেন গোটেই পৃথিৱীখন সমান কৰাৰ উদ্দেশ্যেৰে আজি সি কোৰ হাতত লৈছে, নিজৰা কিয়, তেত্রিছ কোটি দেৱতায়ো তাক ধৰি ৰাখিব নোৱাৰে; সন্মুখৰ মাটিত সি ইমান খৰখৰকৈ কোৰ চলাবলৈ ধৰিলে যেন অনতি পলমে তুলসী পুলিটোৰ ওচৰত উপস্থিত হোৱাটো-ৱেই তাৰ সত্তাৰ একমাত্র কামনা।

"ইস্, মোৰহে পুলি তেওঁ!" নিজৰা টিকিচকৈ উঠিল।

"ই—স, এওঁৰহে পুলি!"—বৃন্দাবনৰ নাক কোঁচ খাই, তলৰ ওঁঠখন লুটি খাই, সোতোৰা-সোতোৰ মুখখন—গকয়ে আক্রমণ কৰা, অথচ একামোৰতকৈ বেছি খাব নোৱৰা পকা কঠালৰ নিচিনা হৈ পৰিল; সেই বিকৃত মুখেৰেই সি ক'লে, "এওঁ মাটিৰ তলৰপৰা তুলসী পুলিটো লৈ আহিছে!"

কোনো কম নহয়। আঁঠুলৈকে পৰা ফ্রক পিন্ধা নিজৰা যি, আঁঠুৰ ওপৰলৈকে চুৰীয়া পিন্ধা বৃন্দাবোনো সেই। কিন্তু এইবাৰ নিজৰা অলপ মস্কিলত পৰিল। তুলসী গছজোপা যে মাটিৰ তলৰপৰা ওলাইছে, সেইটো তাই নিজেই দেখিছে; আৰু তাই যে মাটিৰ তললৈ গৈ গছজোপা লৈ অহা নাই সেইটোও তাই ভালকৈ জানে; গতিকে কি ক'ব তাবি, বৃন্দাবন বুঢ়াৰ মুখলৈ চাই তাই থতমত খালে, লাহে লাহে তাইৰ আত্মসন্মানত আঘাত লাগিল, তাৰ পাছত খং উঠি গ'ল। ক'লে, "কেনে পাত কৰে এইভালে! বৰ একেবাৰে কাম কৰি দেখুৱাইছে।"

"দেখুৱামতো", বৃন্দাবনে মুখতে ধৰিলে, "কাম কৰিছো যেতিয়া দেখুৱামেই। তোমাৰ নিচিনা নে কি?"

"ইস্, মই কাম কৰা নাই?"

"কিটো কাম কৰিছাহে, কিটো কাম কৰিছা?" বুঢ়াই পাৰিলে টোচা মাৰি খেদি আহেই!

নিজৰাই বৃন্দাবনক জব্দ কৰিবৰ মনেৰে ডিডিটো আগবঢ়াই,

মুখখন জোকাৰি ক'লে, "কালি যে—তোমালোকে—সেই তাত—আগকালে—গাঁত খানিছিলা, তেতিয়া মই কাম কৰা নাই ?"

কৰিছিল। মহীধৰ আৰু বৃন্দাবনে আগকালে বতাখনৰ খুঁটা পোতাৰ ব্যৱস্থা কৰিছিল ; খুঁটাবোৰ একে শাৰীতে পোতাবলৈ বুলি বহী এডাল টানি লৈ চিন দি দোৱাৰ দৰকাৰ হৈছিল ; নিজৰা ওচৰতে আছিল আৰু তাইক মহীধৰে অকণমান সময় বহীডালৰ মূৰটো ধৰি থাকিবলৈ দিছিল। গতিকেই নিজৰাই কাম কৰিছিল। কিন্তু এতিয়া তাই কথাষাৰ কৈ শেষ কৰাৰ লগে লগে "বৰ কামটো কৰিছিলা" —এনেকুৱা তাচ্ছিল্যৰ সুৰত বৃন্দাবনে দীঘলীয়াকৈ "উ"—বুলি চিঞৰি উঠিল।

নিজৰা তৎক্ষণাৎ ঘূৰি গোঁ-গোঁৱাই গুচি আহিল। বৃন্দাবন সদায় বদমাচ ; কিন্তু আজি সি ইমান বদমাচ হৈছে যে নিজৰা তাৰ ওচৰত থকাই উচিত নহয়। বাটে বাটে তাই কৈ আহিল, "বৰাচোন মামী আহিলে কৈ দিম নহয়।"

তাই যোৱাৰ কালে অকণমান সময় চাই থাকি বৃন্দাবন বুঢ়াই মুখখন মেলি হো-হোকৈ অকলে অকলে হাঁহিলে ; অদ্ভুত তৃপ্তিৰ হাঁহি ; তৃপ্তি অকল তাৰ হাঁহিতেই নহয়, কপালৰপৰা বৈ অহা ঘামৰ টোপালবিলাকতো যেন মিহলি হৈ ওলাই আহিল। এনেকুৱা এখন কাজিয়া কৰাৰ পাছত তাৰ এনেকুৱা এটা বল পোৱা যেন লাগে যে নোখোৱা-নোবোৱাকৈও সি গোটেই দিনটো জোৰ মাৰি থাকিব পাৰিব।

নিজৰাই গা-ধোৱা ঘৰত সোমাই লৰালৰিকৈ ভৰিত পানী অলপ ঢালিলে। পিছফালৰপৰা আহি ভিতৰ সোমোৱাৰ আগতে ভৰি ধুই সোমাব লাগে। তিতা ভৰিৰেই তাই থপ্‌থপ্‌কৈ দৌৰ মাৰি পাকঘৰলৈ গ'ল। চকৰ ওপৰত পাচলিবোৰ চেন্‌চেন্‌ কৰি আছে, সুৰমাই তাই অহা গম পোৱা নাছিল, উভতি চাবলৈ মাত লগালে,—"মই পাচলি কুটি দিম পেহীদেউ ?"

"—ই, এতিয়া আহিছা! মোৰ পাচলি কুটা হ'ল নহয়।" সুৰমাই হাঁহি হাঁহি ক'লে।

"ভাজি নকৰে ?" একেবাৰে আশা এৰি নিদি নিজৰাই সুধিলে।

"ভাজি-তৰকাৰী-ডাইল এটাইবোৰ হ'ল। তুমি বাক গধূলিকৈ কুটি দিবা, মই মাতি আনিম বাক তোমাক।"

"আজি ভাত-তৰকাৰী খুব সোনকালে হ'ল নহয় ?" বুলি সেমেকা মাতেৰে সুধি নিজৰা আঁতৰি আহিল।

আজি তাই ক'তো হাত দিবলগীয়া হোৱা নাই যদিও ঘৰখনৰ কাম-বন ঠিকেই চলিছে;—অৱশ্যে বৃন্দাবনৰ কথা বাদ দি। কেৱল চোতালত মাটিৰ গিলাচবোৰ এনেকৈ পৰি থকাটো ঠিক হোৱা নাই। বহুত গিলাচ। ইমানবোৰ গিলাচ কিয় বুলি সোধাৰ উত্তৰত মামাই কৈছিল—বিয়ালৈ বহুত মানুহ আহিব, সেই কৰণে গিলাচো বহুত। বিয়াৰপৰা নমাই পিছফালৰ চোতাললৈ আনোতে কেইটামান ভাগিলেই। বাকীখিনি এদ'ম হৈ পৰি আছে। মামাই কৈছে, একে-বাৰে ধুই-পখালি গিলাচবোৰ জাপি থব লাগিব। নিজৰাই ভাবিলে, ধোৱাৰ আগতে, এনেকৈ দ'ম হৈ পৰি থকাতকৈ চোতালত শাৰী শাৰী হৈ থকানো কি বেয়া। ইটোৰ গাত সিটো লগাই তাই গিলাচবোৰ শাৰী শাৰী কৰাত লাগিল। মাজতেই সুৰমাই এবাৰ তাইক মনা কৰিলে। তাই ক'লে, "ৰবচোন, কিমান ধুনীয়া হৈছে।"

সুবৰ্ণলতাই বহুদিন জাপত সোমাই থকা শৰাইচাকনী কেইখন ৰ'দত দিবলৈ বুলি আহি দেখে, চোতালত গিলাচে মৌ-বাঁহ সাজিছে। তেওঁ সুৰমাক লাহেকৈ সুধিলে, "তাইক আকৌ সেইটো কামত লগালে কোনে ?"

"তাই নিজেই লাগিছেগৈ; মই মনা কৰিলোঁ, সুশুনে, কি কৰিম ?"

দূৰৰপৰাই সুবৰ্ণলতাই মাতিলে, "চাওঁ নিজৰা, এইফালে আহচোন।" নিজৰাই মৰেই মুতুলিলে। "শুনিছ ?" বুঢ়ীয়ে আকৌ মাতিলে।

"অকমান পাহুত বাম বৰ।"

"বৰ নালাগে আহ, বেগেই আহ।"

"ইস্ বাম, কাম এটা কৰিবলৈ নিদিয়ে? খালি চিঞৰি থাকিব, চিঞৰি থাকিব!" বুলি মহা অস্বস্তিৰে নিজৰা উঠি আহিল। অকাম আজিয়েই নহয়, তাই অকৰা কাম একোটা কৰিলে আইতাকে যে মাতিবই, সেইটো ধৰা-বন্ধা কথা।

"চোলাত সেইবোৰ কি লগালি?" সুবৰ্ণলতাই তাইৰ ফ্ৰকটোৰ পিছফাললৈ দেখুৱালে। চোতালত বহি বহি পিলাচ লজাওঁতে ধূলি এসোপা লাগিল, বাঁওহাতেৰে জোকাৰি, নিজৰাই ধূলিবোৰ উকৰাই দিলে।

"কাপোৰ কিয় লেতেৰা কৰ?" সুবৰ্ণলতাই আৰু কিবা ক'ব খুজিছিল, নিজৰাই ক'লে, "কাম কৰিলে কাপোৰ লেতেৰা নহয় নে কি!"

"তই যে সেইবোৰ কামত লাগিছগৈ, দৰা-কইনাক পা ধুৱালি?" সুবৰ্ণলতাই সুধিলে।

সৰ্বনাশ। নিজৰাই জিভা উলিয়াই পেলালে। আচল কাম-টোকে তাই পাহৰি গৈছিল। "ইস্ বাম" বুলি যিটো বিৰক্তি প্ৰকাশ কৰি তাই দৰা-কইনাৰ ওচৰলৈ লৰ মাৰিলে, তাৰপৰা বুজা গ'ল কামৰ জুমুৰিত তাই একো চম্ভালিব পৰা নাই; চাৰিওফালে সমানে চকু দিবলৈ যাওঁতে যদি কৰবাত কিবা কাম থাকি গৈছে, সেইটো তাইৰ দোষ হ'বই নোৱাৰে। এজনী মানুহে কিমান কৰিব!

ডাঠ কাগজৰ বাকচ এটাত এটা-দুটা নহয়, প্ৰায় পোন্ধৰটামান দৰা আৰু সোতৰ-ওঠৰজনীমান কইনাই, যাৰ যেনেকুৱা ইচ্ছা তেনেকৈ শুই আছে। কোনোবা দৰাৰ ভৰি কোনোবা কইনাৰ নাকৰ ওপৰত উঠি আছে যদিও কাৰো আপত্তি নাই। কেৱল বিহালৰ কালি ছিন্ন হৈ গৈছে, সিহঁতে বাকচটোৰ কিনাৰত পিঠি দি থিয় হৈ আছে; সিহঁতৰ একমাত্ৰ ভাগ্যনিয়ন্তা নিজৰাই যেনেকৈ থাকিবলৈ কৈ গৈছে,

[illegible] [illegible] [illegible] [illegible] [illegible] কাবো কাজে [illegible]
নাই।

[illegible] [illegible] [illegible] [illegible] [illegible] [illegible] নিয়া হ'ব, [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] পৰামৰ্শ [illegible] [illegible] [illegible] নিয়া হৈ গৈছে, কেইদিনমানলৈ পি বহি বহি [illegible] নিয়া [illegible] ; কেতিয়াবা নিয়া বুলি কিবা-কিবি [illegible] [illegible] [illegible] [illegible] হৈ [illegible] বাবে তাব [illegible] [illegible] [illegible] ভুল কৰিলে [illegible] [illegible] [illegible] [illegible] নিয়া হৈ যাব পাৰে ; [illegible] [illegible] [illegible] [illegible] নিয়া বন্ধ হৈ যায়। বহুত বদমাচ [illegible] [illegible] [illegible] [illegible] পৈছে। নিজবাই হয়তো [illegible] [illegible] নিয়া হৈ থাকিবলৈ কৈছে, কিন্তু পি [illegible] [illegible] [illegible] [illegible] [illegible]। "কথা ক'লে শুনলে ?" বুলি [illegible] [illegible] [illegible] যদি যেতিয়া মাৰি [illegible] [illegible] [illegible] [illegible]। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] ; আকৌ কেতিয়া পৰেহি [illegible] [illegible]

[illegible] [illegible] নিজবাক [illegible] দিলে [illegible] [illegible] যদি লৈ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]।"

[illegible] [illegible] [illegible] [illegible] নিজবাক [illegible] [illegible] [illegible] [illegible] [illegible]

কাপোৰ এখোনা লৈ উতভি আছিল। ছুপৰীয়া বহি বহি প্ৰথম কিছু-দিন সুবৰ্ণলতায়েই দবা-কইনা সাজি দিলে, পিছলৈ নিজৰাই নিজে সাজিব পৰা হ'ল। কিন্তু তাই বৰ মন্বিলত পৰে কাপোৰ পিন্ধাবৰ সময়ত। তাইৰ পছনৰ হালধীয়া ছিৰৰ কাপোৰ আছে মাত্ৰ এটুকুৰা। সেই টুকুৰা কোনজনী কইনাক চাদৰ কৰি দিব, এই বিষয়ে আইতাকৰ লগত তাইৰ বহুত কথা কটাকটি হৈছে। শেষত অৱশ্তে ঠিক হৈছে-গৈ, যিদিনা যিজনীৰ বিয়া, সেইদিনা সেইজনীয়ে সেইখন চাদৰ পিন্ধিব, বিয়া হৈ গ'লেই খুলি দিব লাগিব। তেনেকুৱা আৰু কেই-খনমান চাদৰৰ কথা তাই মোমায়েকক কৈ আছে, কিন্তু উপেনে হেনো দোকানত সদায় খবৰ কৰি জানিব পাৰিছে তেনেকুৱা কাপোৰৰ পাৰ্ছেলটো মাৰোৱাৰীৰ গুদাম আহি পোৱাহি নাই; দুই-এদিনতে পাৰহি পাৰে, ঠিক নাই।

কিন্তু এইটো কথা ঠিক যে দবা-কইনাৰ লগত নিজৰাৰ মন বহিছে। সেইকাৰণে তাই বৰ বেছি কাম কৰা যেন দেখিলে সুবৰ্ণ-লতাই দবা-কইনাক গা ধুওৱাৰ কথা কয়।

কপালত এটোপাল পানী দি নিজৰাই দবা-কইনাক গা ধুৱায়। তাৰ পাছত কাপোৰ পিন্ধাই দিয়ে। মাজতে হয়তো কেতিয়াবা হঠাতে পাগঘৰৰ ফালে আগবাঢ়ি গোৱা মেকুৰীজনীক ভাবি দি উঠে, "অ'ই চুৰুণী, কলৈ গৈছে? বহি গৈছো।" মেকুৰী হয়তো আম-ফালে গুচি যায়, কিন্তু ইফালে হয়তো আউজাই থোৱা দবাটো কাতি হৈ যায়। নিজৰাই দবালবিকৈ কয়, "আয়ে দেহি খং উঠিছে? তোমালৈ থোৱা গাখীৰখিনি খাবলৈ মেকুৰীজনী আহিছিল নহয়, মই তাইকহে কৈছো, তোমাক কোৱা নাই নহয়।"

পিন্ধোৱা-উৰোৱা হৈ যোৱাৰ পাছত যেতিয়া শুভলগ্ন উপস্থিত, তেতিয়া আইতাকৰ পাল। সুবৰ্ণলতাই বিয়ানাম গাব লাগে।

সুবৰ্ণলতাই একালত বিয়ানাম গাইছিল; এতিয়া এটাইবোৰ খেলিমেলি হৈ গ'ল। বহুত পৰৰ মূৰতহে নতুন এফাকি মনত পৰে।

কিন্তু যেতিয়া যি নাম গাব লাগে, সেই নাম মনত নপৰে। কইনা হোমৰ থলিত বহিবৰ সময়ত হয়তো পানী তুলিবলৈ যোৱাৰ নাম এফাঁকি গাই দিয়ে। হুশাৰীমান নামকে ঘুৰাই ঘুৰাই গোৱাৰ পাছত প্ৰায়েই সুবৰ্ণলতাৰ মুখৰ মাত লাহে লাহে মুগুনা হৈ আহে, বহুত দূৰৰ কিবা এটাত চকুৰ দৃষ্টি বান্ধ খাই যায় চকুৰ টিপ মাৰিবলৈও তেওঁৰ যেন সংজ্ঞা নাথাকে, মুখৰ গুণগুণনি যেন বিয়ানামৰ জনক বজাৰ জীয়ৰীজনীৰ লগতে পাতাললৈ সোমাই যায়।

নিজৰাই চিঞৰি উঠে, "কি হ'ল আইতা? গাওক আৰু'। মনে মনে আছে কিয়?"

কিয়? কিন্তু সুবৰ্ণলতা মাজে মাজে নিমাত হৈ যায়, সেই-কথাটো তেওঁ এই ছোৱালীজনীক কেনেকৈ বুজাব? কেতিয়াবা বুকুখন কিবা এটাই এনেকৈ হেঁচা মাৰি ধৰা যেন লাগে যে তেওঁ নিজৰাক ওচৰত বহুৱাই লৈ যেন এটাইবোৰ কথা এফালৰপৰা কৈ পেলাব; নিজৰাই বুজক নুবুজক, কৈ শেষ হোৱাৰ পাছত তেওঁ তাইক সাবটি লৈ পাৰেমানে কান্দিব, হেঁপাহ পলুৱাই এবাৰ কান্দিব পাৰিলে কিজানি বুকুৰ ওপৰৰ হেঁচাটো পাতল পাতল লাগিব।

এইখন ঘৰতে, এইখন চোতালতে, মনোৰমাৰ বিয়াত, এইখন চহৰৰ আটাইতকৈ পাকৈত বিয়ানাম গাব পৰা ছোৱালীহঁতে বিয়া-নামৰ এনেকুৱা আউৰি তুলিছিল যে শেষ ৰাতি ৰভাতলিৰ বুঢ়ীহঁতে কৈছিল, "আও, এই কেইজনীৰ মুখ বিষোৱা নাইনে?" দৰাৰ লগত অহা নামতিহঁতে মুখ বন্ধ কৰি কেৱল মুগ্ধ আৰু অভিভূত দৃষ্টিৰে ছোৱালীহঁতলৈ চাই আছিল। উপস্থিত সুৰশিল্পী এজনে ছোৱালী কেইজনীৰ লগত বহুত পৰ কথা-বতৰা পাতি সক ন'টবুক এখনত কিবাকিবি লিখি লৈছিল। দৰা হোমৰ গুৰিত বহাৰ লগে লগে তেওঁৰ চুলি, কপালৰপৰা আৰম্ভ কৰি মুখ ঢাকি ৰখা কমালখনলৈকে বৰ্ণাই সিহঁতে এনেকুৱা যোৰানামৰ সৃষ্টি কৰিছিল যে মিলিটেৰিত কাম কৰা প্ৰসন্নও লাজত ঘামি গৈছিল।

সেয়েই শেষ ; তাৰ পাছত আৰু সুবৰ্ণলতাই বিয়ানাম শুনা নাই, শুনাৰ ইচ্ছাও কৰা নাই। তথাপি কেতিয়াবা হঠাতে, শেষ ৰাতি বহুত দূৰত মতা কেতেকীৰ মাতৰ দৰে তীব্ৰ, মৰ্মস্পৰ্শী আৰু করুণ অনুভূতি লৈ পাঁচবছৰৰ আগৰ সেই বিয়ানামৰ জাউৰি তেওঁৰ কাণত সোমায়।

যোৰানামত ছোৱালীহঁতে গাইছিল, মনোৰমাৰ ওচৰত বহি থকা প্ৰসন্নক হেনো ধুনীয়া সেন্দুৰৰ টেমা এটাৰ ওচৰত মামৰে খোৱা টিনৰ ছুটকেচ এটাৰ নিচিনা লাগিছিল। সেইয়া নিতান্ত বিয়াৰ আনন্দত বলিয়া হোৱা ছোৱালীহঁতৰ যোৰানামৰ বৰ্ণনা। পাছত সিহঁতৰে এজনীয়ে কৈছিল, প্ৰসন্নতকৈ আধা-ধুনীয়া মানুহ এটা পালেও তাই পিছদিনাই বিয়া কৰি পেলাব।

আৰু মনোৰমাৰ চেহেৰা ;—মনোৰমাক লৈ সুবৰ্ণলতাৰ কোনো দিনাই চিন্তা নাছিল। মানুহে কৈছিল,—ছোৱালী হৈ যদি জন্মিবই লাগে, তেনেহ'লে মনোৰমাৰ নিচিনা হৈ জন্মিব লাগে।

গতিকেই প্ৰসন্নৰ লগত মনোৰমাক বিয়া দি সুবৰ্ণলতা সুখী হৈছিল, যাতকৈ বেছি সুখী এজনী মাক হোৱা সম্ভৱ নহয়। আৰু আটাইতকৈ বেছি সুখী হৈছিল মনোৰমা নিজে। য'ত প্ৰসন্নই চাকৰি কৰে তালৈ গৈ তাই মাকলৈ দীঘলীয়া চিঠি লিখিলে; ককায়েক উপেনলৈ অৱশ্যে চুটি চুটিকৈ লিখিলে। চিঠিৰ ভাষা আৰু সুৰৰপৰা সুবৰ্ণলতাই বুজিলে, ছোৱালী জন্ম দি তুলি লোৱা দায়িত্ব সোণৰ জখলাইদি তেওঁৰ কান্ধৰপৰা নামি গ'ল।

বিয়াৰ পাছত মনোৰমাই দেখিলে, প্ৰসন্নক জীৱনৰ পাত্ৰ হিচাপে পাবলৈ বহুত দিনৰেপৰা তাই আশা কৰি আছিল সঁচা, কিন্তু প্ৰসন্নৰ ভিতৰত ইমান আপোন, ইমান মায়াময়, ইমান স্বপ্নময় মানুহ এটাই যে তাইলৈ উন্মুক্ত হৃদয়েৰে, অসীম উৎকণ্ঠাৰে, উজ্জ্বল প্ৰেম-পাত্ৰেৰে আদৰি লবলৈ বাট চাই আছিল, তাক তাই ভাবিবই পৰা নাছিল। জীৱন-যৌৱনক পূৰাকৈ উপভোগ কৰাৰ কথা তাই সঁচাকৈয়ে ভাবি-

ছিল, কিন্তু এটা সময়ৰ কাৰণে যে ইমান আনন্দ, ইমান শান্তি, ইমান বিহ্বলতা গোট খাই আছিল, এটা সময়ত যে সাত-সমুদ্ৰৰ গৰ্জনক তল পেলাব পৰা মৰমৰ মৃদু গুণগুণনিৰ তালে তালে নাচিব পাৰিব, —এইবোৰ কথা তাই সপোনতো ভবা নাছিল। সেইবোৰ দিনত ঘনে ঘনে তাই মাকলৈ লিখিছিল, 'উপেন ককাইদেউৰ বিয়া অহা বছৰতে কিন্তু পাতিবই লাগিব মা। আমি এমাহৰ আগতে যাম।'

উপেনৰ বিয়াৰ কাৰণে নহ'লেও মনোৰমা ঘৰলৈ আহিল। তেতিয়া তাইৰ গাত ছমাহ; আৰু কিছুদিনৰ পাছত অহা হ'লেও হ'লহেঁতেন, কিন্তু প্ৰসন্নক চৰকাৰে সীমান্তলৈ পঠিয়াই দিলে; সীমান্তত বোলে কিছুমান মানুহে অস্ত্ৰ-শস্ত্ৰ লৈ চৰকাৰক আমনি কৰিছে; প্ৰসন্নৰ নিচিনা কৌশলী ভেকা মানুহৰ তাত বৰ প্ৰয়োজন হৈছে।

প্ৰসন্ন সীমান্তলৈ গুচি যোৱাৰ দিনা মনোৰমাই বৰ কান্দিছিল। পিছৰ দিনবিলাক তাই খবৰ কাগজত সদায় তন্নতন্নকৈ সীমান্তৰ খবৰ বিচাৰিছিল।

নাৰীত্বই তিলতিলকৈ সজাই লাহে লাহে মনোৰমাক পূৰ্ণ কৰি তুলিছিল। পানীকলৰপৰা এবাল্টি পানী লৈ পাগঘৰলৈ সোমাই যোৱা মনোৰমালৈ চাই ওচৰ-চুবুৰীয়া অভিজ্ঞা তিৰোতাই সুবৰ্ণলতাক ফুচফুচাই কৈছিল, "তাইক এতিয়া গধুৰ বস্তু বোছিকৈ দঙা-পৰা কৰিবলৈ নিদিব।"—আৰু কথাবাৰ সুবৰ্ণলতাৰ কাণত মৌ-বৰষা দি বৰষিছিল।

তাৰ পাছত এই ছোৱালীজনীৰ জন্ম হৈছিল। সীমান্তৰপৰা প্ৰসন্নই লিখি পঠিয়াইছিল, "তাইৰ নাম নিজৰা ৰাখিবা।" লগতে বৰ্ণাইছিল—হাৰি-বন-কাঁইট ভাঙি ভাঙি দুৰ্গম পৰ্বতীয়া বাটেদি গৈ গৈ অকণমান নিজৰা এটাৰ পাৰত থিয় হ'লে কেনেকুৱা লাগে, তোমালোকে কি বুজিবা?

তাৰ পাছত কেনেকৈ কি হ'ল কোনেও একো বুজিব নোৱাৰিলে;

মনোৰমাই খবৰ-কাগজত ভন্ন-ভন্নকৈ বিচাৰিবলগীয়া নহ'ল ; প্ৰথম পৃষ্ঠাতে জ্বল-জ্বলকৈ খবৰটো ছপা হ'ল, অলপ পাছতে চৰকাৰৰ মানুহে আহি উপেন-মনোৰমা-সুবৰ্ণলতাক দেখা কৰিলে। বিদ্ৰোহীয়ে প্ৰসন্নক দূৰদূৰণিৰ আন কোনোবা সীমান্তলৈ পঠিয়াই দিলে। প্ৰসন্ন আৰু নাহে।

তাৰ পাছত পাগলী হ'ব লাগিছিল মনোৰমা, কিন্তু পাগলী হ'ল সুবৰ্ণলতা, পগলা হ'ল উপেন, বৃন্দাবন। তিনিমহীয়া নিজৰাক কোলাত লৈ সুবৰ্ণলতাই মনোৰমাৰ আত্মাক অভিশাপ দি চিঞৰি চিঞৰি সুধিলে, "এয়েই তইঁতৰ জ্ঞাননে? এয়েই তইঁতৰ মৰম-মায়া নে? এই ফুলহেন কেঁচুৱাটোৰ, তোৰ পেটৰ পোৱালীটোৰ মুখলৈ তই চাব নোৱাৰিলি নে? পেটৰ পোৱালীৰ মায়াই যদি তোক বান্ধি ৰাখিব নোৱাৰিলে তেনেহ'লে মাক হৈছিলি কিয়? এই সংসাৰত কোনজনী মাকে এনেকৈ কোলাৰ কেঁচুৱা পেলাই থৈ……" সুবৰ্ণলতাৰ আকাশ খহি পৰা কান্দোনৰ মাজত আৰু কথা শুনা নগ'ল।

কোনো মাকে পৰা উচিত নহয়, কিন্তু মনোৰমাই কেনেবাকৈ পাৰিলে। বাতি পাৰিলে। কিমান বাতি কোনেও ক'ব নোৱাৰে তাই কাগজ এটুকুৰাত লিখি থৈ গৈছিল,—উপেন আৰু সুবৰ্ণলতাৰ হাতত নিজৰাক গতাই দি তাই সম্পূৰ্ণ নিশ্চিন্ত হৈ গৈছে। সম্পূৰ্ণ ভৰসা ৰাখি গৈছে। এই ছোৱালীজনীৰ জীৱনৰ কাৰণে তাই উপস্থিত হৈ থকাটোৱে অতি নিষ্ঠুৰভাৱে দেউতাকৰ অনুপস্থিতিটোহে পৰিষ্কাৰ কৰি ৰাখিব। সেইটো ছোৱালীজনীৰ কাৰণে এটা পূৰাব নোৱৰা ক্ষতি। তাইৰ জীৱনৰ ভালৰ কাৰণে উপেন-সুবৰ্ণলতাই যি কৰিব, মনোৰমা জীয়াই থাকিও তাতকৈ বেছি একো কৰিব নোৱাৰিব। গোটেই জীৱনৰ আশীৰ্বাদ তাইক তাই দি গৈছে। এই পৃথিৱীৰপৰা গৈ কৰবাত যদি তাই থাকেগৈ, তাৰপৰাও যেন তাইক আশীৰ্বাদ দিবলৈ পাৰে।

কাগজটুকুবাৰ শেষৰ ফালে মনোৰমাই ককায়েক আৰু মাকৰ ক্ষমা বিচাৰিছিল।

সুবৰ্ণলতাৰ প্ৰাণ-শক্তি তেতিয়াই যেন শেষ হৈ গৈছিল। কান্দি-কাটি বহি থাকিবলৈ তেওঁ অৱশ্যে সময় পোৱা নাছিল; তিনিমহীয়া নিজবাৰ কাৰণে তেওঁ মনোৰমা হ'বলগীয়া হৈছিল। তাৰ পাছত নিজৰা ডাঙৰ হৈছে, তাইৰ কাৰণেই সুবৰ্ণলতাই আকৌ হাঁহিব-লগীয়া হৈছে।

মনোৰমা যোৱাৰ পাছত কিছুদিনলৈ বৃন্দাবনৰ চকুৰ ফালে চাব নোৱৰা হৈছিল। সিয়েই মানুহৰ ফালে চাবলৈ ভয় কৰিছিল নে মানুহে তাৰ ফালে চাবলৈ ভয় কৰিছিল ঠিক নাই, কিন্তু কোনেও কাৰো ফালে নাচাইছিল। মনোৰমাৰ পৰীক্ষাৰ সময়ত এই বৃন্দাবনেই দুপৰীয়া স্কুলত তাইক টেমা এটাত খোৱা বস্তু দি আহিছিলগৈ। এই বৃন্দাবনৰ লগতে প্ৰত্যেক দিনেই কাজিয়া, কচ়া-আজোৰা, সাবটা-সাবটি কৰি মনোৰমা ডাঙৰ হৈছিল। মনোৰমাই তাৰ চকুৰ আগতে তিলতিলকৈ দেহাৰ ঐশ্বৰ্য্য গোটাইছিল; ফ্ৰক এৰি ব্লাউজ পিন্ধিছিল আৰু পিছফাল-খোলা ব্লাউজৰ পিছফালৰ হুক্‌ টিপিন তিনিটা বহুদিন এই বৃন্দাবন বুঢ়ায়েই মাৰি দিছিল।

কোনোবা এদিন এইখন ঘৰলৈ যে বৃন্দাবন বনকৰা মানুহ হৈ আহিছিল, সেই কথাটো মনোৰমায়েই তাক পাহৰাই দিছিল। শেষত যেতিয়া বৃন্দাবনে নিজবাক কচ়া-আজোৰা কৰি আকৌ মনোৰমাৰ লগত কাজিয়া লগোৱাৰ কথা পাতি আছিল, তেনে দিনতে সি তাইৰ পিছে পিছে, হাতত কোৰ এখন লৈ শ্মশানলৈ যাবলগীয়া হ'ল।

বহুত দিন সুবৰ্ণলতা-উপেন-বৃন্দাবনে কোনোমতে কটাই দিলে, কিন্তু যেতিয়াই নিজবাৰ মুখত মাত ফুটিল, তাই কথা বুজি পোৱা হ'ল; তেতিয়া তিনিওটা প্ৰাণী ভীষণ সন্ত্ৰস্ত হৈ উঠিল। ছোৱালীজনীৰ

গালেদি এটোপাল চকুপানী হৈ গ'লে সুবর্ণলতাৰ ডিঙিয়েদি এটোপাল বিষ পাৰ হৈ যোৱা যেন লগা হ'ল ; তাইৰ গাটো অলপ ডপত যেন লাগিলেই উপেন লৰি লৰি ডাক্তৰৰ পদূলিত বয়গৈ ; আৰু বৃন্দাবন বুঢ়াই সাৰে থকা সময়খিনিত তাইৰ পিছ নেৰেই।

উপেনে তাইক এজাপ ৰংচঙীয়া ছবি থকা কিতাপ আনি দিলে আৰু সুবৰ্ণলতাই বহি বহি পুতলা সাজি দি দৰা-কইনাত তাইৰ অলপ মনটো বহুৱালে। নহ'লে তাই এফালৰপৰা এনেকৈ ঘৰৰ কাম কৰিবলৈ আৰম্ভ কৰে যে বৃন্দাবন আৰু সুবৰ্ণলতালৈ কেতিয়াবা কাম বাকী ৰবই নোখোজে।

আৰু দৰা-কইনাৰ বিয়া পাতি থাকোঁতেই এদিন আইতাকে নিজৰাক সুধিলে, "মোমায়েৰৰ বিয়া নহয়, তই ক'ৰ পাৰ নে নোৱাৰ ?"

নিজৰাই সেইদিনা ভাবিলে, কেইবাদিনো যি কেইটা দৰাৰ বিয়া হোৱা নাই, সিহঁতৰ বিয়া কেইখন লৰালৰিকৈ পাতি দি মাজতে মোমায়েকৰ খন পাতি পেলাব। কিন্তু লাহে লাহে যেতিয়া দেখিলে যে মোমায়েকৰ বিয়াৰ আয়োজন বেলেগ ধৰণে আৰম্ভ হৈছে, তেতিয়া তাই অলপ থমক খালে। তাৰ পাছত যি মুহূৰ্ত্তত তাই শুনিলে যে মোমায়েকৰ বিয়াৰ পাছত সিহঁতৰ ঘৰলৈ মামীয়েক এজনী আহিব, তাৰ কেইঘণ্টামানৰ ভিতৰতে ওচৰ-চুবুৰীয়া সকলোৱে গম পাই গ'ল যে উপেনৰ বিয়া উলা-মূলা বিয়া নহয় ; এই বিয়াৰ ফলস্বৰূপে সিহঁতৰ ঘৰলৈ মানুহ এজনী আহিব ; সেই মানুহজনী উপেনৰ কি হয় ঠিক নাই, কিন্তু নিজৰাৰ যে মামীয়েক হ'ব এইটো ধ্ৰুৱ।

চাওঁতে চাওঁতে ঘৰখনত নিজৰাই মামীয়েক এজনী সৃষ্টি কৰি পেলালে। ওলাওঁতে মামী, সোমাওঁতে মামী, ভাত খাওঁতে মামী, শোওঁতে মামী—কেৱল মামী। উপেনে যদি বিস্নাত উঠি কৰবালৈ যাবৰ সময়ত নিজৰাক লগত নিনিলে, তাই এফোন্দ নাপাতে, কেৱল ঘোষণা কৰি থয়, "মামী আহিলে কৈ দিম নহয়।" জোৰকৈ গাথীৰ খুউৱা, চকুত চাবোন সোমাওঁতে কন্দা সত্বেও গা ধুৱাবলৈ নেৰা

ইত্যাদি ধৰণৰ বহুত অপৰাধত, নিজৰাৰ মামীয়েকৰ আদালতত সুবৰ্ণলতাও অপৰাধী হৈ বিচাৰলৈ যাট চাই বল। বৃন্দাবনৰতো কথাই নাই। তাৰ অতপালি ইমানকৈ বাঢ়িছে যে নিজৰাই তাৰ সাৱধান লবলৈ এৰি দিলে। তাক তাই কৈ দিছে, "কিমান জোকোৱা জোকাই থাকা; মামী আহিলে চাম নহয়।" মূঠৰ ওপৰত অৱস্থাটো এনেকুৱা হৈ আছে যে মামীয়েক অহাৰ দুই-এদিনৰ ভিতৰতে নিয়মমতে বৃন্দাবনৰ কাঁচী হৈ যোৱা দৰকাৰ; উপেন জীয়াই থাকিবলৈ পায়নে নাপায় সেইটো মামীয়েকৰ করুণা আৰু তাৰ কপালৰ ওপৰত নিৰ্ভৰ কৰিছে; সুবৰ্ণলতা অৱশ্যে ঘৰতে থাকিব, কিন্তু কেই সাঁজ লঘোনে থাকিব লাগে ঠিক নাই।

পাছলৈ উপেনৰ এনেকুৱা লগা হ'ল যে ওচৰৰ কোঠালীটোতে নিজৰাৰ মামীয়েক এজনী বহি আছে। এদিন আবেলিপৰত বিয়াখনৰ কথা ভাবি থাকোঁতে হঠাতে সি পুলকিত অনুভৱ কৰি নিজৰাক একেবাৰে ওচৰলৈ মাতি আনি মনে মনে সুধিলে, "তোৰ মামীয়েৰজনী কেনেকুৱা অ' ?"

সৰ্বস্বত্ব সংৰক্ষিত কৰি ৰথা প্ৰকাশকৰ দৰে নিজৰাই "নকওঁ যাওক; আৰু মামী আহিলে আপোনাক নেদেখুৱাওঁ"—বুলি কৈ উচাট মাৰি গুচি আহিল। চিঞৰ-বাখৰৰ ভয়ত উপেনো মনে মনে থাকিল।

বিয়াৰ আয়োজন প্ৰায় শেষ হৈ আহিল, বিয়াও পালেহি। কিছু-মান সকসুৰা বস্তুৰ কাৰণে সুবৰ্ণলতাৰ মনত অৱশ্যে খুঁত থাকি গ'ল। তাৰ কাৰণে উপেনে গালিও খালে কিছু। অতিষ্ঠ হৈ যদি সি কিবা ক'ব খোজে নিজৰাই হয়তো সেই সময়তে কৈ দিয়ে, "হয়নে নহয়, মামাই একো কাম নকৰে, খালি অপিছলৈ যায় আৰু ঘৰলৈ আহে।" তাৰ পাছত আৰু তৰ্কাতৰ্কিৰ কোনো আশা নাথাকে।

একালত চহৰৰে জীয়ৰী, ভিতৰুৱা ঠাইলৈ দিয়া হৈছিল, এনে-কুৱা লগা-ভগা ভালেমান তিৰোতা ঘৰত গোট খালেহি। তেওঁ-

লোকৰ ল'ৰা-ছোৱালীবোৰক লৈ নিজৰাৰ কামৰ আদি-অন্ত নোহোৱা হ'ল। মাকইতে লুচি ভাজিছে, ল'ৰা-ছোৱালীইতে ওচৰতে খুৰা-পকা কৰি ফুৰিছে; এখন এখন লুচি হাতে হাতে দিয়াৰ পাছত সিহঁত চোতাললৈ লৰ মাৰিছে; লৰা-ঢপৰাত আধাখোৱা লুচি হাতৰপৰা পৰি গৈছে, তুলি লৈ খাব খোজোঁতে নিজৰাই মনা কৰি ভিতৰৰপৰা ভাল লুচি আনি দিছে; কামৰ মাজতে সময় উলিয়াই এইবোৰ কথা স্বৰ্ণলতাক কৈ তাই আশ্চৰ্য্য প্ৰকাশ কৰিছে। কেইজনীমান অকণ অকণ ছোৱালীয়ে নিজৰাৰ দৰা-কইনাৰ বাকচটো কেনেবাকৈ পাই উলিয়াই আনিছিল, তাই কোনোমতে বুদ্ধি কৰি সিহঁতৰ হাতৰপৰা বাকচটো লৈ মোমায়েকৰ বাকচৰ তলত লুকুৱাই থলেগৈ। এই বিলাক কামৰ উপৰিও ঘৰত গোটখোৱা ডাঙৰ-সৰু সকলোকে তাইৰ যে মামীয়েক আছিব এই কথাটো বুজাবলৈও তাই বৰ কষ্ট কৰিব-লগীয়া হৈছিল। সকলোৱে অৱশ্যে এবাৰ শুনাৰ কণ্ঠতেই কথাটো বুজিছিল কাৰণে তাইৰ ভাল লাগিছিল।

কিন্তু এটা কথাত নিজৰাৰ বৰ খং উঠিছিল। এবাৰ তাই তাইৰ শোৱা কোঠালীলৈ গৈ দেখে সিহঁতৰ বিছনাখনত কোনোবাই বোকা-ভৰিৰে উঠি দাগেই দাগ কৰি থৈছে। মোমায়েকৰ ডাঙৰ পাক চুটাৰ ওচৰতে থকা তাইৰ অকমান গাকটো কোনোবাই বেঁকাকৈ পেলাই গৈছে। এই বিছনাখন অকণমান লেতেৰা হৈ থাকিলেও মোমায়েকে বৃন্দাবনক বকে। এতিয়া বিছনাখনৰ এনেকুৱা অৱস্থা দেখি তাই তৎক্ষণাৎ স্বৰ্ণলতাৰ ওচৰলৈ গৈ ক'লে, "আইতা, আমাৰ বিছনাখন কোনোবাই বোকাভৰিৰে উঠি লেতেৰা কৰিলে।"

স্বৰ্ণলতাই লগে লগে কাপোৰখন সলাই দিয়ালে। কিন্তু ৰাতি শুবলৈ গৈ নিজৰাই দেখে বিছনাখন আকৌ কোনোবাই সোতোৰ-মোতোৰ কৰি থৈছে। খঙত তাই কান্দি পেলাব খুজিছিল। আকৌ এবাৰ চাদৰখন সলাই দিয়াৰ পাছত নিজৰ অকণমান গাকটোত মুৰ থৈ নিজৰা শুলে। বিয়াৰ দিহা-পৰামৰ্শ দিবলৈ অহা মানুহ ঘৰা-ঘৰি

যোৱাৰ পাছত মাজ নিশা উপেন শুবলৈ আহিল; নিজৰাৰ গাৰ কাপোৰখিনি ভালকৈ জাপি দি সি সাৱধানে শুই থাকিল, যাতে তাইৰ টোপনি নাভাগে।

নিজৰাৰ দাবী অনুসৰি বিয়াৰ দিনা তাই পিন্ধিবলৈ এযোৰ নতুন মেখেলা-চাদৰ আনি থোৱা আছিল, ৰাতিপুৱাই তাই সেইযোৰ পিন্ধি ললে। কাপোৰযোৰ পিন্ধাওঁতে সুৰমাৰ এপৰমান লাগিল, দহোটা-মান ছেফ্‌টিপিন খৰচ হ'ল। কিন্তু দুপৰীয়াৰ অলপ পাছতে তাই আকৌ ফ্ৰক পিন্ধি ললে। বহুত দিগদাৰ। প্ৰথম কথা, যেয়ে দেখে সেয়ে তাইক কইনা বুলিবলৈ আৰম্ভ কৰিলে। দ্বিতীয়তে, উছলি-মুছলি বিয়াঘৰত তাইৰ যি পৰিমাণে কৰিবলগীয়া কাম ওলাল, সেই পৰিমাণে তাই লৰা-ঢপৰা কৰি ফুৰিব পৰা নাই; ভৰিত জোটা-পুটি লাগে। সন্ধিয়া সময়ত জীয়ৰী-বোৱাৰীহঁতে পানী তুলিবলৈ যাওঁতে, অকণমান মাটিৰ কলহ এটা কাষত লৈ মেখেলা-চাদৰ পিন্ধা নিজৰা সকলোৰে আগে আগে গ'ল। তাই কলহত নৈৰপৰা ভৰাই অনা পানীখিনিৰ বেছিখিনি নিজে মোমায়েকৰ গাত ঢালি দি, তলিত অকণমান সময় পালে তাইৰ দবাকেইটাক গা ধুৱাবলৈ বুলি থৈ দিলে।

সমনীয়া ল'ৰা-ছোৱালীবিলাকে ঠিকমতে লুচি-ডাইল-মিঠাই খালেনে নাই তাকে লৈ নিজৰা গোটেই আবেলিটো ব্যস্ত হৈ থাকিল। ল'ৰা-ছোৱালীহঁতক মাতি মাতি সুধিলে, "আই, তইঁতে লুচি-মিঠাই খালি?" "নাই খোৱা" বুলি কোৱাৰ লগে লগে তাই কথাটো বৃন্দবানক কয়; বৃন্দাবনে ব্যৱস্থা কৰে। অলপ পাছতে হয়তো আন এজনী ছোৱালীয়ে নিজৰাক কাণে কাণে কয়, "সিহঁতে এবাৰ খাইছিল বুইছা? ইমান মিছা কথা কয় ভাই!"

মাজে মাজে নিজৰা এনেয়ে মোমায়েকৰ ওচৰলৈ লৰ মাৰে; তাৰ পাছত হয়তো সুবৰ্ণলতাৰ ওচৰত ধপ্‌কৈ বহি কয়, "ইস্ বাম ইমান ভাগৰ লাগিছে!" সুবৰ্ণলতাই তাইক সাবটি ধৰি ওচৰত

অকণমান বহুৱাই ৰাখিবলৈ বিচাৰে; নোৱাৰে; হঠাৎ তাই লৰ মাৰে।

ৰাতিপুৱাই উপেন আৰু সুবৰ্ণলতাই বৃন্দাবনক কৈ থৈছিল, "ভাই ক'ত কি কৰি ফুৰে ঠিক নাই; তই আন একো কৰিব নালাগে, দিনটো তাইৰ লগে লগে থাকিবি।" বৃন্দাবন আছে। ল'ৰা-ছোৱালী, গাভৰু, বোৱাৰী, বুঢ়ী—সকলোৰে মাজে মাজে, নিজৰাৰ পিছে পিছে সি ঘূৰি ফুৰিছে। আৰু গোটেই দিনটো, তাৰ নিজৰ বিয়াখন কেতিয়া পাতিব, সেই কথাবাৰৰ উত্তৰ দি দি তাৰ আমনি লাগি গৈছে। বিশেষকৈ এই গাভৰু ছোৱালীমখাৰ যে কি হৈল লাগিছে সি ধৰিব পৰা নাই, কেৱল তাৰ লগত চুপতি মাৰিবলৈ চেল বিচাৰি ফুৰিছে। সিও ডুজনীমানক ভাল উত্তৰ দিছে। ডুজনীমান ছোৱালীৰ ধেমালিবোৰ তাৰ অৱশ্যে ভালো লাগিছে। কলেজত পঢ়া সোণবৰণীয়া ছোৱালীজনীয়ে তাক সুধিছিল, "হেৰা বৃন্দাবন, তোমাৰ নামটো বৰ ধুনীয়া দিয়া। তোমাৰ ভিতৰত চাগৈ কিমান লীলা-খেলা!"

বৃন্দাবনে বৰ সেনেকা হাঁহি মাৰিছিল, তাৰ পাছত লাহে লাহে কৈছিল, "এ আই আমাৰ বৃন্দাবনৰ লীলা-খেলাৰ কথা কি ক'বা? গোপীসকলক গোটাই লৈ লীলা-খেলা কৰি শ্ৰীকৃষ্ণ মতলীয়া হয়, ইফালে কোনোবা গুৱালৰ মৰণ হয়। আমাৰ বৃন্দাবনত সেই কপাল ফুটা গুৱালবহে লীলা-খেলা আই।"

"এইখন ঘৰত এটাইবে পকা পকা কথা, কাকো টেঁটুৱাবই নোৱাৰি" বুলি বটাত তামোল-মহলা সজাই বাহিৰলৈ দি পঠিওৱাৰ দায়িত্ব লৈ থকা ছোৱালী নিজৰ কামত লাগিল।

কইনাঘৰ ত্ৰিছ মাইলমান দূৰত। নিজৰা উপেনৰ কাষতে বহি কইনাঘৰলৈ গ'ল। বহুত চেষ্টা কৰিও তাই আৰু থাকিব নোৱাৰিলে, দৰাৰ ঠিক পিছতে সুৰমাৰ কোলাত মূৰ থৈ শুই থাকিল; কইনাক যেতিয়া হোমৰ ওচৰলৈ উলিয়াই আনিলে, তেতিয়া চকু মোহাৰি

মোহাৰি আকৌ উঠিল। বিয়া ভগাৰ পাছত কইনা যেতিয়া আকৌ ভিতৰলৈ গ'ল, তেতিয়া নিজৰাই সুৰমাক বাৰে বাৰে ক'বলৈ ধৰিলে —'মামীক চাম।' সুৰমাই তাইক ভিতৰলৈ লৈ গ'ল; নিজে হাঁহি হাঁহি কইনাক নবৌ বুলি মাতি ললে আৰু তাৰ পাছত নিজৰাক আগবঢ়াই দি চিনাকিটো দিলে। কইনা ৰূপালীয়ে মুখ খুলি নিজৰালৈ চালে। নিজৰায়ো চালে। একেথৰে তাই চাই ৰ'ল। নতুন মামীয়েক তাইৰ কেনেকুৱা লাগিল, তাই ক'ব নোৱাৰিলে; কিন্তু তাই মন্ত্ৰমুগ্ধৰ নিচিনাকৈ চাই ৰ'ল; এনেকৈ তাইৰ ফালে কোনো মানুহে কেতিয়াও চাই থকা নাই; হঠাতে তাইৰ লাজ লাগি গ'ল; মামীয়েকৰ চকুৰপৰা চকু নাতৰোৱাকৈ তাই অকণমান সুৰমাৰ কাষ চাপি আহিল। ৰূপালীৰ হাতখন আগবঢ়াই কাষলৈ চপাই আনিবৰ মন গৈছিল, কিন্তু তাইৰো লাজ লাগিল। তাইৰ কান্দি কান্দি উখহি থকা চকুযোৰ কেৱল তিৰবিৰাই উঠিল।

বাতিপুৱা বিয়া আহি পদূলিত বোৱাৰ লগে লগে সুৱৰ্ণলতাই হাতত কাঁহী এখন লৈ পুতেক-বোৱাৰীয়েকক আদৰিবলৈ ওলাই আহিল। তেওঁৰ হাত দুখন থৰ-থৰকৈ কঁপিবলৈ ধৰিলে; মুখৰ কলাবিলাক এক অপূৰ্ব উত্তেজনাত থোকাথুকি হৈ গ'ল। উপেন মটৰৰপৰা নমাৰ লগে তেওঁৰ দুয়োগালেদি ধাৰাসাৰে চকুপানী বৈ গ'ল।

দৰা-কইনাক বেৰি ধৰা মানুহবোৰৰ পিছফালে থিয় হৈ, গোটেই নিশা বিয়া-ঘৰৰ বস্তু-বাহানি ৰখি থকা বৃন্দাবনে গামোচাৰ আগেৰে চকুযোৰ এবাৰ মচি ললে। সেই সিদিনাখনলৈকে তাৰ কঁকালত গামোচাখনৰ এটা মূৰ বান্ধি—"অ মা চাহি এইটো চোৰ ধৰি আনিছোঁ"—বুলি যেমালি কৰা উপেনে আজি বিয়া কৰাই আনিছে!

দৰাৰ লগত যোৱা সকলো লৰালৰিকৈ ঘৰা-ঘৰি গ'ল; যিবিলাক যাবলৈ নাপাইছিল সিহঁতে এতিয়া কইনাক বেৰি ধৰিলে। এখন ফুলাম পাটিৰ ওপৰত ৰূপালী হাত-ভৰি কোঁচাই বহি আছিল;

চাৰিওকালে বহি ছোৱালীবোৰে নৰো, পেহীয়েউ, মামীয়েউ ইত্যাদি নিজৰ নিজৰ সম্বন্ধ ঠিক কৰি মাতি মাতি ধৰিলে ; অজস্র কথা-বতৰা পাতিলে। শেষত ৰূপালীক গান এটা গাবলৈও কোনোৱে কোনোৱে জোৰ কৰিলে। ৰূপালীয়ে কেৱল মাজে মাজে হাঁহিলে আৰু চুটি চুটি উত্তৰ দিলে। তাই প্ৰায় সকলোকে তুমি বুলি সম্বোধন কৰিলে। দুপৰীয়াৰ পাছত ৰূপালী পাটিখনত শুই পৰিল। ছোৱালীবিলাক নিজৰ নিজৰ কথাত ব্যস্ত হৈ চাৰিওকালে বহিয়েই থাকিল।

নিজৰাই বাহিৰত সমনীয়াহঁতৰ আগত নতুন মামী দেখিবলৈ কিমান ভাল তাকে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি কৰি এসময়ত শুই থাকিলহি।

সন্ধিয়াৰ আগে আগে সুবৰ্ণলতাই তাইক লাহে লাহে ঠেলি জগুৱাই দিলে। গাৰুৰপৰা মূৰ তুলিয়েই তাই সুধিলে, "মামী ক'ত আছে আইতা ?"

এই প্ৰথমবাৰৰ কাৰণে হঠাতে সুবৰ্ণলতাৰ বুকুখন যেন কিবা অজ্ঞাত কাৰণত ধকৃকৈ উঠিল। এক মুহূৰ্তৰ কাৰণে তেওঁৰ এনেকুৱা লাগিল যেন জীৱনৰ জমা-খৰচৰ হিচাপ কৰাৰ সময় তেওঁৰ হৈ গ'ল।

পিছদিনা খোবা-খুবুনী। বহুত মানুহ আহিছে, কইনা চাইছে, দৰা-কইনাক লৈ বহুত ধৰণৰ হাঁহি-ধেমালি চলিছে। সকলো এনেকৈ কিবা আমোদ-প্ৰমোদত ডুবি থাকিলে আৰু কৰিবলগীয়া কাম-বন নাথাকিলে বৃন্দাবনে বৰ অকলশৰীয়া অনুভব কৰে। অলপ দূৰৰ বেঞ্চ এখনত বহি সি মানুহৰ মাজত বহি থকা উপেন আৰু ৰূপালীলৈ চাই আছিল, হঠাতে কোনোবা ফালৰপৰা নিজৰা আহি তাৰ ওচৰতে ব'ল। বতাহ তলৰ লাইটবোৰৰ ওচৰে ওচৰে উৰণীয়া পোকে জুম বান্ধিছে, তাৰে এটা নিজৰাৰ চকুত সোমাল, উলিয়াই দিব লাগে। বৃন্দাবনে আথেবেথে আইক তিতৰৰ লাইট এটাৰ তললৈ লৈ গ'ল। আজি দিনটো নিজৰাৰ লগত তাৰ মুখামুখিয়েই

হোৱা নাই। সি ফুৰিছে তাৰ কামৰ পিছে পিছে, নিজৰা ফুৰিছে ৰূপালীৰ লগে লগে। আৰু ৰূপালীৰ লগত বৃন্দাবনৰ এতিয়াও চা-চিনাকি হোৱাই নাই। গামোচাৰ আগ এটা জোঙা কৰি লৈ তাৰে পোকটো উলিয়াবৰ সময়ত সি নিজৰাৰ গালৰপৰা অহা ধুনীয়া গোন্ধ এটা পালে; একেবাৰে যেন চিনাকি হেবোৱা গোন্ধ। মনোৰমা যোৱাৰ পাছত এইখন ঘৰত সেইবোৰ গোন্ধ-ভাপৰ ব্যৱস্থা উঠি গৈছিল; উপেনে দাড়ি খুৰাই মুখত কিবা এটা ঘঁহে, কিন্তু সেইটো নিজৰাৰ গালত উঠিব পৰা বস্তু নহয়।

কিবা এটা ভাবি হঠাতে বৃন্দাবনে সুধিলে, "তই দেখোন আজি গোটেই দিনটো মোক মতাই নাই, কিয়?"

"নামাতো যোৱা, তুমিনো জোকাই থাকা কিয়?" বুলি কৈ নিজৰাই আকৌ লৰ মাৰিলে। এইটো উত্তৰ বৃন্দাবনে ভাইৰপৰা বহুত দিন বহুত বাৰ পাইছে, কিন্তু আজি তাৰ মনটোৱে ক'ব খুজিলে,—আৰু নোজোকাওঁ আই, কেতিয়াও নোজোকাওঁ; তই মোক মাতিবি—। তাৰ এনেকুৱা লাগিল—যেন আজিলৈকে নিজৰাক সি যিমান জোকাইছে, তাৰ কাৰণে সি তাইক ক্ষমা খুজিব; কাকুতি কৰিব,—তথাপি যেন তাই তাক মাতে।

খোৰা-খুবুনী খাই মানুহবোৰ গ'লগৈ। কেৱল ডুজনীমান চুবুৰীয়া ছোৱালী কইনাৰ লগত ভাত খাবলৈ থাকি গ'ল। প্ৰথমতে সুবৰ্ণলতা, নিজৰা আৰু উপেনে খাই ললে, তাৰ পাছত কইনাক মাজত লৈ গাভৰুহঁত বহিল। ভাতৰ গৰাহে প্ৰতি প্ৰত্যেকজনীৰ মুখৰপৰা কথাৰ ফুলজাৰি চিটিকি চিটিকি পৰিল। সুৰমাই নিজৰ বিয়াৰ স্মৃতি খুচৰি উলিয়াবলৈ চেষ্টা কৰিলে; মুখত ভাত আৰু হাঁহি একেলগে লৈ কুমাৰী কেইজনীৰ ভৱিষ্যত বিয়াত কেনে ধৰণৰ আয়োজন হ'ব, তাৰ একো একোটা কাৰ্য্যসূচী ঠিক কৰিলে। ৰূপালীয়ে বেছিভাগ সময় হাঁহিলে; মাজতে কেৱল ক'লে—ভাইৰ বিয়াখন আয়োজন কৰাত বৰ লৰালৰি হ'ল; ককায়েকে ঠিক সময়ত

অফিছৰ ছুটি নোপোৱাত বেছিভাগ কাম দেউতাকে অকলে কৰিব-লগীয়া হ'ল—ইত্যাদি।

গোটেইখিনি সময় নিজৰা তেওঁলোকৰ ওচৰতে বহি আছিল, এবাৰ তাই উঠি চিচাৰ গিলাচ এটাত পানী এগিলাচ ভৰাই লৈ, পানী আৰু গিলাচ কোনোটো যাতে নপৰে তেনেকুৱা সাৱধানেৰে সিহঁতৰ শোৱনী কোঠালৈ সোমাই গ'ল। কোঠালীটোৰ বিছনা-পাতিবোৰ যে ইফাল-সিফাল কৰা হৈছিল, এইটো তাই আবেলিৰ-পৰা দেখি আছিল, কিন্তু এতিয়া শেষ অৱস্থা দেখি তাইৰ চকুযোৰ তিৰবিৰাই উঠিল। বিছনাখন অপূৰ্ব ধুনীয়া হৈছে, অকল কাপোৰ-কানিয়েই নহয়, স্বয়ং কাঠৰ বিছনাখনো সলনি হৈ গৈছে। কিবাকিবি বৰ ধুনীয়া গোন্ধাইছে। পানী গিলাচ মেজৰ ওপৰত থৈ, কাগজ এখনেৰে ঢাকি তাই ওলাই আহিল। গা-ধোৱা ঘৰলৈ গৈ তাই ঘঁহি ঘঁহি ভৰি দুখন ধুই অকণমান ছেণ্ডেলযোৰ ভৰিত সুমুৱাই ললে। তাৰ পাছত আকৌ পাগঘৰৰ দুৱাৰ মুখলৈ গৈ দেখিলে মামীয়েকহঁতৰ ভাত খোৱা হৈ গ'ল, ভাত খোৱা হাত শুকাই কৰকৰীয়া হৈ গ'ল, কিন্তু কথা শেষ হোৱা নাই।

বাৰাণ্ডাত সুবৰ্ণলতা অকলে অকলে বহি আছিল, নিজৰা তেওঁৰ ওচৰলৈ আহিল: পিঠিফালৰপৰা তাই তেওঁক সাবটি ধৰিলে। কিবা এটা যেন অপূৰ্ব পৰশ পাইছে, এনেকুৱা ভাবত সুবৰ্ণলতাই চকুযোৰ মুদি দিলে। তাৰ পাছত নিজৰাই ক'লে, "বুইছে আইতা মামীয়ে কৈছে মোক বোলে মটৰত কৰবালৈ লৈ যাব।"

কিয় ক'ব নোৱাৰে, সুবৰ্ণলতাৰ মনটোৱে যেন লগে লগে চিঞৰি উঠিল, "নাযাবি আই, তই নাযাবি।" কিন্তু তেওঁ কেৱল ক'লে, "যাবি বাৰু, এতিয়া শোওঁগৈ বল, ৰাতি বহুত হৈছে নহয়, তোৰ টোপনি ধৰা নাই?"

"ধৰিছে শোওঁগৈ" বুলি নিজৰাই কোৱাৰ লগে লগে সুবৰ্ণলতা

বহাবপৰা উঠিল। "আহ" বুলি কৈ ঢেও ভিতৰলৈ সোমাই আহিল ; পিছে পিছে নিজৰাও আহিল। মাজৰ কোঠালীটোৰপৰা সোঁফালে সোমালে উপেনহঁতৰ শোৱনীকোঠা, বাঁওফালৰ দুৱাৰেদি সোমালে সুবৰ্ণলতাৰ শোৱনীকোঠা। বাঁওকালে ঘূৰি সুবৰ্ণলতাই সিটো কোঠালৈ যাব খোজা নিজৰাক মাতিলে, "আহ আকৌ, কলৈ গৈছ ?"

"মই শুই থাকোঁগৈ" বুলি নিজৰা আক এখোজ আগবাঢ়িল।

"শুবলৈকেতো মাতিছোঁ। আহ তই মোৰ লগতে শুবি।"

"ই—স্" বুলি নিজৰাই অত্যন্ত অবিশ্বাস আৰু তাচ্ছিল্যৰ শব্দ এটা কৰিলে আৰু মুখখন বিকটাই দিলে।

"কি আকৌ ইস্! চাহিচোন, তোৰ বিছনা কিমান ধুনীয়াকৈ মোৰ লগত পাৰি থৈছোঁ।"—বুলি সুবৰ্ণলতাই উপেনৰ কোঠালীৰ দুৱাৰৰ সিফালে এটা ভৰি দিয়া নিজৰাৰ হাতখনত ধৰি টানি আনিলে। নিজৰাই এনেকুৱা ধেমালিৰ একো অৰ্থ বুবুজি আইতাকৰ মুখলৈ চালে আৰু যেতিয়া আইতাকে "নাপায় নহয়, আহ" বুলি তাইক সঁচাকৈয়ে টানিলে, তেতিয়া তাইৰ অবিশ্বাস যেন নিমিষতে উৰি গ'ল, লগে লগে তাই চিঞৰি উঠিল, "ইস্ নালাগে, মই মামাৰ লগত শুম।" আইতাকে তাইক যিমানবাৰ নিজৰ গাৰ কালে টানিলে, সিমানবাৰ তাই চিঞৰিলে, "মই মামাৰ লগত শুম—।"

অইন এটা কোঠালীত বহি থকা উপেনৰ বুকুখন ধকৃকৈ উঠিল। কিবা এটা তীব্ৰ অনুভূতিয়ে যেন তাৰ বুকুখন ঠেলি ওপৰলৈ উঠি আহিবলৈ বিচাৰিলে।

লবালবিকৈ বাটিটোতে পানী ঢালি হাতখন ধুই বমা দৌৰি পাগঘৰৰপৰা ওলাই আহিল ; আহিয়েই তাই নিজৰাক কোলাত তুলি ললে। সুবৰ্ণলতাৰ বিছনাত বহুৱাই তাই ক'লে, "চাচোন তোৰ বিছনা কিমান সুন্দৰকৈ পাৰি দিছোঁ ; সক সক ছোৱালী আইতাৰ

লগতহে শোৱে; আইতাই তোক মৰম কৰিব নহয়। ধেৎ বেডি ছোৱালী—"

ইমান দিনে উপেনৰ কাষত নিজৰাৰ বিছনা যিমান ধুনীয়া আছিল, সঁচাকৈয়ে আইতাকৰ ওচৰত তাতকৈ বহুত ভাল বিছনাৰ ব্যৱস্থা হৈছে। তাইৰ অকণমান গাকটোৰ ওপৰত বগলী পাখী-যেন বগা কাপোৰ এটুকুৰা পাৰি দিছে, অকণমান ধুনীয়া ফুলাম বিছনাচাদৰো মেলেগে দিছে। কিন্তু নিজৰাই হাত-ভৰি জোকাৰি গোটেই বিছনাখন কোঁচ-মোচ খুৱাই পেলালে। সুবৰ্ণলতা আৰু সুৰমাৰ বহুত বুজনিৰ মাজে মাজে তাই "নালাগে নালাগে, মই মামাৰ লগত শুম" বুলি চিঞৰি উঠিল।

পাগৰৰত কাঁহীৰ কিনাৰত লাগি থকা ভাত চিকুটি চিকুটি কপালী মানুহজনী ভৰিৰপৰা মূৰলৈকে যেন ঘামি উঠিল। গোটেই গাৰ তেজ যেন তাইৰ মুখখনত গোট খালে। কেৱল নিজৰাৰ মাতহে তাইৰ কাণত পৰিছিল।

মুখ বিবৰ্ণ হৈ গৈছিল উপেনৰ। যোৱা তিনিবছৰে, যেতিয়াৰ-পৰা নিজৰাই কথা ক'ব পৰা হৈছে, তেতিয়াৰপৰা তাই তাৰ লগত শুই আছিছে। সি নিজে তাইৰ কাৰণে অকণমান গাৰু এটা কৰাই আনিলে। গোপনি নোযোৱা সময়খিনি সদায় সি তাইক সাধুকথা কৈছে। যিদিনা নতুন সাধু মনত নপৰে, সেইদিনা—"এখন দেশত নিজৰা নামেৰে এজনী ছোৱালী আছিল' বুলি কোৱাৰ লগে তাই "ইস্ মিছা" বুলি কৈছে। মাজনিশা সপোন দেখিয়েই নে কি,—উঁহ—আচ কৰা নিজৰাক সি লাহে লাহে মাতিছে—কি হ'ল নিজু? —নিজু! কোনো উত্তৰ নিদি নিস্তব্ধ হৈ শুই পৰা নিজৰাৰ গাৰ কাপোৰ ঠিককৈ দি তাইৰ গাত হাত এখন থৈ সি শুই পৰিছে। যোৱা এবছৰে শোৱাৰ আগতে সি নিজহাতে আনি দিয়া পানী গিলাচ খাইছে। সেই নিজৰা আজি কি কাৰণত তাৰ লগত নুশুব? তাই কিয় বুজিব? কি বুজিব?

চোতালৰ লাইটবোৰ মুমুৰাই দিয়াৰ পাছত বাহিৰখন অলপ এন্ধাৰ হৈছিল। সেই এন্ধাৰত থিয় হৈ হৈ বৃন্দাবনে ডিঙি মেলি খিৰিকীয়েদি নিজৰাক চাবলৈ চেষ্টা কৰিলে। ভিতৰ সোমাই আহিবলৈ সি সাহ বিচাৰি পোৱা নাছিল। নিজৰাই কিয় কান্দিছে, তাক যেন একমাত্র সিহে বুজিছিল, সিহে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। তাইৰ নিচিনাকৈ সিও যেন কান্দিব পাৰিব লাগিছিল। গা ধোৱাৰ আগতে উপেনক সি গাত তেল ঘঁহি দিছে, অফিছলৈ যোৱা কাপোৰ উলিয়াই দিছে, তামোল কাটি চোলাৰ জেপত ভৰাই দিছে,—কিমান কি কৰিছে। কাইলৈ সি কি কৰিব? বাঁওহাতৰ তলুৱাৰে বুকুখন মোহাৰি মোহাৰি সি দীঘলকৈ নিশাহ এৰিলে; যেন মনে মনে ক'লে, "কান্দ আই, কান্দ।"

কান্দি কান্দি এসময়ত নিজৰা শুই পৰিল; বোধহয় ভাগৰি পৰিল। তাই গাকত মূৰ থৈ শোৱা নাছিল, পাছত সুবৰ্ণলতাই গাকলৈ মূৰটো তুলি দিলে। তেওঁৰ নিজৰ বহুত ৰাতিলৈকে টোপনি যোৱা নাছিল। মাজতে এবাৰ উপেনৰ কোঠালীৰ দুৱাৰখন বন্ধ কৰাৰ সৰু শব্দ হ'ল। গোটেই ঘৰটোত তেতিয়া ধূপ গোন্ধাইছিল। ধূপৰ গোন্ধ লৈ লৈ সুবৰ্ণলতাৰ এসময়ত টোপনি গ'ল; বৃন্দাবনৰো।

কিমান ৰাতি ঠিক নাই, হঠাতে সুবৰ্ণলতাৰ টোপনি ভাগি গ'ল। লৰালৰিকৈ উঠি গৈ লাইটটো জ্বলাই বিছনাৰ কাষলৈ উভতি আহি তেওঁ দেখিলে নিজৰা বিছনাত বহি আছে। অসংখ্য কৰুণ কাকুতিয়ে যেন তাইৰ চকু দুটাত ছলছল কৰি আছে। তাই যেন বহুত কিবাকিবি ক'ব খুজিছে, কিন্তু তাইৰ যেন চিনাকী মানুহ কোনো নাই, এনেকুৱা অসহায় চাৰিনিৰে ভয়ে ভয়ে তাই মাইতাকৰ চকুলৈ চাই আছে।

সুবৰ্ণলতাই বিছনাত উঠি লৈ তাইক হাত এখনেৰে ওচৰ চপাই ধৰিলে। কিছু সময় তেওঁ একো ক'ব নোৱাৰিলে। তাৰ পাছত

তাইৰ থুঁতৰিত ধৰি মুখখন তুলি ধৰি লাহেকৈ তেওঁ সুধিলে, "কি হ'ল আই ?"

নিজৰাৰ নাকৰ পাহি দুটা ফুলি উঠিল, ওঁঠ দুখন কঁপি উঠিল ; বাগৰি নপৰাকৈ চকুৰ কোণত পানী দুটোপাল জিলিকি উঠিল ; তাই এটা এটাকৈ ক'লে, "মই মামাৰ লগলৈ যাম।"

সুবৰ্ণলতাই জোৰেৰে তাইক বুকুত সাবটি ধৰিলে। শোকত, দুখত নিজৰা যেন জহি-খহি গ'ল। তাইৰ কান্দোনৰ অকণো শব্দ নোলাল, এই নিশাৰ মৌনতাক আমনি কৰিব নাপায় বুলি তাই যেন বুজিছিল। কেৱল তাইৰ গোটেই গাটো কান্দোনৰ প্ৰত্যেকটো ঢৌৰ লগে লগে জোকাৰ খাই খাই উঠিল। আৰু কান্দোনৰ প্ৰতিটো ঢৌ অনুভৱ কৰিলে সুবৰ্ণলতাৰ বুকুৱে।

ধাৰসাৰে বৈ অহা সুবৰ্ণলতাৰ চকুপানী নিজৰাৰ মূৰৰ ওপৰত পৰিছিল আৰু তেওঁ তাইৰ মূৰত হাত বুলাই দি চুলিবোৰ সেমেকা কৰি তুলিছিল। আকৌ এবাৰ তেওঁ মনোৰমাক পাহৰিমানে গালি পাৰিলে। এই শেষ নিশা, এইকণ ছোৱালীৰ চকুপানী চাবলৈ মনোৰমা য'তে আছে ত'ৰেপৰা যেন অকণমান সময়ৰ কাৰণে আহে।

ৰাতিপুৱাই ৰূপালীয়ে নিজৰাক বিছনাৰপৰা নমাই নি নিজে হাত-মুখ ধুৱাই দিলে : দুপৰীয়া আগত বহি ভাত খুৱালে ; আবেলি তেল-ফণি লৈ তাই তাইৰ চুলি বন্ধাত লাগিল। মুখত পাউডাৰ অকণমান ঘহোঁতে নিজৰাই মামীয়েকৰ মুখলৈ চাই সুধিলে, 'কালি ৰাতি মামাই পানী খাইছিল মামী ?"

গোটেই দিনটো ৰূপালীয়ে তাকে ভয় কৰি আছিল, তাইৰ মুখখন বগা পৰি গ'ল ক'লে, "খাইছিল ."

খাইছিল। উপেনে আচলতে ৰাতি শোৱাৰ আগতে এগিলাচ কুহমীয়া গাখীৰ খাইছিল।

নিজৰাই অলপ সময় মনে মনে থাকি আকৌ সুধিলে, "মামাই আপোনাক সাধুকথা কৈছিল ?"

এই সময়তে যদি পৃথিৱীয়ে নিজৰাক লুকাবলৈ ঠাই অকণমান উলিয়াই দিলেহেঁতেন! যি সাধু উপেনে তাইক কৈছিল, সেই সাধু যেন আজিলৈকে কোনেও কোৱা নাই, কোনেও শুনা নাই। তাই ক'লে, "কৈছিল নিজৰা, তোমাৰ কণা কিটো কেইভাল আছে?"

নিজৰাক সজাই-পৰাই এৰি দিয়াৰ আগতে কপালীয়ে তাইৰ মুখখন বুকুৰ মাজত এবাৰ সাৱটি ধৰিলে। কপালীৰ উষ্ণ আৰু কোমল বুকুৰ অপূৰ্ব পৰশে তাইক বোধহয় মৌন কৰি পেলালে।

সন্ধিয়া সময়ত আইতাকৰ ওচৰ চাপি নিজৰাই ভয়ে ভয়ে সুধিলে, "আজি মই মামাৰ লগত শুম নে কি আইতা?" আইতাকে তাইক দৰা-কইনাৰ বাকচটো ক'ত থৈছিল বিচাৰি আনিবলৈ পঠিয়ালে।

নিজৰা দৰা-কইনা লৈ আৰু বলিয়া নহ'ল, বাস্তি উচুপিবলৈও যেন পাহৰি গ'ল। কিন্তু এই বলিয়া ছোৱালীজনী ইমান মৌন হৈ গ'ল যে ঘৰখনত কি নাই কি নাই কৰি বৃন্দাবনে হাঁহাকাৰ কৰি উঠিল। বিয়াখন হৈ যোৱাৰ পাছত তাৰ বহুত কাম ওলাইছে, কিন্তু কোনেও যদি তাৰ কামত দোষ নধৰে, কাম কৰি থাকোঁতে ঘনে ঘনে যদি তাক কোনেও আমনি নকৰে, তেনেহ'লে সি কাম কৰে কেনেকৈ? দৰাক নোওৱা ঠাইৰ ওচৰৰ তুলসী পুলিটো যে সি কাটি পেলোৱা নাছিল, বৰঞ্চ গুৰিত মাটি চপাই পোনাই দিছিল তাক চাবলৈও ছোৱালীজনী এবাৰ তাৰ ওচৰলৈ নাহিল। উপেনে আনি দিয়া ৰং-চঙীয়া কিতাপ-বোৰৰ পাত লুটিয়াই লুটিয়াই নিজৰাই কি ৰং পাইছে বৃন্দাবনে বুজি নাপালে। কিতাপবিলাক তাৰ মহাশত্রু যেন লাগিল।

উপেনে ঘৰত থকা সময়খিনি পাৰেমানে আঁতৰি আঁতৰি ফুৰিবলৈ ধৰিলে। অকণমান ছোৱালী এজনীৰ মুখা-মুখি হোৱাৰ সাহকণ তাৰ নাছিল। আঁৰবপৰা নিজৰাক দেখি তাৰ নিজকে দুৰ্দান্ত অপৰাধত অপৰাধী যেন লাগিছিল।

তাৰ পাছত আঠমঙ্গলালৈ যোৱাৰ দিন আহিল। কপালীয়ে আকৌ বিয়াৰ সাজ পিন্ধিলে; উপেনেও পিন্ধিলে:—যেনেকৈ

নিজৰাৰ এগ্লাল পুতলাবে কেইদিনমানৰ পাছত আকৌ বিয়া হয়। উপেনহঁত ঘৰৰপৰা বিয়াত গৈ মটৰত উঠিব। আগফালে দুখৰ মুখলৈ সুবৰ্ণলতা আৰু নিজৰা ওলাই আহিল। গুৱালে গাখীৰ দিবলৈ সোমোৱা বাটটোৰ মুখত বৃন্দাবনো থিয় হৈ ৰ'ল। উপেন আৰু ৰূপালী দুয়ো সুবৰ্ণলতাক একোটা সেৱা কৰিলে; তাৰ পাছত ৰূপালীয়ে নিজৰাক গালখনত হাত ফুৰাই মৰম কৰোঁতে নিষ্প্ৰভ দৃষ্টিৰে মামীয়েকৰ মুখলৈ চাই তাই সুধিলে, "আপুনি আকৌ আহিব নে কি মামী?"

সুবৰ্ণলতাই নিজৰাক কাষলৈ চপাই নিলে। ৰূপালী নিঃশব্দে গৈ বিয়াত বহিল। বিয়াত উঠিবৰ সময়ত চকাৰ মাডগাৰ্ডত পাটৰ মেখেলাখন লাগি ধৰি তৰিখন অকণমান ওলাই গৈছিল, তাই লৰালৰিকৈ হাতেৰে একৰাই ললে।

বিয়াৰপৰা নিজৰালৈ এবাৰ উভতি চাবলৈ ৰূপালীৰ সাচ নহ'ল।

ৰাজমিস্ত্ৰি

কাঠমিস্ত্ৰি এটা লাগে। বসন্তই পাৰ্টিশ্যন এখন কৰাব খুজিছে। গোটেই পাৰ্টিশ্যনখন কাঠৰ নালাগে, কেৱল ফ্ৰে'মটো কাঠৰ হ'ব, বাকীখিনিত সুবিধা বুজি কাপোৰ বা কেনভাছ কিবা এটা লগোৱা যাব। ফ্ৰে'মটো সাজোঁতে বৰ বেছি দুদিন লাগিব। পাকৈত মিস্ত্ৰি নহ'লেও হ'ব, ফ্ৰে'মটো কোনোমতে থিয় কৰি দি যাব পাৰিলেই হয়। ঘৰটোত বসন্ত বা কিমান দিন থাকে তাৰোতো একো ঠিক নাই, গতিকে বৰ্তমানে কোনোমতে কাম চলিলেই হয়। যোৱা দুদিনে ইফালে-সিফালে সি খবৰ কৰাইছে, মিস্ত্ৰি এটা পোৱা নাই। অফিছৰ পিয়ন দুটামানকো সি খবৰ কৰিবলৈ কৈছিল; সিহঁতে খবৰ দিলেহি—চিনাকী মিস্ত্ৰিকেইটাৰ হাত খালী নাই; দুটামান ভগনীয়া মিস্ত্ৰিৰো খবৰ কৰিছিল, সিহঁতে কোনোবা ঠিকাদাৰৰ তলত দলঙৰ কাম কৰি আছে।

আচলতে নিৰঞ্জন চৌধুৰী নহৈ ঘৰটোৰ মালিক আন কোনোবা হোৱা হ'লে, পাৰ্টিশ্যন কৰাবলৈ মিস্ত্ৰি বিচাৰি বসন্তই মগজ খৰচ নকৰে। কিন্তু চৌধুৰীয়ে যেতিয়া এবাৰ কৈ গ'ল, তেতিয়া বসন্তই ধৰি ললে, পাৰ্টিশ্যনখন থিয় হ'বই লাগিব, ইয়াৰ কোনো ইফাল-সিফাল নাই।

বহুত দিনৰ আগতে কলেজত নাম লগাবলৈ আহি বসন্তই পোন

প্ৰথমে নিৰঞ্জন চৌধুৰীৰ ঘৰৰ আগফালৰ বাৰাণ্ডাত চুচুক-চামাককৈ থিয় দিছিল ; বিৰাট ঘৰ ; আগফালে কোনো মানুহৰ দেখা-দেখি নাই ; ভিতৰত কথা-বতৰা পতাৰ শব্দ সি শুনিছিল, কিন্তু নৈৰ সিপাৰে বৰশী বাই থকা মানুহে কথা পতাৰ নিচিনা ভুনভুননিটো শুনি কিমান ভিতৰৰ, কোন কোঠালীত মানুহ আছে সি ধৰিবই পৰা নাছিল। প্ৰথম কোঠালীটোলৈ সোমাই যোৱালৈকে তাৰ সাহ হৈছিল ; তাৰ পাছত আকৌ চুচুক-চামাক, ইফাল-সিফাল। মানুহ এজনৰ লগত দেখা হ'ল অলপ পাছত। বসন্তই জনালে, তাৰ বিনন্দ খুড়ায়েকে শ্ৰীযুত নিৰঞ্জন চৌধুৰীলৈ চিঠি এখন দি পঠিয়াইছে। চিঠিখন লৈ মানুহজন ভিতৰলৈ সোমাই যোৱাৰ অলপ সময়ৰ পাছত বসন্তক ভিতৰলৈ মাতি পঠিওৱা হ'ল। মানুহজনৰ পিছে পিছে বসন্ত এটাৰ পিছত এটা কোঠালী পাৰ হৈ গৈ আছে, কোঠালীৰ শেষেই নহয়। যেতিয়া শেষ হ'ল, তেতিয়া নিৰঞ্জন চৌধুৰীয়ে কলেজৰ সহপাঠী বিনন্দৰ চিঠিখন পঢ়ি শেষ কৰি উঠিছে। বিনন্দ বৰুৱাই লিখিছে,— ভতিজা ল'ৰাটোৱে কলেজত পঢ়িবলৈ গৈছে ; তোমাকে লোকেল গাৰ্জেন পাতিলোঁ ; অলপ চকু ৰাখিবা।

বসন্ত সম্মুখত থিয় হোৱাৰ লগে লগে চৌধুৰীয়ে ক'লে, "হেৰ, এইকণ ল'ৰা কলেজত পঢ়িবলৈ আহিছ !"

বসন্তই থতমত খাই গ'ল। ক'ব নোৱাৰাকৈয়ে তাৰ হাতৰ আঙুলি এটা দাঁত দুপাৰিৰ মাজত সোমাল।

নিৰঞ্জন চৌধুৰী শকত-আবত প্ৰকাণ্ড মানুহ ; সক কাঠৰ চকীখনে মঙহবোৰ চেপা মাৰি ধৰি আছে। কলেজৰ প্ৰথম বাৰ্ষিকতে তেখেত ছুট-পুটত তৃতীয় হৈছিল, পাছলৈ জিমনাছিয়াম চ'ত লোহা লৈকা কৰাত লাগিছিল। সেইদিনা গোটেই কথা-বতৰাৰ ভিতৰত বসন্তই দুবাৰনে তিনিবাৰ চৌধুৰীৰ চকুলৈ চাব পাৰিছিল। "হোষ্টেলত ছিট পাইছ ?"—"পাইছোঁ"—এনেকুৱা দুই-এটা কথাৰ উত্তৰ দিছিল। চৌধুৰী-পত্নীয়ে বৰ আদৰেৰে ভাক চাহ-জলপান খুৱাইছিল ; আহিবৰ

সময়ত গালে-মুখে হাত ফুৰাই কৈছিল, "মাজে মাজে আহি থাকিবা।"

গম্ভীৰ, মোটা মাতেৰে চৌধুৰীয়ে কৈছিল, "খুড়ায়েৰে তোৰ খবৰ লৈ থাকিবলৈ কৈছে; মোৰ সেইবোৰ খবৰ লোৱা-লুই নাই: ঘুৰি ফুৰা দেখিলে বাটৰ মানুহৰ আগতে কাণ মলি দিম।"

কলেজীয়া দিনখিনিৰ কথাই নাই, এতিয়াও নিৰঞ্জন চৌধুৰীৰ সম্মুখত থিয় হ'লে বসন্তৰ কাণ দুখন সিৰসিৰাই উঠা যেন লাগে। হোষ্টেলত থাকোঁতে মাহটোৰ ভিতৰত তিনি-চাৰি দিনকৈ তেওঁখেত-সকলৰ ঘৰলৈ বসন্ত গৈয়েই থাকে, চৌধুৰী-পত্নী খুড়ীয়েকৰ লগত পাগঘৰৰ বাৰাণ্ডাৰ মূঢ়াত বহি নানা প্ৰকাৰৰ কথা পাতিয়েই থাকে, অথচ ঘৰখনত সোমায়েই সি মনে মনে সোধে, "খুড়াদেউ আছেনে কি?"

খুড়ীয়েকে "নাই" বুলি ক'লে সি আশ্বস্ত হয়। আৰু অলপ পৰ বহাৰ কথা ক'লে, "নাই, নাই, খুড়াদেউ আহি পাবহি কেনেবাকৈ" বুলি সি সময়ৰ আওাজ কৰি পলায়। কেতিয়াবা হোষ্টেলৰ মুখত চৌধুৰীৰ গাড়ীখন ৰয়; ড্ৰাইভাৰে বসন্তক কোঠালীৰপৰা মাতি আনেগৈ। গাড়ীৰ ভিতৰৰপৰাই চৌধুৰীয়ে সোধে, "কাইলৈ দেওবাৰ নহয়, দুপৰীয়া তোৰ কাম আছে নে কি?"

"নাই", বসন্তই ভয়ে ভয়ে কয়; আনোচা ওভোতাই ধৰে— "কিয়, তোৰ পঢ়া-শুনা নাই?"

চৌধুৰীয়ে কয়, "তেনেহ'লে কাইলৈ দুপৰীয়া তই আমাৰ তাতে ভাত খাবলৈ যাবি।" অলপ পৰ বৈ তেখেতে আকৌ সোধে, "বুজিছ?"

"হয়।"

"অলপ সোনকালে যাবি" বুলি কোৱাৰ লগে লগে গাড়ী চলে।

বসন্তৰ এনেকুৱা লাগে যেন তাক টাইফয়েড আৰু কলেৰাৰ বেজী লবলৈ মাতি গ'ল। দুৰৰপৰা আলেখ-লেখ চাই থকা হোষ্টেলৰ

আন কৌতূহলী ল'ৰাই তাক সুধিবলৈ বাধ্য হয়, “কি অ', গালি পাৰিলে নেকি?”

গালিও নাপাৰে, তাৰি-হকিও নিদিয়ে, অথচ কিয় মানুহজনৰ চকুলৈ পোনে পোনে চাই কথা ক'ব নোৱাৰে, বসন্তই নাজানে।

বহুত দিনৰ পাছত চৰকাৰী চাকৰি লৈ বসন্ত এইখন চহৰলৈকে আহিল। নতুন চাকৰিৰ কথা-বতৰাবোৰ বুজি-শুনি লোৱাটো হ'ল তাৰ প্ৰথম অসুবিধা, দ্বিতীয় অসুবিধা হ'ল থকাৰ ব্যৱস্থা। ঠিক সেই সময়তে সি দেখিলে নিৰঞ্জন চৌধুৰীয়ে ডাঙৰ পকীঘৰ এটা সজাই শেষ কৰিছে, আৰু মানুহৰ মুখে শুনিলে— ঘৰটো হেনো ভাৰা দিব। অফিচতে কথাটো ওলাইছিল। কোনোবাই ক'লে—ইমান ডাঙৰ ঘৰ, চৌধুৰীয়ে নিশ্চয় কোনোবা অফিচক ভাৰা দিব; কোনোবাই ক'লে—অফিচক দিলে টকা বেছি পাব হয়, কিন্তু ঘৰটো ভালে নাথাকে; গতিকে হয়তো কেৰাণিকো দিব পাৰে।

হ'বও পাৰে। নিৰঞ্জন চৌধুৰীৰ বহুত মাটি, বহুত ঘৰ। চৌধুৰীৰ ভাৰাঘৰত হেট্‌মেণ্ট অফিচবোৰ আৰম্ভ কৰি হাজেৰোৱা কাপোৰৰ দোকানলৈকে বহুত ধৰণৰ ব্যৱসায় আৰু বসবাস চলিছে।

কলেজ শেষ হোৱাৰ পাছৰপৰা চাকৰি পোৱালৈকে মাজৰ এই কেইবছৰ বসন্তই চৌধুৰী-পত্নী খুড়ীয়েকৰ লগত চিঠি-পত্ৰৰ আদান-প্ৰদান ৰাখি আহিল। সময় কৰি এদিন বসন্ত অফিচৰপৰা বাহিৰে বাহিৰে চৌধুৰীৰ ঘৰলৈ আহিল।

আৰামী চকী এখনত বহি চৌধুৰীয়ে ওপৰলৈ চাই কিবা ভাবিছে; ওপৰত ইলেকট্ৰিক ফেন ঘূৰি আছে যদিও চৌধুৰী-পত্নীয়ে মাজে মাজে বিচনীখন লৰাই আছে, এবাৰ নিজৰ কালে, এবাৰ চৌধুৰীৰ কালে। তেখেতৰ মতে—হাজাৰ হওক হাত-বিচনীখনৰ বতাহহাটিৰ আৰামটোৱেই বেলেগ। বসন্তক দেখি তেখেতে হাঁয়ো

বিঔ কৰি উঠিল। লেঠাৰি নিছিঙাকৈ তেখেতে বহুত কথা কৈ গ'ল ঃ তোমাৰ কথা আমি খবৰ কাগজত জানিলোঁ, খুড়ায়েৰাই গেজেটতো দেখিছে ; তেখেতে মোক সুধিয়েই আছে তুমি কেতিয়া আহিবা, মোলৈ কিবা লিখিছানে নাই ; ইত্যাদি। প্ৰয়োজনীয় কথাটো সুধিলে চৌধুৰীয়ে নিজে, চাহ খোৱাৰ সময়ত। চৌধুৰী আগতকৈ আৰু শকত হৈছে ; আৰামী-চকীত মূৰটো অলপ বেঁকা হৈ থকাৰ কাৰণে ডিঙিৰ আঁচ ছুডাল মঙহত পোত খাই আছে ; চচ্মাৰ আগৰ ফ্ৰেমটো সলনি কৰি বৰ শকত ফ্ৰেম এটা লৈ[illegible] কাৰণে মুখখন বসন্তৰ কাৰণে আৰু উদ্বেগজনক হৈছে। ওপৰলৈ চায়েই তেখেতে সুধিলে, "তই আছহি ক'ত ?"

"ডাক বঙলাত।"

"ডাক বঙলাত ?" চৌধুৰীয়ে এইবাৰ বসন্তৰ মুখলৈ চালে আৰু [illegible] ভেকাহি মাৰিয়েই সুধিলে, "ডাক ব[illegible]ত থাকি কি [illegible]কৰি কৰিবি অ' ?"

বসন্তই ক'লে, "মই বৰ লবালবিকৈ আহি জইন কৰিবলগীয়া হ'ল কাৰণে আহি ডাক বঙলাতে নামিলোঁ। নিয়ম মতে মই [illegible]কাৰী ঘৰ পা[illegible] লাগে, পোৱা নাই। মই নিজেই এতিয়া ঘৰ [illegible]বিৰ লাগিব।" [illegible]ষৰ কথা কেইযাৰ ভয়ে ভয়ে উচ্চাৰণ কৰি বসন্তই কেইদিনমানৰ আগতে চুলি কটা মূৰটোৰ পিছফালে হাত ফুৰাই কিবা এটা সান্ত্বনা পোৱাৰ চেষ্টা [illegible]।

চৌধুৰী আকৌ ওপৰলৈ চাই সমাধিস্থ হ'ল। চৌধুৰী-পত্নীয়ে ছুবাৰমান বিচনীখন লবালবিকৈ চৌধুৰীৰ ফালে চলালে। বসন্তই খুড়ীয়েকৰ লগতে ইটো সিটো কথা পাতিলে। এবাৰ চৌধুৰীয়ে মাজতে মাত লগালে, "নৈৰ পাৰৰ শিৱ মন্দিৰৰ অলপ সিফালে মই নতুন ঘৰ এটা সজালোঁ ; ঘৰটো ডাঙৰ ; ইমান ডাঙৰ ঘৰ তোক লাগিব জানো ?"

"মই ঘৰটো বাস্তাৰপৰা দেখিছোঁ, ভিতৰ সোমাই চোৱা নাই।" বসন্তই ক'লে।

অলপ সময় চিন্তা কৰি চৌধুৰীয়ে ক'লে, "এটা কাম কৰ। ঘৰটোত পাগঘৰ দুটা আছে। এটা পাগঘৰকে সৈতে তই একাল লৈ থাক। বেয়া পাবি নে কি?"

বেয়া পাবলৈ কিটো আছে!

ঘৰটোৰ ভিতৰখন দেখি বসন্তৰ সকলো চিন্তা দূৰ হৈ গ'ল। একালে তিনিটাকৈ দুয়োকালে ছটা ডাঙৰ ডাঙৰ কোঠালী, মাজতে এটা প্ৰকাণ্ড কোঠালীয়ে দুয়োকাল লগ লগাইছে। কোনোবা অফিছক ভাৰা দিয়া হ'লে কোঠালীটোতে অফিছৰ জেনেৰেল ব্ৰাঞ্চ হ'লহেঁতেন; এচুকত হেড ক্লাৰ্কৰ ডাঙৰ মেজখনৰ ঠাই বাদ দিও আৰু পোন্ধৰজন কেৰাণী-টাইপিষ্টৰ কাৰণে ঠাই হ'লহেঁতেন। গা[illegible] ঘৰহে এটা। যিফালে গা-ধোৱা ঘৰটো আছিল, সেই [illegible] বসন্তই থাকিবলৈ ললে। গা-ধোৱা ঘৰলৈ বাৰাণ্ডাৰপৰা[illegible] পাবি, তাৰ কোঠালীৰপৰাও যাব পাৰি; সুবিধা।

ঘৰটোত তাৰ দি[illegible] [illegible] [illegible] [illegible] ল'বা এটা ৰাখিছে, বন্ধা-বঢ়া, ইটো-[illegible]টো [illegible] কৰে। অফিছৰ পি[illegible]ন এটাকে লগত ৰাখিব [illegible], কিন্তু বসন্তৰ এটা [illegible] হ'ল—কথাটো বেয়া দেখি। [illegible] মধুৰা নামৰ পি[illegible]টোৱে [illegible]কিছুৰ সময়খিনিৰ বাহিৰে [illegible] [illegible] [illegible] বসন্তৰ [illegible] [illegible]; ইখন-সিখন কৰে, বসন্তৰ আগ-পিছ ধৰে, বসন্তৰ [illegible]-বোৱা হৈ গ'লে [illegible] [illegible] [illegible] [illegible] [illegible]। মুঠতে [illegible] [illegible] মধুৰাই [illegible] বসন্তৰ [illegible] [illegible]।

[illegible] [illegible] [illegible] [illegible] ঘৰ চলিল। এদিন বাস্তিপুৰ [illegible] চৌধুৰীৰ [illegible] বসন্তৰ পৰিচিত হ'লছি। বসন্তই [illegible] [illegible] [illegible] [illegible] উলিয়াই, চোলাৰ জেপত ৰাখি কিবা থাকিল [illegible] [illegible] [illegible] সুমুৱাই বিচাৰিছিল, কাপোৰবোৰো এচুকলৈ ঠেলা

মাৰি সি আগকালে ওলাই আহিল। পদূলিৰপৰা সোমাই আহিয়েই চৌধুৰীয়ে সুধিলে, "এইবোৰ কি ফুল পুলি কইছ অ' ?"

সোমাই অহা বাটটোৰ দুয়োকাষে ফুল পুলিবোৰ এবেগেতমান ওখ হৈছে। সেইবোৰ বসন্তৰ কাম। বসন্ত অফিচলৈ যোৱাৰ পাছত গোটেই দিনটো সি সেইবোৰকে কৰি থাকে। ক'ৰপৰা পুলি আনে, কি ফুলৰ পুলি বসন্তই নাজানে।

সি ক'লে, "জানো, ক'ৰ নোৱাৰোঁ খুড়াদেউ, ল'ৰাটোৱে কইছে, ফুলিলেহে চিন ওলাব।"

কোঠালীৰ ভিতৰ সোমোৱাৰ পাছত বহিবলৈ কওঁতে চৌধুৰীয়ে ক'লে, "নাই মই নবহোঁ, আহচোন ঘৰটো চাওঁ।"

নিজৰ ঘৰ নিজে কি চায় বসন্তই বুজিব নোৱাৰিলে। ইকোঠালীৰপৰা সিকোঠালীলৈ যাওঁতে চৌধুৰীয়ে চুটি চুটি প্ৰশ্ন সুধিলে, বসন্তই চুটি চুটিকৈ উত্তৰ দি গ'ল।

"কেনে পাইছ থাকি ?"

"ভাল পাইছোঁ, বৰ ভাল লাগিছে।"

"এইটোত ভই শোৱ ?"

"হয়।"

"আলহী আহিলে কি কৰ ?"

"এতিয়ালৈকে আলহী অহা নাই, আহিলে কিবা এটা কৰিব লাগিব।"

পিছফালৰ বাৰাণ্ডাত থিয় হৈ হঠাতে চৌধুৰী এবাৰ গা-ধোৱা ঘৰৰ বেৰখনৰ কাষলৈ চাপি গ'ল, সুধিলে, "বেৰবোৰ ফাটিছে নে কি অ' ?"

বসন্ত বেৰখনৰ আক ওচৰলৈ চাপি গৈ ভালকৈ চাই ক'লে, "নাই ফটা, এইটো সৌ বাতামৰপৰা বাগৰি অহা মাটিতেলৰ দাগ।"

বাৰাণ্ডাখনৰ সিটো মূৰে দুৱাৰখনত ডাঙৰ পিত্তলৰ তলা এটা ওলমি আছে। সিফালৰ তিনিটা কোঠালীৰ দুৱাৰবোৰ ভিতৰৰপৰা শলখা মাৰি বন্ধ কৰি সেইখন দুৱাৰত তলা মাৰি থৈছে। আহিবৰে

পৰা বসন্তই তলাটো তেনেকৈয়ে থকা দেখিছে। বন্ধ হৈ থকা ডাঙৰ ডাঙৰ তলাবোৰৰ দৃশ্যটো এনেয়ে ভাল নালাগে, দেখিলেই মনটো কিবা বিৰাগ বিৰাগ লাগে,—চৰকাৰী গুদামতেই হওক বা কাৰোবাৰ শোৱনী-কোঠাৰ দুৱাৰতেই হওক। এই তলাটো সদায় দেখি দেখি বসন্তৰ বিৰক্তি জন্মিছে।

মাজৰ প্ৰকাণ্ড কোঠালীটোত সোমাই চৌধুৰীয়ে বেৰ-ছিলিং চাবলৈ ধৰিলে। কোঠালীটোৰ অন্ততঃ আধা বসন্তই ব্যৱহাৰ কৰিব পাৰে, কিন্তু প্ৰয়োজন হোৱা নাই। ৰাতি কিবা কাৰণত ভয় লাগিলে কেতিয়াবা ইয়াত মাটিতে বিছনা পাৰি বয় শোৱে, তাৰ বাহিৰে কোঠালীটোৰ কোনো ব্যৱহাৰ হোৱা নাই। এনেয়ে বয় পাগঘৰৰ লগতে থকা সৰু কোঠালীটোত শোৱে।

কোঠাটোৰ মাজত থিয় হৈ চৌধুৰীয়ে ক'লে, "এটা কথা হ'ল অ'। তোৰ খুড়ীয়েৰৰ লগা-ভগা ল'ৰা এটাই থাকিবলৈ ঘৰ পোৱা নাই। আগতে অকলশৰীয়া হৈ থাকোঁতে ক'ৰবাত আছিল, কিছুদিনৰ আগতে বিয়া কৰালে, এতিয়া ঘৈণীয়েকক আনিব খুজিছে। মানুহ সিহঁত দুটাই, বৰ বেছি চাকৰ-বাকৰ কোনোবা এটাক লগত আনিব চাগৈ। কথাটো ভাবি চাচোন, চাই ক, তোৰ কিবা অসুবিধা হ'ব নেকি।"

বসন্তৰনো কি অসুবিধা হ'ব? সিফালে তেওঁলোকৰ হিচাপে তেওঁলোকে থাকিব, ইফালে বসন্ত যেনেকৈ আছে তেনেকৈয়ে থাকিব। কিমান মানুহ এনেকৈ থাকে। তাতে আহিব খোজা মানুহজন খুড়ীয়েকৰ কিবা হয়। বসন্তই ক'লে, "মোৰ একো অসুবিধা নহয় খুড়াদেউ।"

"ওঁ, হ'ব নালাগে, ল'ৰাটোৰ লগত মই কথা-বতৰা পাতি চাইছোঁ। ইতিমধ্যে ঘৰটো বিচাৰি মোৰ ওচৰলৈ বহুত মানুহ আহিছে, তোৰ কথা ভাবিয়েই মই কাকো দিয়া নাছিলোঁ।"

ইয়াৰ পাছত আৰু বসন্তৰ ফালৰপৰা একো আপত্তি থাকিব নোৱাৰে।

চৌধুৰীয়ে ক'লে, "এটা কাম কৰিলে সুবিধা হ'ব। এইখিনিতে এখন পাৰ্টিশ্যন দি এইফাল তই ব্যৱহাৰ কৰিবি, সিটো ফালে সিহঁতে যি কৰে কৰিব। নহয় জানো?" চৌধুৰীয়ে কোঠালীটোৰ সোঁ মাজতে থিয় হৈ কথা কেইষাৰ ক'লে। বসন্তই ক'লে, "হয়।"

"পিছে মোৰ মানুহবোৰ এতিয়া অ'ত-ত'ত কামত লাগি আছে। মিস্ত্রি এটা মাতি পাৰ্টিশ্যনখন তয়েই কৰাই লবিচোন। যি খৰচ পৰে এসময়ত গৈ খুড়ীয়েৰৰপৰা লৈ আহিবি। সিহঁত অহা সপ্তাহত অহাৰ কথা, ইয়াৰ ভিতৰতে তই পাৰ্টিশ্যনখনৰ কিবা এটা দিহা কৰিবি। তোৰ পিয়ন আছে নহয়, সিহঁতক ক'লেই কৰাই দিব।"

চৌধুৰী যাবলৈ ওলাল। বসন্তই সুধিলে, "চাহ একাপ—"

নালাগে। চৌধুৰীয়ে এই সময়ত চাহ নাখায়। কি দিয়া যায়? মানুহজন শুদা মুখেই যাবনে? বসন্তই ভাবিলে। পিছে উপায়ো নাই। চৌধুৰীক সি তামোল খোৱা দেখা নাই। ছিগাৰেট খায়, কিন্তু তেখেতক বসন্তই ছিগাৰেটৰ টিনটো উলিয়াই দিয়াতকৈ প্ৰেমিকাৰপৰা অহা চিঠি এজাপ পঢ়িবলৈ দিয়াই ভাল।

গাড়ীত উঠিবৰ সময়ত বসন্তই চৌধুৰীক সুধিলে, "তেখেতে কি কৰে?" তেখেতে মানে যিজন ঘৰটোলৈ আহিব।

"নাই, চাকৰি তেনেকুৱা একো ভাল নহয়। ইয়াৰে অফিছ এখন—।" ড্ৰাইভাৰে গাড়ীৰ দুৱাৰখন মাৰি দিলে।

গতিকেই পাৰ্টিশ্যনখন কৰাবই লাগিব। এই সপ্তাহৰ ভিতৰতে। অহা সপ্তাহত তেওঁলোক আহিবই। কিন্তু এই কেইদিনৰ ভিতৰত কাঠমিস্ত্রি এটা পোৱাই দেখোন মস্কিলৰ কথা হৈছে।

শুকুৰবাৰে বাতিপুৱা মথুৰা পিয়নে যন্ত্ৰ-পাতিৰে সৈতে মিস্ত্রি এটা ক'ৰবাৰপৰা ধৰি আনিলে। নাম তাৰ বাৰিক। মথুৰাই বোধহয়

বসন্তৰ আগত তাৰ ক্ষমতা দেখুৱাই লাভবান হোৱাৰ আশাতে বাৰিকক ধৰি আনিলে, আৰু বাটে বাটে বাৰিকক বোধহয় এনেকুৱা ভয় দেখুৱাই আনিলে যে চাহাবৰ কাম নকৰিলে তাৰ জেললৈ যাবলগীয়া পৰ্য্যন্ত হ'ব পাৰে! কাৰণ বসন্তৰ আগত থিয় হৈ বাৰিকে কাওঁ-বাওঁ কৰিবলৈ ধৰিলে। সি ক'লে,—হাতত থকা ঠিকা কামটো শেষ কৰি সি সোমবাৰে যেনেতেনে চাহাবৰ কামটো কৰি দিব। বসন্তই ক'লে,—ঠিক আছে। মনে মনে সি ভাবিলে—সোমবাৰৰ আগতে তেওঁলোক আহিলেহে দিগদাৰ হ'ব।

আহিলো সঁচা। শনিবাৰে অফিছৰপৰা অলপ সোনকালে ঘৰলৈ উভতি দূৰৰপৰাই বসন্তই দেখিলে, পদূলিমূখত এখন লৰী, লৰীৰ ওপৰত চকী-মেজ-পালেং আদি সৰঞ্জাম, মূৰত গামোচা বন্ধা বিহাৰী কেইটামানে বস্তুবোৰ নমোৱাত ব্যস্ত। ঘৰলৈ সোমাই সি দেখিলে ইতিমধ্যে কিছুমান বস্তু নমাই আগফালৰ বাৰাণ্ডাত থোৱা হৈছে। ধুনীয়া চোফা, চিকচিকীয়া ঘূৰণীয়া মেজ, কাৰুকাৰ্য্যপূৰ্ণ ড্ৰেছিং টেবুল,— বস্তুবোৰ দেখিলেই গৰাকীজনে অলপতে বিয়া কৰোৱা যেন লাগে।

বস্তুই ধৰা-ধৰি কৰি অলপ সহায় কৰিছিল হ'বলা। কোনেও মন নকৰাৰ সুবিধা লৈ ইতিমধ্যে সি ড্ৰেছিং টেবুলৰ আয়নাখনত তাৰ গোটেই চেহেৰাটো ঘূৰাবৰ্মান চায়ো লৈছিল। বসন্তক দেখি সি ভিতৰলৈ সোমাই গ'ল।

বাৰাণ্ডাত থিয় হৈ কাম চাই থকা মানুহজন বসন্তক দেখি এখোজ আগবাঢ়ি আহিল। ওখ, পাতল, বগা মানুহজন, চুলিবোৰ ওভোতাই আঁচোৰা, চকুৰ দৃষ্টি, মুখৰ চেহেৰা অত্যন্ত শান্ত, নিৰীহ। মানুহজনে লাহেকৈ বসন্তক নমস্কাৰ জনালে আৰু বিনীতভাৱে ক'লে, "মই প্ৰদীপ দত্ত।"

বাৰাণ্ডাত উঠি বসন্তই প্ৰতি-নমস্কাৰ জনাই ক'লে, "অ' হয়, আপোনালোকৰ কথা মই শুনিছো: কেতিয়া আহে তাকে ভাবি আছিলোঁ। আজিয়েই ভাগিলনে কি?"

প্ৰদীপ দত্তই ক'লে, "নহয়, আজি বস্ত-বাহানিবোৰহে থান্-থিত লগাই থৈ যাওঁ বুলি ভাবিছোঁ, আমি কাইলৈহে আহিম।" লগে লগে প্ৰদীপ দত্তৰ চকু বস্ত কঢ়িয়াই অনা মানুহ দুটাৰ পিনে গ'ল; তেওঁ লবা-লৰিকৈ ক'লে, "এই চাবি চাবি, ফুল পুলি আছে।"

মানুহ দুটাই কাঠৰ তেৰাজ-টেবুল এখন ঠেক বাটটোৰেদি হেঁপোৰ-ভেঁপোৰকৈ সুমুৱাই আনিছিল; তাৰে এটাৰ ভৰি বাটৰ-পৰা আঁতৰি কিনাৰৰ ফুল পুলিৰ ওপৰত পৰোঁ পৰোঁ হৈছিল। প্ৰদীপ দত্তই চিঞৰি উঠাৰ লাভ নহ'ল; এটা মানুহৰ ভৰি পুলি এটাৰ ওপৰত পৰিলেই। পুলিটো বেঁকা হৈ গ'ল। দত্ত উথিল হৈ উঠিল; তেওঁ থিয় হৈ থকা অইন এটা মানুহক ক'লে, "সেই ফুল-পুলিটো পোনাই দে।"

বসন্তই ক'লে, "থাকক দিয়ক, একো নহয়।"

দত্ত আশ্বস্ত নহ'ল, নিজে ওচৰ চাপি গৈ তদাৰক কৰি ফুল পুলিটো পোনাই দিয়ালে। কিছু সময়ৰ মৌনতাৰ পাছত দত্তই ক'লে, "আপোনাৰ অসুবিধা কৰিবলৈহে আহিলোঁ।"

"নাই নাই, মোৰ কিহৰ অসুবিধা! অকলে অকলে, কাৰো মাত নাই—বোল নাই, মোৰ আমনিহে লাগিছিল, এতিয়া তেও আপোনালোকৰ লগতে কথা-বাতৰা এবাৰ পাতিব পাৰিম। পিছে এটা কথা, নিবঞ্জন খুড়াদেৱে এই কোঠালীটোৰ মাজেৰে পাৰ্টিশ্যন এখন দিয়াৰ কথা কৈছিল; মই খবৰ কৰাইছোঁ, কিন্তু মিস্ত্ৰি এটা পোৱা নাই, অহা সপ্তাহতে যেনেতেনে পাৰ্টিশ্যনখন হ'ব; এই কেইদিন আপোনালোকৰ অলপ অসুবিধা—"

"নহয় নহয়", প্ৰদীপ দত্তই লবালৰিকৈ সন্ত্ৰস্তভাৱে ক'লে, "আমাৰ একো অসুবিধা নহয়। তেখেতে মোকো কথাটো কৈছিল, কিন্তু পাৰ্টিশ্যনখন নহ'লেও আমাৰ একো অসুবিধা নহয়।"

কথাকেইযাৰ দত্তই আন্তৰিকভাৱে ক'লে

"মই অকলশৰীয়া মানুহ, মোকনো কিয় পার্টিশ্বনখন লাগিছে !" বসন্তই লাহেকৈ হাঁহিলে।

নালাগে বুলি প্ৰকাশ কৰাৰ পাছত পার্টিশ্বনখন দিয়া বেয়া দেখি; গতিকে বসন্তই মথুৰা পিয়নৰ হতুৱাই বাবিক মিস্ত্ৰিক খবৰ দিয়ালে, সোমবাৰে সি আহিব নালাগে, লাগিলে পাছত মাতি পঠিয়াব। অৱশ্যে বসন্তৰ মনে মনে এটা ভয়ো থাকিল; যদি কেতিয়াবা নিৰঞ্জন চৌধুৰীয়ে ভাবি মাৰি সোধে,—তোক পার্টিশ্বনখন কৰাবলৈ কৈছিলোঁ, নকৰালি কিয় ?

বন্ধু-বান্ধবিবোৰ ভিতৰলৈ সুমুৱাই প্ৰদীপ দত্ত যোৱাৰ পাছত বসন্তই ভাবিলে, বোধহয় বেয়া নালাগিব। পত্নীগৰাকীৰ কথা সি নাজানে, কিন্তু দত্ত মানুহজন বেয়া হ'ব নালাগে। নিৰঞ্জন চৌধুৰীয়ে দিয়া আভাস মতে দত্তই বৰ ভাল চাকৰি নকৰে, কিন্তু ঘৰত বসন্তই অকিছত বা বাটে-ঘাটে পোৱা উচ্চ-সন্মান বিচৰা উচিত নহয়। আৰু নিজৰ সন্মান ৰচাই চলিব জনাটোৰ দায়িত্ব তাৰ নিজৰ।

নিমাও-মাও ঘৰখনত থাকি বসন্তৰ সঁচাকৈয়ে মাজে মাজে আমনি লাগিছিল। ভুকিবলৈও পোহনীয়া কুকুৰ এটা নাই! যিবা বয়টো আছে, তাৰ মুখতো হয় হাব, ভাল হাব ইত্যাদিৰ বাহিৰে মাত নাই। বসন্ত ঘৰত নাথাকিলে বা শুই থকাৰ গম পালে সি ৰাম-লক্ষণ-সীতা বনলৈ যোৱা সম্পৰ্কীয় কিবা গান এটা গায়, বসন্ত থাকিলে মনে মনে থাকে! মথুৰাও সেই; শব্দ কৰাৰ ভিতৰত সি কেৱল মাজে মাজে খবি কাটে।

চুবুৰিটোৰ আনবোৰ মানুহৰ লগতো বসন্তৰ বিশেষ চা-চিনাকি হোৱাৰ সুবিধা হোৱা নাই। ইমান দিনে দেখি দেখি সি অনুমান কৰিছে বেছিভাগ মানুহে পেটৰ চিন্তাত গোটেই দিনটো পৰিশ্ৰম কৰে। চাকৰিয়ালৰ ভিতৰত কেৱল এজন মাষ্টৰ আছে; তেওঁখেতৰ ঘৰলৈকে মানুহৰ আহ-যাহ অলপ বেছি; তাচ-পাশাৰ আড্ডা জাতীয় কিবা এটা নিশ্চয় মাষ্টৰৰ ঘৰত আছে। সেইবোৰ মানুহে পাছলৈ

বাটত লগ পালে বসন্তক ছাৰ বুলি সম্বোধন কৰে আৰু সকলৈকে নমস্কাৰ একোটা জনায়।

মাজে মাজে কথা-বতৰা হৈছে মাষ্টৰৰ মাকৰ লগত। মাষ্টৰৰ মাক বুঢ়ী মানুহ ; কঁকাল হলিছে। সময় পালেই তেখেতে ইঘৰ-সিঘৰ ফুৰে। বাটত লগ পোৱা সকলো মানুহকে উপযাচি কথা সুধিব পাৰে, কিন্তু ওৰণিখন কপালৰপৰা এক আঙুলো ছুঁহকিবলৈ নিদিয়ে।

বসন্তৰ ঘৰৰ আগফালে নিমগছ এজোপা আছে ; বুঢ়ীয়ে তাৰে পাত নিবলৈ আহে ; নিমপাতৰ উপকাৰিতা সম্পর্কে বহুত কথা ইতিমধ্যে বসন্তৰ মুখস্থ হৈ গৈছে। নিম-তিতা পেটলৈ ভাল, ঘা-ফোঁহোৰা আদি ছালৰ বেমাৰৰ কাৰণে নিমপাতৰ বস মহৌষধ, নিমৰ দাঁতোনৰ কথাতো ক'বই নালাগে, আনকি নিমগছৰ মাজেদি বৈ অহা বতাহেও ৰোগ-ব্যাধি উকৰাই নিয়ে। এই নিমজোপাৰ ওচৰত থাকে মানে অসুখ-বিসুখৰ কাৰণে বসন্তই চিন্তা কৰিব নালাগে। মুঠৰ ওপৰত বসন্তই বুজিলে যে পাৰিলে বুঢ়ীয়ে গোটেই পৃথিৱীৰ হাস্পতালবোৰ ভাঙি তাৰ ঠাইত নিম পুলি কই দিয়ে!

যি দুই-এষাৰ কথা-বতৰা, সেই বুঢ়ীৰ লগতে। এতিয়া প্রদীপ দত্তইত আহিলে বোধহয় ঘৰখনত মাত-বোল শুনা যাব।

সোমবাৰে ৰাতিপুৱা শোৱাৰপৰা উঠি পিছফালৰ বাৰাণ্ডালৈ ওলাই আহি বসন্ত থমক খাই ৰ'ল। পিতলৰ তলা ওলমি থকা দুৱাৰখন আধা মেল খাই আছে, ফুলাম পর্দাৰ একাল ওলাই আছে। দত্তইতে যিটো পাগঘৰ ব্যৱহাৰ কৰিব, তাৰ খুটা এটাৰপৰা বাৰাণ্ডাৰ খুটালৈ টনা তাঁৰডালত তিতা পাতল চাদৰ এখন ওলমি আছে ; চাদৰখন বতাহত অলপ অলপ লৰিছে।

বসন্ত ভিতৰলৈ সোমাই আহিল। অলপপৰ একে ঠাইতে থিয় হৈ থাকি সি কিবাকিবি ভাবিলে ; চুলিখিনি আচুৰি আয়নাত মুখখন এবাৰ চালে ; তাৰ পাছত কোঠাটোৰ ভিতৰতে ঘূৰি-পকি

ব্ৰাছেৰে দাঁত মাজিবলৈ লাগি গ'ল। চাহ খাই উঠি সি আগফালৰ কোঠালীটোৰ চকী এখনত মনে মনে বহি থাকিল। প্ৰয়োজন নোহোৱাকৈ পিছফাললৈ নগ'ল।

সেইদিনা গা ধুবৰ সময়ত বসন্তই তাৰ কোঠালীৰপৰা গা-ধোৱা ঘৰলৈ সোমোৱা দুৱাৰেখনৰ শলখাডাল তাৰ কোঠালীৰ ফালৰপৰা মাৰি দিলে। গা-ধোৱা ঘৰ এটা বেভিয়া সিও বাৰাণ্ডাই দি সোমোৱাই ভাল। বাৰাণ্ডাইদি সোমাই দুৱাৰখনৰ সেই ফালৰ শলখাডালো চালে; বন্ধ থকা উচিত আছিল, কিন্তু খোলা আছে; বোধহয় গা ধুবৰ সময়ত বন্ধ কৰি পাছত আকৌ খুলি থৈ গৈছে। বসন্তই সেইডালো বন্ধ কৰি দিলে।

চাদৰৰ গৰাকীৰ লগত দেখা হ'ল সেই দিনাই আবেলি। বসন্তই আগফালৰ বাৰাণ্ডাত এনেয়ে ইফাল-সিফাল কৰি আছিল। আগতে সি গোটেই বাৰাণ্ডাখন ব্যৱহাৰ কৰে, আজি তাৰ ফালৰ আধাখিনিতে ঘুৰা-পকা আবদ্ধ ৰাখিলে। অলপ পাছতে সিফালৰ দুৱাৰখন খোল খালে; প্ৰথমে প্ৰদীপ দত্ত আৰু পিছে পিছে তেওঁৰ পত্নী ওলাই আহিল। তিৰোতাগৰাকীয়ে বসন্তক নমস্কাৰ জনালে। হাত দুখন কপাললৈ তোলোঁতে এক মুহূৰ্তৰ কাৰণে হ'লেও বসন্ত অভিভূত হৈ গ'ল। একে আষাৰে ক'বলৈ গ'লে মানুহগৰাকী সুন্দৰী।

কেইদিনমানৰ পাছত পিয়নে বস্তুৰ হাতত দি যোৱা চিঠি এখনৰপৰা মানুহগৰাকীৰ নামটো জনা গ'ল। প্ৰীতিৰাণী দত্ত, কেয়াৰ অফ্ প্ৰদীপ দত্ত। ঠিকনাটোৰ ওপৰত দুবাৰমান চকু ফুৰাই, ডাকঘৰৰ মোহৰত ক'ৰপৰা আহিছে বুজিবলৈ চেষ্টা কৰি বসন্তই বস্তুৰ হাততে চিঠিখন সিফাললৈ দি পঠিয়ালে।

তাৰ পাছত দিন গ'ল, সপ্তাহো গ'ল, কিন্তু বসন্তই লক্ষ্য কৰিলে ঘৰখনৰ নিস্তব্ধতা ভংগ হোৱাৰ কোনো লক্ষণেই নোলাল। বসন্ত অফিছলৈ যায়, উভতি আহে; দত্ত অফিছলৈ যায়, উভতি আহে

—একো বৈচিত্ৰ্য নাই। প্ৰীতিবাণীয়ে বাতিপুৱাই গা ধোৱে; মগটো পকাত লাগি যাতে খটংকৈ শব্দ নহয় তাতো সাৱধান লয়; হাতৰ খাৰুবোৰ জোৰকৈ কিলাকুটিৰ ফাললৈ ঠেলি মণ্ডহত খাপ খুৱাই থয়, যাতে ৰুনুৰুনু কৰি নাথাকে। গা-ধোৱা ঘৰৰ দুৱাৰখন তেওঁ অতি সন্তৰ্পণে খোলে, বন্ধ কৰে। ইটো কোঠালীত তেতিয়া বসন্ত শুই থাকে।

বসন্ত যেতিয়া উঠি পিছ বাৰাণ্ডালৈ যায় তেতিয়া তাঁৰডালত চাদৰখন ওলমি থাকে, আধা-আধি শুকায়েই। বাতিপুৱা তিয়াই দিয়া অইনবোৰ কাপোৰ প্ৰীতিবাণীয়ে কোঠালীৰ ভিতৰতে মেলি দিয়ে। বাহিৰত,—লাজ লাগে।

প্ৰদীপ দত্তৰ লগত বসন্তৰ মুখামুখি হ'লে দত্তই অতি নম্ৰভাৱে হাঁহে; বসন্তই কিবা এটা সুধিলে সৰুকৈ উত্তৰ দিয়ে।

কথা-বতৰা বাঢ়িছে বহুৰ। পাগঘৰৰ লগতে থকা তাৰ শোৱা কোঠালীত বহি সি নাৰায়ণৰ লগত হাঁহি-মাতি খলখলাই থকা বসন্তই শুনে। নাৰায়ণ দত্তহঁতৰ বন-কৰা ল'ৰা। বয়স ষোল-সোতৰ বছৰ মান হ'ব। বহুতকৈ ডাঙৰ।

আৰু অলপ মাত-বোল বেছি শুনা গৈছে মাষ্টৰৰ মাক বুঢ়ীৰ। আগতে বুঢ়ী পিছফালৰ বাটটোৱেদি পোনেই গৈ পাগঘৰৰ বাৰাণ্ডাত উঠে; মাত লগায়, "কি কৰিছ অ' বহু?" তাৰ পাছত সোধে, "ডেকা-চাহাব কেনিবা ওলাই গ'ল নে কি?" বসন্ত ঘৰত নাথাকিলে বুঢ়ীয়ে বহুৰ লগতে দুআষাৰ কথা পাতে। তাৰ দৰমহা কিমান, বসন্তই তাক গালি-শপনি পাৰে নেকি,—তাৰ ভু লয়। শেষত বহুই গছত উঠি নিমপাত পাৰি দিব লাগে; কাৰণ বুঢ়ীয়ে অনা হাঁফুটি ডালেৰে চুকি পোৱাত নিমপাত শেষ হৈছিল।

আজিকালি মাষ্টৰৰ মাক পোনে পোনে সিটো পাগঘৰৰ ফালে যায়, ভুমুকা-ভুমুক কৰি কোন ক'ত আছে চায়; তাৰ পাছত পিছ দুৱাৰেদিয়েই দত্তহঁতৰ ভিতৰলৈ সোমাই যায়। ভিতৰত কথা-

বস্তা হয় প্ৰীতিবাণীৰ লগত। প্ৰায় পঞ্চাছ বছৰৰ আগতে এইখিনিত এজোপা কিমান ডাঙৰ আমগছ আছিল, আৰু সেই আমজোপাৰ ওপৰত থকা ঘৰটোত বহি মহোধৰ কুচাই কেনেকৈ কানি খাইছিল, তাৰপৰা আৰম্ভ কৰি বুঢ়ীয়ে যে এতিয়াও পঠাৰ মণ্ডহ চোবোৱাত অসুবিধা নহয় তাকৈকে বখানি যায় আৰু শেষত প্ৰীতিবাণীৰ ভৰিত জিনজিননি উঠে।

কিন্তু বয়, নাৰায়ণ আৰু মাষ্টৰৰ মাকক বাদ দি, ঘৰৰ মালিক-ইঁতৰ মুখৰ মাত নাই। বসন্তই ঠিক কৰিলে, কথাটো ভাল হোৱা নাই। নিৰঞ্জন চৌধুৰী বা তেখেতৰ পত্নীয়ে বোধহয় বসন্তৰ সম্পৰ্কে বা তাৰ চাকৰিটোৰ সম্পৰ্কে এনেকুৱা এটা গুৰু গম্ভীৰ ধাৰণা মানুহ-হালৰ মনত সুমুৱাই দি পঠিয়াইছে যে মুকলি মাত-কথা এবাৰৰ কাৰণেও তেওঁলোকে মনত বল পোৱা নাই। কথাটো সঁচা।

এদিন সেওবাবে ছুপৰীয়া বসন্ত বিছনাতে দীঘল দি পৰি আছে। মাজৰ ডাঙৰ কোঠালীটোৰপৰা টুক-টাক শব্দ আৰু মানুহহালৰ অতি সৰু সৰু মাত আহি আছে; বোধহয় তেওঁলোকে কেৰম খেলিছে। এনে সময়ত পিছ বাৰাণ্ডাত নাৰায়ণে 'চেই চেই' বুলি জোৰেৰে চিঞৰি উঠিল। পাগঘৰৰ বাৰাণ্ডাত কুকুৰ উঠিছিল হবলা। তাৰ লগে লগে প্ৰীতিবাণীয়ে চেপা মাতেৰে ক'লে, "অই চিঞৰিছ কিয়? মানুহ শুইছে—নাজাননে কি?"

মানুহ মানে বসন্ত। কথা কেইষাৰ কাণত পৰি বসন্তৰ পুতৌ জন্মি গ'ল। তাৰ উপস্থিতিৰ কাৰণে এহাল মানুহ ইমান সন্ত্ৰস্ত হৈ থকাটো তাৰ নিজৰে ভাল নালাগিল। কিছু সময়ৰ পাচত ভাল চোলা এটা গাত সুমুৱাই, মাজৰ দুৱাৰখন খুলি সি ডাঙৰ কোঠালী-টোলৈ ওলাই আহিল। কোঠালীটোত ভৰি দিয়েই সি সুধিলে, "কেৰম খেলিছে?"

ছিগাৰেট হুপি থকা ডেকাৰ আগত যেন ভাঁজানিয়েই পাঠোৱা পাঠশালাৰ পণ্ডিত ওলালহি। অত্যন্ত ব্যস্তভাৱে প্ৰদীপ দত্ত

বহাবপবা থিয় হ'ল; মুখৰ ভিতৰতে কোঁৱাদি ক'লে, "নাই—এনেয়ে—"

প্ৰীতিবাণীয়েও উঠোঁ উঠোঁ কৰি পিছফালে পৰি থকা ওবণিৰ কাপোৰখন তুলি ললে। বসন্তই ক'লে, "উঠিল কিয়, বহক। আপোনালোকে কি কৰিছে চাবলৈ বুলিহে ওলাই আহিলোঁ।"

দত্তৰ নাৰায়ণক মাতিবলৈ ধৈৰ্য্য নহ'ল; তেওঁ নিজে ভিতৰলৈ সোমাই গৈ ভাল চকী এখন দাঙি আনিলে; চকীখন ভালকৈ পাৰি দি ক'লে, "বহক।"

বসন্ত বহাৰ পাছত দত্ত বহিল। বসন্তই ক'লে, "খেলক, আপোনালোকে খেলক, মই চাওঁ।"

কিন্তু কোনেও খেলা আৰম্ভ কৰাৰ লক্ষণ দেখা নগ'ল। পাঁচটা ক'লা আৰু চাৰিটা বগা গুটি ব'ৰ্ডখনত সিঁচৰতি হৈ পৰি আছে, ৰঙা গুটিটো ইতিমধ্যে কোনোবাই পকেট কৰিছে। বসন্তই সুধিলে, "আপোনালোকৰ ভিতৰত কোনে ভাল খেলে?"

"নাই, মই একেবাৰে খেলিব নোৱাৰোঁ। শিকিছোঁহে।" দত্তই ক'লে।

"অ', তাৰ মানে আপুনি—।" বসন্তই প্ৰীতিবাণীৰ মুখলৈ চালে; প্ৰীতিবাণীয়ে অপ্ৰতিভাৱে আঙুলিৰে ষ্ট্ৰাইকাৰটো চিকুটি চিকুটি লাহেকৈ হাঁহিলে।

এইখিনিতে বসন্তই অলপ সংসাহৰ চিনাকি দিলে। সি ক'লে, "আপোনালোকৰ অসুবিধা নহয় যদি ময়ো খেলোঁ নহ'লে।"

দত্তৰ বোধহয় কথাষাৰ বিশ্বাস কৰিবলৈকে মন যোৱা নাছিল; কিন্তু বসন্তই কৈছে যেতিয়া, তেওঁ "নিশ্চয় নিশ্চয়" বুলি পকেটত সোমাই থকা গুটিকেইটা লৰা-লৰিকৈ উলিয়াবলৈ ধৰিলে।

খেল আৰম্ভ হ'ল। বসন্ত অকলে, এওঁলোক দুজন একলীয়া হ'ল। দত্তই অলপ বিনয় কৰিছিল, কথাটো স্বাভাৱিক, কিন্তু [illegible] নেখেলে। পিছে ভাল খেলে প্ৰীতিবাণীয়ে। বাৰে বাৰে [illegible]

কাপোৰৰ সাৱধান লৈ, নামি অহা খাৰুবোৰ বাৰে বাৰে তুলি লৈ ইমান লাজ কৰি কৰি খেলা সত্বেও চাওঁতে চাওঁতে দত্তইতৰ ক'লা গুটি ব'ৰ্ডৰপৰা অদৃশ্য হ'ল। পলাব নাজানি জালত ধৰা পৰা বেঙা মাছৰ নিচিনাকৈ বসন্তৰ তিনিটা বগা গুটিয়ে ব'ৰ্ডত ছটফটাবলৈ ধৰিলে।

যি কি নহওক, সেয়েই খেলৰ আৰম্ভ। লগে লগে ঘৰটোৰ মাজৰ কোঠালী, আগফাল-পিছফালৰ বাৰাণ্ডালৈ প্ৰাণ আহিল। নাৰায়ণৰ লগত বস্তু কেনিবা ওলাই গ'লেও ঘৰটোত মাত-কথাৰ অভাৱ নহ'ল। মাষ্টৰৰ মাক প্ৰীতিবাণীৰ ওচৰলৈ নিয়মিতভাৱে আহে, কিন্তু তেখেত যোৱাৰ পাছতেই ঘৰখন নিজম নপৰে, বৰঞ্চ মাজৰ কোঠালীটোত বহি বসন্ত, দত্ত আৰু প্ৰীতিবাণীয়ে [illegible] কোৱা কথাবোৰকে আকৌ এবাৰ হাঁহি হাঁহি [illegible] প্ৰীতিবাণীয়ে আকৌ বুঢ়ীয়ে তামোল খোৱা আৰু কথা [illegible] সাইলাখ দেখুৱাব পৰা হ'ল।

কথা-বতৰাৰ উপৰিও কেৰম ব'ৰ্ডখন আছে। খেলাৰ আহ্বান অৱশ্যে দুয়োপক্ষৰপৰা আছে। প্ৰথমতে কিছুদিন বসন্তই অকলে খেলিলে; পাছত মাজে মাজে সলনা-সলনি হ'বলৈ ধৰিলে। বসন্ত আৰু দত্ত পাৰ্টনাৰ হয়, প্ৰীতিবাণীয়ে অকলে খেলে। আৰু অলপ ভাল খেলিব পৰা হ'লে দত্তয়ো অকলে খেলি চাব,—তেতিয়া হ'লে প্ৰীতিবাণী আৰু বসন্ত পাৰ্টনাৰ হ'ব,—এইটো প্ৰশ্নও মাজে মাজে উঠিছে।

কেতিয়াবা গধূলি খেল চলি থাকোঁতেই হয়তো কোনোবা বন্ধুৱে আহি মাত লগায়, "দত্ত আছেনে?"

"আপোনালোকে খেলকচোন" বুলি দত্ত আগফালৰ কোঠালীলৈ গৈ বন্ধুৰ লগত কথা-বতৰা পতাত লাগে। ইফালে বসন্ত আৰু প্ৰীতিবাণীৰ খেল চলি থাকে।

এনেকুৱা সময়ত বসন্তৰ বৰ অসুবিধা হয়। টোকৰটো মৰাৰ পাছত গুটি পকেটলৈ গ'ল নে নাই, তাৰ সলনি টোকৰ মৰা আঙুলি

কেইটাৰ ওপৰত তাৰ চকু বৈ থাকে। মিহি, দীঘল, নিমজ আঙুলিৰ নখবোৰ একো নৰ্থহাকৈ ৰঙচুৱা হৈ থাকে। বীণা বজাবলৈ সৃষ্টি হোৱা আঙুলি যেন লাগে।

"মাৰক, আপোনাৰ।"

বসন্তই যেন চক খাই উঠে। কথাষাৰ কৈয়েই প্ৰীতিবাণীয়ে মিচিকিয়াই হাঁহে। ষ্ট্ৰাইকাৰটো হাতত লৈ বসন্তই লৰা-সৰিকৈ গুটিবোৰৰ ওপৰত চকু ফুৰায়। বাঁওফালৰ পকেটটোৰ মুখতে তাৰ ক'লা গুটি এটা আছে, বুঢ়া আঙুলিৰে ষ্ট্ৰাইকাৰটো ঠেলি দিলেই হয়, কিন্তু কেনেকৈ কি হয় বসন্তই ক'ব নোৱাৰে, গুটিটো পকেটলৈ নগৈ খুন্দাখুন্দলি খাই এনেকুৱা ঠাইত ৰয়গৈ যে পিছৰ বাৰত সি বিবাউণ্ড টানিব লাগিব।

প্ৰীতিবাণীৰ হাঁহিটো আৰু অলপ বেছি হৈ যায়।

প্ৰীতিবাণীৰ মুখত এই হাঁহিটো আজিকালি লাগিয়েই থাকে।

সেওবাৰে ৰাতিপুৱা বসন্ত অলপ পলমকৈ শোৱাৰপৰা উঠিল, লাহে ধীৰে চাহ খালে; খাই এবাৰ এনেয়ে পিছ বাৰাণ্ডালৈ ওলাই আহিল। প্ৰীতিবাণীয়ে তেতিয়া গা ধুই উঠিছে। আজিকালি তেওঁ ধীৰে-সুস্থিৰে গা ধোৱে। বসন্ত থমক খাই বৈ গ'ল। গা ধুই উঠি প্ৰীতিবাণীয়ে বগা কাপোৰ এযোৰ পিন্ধিছে। চুলিবোৰ গোটেই পিঠিখন ঢাকি বাগৰি পৰি আছে; গাৰ সোণবৰণীয়া ৰংটো আৰু তীব্ৰ, আৰু উজ্জ্বল হৈ উঠিছে। কপাল আৰু শিৰৰ সেন্দুৰৰ দাগ পানীত উঠি যোৱাৰ পাছত মুখখন কেতিয়াও আঘাত নোপোৱা নতুনভাবে জিলিকি উঠিছে। অলপ পাছতে হয়তো প্ৰীতিবাণীয়ে আয়নাখনৰ আগত থিয় হৈ কপালত আৰু শিৰত নতুন সেন্দুৰ লব। কিছু সময় নোলোৱাকৈওতো থাকিব পাৰে!

তাঁৰভালত মেখেলা, চাদৰ, ব্লাউজ আৰু কিবাকিবি মেলি দি প্ৰীতিবাণীয়ে দ্বিতীয়বাৰ বসন্তলৈ চালে। কিবা এটা ক'বলৈ বসন্তৰ খোতা-মোজা লাগিল, সি সুধিলে, "কৰবালৈ যাব নে কি আজি?"

"নাই নাযাওঁ, কলৈনো যাব।"

তাৰ পাছত কি সুধিব বসন্তই ভাবিবলৈ ধৰিলে। অলপ বৈ সি ক'লে, "তেনেহ'লে দুপৰীয়া অলপ কেৰমকে খেলিম, কি কয়?"

"ভাল।" প্ৰীতিবাণীৰ মুখত আকৌ সেই অদ্ভুত হাঁহি। কিবা যেন জয় কৰি অহা নায়িকাৰ চতুৰ অথচ প্ৰশান্ত হাঁহি।

দুপৰীয়া খাই-বৈ উঠাৰ অলপ পাছতে বসন্তৰ মাজৰ কোঠালীৰ দুৱাৰত টোকৰ পৰিল, "আমি ৰেডি, আহক।"

প্ৰীতিবাণীৰ মাতত মাজে-সময়ে সৰু ছোৱালীৰ উৎফুল্লতা শুনা যায়।

মাজৰ কোঠালীলৈ আহি বসন্তই দেখিলে দুখন চকীত বহি দত্ত আৰু প্ৰীতিবাণীয়ে গুটি সজোৱাত লাগিছে। ওচৰত তৃতীয় চকীখন নাই। সি ইফালে-সিফালে চালে,—দূৰৰ চুক এটাত চকীখন আছে। এটা বগা গুটি কম পৰিছে, দত্তইঁতে তাকে পকেটবিলাকত বিচাৰিছে। বসন্তই নিজে চকীখন দাঙি আনিলে। চকীখন আনোতে তাৰ চোতালত থিয় হৈ থকা বস্তুৰ চকুৱে চকুৱে পৰিল। চকীখনৰ কাৰণে তাক মতা হ'লেই ভাল আছিল নে কি!

দুটা গে'ম খেলি শেষ হোৱাৰ পাছত এবাৰ আগফালৰ বাৰাণ্ডাত মানুহৰ ভৰিৰ শব্দ শুনা গ'ল। ডিঙি মেলি চাই বসন্তই দেখিলে হৰিচৰণ; কমিছনাৰৰ পিয়ন। বসন্ত উঠি আহিল দুৱাৰ মুখলৈ। হৰিচৰণে ভৰি দুখন একেলগ কৰি চালাম এটা দিলে, তাৰ পাছত চিঠি এখনে বহী এখনে বসন্তৰ ফালে আগুৱাই ধৰিলে। বহীখনত চহী এটা দি বসন্তই থিয়ৈ থিয়ৈ চিঠিখন পঢ়ি শেষ কৰিলে আৰু সুধিলে, "চাহাব এতিয়া ঘৰতে আছেনে কি?"

হৰিচৰণে গাটো অলপো নলৰোৱাকৈ ক'লে, "হয় ছাৰ।"

"বাৰু তই যা।" বসন্তই ক'লে।

হৰিচৰণে আৰু এবাৰ চালাম জনাই বাৰাণ্ডাৰপৰা নামি গ'ল।

কোঠালীটো নিস্তব্ধ হৈ গৈছিল।

ইতিমধ্যে বসন্ত 'ছাৰ' হৈ গৈছিল। চিঠিখন ওপৰ-জেপত ভৰাই সি ব'ৰ্ডখনৰ ওচৰলৈ উভতি আহোঁতে দত্তই সুধিলে, "অফিছলৈ দৌৰিবলগীয়া হ'লনে কি ?" লগে লগে প্ৰীতিৰাণীয়ে হাঁহিলে। সেই হাঁহিত কোঠালীৰপৰা 'ছাৰ'টো পলাই গ'ল।

মাজে মাজে প্ৰয়োজন হ'লে অসময়তো বসন্তক কমিছনাৰে বঙলালৈ মাতি পঠিয়ায় ; কিন্তু বসন্তই দৌৰিব নালাগে : সি যায়। বেছি জৰুৰী হ'লে কমিছনাৰে নিজৰ গাড়ী পঠিয়ায়। প্ৰদীপ দত্তই দৌৰাৰ কথাটো কেৱল ধেমালিৰ সুৰত কৈছিল। এনেয়ে তেওঁ ধেমালিও নকৰে ; বাৰাণ্ডাত দেখাদেখি হ'লে বিনীতভাৱে হাঁহে, কথা কয়। প্ৰীতিৰাণী মাজত থাকিলেহে তেওঁ মন খুলি দুআষাৰ কথা ক'ব পাৰে।

দত্ত মানুহটোৰ কথা ভাবি বসন্ত প্ৰায়েই আচৰিত হয়। মানুহটোৰ ভয় নাই, আশংকা নাই, একো নাই। মানুহটোৱেই কৈছিল পাৰ্টিশ্যনখন নালাগে বুলি। সঁচাকৈয়ে এতিয়া বসন্তই মাজৰ কোঠালীটোত পাৰ্টিশ্যন এখনৰ কথা ভাবিবই নোৱাৰে। বৰঞ্চ যিখিনিত পাৰ্টিশ্যনখন দিয়াৰ কথা আছিল, ঠিক সেই-খিনিতে কেৰম ব'ৰ্ডখন চব্বিছ ঘণ্টা সাজু হৈ থাকি, ঘৰটোক চঞ্চল কৰি ৰাখে। দত্ত এফলীয়া, আৰু প্ৰীতিৰাণী আৰু বসন্তই পাৰ্টনাৰ হৈ খেলাৰ সময়ত প্ৰায়েই সি ভাবে, মনটো কিমান মুকলি হ'লে মানুহ প্ৰদীপ দত্তৰ নিচিনা হ'ব পাৰে ? যেতিয়াই মন যায় তেতিয়াই মানুহটো ওলাই গুচি যায়। ঘৰত থাকে কেৱল নাৰায়ণ। কিন্তু বসন্তই জানে নাৰায়ণ ঘৰ-ৰখা ল'ৰা নহয়। সুবিধা পালেই গাৰুৰ তলত ইস্ত্ৰি কৰা পায়জামা পিন্ধি সি বাটলৈ ওলায়।

হঠাতে এদিন বসন্তই প্ৰায় অজ্ঞাতসাৰেই প্ৰীতিৰাণীক নতুন সুৰত কথা সুধিবলৈ আৰম্ভ কৰিলে। অফিছত জন্মাষ্টমী তিথি পতাৰ আয়োজন হৈছে, দত্ত তিথি-সমিতিৰ সম্পাদক ; গধূলি ইটো-সিটোৰ যোগাৰৰ কাৰণে ওলাই যাব লাগে। প্ৰায়েই খেলাৰ দৰে খেলিবলৈ

লৈ নতুন কথাৰ সূত্ৰ উলিয়ালে বসন্তই নিজে। কথাত প্ৰীতিবাণীৰ অলপো কৃপণালি নাই। তেওঁ কৈ গ'ল। তেওঁ অস্ত্ৰাপন্ন ঘৰৰ, টেবুল টেনিছ, কেৰম ব'ৰ্ডৰ ওচৰে-পাজৰে ডাঙৰ হোৱা ছোৱালী, ছোৱালী কলেজত ল'ৰাৰ ভাওত অভিনয় কৰা ছোৱালী।

"এবাৰ কি হ'ল জানে?"—প্ৰীতিবাণীয়ে কলেজীয়া জীৱনৰ ৰঙীন পৃষ্ঠা লুটিয়াবলৈ ধৰিলে। উচ্ছল হাঁহিত এবাৰ তেওঁৰ বুকুখন লাগি ব'ৰ্ডখন, লগতে গুটিবোৰ অলপ লৰি গ'ল। তেওঁৰ ডিঙিত মুকলি বনৰীয়া চৰাইৰ কল-কাকলি শুনা গ'ল। ঘটনাটো কৈ উঠি ষ্ট্ৰাইকাৰটো হাতত লৈ বৰ অসুবিধাজনক ঠাইত থকা গুটি এটা কেনেকৈ মৰা যায় তাকে তেওঁ ঘূৰি ঘূৰি চাবলৈ ধৰিলে।

ব'ৰ্ডৰ ওপৰত ওলাই থকা প্ৰীতিবাণীৰ গোটেই দেহাটোৰ ওপৰত চকুফুৰাই বসন্তই তেওঁৰ মুখলৈ চাই ৰ'ল; তাৰ পাছত লাহেকৈ ক'লে, "হয় দিয়ক, সেইবোৰ দিন নিশ্চয় আপোনাৰ বৰ মৰমৰ। এতিয়াতো একেবাৰে সজাত সোমাল; এতিয়া কেনে লাগিছে?"

প্ৰীতিবাণীয়ে ষ্ট্ৰাইকাৰটো এঠাইত পাতি ললে, আঙুলি টোঁৱালে আৰু তাৰ পাছত ক'লে, "থাকিব জানিলে জেলৰ ভিতৰতো মুকলি হৈ থাকিব পাৰি।" লগে লগে তেওঁ ষ্ট্ৰাইকাৰটো মাৰি পঠিয়ালে; গুটিটো তীব্ৰ গতিৰে দুঠাইত খুন্দা খাই তৃতীয়বাৰত পকেট এটাত সোমাই থাকিল। বসন্ত হতভম্ব হৈ গ'ল; কেনেকৈ এইটো সম্ভৱ তাৰ মগজে ঢুকিয়েই নাপালে।

বাতি লাইটটো সুমুৱাই, বিছনাত দীঘল দি পৰি, এন্ধাৰলৈ চাই চাই বসন্তই ভাবিবলৈ ধৰিলে প্ৰীতিবাণীৰ কথাষাৰৰ অৰ্থ কি। এটা অৰ্থ সি উলিয়াব পাৰিলে; কিন্তু যিজন মানুহে পাণ্ডিত্যখনো নালাগে বুলি কয়, ঘৰত অকলশৰে থকা বসন্তকো ভয় নকৰে, প্ৰদীপ দত্তৰ নিচিনা তেনেকুৱা এজন মানুহৰ কাৰণে সেই অৰ্থটো কিমান কৰুণ আৰু ভয়াবহ হ'ব পাৰে তাকে ভাবি বসন্তৰ মনটো কোঁচ খাই

গ'ল। বসন্তৰ নিজৰ কাৰণে একো ভয় নাই, কাৰণ আৰু এখোজো আগবঢ়াৰ ইচ্ছা তাৰ নাই। কিন্তু বসন্তৰ বাহিৰেতো পৃথিৱীত আৰু বহুত মানুহ আছে!

ভয় লগা সত্বেও বসন্তৰ কিবা কাৰণত অলপ ভালো লাগিল। অন্তৰৰ কোনোশাখিনিত সি অলপ উষ্ণতা অনুভৱ কৰিলে। তাৰ এক অদ্ভুত শান্তি লগা যেন লাগিল।

অশান্তি লাগিল অলপ পাছত। পাগঘৰত নাৰায়ণ-ৰত্নইঁতৰ খুটুং-খাটাং বন্ধ হোৱাৰ পাছত ঘৰটোৰ এন্ধাৰ নিস্তব্ধতা ভেদ কৰি সিফালৰপৰা চেপা মৰা খিক্‌খিক্ হাঁহিৰ শব্দ বসন্তৰ কোঠালীলৈ সোমাই আহিল। মাজৰ কোঠালীটোৰ দুৱাৰবোৰ বন্ধ থকাৰ কাৰণে শব্দবোৰ আৰু ৰহস্যময়, আৰু অশান্তিময় হৈ উঠিল। আজিকালি এনেকুৱা প্ৰায়েই হয়। বহুত ৰাতিলৈকে গুণ্‌গুণ কথা, চেষ্টা কৰিও বন্ধ কৰিব নোৱৰা হাঁহি, মাজে মাজে চুটি চুটি নিস্তব্ধতা; এইবোৰৰ হাত সাৰিবলৈ বসন্তই সদায় সোনকালে টোপনিয়াবলৈ চেষ্টা কৰে। মুকলি পথাৰত হাজাৰ হাজাৰ ছোৱালীৰ উচ্ছল হাঁহি-কলবোল উপভোগ কৰিবলৈ ভাল, কিন্তু দুৱাৰ বন্ধ শোৱনী কোঠাৰ বাহিৰৰ এন্ধাৰত থাকি এজনী ছোৱালীৰ খিল্‌খিল্ হাঁহি সহ্য কৰিবলৈ টান।

জন্মাষ্টমীৰ দিনা ৰাতিপুৱাই দত্ত ওলাই গ'ল। অফিছবোৰ বন্ধ। ভালেমান পলমকৈ গা ধুবলৈ বুলি ওলাই আহি বসন্তই দেখিলে, বাৰাণ্ডাৰ সিটো মূৰৰ দুৱাৰখনৰপৰা প্ৰীতিৰাণীও ওলাই আহিছে হাতৰ ভাজত কাপোৰ-গামোচা লৈ।

"আপুনি ধুই লওক তেনেহ'লে, মই পাছত ধুম!" বসন্তই ক'লে।

"নাই নালাগে, আপুনি আগতে ধোৱক, মোৰ অলপ সময় লাগিব।" প্ৰীতিৰাণীয়ে ক'লে।

"লাগক সময়; মোৰ একো লৰালৰি নাই; আপুনি ধোৱক।"

বুলি কৈ বসন্ত পিছ হুঁহকিল। প্ৰীতিবাণী হাঁহি হাঁহি গা-ধোৱা ঘৰত সোমাল।

ওচৰৰ কোঠালীটোতে চকী এখনত বহি বসন্তই ব্লেডৰ এখনেৰে নখ কাটিবলৈ ধৰিলে। প্ৰীতিবাণীয়ে পলম কৰিছেও সঁচা। গা-ধোৱা ঘৰটোৰ মজিয়াখনৰ এটা দোষ আছে। কথাটো নিৰঞ্জন চৌধুৰীৰ কাণত পেলাব লাগিব। বেছিকৈ পানী ঢালিলে মজিয়াখনত পানী গোট খায়। বন্ধ দুৱাৰখনৰ দুৱাৰডলিটোৰেদি বসন্তৰ কোঠালীলৈ সামান্য পানী সোমায়। কটা নখখিনি গোটাই খিৰিকীৰ বাহিৰলৈ পেলাই দি বসন্তই বন্ধ দুৱাৰখনলৈ চালে। সিফালে পানী ঢলাৰ শব্দ; দুৱাৰৰ তলেদি ক্ষীণ পানীৰ ধাৰা এটা বসন্তৰ কোঠালীলৈ বাগৰি আহিছে। সেইফালে চাই থাকি হঠাতে তাৰ আগবাঢ়ি অহা পানীৰ ধাৰাটোক এটা কাৰশলা সাপ যেন লাগিল।

এসময়ত বাৰাণ্ডাত তিতা ভৰিৰ দাগ পেলাই পেলাই প্ৰীতিবাণী ওলাই গ'ল। তাৰ পাছত বসন্ত গা-ধোৱা ঘৰত সোমায়েই আকৌ ওলাই আহিল। প্ৰীতিবাণীয়ে এৰিব নলগীয়া কিবাকিবি কাপোৰ ভিতৰত এৰি থৈ গৈছে। পাহৰাত এৰিলে, এতিয়াই নিবহি বুলি সি অলপ সময় বাট চালে। কিন্তু প্ৰীতিবাণী দ্বিতীয়বাৰ ওলাই অহাৰ কোনো লক্ষণ দেখা নগ'ল। অগত্যা উপায় নাই কাৰণে বসন্ত দুৱাৰ মাৰি সোমাই পৰিল। কাপোৰকেইটাৰ কাৰণে তাৰ লাজ আৰু অস্বস্তি লাগিল। ভাল লাগিল কোঠালীটোৰ গোন্ধটো। নিজৰ চাবোনটুকুৰাৰ ফেন উলিয়াই সি নাকৰ ওচৰলৈ নি চালে: নহয়,--আগৰ গোন্ধটো ভাল।

দুপৰীয়া দত্ত এবাৰ ঘৰলৈ আহি কিবাকিবি খাই আকৌ ওলাই গ'ল। প্ৰীতিবাণীৰ লগত বন্দোবস্ত হ'ল, গধূলি আহি সি তেওঁক তিথি দেখুৱাবলৈ লৈ যাব।

দুপৰীয়া বিছনাত পৰি কিতাপ এখনৰ পাত লুটিয়াই থাকোঁতে বসন্তৰ টোপনি গ'ল। টোপনি ভাঙোঁতে হাতৰ ঘড়ীটোলৈ চাই

দেখিলে তিনি বাজি গ'ল। আচলতে আজি সি শুবলগীয়া নাছিল। বিছনাত উঠি বহোঁতেই তাৰ মনটো বিৰক্তিৰে ভৰি পৰিল। সিফালৰপৰা মাষ্টৰৰ মাকৰ মাত তাৰ কাণত পৰিলহি থহৰ-থহৰকৈ। মুখ ধুই, চাহ এপিয়লা খাই সি ভিতৰতে বহুত পৰ ইফাল সিফাল কৰি ফুৰিবলৈ ধৰিলে। মাষ্টৰৰ মাকৰ কথা শেষেই নহয়। বুঢ়ীজনী লাহে লাহে অসহ্য হৈ আহিছে। আগতে নিম-পাতৰ চেলুটো আছিল, আজিকালি কাৰণে-অকাৰণে এবাৰ সোমাই লব পাৰিলেই হ'ল, ওলোৱাৰ নাম নলয়। বসন্তৰ লগত এতিয়ালৈ বুঢ়ীৰ কথা-বতৰা প্ৰায় নায়েই ; দেখা দেখি হ'লে বুঢ়ীয়ে কেৱল তাৰ ফালে কেৰাহিকৈ একোবাৰ চায়। এদিন কেৰম খেলি থাকোঁতে দত্তইঁতৰ আগতে বুঢ়ীয়ে তাক কৈছিল, "ডেকা চাহাবেনো ঘৰখন পাতি নোলোৱা কিয় ?" সকলোৱে হাঁহিছিল কাৰণে বসন্তয়ো সেইদিনা হাঁহিছিল, কিন্তু বুঢ়ীৰ কথাৰ সুৰটো সি পছন্দ কৰা নাছিল।

আগফালৰ দুৱাৰমুখত বাটলৈ চাই বসন্ত বহি বল। আজি জন্মাষ্টমীৰ দিনা—কাৰাগাৰৰ ভিতৰৰপৰা কি শক্তিৰ বলত বসুদেৱে নিৰ্বিঘ্নে ওলাই আহিব পাৰিলে—সেই সম্পৰ্কে প্ৰীতিৰাণীৰ লগত আলোচনা কৰাৰ তাৰ ইচ্ছা আছিল ; কিন্তু বুঢ়ীয়ে কোন পুতনা ৰাক্ষসীৰ ৰূপ লৈ আহিছে আজি ঠিক নাই !

পাঁচমান বজাত বুঢ়ীৰ উঠিবৰ হ'ল। উঠাৰ আগে আগে প্ৰীতিৰাণীৰ কাণে কাণে তেওঁ কি ক'লে ঠিক নাই, প্ৰীতিৰাণীৰ গাল-মুখ ৰঙা পৰি উঠিল। বুঢ়ীৰ পিছে পিছে তেৰোঁ আগফালে ওলাই আহিল। বসন্তক দেখি বুঢ়ীয়ে সুধিলে, "কি কৰিছা ডেকা চাহাব ?"

"এনেয়ে বহি আছোঁ।"

"ডেকা মানুহ—ফুৰি ফুৰিব লাগে ; কিনো মানুহ-দুনুহ নোহোৱা ঘৰটোতে সোমাই থাকে !" বুঢ়ী বাজ্জালৈ ওলাল।

দুৱাৰত ধৰি প্ৰীতিবাণী থিয় হৈ ৰল। বসন্তৰ মুখৰপৰা এটা শব্দও নোলাল। ভবিৰপৰা মূৰলৈকে তাৰ গোটেই গাটো যেন জ্বলি উঠিল। তীব্ৰ আক্ৰোশ আৰু অপমানত তাৰ এপাৰি দাঁতে আন পাৰি দাঁতক হেঁচা মাৰি ধৰিলে। বেছি পৰ সি মনে মনে থাকিবলৈ ধৈৰ্য্য ধৰিব নোৱাৰিলে; প্ৰীতিবাণীৰ মুখলৈ নাচোৱাকৈয়ে গম্ভীৰ মাতেৰে সি সুধিলে, "তেখেতে কি সুৰক্ত কথাবাৰ ক'লে মন কৰিলেনে?"

অলপ সময় মনে মনে থাকি প্ৰীতিবাণীয়ে ক'লে, "তেখেতৰ কথাবোৰ তেনেকুৱাই, আপুনি একো নাভাবিব।"

বসন্তই সন্মুখৰ ফুলৰ পুলিবোৰলৈ চাই ৰল। কেইজোপামান ফুল গৰুৱে খালে। এই বস্তুটোৱে একো মন নকৰা হ'ল। নাৰায়ণৰ লগ পোৱাৰপৰা তাৰ গাত বায়ু লাগিছে। ঘনাই ঘনাই বাবোৱাৰী মন্দিৰত ৰাম-লীলা চোৱা কৰিছে। তাক ধমক এটা দিব লাগিব; বসন্তই ভাবিলে।

ঘটনাটো আৰু অলপ বহলিল। তিথিৰপৰা উভতি আহি দত্ত অনুতপ্ত অপৰাধীৰ দৰে বসন্তৰ আগত থিয় হ'ল। বুঢ়াৰ কথাত বেয়া নাপাবলৈ আকৌ এবাৰ তেওঁ বসন্তক অনুৰোধ জনালে। ফলস্বৰূপে বুঢ়াৰ জঘন্য ইংগিতটো অসংখ্য বিষাক্ত পোকৰ নিচিনাকৈ আকৌ এবাৰ বসন্তৰ মগজুত বিয়পি পৰিল।

কেইদিনমানৰ ভিতৰতে আগৰ অৱস্থাটো উভতি আহিল। এদিন দত্তই কেৰম খেলিবলৈ পাউডাৰ এবাকচ কিনি আনিলে। প্ৰীতিবাণীৰ দামী পাউডাৰ কেৰম ব'ৰ্ড পিছল কৰাত খৰচ নকৰাৰ পৰামৰ্শ বসন্তয়েই দিছিল। কিন্তু পাউডাৰৰ বাকচটো খোলাৰ প্ৰথম দিনাই খবৰ ওলাল, দত্ত তিনি ৰাতিৰ কাৰণে মফচললৈ যাব লাগে। সেই কেইৰাতিৰ কাৰণে ঘৰৰ কি ব্যৱস্থা হ'ব, সেই সম্পৰ্কে আলোচনা চলিল। দত্তই ক'লে,—নাৰায়ণ আছে, বহু আছে, চলি যাব।

প্ৰীতিবাণীৰ ভায়েক এটাই কলেজ-হোষ্টেলত থাকি পঢ়ে, তাকে আনি লগত ৰখাৰ কথা উঠিল। দত্তই ক'লে, "তাৰ পঢ়া-শুনাৰ সময়, নালাগে।"

নালাগে? বসন্ত ভিতৰি ভিতৰি অস্থিৰ হৈ উঠিল। এনেকুৱা এটা প্ৰকাণ্ড দায়িত্বৰ চিন্তাত সি ভয় খাই গ'ল। বাহিৰত সি প্ৰাণ-পণে সহজ হৈ দেখুৱালে। দত্তই যদি নালাগে বুলি সুস্থভাৱে ক'ব পাৰে, প্ৰীতিবাণী যদি স্থিৰ হৈ থাকিব পাৰে, সি আতংকিত হোৱাৰ প্ৰয়োজন নাই।

কিন্তু যিদিনা অফিছৰপৰা আহি সি দেখিলে যে দত্ত মফচললৈ গ'ল, সেইদিনা সি ঘৰত থাকিব নোৱাৰিলে। কেইবা দিনো যোৱা নাই, নিৰঞ্জন চৌধুৰীৰ ঘৰলৈ যোৱাৰ কথা সি এবাৰ ভাবিলে; কিন্তু নগ'ল। খুড়ীয়েকে সুধিলে একো প্ৰশ্নৰ উত্তৰেই সি আজি সপ্ৰতিভভাৱে দিব নোৱাৰিব। এজন বন্ধুৰ ঘৰত বহি বহুত ৰাতিলৈকে মেল মাৰি যেতিয়া সি উভতি আহিল, তেতিয়া ঘৰটো নিজম পৰিছে। পদূলিত থিয় হোৱাৰ লগে লগে আকৌ কথাবোৰে তাক বিব্ৰত কৰি তুলিলে। প্ৰদীপ দত্তই তাক যিমান বিশ্বাস কৰিছে, আজিলৈকে কোনোবাই কাৰোবাক সিমান কৰিছে বুলি সি শুনা নাই। সি নিজেও নিজকে ইমান বিশ্বাস কৰা নাই।

চুবুৰিটোৰ ঘৰবিলাকলৈ বসন্তই এবাৰ চকু ফুৰালে। কেৱল মাষ্টৰৰ ঘৰৰপৰা মানুহৰ মাত আহিছে, বোধহয় তাচ-পাশা চলি আছে। তাৰ বুকুখন ধপধপাই উঠিল। নিজৰ ঘৰটোৰ এন্ধাৰৰ মাজতে বহুত কিবাকিবিয়ে তালৈ বাট চাই থকা যেন লাগিল। সংশয়, বিস্ময়, পুলক, উত্তেজনা—বহুত কিবাকিবি।

চকুত টোপনিয়ে ভৰ কৰা বন্ধুই মেজত ভাত সজাই দিলে। হঠাতে এবাৰ ভাত চোবোৱা বন্ধ কৰি বসন্তই কাণ থিয় কৰি বল। প্ৰথমতে সি নিজৰ কাণকে বিশ্বাস কৰা নাছিল; কিন্তু হয়, কোনো সন্দেহ নাই।

প্ৰীতিৰাণীয়ে হাঁহি হাঁহি মাষ্টৰৰ মাকৰ লগত কথা পাতিছে।

প্ৰদীপ দত্ত আৰু প্ৰীতিৰাণীয়ে আলোচনা কৰি কৰা ব্যৱস্থা মতেই মাষ্টৰৰ মাক তিনিদিন তিনিৰাতি প্ৰীতিৰাণীৰ লগত থাকিল। প্ৰীতিৰাণীৰ অকলে থকাৰ আমনি সহ্য কৰিবলগীয়া নহয়।

এই তিনি দিন বসন্তও ৰাতিপুৱা-গধূলি ঘৰত থকা নাছিল। অফিছত, বন্ধু-বান্ধৱৰ লগত সময়ে-অসময়ে ব্যস্ত হৈ থকাৰ মাজে মাজে অসহনীয় অপমানৰ পোৰণিত সি কান্দো কান্দো কৰি পেলাইছিল। এটা কথা বাৰে বাৰে সি ভাবিছিল, প্ৰথম দিনাই বাবিৰু মিস্ত্ৰিৰ হতুৱাই সি পাৰ্টিশ্যনখন দিওঁ হ'লে আজি হয়তো এই কুৎসিৎ দেৱালখন গঢ়ি উঠিলহেঁতেন।

এতিয়া আৰু উপায় নাই। কাঠমিস্ত্ৰি বাবিকে এতিয়া আৰু একো কৰিব নোৱাৰে।

প্ৰহৰী

এটা দুৰ্গত দুহাজাৰ সৈন্যৰ ষাঠিদিনৰ খোৰাবস্তু আছিল ;—ঠিক আছে। একুৰি দিনৰ পাছত তাৰে তিনিশ সৈন্য গুচি গ'ল। কিমান ? তিনিশ। চকু দুটা মুদি, মনে মনে দুহাজাৰৰপৰা তিনিশ বিয়োগ কৰি ৰজনী মাষ্টৰে মূৰটো দুপিয়ালে ;—বুজিলোঁ। দহদিনৰ মূৰত দুৰ্গটোলৈ আৰু আঠশ সৈন্য আহিল। কি হ'ল, কি হ'ল কথাটো ? অ' আৰু আহিল আঠশ। এইবাৰ মুখে মুখে যোগ কৰি ৰজনী মাষ্টৰ পোন হৈ বহিল। মাষ্টৰে ভাবিছিল অকংটো সিমানেই। তথাপি তেওঁ শেষৰ শাৰীটো পঢ়িলে, সৈন্যবিলাকে বাকী থকা বস্তুখিনি কিমান দিনলৈ খাব পাৰিব ? মাষ্টৰৰ হাহাকাৰ লাগি গ'ল। তেওঁ কপালখন থুপ খুৱাই তথা লাগি শেষ শাৰীটোলৈ চাই বল। বয়সৰ লগে লগে চকুৰ দৃষ্টি ভোটা হৈ আহিছে ; কোনোবা এশাৰী প'ঢ়াতে তেওঁ অইন কোনোবা এশাৰী পঢ়া নাইতো ? চুবিয়াৰ আগটোৰে মাষ্টৰে চকু দুটা এবাৰ মচি ললে ; তাৰ পাছত তেওঁ অংকটো মূৰৰপৰা পঢ়িবলৈ ধৰিলে। এবাৰ পঢ়িলে, দুবাৰ পঢ়িলে ; আৰু প্ৰতিবাৰতে অংকটো বেছি অকোৱা-পকোৱা, বেছি জটিল হৈ যাবলৈ ধৰিলে। অৱশেষত আগ-গুৰি একো ধৰিব নোৱাৰি মাষ্টৰে সেই অংকটোৰ সলনি পাটীগণিতখনৰ গোটেই পৃষ্ঠাটোলৈ অসহায় দৃষ্টিৰে চাই বহি বল ; যেন এটা প্ৰকাণ্ড দুৰ্গলৈ হাজাৰ হাজাৰ

সৈন্যৰ অহা-যোৱা চলিছে; ওলোৱা ওলাইছে, সোমোৱা সোমাইছে; আৰু দুৰ্গৰ প্ৰৱেশদ্বাৰত টুল এখনত বহুৱাই দি বজনী মাষ্টৰক কোৱা হৈছে—তুমি সৈন্যবোৰ গণি যোৱা।

অকণমান সময় তেনেকৈ থাকি, ঘন ঘনকৈ চকু দুটা পিৰিকিয়াই মাষ্টৰ চকীখনত পোন হৈ বহিল; তাৰ পাছত তেওঁ দিলীপক ক'লে, "এইটো অংক হ'ব বাৰু দে; তই এতিয়া বুৰঞ্জী পঢ়চোন; আজি কেইবাদিনো দেখোন বুৰঞ্জী পঢ়া শুনাই নাই; পঢ়; ডাঙৰ ডাঙৰকৈ পঢ়ি যা। মই শুনি যাম।"

দিলীপে মেজত থুঁতৰিটো থৈ, আধা খোৱা পানী গিলাচৰ মাজেদি, এটা চকু মুদি মাষ্টৰৰ মুখখন কেনেকুৱা দেখি চাবলৈ চেষ্টা কৰি আছিল। সি জানিছিল, এইটো অংক মাষ্টৰক কৰি দিবলৈ দিলেই সি বহুতো সময় আজৰি পাব; হয়তো দৌৰ মাৰি এবাৰ পাগঘৰত ভুমুকিয়াই আহিবগৈ পাৰিব; নাইবা সিটো কোঠালীত জোনালীয়ে কি কৰিছে চাবলৈ যাব। কেৱল মাষ্টৰ অংকটোত আৰু অলপ সময় মগ্ন হৈ যাবলৈ সি বাট চাই আছিল। মাষ্টৰৰ নতুন হুকুম শুনি সি মেজৰ তলত সোমাই থকা ভৰি এখন খজুৱাই তলৰ ওঁঠখন বিকটাই দিলে; তাৰ পাছত কিতাপৰ জাপৰপৰা পকা বন্ধা বুৰঞ্জীৰ কিতাপখন উলিয়াই ললে। ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিলে সি চিঞৰি চিঞৰি পঢ়ে, কাৰণ তাৰ অভিজ্ঞতা আছে, যিমানে জোৰে জোৰে পঢ়ে, সিমানে কম সময় পঢ়িব লাগে।

দিলীপৰ চিঞৰৰ মাজতে মাষ্টৰৰ চকু মুদ খাই আছিল। মেজত কিলাকুটিৰ ওপৰত ভেজা দি, দুই হাতেৰে চকু দুটা ঢাকি ধৰি তেওঁ মৌন হৈ ৰ'ল। তেওঁৰ বেয়া লাগিছিল। এনেকৈ আৰু কিমান দিন চলিব? চকুৰ আগতে জন্ম হোৱা ল'ৰা দিলীপে কাইলৈ পৰহিলৈ এক্স-ৱাই লগোৱা অংক কৰিব; আজি দুৰ্গৰ খোৱাবস্তুৰ হিচাপ কৰিছে, তেতিয়া বা আকৌ কৰ সাগৰৰ ঢৌ পণাৰ অংক উলিয়াব, বাৰু তেতিয়াও যদি বজনী মাষ্টৰৰ এইখন চকীত বহি

থকাৰ ভাগ্য হয়, তেনেহ'লে তেওঁ বোবা হৈ বহি থাকিব লাগিব; আজিতো হোৱাই-নোহোৱাই কিবা একোষাৰ কৈ আছে, তেতিয়ানো পাৰিব নে চাগৈ!

এক্স-ওৱাই লগোৱা অংক কৰিবলৈ পোৱাৰ আগতেই স্কুল এৰা ৰজনী মাষ্টৰ পাঠশালাৰ মাষ্টৰ; সাহিত্য, ছবি অঁকা, হাতৰ আখৰৰ মাষ্টৰ। এবাৰো নমচাকৈ ব'ৰ্ডত ৰজনী মাষ্টৰে ভাটৌ চৰাই আঁকে, কচুপাত-গিলাচ তো অত্যন্ত সাধাৰণ কথা। ল'ৰাই থিয় হৈ সাহিত্য পঢ়ি যাওঁতে চকীত বহি চকু মুদি মাষ্টৰে যদি মাজতে মাত লগায়, "কি, কি? আকৌ পঢ়চোন," তেনেহ'লে ল'ৰাই আকৌ পঢ়ি দেখিব যে সঁচাকৈয়ে সি শব্দ এটা এৰি থৈ গৈছিল। হাতৰ আখৰ ভাল কৰিবলৈ ল'ৰাক ৰজনী মাষ্টৰে এচাৰিৰে আঙুলিৰ গাঁঠিত কোবাইছিল: বানান নোহোৱাৰ কাৰণে বহুত ল'ৰাই গাত এচাৰিৰ সাঁচ লৈ ঘৰলৈ উভতি গৈছিল। বহুত ল'ৰাৰ বাপেকে, বহুত গৰ্বুলি মাষ্টৰক ঘৰত গালি পাৰি গৈছিল:— থিয় কৰাই থবা, আঁঠু কঢ়াই থবা,—সেইবোৰ জানো শাস্তি নহয়? সেইহেন কোবকেইটা মাৰিবৰ সময়ত ল'ৰাকণ কিমানকণ তোমাৰ চকুত নপৰিল নে? কিবা এটা দোষ কৰিলে শুধৰাই দিবলৈ, কিবা এটা নোৱাৰিলে শিকাই দিবলৈহে তোমাক মাষ্টৰ ৰাখিছে, ল'ৰা ঘুণীয়া কৰিবলৈ ৰখা নাই নহয়! তোমাৰ নিজৰ ল'ৰা হোৱা হ'লে মাৰিলাহেঁতেন নে সেই কেইটা কোব?

যিবিলাকে ঘৰলৈ আহি গালি পাৰি যায়, তেওঁলোক অলপ-অচৰপ খঙত নাহে; আহিলে উগ্ৰমূৰ্তি ধৰি আহে: গালি পাৰিবৰ সময়ত গাত হুঁচ নাথাকে; মুখত যি আহে তাকে কয়। ৰজনী মাষ্টৰে ওপৰলৈ চাই নিৰ্বিকাৰভাৱে শুনি যায়, কিন্তু কথাবোৰ শুনি বৰ কষ্ট পায় বেৰৰ সিফালে ভাগ্যৱতীয়ে। প্ৰতিজন মানুহে গালি পাৰি যোৱাৰ পাছত ভাগ্যৱতীয়ে মাষ্টৰক দঢ়াই দঢ়াই বুজায়—লোকৰ ল'ৰা-ছোৱালীৰ গাত কিয় হাত তোলে? কিয় মানুহৰ গৰিহনা খায়?

বজনী মাষ্টৰে বহুত কাপ্তিলৈকে গুজৰি গুমৰি থাকে। হোঃ! তোমাৰ নিজৰ ল'ৰা হোৱা হ'লে! দৰকাৰ নাই মোৰ তেনেকুৱা গৰু গাধ ল'ৰাৰ। তেনেকুৱা ল'ৰাৰ বাপেক হোৱাতকৈ মই এতিয়া বহুত সুখত আছোঁ।

অথচ যিবিলাক মানুহে মাষ্টৰক গালি পাৰি যায়, তেওঁলোক সকলোৱে জানে মাষ্টৰৰ ল'ৰা-ছোৱালী নাই।

নোহোৱা নহয়, বিয়াৰ দুবছৰৰ পাছতে ভাগ্যৱতীৰ ছোৱালী এজনী হৈছিল, কিন্তু তাই পৃথিৱীৰ পোহৰত কান্দিবলৈকে নাপালে নিস্তব্ধ হৈ আছিল, ভাগ্যৱতী-ৰজনী মাষ্টৰ, সহায়-সাৰথি হ'বলৈ অহা চুবুৰীয়া তিৰোতা সকলোকে নিস্তব্ধ কৰি, পৃথিৱীৰ অকালে আহুকাল হ'বলৈ নাপাওঁতেই তাই গুচি গ'ল।

তাৰ পাছত আৰু এজনী ছোৱালী। এইজনী ছোৱালীয়ে কিন্তু কান্দো বুলি কান্দিলে। মাজে মাজে অকণমান সময়ত টৈ পৰি, অকণমান নিস্তব্ধতা, তাৰ বাহিৰে কেৱল কান্দোন আৰু কান্দোন। ভাগ্যৱতীয়ে দুৰ্বল হাতখন তাইৰ গালে-মুখে ফুৰাই দিয়াৰ বাহিৰে বিশেষ একো কৰিব নোৱাৰিলে: তাতকৈ বেছি কিবা কৰিবলৈ তেওঁ দেহত শক্তি বিচাৰি পোৱা নাছিল। ছোৱালীজনীক ভূত-প্ৰেত-খেতৰে ধৰিব পাৰে, অপদেৱতাই ভৰ কৰিব পাৰে; সেইবোৰ আঁতৰাবৰ ব্যৱস্থাও ওচৰ-চুবুৰীয়াই কৰিছিল।

ৰজনী মাষ্টৰৰ গাত কিন্তু ভূত নাছিল। তেওঁৰ ছোৱালীয়ে অন্ততঃ কান্দিছেতো! "মাঃ কান্দক দিয়াচোন। নাকান্দি তাই কিটো কৰিব! আমি এতিয়া আধা বয়স পালোঁহি, এতিয়াও আমি মনৰ কথা এৰাৰ খুলি ক'ব পাৰিছোঁ? জন্ম-বৃদ্ধা হৈছোঁ কাৰণে আমি নোকোৱাকৈ থাকিব পাৰিছোঁ; সেইকণ ছোৱালীয়ে সেইবোৰ কি জানে? তাই ক'বতো নাজানেই, নোকোৱাকৈও থাকিব নাজানে। তোমালোকে সেইবোৰ বুজা।"

মাষ্টৰে দোকানলৈ চাপলি মেলিলে ছোৱালীজনীৰ ফ্ৰক কিনি-

বলৈ। দৰ্জিয়ে ক'লে, "এগজ কাপোৰেৰে দুটা ফ্ৰক হৈ কাপোৰ থাকিবহে।" মাষ্টৰে ক'লে, "এটা বাক পাছত হ'ব ; মোক এতিয়া ফংকৰে এটা চিলাই দিয়া ; মই অকণমান ইয়াতে বহিছোঁ।" দৰ্জিৰ কেচি, হাত-ভৰি সমানে চলিল। মাষ্টৰে তধা লাগি চাই থাকোঁতেই, চকুৰ আগতে অকণমান চোলা এটাই গঢ় ললে।

"হে হে হে, চোলাকণ চোৱা!" বুলি মাষ্টৰে দুই হাতৰ আঙুলিৰে চোলাটো বহলাই অকণমান ওপৰলৈ তুলি ধৰি নিজৰ আনন্দত নিজেই হাঁহিলে ; তাৰ পাছত তেওঁ লৰালৰিকৈ ঘৰলৈ উভতিল। যাবৰ সময়ত কৈ গ'ল, "ইটো চোলা মই এসময়ত লৈ যামহি, তৈয়াৰ কৰি থবা।"

মাষ্টৰ আহি ঘৰ পাওঁতে ছোৱালীজনীৰ কান্দোন বন্ধ হৈছিল। তাই যিকণ কান্দিম বুলি আহিছিল, সেইকণ কন্দা শেষ হৈছিল।

মাষ্টৰ ইটো চোলা আনিবলৈ নগ'ল। ভালেমান দিন বাট চাই দৰ্জিয়ে ঘৰতে চোলাটো দি পইচাকেইটা লৈ গ'ল। যিমান দিন থাকিব লাগিছিল, ভাগ্যৱতী তাতকৈ কেইদিনমান বেছি বিছনাত পৰি থাকি পাছত লাহে লাহে উঠিল। কিছুদিনৰ ভিতৰতে মানুহজনী আকৌ সহজ হৈ পৰিল ; তেওঁ ঘৰৰ কাম-বনত হাত দিলে। মাষ্টৰো সেই। ইতিমধ্যে যে কিবাকিবি ঘটি গ'ল কোনেও যেন ক'বই নোৱাৰে। মাষ্টৰে সুবিধা পালেই ভাগ্যৱতীক ডাকৰ বচন ব্যাখ্যা কৰি শুনায়। মাত্ৰ তিনিটা বচন ব্যাখ্যা কৰোঁতেই দেওবাৰৰ গোটেই দুপৰীয়াটো যায়। ভাগ্যৱতীয়ে সময় পালেই মাষ্টৰে খাবলৈ হেঁপাহ কৰি থকা কাহুদি-খৰিচা আদি দুষ্প্ৰাপ্য বস্তুৰ আয়োজন কৰে। তেওঁলোকৰ মাজলৈ দুটা প্ৰাণী আহি যে গুচি গ'ল, তাৰ কথা ভুলতো কোনেও কেতিয়াও উল্লেখ নকৰে ; যেন সতি-সন্ততিৰ কথা কাৰো মনলৈ এতিয়াও মহাই নাই।

ঘৰত অকলে থকা সময়খিনিত কিন্তু ভাগ্যৱতীৰ বুকুখন কিহবাই খামোচ মাৰি ধৰা যেন লাগে। চাউলৰ ধান বাছি থকা আঙুলি

কেইটা তেওঁ ক'ব নোৱাৰাকৈ বৈ যায়। বহুত চুপৰীয়া তেওঁৰ চকুযোৰ সেমেকি উঠে। কেৱল এটা কথাই তেওঁক খুলি খুলি খ'য়, তেওঁৰ দোষতেই মানুহটোৰ মনটো ভিতৰি ভিতৰি মৰি গৈছে। কি যন্ত্ৰণাত মাষ্টৰৰ বয়সৰ মানুহে হঠাতে ডাকৰ বচন পঢ়ি ৰস পায়, ভাগ্যৱতীয়ে বুজে।

ল'ৰাক সাহিত্য পঢ়িবলৈ দি স্কুলৰ চকীত বহি আঙুলিৰে চকু ঢাকি মাষ্টৰে ভাবে, নিজৰতো একো নাছিল আৰু একোৰে আশাও নাই,—লগতে এতিয়া মানুহ এজনীৰ জীৱনৰ আশা-আকাংক্ষা সকলো তেওঁ নষ্ট কৰিলে। একুৰা জলা-জুই বুকুত লৈ মানুহজনী সম্পূৰ্ণ ধীৰ, স্থিৰ, শান্ত হৈ থাকে, আৰু ভাগ্যৱতীৰ এই শান্ত ভাবটোৱেই মাষ্টৰক অস্থিৰ কৰি তোলে। মাজে মাজে মাষ্টৰৰ ভয় লাগি যায়।

ভাগ্যৱতীয়ে নজনাকৈ ৰজনী মাষ্টৰে কাৰোবাক কাৰোবাক পৰামৰ্শ সোধে। অৱশেষে ঘৰৰ চৌহদৰ ভিতৰত নাৰিকল পুলি কৰা; বাটৰ কাষত আঁহত গছৰ পুলি কই দিবা—এই জাতীয় পৰামৰ্শতকৈ বেছি কিবা দিব পৰা কোনো মাষ্টৰে হাতেৰ চুকি পোৱাত নাছিল। তেওঁলোকৰ কথা মাষ্টৰে লগে লগে ৰাখিলে। বাটলৈ ওলোৱা-সোমোৱা বাটৰ দুয়োকাষে তেওঁ দুটা নাৰিকল পুলি কলে: সাতখন গাঁৱৰ মানুহ চহৰলৈ অহা-যোৱা কৰা বাটৰ কাষত লহপহীয়া আঁহত পুলি এটা কই মজবুত জেওৰা এখনেৰে বেৰি দি আছিল; ভাগ্যৱতীক এইবোৰৰ একো ব্যাখ্যা নকৰিলে।

কিছুদিনৰ পাছত ভাগ্যৱতীয়ে তৃতীয় কেঁচুৱাটোৰ জন্ম দিলে; এইবাৰো ছোৱালী, আৰু কেই ঘণ্টামান থাকি ছোৱালীজনী ঢুকাল।

মাষ্টৰে চুঘাপ মাৰি দুইটা নাৰিকল পুলি শেষ কৰি দিব খুজিছিল; আঁহত পুলিৰ জেওৰাখন ভাঙি আনি চৌকাত জাপি দিয়াৰ মন কৰিছিল; কিন্তু তেওঁৰ প্ৰয়োজন হ'ল অশেষ ধৈৰ্য্যৰ; কাৰণ এইবাৰ স্বয়ং ভাগ্যৱতীক লৈ ভালেমান দিন টনা-আঁজোৰা চলিল।

তাৰ কিছুদিনৰ পাছতে ৰজনী মাষ্টৰৰ চাকৰিটো গ'ল। তেওঁ ভাবিছিল, তেওঁ আগত নাথাকিলে যিকোনো মুহূৰ্তত ভাগ্যৱতী পাগলী হৈ যাব পাৰে। স্কুলৰ ছেক্রেটেৰিক মাষ্টৰে দুমাহৰ ছুটী খুজিলে। ছেক্রেটেৰিয়ে তেওঁক একেবাৰে বিদায় দিলে। পিঠিত দাগ লৈ যোৱা ল'ৰাৰ বাপেকহঁতৰ ক্রমবৰ্ধমান আপত্তিৰ গুণ্ডগোলে ছেক্রেটেৰিৰ কাণ থকা-সৰকা কৰিছিল।

ছেক্রেটেৰিৰ আগত ৰজনী মাষ্টৰে তল মূৰ ওপৰ কৰা নাছিল। বাটলৈ ভালাই আহি মূৰ তুলি ইফালে-সিফালে চালে। এতিয়া উপায়? দুটা পেটৰ চিন্তা। সাঁচতীয়া পইচাৰ নামত এটা ফুটা-কড়ি নাই। নগদ পইচা নহ'লে এমুঠি চাউল বৰ সোমোৱাৰ সংস্থান নাই। থকাৰ ভিতৰত চহৰৰ ভিতৰতে এটুকুৰা মাটি আছে; দূৰদৰ্শী বাপেকে কিনি থৈ যোৱা। বাপেকে চাগৈ ভাবিছিল,—সময়ত এজাক নাতি-পুতিয়ে একেটা ঘৰতে ঠেলা-হেঁচা কৰি উশাহ লব নোৱৰা কৰিব; তেতিয়ালৈ এইবোৰ মাটিৰ দাম সোণৰ দামৰ সমান হ'ব; গতিকেই কিনি থোৱা ভাল।

মাষ্টৰে সাতদিনৰ ভিতৰত মাটিডোখৰ বেচি এক বাণ্ডিল নোট হাতবাকচৰ তলিত সুমুৱাই থৈ দিলেহি। লগতে তেওঁ ভাবি থলে, এইখিনি টকা ঢুকালে বয়স আৰু অলপ ভাটি দিলে, থকা মাটি-ডোখৰো বেচি দিব পাৰিব; কোনো চিন্তা নাই।

ভাগ্যৱতীয়ে ভাবিছিল তেওঁৰ অসুখ কাৰণে মাষ্টৰে ছুটী লৈছে, কিন্তু এদিন গধূলি মাষ্টৰে একেথৰে তললৈ চাই থাকি ক'লে, "নিওঁ বুলিয়েই তেখেতসকলে মোৰ এঘাৰ বছৰীয়া চাকৰিটো কাঢ়ি নিলে। কিয় নিলে, তাকো মোক নক'লে। অকণ অকণ ল'ৰা ছাত্ৰৰ লগতে দিনটো চিঞৰি-বাখৰি আছিলোঁ, এতিয়া বাৰু মই কি কৰি সময়কণ কটাওঁ?" কথাখিনি কৈ মাওঁৰে মূৰ তুলি ভাগ্যৱতীৰ মুখলৈ চায়েই ভিতৰি ভিতৰি উচাপ্ খাই উঠিল; অবালবিকৈ তেওঁ নিজৰ মনটো যেন এবাৰ জোকাৰি ললে, তাৰ পাছত তেওঁ হাঁহিবলৈ

ধৰিলে; "সিহঁতক খং উঠিলে ছুচাট-এচাট মাৰোঁ, সেই কাৰণে তেখেতসকলে মোক এইটো কোব মাৰিলে বুইছা? বাৰু, তইঁতক যেনিবা মই ছুচাট মাৰিলোঁৱেই, সেই কেইটা দাগ ডাঙৰ হ'লে তইঁতৰ পিঠিত লাগি থাকিব নে? থাকিব নে নাথাকে তাৰ প্ৰমাণ চাবলৈকে বাৰু তইঁত ডাঙৰ হচোন! আৰু এটা কথা; সিহঁত সৰু ল'ৰা, ইমানবোৰ কথা সিহঁতে নুবুজে; কিন্তু সিহঁতৰ দেউতাক-হঁতেতো বুজিব লাগিছিল! মই যে সিহঁতক ঘৃণীয়া কৰিবলৈ মাৰপিট কৰা নাছিলোঁ, এই কথাটো বুজিবলৈ এজন মানুহ নাছিল নে?

আছিল। চাকৰি যোৱাৰ বহুত দিনৰ পাছত চিন্তামণি হাজৰিকাই ৰজনী মাষ্টৰক মতাই নিলে; হাজৰিকা-পত্নী সুৰমায়াই ক'লে, "তুৰহুৰমান ঘৰতে পঢ়ুৱাই বাবুলক হাইস্কুলত নাম লগাই দিয়াৰ কথা ভাবিছোঁ। আপুনি যদি গধূলি গধূলি অকণমান দেখুৱাই-শুনাই দিয়ে· "

মাষ্টৰে হাঁহি পেলালে। এই দিনটোৰ কাৰণেই যেন তেওঁ আজি ইমান দিনে উন্মুখ হৈ বহি আছিল। হাজৰিকাই ক'লে, "কিন্তু মাষ্টৰ চাৰ, এটা কথা এতিয়াই কৈ থওঁ; ল'ৰা দেখিবলৈহে ফুটকলি, এক নম্বৰ বদমাচ। লিখিব লাগে বুলি চিলঠ ভাঙিবলৈ শিকিলেই। ছুচাট-এচাট নিদিলে তাক ঠিক কৰা টান হ'ব। মোৰতো মুখেই বন্ধ; এইফালে গাত টোপকে পৰিবলৈ নিদিয়ে।" হাজৰিকাই সুৰমায়াৰ প্ৰতি ভ্ৰূকুটি কৰিলে।

কথাবাৰৰ ৰসকণ উপলব্ধি কৰাৰ কাৰণে মাষ্টৰে মৰা হাঁহিটো সেমেকি গ'ল; তেওঁ ভাবিলে—কেৱল ছুচাট-এচাট মৰাৰ কাৰণেই হাজৰিকাই তেওঁক মাতিলে নে কি?

স্কুলৰ এজাক ল'ৰাৰ লগত খৰচ কৰা শক্তি মাষ্টৰে অকল বাবুলৰ ওপৰতে জাপি দিলে। প্ৰতি গধূলি চিন্তামণি আৰু সুৰমায়াৰ মুখলৈ চাই হাঁহি এটা মাৰি মাষ্টৰ কাঠৰ চকীখনত বহে আৰু প্ৰতি

বাতি বাবুলক সুৰমায়াই ভাত খাবলৈ মাতি নিয়াৰ পাছত এটা অদ্ভুত তৃপ্তিৰে তেওঁ ঘৰলৈ ওভতে। ভাগ্যৱতীয়েও তেতিয়া বাহি-বাঢ়ি বাট চাই থাকে।

এবছৰমান যোৱাৰ পাছত, যেতিয়া বাবুলে উল্কাপাত, কৰ্ম্মিণী আদি শব্দ থকা শ্ৰুতলিপি লিখিব পৰা হ'ল, তেতিয়া এনিশা হঠাতে মাষ্টৰে গম পালে—ভাগ্যৱতীয়ে আৰু এবাৰ বাট চাই আছে। মাষ্টৰ শিয়ঁৰি উঠিল। কিয় তেওঁ এই ভুল কৰিলে, তাৰ কাৰণ বিচাৰি তেওঁ অস্থিৰ হৈ উঠিল।

পিছ দিনা দিনৰ পোহৰত কাম-বন কৰি ফুৰা ভাগ্যৱতীলৈ আৰু চকুৰে চাই মাষ্টৰৰ ভয় লাগি গ'ল। মাক হোৱাৰ সকলো যন্ত্ৰণা আদৰি লবলৈ যেতিয়া ভাগ্যৱতী হাঁহিমুখে বাট চাই আছিল, কঠাল কাঠৰ শিল যেন গধুৰ ছজনীয়া খাটখন এঠাইৰপৰা অইন ঠাইলৈ নিবৰ সময়ত এমুৰে মাষ্টৰে ধৰিলে আনমূৰে ভাগ্যৱতীয়ে হেলাৰঙে ধৰিব পাৰিছিল, সেই দিনত এটাৰ পিছত এটা অভিশাপে গৰ্হকি মানুহজনীৰ দেহ-মন মাটিৰ লগত মিলাই থৈ গ'ল। চাবোন-পানীৰে পিছলাই পিছলাই সুমুৱা খাৰু আজিকালি ভাগ্যৱতীৰ হাতৰ পৰা হাত ধুবৰ সময়ত আপুনিয়ে ওলাই আহিব খোজে। এইজনী মানুহে এতিয়া নিজৰ দেহৰ খুৱাই আলহী পুহিব? আৰু যদিওবা পোহে, শেষ পৰ্য্যন্ত আৰু এটা মৰ্মান্তিক আঘাতৰ বাহিৰে জানো নতুন কিবা পাব? এটা এটাকৈ তিনিটা অভিজ্ঞতাৰ জুইক ঢাকি-বলৈ আজিলৈকে যিমানে চেষ্টা কৰিছে, সিমানেই মাষ্টৰে নিজকে বেছিকৈ পুৰিছে; যিমানেই সকলো পাহৰি গ'লোঁ বুলি নিজকে প্ৰবঞ্চনা কৰাৰ চেষ্টা কৰিছে, সিমানেই তেওঁৰ বেছিকৈ মনত পৰিছে, কেনেকৈ তিনিটা সন্তান আহিছিল, কেনেকৈ গুচি গ'ল। যি জুৱা খেলি সৰ্বস্বান্ত হ'ল, তেওঁ কেইবাৰ হাৰিছিল তাৰ হিচাপ কৰা নিৰৰ্থক। বজনী মাষ্টৰে হয়তো এতিয়াৰ নিচিনাকৈয়ে, নিৰ্বাক-নিস্পন্দ হৈ আৰু এটা দুৰ্যোগক চেৰাই যাবলৈ দিব; কিন্তু এই

জীর্ণ মানুহজনীয়ে সহিব পাৰিব জানো ? মানুহজনী হয়তো এই-বাৰ পাগল হৈ যাব। ৰজনী মাষ্টৰে ছটফটাবলৈ ধৰিলে। ভাগ্যৱতীৰ জীৱনত যৌৱনৰ বংকণ লাগি আছে ওখ গছৰ আগৰ বাহনি বেলিৰ ৰ'দৰ নিচিনাকৈ ; এই সন্ধিক্ষণত মানুহজনীক তেওঁ বলিশাললৈ আগুৱাই দিবলৈ পালে কেনেকৈ ?

সেইদিনা গধূলি বাবুলক পঢ়াবলৈ গৈ, চিন্তামণি, সুষমায়া আৰু বাবুলৰ হাঁহিমুখ দেখি হঠাতে মাষ্টৰৰ খোকোজা লাগিল। আজি-লৈকে এটা দিনো যোৱা নাই যিদিনা মাষ্টৰে তেওঁলোকৰ হাঁহিমুখ দেখা নাই ; আৰু তেওঁ আজিলৈকে ভাবি আহিছে, প্ৰতি দিনাই তেওঁ তেওঁলোকৰ সান্নিধ্য উপভোগ কৰি আনন্দিত হৈছে ; কিন্তু আজি হঠাতে তেওঁৰ এনেকুৱা লাগিল যেন এই তিনিটা প্ৰাণীৰ হাঁহিয়েই তেওঁক ইমান উতলা কৰিব পাৰে যে তাৰ ফলত কিছু-দিনৰ পাছত এজনী মানুহ বলিয়া হৈ যাব। আচৰিত কথা।

কিন্তু আচৰিত কথা, ঠিক সময়তে ভাগ্যৱতীৰ এজনী ছোৱালী হ'ল ; তাই কান্দিলে, মনে মনে থাকিল, আকৌ কান্দিলে, শুলে, সাৰ পালে। এদিন গ'ল, দুদিন গ'ল ; এটা তীব্ৰ উত্তেজনা আৰু আশংকা বুকুত বান্ধি ৰজনী মাষ্টৰে মুহূৰ্ত গণি গ'ল। ভয়ে ভয়ে, সন্তৰ্পণে, চোৰৰ নিচিনাকৈ তেওঁ ভাগ্যৱতী থকা কোঠালীটোৰ দুৱাৰ মুখত থিয় হৈ গম লয়, তাৰ পাছত মনে মনে ভুমুকি মাৰি চাই দেখে, আচৰিত কথা, ভাগ্যৱতীৰ বুকুৰ কাষত ছোৱালীজনীয়ে হাত জোকাৰি আছে।

সেই তাহানিয়েই চিলোৱাই অনা চোলা দুটাৰ এটা বাকচৰ তলিৰপৰা উলিয়াই ছোৱালীজনীৰ গাত সুমুৱাই দিবৰ সময়ত ভাগ্যৱতীবো হাতখনে থৰক-বৰক কৰিছিল।

আৰু আচৰিত কথা, এগজ কাপোৰেৰে চিলোৱা সেই দুটা চোলা পুৰণি হৈ ফাটি-ছিটি নিশ্চিহ্ন হৈ গ'ল ; তাৰ ঠাইত এটা-দুটাকৈ বহুত ফ্ৰক আহিল, সেইবোৰো ফাটিল ; আৰু সো সিদিনা

বজনী মাষ্টবে জীয়েকলৈ তিনি গজ কাপোব আনোতে ভাগ্যৱতীয়ে ক'লে, "তাইলৈ আক ফ্ৰক নালাগে। এইটো নাকাটোতেই অইন কাপোবৰ দিহা কৰিব লাগিব।"

মাষ্টৰৰ জীয়েকৰ নাম হ'ল নিশা। নামটো দিলে সুবমায়াই। ভাগ্যৱতীৰ ছোৱালীজনী হোৱাৰ মাত্ৰ কুৰি দিনমানৰ আগতে সুবমায়াবো এজনী ছোৱালী হৈছিল ; দুয়োজনীবে জন্ম হৈছিল বাতি ; বাশি-চক্ৰ চোৱাই চিন্তামণিয়ে জীয়েকৰ নাম থলে জোনালী। বজনী মাষ্টৰৰ চোওৱা-চিতোৱা কৰিবলৈ নাছিল। সুবমায়াই ক'লে, দুইজনীবে একে বাশি চাগৈ, গতিকে তাইৰ নাম নিশা হওক, দুইটা নাম মিলি এটা কথা হ'ব—জোনালী নিশা। নামটো লৈ চিন্তা কৰিবলৈ আহৰি মাষ্টৰবো নাছিল, ভাগ্যৱতীবো নাছিল। নামনো কি, এটা হ'লেই হ'ল। নতুন নতুন নাম মাষ্টৰৰ মগজলৈ নাহে। তেওঁৰ ভাল লাগিছিল কেৱল এটা নাম ; সেইটো কেতিয়াবাই মাক-বাপেকে ভাগ্যৱতীক দিলে। তদুপৰি ছোৱালীজনীৰ কাৰণে দিয়া কাবো পৰামৰ্শ মাষ্টৰ আক ভাগ্যৱতীয়ে পেলোৱা নাই ; কোনোবাই কৈছে—কঁকালত অমুক মাদুলিটো আঁৰ, আঁৰিছে ; কোনোবাই কৈছে ডিঙিত বাঘনখ এটা ওলোমাই দে, দিছে। গতিকে সুবমায়াৰ সোণ-ৰূপৰ মুখেদি যিটো নাম ওলাইছে, ছোৱালীৰ সেইটোৱেই নাম,—নিশা।

নিশাৰ কাৰণে বজনী মাষ্টৰৰ জীৱনত উথল মাথল লাগিল। মাটি-বেচা পইচা ঢুকাই গ'ল, চিন্তামণি হাজৰিকাই দিয়া পইচাবে এসপ্তাহ খাবলৈ আঁটে। আকৌ মাটি বেচাৰ কথা ভাবিলেই মাষ্টৰ জিকাৰ খাই উঠে। সেই মাটিডোখৰ কি কুক্ষণত তেওঁ বেচি পেলালে! তাৰ সলনি আক কেইটামান ল'ৰা পঢ়াবলৈ গোটাই লোৱা হ'লে! বহুত দিনৰ মূৰত বজনী মাষ্টৰৰ পাঠশালা স্কুলৰ ছেক্ৰেটেৰিৰ ওপৰত জুই যেন খং উঠিল। এই খং সেই দিনা তেওঁৰ চাকৰিটো কাঢ়ি নিবৰ সময়ত উঠা হ'লে বোধ হয়

ছেক্রেটেৰিয়ে গম পাই গ'লহেঁতেন মাষ্টৰে ল'বা কিয় পিটে, কেনেকৈ পিটে।

ঘূৰি ঘূৰি মাষ্টৰে যোগাৰ কৰিলে এটা টিউশ্যন; চাৰি ঘৰ মাৰোৱাৰীৰ ল'ৰা-ছোৱালী একে ঠাইতে গোটাই লৈ অসমীয়া শিকাব লাগে। পাছত যেতিয়া আৰু কেইঘৰমানে ল'ৰা-ছোৱালী পঠিয়াবলৈ লোৱাত টিউশ্যন ক্লাছটো অকণমান স্কুল এটাৰ নিচিনাই হ'ল, তেতিয়া মাষ্টৰে অলপ উশাহ পালে।

আৰু থাকিল চিন্তামণি হাজৰিকাৰ ঘৰৰ টিউশ্যনটো। বাবুল সময়ত বজনী মাষ্টৰে ঢুকি পোৱাৰ বাহিৰ হৈ গ'ল; থাকিল জোনালী। কিন্তু ছোৱালী পঢ়োৱাত মাষ্টৰৰ তিলমানো আগ্ৰহ নাই। পঢ়ালে নিশাকো পঢ়াব লাগে। নিশালৈ তেওঁ কিতাপ-বহি কিনিছে, মাহে মাহে মাচুল দিছে, জোনালীৰ লগতে তাই স্কুললৈ গৈছে—আহিছে; তাৰ বাহিৰে তাইৰ খবৰ লবলৈ তেওঁ সময় নাপায়।

মাষ্টৰৰ কপাল ভাল। জোনালীতকৈ ছবছৰৰ সৰু দিলীপৰ কাৰণে তেওঁ কাঠৰ চকীখনৰপৰা উঠিবলগীয়া নহ'ল।

কিন্তু এইখন মেজতে নেওতা মুখস্থ কৰা দিলীপে আজি দুৰ্গৰ অংক উলিয়াইছে। মাষ্টৰে বুজিলে দিলীপো তেওঁৰ ক্ষমতাৰ বাহিৰলৈ ওলাই গুচি গ'ল; যি কোনো দিনা এইখন ঘৰত তেওঁৰ বিদ্যাৰ প্ৰয়োজন শেষ হৈ যাব, অথচ নিশাৰ কাৰণে তেওঁৰ কৰ্তব্য শেষ হ'বলৈ আৰু বহুত দিন বাকী।

অৱশ্যে চিন্তামণি হাজৰিকাই দিয়া পইচাকেইটাৰ শোধ যিমান বেছিকৈ দিব পৰা যায়, মাষ্টৰে তাৰ চেষ্টা সদায় কৰিছিল। দিলীপে কৰিবলৈ দিয়া অংককেইটাত কাঠ পেন্সিলৰ দাগ একোটা দি তেওঁ পাটীগণিতখন ঘৰলৈ লৈ আহে। একালত তেওঁৰে ছাত্ৰ প্ৰভাকৰৰ ভায়েক দিবাকৰ পঢ়া-শুনাত বৰ চোকা বুলি সকলোৱে মুখে-মুখে। দিবাকৰক মাতি আনি মাষ্টৰে কয়, "এই অংককেইটা কাগজ এখনত

কৰি দিবা নে বোপা? বুজিব পৰাকৈ অলপ বহলাই কৰিবা।” দিবাকৰে কৰি দিয়ে।

চিন্তামণি হাজৰিকাই কিন্তু মাষ্টৰে গধূলি কি পঢ়াইছে সেই বিষয়ে বেছি নাভাবে। তেওঁ ভাবে, স্কুলত মাষ্টৰে যি পঢ়াইছে ঘৰত তাকে পঢ়া ল'ৰা-ছোৱালীৰ নিজৰ কাম। তেওঁক লাগে ৰজনী মাষ্টৰৰ উপস্থিতিটো; ইমান দিনে তেওঁ দেখি আহিছে, ল'ৰা-ছোৱালী-কেইটাই মানুহটোক মানে। ৰজনী মাষ্টৰ সোমালে দিলীপৰ কথাই নাই, ক্লাছ টেনৰ বাবুলো পঢ়া-মেজলৈ যায়। সেইটোহে লাগে। তদুপৰি মানুহটো একেবাৰে ঘৰৰ মানুহৰ নিচিনা হৈ পৰিছে: এই মানুহটোক দিয়া পইচাকেইটাৰ কাৰণে চিন্তামণি হাজৰিকাৰ কোনো দিনাই অভাৱ নহয়।

ৰজনী মাষ্টৰ, ভাগ্যৱতী, আনকি নিশায়ো বুজে জোনালীহঁতৰ ঘৰৰ মানুহবোৰ আপোন মানুহৰ নিচিনা। এদিনাখন চাকৰিটো যাব বুলি বেয়া লাগিলেও মাষ্টৰে এইখন ঘৰত তেওঁৰ কৰ্তব্যটোক সহজভাৱে লৈছে। শিৱাজী শত্ৰুৰ হাতৰপৰা কি কৌশলেৰে পলাল, দিলীপক সেই গল্প কওঁতে চান্দ সদাগৰৰ মেৰঘৰত সাপডাল কি বুদ্ধিৰে সোমাল সেই বিষয়ে ৰজনী মাষ্টৰে বিনা দ্বিধাই কৈ যাব পাৰে। তাৰ পাছত তেওঁ কৈ যাব এবাৰ সাপে খোটা মানুহ এটাক চাৰিআলিত শুৱাই লৈ বেজে কেনেকৈ তিনি দিনলৈকে জাৰি আছিল। শেষৰ ফালে সুৰমায়ায়ো ওচৰত থিয় হৈ শুনি থাকিবহি। ঘৰলৈ উভতিবৰ সময়ত সুৰমায়াই হয়তো ক'ব, “কাইলৈ নিশাক লৈ আহিব; ইয়াতে ভাত খাব।” আৰু পিছদিনা নিশা আহিলে সুৰমায়াই তাইক কাগজেৰে মেৰিওৱা টোপোলা এটা দিব;—নতুন ফ্ৰক এটা।

জোনালীয়েও মাষ্টৰক পইচা দিয়ে বেজী-সূতা, ৰবৰ-পেন্সিল আনিবলৈ। গধূলি সেইবোৰ বস্তু জোনালীৰ হাতত দি মাষ্টৰে তাইৰ মেজৰ বস্তুবোৰ লিৰিকি-বিদাৰি চায় স্নোৰ বটল এটাৰ ঢাকনীখন খুলি কয়, “এইটো দেখোন শেষেই হ'ল।”

"হয়, সেইটো ঢুকাইছে, কালি মাই নতুন এটা অনাইছে।" জোনালীয়ে কয়।

খবৰটো মাষ্টৰৰ কাৰণে বৰ উৎসাহজনক। "অ' হয় নে কি?" বুলি কৈ তেওঁ অলপ ঠোঁটা-মোজা লগায়, তাৰ পাছত সোধোঁ নোসোধোঁকৈ সোধে, "তেনেহ'লে এইটো তইতক নালাগে নে কি?"

নালাগে। আধাতকৈ কম থকা স্নোৰ বটলটো চোলাৰ জেপত ভৰাই মাষ্টৰে ঘৰলৈ লৈ যায়, নি ভাগ্যৱতীক দিয়েগৈ, ভাগ্যৱতীয়ে নিশাৰ চকুত পৰাকৈ থৈ দিয়ে।

নিশাই ভাল পায়। তাইৰ বয়সে ভিতৰৰপৰা অকণ অকণকৈ বং সানি আনিছে, বাহিৰৰপৰা কেৱল অকণমান বং দিব পাৰিলেই তাইৰ ভাল লাগে, অন্ততঃ ক্লাহৰ ছোৱালীবোৰৰ মাজত ভাল লাগি থাকে। ক্লাছ তেওঁনৰ ছোৱালী কিন্তু সকলোৱে জানে, নিশাই ক'ৰ স্নো ঘঁহে—কেৱল সকলোৱে জানে বুলি নিশাইহে নাজানে। তাইৰ মাজে মাজে অৱশ্যে সন্দেহ হয়, জোনালীয়ে যদি লগৰ ছোৱালীক কৈ দিয়ে! ক'ব জানো? নকয় চাগে। ক'লেতো তাই কিমান কথা কৈ দিব পাৰে;—নিশাই পিইতৰ ঘৰত ভাত খায়, জোনালীৰ মাকে নিশাক কিমান কি দিয়ে। নিশ্চয় নকয়। জোনালীয়ে তাইক সকলোতকৈ বেছি ভাল পায়। কিমান বাতি তাই নিশাক ভাত খোৱাৰ পাছত তাইৰ লগত জোৰকৈ শুৱাই ৰাখিছে। এচৰৰ মৃণাল দাদাইতৰ লগত টকী চাবলৈ যাওঁতে কিমান দিন তাই নিশাক ঘৰৰপৰা লৈ গৈছে।

তাৰ পাছত লাহে লাহে ভাগ্যৱতীয়ে উৎকণ্ঠাৰে বাট চাবলৈ ধৰিলে, কিমান পৰত জোনালী-বাবুল-মৃণালহঁতে নিশাক থৈ যায়হি। নিজৰ গাভৰু জীয়েকৰ কাৰণে চিন্তিত হৈ বাট চাই থাকোঁতে ভাগ্যৱতীয়ে এটা অদ্ভুত উত্তেজনা অনুভৱ কৰে। তেওঁৰ যেন মাজে মাজে বিশ্বাসেই নহয় যে তেওঁৰ জীয়েক গাভৰু হ'লহি।

হ'লহি কিন্তু সঁচা। সকলোপৰা অত্যন্ত দুৰ্বল স্বাস্থ্যৰে

ভাগ্যৱতীক প্ৰতি মুহূৰ্তে সন্ত্ৰস্ত কৰি ৰাখি এসময়ত নিশাই তেওঁক অবাক কৰি দিলে। ভাগ্যৱতীৰ উৎসুক দৃষ্টিৰ আগতে নিশাক বয়সে যিমান যি দিব লাগে দি থৈ গুচি গ'ল। আৰু বিহ্বল মাকে জীয়েকক দিলে এডাল জাৰ্মান ছিলভাৰৰ নেক্‌লেছ্, এজোকা চিচাৰ খাৰু আৰু এযোৰ সোণৰ ৰিং। এই সোপা অলংকাৰ পিন্ধি নিশা চকুৰ আগত থিয় হৈ থাকিলেও ভাগ্যৱতীৰ কেতিয়াবা এনেকুৱা লাগে যেন এই গোটেই ঘটনাটোৱেই এটা অদ্ভুত মায়া। নিশা যেন ভগৱানৰ এটা ওপৰঞ্চি দান। আৰু নিশা স্কুললৈ বা ইফালে-সিফালে ওলাই গ'লে ভাগ্যৱতীয়ে ইচাট-বিচাট কৰি থাকে; মাজে মাজে হঠাতে তেওঁ আতংকিত হৈ উঠে;—এই যেন সাগৰ শুকাই গ'ল--মাণিক লুকাই গ'ল।

আৰু ইমানবিলাক নতুন আভৰণ নিজৰ ভিতৰতে আবিষ্কাৰ কৰি নিশাই এটা মধুৰ অস্বস্তি অনুভৱ কৰিলে। বাট, স্কুল, ঘৰ আটাইবোৰ তাইৰ নতুন নতুন লাগিল। বাটত তাই কিয় হঠাতে অলমূৰকৈ খোজ কাঢ়িবলৈ ললে তাই নিজেই ক'ব নোৱাৰিলে; আৰু মূৰ তুলিলেই যিটো মানুহকে দেখে সেই মানুহটোকে অদ্ভুত যেন লাগে কিয় তাকো ভাবি নাপালে। সিহঁতৰ ঘৰৰপৰা দেখি থকা ডক বাইদেউহঁতৰ পৰ্টিকত বহি অজয় ডাক্তৰৰ লগত বাইদেৱে কি কথা পাতি থাকে জানিবলৈ তাইৰ মনটোৱে উচপিচাই থাকে; মনে মনে গৈ আঁৰৰপৰা শুনি আহিবলৈ মন যায়। পিছদিনা ওচৰৰপৰা ডক বাইদেউক দেখিলে তাই অবাক হৈ চাই থাকে;—ইমান ধুনীয়াকৈ কালি বাইদেৱে ডাক্তৰৰ লগত কথা পাতি আছিল!

স্কুললৈ যোৱা বাটত সিহঁতকৈ বেগাই খোজ কঢ়া স্কুল-কলেজৰ ল'ৰাবোৰে দল পাতি পাতি সিহঁতক পিছ পেলাই যোৱাৰ সময়ত নিশাৰ উশাহ-নিশাহ বন্ধ হৈ যোৱা যেন লাগে। পিছফালৰপৰা ল'ৰাবোৰৰ কথা-বতৰাৰ শব্দবোৰ ওচৰ চাপি অহাৰ লগে লগে নিশাইতে নিজৰ কথা বন্ধ কৰে; বাটৰ অলপ কাষলৈ চাপি যায়:

এই ল'ৰাবোৰ একেবাৰে ওচৰ পালেহি, এই সিহঁতৰ সমান সমান হ'ল, এই আগবাঢ়ি গুচি গ'ল। এইকণ সময় নিশাই নিজৰ ভৰিৰ দুহাতমান আগৰ মাটিলৈ চাই খোজ কাঢ়ে, কিন্তু খোজ কাঢ়োঁতে হোৱা স্কুলীয়া ল'ৰাৰ জেপৰ অলপীয়া পইচাৰ জুন্ জুন্ শব্দটো তাইৰ কাণত দহজনী নাচনীৰ ভৰিৰ জুনুকাৰ শব্দৰ সমান হৈ সোমায়। ল'ৰাবোৰে পাতি যোৱা প্ৰতিযোৰ কথা যেন তাইৰ কাণ দুখনে প্ৰাণপণে শুহি লয়। কি যে কয় ল'ৰাবোৰে! ইহঁতৰ কথা বৰ পাক লগা: যিটো কয় তাৰ অৰ্থ চাগৈ নিশ্চয় অইন কিবা এটা।

এইকণ সময় নিশাৰ বৰ ভাল লাগে। কিন্তু অলপমান দূৰ গৈয়েই যেতিয়া মাবোৱাবীৰ ঘৰত ল'ৰা পঢ়াই শেষ কৰি উভতি অহা দেউতাকক দেখা পায়, তেতিয়া তাইৰ বৰ বেয়া লাগে। যদি তাই দলটোৰ কিনাৰে কিনাৰে গৈ আছিল, তেনেহ'লে কোনোবা এজনীক কিবা এটা কাৱাৰ হলেৰে মাজলৈ সোমাই আহে। দেউতাক পাৰ হৈ নোযোৱালৈকে সেইকণ সময় তাই আনবোৰ ছোৱালীৰ মাজত লুকাই যাব খোজে। তাইৰ ভয় লাগে, দেউতাক যিহে মানুহ, পাৰে যদি আটাইবোৰ ছোৱালীৰ আগতে তাইক সুধি দিব—ভাত খাই আহিছনে নাই?

দেউতাকে অ:শে আজিলৈকে তাইক বাটত মতা নাই। কিন্তু তথাপি তাইৰ খং উঠে। দেউতাক অকণমান পাছতে ঘৰৈ উভতিব নোৱাৰে নে কি মাকক ক'ব লাগিব।

নিশাই মাকক এবে ক'বলগীয়া নহ'ল; বজনী মাইৰে নিজে এদিন বাটৰপৰা উভতিব লে। মাবোৱাৰী ঘৰৰপৰা ওলাই বাটত ভৰি দিয়েই সদায় দেখে কন্যাক ল'ৰা-ছোৱালী। চকুৰে মনিব পৰালৈকে তেওঁ ছোৱালীৰ খবিলাক ভয় ভয়কৈ চায়, কোনটো জুমত নিশা আছিছে, যেতি জোনালীহঁতৰ মাজত নিশাক দেখে, তেতিয়া তেওঁ দূৰৰপৰাই অকণ সময় তাইক চায়, অকলে অকলে নিজে ক'ব নোৱাৰাকৈ অকণমান হে;—এজাক ছোৱালীৰ লগত

নিশা মিলি গৈছে, কাবো লগত অকণো অমিল নাই। তেওঁৰ নিজৰেই ভুল হ'ব খোজে—সেইজনীনো তেওঁৰ ছোৱালী নে?—অইন কাৰ সাধ্য ক'বলৈ সেইজনী ছোৱালীৰ বাপেকে এয়া মাৰোৱাৰী ঘৰবপৰা এমাহৰ দৰমহা ত্ৰিছ টকা জেপত লৈ ঘৰলৈ উভতিছে!

নিশাইঁত ওচৰ পালেহি মাষ্টৰে কেতিয়াবা মনটো ৰাখিব নোৱাৰিলে সাউৎকৈ এবাৰ চকু ঘূৰাই তাইক চায়; মূৰ তুলি চাবলৈ তেওঁৰ লাজ লাগে। ঘৰ পায়েই মাষ্টৰে ভাগ্যৱতীক সোধে, "তাই ভাত খাই গৈছে নে?—কিয়, গৰম ভাত তেতিয়া নহ'ল হ'বলা? বাৰু বাৰু, ঠিক আছে, আধা ঘণ্টা ছুটীত আহিব নহয়, ঠিক আছে।" তাৰ পাছত মাষ্টৰে মূৰ জোকাৰি জোকাৰি হাঁহে আৰু কয়, "তাইক তুমি বাটত দেখিব লাগিছিল, তেহে! ইমানবোৰ ডাঙৰ ডাঙৰ মানুহৰ ছোৱালীৰ মাজত তোমাৰ ঠাণ্ডা ভাত খাই যোৱা ছোৱালীক চিনিকে নাপাবা।"

ভাগ্যৱতীক ৰাতিপুৱা চাবে ন বজাত ক'ব অ'ক মাইয়েকক চাবলৈ ওলাব! ৰজনী মাষ্টৰে হঁহা দেখি তেৱোঁ কেৱল হাঁহে।

স্কুললৈ যোৱা বাটত নিশা যিমানে উজ্জ্বল হৈ আহিল, ৰজনী মাষ্টৰৰ নিজকে সিমানে লেতেৰা লেতেৰা লাগিল। চুটি চুটি কেঁচা-পকা ডাড়ি-গোঁফেৰে ঢকা মুখ, ভাগ্যৱতীয়ে চিলাই কৰি দিয়া ফটা বাহুৰ চোলা, সদায় দমকলৰ পানীৰে ধোঁওতে-ধোওঁতে বগচুৱা পৰা চুৰিয়া;—এইটো বেশেৰে চহৰৰ প্ৰধান ৰাস্তাত চাবে ন বজাত খোজ কাঢ়িবলৈ মাষ্টৰৰ ভাল নালাগিল। এদিন তেওঁ বেলৰ আলি পাৰ হৈ ধানকলৰ আগৰ বাটটোৰেদি আহি চালে,—ভাল, গাড়ী-ঘোঁৰা নাই, মানুহ-দুনুহো কম, বাট অলপ দীঘল হ লেও সাউৎকৈ ঘৰ পায়হি।

চহৰৰ প্ৰধান ৰাস্তাটোত নিবিৰ কাৰণ বাকী ব'ল অজস্ৰ মানুহ। ইমান মানুহ, যে নিশাই মূৰ তুলি চাবলৈ সুকণ্ডা নাপায়। মূৰ তুলিলেই বিটো মানুহৰ সৃষ্ট চকুৱে পৰে, সেই মানুহটোৱে কিয়

তাইৰ কালে অদ্ভুতভাৱে চাইছিল, তাকে ভাবোঁতেই তাই স্কুলৰ ওচৰ পাবৰ হয়হি। মানুহবোৰে নিশ্চয় তাইক কিবা ক'ৰ খোজে। ইস্ বাম, আটাইবোৰ ছোৱালীৰ আগতে যদি তাইক কোনোবাই কিবা এটা কৈ দিয়ে! সৰ্বনাশ হ'ব। অথচ কি ক'ব তাৰো তাইৰ একো ধাৰণা নাই; কেৱল এনেকুৱা এটা ভাব হয়, যিহকে নকওক, শুনি নিশ্চয় ভাল লাগিব। আবেলি স্কুলৰপৰা আহি ঘৰ সোমোৱাৰ লগে লগে নিশাৰ নিজৰ ওপৰতে খং উঠে;—এনেকৈ যদি এটা বিৰাট সংকোচৰ হেঁচাত সোমাই থাকে, তেনেহ'লে তাইৰ কোনো দিনেই একো শুনা নহ'ব। অহা যোৱাহে হ'ব।

কিন্তু যেতিয়া নিশাই সকলো সংকোচ আবি-জোকাৰি মূৰ তুলি পোনে পোনে চাব পৰা হ'ল, আধা ঘণ্টা ছুটীত তুজিয়া কিনিবলৈ গৈ দোকানীক “তোমাৰ বিয়া কেতিয়া?” বুলি নিঃসংকোচে শুধিব পৰা হ'ল, তেতিয়া বিৰক্তিৰে তাইৰ মন ভৰি পৰিল। তাই বিৰক্ত হ'ল বাটৰ প্ৰত্যেকটো মানুহ, স্কুল-কলেজৰ ল'ৰাৰ ওপৰত, যেনেকৈ জোনালী বিৰক্ত হৈ আছিল সিহঁতৰ পদূলি মুখৰ চৰকাৰী লাইটটোৰ ওপৰত; গধূলি হ'ল বুলিলেই ট-ট-কৈ জ্বলিব; ইফালে পূৰ্ণিমাই হওক বা অমাবস্যাই হওক, সিহঁতৰ আগফালৰ বাৰাণ্ডাত পোহৰ লাগকেই বা নালাগক; আক জ্বলিব যি জ্বলিবই, অকণমান কম-বেছি, ইফাল-সিফালৰ নাম নাই। লাইট প'ষ্টৰ নিচিনাকৈ বাট শুৱনী কৰাৰ বাহিৰে মানুহবোৰৰো যেন কাম নাই। যেন মহাবাণী যোৰাৰ বাটৰ প্ৰহৰী; থিয় হৈ থাকিব, কিন্তু মাত এবাৰ মাতিলেই ডিঙি কটা যাব।

প্ৰথমতে নিশাৰ সেই বিৰক্তি আছিল অবুজ, গোপন; কিন্তু লাহে লাহে তাই তীব্ৰ অভিমানত কুলি উঠিবলৈ ধৰিলে; এটা আধৰ বিৰূপি প'লেই বহীৰ গোটেই পাতটো একে আজোৰে ফালি পেলোৱা কৰিলে। তাই দেখিলে বাটৰ মানুহবোৰ সকলোৰে কাৰণে লাইট প'ষ্ট, প্ৰহৰী নহয়। আনকি তাইৰ বাহুত বাহু

লগাই খোজ কাঢ়ি ফুৰা জোনালীৰ কাৰণেও নহয়।

মছজিদৰ চাৰি-আলিটো পাৰ হৈ, আনবোৰ ছোৱালীক বিদায় দি নিশা আৰু জোনালী ঘৰৰ ফালে অকণমান আগবঢ়াৰ পাছতে ছাইকেলৰ পিঠিত উঠি ক'ৰবাৰপৰা ভুটুংকৈ ওলায়হি মৃণাল; আগ চকাটো সিহঁত দুজনীৰ একেশাৰী হোৱাৰ লগে লগে সি ছাইকেলৰ ব্ৰেক ধৰে; তাৰ পাছত পেডেলডাল একোবাৰত পাঁচ-আঙুলমান ঠেলে নে নেঠেলে সন্দেহ, ছাইকেল ঠিক জোনালী-নিশাৰ খোজৰ তালে তালে আগবাঢ়ে। সৰুৰেপৰা দেখি ডাঙৰ হোৱা ল'ৰা মৃণাল, অথচ জোনালীয়ে যেন এই সময়ত কৰিবলৈহে লাজখিনি থৈ দিছিল; তাই তলমূৰ কৰি খোজ কাঢ়ে। মৃণালে কিবা এটা সুধিলে নিশাই উত্তৰ দিবলৈ তৎক্ষণাৎ মূৰ তোলে, পিচে নহয়, সি জোনালীকহে সুধিছে। যিটো হাঁহি লৈ তাই মৃণালৰ মুখলৈ চায়, তললৈ চাই হাঁহিটো সামৰোঁতে তাইৰ কষ্ট হয়।

ঘৰ আহি পোৱাৰ লগে লগে ভাগ্যৱতীয়ে হয়তো সুধিলে, “কাণৰ ওচৰত সেই সোপা কি লগালি?” দোৰ মাৰি বেৰত ওলোমাই থোৱা আয়নাখনৰ আগত থিয় হৈ নিশাই দেখে চিয়াহী। অকণমান দাগ এটা। গোটেই বাটটোত দাগটো তাইৰ গালত আছিলেই নে কি? নহয়, নিশ্চয় এতিয়া কেনেবাকৈ লাগিল।

আয়নাখনৰ আগত থিয় হৈ নিজৰ মুখখন চাই থাকোঁতে নিশাৰ জোনালীৰ চেহেৰাটো বেছিকৈ মনত পৰে। জোনালী দিনে দিনে সেন্দুৰীয়া হৈ আহিছে; তাইৰ গাল দুখন আৰু পুৰঠ হৈছে; টান হোৱাৰ কাৰণে যোৱা বছৰ চিলোৱা তিনিটা ব্লাউজ দেউতাকৰ হাতত নিশালৈ দি পঠিয়াইছে। সকলোৱেই কয়, জোনালী বৰ ধুনীয়া। নিশা দেখিবলৈ কেনেকুৱা কাৰো মুখত তাই নিজে শুনা নাই। এইয়া চকু, এইয়া চেলাউৰি, নাক, এই দুডাল বেণী আগফালে আনি ললে এনেকুৱা হয়;—আয়নাখনত চাই নিজকে নিশাৰ ভালেই লাগে। মৃণালহঁতে বা কি ভাবে!

মৃণালহঁতে যে একো নাভাবে, সেইটো কথা যিদিনা জানিব পাৰিলে, সেইদিনা নিশাই ঘৰলৈ উভতি আহি কান্দিব নে কোবাই কোবাই ঘৰটোৰ হাল-বেৰবোৰ খহাই পেলাব ঠিক কৰিব নোৱাৰিলে। বাঁও হাতখন জোৰেৰে কামোৰ মাৰি ধৰি তাই থিয় হৈ আছিল; ভাগ্যৱতীয়ে ওচৰ চাপি আহি ক'লে, "কাপোৰ-কানি সলা আকৌ, থিয় হৈ বলি কিয়? অ' দেউতাৰৰ হাতত জোনালীৰ মাকে সেই টেমাটো দি পঠিয়াইছে।" ভাগ্যৱতীয়ে নিশাৰ পঢ়া মেজখনলৈ আঙুলিয়াই দিলে।

একে ঠাইতে থিয় হৈ থাকি নিশাই মূৰ ঘুৰাই মেজখনলৈ চালে। স্নোৰ বটল এটা। কাঁড় যোৱাদি নিশা মেজখনৰ ওচৰলৈ গ'ল, বটলটো হাতেৰে খামোচ মাৰি ধৰি তুলি ললে আৰু পিছ মুহূৰ্ত্ততে গাৰ জোৰেৰে কোঠালীৰ এটা চুকলৈ মাৰি পঠিয়ালে। কিবা এটা ক'বলৈ বুলি মেলা ভাগ্যৱতীৰ মুখ মেলাতে থাকিল। কোঠালীৰ চুকত ৰজনী মাষ্টৰৰ দেউতাকে ডেকা কালত যোগাৰ কৰা প্ৰকাণ্ড পহুশিং এটা আছিল, তাত লাগি স্নোৰ বটলটো টুকুৰা-টুকুৰ হৈ গ'ল, স্নোবোৰ চাৰিওফালে ছিটিকি পৰিল।

জোনালী-বাবুল-মৃণালহঁতে ঘৰৰপৰা নিশাক ছিনেমা চাবলৈ মাতি নিছিল। পিছ দিনা দেৱালী, স্কুল বন্ধ; নিশাই তাইৰ ভাল কাপোৰবোৰ পিন্ধি জঁপিয়াই জঁপিয়াই ওলাই গৈছিল। ছিনেমাহলৰ ভিতৰত, এন্ধাৰত তাই মৃণালক ভালকৈ নেদেখিলেই, তদুপৰি সিহঁতৰ মাজতে বহিছিল জোনালী। ছিনেমা শেষ হোৱাৰ পাছত বাহিৰলৈ ওলাই নিশাই কোনোবা এটা চলত মৃণালক সুধিলে, "মোক ঘৰত থৈ আহিব?" মৃণালে কথাটো জোনালীক ক'লে; জোনালীয়ে ক'লে, "আমি নহ'লে সেইফালেদি ঘূৰি যাওঁ, নিশাক ঘৰত থৈ উভতি আহিম।" মৃণালে বৰ ভাল পালে। সেই মতেই কাম হ'ল। আৰু ঘৰৰ ভিতৰ সোমাই নিশাৰ যেন উশাহ বন্ধ হৈ যাওঁ যাওঁ হ'ল। এই আধাভগা ঘৰ, খহি পৰোঁ পৰোঁ বেৰ,—এইবোৰেই যেন

তাইৰ কাল হ'ল। এইবোৰ তাই ভাঙি পেলাব নোৱাৰে; সেই কাৰণে বিটো পাৰে সেইটো ভাঙিলে; – স্নোৰ বটলটো।

দেৱালী উপলক্ষে মাবোৱাৰীয়ে বিতৰণ কৰা হালুৱা-মিঠাইৰ টোপোলা এটা লৈ ৰজনী মাষ্টৰ অলপ পলমকৈ উভতি আহিল। পচুশিংটোৰ কালে এবাৰ চাই তেওঁ ভাগ্যৱতীক মনে মনে সুধিলে, কেনেকৈ কি হ'ল? ভাগ্যৱতীয়ে ক'লে, "জানো কি হ'ল তাইৰ, মই ক'ব নোৱাৰোঁ।" মাষ্টৰেও নিশাক একো নুসুধিলে; তেওঁৰ ভয় লাগিল। নিশা আৰু ভাগ্যৱতীয়ে ভাত খাই থাকোঁতে তেওঁ মাটিৰপৰা অকণমান স্নো তুলিব পৰা যায় নে কি চেষ্টা কৰি চাইছিল, নোৱাৰিলে। একে ঠাইতে গোট খাই পৰা হ'লে এক কথা,— গোটেইখনতে ছিটিকি পৰিল।

পাছত এদিন মন ভাল থাকোঁতে কথাৰ মাজতে ভাগ্যৱতীয়ে নিশাক সুধিলে, "সেইদিনা কি খঙত নো তই স্নো টেমা পেলাই দিলি?"

নিশাই ক'লে, "ইমানবিলাক বস্তু নোহোৱাকৈ চলিছোঁ যেতিয়া স্নোকণ নহ'লে নহ'ব নে কি? দেউতাক কৈ দিবি মোৰ কাৰণে লোকৰপৰা যেন একো নানে। নিজৰ যি আছে মোৰ সেয়ে হ'ব।"

আৰু তাকে প্ৰমাণ কৰিবৰ কাৰণে নিশা অধৈৰ্য্য হৈ উঠিল। স্নোৰ বাহিৰে তাইৰ কি আছে, তাকে আৱিষ্কাৰ কৰি তাই অস্থিৰ হ'ল। এই সময়তে ৰজনী মাষ্টৰে দিলীপৰপৰা বলে নোৱৰা বোজা এটা ঘৰলৈ লৈ আহিল;—তিনিটা অংক;—এটাত এটা চৌবাচ্চাত দুটা নলী আছে, পানী ওলায় আৰু সোমায়; আনটোত এটা তেকুলী নাদ এটাৰপৰা উঠিব খুজিছে, উঠে আৰু খহি পৰে; তিনি নম্বৰটোত কোনোবা গুৱাল এটাই গাখীৰত পানী মিহলাই বেচিলে। চিন্তামণি হাজৰিকাৰ ঘৰৰপৰা ওলাই মাষ্টৰে বাহিৰে বাহিৰে দিবাকৰক খবৰ দি আহিল, "কাইলৈ পাৰ এটা মাৰিবিচোন বোপাই; অকণমান সহায় কৰি দিবি।"

আৰু পিছদিনা আবেলি দিবাকৰে গুৱালৰ লাভখিনি হিচাপ কৰি উত্তৰটোৰ তলত আঁচ ছুডাল মাৰিছে, ভাগ্যৱতীয়ে তাৰ কাৰণে চাহ এপিয়লা কৰিছে, ঠিক এই সময়তে নিশাৰ সোঁ চকুটোত কিবা এটা সোমাল। কি সোমাল তাইহে জানে। দিবাকৰে প্ৰথমতে একো নেদেখিলে। নিশাক খিৰিকীৰ কাষলৈ নি বুৰিব খোজা বেলিৰ ৰঙচুৱা পোহৰত আকৌ চালে; চেলাউৰিৰ ওপৰত আঙুলি থৈ ওপৰৰ বেৰপাতি ওপৰলৈ টানি চালে, গালত আঙুলি থৈ তলৰ বেৰপাতি তললৈ টানি চালে, একো নাই; কেৱল নিশাৰ চকুৰ ক'লা মণিটোৰ ওপৰত অকণমান খিৰিকীখন, আৰু তাৰ ভিতৰেদি বহুত দূৰৈত বুৰিব খোজা ৰঙা বেলিটো।

নিশাই কিন্তু বাৰে বাৰে কোৱা সত্বেও একো নাই বুলি মানিব খোজা নাছিল। প্ৰথমতে চকুটো, তাৰ পাছত তাইৰ গোটেই গাটো যেন পুৰিছিল। দিবাকৰ গুচি যোৱাৰ পাছত গালৰ ঠিক সেইখিনিতে নিজৰ আঙুলিকেইটা থৈ তাই মনত পেলাবলৈ চেষ্টা কৰিলে কিমান পৰ দিবাকৰে এইখিনি ছুই আছিল। চকুটো চোৱা হোৱাৰ লগে লগে হাতখন সি আঁতৰাই নিছিল নে কি? নহয়; প্ৰয়োজনতকৈ অকণমান সময় বেছি ছুই আছিল নিশ্চয়।

কিন্তু ৰজনী মাষ্টৰেতো আৰু সদায় সদায় চৌবাচ্চাত ছুটা নলী থকা অংক ষৰলৈ নানে; গতিকে দিবাকৰো সদায় নাহে। কিন্তু হঠাতে নিশাৰ মনত পৰিল তায়ো স্কুলৰ পঢ়া বহুত বুজা নাই। মাকক তাই ক'লে, "মই কিন্তু এইবাৰ ফেল কৰিম মা। পঢ়া-চঢ়া একো বুজা নাই। বাইদেৱে আকৌ কৈছে, পৰীক্ষা বোলে এইবাৰ টান হ'ব।"

ক্লাছ নাইনৰ পৰীক্ষা, টান হ'বৰ কথাও। ৰজনী মাষ্টৰে দিবাকৰৰ ককায়েক প্ৰভাকৰক ধৰিলেগৈ;—দিবাকৰে যদি মাজে মাজে নিশাক অকণমান দেখুৱাই-শুনাই দিয়ে। প্ৰভাকৰে ক'লে, "বাৰু হাৰ, তাক মই ক'ম।"

তাৰ পাছত দিবাকৰ মাজে মাজে আহে। তাৰ নিজৰ পঢ়া-শুনাৰ হেঁচাও বৰ বেছি, সেই কাৰণে সি ঘনাই আহিব নোৱাৰে। কিন্তু যিকণ সময় পায়, সেইকণৰ ভিতৰতে সি নিশাক পাৰেমানে পঢ়া বুজাবলৈ চেষ্টা কৰে। ৰজনী মাষ্টৰ তেতিয়া বহি থাকে চিন্তামণি হাজৰিকাৰ ঘৰৰ কাঠৰ চকীখনত, ভাগ্যৱতী থাকে পাগঘৰত, আৰু মেজত কিলাকুটিৰ ভেজা দি বহি থকা নিশাৰ ঘনে ঘনে এঙামুৰি আহে। কিছু সময় কিবাকিবি কৈ কৈ শেষত দিবাকৰে সোধে, "বুজিছা ?"

নিশাই চঁক্ খাই উঠে। সেই কথাষাৰকেতো তাই দিবাকৰক সুধিব বুলি ভাবি আছিল। তাই চকু দুটা বহলকৈ মেলি দিবাকৰৰ মুখলৈ চালে,—সিনো কি বুজাৰ কথা সুধিছে। দিবাকৰে এবাৰ পঢ়িলেই কিতাপৰ কথা সকলো বুজে; কিন্তু আৰু কিবা অলপ সি বুজিব বুলি নিশাই বাট চাই বহি আছে।

বেছি পলম হৈ যোৱা দেখি এদিন তাই ভয়ত ধপ্ ধপ্ কৰা বুকুৰে, কঁপা কঁপা হাতেৰে আঁচ টনা বহীৰ পাত এখিলাত কিবাকিবি অলপ লিখি দিবাকৰৰ জেপত সুমুৱাই দিলে। কথা বিশেষ একো নাই; দিবাকৰ আহিলে তাইৰ ভাল লাগে, সিমানেই। বাকীবোৰ সাধাৰণ কথা;—আধৰ দেখি যেন দিবাকৰে নাইঁাহে, চিঠিখন যেন পঢ়িয়েই ফালি পেলায়। শেষত তাই সন্দেহ প্ৰকাশ কৰিলে, "আপুনি চাগৈ মোক ঘিণ কৰে।"

দিবাকৰ বৰ বিপদত পৰিল। সি পঢ়া-শুনাৰপৰা মূৰ নোতোলা ল'ৰা, প্ৰথম হোৱাৰ পাছতো পৰীক্ষা মনোমত হোৱা নাছিল বুলি ভবা ল'ৰা, কলেজৰ ইলেক্‌চনত প্ৰথমে যেয়ে ধৰে তাকে ভোটটো দি সুৰ্ সুৰকৈ ঘৰলৈ গুচি অহা ল'ৰা : নিশাৰ চিঠি পঢ়ি সি ভাবিলে, ছোৱালীজনী পাগলী। অথচ তাইক মুখে মুখে পাগলী বুলি কৈ দিবলৈ যিকণ সাহৰ দৰকাৰ, সেইকণো তাৰ নাই। এইখন যদি প্ৰেমৰ চিঠি হয়, তেনেহ'লে ভয়ৰ কথা। প্ৰেমৰ আদি অন্ত

সি একো নুবুজে। কিন্তু এইটো ঠিক যে নিশাৰে তাৰ বৰ মৰম লাগে, তাই যিমান সৰু ছোৱালী, তাতকৈ বেছি সৰু যেন লাগে।

এদিন নিশাক সি তাকে ক'বলৈ আহিল। এইবোৰ কথাত তাৰ মুখলৈ ভাষাই নাহে। ঘৰত লুকিয়াই অনা সকলো কথা ক'বৰ সময়ত বেবেৰিবাং হৈ গ'ল। সি কেৱল ক'ব পাৰিলে, হয়, নিশাক সি বৰ মৰম কৰে।

আৰু তাকে শুনি নিশাৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। এটা অপূৰ্ব লাজত তাইৰ গাল দুখন ৰঙা হৈ গ'ল; এটা বিৰাট বোজা বুকুৰপৰা নামি যোৱাৰ কাৰণে তাই যেন পখিলা একনীৰ সমান পাতল হৈ গ'ল আৰু এটা অদ্ভুত তৃপ্তিয়ে মেৰিয়াই ধৰাৰ কাৰণে তাই যেন বোবা হৈ গ'ল।

সেই দিনাৰেপৰা নিশাই দিবাকৰৰ চকুলৈ পোনে পোনে চাব নোৱৰা হ'ল; চালেই গোটেই গাটো যেন কোঁচ-মোচ খাই যায়। পঢ়াৰ মেজত বহি পঢ়াৰ বাহিৰে তাইন কথা পাতিবলৈ তাই ভয় কৰা হ'ল; জানোচা দিবাকৰে আকৌ কিবা এষাৰ কৈ তাইক বোবা কৰি দিব! সেই দিনা দিবাকৰে যে কৈছিল, সেইখিনিয়েই তাইৰ কাণত অনবৰত গুণ্‌গুণকৈ বাজে। সম্মুখত এয়া দিবাকৰ, সেই দিনাৰ সেই কেইষাৰ কথাৰ মাজত বুৰ গৈ এইজনী তাই নিজে; এয়াই বহুত, ইয়াতকৈ বেছি আৰু তাইক একো নালাগে; নালাগে, স্কুলৰপৰা আহোঁতে দিবাকৰে তাইৰ লগে লগে হাফপেণ্ডেল মাৰি ছাইকেল চলাবও নালাগে।

কিন্তু এদিন বজনী মাষ্টৰ বাপ্তি বৰ উত্তেজিত হৈ ঘৰলৈ উভতিল। আজিকালি তেওঁ চিন্তামণি হাজৰিকাৰ ঘৰৰপৰা ওলাই ইঘৰ-সিঘৰত বহে, তেওঁলোকৰ ল'ৰা-ছোৱালীৰ খবৰ লোৱাৰ পাছত নিশাৰ কথা কৈ কৈ হাঁহে। তেওঁলোকৰে এঘৰৰপৰা উভতি আহি আজি মাষ্টৰে ভাগ্যৱতীক সুধিলে, "তাই শুনে নে কি?"

"শুনে, কিয় ?" উত্তৰটো দি ভাগ্যৱতীয়ে উৎকণ্ঠিত হৈ মাষ্টৰৰ মুখলৈ চালে।

মাষ্টৰৰ শুকান মুখখন পাতল ঘামেৰে সেমেকি উঠিল ; কপালৰ সিৰবোৰ জিলিকি উঠিছিল। তেওঁ এইমাত্ৰ যি শুনি আহিল, সেইটো তেওঁৰ গোটেই জীৱনৰ তিল তিলকৈ সঞ্চয় কৰা সম্পদ মুহূৰ্তৰ জুইত ভস্মীভূত হৈ যোৱাৰ সমতুল্য। তেওঁ একো ক'ব নোৱাৰে, ভাগ্যৱতীয়ে একো নাজানিব পাৰে, কিন্তু দিবাকৰ আৰু নিশাৰ কথা স্কুলৰ ল'ৰা-ছোৱালীৰপৰা বুঢ়া-বুঢ়ীলৈকে সকলোৰে মুখে মুখে।

"এইবোৰ হ'ব নোৱাৰে ; মই এইবোৰ হ'বলৈ নিদিওঁ।" ৰজনী মাষ্টৰে গৰ্জি উঠিল। ভাগ্যৱতীয়ে চেপা মাতেৰে ক'লে, "নিচিঞৰিব-চোন, ইমান অস্থিৰ হৈছে কিয় ? ৰাতি হৈছে।"

"হওক ৰাতি। মই এতিয়াই গৈ তাক কৈ আহিম, কাইলৈৰ-পৰা যেন সি এইমুৱা নহয়। তুমি একো নুবুজা। মোৰ একমাত্ৰ সন্তান—।"

একমাত্ৰ সন্তান। এইষাৰ কথা ৰজনী মাষ্টৰৰ মুখত লাগিয়েই থাকে। ঘৰে-পৰে নিশাৰ কথা ওলালেই এইষাৰ কথা মাষ্টৰে মন্ত্ৰৰ নিচিনাকৈ একান্ত মনেৰে বিৰ্‌বিৰকৈ উচ্চাৰণ কৰে।

ভাগ্যৱতীয়ে জোৰকৈ মাষ্টৰক শুৱাই থলে। নিশাৰ যাতে টোপনি নাভাগে তাৰ কাৰণে তেওঁ সকলো চেষ্টা কৰিলে। টোপনি নাহিল তেওঁৰ নিজৰ। গাভৰু ছোৱালীৰ মাক হ'লে এসময়ত বহুত বিড়ম্বনা সহিব লাগে। সেই বিড়ম্বনা তেওঁৰ জীৱনলৈ আহিল বহুত পলমকৈ। হাঁহিব নে কান্দিব তেওঁ ঠিক কৰিব নোৱাৰিলে। হয়তো এনেকুৱা কেইবাটাও আহুকাল সহি সহি তেওঁ বহুত বেছি অভিজ্ঞ হ'ব পাৰিলেহেঁতেন। হয়তো আজি ৰাতিৰ এই বিড়ম্বনা তেওঁ নিশাৰ তিনিজনী বায়েকৰে সৈতে ভগাই লব পাৰিলেহেঁতেন। বহুত দিনৰ আগৰ তিনিটা যন্ত্ৰণাই ভাগ্যৱতীক আকৌ এবাৰ জোকাৰি দি গ'ল। তেওঁৰ জীয়েক শেষ পৰ্যন্ত গাভৰু হৈছে, কোনোবা এটা

ল'বাব লগত মানুহে তাইব কথা উলিয়াইছে, কাইলৈ বাতিপুৱাবপৰা তেওঁ জীয়েকক শাসন কবিব লাগিব ; এটা নতুন কাম, অদ্ভুত, অপূৰ্ব। সুখ-বেজাবব মাজত ভাগ্যৱতীয়ে এটা পুলক অনুভব কবিলে। আৰু আচবিত কথা, বাবে বাবে তেওঁৰ দিবাকবব মুখখনলৈ মনত পবিল।

পিছদিনা মাষ্টব মাবোৱাবী ঘবব ল'বা পঢ়াই চহবব প্ৰধান বাস্তাইদি উভতি আহিল, ঠিক চাবে-ন বজাত ; নিশা ঠিক মতে স্কুললৈ গৈছে নে নাই চাবলৈ। গৈছে। ঘবলৈ আহি তেওঁ আকৌ ভোব্‌ভোবাবলৈ ধবিলে, "গোটেই জীৱন মাষ্টবী কবিলোঁ, শই-শই ল'বা চিধা কবিলোঁ, কোনেও মোক ঠগিব নোৱাবিলে ; এতিয়া ঘবতে···"

ভাগ্যৱতীয়ে ক'লে, "বকি নাথাকিবচোন। কৈছোঁ, যি কবিব লাগে মই কবিম। তেতিয়াও যদি একো নহয়, তেনেহ'লে আপোনাক কম নহয়।"

সকলোবে কপাল ভাল, তাৰ পাছত দিবাকব যিদিনা আহিল, সেই সময়ত বজনী মাষ্টব ঘবত নাছিল। নিশাক পাগঘবব জুইকুৰা চাবলৈ পঠিয়াই দি ভাগ্যৱতীয়ে দিবাকবক ক'লে— এইখিনি দিন নিশাব পঢ়া-শুনাত সহায় কবি দিয়াব কাবণে তেওঁ ভাল পালে। এতিয়া তাইব পৰীক্ষা ওচব পালেহি, তাই এই কেইদিন নিজে পঢ়ক। আৰু দিবাকব এনেয়ে আহি-গৈ থকাটো ভাগ্যৱতীয়ে ভাল পালেও, চাবিওকালে থকা মানুহবোবে ভাল নাপাবও পাবে। দিবাকব ভাল ল'বা ; কিয়নো সি মিছামিছিকৈ লোকব কথা শুনিব লাগিছে ?

দিবাকবে অবাক হৈ ভাগ্যৱতীব মুখলৈ চাই ব'ল। এনেকুৱা নিবপবাধ, নিবীহ, কাতব দৃষ্টি ভাগ্যৱতীয়ে কাবো চকুত কেতিয়াও দেখা নাই। কোঠালীটোবপৰা ওলাই যাবব সময়ত তেওঁব এনেকুৱা লাগিল যেন এইমাত্র তেওঁ এটা মহাপাপ কবি উঠিল, যাব কোনো ক্ষমা নাই।

ভাগ্যৱতীৰ গাৰ কাষেদিয়েই কোঠালীটোলৈ নিশা সোমাই আহিল। ভাগ্যৱতীয়ে ইচ্ছা কৰা হ'লে তাইক 'অনচোন' বুলি বাধা দিব পাৰিলেহেঁতেন, কিন্তু নিদিলে। দিবাকৰৰ কালে চাই নিশাই এটা অতি শান্ত, সেমেকা হাঁহি মাৰিলে, তাৰ পাছত অইন কালে চাই নির্বিকাৰ মাতেৰে ক'লে, "আপুনি আৰু' এইবিলাক কথাত বেয়া নাপাব। মই আপোনাক কিবা বেয়া পোৱা কথা কোৱা হ'লে আপোনাৰ ভৰি ছুই ক্ষমা খুজিব পাৰিলোহেঁতেন।" নিশা এক মুহূর্ত ব'ল ; তাৰ পাছত ক'লে, "মোক নেদেখিলে জানো আপুনি মোক মৰম নকৰিব ?" নিশাই আকৌ হাঁহিলে।

দিবাকৰ লাহে লাহে ওলাই গ'ল। এদিন বাৰে বাৰে চাবলৈ কোৱা সত্বেও সি নিশাৰ চকুত একো নাই বুলি কৈছিল ; আজ অইনফালে চাই থকা তাইৰ চকুযোৰৰ কথা ভাবি বাৰে বাৰে তাৰ মনটো অধীৰ হৈ উঠিল,—সেই চকুত সি কি দেখিব পাৰিলেহেঁতেন ! তাৰ কিবা এটা ভুল হ'ল, বৰ ডাঙৰ ভুল হ'ল। কিন্তু পলমো হৈ গ'ল বহুত ; এতিয়া চাগৈ নিশাৰ চকুপানীয়ে ঢাকি ধৰিছে।

ভাগ্যৱতীয়েও ভাবিছিল, এইবাৰ হয়তো এই আঁকৰী ছোৱালী-জনীক চম্ভালাই টান হ'ব, কিন্তু নিশাৰ যেন সাৰ-সুৰেই নাই। তাই এক মুহূর্ত মন মাৰি নাথাকিল, এসাঁজ ভাত নোখোৱাকৈ নাথাকিল, মাকৰ লগত এবেলাও কথা-বতৰা বন্ধ নকৰিলে। স্কুলৰ বাটত তাই দুবাৰ-এবাৰ ধীৰভাৱে মূৰ তুলি তুলি চালে, ঠিক দিবাকৰক দেখাৰ আশাতে নহয়, এনেয়ে। আৰু নিশাৰ এই অস্বাভাৱিক শান্ত মুখৰ হাঁহিয়েই ভাগ্যৱতীক আৰু অনুতপ্ত কৰি তুলিলে। এটা অপৰাধ-বোধৰ তীব্ৰ অনুভূতিয়ে তেওঁক বৰ অশান্তি দিবলৈ ধৰিলে। এদিন নিজকে চম্ভালিব নোৱাৰি তেওঁ ভাতৰ পাতত বহি নিশাক সুধিলে, "দিবাকৰক আহিবলৈ হাক দিয়াৰ কাৰণে তই বেয়া পালি নে কি ?"

হাতৰ ভাত গৰাহ আধা বাটৰপৰা কাঁহীলৈ ওভোতাই নি নিশাই স্থিৰ দৃষ্টিৰে মাকৰ মুখলৈ এক মুহূর্ত চাই ৰ'ল ; তাৰ পাছত

হঠাতে কিবা এটা মনত পৰাৰ নিচিনাকৈ ক'লে, "নাই নাই মা, মই কিয় বেয়া পাম ? তইঁতে নিশ্চয় ভাল দেখিছ কাৰণেহে কিব এটা কৰিছ। মই কিয় বেয়া পাম।" কথা কেইষাৰ কৈ এটা ম্লান হাঁহি মুখত লৈ নিশাই ভাত গৰাহ আকৌ তুলি ললে।

ভাগ্যৱতীৰ বুকুখনে হাহাকাৰ কৰি উঠিল। ইয়াতকৈ নিশাই সেই দিনাৰ নিচিনাকৈ ভাতৰ কাঁহীখন এচুকলৈ দলি মাৰি পঠিয়া হ'লে তেওঁ বহুত বেছি শান্তি পালেহেঁতেন। নিশাৰ এই হাঁহি, এই কথা, কথাই কথাই মাকৰ লগত চুপতি মৰা নিশাৰ নহয়। একেটা তিৰোভাৰ গোটেই মনটোৰ সম্পূর্ণ শক্তিৰে নিশাৰ বয়সৰ মাজত সোমাই তেওঁ পাত-পাতকৈ চালে,—নিশাই আজি হাঁহিব পাৰিব নালাগিছিল। অসুখৰ দহ দিনৰ পাছত নিশাই হাত-ভৰি জোকাৰি থকা দেখি তেওঁৰ যেনেকৈ এটা অবিশ্বাস হৈছিল, আজিও তেনেকৈ নিশাৰ হাঁহিটো তেওঁ হাঁহি বুলি বিশ্বাস কৰিব নোৱাৰিলে। আৰু এই ছোৱালীজনীৰ অন্তৰৰ আৰু গভীৰলৈ যাবৰো তেওঁৰ একো উপায় নাছিল।

ভাগ্যৱতীয়ে একো কৰিব নোৱাৰিলে। তেওঁ আৰু যত্নেৰে নিশা স্কুললৈ যোৱাৰ আগতে ভাত ৰান্ধিলে, দুপৰীয়া নিশাৰ চাফা কাপোৰকে আকৌ ধুলে, আউল-বাউল হৈ পৰি থকা তাইৰ চুলিৰ ফিটাবোৰ জুকিয়াই থলে, আৰু এদিন তাইক ঘৰে-ঘৰে কাপোৰ বেচিবলৈ অহা বেপাৰী এটাৰপৰা বহুত দিনৰপৰা গোটোৱা পইচাৰে এযোৰ ভাল পাটৰ মেখেলা-চাদৰ কিনি দিলে। নিশাই মেখেলা-খনৰ দীঘলে-দীঘলে ভাঁজটো খুলি বুকুৰপৰা তললৈ ওলোমাই দীঘলটো ঠিক আছে নে নাই চালে; চাদৰখনৰ ভাঁজ নোখোলা-কৈয়ে পাৰিটো বেঁকাকৈ বুকুৰ ওপৰত বহুৱাই চালে; তাৰ পাছত আকৌ জাপি থৈ দিলে। ভাগ্যৱতীয়ে কেইবাদিনো সুধিলে, "নতুন কাপোৰযোৰ নিপিন্ধ কিয় ?" শেষৰ দিনা নিশাই ক'লে, "অ, কিবা এটা নহ'লে কেনেকৈ পিন্ধিবি সেইযোৰ ? এনেয়ে যদি

স্কুললৈ পিন্ধি যাওঁ, নগৰৰ ছোৱালীয়ে কি ক'ব ?"

ভাগ্যৱতীয়ে হেঁপাহেৰে কিবা এটা হোৱালৈ বাট চাই আছিল।

কিন্তু তাৰ পাছত এইখন ঘৰত যি ঘটিল, তাৰ ফলত ঘৰখন মৰিশালি হৈ গ'ল। আজীৱন নিজৰ ভাগ্যক অবিশ্বাস কৰি অহা, প্ৰতি মুহূৰ্ত্তটোকে সন্দেহ আৰু ভয়ৰ চকুৰে চোৱা ভাগ্যৱতী ভয়ৰ আচল ৰূপ দেখি প্ৰথমতে থৰ হৈ গ'ল, তাৰ পাছত মুখেৰে একো শব্দ কৰিবলৈ নাপাওঁতেই বাগৰি পৰিল।

জীৱনত প্ৰথমবাৰৰ কাৰণে নিশাই কৈছিল, "মা মোৰ গাটো ভাল লগা নাই, মই ভাত নাখাওঁ।" দুদিন গ'ল, চাৰি দিন গ'ল, ৰজনী মাষ্টৰে বলিয়াৰ নিচিনাকৈ ডাক্তৰ-কম্পাউণ্ডাৰ-ফাৰ্মাচীলৈ দৌৰা-দৌৰি কৰিলে, চিন্তামণি হাজৰিকা নিশাৰ ভৰিৰ ওচৰত, সুৰমায়া মূৰশিতানত, জোনালী-মৃণাল-বাবুল-দিলীপহঁতে তাইক বেৰি ধৰি বহি ৰ'ল, আৰু তাৰ মাজৰপৰাই ছেগ বুজি নিশা গুচি গ'ল।

প্ৰথমতে ক্লাছ নাইন, তাৰ পাছত গোটেই ছোৱালী স্কুল সোনকালে ছুটী হ'ল। বহুত মাষ্টৰণী, জাক জাক ছোৱালীৰে ৰজনী মাষ্টৰৰ ঘৰ ভৰি পৰিল। ইমান মানুহ তেওঁৰ চোতালত কেতিয়াবা গোট খালেহঁতেন নে নাই সন্দেহ। সুৰমায়া বাউলী হোৱাদি হ'ল, চিন্তামণি হাজৰিকাই লুকুৱাই লুকুৱাই বাৰে-বাৰে চকু মচিলে, জোনালীক নগৰৰ ছোৱালীয়ে ধৰি ৰাখিবলগীয়া হ'ল, মৃণাল-বাবুল-দিলীপহঁত এটা চুকৰ মাটিত নিস্তব্ধ হৈ বহি ৰ'ল।

কাৰো চকুত নপৰাকৈ মানুহৰ মাজে মাজে আগবাঢ়ি আহি দিবাকৰে নিশাৰ মুদ খাই থকা চকুযোৰলৈ অকণমান সময় একেথৰে চালে, তাৰ পাছত আকৌ কাৰো চকুত নপৰাকৈ গুচি গ'ল। যাওঁতে সি যেন দেখি গ'ল এটা ক'লা মণিৰ ভিতৰত এখন সৰু খিৰিকী, তাৰ ভিতৰেদি বহুত দূৰৈত অকণমান ৰঙা বেলি এটা বুৰ গ'ল।

তাৰ পাছত এইখন ঘৰক মৰিশালিৰ নিস্তব্ধতাই আৱৰি ধৰিলে। দুটা জীয়াই থকা প্ৰাণী ঘৰটোৰ ভিতৰত ছাঁৰ নিচিনাকৈ ঘুৰি ফুৰে. কোনেও কথা নকয়, কোনেও কাৰো চকুলৈ নাচায়। দুইটাই দুইটালৈ ভয় কৰে। হঠাতে কেতিয়াবা চকুৱে চকুৱে পৰিলে, দুইটাই ভূত দেখা দি দেখে। বহুত দিনলৈ বাটেদি যোৱা মানুহে ঘৰটোৰ ফালে চাই নিজৰ ভিতৰতে কিবাকিবি কোৱাকুই কৰি গ'ল। ঘৰখনক জীৱ দিবলৈ ঘনাই ঘনাই আহি থাকিল সুৰমায়া, চিন্তামণি হাজৰিকা, জোনালীহঁত,—সকলো। এইখন ঘৰৰ লগত একালত সম্পৰ্ক থকা মানুহৰ ভিতৰত নাহিল কেৱল দিবাকৰ। সি অইন চহৰৰ কলেজত পঢ়িবলৈ গুচি গৈছিল। যিদিনা এই খবৰটো ভাগ্যৱতীয়ে প্ৰথমে শুনিলে, সেইদিনা তেওঁ চক্ খাই উঠিল, সুধিলে, "কলৈ গ'ল সি? আকৌ আহিব নে নাহে? কেতিয়া আহিব?"

দিবাকৰ ঘৰলৈ অহা দিনটোলৈ ভাগ্যৱতীয়ে ভিতৰি ভিতৰি অস্থিৰ হৈ অথচ নীৰৱে প্ৰতীক্ষা কৰি ৰ'ল। কলেজৰ বন্ধত দিবাকৰ ঘৰলৈ অহাৰ খবৰ যিদিনা শুনিলে, সেই দিনাৰপৰা ঘনে ঘনে তেওঁ বাটৰ খিৰিকীখনৰ ওচৰত থিয় হ'বলৈ ধৰিলে। ল'ৰাটোক দূৰৰপৰা এবাৰ দেখা পাবলৈ তেওঁৰ বৰ ইচ্ছা হ'ল; কিন্তু দিবাকৰ এই বাটেদি এবাৰো নাহিল। ইমানবোৰ মানুহ ভাগ্যৱতীৰ ওচৰলৈ আহিল, সি নো এবাৰো আহিব নাপায় নে? ঘৰলৈ নাহিলেও বাটেদিতো যাব পাৰে!

দিবাকৰ এইফালে নাহিল, কলেজ খোলাৰ আগতে সি গুচি গ'ল।

ভাগ্যৱতীয়ে এটা বিশ্বাসী মানুহ বিচাৰিলে, যি তেওঁক মাজে মাজে দিবাকৰৰ খবৰ দিব পাৰিব। সি ক'ত থাকে, কোনে তাক বান্ধি-বাঢ়ি খুৱায়, কোনে তাৰ আলপৈচান ধৰে। অথচ ৰজনী মাষ্টৰৰ কাণত যেন কোনোদিনাই তাৰ নামটোও নপৰে। কিন্তু ভাগ্যৱতীয়ে বৰ অসহায় বোধ কৰিলে, মানুহক সুধিবলৈ তেওঁ ভয়

কৰিলে। এদিন জোনালীয়ে ক'লে, দিবাকৰ বহুত দিন ঘৰলৈ নাহে ; ককায়েকলৈ চিঠি লিখিছে তাৰ এম. এ. পৰীক্ষালৈ বেছি দিন নাই। ভাগ্যৱতীৰ নাকৰ পাহিবোৰ ফুলি উঠিল ; ক্ষীণ মাতেৰে, প্ৰাৰ্থনা কৰাৰ নিচিনাকৈ তেওঁ জোনালীক সুধিলে, "তাৰ পৰীক্ষা কেতিয়া খবৰটো মোক দিব পাৰিবি নে ?"

জোনালীয়ে খবৰটো আনি দিলে। যিদিনাৰপৰা দিবাকৰৰ পৰীক্ষা তাৰ আগদিনা ভাগ্যৱতী গোসাঁই থাপনাৰ আগত চাকি এগছ জ্বলাই পৰি থাকিল : সেইফালেই তেওঁৰ টোপনি গ'ল।

এসময়ত ৰজনী মাষ্টৰৰ মুৰৰ আটাইবোৰ চুলি বগা হৈ গ'ল ; ভাগ্যৱতীৰ শুকান গালত ক'লা ক'লা, চমকা-চমক দাগ পৰিল। ইমান দিনেও এদিনো দিবাকৰ এই বাটেদি নাহিল। ভাগ্যৱতীয়ে তাৰ সকলো খবৰ ৰাখিছিল, আৰু আশা কৰি আছিল, এদিন সি আহিব।

কিন্তু যিটো খবৰ তেওঁ ৰখা নাছিল, সেইটো খবৰ দিবলৈ এদিন দিবাকৰৰ মাক নিজে আহিল। সক শৰাই এখনত তামোল-পাণখিনি আগবঢ়াই দি মাকে খবৰটো দিলে,—দিবাকৰৰ বিয়া ; ছোৱালী ওচৰৰে জগন্নাথ নাজিৰৰ জীয়েক।

ভাগ্যৱতী নিশ্চল হৈ বহি ৰ'ল। বহুত দূৰলৈ চাই থকা তেওঁৰ দৃষ্টি থৰ হৈ ৰ'ল। যেন এইমাত্ৰ কোনোবাই নিশা আকৌ এবাৰ ঢুকাল বুলি খবৰ দি গ'ল।

কেইদিনমানৰ পাছত জগন্নাথ নাজিৰৰ ঘৰৰপৰাও ভাগ্যৱতীক বিয়ালৈ মাতি গ'ল।

সুৰমায়াই বিয়ালৈ যাব নে কি বুলি সোধোঁতে ভাগ্যৱতীয়ে নাযাওঁ বুলি ক'লে। এই বয়সত এইখন বিয়া চাবলৈ তেওঁ বুকুত জোৰ বিচাৰি নাপালে ; কিন্তু বিয়াৰ দিনা ৰাতিপুৱাৰেপৰা ভাগ্যৱতীয়ে এক অসহ্য যন্ত্ৰণাত ছটফটাবলৈ ধৰিলে। এক মুহূৰ্ত ক'তো শান্তিৰে তেওঁ বৈ থাকিব নোৱাৰিলে। খুটা এটাত আউজি বহি থকা

ৰজনী মাউৰক হঠাতে তেওঁ এবাৰ ক'লে, "মই বিয়াঘৰলৈ যাম।"

মাউৰে মূৰ তুলি এবাৰ ভাগ্যৱতীলৈ চালে, তাৰ পাছত অৱা-অৱিকৈ ক'লে, "এৰা এৰা, যাব লাগে, যাব লাগে। নগ'লে আকৌ মেয়া-চেয়া পাব কেনেবাকৈ। কেতিয়া যাবা? এতিয়াই নে ৰাতিলৈ?"

ভাগ্যৱতীয়ে ক'লে, "ৰাতিলৈ।"

গধূলি হোৱাৰ লগে লগে ভাগ্যৱতী কইনাঘৰলৈ গ'ল। তেতিয়া কলপুলিৰ মাজৰ ওখ পীৰাখনত বহি কইনা বিজয়া মুঠিয়ে মুঠিয়ে কেঁচা হালধিৰ লগত খেলি-খেলি সোণবৰণীয়া হৈ উঠিছে। সকলোৰে লগতে ভাগ্যৱতীয়েও তাইৰ কপালত, গালত, ডিঙিত, হাতত, কঁপা কঁপা হাতেৰে কেইবা মুঠিও মাহ-হালধি ঘঁহি দিলে আৰু তাৰ পাছত তাইৰ মুখলৈ চাই হাঁহিলে।

ছোৱালীহঁতে কইনা সজালে; প্ৰকাণ্ড আয়না এখনৰ আগত কইনাক বহুৱাই সিহঁতে বেৰি ধৰি বহি থাকিল। দৰা অহাৰ আগতে খাই-বৈ লবলৈ ছোৱালীহঁত যেতিয়া উঠি গ'ল, সেই অকলশৰীয়া মুহূৰ্তটোত ভাগ্যৱতী বিজয়াৰ কাষ চাপি তাইৰ মূৰত হাত বুলাবলৈ ধৰিলে, তাৰপিছত এবাৰ কপালৰ আগলৈকে টানি আনি চালে। তাৰ পাছত তেওঁ লাহে লাহে ক'লে, "তোমাৰ বৰ সুখ হ'ব আই। বৰ সুখ হ'ব। মই তোমাৰ দৰাক বহুত দিন দেখা নাই। এতিয়ামানে চাপে সি আৰু ভাল ল'ৰা হৈছে। মই তাক সেই তাহানিয়েই দেখিছিলোঁ, তোমালোক তেতিয়া স্কুলত পঢ়া।"

বিজয়াই তলমূৰ কৰি লাহে লাহে ক'লে, "মই জানো আইতা।"

জানে? উজ্জ্বল দৃষ্টিৰে ভাগ্যৱতীয়ে বিজয়াৰ মুখলৈ চালে। যদি জানে তেনেহ'লে নিশা আৰু বহুত দিন জীয়াই থাকিব; কাইলৈ পৰহিলৈ ৰজনী মাউৰ আৰু ভাগ্যৱতী মৰি গ'লে আৰু দুটা প্ৰাণীয়ে নিশাক বচাই ৰাখিব।

দৰা অহাৰ হুলস্থূলৰ মাজতে ভাগ্যৱতী ল'ৰা এটাক লগত লৈ ঘৰলৈ আহিল। ৰজনী মাউৰ আমকালে চকী এখনত বহি আছিল।

বাকচ খুলি কোনেও নিপিন্ধা পাটৰ মেখেলা চাদৰ-যোৰ উলিয়াই লৈ ভাগ্যৱতী আকৌ বিয়াঘৰলৈ ওলাই গ'ল। ৰজনী মাষ্টৰ আন্ধাৰৰ মাজত চকীখনতে বহি ৰ'ল। লাহে লাহে মাজনিশা হ'ল। গোটেই চুবুৰিটো নিস্তব্ধ হৈ গ'ল। আৰু এই আন্ধাৰ আৰু নিস্তব্ধতাৰ মাজত বহি, হাতৰ তলুৱাৰ ওপৰত মূৰ থৈ মাষ্টৰে হুক্-হুককৈ কান্দিবলৈ ধৰিলে।

হোমৰ গুৰিত দৰা-কইনা, ৰভাতলীত বহুত মানুহ ; তাৰ মাজতে ভাগ্যৱতীও বহি আছিল। কোনোবা কোনোবা আধাৰাতিতেই উঠি গুচি গ'ল, কাৰোবাৰ কাৰোবাৰ মাজে মাজে চকু মুদ খাই আহিল, ভাগ্যৱতীয়ে কিন্তু চকুৰ টিপ মাৰিবও খোজা নাছিল। তেওঁ কেইবাবাৰো পাহৰি গৈছিল এইখন লোকৰ নে তেওঁৰ নিজৰ ঘৰৰ চোতাল। কেইবাবাৰো তেওঁ ভুল কৰিব খুজিছিল কইনাৰ দীঘল ওৰণিখনৰ তলত কাৰ মুখ আছে।

শেহ নিশা উছৰ্গাৰ সময়ত তেওঁ গোটেই মানুহজনী এবাৰ জোকাৰ খাই উঠিল। হোমৰ জুইৰ ওচৰতে থোৱা ডাঙৰ শৰাই এখন চাওঁতে চাওঁতেই বহুত বস্তুৰে ভৰি উঠিল। এসময়ত ভাগ্য-ৱতীয়ে উঠি গৈ মেখেলা-চাদৰযোৰ শৰাইখনৰ ওপৰত থলে। বহুত দিনৰ মূৰত, একেবাৰে ওচৰৰপৰা তেওঁ দিবাকৰৰ মুখলৈ চাই দেখিলে, সি নিষ্পলক দৃষ্টিৰে তেওঁৰ চকুলৈ চাই আছে। আম-কাঠৰ ধোঁৱাই তাক আমনি কৰিছিল ; হাতৰ ৰুমালখনেৰে দিবাকৰে তাৰ চকুযোৰ ঢাকি ধৰিলে।

ভাগ্যৱতী আৰু ৰভাতলীত নৰ'ল। তেওঁ ঘৰলৈ উভতি আহিবলৈ লগ এটা বিচাৰিছিল, কাকো নাপাই তেওঁ কইনাঘৰৰ ভিতৰলৈ সোমাই গ'ল। এটা চুকত সোমাই তেওঁ বহি পৰিল, আঠুৰ ওপৰত গালখন থলে, তাৰ পাছত বুকুফালি ওলোৱা অহা কান্দোনত গোটেই মানুহজনী কঁপিবলৈ ধৰিলে। শেহ নিশাৰ কইনাঘৰ, অথচ "কি হ'ল আইতা ?" বুলি সুধিবলৈও ভাগ্যৱতীৰ ওচৰত কোনো নাছিল।
